PGAS S3 02 (Lang)

ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

তৃতীয় ষাণ্মাসিক

অসমীয়া



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **খগেশ সেন ডেকা (অৱসৰপ্রাপ্ত),** সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১	ড° **কোকিল ডেকা,** এ' এছ বি ছি কলেজ, নগাঁও
২	ড° **পাচান আলি আহমেদ,** পশ্চিম ৰবিগোগ আঞ্চলিক মহাবিদ্যালয়
৩	ড° **দীপকজ্যোতি মহন্ত,** গোৰেশ্বৰ মহাবিদ্যালয়
৪	ড° **মনোজ কুমাৰ দাস,** আৰ জি বৰুৱা মহাবিদ্যালয়
৫ আৰু ৬	ড° **দীপাঞ্জলি দাস গোস্বামী,** কটন বিশ্ববিদ্যালয়
৭, ৮, ১৩ আৰু ১৪	**জয়শ্রী কলিতা,** গৱেষিকা গুৱাহাটী বিশ্ববিদ্যালয়
৯	ড° **ভাস্কৰ জ্যোতি শর্মা,** এবিলেক, উত্তৰ গুৱাহাটী
১০	ড° **বর্ণালী ডেকা,** পূব কামৰূপ মহাবিদ্যালয়
১১ আৰু ১২	ড° **পল্লবিকা শর্মা,** দৰং মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড° **উপেন ৰাভা হাকাচাম,** গুৱাহাটী বিশ্ববিদ্যালয় **(অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ১০, ১৩ আৰু ১৪)** ড° **খগেন সেন ডেকা,** পূব কামৰূপ মহাবিদ্যালয় **(অধ্যায় ৯, ১১ আৰু ১২)**
গাঁথনিক সম্পাদনা	ঃ	ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুলাই, ২০১৮ *দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ, ২০১৯* *তৃতীয় প্রকাশ ঃ নৱেম্বৰ, ২০২১*

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত। ISBN:

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্যালয় ঃ ৰেচম নগৰ, ৰাষ্ট্রীয় ঘাই পথ নং ৩৭, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ তৃতীয় ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত পাঠ্যবিষয়। 'ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়' শিৰোনামৰ এই পাঠ্যবিষয় তৃতীয় ষাণ্মাসিকৰ ভাষাৰ শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা প্ৰথম পাঠ্যবিষয়। আনহাতে, তৃতীয় ষাণ্মাসিকৰ সাতোখন পাঠ্যবিষয়ৰ ক্ৰমাঙ্ক অনুসৰি এইখন দ্বিতীয় পাঠ্যবিষয়। ইয়াত শিক্ষাৰ্থীক ভাষাবিজ্ঞান বিষয়টোৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে ভাষাতত্ত্বৰ বিভিন্ন শাখা-প্ৰশাখা, ভাষাবিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ, যেনে- ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, পৃথিৱীত প্ৰত্যক্ষ কৰিবলৈ পোৱা বিভিন্ন ভাষা পৰিয়াল আৰু লগতে ভাষাবিজ্ঞানৰ সাম্প্ৰতিক ধাৰাসমূহৰ লগত পৰিচিত কৰাই দিয়া হ'ব।

পাঠ্যবিষয়ৰ মুঠ চৈধ্যটা অধ্যায়ৰ ভিতৰত প্ৰথম অধ্যায়টোত ভাষাবিজ্ঞানৰ এটি পৰিচয় আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায় 'ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ'ত ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণৰ মাজত থকা সম্পৰ্ক নিৰূপণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায়ত ক্ৰমে ভাষা অধ্যয়নৰ ক্ৰমবিকাশ আৰু ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহৰ আলোচনা পঢ়িবলৈ পাব। পঞ্চম, ষষ্ঠ আৰু সপ্তম অধ্যায়ত ক্ৰমে ভাষাবিজ্ঞানৰ বিভিন্ন স্তৰ যেনে- ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ মূল দিশসমূহৰ আলোচনা পঢ়িবলৈ পাব। অষ্টম অধ্যায়ত ভাষাবিজ্ঞানৰ বিভিন্ন ধাৰাৰ বিষয়ে পৰিচয়মূলক আলোচনা আগবঢ়োৱা হৈছে। ইয়াত ক্ৰমে ভাষাতত্ত্বৰ ধাৰা, তুলনামূলক ভাষাতত্ত্বৰ ধাৰা, গাঁথনিক ধাৰা আৰু সৃজনাত্মক ধাৰাৰ আলোচনা আগবঢ়োৱা হৈছে। নৱম অধ্যায় কিছু পৃথকভাৱে সজোৱা হৈছে এই অৰ্থত যে ইয়াত যিটো বিষয় আলোচনা কৰা হৈছে সেয়া ভাষা প্ৰযুক্তি অৰ্থাৎ Language Technologyৰ লগত জড়িত। অধ্যায়টোৰ শিৰোনাম 'সাম্প্ৰতিক কালৰ ভাষাবৈজ্ঞানিক চিন্তা'। ইয়াত বিশেষভাৱে ভাষা প্ৰযুক্তি বিষয়টোৰ সূক্ষ্ম আলোচনা আগবঢ়োৱা হৈছে। অৱশ্যে ইয়াত ভাষাবিজ্ঞানৰ শিক্ষাৰ্থীৰ বাবে মূলতঃ ভাষা প্ৰযুক্তিৰ লগত জড়িত প্ৰাথমিক ধাৰণা আগবঢ়োৱা হৈছে। দশম অধ্যায়টোৰ পৰিসৰ বহল। ইয়াৰ শিৰোনাম 'পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল'। ইয়াত ভাষা পৰিয়াল মানে কি তাৰ ধাৰণা আগবঢ়োৱাৰ লগতে ভাষাৰ বৰ্গীকৰণ আৰু পৃথিৱীৰ বিভিন্ন ভাষাৰ সম্বন্ধে পঢ়িবলৈ পাব। একাদশ আৰু দ্বাদশ অধ্যায়ত ক্ৰমে 'ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল' আৰু 'ভাৰতীয় আৰ্য ভাষাৰ চমু পৰিচয়' অধিক বিস্তৃত পৰিসৰত বিভিন্ন ভাষা সম্পৰ্কীয় আলোচনা সন্নিৱিষ্ট হৈছে। ত্ৰয়োদশ অধ্যায়ত ভাৰতীয় আৰ্যভিন্ন ভাষাসমূহৰ পৰিচয়মূলক আলোচনা পঢ়িবলৈ পাব। চতুৰ্দশ তথা শেষৰটো অধ্যায়ত অসমৰ ভাষা পৰিয়ালৰ সাধাৰণ আলোচনাৰ লগতে অসমত প্ৰচলিত বিভিন্ন ভাষাৰ পৰিচয় লাভ কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ভাষাবিজ্ঞান ঃ এটি পৰিচয়** ৭ - ১৮

ভাষাবিজ্ঞান ঃ এটি অৱলোকন; ভাষাবিজ্ঞানক বিজ্ঞান কিয় বোলে; ভাষাবিজ্ঞানৰ পৰিসৰ; ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা; ভাষাবিজ্ঞান আৰু অন্যান্য বিষয়ৰ সম্পৰ্ক; ভাষাবিজ্ঞানৰ সামগ্ৰী

অধ্যায় ২ ঃ **ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ** ১৯ - ৪৬

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব ঃ প্ৰকাৰ আৰু ক্ষেত্ৰ, ভাষা বিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদ; ভাষাবিজ্ঞান আৰু ব্যাকৰণ ঃ প্ৰকাৰ আৰু ক্ষেত্ৰ, ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰভেদ, ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্ক

অধ্যায় ৩ ঃ **ভাষা অধ্যয়নৰ ক্ৰমবিকাশ** ৪৭ - ৭২

ভাষা অধ্যয়নৰ ক্ৰমবিকাশ ঃ প্ৰাচীন যুগ, ভাৰতীয়, গ্ৰীচীয়, ৰোমানীয় ঃ মধ্য যুগ, নৱজাগৰণৰ যুগ, আধুনিক যুগ ঃ ঐতিহাসিক, বৰ্ণনামূলক, সৃজনমূলক, অন্যান্য

অধ্যায় ৪ ঃ **ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহ** ৭৩ - ৯৭

ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহ ঃ সাধাৰণ আলোচনা, সময় আৰু সামাজিক-সাংস্কৃতিক ভিন্নতা অনুসৰি, দৃষ্টিভংগী অনুসৰি, ভাষা বিশ্লেষণৰ স্তৰ অনুসৰি, অন্যান্য বিষয়ৰ লগত ভাষাৰ সম্পৰ্ক অনুসৰি

অধ্যায় ৫ ঃ **ভাষাবিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ ঃ ধ্বনিতত্ত্ব** ৯৮ - ১১৬

ধ্বনিতত্ত্ব ঃ সাধাৰণ আলোচনা; ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞান, বিশিষ্ট ধ্বনিবিজ্ঞান; উপধ্বনি; ধ্বনিবিজ্ঞানৰ অধ্যয়ন প্ৰক্ৰিয়া, ধ্বনি, ধ্বনি বিভাগ, ব্যঞ্জন ধ্বনি, কণ্ঠ, ব্যঞ্জন ধ্বনিৰ বিভাজন, অনিয়ত ধ্বনি বা স্বৰধ্বনি, স্বৰধ্বনিৰ বিভাজন,

অধ্যায় ৬ ঃ **ধ্বনিবিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ ঃ ৰূপতত্ত্ব** ১১৭ - ১৩৩

ৰূপতত্ত্ব ঃ সাধাৰণ আলোচনা; ৰূপতত্ত্বৰ পৰিসৰ, ৰূপতত্ত্ব বা ৰূপগ্ৰাম বিজ্ঞান, আকৃতি, প্ৰাকৃতি, ৰূপ বা প্ৰাকৃতি আৰু উপৰূপ বা উপাকৃতি; ৰূপতত্ত্বৰ অধ্যয়ন প্ৰণালী; প্ৰাকৃতিৰ শ্ৰেণীবিভাগ, প্ৰাকৃতি বা মূল প্ৰাকৃতি, প্ৰাকৃতিৰ বিভাগ, সৰ্গৰ বিভাগ, শব্দ আৰু প্ৰকৃতি, ৰূপ ধ্বনিগত পৰিৱৰ্তন

অধ্যায় ৭ ঃ **ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ-বাক্যতত্ত্ব** ১৩৪ - ১৪৩

বাক্যতত্ত্বঃ সাধাৰণ আলোচনা, বাক্যতত্ত্বৰ পৰিসৰ, পৰম্পৰাগত বাক্যতত্ত্ব, আধুনিক বাক্যতত্ত্ব, বাক্যতত্ত্ব আৰু ব্যাকৰণ

অধ্যায় ৮ ঃ **ভাষাবিজ্ঞানৰ বিভিন্ন ধাৰা** ১৪৪ - ১৫২

ভাষাতত্ত্বৰ ধাৰা; তুলনামূলক ভাষাতত্ত্বৰ ধাৰা; গাঁথনিক ধাৰা; সৃজনাত্মক ধাৰা

অধ্যায় ৯ ঃ সাম্প্রতিক কালৰ ভাষাবৈজ্ঞানিক চিন্তা ১৫৩ - ১৮২

ভাষা প্ৰযুক্তি ঃ সাধাৰণ পৰিচয়; ভাষা প্ৰযুক্তিৰ ইতিহাস, স্বাভাৱিক ভাষা প্ৰক্ৰিয়া, ভাষাৰ তথ্য সংৰক্ষণ; ভাষাবৈজ্ঞানিক তথ্য সংগ্ৰহ পদ্ধতি, ভাষাৰ গঠন অনুসৰি প্ৰয়োগ হোৱা তথ্যৰ সংৰক্ষণ, ভাষিক তথ্যৰ সংৰক্ষণ, ডিজিটেল ৰূপত ভাষাৰ সংৰক্ষণ, স্নায়ৱিক ভাষাবিজ্ঞান; স্নায়ৱিক ভাষাবিজ্ঞান ঃ সাধাৰণ পৰিচয়, স্নায়ৱিক ভাষাবিজ্ঞানৰ ইতিহাস, ভাষা আৰু মগজুৰ সম্পৰ্ক, জৈৱ ভাষাবিজ্ঞান; জৈৱ ভাষাবিজ্ঞান ঃ সাধাৰণ পৰিচয়, স্নায়ৱিক ভাষাবিজ্ঞান আৰু জৈৱ ভাষাবিজ্ঞানৰ মাজত থকা পাৰ্থক্য, জৈৱ ভাষাবিজ্ঞানৰ কাৰকসমূহ

অধ্যায় ১০ ঃ পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল ১৮৩ - ২২৪

ভাষা পৰিয়াল ঃ পৰিচয়; ভাষাৰ বৰ্গীকৰণ; বংশানুক্ৰমিক বা ঐতিহাসিক বৰ্গীকৰণ, আকৃতিমূলক বা বাক্যৰীতিগত বা ৰূপতত্ত্বানুগত বৰ্গীকৰণ; অবৰ্গীকৃত বা গোষ্ঠী বহির্ভূত ভাষা; পৃথিৱীৰ ভাষা পৰিয়ালসমূহ; ইণ্ডো-ইউৰোপীয়; চীন-তিব্বতীয় বা তিব্বত-চীনীয় ভাষাগোষ্ঠী, চেমীয়-হেমীয়, অষ্ট্ৰিক, দ্ৰাবিড় উৰাল-আলটাই, ককেচীয়, এস্কিমো, অন্যান্য ভাষাবৰ্গ

অধ্যায় ১১ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল ২২৫ - ২৪৮

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল ঃ এটি বিৱৰণ; নামকৰণ, আদিম বাসস্থান, বৈশিষ্ট্যসমূহ, ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন শাখা-প্ৰশাখা

অধ্যায় ১২ ঃ ভাৰতীয় আৰ্য ভাষাৰ চমু পৰিচয় ২৪৯ - ২৭৬

ভাৰতীয় আৰ্য ভাষা ঃ এটি পৰিচয়; প্ৰাচীন ভাৰতীয় আৰ্য ভাষা, মধ্য ভাৰতীয় আৰ্য ভাষা, নব্য ভাৰতীয় আৰ্য ভাষা

অধ্যায় ১৩ ঃ ভাৰতীয় আৰ্যভিন্ন ভাষাৰ চমু পৰিচয় ২৭৭ - ২৮৬

ভাৰতৰ আৰ্যভিন্ন ভাষা ঃ সাধাৰণ আলোচনা; তিব্বত-বৰ্মীয় ভাষা, অষ্ট্ৰিক ভাষা, দ্ৰাবিড় ভাষা

অধ্যায় ১৪ ঃ অসমৰ ভাষা পৰিয়াল ২৮৭ - ২৯৯

অসমৰ ভাষা পৰিয়াল ঃ সাধাৰণ আলোচনা; তিব্বত-বৰ্মীয় ভাষা, অষ্ট্ৰিক ভাষা, টাইমূলীয় (আহোম) ভাষা, আৰ্য ভাষা

প্ৰসঙ্গ পুথি ৩০০ - ৩০১

অধ্যায় ১ ঃ ভাষাবিজ্ঞান ঃ এটি পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ভাষাবিজ্ঞান ঃ এটি অৱলোকন
১.৪ ভাষাবিজ্ঞানক বিজ্ঞান কিয় বোলে
১.৫ ভাষাবিজ্ঞানৰ পৰিসৰ
১.৬ ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা
১.৭ ভাষাবিজ্ঞান আৰু অন্যান্য বিষয়ৰ সম্পৰ্ক
১.৮ ভাষাবিজ্ঞানৰ সামগ্ৰী
১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.১০ অধিক জানিবলৈ
১.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.১২ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাবিজ্ঞান সম্বন্ধে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- ভাষাবিজ্ঞানক কিয় বিজ্ঞান বোলা হয় সেই সম্পৰ্কে জ্ঞাত হ'ব
- ভাষাবিজ্ঞান অধ্যয়নৰ স্তৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাষাবিজ্ঞানৰ সৈতে থকা অন্যান্য বিষয়ৰ সম্পৰ্ক সম্বন্ধেও জানিবলৈ পাব
- ভাষাবিজ্ঞানৰ সামগ্ৰীসমূহৰ বিষয়ে অৱগত হ'ব।

১.২ পৰিচয়

ভাষাৰ বিজ্ঞানসন্মত আলোচনাকেই ভাষাবিজ্ঞান বোলে। পৃথিৱীত অজস্ৰ ভাষা আছে। এই ভাষাসমূহৰ ধ্বনি, ধ্বনিৰ প্ৰকাৰ, সংযোগৰ প্ৰণালী, ৰূপ বা বাক্যসমূহৰ গঠন প্ৰণালী, শব্দমালা আৰু ইয়াৰ অৰ্থতত্ত্বৰ বিজ্ঞানসন্মত আলোচনা বা অধ্যয়নেই ভাষাবিজ্ঞানৰ মূল বিষয়। ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ পৰাহে ভাষাবিজ্ঞান অভিধাটোৰ প্ৰচলন হয়। অক্সফোৰ্ড ইংৰাজী অভিধানত 'ভাষাবিজ্ঞান' শব্দটোৰ অৰ্থ দিয়া হৈছে— 'ভাষাসমূহৰ বিজ্ঞান'; শব্দৰ বুৎপত্তি-বিজ্ঞান, আৰু ভাষাবিজ্ঞানীৰ অৰ্থ কৰিছে,— 'যিজনে বহুত ভাষাৰ ব্যৱহাৰ জানে' ইত্যাদি। অৱশ্যে এনে ব্যাখ্যাই ভাষাবিজ্ঞানৰ প্ৰকৃত অৰ্থ বহন নকৰে।

১.৩ ভাষাবিজ্ঞান ঃ এটি অৱলোকন

খ্ৰীষ্ট-পূৰ্ব পঞ্চম শতিকাৰ পৰা বৰ্ত্তমান পৰ্যন্ত সুদীৰ্ঘ সময়চোৱাৰ ভিতৰত ভাষা চিন্তা-চৰ্চাৰ ইতিহাসক তিনিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা

(ক) ব্যাকৰণ (Grammar)

(খ) ভাষাতত্ত্ব (Philology)

(গ) ভাষাবিজ্ঞান (Linguistics)

অৰ্থাৎ 'ব্যাকৰণ' আৰু 'ভাষাতত্ত্ব' এই দুই স্তৰ পাৰ হৈ আহিহে 'ভাষাবিজ্ঞান' এই স্তৰটো পাইছে। ভাৰতত খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাতেই মহৰ্ষি পাণিনিৰ *'অষ্টাধ্যায়ী'* নামে খ্যাত *'শব্দানুশাসনম্'* নামৰ গ্ৰন্থৰ মাজত ব্যাকৰণ-চিন্তাৰ উন্মেষ ঘটে। এইখনেই বিশ্বৰ প্ৰথমখন পূৰ্ণাংগ ব্যাকৰণ। ব্যাকৰণৰ গুৰুত্ব আৰু প্ৰয়োজন উপলব্ধি কৰি প্ৰাচীন ভাৰতত বাৰ বছৰ কাল কেবল ব্যাকৰণ শিক্ষা দিয়াৰ ৰীতি প্ৰচলন হৈছিল। ফলত 'দ্বাদশভি ঃ বৰ্ষৈ ঃ ব্যাকৰণং শ্ৰূয়তে'ৰ নিচিনা প্ৰাচীন বচনৰ সৃষ্টি হৈছিল। পৰম্পৰাগত ব্যাকৰণৰ এই ধাৰা ১৭৮৬ চনলৈকে চলি আছিল। ১৭৮৬ চনৰ ২ ফ্ৰেব্ৰুৱাৰীত কলিকতাৰ 'ৰয়েল এছিয়াটিক ছোছাইটিৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে ছাৰ উইলিয়াম জোনছে প্ৰদান কৰা ভাষা বিষয়ক বক্তৃতাৰ পৰাই তুলনামূলক ভাষাতত্ত্বৰ বা চমুকৈ ভাষাতত্ত্বৰ আৰম্ভণি হয়। আনহাতে 'ভাষাবিজ্ঞান' নামৰ এই ধাৰাটোৰ আৰম্ভণি হয় ১৯১৫ চনৰ পৰা। ১৯১৫ চনত ছুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফার্দিনাণ্ড দ্য চচ্যুৰৰ 'Cours de Linguistique Generale' বা 'Course in General Linguistics' প্ৰকাশ হোৱাৰ পিছত 'ভাষাবিজ্ঞান' নামৰ নতুন ধাৰাটোৰ জন্ম হয়। সেয়েহে ফার্দিনাণ্ড দ্য চচ্যুৰক আধুনিক ভাষাবিজ্ঞানৰ পিতৃ (Father of Modern Linguistics) বুলি অভিহিত কৰা হয়।

'Linguistics' শব্দটো অসমীয়া ভাষাত 'ভাষাবিজ্ঞান' ৰূপে ব্যৱহাৰ কৰা হয়। লেটিন ভাষাৰ পৰা অহা Linguistics শব্দৰ Lingua (মাত বা কথা) + istics (তত্ত্ব বা জ্ঞান) অৰ্থাৎ ভাষাৰ জ্ঞান। একেষাৰে ক'বলৈ গ'লে ভাষাৰ বিজ্ঞানসম্মত আলোচনাই হৈছে ভাষাবিজ্ঞান। ভাষা বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনি প্ৰতীকৰ সমষ্টি; গতিকে বাগযন্ত্ৰৰ উচ্চাৰিত ধ্বনিসমূহ, এইবোৰৰ সংযোগ প্ৰণালী, ধ্বনিসমূহ লগ লাগি সৃষ্টি হোৱা ৰূপ আৰু বাক্যসমূহৰ প্ৰণালীবদ্ধ অধ্যয়নেই ভাষাবিজ্ঞানৰ বিষয়। অৰ্থাৎ ভাষাবিজ্ঞানত ধ্বনি আৰু ধ্বনি সংযোগ প্ৰণালী, ৰূপ আৰু ৰূপ সংযোগ প্ৰণালী, বাক্যবিন্যাস আৰু অৰ্থতত্ত্ব সম্পৰ্কে আলোচনা কৰা হয়।

ভাষাবিজ্ঞানীসকলে সময়ে সময়ে আগবঢ়োৱা এনে শ্ৰেণী বিভাজনৰ দ্বাৰা নতুন নতুন দিশবোৰ উন্মোচন কৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাষা চিন্তাৰ ইতিহাসক কেইটা ভাগত ভাগ কৰা হৈছে? (৭৫টা শব্দৰ ভিতৰত)

.....

১.৪ ভাষাবিজ্ঞানক বিজ্ঞান কিয় বোলে

বিজ্ঞান মানে বিশেষ জ্ঞান। বিজ্ঞানত সকলো বিচাৰ বিশ্লেষণ বস্তুনিষ্ঠভাৱে কৰা হয়, য'ত ফলাফল সত্য আশ্রিত। বিজ্ঞানে কোনো এটা বস্তু গৰম বুলি কৈয়ে সন্তুষ্ট নাথাকে। সেই কথা বিজ্ঞানে যন্ত্রৰ সহায়ত জুখি দেখুৱায়। H_2O য়ে পানীৰ সংকেতক বুজায়। অর্থাৎ H_2O হাইড্রজেনৰ দুটা অনু আৰু অক্সিজেনৰ এটা অনু আছে। দুয়োটাৰ মিশ্রণতহে পানীৰ সৃষ্টি। বৈজ্ঞানিকে পৰীক্ষাগাৰত এই সমস্ত প্রক্রিয়া প্রমাণ কৰি দেখুৱাব পাৰি। পৰীক্ষাগাৰত যিদৰে হাইড্রজেন (H) আৰু অক্সিজেন (O) নির্দিষ্ট অনু মিহলাই পানী (H_2O) তৈয়াৰ কৰিব পাৰি সেইদৰে ওলোটাই পানী (H_2O) ৰ অনুক ভাঙি হাইড্রজেন (H) আৰু অক্সিজেন (O) দুটা পৃথক অনুৰৈ ৰূপান্তৰ কৰিব পাৰি। এনে ধৰণৰ সূক্ষ্ম আৰু পৰীক্ষনীয় বৈজ্ঞানিক পদ্ধতিয়েই বৈজ্ঞানিক পদ্ধতি। ভাষাবিজ্ঞানীসকলে বৈজ্ঞানিক বিষয়ৰ লেখিয়াকৈ ভাষাৰ আলোচনাৰ সময়তো তিনিটা দিশৰ ওপৰত চকু ৰাখে - সেয়া ক্রমে, অতিশয় সুস্পষ্টতা (Explicitness), প্রণালীবদ্ধতা (Systematicness), আৰু বস্তুধর্মিতা (Objectivity) । সেয়েহে ভাষাবিজ্ঞানৰ এই অধ্যয়নকো বিজ্ঞান বোলা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কি কাৰণে ভাষাবিজ্ঞানক বিজ্ঞানৰ শাৰীত পেলোৱা হয়? (৫০টা শব্দৰ ভিতৰত)

.....

১.৫ ভাষাবিজ্ঞানৰ পৰিসৰ

ভাষাবিজ্ঞানৰ পৰিসৰ বৰ বহল। ভাষাবিজ্ঞানে কোনো এটা বা একাধিক ভাষাৰ বিজ্ঞানসম্মত অধ্যয়ন কৰে। এনে ভাষাবোৰৰ অধ্যয়নৰ সময়ত ভাষাবিজ্ঞানীয়ে অধ্যয়নৰ বিষয় আৰু পদ্ধতিৰ প্রকৃতি অনুসৰি প্রধান তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ—

(১) বর্ণনাত্মক ভাষাবিজ্ঞান (Descriptive or Synchronic Linguistics)

(২) ঐতিহাসিক ভাষাবিজ্ঞান (Historical or diachronic Linguistics)

(৩) তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics)

(১) বর্ণনাত্মক ভাষাবিজ্ঞান (Descriptive or Synchronic Linguistics) ঃ বর্ণনাত্মক ভাষাবিজ্ঞানত কোনো এটা ভাষাৰ কোনো এক নির্দিষ্ট সময়ৰ কথিত ৰূপৰ যথাযথ বর্ণনাৰে ভাষাবৈজ্ঞানিক আলোচনা দাঙি ধৰা হয়। ইয়াত ভাষাটোৰ বিভিন্ন ঐতিহাসিক পৰিবর্তনৰ বিষয়ে দাঙি ধৰা নহয়। অর্থাৎ ভাষাটোৰ পূর্বৰূপ কি আছিল বা কি কি পৰিবর্তনৰ মাজেৰে আহি ভাষাটোৱে আজিৰ ৰূপ পাইছেহি সেই সম্পর্কে কোনো আলোচনা কৰা নহয়। সাধাৰণতে তেওঁলোকে সময়ক স্থিতিশীল বুলি ভাবি ভাষাটোৰ ৰূপটোক অধ্যয়ন কৰাত গুৰুত্ব দিয়ে। কোনো এটা নির্দিষ্ট সময়ৰ ভাষাৰ উপাদান যেনে ঃ ধ্বনি, ৰূপ, বাক্য ইতাদিৰ বিচাৰ বিশ্লেষণ আদি বর্ণনাত্মক ভাষাবিজ্ঞানৰ মূল বিষয়। অর্থাৎ বর্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ কোনো এক বিশেষ সময়ৰ শৃংখলাবদ্ধ অধ্যয়নক বুজায়। আধুনিক ভাষাবিজ্ঞানৰ পিতৃ চুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফার্ডিনাণ্ড দ্য চচ্যুৰে (১৮৫৭-১৯১৩) ভাষাবিজ্ঞান বিষয়ত কিছুমান তাত্ত্বিক চিন্তাধাৰাৰ কথা প্রকট কৰিছিল। তাৰ ভিতৰত অন্যতম এটা হ'ল এককালিক আৰু কালক্রমিক ধাৰা (Synchronic and Diachronic)। চচ্যুৰ সূচনা কৰা গ্রীক ভাষাৰ Synchronic শব্দটোৰ Synchronic শব্দটোৰ 'Syn' Prefix টোৱে Together, With বা লগত আৰু Chronos > time বা কাল বুজায়। অর্থাৎ যি কোনো কালৰ লগত জড়িত সিয়ে 'ছিনক্রনিক' বা এককালিক'। 'ছিনক্রনিক' শব্দৰ প্রতিশব্দ ৰূপে 'সমকালিক' বা 'সমকালীন' ও প্রয়োগ কৰা হয়। চচ্যুৰৰ 'ছিনক্রনিক' ভাষাবিজ্ঞানকেই *'বর্ণনাত্মক ভাষাবিজ্ঞান'* বুলি কোৱা হয়। সাধাৰণতে বর্ণনাত্মক ভাষাবিজ্ঞানত ভাষাৰ কথিত ৰূপটোৰ গাঁথনিক দিশটোৰ অধ্যয়নত গুৰুত্ব দিয়া হয়। ভাষাৰ গাঁথনিক দিশটোৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ বাবে বর্ণনাত্মক ভাষাবিজ্ঞানক গঠনাত্মক ভাষাবিজ্ঞান (Structural Linguistics) বুলিও অভিহিত কৰা হয়।

ভাষাবিজ্ঞানী চচ্যুৰে ঐতিহাসিক ভাষাবিজ্ঞানৰ বিপৰীতে এককালিক ভাষাৰ গঠন বর্ণনাত অধিক গুৰুত্ব আৰোপ কৰে। একোটা ভাষাৰ অন্তর্গত উপৰূপসমূহ অর্থাৎ উপভাষাসমূহৰ অধ্যয়নো বর্ণনাত্মক ভাষাবিজ্ঞানৰ ভিতৰুৱা। ভাষাবিজ্ঞানৰ ইতিহাসত বর্ণনাত্মক পদ্ধতিৰে বিশ্লেষণ আগবঢ়োৱা গ্রন্থৰ সংখ্যাও তাকৰ নহয়। অসমীয়া ভাষাত তেনে ধৰণৰ গ্রন্থ কেইখনমান হ'ল, উপেন্দ্রনাথ গোস্বামীৰ 'A Study in Kamrupi: A Dialect of Assam', প্রমোদ চন্দ্র ভট্টাচার্যৰ 'A Descriptive Analysis of the Bodo Language' ইত্যাদি।

২) ঐতিহাসিক ভাষাবিজ্ঞান (Historical or diachronic Linguistics) ঃ ভাষাবিজ্ঞানী ফার্ডিনাণ্ড দ্য চচ্যুৰ Diachronic চিন্তাধাৰাকেই 'কালক্রমিক' বা ঐতিহাসিক ভাষাবিজ্ঞান নামেৰে অভিহিত কৰা হয়। গ্রীক শব্দ 'Dia' (Prefix বা উপসর্গ) ই through, across অর্থাৎ মাজেদি বা অতিক্রম কৰা আৰু chronos > Chronic, time বা কাল অর্থাৎ যি কালৰ মাজেদি আহে, কাল অতিক্রম কৰি আহে বা বিভিন্ন কালৰ ধাৰা অনুসৰণ কৰে সিয়ে 'ডায়াক্রনিক'। ঐতিহাসিক ভাষাবিজ্ঞানত ভাষাৰ পৰিবর্ত্তন বা ক্রমবিৱর্তনৰ ধাৰাটোৰ ওপৰত বিশ্লেষণ আগবঢ়োৱা হয়। বিশ্বৰ প্রতিটো ভাষাৰেই জন্মৰ এক দীঘলীয়া ইতিহাস আছে। সময়ৰ

সোঁতত ভাষাই বিভিন্ন জনৰ মুখ বাগৰি আহোতে যথেষ্ট পৰিবর্তন সাধিত হয়। যিহেতু ভাষাটোৰ এনে পৰিবর্তন একেদিনাই সম্পন্ন নহয়, সেয়ে ভাষাটোৰ বিস্তৃত কালৰ অধ্যয়নৰ ফলতেহে ভাষাটোত ঘটা পৰিৱর্তনৰ কথা দৃষ্টিগোচৰ হ'ব। ভাষাৰ পূর্বৰ উৎস সম্পর্কীয় তথা তাৰ ক্রমপৰিৱর্তনৰ সকলো বিষয় ঐতিহাসিক ভাষাবিজ্ঞানৰ ভিতৰুৱা। উল্লেখ্য যে, ঐতিহাসিক ভাষাবিজ্ঞানে লিখিত ভাষাক প্রামাণ্য উপপাদ্য হিচাপে লৈ বিশ্লেষণ কৰে। বর্ণনাত্মক ভাষাবিজ্ঞানৰ দৰে ঐতিহাসিক ভাষাবিজ্ঞানটো ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যবিন্যাস তত্ত্ব, অর্থতত্ত্ব আদি বিভিন্ন স্তৰৰ আলোচনা থাকে। অৱশ্যে ঐতিহাসিক ভাষাবিজ্ঞানত বর্ণনাত্মক ভাষাবিজ্ঞানৰ দৰে উক্ত বিভাগসমূহৰ প্রত্যেকৰে সমান গুৰুত্ব নাথাকে। ইয়াত ধ্বনিতত্ত্বৰ আলোচনাত ভাষাটোৰ লিখিত ৰূপক ভিত্তি হিচাপে লৈ আগবঢ়া হয়। সেয়েহে বহু সময়ত ঐতিহাসিক ভাষাবিজ্ঞানে কল্পনাৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। ঐতিহাসিক ভাষাবিজ্ঞানত অর্থতাত্ত্বিক আলোচনা অত্যন্ত আন্তৰিকতাৰে আগবঢ়োৱা হয়। কোনো শব্দৰ পুৰণি অর্থ, বিভিন্ন পৰিবর্তনত শব্দৰ অর্থৰ তাৰতম্য ইত্যাদি আলোচনাৰ লগতে পুৰণি আৰু শুদ্ধ ৰূপটো নির্ধাৰণৰ বাবে ব্যৱস্থা লোৱা হয়। যুগৰ পৰিবর্তনৰ লগে লগে ভাষা এটাৰ অন্তর্গত শব্দবোৰৰ অর্থৰ পৰিবর্তন হৈ পৰে। কেতিয়াবা মূল অর্থৰ পৰা আতৰি বিপৰীত অর্থ নতুবা অন্য অর্থহে প্রকাশ কৰে। উদাহৰণ স্বৰূপে, সংস্কৃত 'ধুৰন্ধৰ' শব্দটোৱে শ্রেষ্ঠ, পাকৈত, কার্যদক্ষ বুজায় । হিন্দী ভাষাত এতিয়াও ধুৰন্ধৰ মানে শ্রেষ্ঠ অর্থকে বহন কৰি আহিছে। যেনে, 'ধুৰন্ধৰ বল্লেবাজ শচীন তেণ্ডুলকাৰ' ইত্যাদি। কিন্তু অসমীয়াত সেই ধুৰন্ধৰ শব্দটোৱে 'বদমাচ', 'উৎপতীয়া' ইত্যাদি অর্থহে প্রকাশ কৰে। ঠিক একেদৰে সংস্কৃত 'মৃগ' বা 'মৃগয়া' শব্দটোৱে পূর্বতে চিকাৰ কৰিবলৈ যাওঁতে ৰজাসকলে বনত পোৱা সকলো ধৰণৰ জীৱ-জন্তুকে বুজোৱা হৈছিল; কিন্তু পৰৱর্তী সময়ত সেই অর্থ সংকোচিত হৈ 'মৃগ' বা 'মৃগয়া' শব্দই কেৱল হৰিণ বা হৰিণা চিকাৰ কৰাৰ কথাহে বুজোৱা হ'ল। ইংৰাজী ভাষাৰ 'Meat' শব্দটোৱে প্রথম যিকোনো ধৰণৰ খাদ্যকেই বুজাইছিল। কিন্তু পিছলৈ 'Meat' শব্দই কেবল মাংসকহে বুজোৱা হ'ল। ভাষাৰ এনেবোৰ পৰিবর্তনৰ বিষয়েও ঐতিহাসিক ভাষাবিজ্ঞানে গুৰুত্বপূর্ণ আৰু সময়োপযোগী আলোচনা আগবঢ়ায়। ঐতিহাসিক ভাষাবিজ্ঞান সম্পর্কীয় কেইখনমান উল্লেখযোগ্য গ্রন্থ হ'ল বাণীকান্ত কাকতিৰ 'Assamese : Its Formation and Development' (অসমীয়া ভাষাৰ গঠন আৰু বিকাশ), সুনীতি কুমাৰ চেতার্জীৰ The Origin and Development of the Bengali Language ইত্যাদি।

৩) তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics) ঃ সমগোত্রীয় দুটা বা ততোধিক ভাষাৰ ঐতিহাসিক বিশ্লেষণৰ মাজেৰে পৰস্পৰ সম্পর্ক দেখুৱাতো তুলনামূলক ভাষাবিজ্ঞানত আলোচনা কৰা হয়। প্রকৃততে তুলনামূলক ভাষাবিজ্ঞানত আলোচ্য ভাষাকেইটা যে একেটা মূলৰ পৰাই উৎপন্ন সেই কথাই সর্বশেষত প্রমাণ কৰিবলৈ প্রয়াস কৰা হয়। বর্ণনাত্মক আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ লেখিয়াকৈ তুলনামূলক ভাষাবিজ্ঞানতো আলোচিত ভাষাকেইটাৰ ধ্বনিগত, ৰূপগত, বাক্যগত, অর্থগত আদি দিশৰ আলোচনা কৰা হয়। তুলনামূলক ভাষাবিজ্ঞানে

ঐতিহাসিক ভাষাবিজ্ঞানৰ গাত আওজিয়েই আগবাঢ়িব পাৰে। ভাষা এটাৰ সময়ৰ সোঁতত হোৱা পৰিবৰ্তন আৰু ভাষাটোৰ পূৰ্বৰ ৰূপ নিৰ্ধাৰণত তুলনামূলক ভাষাবিজ্ঞানে সহায় কৰে। সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষা যে একেটা মূলৰ তাৰ প্ৰমাণ তুলনামূলক ভাষাবিজ্ঞানৰ যোগেদিয়েই প্ৰমাণিত হৈছে। পৃথিৱীৰ সৰ্ববৃহৎ ভাষাপৰিয়াল ইণ্ডো ইউৰোপীয়ৰ অন্তৰ্গত বিভিন্ন ভাষাসমূহ ইংৰাজী, জাৰ্মানীয়, ইটালীয়, ফৰাচী, লেটিন ইত্যাদি ভাষাৰ অধ্যয়নো তুলনামূলক ভাষাবিজ্ঞানৰ যোগেদিয়েই সম্ভৱ হৈ উঠিছে। তুলনামূলক ভাষাবিজ্ঞানৰ অবিহনে একে জাতীয় এনে ভাষাবোৰৰ মূল ৰূপ নিৰ্ণয় কৰাটো অসম্ভৱ। তুলনামূলক ভাষাবিজ্ঞানীসকলে একে জাতীয় ভাষাসমূহৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অৰ্থতত্ত্ব ইত্যাদিবোৰৰ পৃথক পৃথক তালিকা প্ৰস্তুত কৰি ভাষাকেইটাৰ মাজৰ সম্পৰ্ক সুনিশ্চিত কৰা দেখা যায়। তুলনামূলক ভাষাবিজ্ঞান সম্পৰ্কীয় কেইখনমান গ্ৰন্থ হ'ল R.Caldwell ৰ 'A Comparative Grammar of the Dravidian Language', J.Beames ৰ 'Comparative Grammar of Modern Aryan Language' ইত্যাদি।

ভেদাত্মক ভাষাবিজ্ঞান (Conrtarstive Linguistics) ঃ তুলনামূলক ভাষাবিজ্ঞানৰ এটি নতুন শাখা হৈছে ভেদাত্মক ভাষাবিজ্ঞান। দুটা সমগোত্ৰীয় বা বিষম গোত্ৰীয় ভাষাৰ বৰ্ণনাত্মক বিশ্লেষণৰ দ্বাৰা যি তুলনা দাঙি ধৰা হয় তাকেই ভেদাত্মক ভাষাবিজ্ঞান বোলে। ইয়াত আলোচিত ভাষাকেইটাৰ কোনোটোৱেই ঐতিহাসিক দৃষ্টিভংগীৰে আলোচনা কৰা নহয়। তুলনামূলক ভাষাবিজ্ঞানত সদায় সমগোত্ৰীয় ভাষাসমূহৰহে আলোচনা কৰা হয়; কিন্তু ভেদাত্মক ভাষাবিজ্ঞানত যিকোনো দুটা বা ততোধিক ভাষাৰ মাজৰ বিশ্লেষণ হ'ব পাৰে। আকৌ তুলনামূলক ভাষাবিজ্ঞানত আলোচনাৰ সৰ্বশেষত ভাষাকেইটি যে একে মূলৰেই তাক প্ৰমাণ কৰি দেখুওৱা হয়। অন্যহাতে ভেদাত্মক ভাষাবিজ্ঞানত দুটা ভাষাৰ মাজৰ ভেদখিনিহে স্পষ্ট কৰি দাঙি দেখুওৱা হয়। তুলনামূলক ভাষাবিজ্ঞান আৰু ভেদাত্মক ভাষাবিজ্ঞানৰ মাজৰ অন্য এটা পাৰ্থক্য হ'ল তুলনামূলক ভাষাবিজ্ঞানে সদায় লিখিত সমলৰ ওপৰত ভিত্তি কৰি বিশ্লেষণ প্ৰস্তুত কৰে, কিন্তু ভেদাত্মক ভাষাবিজ্ঞানে কথিত ভাষাকহে নিজৰ প্ৰামাণিক তথ্য হিচাপে গ্ৰহণ কৰে।

ভাষাবিজ্ঞানৰ আলোচনাত সমাজ ভাষাবিজ্ঞান, ভূ-ভাষাবিজ্ঞান, মনস্তাত্ত্বিক ভাষাবিজ্ঞান, প্ৰায়োগিক ভাষাবিজ্ঞানেও সুকীয়া সুকীয়া দিশত নতুন নতুন দিশ উন্মোচন কৰিবলৈ সক্ষম হৈছে। সেয়েহে এই ভাগসমূহৰ অধ্যয়নৰো সমানে গুৰুত্ব আছে। ভাষাকেইটাৰ কোনাটোকেই ঐতিহাসিক দৃষ্টিভংগীৰে আলোচনা কৰা নহয়। তুলনামূলক ভাষাবিজ্ঞানত যিকোনো দুটা বা ততোধিক ভাষাৰ মাজৰ বিশ্লেষণ হ'ব পাৰে। আকৌ তুলনামূলক ভাষাবিজ্ঞানত আলোচনাৰ সৰ্বশেষত ভাষাকেইটা যে একে মূলৰেই তাক প্ৰমাণ কৰি দেখুওৱা হয়, অন্যহাতে ভেদাত্মক ভাষাবিজ্ঞানত দুটা ভাষাৰ মাজৰ ভেদখিনিহে স্পষ্ট কৰি দাঙি দেখুওৱা হয়। তুলনামূলক ভাষাবিজ্ঞান আৰু ভেদাত্মক ভাষাবিজ্ঞানৰ মাজৰ অন্য এটা পাৰ্থক্য প্ৰস্তুত কৰে, কিন্তু ভেদাত্মক ভাষাবিজ্ঞানে কথিত ভাষাকহে নিজৰ প্ৰামাণিক তথ্য হিচাপে গ্ৰহণ কৰে।

ওপৰোক্ত শাখাসমূহৰ উপৰিও ভাষাবিজ্ঞানৰ আলোচনাত সমাজ ভাষাবিজ্ঞান, ভূ-ভাষাবিজ্ঞান, মনস্তাত্ত্বিক ভাষাবিজ্ঞান, প্ৰায়োগিক ভাষাবিজ্ঞানেও সুকীয়া সুকীয়া দিশত নতুন নতুন দিশ উন্মোচন কৰিবলৈ সক্ষম হৈছে। সেয়েহে এই ভাগসমূহৰ অধ্যয়নৰো সমানে গুৰুত্ব আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাষাবিজ্ঞানক কেইটা ভাগত ভাগ কৰিব পাৰি? আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১.৬ ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা

বিজ্ঞান কোনো এক বিষয়ৰ নিৰ্মোহ বিশ্লেষণ। বিজ্ঞান যিকোনো বিষয়ৰ তথ্য, প্ৰমাণ আৰু যুক্তিৰ ওপৰত নিৰ্ভৰশীল। অন্য বিজ্ঞানৰ লেখিয়াকৈ ভাষাৰ অধ্যয়নকো বিজ্ঞানৰ শাৰীলৈ নিয়াৰ মূলতে ভাষাৰ আলোচনাকো একেদৰে চাবলৈ বিচৰা হৈছে। কেইবাটিও কাৰণত ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হৈছে। ভাষাবিজ্ঞানীয়ে ভাষাটোৰ অধ্যয়ন কৰ্মত প্ৰধানকৈ দুটা সামগ্ৰী সংগ্ৰহ কৰে— শব্দ আৰু বাক্য। শব্দ সংগ্ৰহৰ বেলিকা ধ্বনিৰ উচ্চাৰণত বিশেষভাৱে মনোযোগ দিয়া হয়। তথ্যসমূহ নিৰ্ভুলকৈ সংগ্ৰহ কৰিবৰ বাবে বিভিন্ন ধৰণৰ বৈজ্ঞানিক সা-সৰঞ্জাম, যন্ত্ৰপাতিৰ সহায় লোৱা হয়। যেনে- টেপ ৰেকৰ্ডাৰ, কেমেৰা, ভিডিঅ' কেমেৰা ইত্যাদি। সংগৃহীত হোৱা তথ্যসমূহ টেপৰেকৰ্ডাৰত বাৰে বাৰে বজাই নতুবা ভিডিঅ' কেমেৰাত বন্দী চিত্ৰসমূহত ধ্বনিসমূহ উচ্চাৰণত ব্যৱহৃত হোৱা বাগিন্দ্ৰিয় সঞ্চালনসমূহৰ পুনৰীক্ষণ কৰিব পাৰি। বিজ্ঞানৰ নতুন নতুন আৱিস্কাৰে ধ্বনি উচ্চাৰণত হোৱা সামান্যতম পাৰ্থক্যও ধৰাৰ সুবিধা কৰি দিছে। ভাষাৰ মূল উপাদানসমূহ- ধ্বনি, ৰূপ আৰু বাক্য সকলোৰে বিশ্লেষণ প্ৰক্ৰিয়াত বিভিন্ন অত্যাধুনিক যন্ত্ৰৰ ব্যৱহাৰ কৰা হয়। এনে যন্ত্ৰ-পাতি কেইটামানৰ নাম হ'ল ক্ৰমে, স্পেক্টোগ্ৰাফ (Spectograph), অচিলোগ্ৰাফ (Osillograph), কাইমোগ্ৰাফ (Kymograph), লেৰিঙ্গোস্কোপ (Laryngooscope), অটোফনোস্কাপ (Autophonoscope), এনডোস্কোপ Endoscope), মাইঙ্গোগ্ৰাফ (Mingograph), চোন'গ্ৰাফ (Sonograph), ব্ৰিথিংফ্লাস্ক (Breathing flask), পিটচ্‌মেটৰ (Pichmeter) ইত্যাদি।

ভাষাৰ আলোচনাত সাহিত্যৰ দৰে আবেগ, অনুভূতিয়ে স্থান নাপায়। ভাষাত ব্যৱহৃত সামগ্ৰীসমূহৰ বৈজ্ঞানিক নিৰ্ভৰযোগ্যতা অনুসৰিহে বিশ্লেষণ আগবঢ়োৱা হয়। কেতিয়াবা ভাষাবিজ্ঞানীয়ে দাঙি ধৰা মৌলিক সূত্ৰৰ ওপৰত বিতৰ্কমূলক প্ৰশ্নৰ অৱতাৰণা কৰি তাৰ সমিধানৰ বিশ্বাসযোগ্য আৰু তথ্যসম্বলিত বৰ্ণনা কৰে। প্ৰয়োজন সাপেক্ষে অধিক তথ্য আৱিস্কাৰ কৰি নতুন নতুন বৈজ্ঞানিক সূত্ৰেৰে ভাষাটোৰ সাৰ্বজনীন ৰূপ বিচাৰি উলিয়াবলৈ যত্ন কৰে। ভাষাবিজ্ঞানৰ এনে বৈজ্ঞানিক বিশ্লেষণ তথা যুক্তিনিৰ্ভৰ সমিধানৰ বাবেই প্ৰয়োজনীয়তা স্বীকাৰ কৰি লোৱা হয়।

১.৭ ভাষাবিজ্ঞান আৰু অন্যান্য বিষয়ৰ সম্পৰ্ক

ভাষাবিজ্ঞান যদিও এক সুকীয়া বিজ্ঞান তথাপিও ইয়াৰ লগত প্ৰাকৃতিক বিজ্ঞান, মনোবিজ্ঞান, প্ৰাণীবিজ্ঞান, অংকশাস্ত্ৰ, নৃতত্ত্ব, শৰীৰবিজ্ঞান ইত্যাদিৰ বিশেষ সম্পৰ্ক আছে। ভাষা হৈছে ব্যক্তিৰ ভাৱ প্ৰকাশৰ মাধ্যম। ভাষাৰ গাঁথনিক দিশটোৰ ওপৰত আলোচনা কৰোঁতে ভাষাবিজ্ঞানীয়ে ধ্বনিসমূহক ধ্বনিবিজ্ঞানৰ আধাৰত বিশ্লেষণ আগবঢ়ায়। ধ্বনিবিজ্ঞানত ধ্বনিৰ উচ্চাৰণ প্ৰণালী, গুণ, শ্ৰৱণকেন্দ্ৰত তাৰ প্ৰতিক্ৰিয়া, বক্তাৰ মুখৰ পৰা শ্ৰোতাৰ কাণলৈ যাওঁতে বায়ুমণ্ডলত ধ্বনিসমূহৰ বিভিন্ন তাৰতম্য ইত্যাদি সকলো বিষয় আলোচনা কৰা হয়। ভাষাবিজ্ঞান যিহেতু জীৱিত প্ৰাণীৰ মুখৰ ভাষাৰ অধ্যয়ন গতিকে ভাষাবিজ্ঞানীয়ে সদায় প্ৰাণীবিজ্ঞানৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলে। ঠিক একেদৰে তৰঙ্গবিজ্ঞানে পদাৰ্থবিজ্ঞানৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে। বাগিন্দ্ৰিয়ৰ বিভিন্ন অংশসমূহ যিহেতু মানুহৰ শৰীৰ বিষয়ৰ গতিকে ধ্বনিৰ উৎপত্তি তত্ত্বৰ শৰীৰ বিজ্ঞান (Anatomy), শিৰ বিজ্ঞান (Neurology), আৰু নিধানশাস্ত্ৰ (Pathology) ওতঃপ্ৰোতভাৱে জড়িত। আনহাতে কোনো অঞ্চলত ভাষা-ভাষিক লোকৰ সংখ্যাৰ তথ্য সংগ্ৰহৰ বাবে পৰিসংখ্যা বিজ্ঞান (Statistics), গাণিতিক বিজ্ঞান (Mathematics) ৰ প্ৰয়োজনো আছে।

সকলো ভাষাৰে এক দীৰ্ঘ ইতিহাস থাকে। ভাষাৰ ঐতিহাসিক তত্ত্ব আৰু সংস্কৃতিৰ বিষয়ে জানিবলৈ ভাষাবিজ্ঞানীক নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদৰ প্ৰয়োজন। পৌৰাণিক পাঠ, শিলালিপি, তাম্ৰলিপি ইত্যাদিৰ পাঠ উদ্ধাৰৰ ক্ষেত্ৰত পু�ৰাতত্ত্ববিদে প্ৰধান ভূমিকা গ্ৰহণ কৰে।

১.৮ ভাষাবিজ্ঞানৰ সামগ্ৰী

ভাষাবিজ্ঞানৰ সামগ্ৰী বুলিলে ভাষাত ব্যৱহৃত মূল উপাদানসমূহকে বুজায়। সেইবোৰ ক্ৰমে- ধ্বনিৰূপ, বাক্য আৰু অৰ্থ। এই আটাইকেইটা সামগ্ৰীকে কোনো এক নিৰ্দিষ্ট ভাষাৰ মাধ্যমত কৰা অধ্যয়ন অনুসৰি ক্ৰমে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব , বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব নামেৰে নামকৰণ কৰা হৈছে। ভাষা মানৱ বাগিন্দ্ৰিয়ৰ সহায়ত উচ্চাৰিত ধ্বনি প্ৰতীকৰ সমষ্টি। মানৱ বাগযন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনিসমূহৰ পুংখানুপুংখ বিশ্লেষণ ধ্বনিবিজ্ঞানৰ ভিতৰুৱা। কোনো এক নিৰ্দিষ্ট ভাষাৰ ধ্বনিৰ বিশ্লেষণ পদ্ধতিৰ অধ্যয়ন ধ্বনিতত্ত্ব শাখাটোত কৰা হয়। আনহাতে ধ্বনিসমূহ লগলাগি সৃষ্টি কৰা ৰূপসমূহে অধ্যয়নৰ স্তৰটোক ৰূপতত্ত্ব বোলা হৈছে। ৰূপবোৰৰ শৃংখলাবদ্ধ সংযোগৰ ফলত বাক্যৰ সৃষ্টি হয়। বাক্য গঠন প্ৰক্ৰিয়াৰ পুংখানুপুংখ বিশ্লেষণ বাক্যতত্ত্ব স্তৰত আৰু বাক্যই প্ৰকাশ কৰা অৰ্থৰ সামগ্ৰীক বিশ্লেষণ অৰ্থতত্ত্ব স্তৰত আলোচনা কৰা হয়। ভাষাৰ গঠন প্ৰণালী অনুসৰি ভাষাবিজ্ঞানৰ সামগ্ৰীসমূহক বিভিন্ন ভাষাবিজ্ঞানীয়ে বিভিন্ন ভাগত বিভক্ত কৰি দেখুওৱাইছে।

ৰবাৰ্টহল (Robert Hall) এ তিনিটা স্তৰত ভাগ কৰিছে । সেইকেইটা —

(১) ধ্বনিতত্ত্ব (Phonology)

(ক) বৰ্ণবিজ্ঞান (Phonemics)

(খ) ধ্বনিবিজ্ঞান (Phonetics)

(২) ৰূপতত্ত্ব (Morphology)

(ক) প্ৰাকৃতিবিজ্ঞান (Morphemics)

(৩) বাক্যতত্ত্ব (Syntax)

ভাষাবিজ্ঞানী তাৰাপোৱেৰালাই আধুনিক ভাষাবিজ্ঞানৰ সামগ্ৰীসমূহৰ অধ্যয়ন প্ৰণালীক পাঁচোটা প্ৰধান শাখাত বিভক্ত কৰিছে—

(১) বাক্যতত্ত্ব (Syntax)

(২) ৰূপতত্ত্ব (Morphology)

(৩) ধ্বনিতত্ত্ব (Phonology)

(৪) অৰ্থতত্ত্ব (Sementics)

(৫) ভাষাৰ প্ৰত্নতাত্ত্বিক অধ্যয়ন (Linguistic Palaeontology)

অন্যান্য পণ্ডিতসকলেও তেওঁলোকৰ ধৰণেৰে ভাষাবিজ্ঞানৰ বিভিন্ন স্তৰসমূহৰ উল্লেখ কৰিছে। আৰ.এইচ.ৰবিন্স (R.H.Robins) এ তিনিটা স্তৰৰ কথা কৈছে, যেনে—

(১) ধ্বনিতত্ত্ব (Phonology)

(২) ব্যাকৰণ (Grammar)

(৩) অৰ্থতত্ত্ব (Sementics)

(১) ধ্বনিতত্ত্ব (Phonology) ঃ

ধ্বনিতত্ত্বই কোনো এটা নিৰ্দিষ্ট ভাষাৰ উচ্চাৰিত ধ্বনিসমূহৰ প্ৰণালীবদ্ধ আলোচনাক বুজায়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, বাংলা ভাষাৰ ধ্বনিতত্ত্ব ইত্যাদি। ইয়াত বাগিন্দ্ৰীয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ উৎপাদন, ধ্বনিৰ গুণ আৰু ধ্বনিসমূহৰ প্ৰকৃতি সম্বন্ধে সূক্ষ্মভাৱে আলোচনা কৰা হয়। ভাষাবিজ্ঞানী লিওনার্ড ব্লুমফিল্ডে ধ্বনিতত্ত্ব সম্পৰ্কে কৈছে "বাগ্ধ্বনিৰ প্ৰণালীবদ্ধ আলোচনাই হৈছে ধ্বনিতত্ত্ব বা কাৰ্যকৰী ধ্বনিবিজ্ঞানৰ ধাৰা"।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ভাষাৰ অধ্যয়ন কৰ্মত প্ৰয়োগ হোৱা সামগ্ৰীসমূহ কি কি? (১০০টা শব্দৰ ভিতৰত)

.....

(২) ৰূপতত্ত্ব (Morphology) ঃ

ভাষা অধ্যয়নৰ এটি অন্যতম স্তৰ হৈছে ৰূপতত্ত্ব। 'ৰূপতত্ত্ব' শব্দটো ইংৰাজী Morphology শব্দৰ অসমীয়া প্ৰতিশব্দ। ভাষাবিজ্ঞানৰ এই শাখাটোত ভাষাৰ ব্যাকৰণগত এককসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন কৰা হয়। ধ্বনিসমূহৰ শৃংখলাবদ্ধ প্ৰয়োগে ৰূপৰ সৃষ্টি কৰে। ৰূপবোৰ সাধাৰণতে দুটা ভাগত ভগোৱা হৈছে। মুক্ত ৰূপ আৰু বদ্ধ ৰূপ। মুক্ত ৰূপবোৰ স্বাধীন আৰু

মুকলিমুৰীয়া। এইবোৰ অকলে অকলে ব্যৱহাৰ হ'ব পাৰে; আনহাতে যিবোৰ ৰূপৰ ব্যৱহাৰৰ সীমাবদ্ধতা আছে যাক বাক্যত অকলে ব্যৱহাৰ কৰিব নোৱাৰি সেইবোৰক বদ্ধ ৰূপ হিচাপে চিনাক্ত কৰা হয়। উদাহৰণস্বৰূপে, 'মানুহবোৰ' এই শব্দটোৰ 'মানুহ' শব্দটো মুক্ত ৰূপ; আনহাতে 'বোৰ' অংশটো অকলে ব্যৱহাৰ হ'ব নোৱাৰে। 'মানুহ' মুক্ত ৰূপৰ লগতহে ইয়াৰ ব্যৱহাৰ সম্ভৱ সেয়েহে ই বদ্ধ ৰূপ। ব্লুমফিল্ডৰ মতে, *"ভাষাৰ অংগবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধ ৰূপবোৰৰ আলোচনাই হৈছে ৰূপতত্ত্ব।"* ৰূপতত্ত্ব বিভাগটোত ভাষা এটাৰ বৈয়াকৰণিক ৰূপ যেনে-উপসর্গ (Prefix), পৰসর্গ (Suffix), অন্তঃসর্গ (Infix) ইত্যাদিৰ লগতে লিংগ, বচন, পুৰুষ, আকৃতি (Morph), প্ৰাকৃতি (Morpheme), উপাকৃতি (Allomorph) ইত্যাদি বিষয়ো সূক্ষ্মাতিসূক্ষ্মভাৱে আলোচনা কৰা হয়।

(৩) বাক্যতত্ত্ব (Syntax) ঃ

বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ হৈছে Syntax। Syntax শব্দটো গ্ৰীক ভাষাৰ। Syn মানে 'together'; taxix মানে 'an arranging' অর্থাৎ বাক্যতত্ত্বই ভাষাৰ প্ৰণালীবদ্ধ গাঁথনি (Systematic arrangement or putting together) ক বুজায়। এই বিভাগটোত ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তর্নিহিত সুৰ ইত্যাদি দিশৰ আলোচনা কৰে।

(৪) অর্থতত্ত্ব (Semantics) ঃ

গ্ৰীক ভাষাৰ 'Semantics' শব্দৰ অসমীয়া ৰূপ হৈছে 'অর্থতত্ত্ব'। ভাষাৰ মূল সামগ্ৰী ধ্বনিসমূহ লগ লাগি ৰূপ গঠন হয়। ৰূপবোৰ এক নির্দিষ্ট ক্ৰমত লগ লাগি বাক্য গঠন হয়। বাক্যই অর্থ প্ৰকাশ কৰাৰ যোগেদিহে বক্তাৰ অভিব্যক্তি বুজা যায়। ভাবৰ সূচনা কেৱল অর্থইহে কৰে। অর্থৰ অবিহনে অন্য উপাদানে ভাৱ প্ৰকাশ কৰিব নোৱাৰে। গতিকে অর্থতত্ত্বত শব্দৰ অর্থৰ বিভিন্ন দিশসমূহৰ বিষয়ে বিশ্লেষণ কৰা হয়।



১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা-চিন্তাৰ ইতিহাস সম্পর্কে চমু আভাস পাব।
- ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান সম্পর্কে সামান্য আভাস পাব।
- ভাষাবিজ্ঞানক বিজ্ঞান কিয় বোলে এই সম্পর্কে জ্ঞাত হ'ব।
- ভাষাবিজ্ঞানৰ পৰিসৰ-বর্ণনাত্মক ভাষাবিজ্ঞান, ঐতিহাসিক ভাষাবিজ্ঞান, তুলনামূলক ভাষাবিজ্ঞান, বিৰোধমূলক ভাষাবিজ্ঞান সম্পর্কে চমু আভাস পাব।
- ভাষাবিজ্ঞান অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পর্কে জানিব পাৰিব।
- ভাষাবিজ্ঞানৰ সৈতে অন্যান্য বিজ্ঞানৰ সম্পর্কৰ বিষয়ে অৱগত হ'ব।
- ভাষাবিজ্ঞানৰ বিভিন্ন সামগ্ৰী-ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ প্ৰতিটোৰ বিষয়ে চমু আভাস পাব।



১.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। কোঁৱৰ, অৰ্পণা (২০০২) ঃ *ভাষাবিজ্ঞান উপক্ৰমণিকা*, গুৱাহাটী ঃ বনলতা

২। গোস্বামী, গোলোকচন্দ্ৰ (১৯৬৬) ঃ *ধ্বনিবিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ বাণী প্ৰকাশ

৩। দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (১৯৯০) ঃ *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়*, গুৱাহাটী ঃ বাণী মন্দিৰ

৪। পাঠক, ৰমেশ (১৯৯১) ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ অৰুণ প্ৰকাশ

৫। বৰা, লীলাৱতী শইকীয়া (২০০৬) ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, গুৱাহাটী ঃ বনলতা

৬। ৰাভা হাকাচাম, উপেন (২০১৫) ঃ অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ



১.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ খ্ৰীষ্ট-পূৰ্ব পঞ্চম শতিকাৰ পৰা বৰ্ত্তমান পৰ্যন্ত সুদীৰ্ঘ সময়চোৱাৰ ভিতৰত ভাষা চিন্তা-চৰ্চাৰ ইতিহাসক তিনিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা— ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বিজ্ঞান মানে বিশেষ জ্ঞান। বিজ্ঞানত সকলো বিচাৰ বিশ্লেষণ বস্তুনিষ্ঠভাৱে কৰা হয়, য'ত ফলাফল সত্য আশ্ৰিত। বিজ্ঞানে কোনো এটা বস্তু গৰম বুলি কৈয়ে সন্তুষ্ট নাথাকে সেই কথা বিজ্ঞানে যন্ত্ৰৰ সহায়ত জুখি দেখুৱায়। উদাহৰণস্বৰূপে H_2O য়ে পানীৰ সংকেতক বুজায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানীয়ে অধ্যয়নৰ বিষয় আৰু পদ্ধতিৰ প্ৰকৃতি অনুসৰি প্ৰধান তিনিটা ভাগত ভাগ কৰিব পাৰি। সেই বোৰ— ১) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive or Synchronic Linguistics), ২) ঐতিহাসিক ভাষাবিজ্ঞান (Historical or diachronic Linguistics), ৩) তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics)... প্ৰতিটো ভাগৰ চমু পৰিচয় উল্লেখ কৰিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানীয়ে ভাষাটোৰ অধ্যয়ন কৰ্মত প্ৰধানকৈ দুটা সামগ্ৰী সংগ্ৰহ কৰে— শব্দ আৰু বাক্য। শব্দ সংগ্ৰহৰ বেলিকা ধ্বনিৰ উচ্চাৰণত বিশেষভাৱে মনোযোগ দিয়া হয়। তথ্যসমূহ নিৰ্ভুলকৈ সংগ্ৰহ কৰিবৰ বাবে বিভিন্ন ধৰণৰ বৈজ্ঞানিক সা-সৰঞ্জাম, যন্ত্ৰ-পাতিৰ সহায় লোৱা হয়। ভাষাৰ মূল উপাদানসমূহ- ধ্বনি, ৰূপ আৰু বাক্য সকলোৰে বিশ্লেষণ প্ৰক্ৰিয়াত অত্যাধুনিক বিভিন্ন যন্ত্ৰৰ ব্যৱহাৰ কৰা হয়। এনে যন্ত্ৰ-পাতি কেইটামানৰ

নাম হ'ল ক্রমে, স্পেক্টোগ্রাফ (Spectograph), অচিলোগ্রাফ (Osillograph), কাইমোগ্রাফ (Kymograph)....



১.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাষা-চিন্তাৰ ইতিহাসক কেইটা ভাগত ভগোৱা হৈছে? চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ভাষাবিজ্ঞানক বিজ্ঞান কিয় বোলে? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৩ ঃ অধ্যয়নৰ বিষয় আৰু পদ্ধতিৰ প্ৰকৃতি অনুসৰি ভাষাবিজ্ঞানক কেইটা ভাগত ভগোৱা হৈছে? প্ৰতিটো ভাগৰে পৰিচয় দিয়ক।

প্ৰশ্ন ৪ ঃ ভাষাবিজ্ঞানত ব্যৱহৃত বিভিন্ন যন্ত্ৰ-পাতিসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ৫ ঃ ভাষাবিজ্ঞানৰ সামগ্ৰী বুলিলে কি বুজে? এই সামগ্ৰীসমূহৰ অধ্যয়নৰ স্তৰসমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৬ ঃ ভাষাবিজ্ঞানৰ সৈতে অন্যান্য বিজ্ঞানৰ সম্পৰ্ক আছেনে? চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব

২.৩.১ প্ৰকাৰ আৰু ক্ষেত্ৰ

২.৩.২ ভাষা বিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদ

২.৪ ভাষাবিজ্ঞান আৰু ব্যাকৰণ

২.৪.১ প্ৰকাৰ আৰু ক্ষেত্ৰ

২.৪.২ ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰভেদ

২.৪.৩ ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্ক

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা কি ইয়াৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ইয়াৰ গঠন, লগতে প্ৰকাৰ সম্পৰ্কে ধাৰণা কৰিব পাৰিব
- ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ ক্ষেত্ৰৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ মাজৰ পাৰস্পৰিক মৌলিক মিল অমিলৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰকাৰ আৰু ক্ষেত্ৰ সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

২.২ পৰিচয়

'ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ' শীৰ্ষক অধ্যায় 'ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়' পাঠ্য বিষয়ৰ দ্বিতীয় অধ্যায়। অধ্যায়টিত আপুনি ভাষা, ভাষাবিজ্ঞান-ভাষাতত্ত্ব, ব্যাকৰণ আৰু ইয়াৰ প্ৰকাৰ সম্পৰ্কে সাধাৰণ পৰিচয় লাভ কৰিব। আপুনি নিশ্চয় জানে যে ভাষা মানুহৰ অন্যতম সম্পদ, সেই কাৰণে মানুহ জীৱ-জন্তুতকৈ পৃথক আৰু শ্ৰেষ্ঠ হ'ব পাৰিছে, কিয়নো

মানুহৰ বিবেক-বিবেচনা, চিন্তা বা ভাৱশক্তি আছে। কোনো জনসমষ্টিয়ে ধ্বনি প্ৰতীকৰ সহায়ত যাদৃচ্ছিক প্ৰণালীৰে মানৱ সমাজক পাৰস্পৰিক ভাব বিনিময়ৰ কাৰণে ব্যৱহাৰ কৰা সৰ্বোৎকৃষ্ঠ মাধ্যমেই হৈছে ভাষা। মানৱ মনৰ ভাব আৰু চিন্তাক শ্ৰোতাৰ আগত প্ৰকাশ কৰাৰ সময়ত ভাষাৰ প্ৰয়োজন হয়। সেই বাবে ভাব আৰু ভাষাৰ সম্পৰ্ক অঙ্গাঙ্গি। মানৱ সমাজে ভাষা বিষয়ত উৎসুকতা প্ৰকাশ কৰি আহিছে। মানৱ সমাজৰ পাৰস্পৰিক ভাৱ-চিন্তা-বিনিময় আদিৰ প্ৰধান মাধ্যম ভাষা। ভাষা সৃষ্টিৰ উৎস, প্ৰকৃতি আদিৰ চিন্তা-চৰ্চা বিভিন্ন ধাৰাৰ মাধ্যমেৰে বিকশিত হৈ বৰ্তমানৰ ৰূপ পাইছে। ভাষাবিদসকলৰ দৃষ্টিত ভাষাৰ প্ৰথম ধাৰাটো হৈছে ব্যাকৰণ (Grammar)। দ্বিতীয় ধাৰাটো ভাষাতত্ত্ব (Philology) আৰু তৃতীয় ধাৰা হৈছে ভাষাবিজ্ঞান (Linguistics)। এই অধ্যায়টোত আপুনি উক্ত তিনিটা বিষয় সম্পৰ্কে পৰিচয় লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও বিশেষভাৱে ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰকাৰ আৰু ক্ষেত্ৰ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব। লগতে ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ পাৰস্পৰিক মিল আৰু অমিল সম্পৰ্কেও সম্যক ধাৰণা লাভ কৰিব।

২.৩ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে 'ভাষা', 'বিজ্ঞান' আৰু 'তত্ত্ব' অভিধা কেইটাৰ বিষয়ে কিছু কথা জনা প্ৰয়োজন। ভাষা ভাৱ প্ৰকাশৰ মাধ্যম। ভাৱ প্ৰকাশৰ বাবে বক্তা আৰু শ্ৰোতাৰ আৱশ্যক। বক্তাই বাক্‌যন্ত্ৰৰ সহায়ত ধ্বনি উচ্চাৰণ কৰি ভাৱৰাজি শ্ৰোতালৈ প্ৰেৰণ কৰে আৰু শ্ৰোতাই তাৰ প্ৰত্যুত্তৰ হিচাপে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই ধাৰণাটোক চিত্ৰৰ সহায়েৰে এনেদৰে দেখুওৱাব পাৰি —

বার্তা বা ভাৱ

বক্তা বা প্ৰেৰক → → → → → শ্ৰোতা

শ্ৰোতা ← ← ← ← ← বক্তা বা প্ৰেৰক

বক্তা আৰু শ্ৰোতাৰ মাজত ভাষাৰ কার্য এনেদৰে সম্পাদন নহয়। ভাষাৰ বাবে ধ্বনিৰ প্ৰয়োজন। ভাষা একোটা নির্দিষ্ট প্ৰণালীৰে গঠিত হয়। পৃথিৱীৰ প্ৰত্যেক ভাষাই এই নির্দিষ্ট প্ৰণালী মানি চলে। মন কৰিবলগীয়া যে ভাষাৰ ক্ষেত্ৰত যি ধ্বনিৰ কথা কোৱা হৈছে সেই ধ্বনি বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত হ'ব লাগিব। অন্যথা তাক ভাষাৰ শ্ৰেণীত অন্তর্ভুক্ত কৰিব নোৱাৰি। ভাষাত বাচিক বা মৌখিক পদ্ধতিৰ বাহিৰে যোগাযোগৰ অন্য পদ্ধতি যেনে ঃ ৰাস্তাৰ ৰঙা লাইট, নাৰিকৰ নিচান, ঘড়ীৰ টক্ টক্ শব্দ, পুলিচৰ হুইছেল, জীৱ-জন্তুৰ মাত, শৰীৰৰ অংগী-ভংগী আদিৰ জৰিয়তে দিয়া সংকেতক ভাষাৰ শ্ৰেণীত ধৰা নহয়। ভাষা হ'ল বাক্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনি প্ৰতীকৰ সহায়েৰে ইজনে-সিজনৰ মনোভাৱ ব্যক্ত কৰি সহযোগিতা কৰা এটা মাধ্যম।

ভাষা শব্দটো সংস্কৃত। 'ভাষ্' ধাতুৰ পৰা সিদ্ধ। যাৰ অর্থ মাত-কথা, উক্তি বা ব্যক্ত বাণী। ভাষা হৈছে মানৱ সমাজৰ দৈনন্দিন জীৱনৰ পাৰস্পৰিক কার্য বা যোগাযোগৰ সর্বোৎকৃষ্ট মাধ্যম। বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনি প্ৰতীক আৰু যাদৃচ্ছিক প্ৰণালীৰ জৰিয়তে ইজনে-

সিজনৰ লগত সহযোগিতা কৰি দৈনন্দিন কার্য চলোৱা প্রথাৰ নাম ভাষা। Sturtevant নামৰ ভাষা বিজ্ঞানীগৰাকীয়ে ভাষাৰ সংজ্ঞা এনেদৰে দিছে, কোনো জনসমষ্টিয়ে প্রণালীবদ্ধ আৰু যাদৃচ্ছিক স্পষ্ট ধ্বনি প্রতীকৰ দ্বাৰা পৰস্পৰে সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কার্য চলোৱা প্রথাৰ নাম ভাষা। (A language is a system of arbitrary vocal symbols by which members of a social group co-operate and interact)। ভাষাৰ বিজ্ঞানসম্মত অধ্যয়ন বৰ বেছি প্রাচীন নহয়। ভাষাৰ অধ্যয়ন আৰম্ভ হোৱাৰ লগে লগে ইয়াৰ নতুন নতুন দিশ উন্মোচিত হ'বলৈ ধৰে। পৃথিৰীৰ বিভিন্ন ভাষাসমূহৰ মূল, গঠন প্রক্রিয়া, ইতিহাস, ধ্বনিৰ নৰৰূপ, শব্দ প্রয়োগ আৰু পৰিৱর্তন এই সকলো দিশৰ সম্যক প্রণালীবদ্ধ আলোচনাই ভাষাৰ প্রকৃত স্বৰূপ দাঙি ধৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাষা কি? ইয়াৰ এটি চমু আভাস দাঙি ধৰক?
(৭৫টা শব্দৰ ভিতৰত)

.....

ভাষাবিজ্ঞান শব্দটো ইংৰাজী Linguisticৰ প্রতিশব্দ হিচাপে ব্যৱহৃত হৈছে। লেটিন শব্দ Lingua মানে মাত বা কথা আৰু istique ৰ অর্থ 'তত্ত্বজ্ঞান'। Lingua আৰু istique ৰূপৰ সংযোগত গঠিত হোৱা Linguistique শব্দৰ পৰা ইংৰাজী Linguistics শব্দ হৈছে। ভাষাৰ প্রণালীবদ্ধ আৰু বিজ্ঞানসম্মত বিচাৰ বিশ্লেষণৰ নাম ভাষা বিজ্ঞান (Linguistics) অর্থাৎ য'ত ভাষা বিষয়ৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি ভাষাৰ তথ্য বিষয়ক ক্রম শৃংখলাবদ্ধভাৱে আৰু যুক্তিযুক্ততাৰে উপস্থাপন কৰা হয়, তেনে আলোচনাক ভাষাবিজ্ঞান বুলি ক'ব পাৰি। Charles F. Hockettএ— 'A Course in Modern Linguistics'ত ভাষা বিজ্ঞান (Linguistics)ৰ সংজ্ঞা এনেদৰে দিছে "...the organized body of information about produce is called Linguistics." ভাষাবিজ্ঞান অভিধাটো প্রথম বিংশ শতিকাত আমেৰিকাত ব্যৱহাৰ হয়। ভাষা বিজ্ঞানী Ferdinand de Sasussure-এ ভাষাবিজ্ঞানক এক বিশেষ মাত্রা প্রদান কৰে। বিংশ শতিকাৰ আগত ভাষাবিজ্ঞানৰ যি বিকাশ হৈছিল সেয়া আছিল ঐতিহাসিক আৰু তুলনামূলক ভাষাবিজ্ঞান। কিন্তু চচ্যুৰে তাৰ পৰা আঁতৰি আহি বর্ণনামূলক ভাষাবিজ্ঞানৰ সূচনা কৰে আৰু ইয়াৰ লগে লগে ভাষাবিজ্ঞানৰ আধুনিক যুগ আৰম্ভ হয়। পৰৱর্তী কালত এডৱার্ড ছাপিৰ, ব্লুমফিল্ড আদি ভাষাবিদসকলে চচ্যুৰৰ বর্ণনাত্মক ভাষাবিজ্ঞানৰ আধাৰতেই ভাষাবিজ্ঞানৰ আলোচনা আগবঢ়াইছে। ইয়াৰ পিছে পিছে স্মিথ, হুইটনি, নোঅম চমস্কি আদি ভাষাবিজ্ঞানীসকলে ভাষাবিজ্ঞানৰ ক্ষেত্রখনত বিশেষ অৰিহণা যোগাইছে।

ভাষা অধ্যয়নৰ প্রক্রিয়াক অর্থাৎ ভাষাৰ লগত 'বিজ্ঞান' অভিধাৰে সামৰি লোৱাৰ মূলগত কাৰণ হ'ল স্পষ্টতা (explicitness), প্রণালীৱদ্ধতা (Systematicness আৰু বস্তুনিষ্ঠতা (objectivity) আদি গুণৰ সমাবেশত ভাষাবৈজ্ঞানিক বিশ্লেষণত বিজ্ঞানৰ দৰে ধৰা

দিয়ে। ভাষাৰ উপাদান ধ্বনি, ৰূপ, শব্দ-অর্থ-বাক্য আদিৰ এটা নির্দিষ্ট ক্রমত ভাষাৰ যথার্থ বিশ্লেষণ কৰা হয় কাৰণেই সাম্প্রতিক কালত ভাষাৰ চর্চাক বিজ্ঞানৰ শাৰীত ধৰা হৈছে। গতিকে ভাষাবিজ্ঞান শব্দটোৱে ভাষাৰ বিজ্ঞানসম্মত বিচাৰ-বিশ্লেষণ আৰু প্রণালীবদ্ধ অধ্যয়নক সামৰি লয়।

ভাষাতত্ত্বৰ উন্মেষ আধুনিক যুগতে হয় যদিও প্রাচীনকালত ইউৰোপত ভাষাতত্ত্ব চর্চাৰ এক উকমুকনি পৰিলক্ষিত হৈছিল। উনবিংশ শতিকাৰ মাজ ভাগৰ পৰাহে জার্মানীত ভাষাতত্ত্বৰ প্রচলন হয়। ভাষাতত্ত্বৰ ইতিহাসত গ্রীচৰ নাম প্রথমে ল'ব লাগিব। প্রাচীন গ্রীচত ভাষাতত্ত্বক দর্শন অভিধাৰে অঙ্গীভূত কৰা হৈছিল। ভাষাতত্ত্ব শব্দটো ইংৰাজী Philologyৰ প্রতিশব্দ ৰূপ। ইংৰাজী Philology শব্দটো গ্রীক Philologiaৰ পৰা উদ্ভাসিত লেটিন Philologia আৰু তাৰ পৰা বিকশিত হৈ ফৰাচী ভাষালৈ অহা Philologie পৰা আহিছে। আনকি জার্মান ভাষাতো Philogloie ৰূপে ব্যৱহৃত হৈছে। ব্যুৎপত্তিৰ দিশৰ পৰা ভাষাতত্ত্ব বা Philology শব্দটো স্বাভাৱিক অর্থ এনে ধৰণৰ—

ক) ভাষাতত্ত্ব নামটো ভাষাবিজ্ঞানৰ পুৰণি নাম।

খ) শিক্ষা আৰু সাহিত্যৰ প্রতি আগ্রহ, অধ্যয়ন।

গ) লিখিত তথ্য, সাহিত্যৰ বিশ্বাসযোগ্যতা আৰু অর্থৰ বাবে কৰা প্রণালীবদ্ধ অধ্যয়ন।

ভাষাতত্ত্ব প্রধানতঃ প্রাচীন ভাষাৰ অধ্যয়নৰ নিবিষ্ট আৰু লিখিত নথিৰ লগত সম্পর্কিত। পুৰণি পুথি, শিলালেখ, তাম্রলেখ আদি বিবিধ পাঠান্তৰৰ বিশ্লেষণ ভাষা একোটাৰ শুদ্ধ আৰু পূর্ণাংগ বিশ্লেষণাত্মক ৰূপ নির্ণয় কৰাই ভাষাতত্ত্বৰ মূল লক্ষ্য। ইয়াৰ লগত সাংস্কৃতিক ঐতিহ্যৰ দিশটোও সংশ্লিষ্ট হৈ থাকে। ভাষাতত্ত্বৰ প্রধান আলোচ্য বিষয় হৈছে সাহিত্য তথা লিখিত তথ্যৰ মূল্যায়ন আৰু সেইবোৰৰ পৃষ্ঠভূমিত থকা সাংস্কৃতিক তাৎপর্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ভাষা বিজ্ঞান আৰু ভাষাতত্ত্বৰ সম্বন্ধ সম্পর্কে এটি টোকা যুগত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....


২.৩.১ প্রকাৰ আৰু ক্ষেত্র

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব অভিধা দুটাৰ বিষয়ে ইতিমধ্যে আপুনি জানিব পাৰিছে। ভাষাৰ বিজ্ঞানসম্মত আৰু প্রণালীবদ্ধ আলোচনাই ভাষাবিজ্ঞান। মানৰ ভাষাত নিহিত হৈ থকা ভাষাৰ সার্বজনীন ৰূপবোৰ বিচাৰি উলিয়াই ভাষাবিজ্ঞানৰ সহায়ত বিচাৰ-বিশ্লেষণ কৰা হয়। ভাষাবিজ্ঞানৰ আধাৰ কথিত ভাষা। ভাষাসমূহৰ প্রকৃতি আৰু যথাযথ বর্ণনাই ভাষাবিজ্ঞানৰ প্রধান লক্ষ্য। ভাষাতত্ত্বত বিভিন্ন ভাষাৰ উৎস, বংশ পৰিচয়, ইতিহাসৰ সন্ধান কৰা হয়। ইয়াৰ আধাৰ লিখিত ভাষা আৰু ইয়াৰ লগত সংলগ্ন বিষয় কিছুমান সাংস্কৃতিক, সাহিত্যিক, সামাজিক ঐতিহাসিক

দিশবোৰ জড়িত হৈ থাকে।

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ মাজত অধিক পার্থক্যৰ ৰেখা অংকন কৰা হয় যদিও সাম্প্রতিক সময়ত এনে পার্থক্য প্রায় নোহোৱা হৈছে বুলিব পাৰি। বর্তমান সময়ত ভাষাবিজ্ঞানৰ পৰিসৰ ইমানেই বৃদ্ধি হৈছে যে ই কেৱল কথিত ভাষাৰ অধ্যয়নতেই সীমাবদ্ধ হৈ থকা নাই। ভাষাবিজ্ঞান চর্চাৰ আধাৰত লিখিত ভাষাৰ অধ্যয়নো নোহোৱাকৈ নাথাকে। এই ক্ষেত্রত Merio Pei-এ লিখিছে— "The problem of linguistics concerns mainly the spoken language though written language forms are also considered." গতিকে আধুনিক ভাষাবিজ্ঞানৰ গণ্ডীৰ ভিতৰত ভাষাতত্ত্ব সোমাই পৰিছে। ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্রখন বহল আৰু বিস্তৃত। ভাষাবিজ্ঞান অধ্যয়ন ক্ষেত্রৰ উপাদান ধ্বনি, ৰূপ, বাক্য, অর্থ আদিৰ বিশ্লেষণ থাকে। ভাষাবিজ্ঞানৰ লগত সমাজ, নৃতত্ত্ব, দর্শন, মনোবিজ্ঞান, সাহিত্য আদি জড়িত হৈ পৰা কাৰণে ভাষাৰ অধ্যয়নৰ ক্ষেত্রখন কিমান দূৰলৈ বিস্তৃত হৈ পৰিছে তাৰ এটি ধাৰণা Jeam Aitchisonএ আগবঢ়োৱা তলৰ চিত্রৰ সহায়ত দেখুওৱা হৈছে—

চিত্র ১



উক্ত চিত্ৰৰ পৰা এইটো প্ৰতীয়মান হৈছে যে ভাষা অধ্যয়নৰ দুখন প্ৰধান ক্ষেত্ৰ আছে। প্ৰথম ভাষাৰ গাঁথনিক ৰূপটোৰ বিশ্লেষণ আৰু দ্বিতীয় ভাষাৰ সাংস্কৃতিক, সামাজিক, মনস্তাত্ত্বিক, ঐতিহাসিক, প্ৰায়োগিক তাৎপৰ্য বিচাৰ। ভাষাৰ বিজ্ঞানসম্মত অধ্যয়নে সামৰি ল'ব পৰা ভাষাৰ অধ্যয়নৰ বিস্তৃত ক্ষেত্ৰখন, ভাষাত অধ্যয়ন প্ৰণালী আৰু বিভিন্ন শৃংখলাৰ লগত ভাষাবিজ্ঞানৰ সম্পৰ্ক আছে। সাধাৰণ ভাষাবিজ্ঞানেই ভাষাৰ অধ্যয়নৰ বহল ক্ষেত্ৰ আগুৰি আছে। এই বহল ক্ষেত্ৰখন ইমানেই বিস্তৃত যে তাক সীমাৰেখাৰে নিৰ্দ্ধাৰণ কৰা জটিল কাম। ভাষাবিজ্ঞান অধ্যয়নৰ প্ৰধান ক্ষেত্ৰ হৈছে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব। ধ্বনিতত্ত্বত ধ্বনি প্ৰণালী আৰু ধ্বনি প্ৰকাৰভেদ, ৰূপতত্ত্বত শব্দৰ গঠন, বাক্যতত্ত্বত বাক্য আৰু বাক্যাংশ গঠন, শব্দৰ সংযোগ প্ৰণালী আৰু অৰ্থতত্ত্বত বাক্যগঠনৰ সকলো স্তৰৰ লগত অৰ্থৰ সম্পৰ্ক আলোচনা আগবঢ়োৱা হয়।

ভাষাক বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসংগিকতা ভাষাবিজ্ঞানীসকলে স্বীকাৰ কৰি আহিছে। এনেবোৰ দৃষ্টিৰ ফালৰ পৰা লক্ষ্য কৰি আৰু আধুনিক ভাষাবিজ্ঞানীসকলে চলোৱা অধ্যয়ন বা সমীক্ষাৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য ৰাখি ভাষাবিজ্ঞানক প্ৰধান তিনিটা প্ৰকাৰত বিভক্ত কৰা হৈছে—

- বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive linguistics)
- ঐতিহাসিক ভাষাবিজ্ঞান (Historical linguistics)
- তুলনামূলক ভাষাবিজ্ঞান (Comparative linguistics)

কিছুমান ভাষাবিজ্ঞানীয়ে ভাষা বিশ্লেষণ পদ্ধতিৰ প্ৰকৃতি অনুসৰি ভাষাবিজ্ঞানৰ প্ৰকাৰ তলত দিয়া ধৰণেও কৰিছে—

- সমকালিক ভাষাবিজ্ঞান (Synchronic linguistics)
- ক্ৰমকালিক ভাষাবিজ্ঞান (Diachronic linguistics)
- তুলনামূলক ভাষাবিজ্ঞান (Comparative linguistics)

আধুনিক ভাষাবিজ্ঞানৰ পিতৃ ফাৰ্ডিনাণ্ড দি চচ্যুৰৰ ভাষা চিন্তাৰ এটা প্ৰধান মৌলিকত্ব হৈছে ভাষা অধ্যয়নক দুটা ভাগ, যেনে— সমকালিক (Synchronic) আৰু ক্ৰমকালিক (Diachronic)। চচ্যুৰে সমকালিক ভাষা অধ্যয়নতহে বেছি গুৰুত্ব দি আলোচনা কৰিছিল। ক্ৰমকালিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাষা পৰিৱৰ্তনৰ মাজত সীমাবদ্ধ। চচ্যুৰে ভাষাৰ অধ্যয়নক সীমাবদ্ধতাৰ পৰা মুকলি এটা সময়ৰ ৰূপত থকা ভাষাৰ উপাদানৰ মাজত পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰাই ভাষাচিন্তাৰ প্ৰধান লক্ষ্য আছিল।

মানৰ সমাজৰ সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে জ্ঞানৰ জগতত নতুন নতুন চিন্তাচৰ্চাৰ দিশ উন্মোচিত হৈছে। বিশেষকৈ ঊনবিংশ শতিকাৰ ভাষাৰ চিন্তাচৰ্চা,

ধ্যান-ধাৰণাৰ পৰিধিৰ পৰা আঁতৰি আহি এক নতুন চেতনাৰ আৰু চিন্তাৰ জোৱাৰ ব'বলৈ আৰম্ভ কৰিলে। ইয়াৰ ফলত আধুনিক ভাষা বিজ্ঞানীসকলৰ মনত ভাষাবিজ্ঞানৰ নতুন নতুন চিন্তা-ভাৱনাৰ সংযোজন হ'ল। ফলস্বৰূপে কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা আধুনিক ভাষাৰ চিন্তাৰ অংগ হিচাপে ভাষাবিজ্ঞানৰ অধ্যয়নত নতুন নতুন প্ৰকাৰসমূহে বিস্তীৰ্ণ ক্ষেত্ৰখন সামৰি ল'লে। ভাষা চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য কৰি নতুন দিশবোৰ তলত দিয়া ধৰণে নামকৰণ কৰা হৈছে—

- ভেদাত্মক ভাষাবিজ্ঞান (Contrastive Linguistics)
- সমাজ ভাষাবিজ্ঞান (Socio Linguistics)
- মনো ভাষাবিজ্ঞান (Psycho Linguistics)
- ভূ-ভাষাবিজ্ঞান (Geographical Linguistics)
- প্ৰায়োগিক ভাষাবিজ্ঞান (Applied Linguistics)
- নৃ-তাত্ত্বিক ভাষাবিজ্ঞান (Anthropological Linguistics)
- বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)

ভাষাবিজ্ঞানৰ পিতৃস্বৰূপ ফার্ডিনাণ্ড দ্য চচ্যুৰে ভাষাৰ অধ্যয়নৰ ভিতৰত দুটা দৃষ্টিভংগীৰ কথা বিশেষভাৱে উল্লেখ কৰিছে— এককালিক বা সমকালীক (Synchronic) আৰু কালক্ৰমিক (Diachronic) ভাষাবিজ্ঞান। চচ্যুৰৰ এককালিক ভাষাবিজ্ঞানক বৰ্ণনাত্মক ভাষাবিজ্ঞান বুলি কোৱা হয়। তেওঁ এককালিক ভাষাবিজ্ঞানৰ অধ্যয়নত অধিক গুৰুত্ব দিছিল। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে ভাষা এটাৰ কাল, স্তৰৰ ভাষিক গতি-প্ৰকৃতিৰ বিষয়ে বিজ্ঞানসন্মত অধ্যয়ন কৰা। ভাষাটো সময়ৰ সোঁতত কেনেদৰে পৰিৱৰ্তন হৈছে, সেই সম্পৰ্কে বৰ্ণনাত্মক ভাষাবিজ্ঞানীয়ে আওকাণ কৰিছিল। তেওঁলোকে এটা সময়ৰ পৰিধিৰ মাজৰ ক্ষেত্ৰটোত বৰ্তী থকা ভাষাৰ ৰূপটোৰ অধ্যয়ন কৰাত আৰু ভাষাৰ অভ্যন্তৰীণ গঠনৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰে। ভাষা এটাৰ পূৰ্ব ৰূপ কি আছিল, কেনে পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ ৰূপ লৈছে এনেবোৰ কথা ভাষাবিজ্ঞানত আলোচনা কৰা নহয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানত কথিত ভাষাৰ ওপৰত গুৰুত্ব দিয়া হয়, কাৰণ একোটা ভাষাই ব্যক্তি, লিংগ, সমাজ ভেদে ভিন্ন ভিন্ন ৰূপ লয়। এনে ভাষাবিজ্ঞানত ভাষাৰ গাঁথনিক স্তৰ বা গঠন পদ্ধতিৰ ওপৰত অধিক গুৰুত্ব দিয়ে কাৰণে আধুনিক ভাষাবিজ্ঞানীসকলে ইয়াক গঠনাত্মক ভাষাবিজ্ঞান (Structural Linguistics) বুলিও অভিহিত কৰিছে। ভাষা বিজ্ঞানৰ ক্ষেত্ৰখন যিহেতু বহল, সেয়ে বৰ্ণনাত্মক ভাষাবিজ্ঞানত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্বৰ সম্পৰ্কে প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়।

ভাষা এটা বিস্তৃত অধ্যয়নৰ পাছত কিছুমান উপৰূপৰ সৃষ্টি হয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানে উপৰূপবোৰৰ অধ্যয়নক সামৰি লয়। এনে ধৰণৰ উপভাষা সম্পৰ্কীয়

পুথি হৈছে ভাষাবিদ উপেন্দ্র নাথ গোস্বামীৰ 'A Study in Kamrupi : A Dialect of Assamese'। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ পদ্ধতিৰে অধ্যয়ন কৰা পুথি ভাষাবিদ প্রমোদ চন্দ্র ভট্টাচার্যৰ 'A Descriptive Analysis of the Boro Language', গ্লীচন (Gleason)ৰ 'An Introduction of Descriptive Linguistics' আৰু চার্লচ হকেট (Charles Hocket)ৰ 'A Course in Modern Linguistics' আদি।

- **ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics)**

ঐতিহাসিক ভাষাবিজ্ঞানত কোনো এটা ভাষাৰ দুটা বা তিনিটা বা ততোধিক স্তৰৰ তুলনা কৰি ভাষাটোৰ বিভিন্ন সময়ৰ মাজেদি হোৱা পৰিৱৰ্তন তথা ক্রমবিকাশৰ ধাৰাৰ বিশ্লেষণ কৰা হয়। ভাষা এটাৰ মূল উৎস কি আছিল, ক'ৰ পৰা কেনেদৰে আহি বৰ্তমানৰ ৰূপ পাইছে ইত্যাদিৰ আলোচনা কৰা হয়। ঐতিহাসিক ভাষাবিজ্ঞানত ভাষাৰ এনে পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰোতে ভাষাবিজ্ঞানৰ বহল ক্ষেত্রৰ বিষয় ধ্বনি ৰূপ, বাক্য আৰু অর্থৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। ঐতিহাসিক ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্রখনত প্রাচীন শিলালিপি, তাম্রলিপি, পৰিব্রাজকৰ টোকা, প্রাচীন হাতে লিখা পুথি আদি বিভিন্ন পাঠৰ প্রয়োজন হয়। ঐতিহাসিক ভাষাবিজ্ঞানৰ প্রধান কাম হৈছে ভাষাটোৰ প্রাচীন স্তৰৰ পৰা আধুনিক স্তৰলৈ সকলোবোৰ প্রাচীন লিখিত নিদর্শন সংগ্রহ কৰি সময়ে সময়ে ঘটা বিবর্তনৰ বিভিন্ন দিশৰ অধ্যয়ন কৰা। ঐতিহাসিক ভাষা বিজ্ঞানৰ জৰিয়তে পৃথিৱীৰ ভাষাসমূহৰ বর্গীকৰণ কৰাত যথেষ্ট সহায় হয়। ঐতিহাসিক ভাষা বিজ্ঞানৰ দৃষ্টিভংগীৰে লিখা অসমীয়া আৰু বঙলা ভাষাৰ পুথি ভাষাবিদ বাণীকান্ত কাকতিৰ 'Assamese its Formation and Development (1941)' আৰু সুনীতি কুমাৰ চেটার্জীৰ 'The Origin and Development of the Bengali Language (1926)' বিশেষভাৱে উল্লেখযোগ্য। অর্থতত্ত্বৰ পৰিৱৰ্তনৰ ক্ষেত্রখনত ঐতিহাসিক ভাষাবিজ্ঞানৰ বিশেষ গুৰুত্ব আছে।

- **তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics)**

তুলনামূলক ভাষাবিজ্ঞানত দুটা বা ততোধিক ভাষা গঠন প্রণালীৰ তুলনা কৰি ভাষাৰ ক্রমবিকাশৰ আলোচনা কৰা হয়। তুলনামূলক ভাষাবিজ্ঞানত একে উৎস বা সমগোত্রীয় ভাষাবোৰৰ ক্ষেত্রখনৰ ধ্বনি, ৰূপ, বাক্য, অর্থ আদিৰ পাৰস্পৰিক সম্পর্কৰ তুলনা দেখুৱাই অধ্যয়ন কৰা হয়। ১৭৮৬ চনত ছাৰ উইলিয়াম জোনছে তুলনামূলক ভাষাবিজ্ঞান আৰম্ভ কৰে। ওঠৰ শতিকাত গ্রীক, লেটিন, সংস্কৃত, কেল্টিক, জার্মান আদি ভাষা একেটা উৎসৰ পৰাই যে উৎপন্ন হোৱা সেই সিদ্ধান্তত উপনীত হৈছিল। তুলনামূলক ভাষা বিজ্ঞানৰ পৰা প্রধানকৈ ভাষাগত দুটা দিশত উপকৃত হ'ব পাৰি। ভাষা এটাই সময়ৰ সোঁততে যি পৰিৱৰ্তন লাভ কৰে তাক প্রমাণ কৰি দেখুৱাব পাৰি আৰু আনটো ভাষাসমূহৰ পূর্ব ৰূপ নির্ণয় কৰাত সহায় কৰে। তুলনামূলক ভাষাবিজ্ঞানৰ

দৃষ্টিভংগীৰে অধ্যয়ন কৰা গ্ৰন্থ হ'ল J. Beamesৰ 'Comparative Grammar of Modern Aryan Language' (1872) আৰু R. Coldmellৰ 'A Comparative Grammar of the Dravidern Language' (1913) আদি উল্লেখযোগ্য।

- **ভেদাত্মক ভাষাবিজ্ঞান (Contrastive Linguistics)**

ভেদাত্মক ভাষাবিজ্ঞানত সমগোত্ৰীয় বা পৃথক গোত্ৰীয় ভাষাৰ বৰ্ণনাত্মক বিশ্লেষণৰ দ্বাৰা তুলনা কৰি আলোচনা কৰা হয়। এনে ধৰণৰ অধ্যয়নত ভাষাৰ কোনো ঐতিহাসিক বিশ্লেষণৰ প্ৰয়োজন নাথাকে। ভাষাৰ অধ্যয়ন কৰিবলৈ লোৱা ভাষাবিজ্ঞান ক্ষেত্ৰৰ ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ আদিৰ ঘাই বৈশিষ্ট্য দাঙি ধৰা হয়। তুলনামূলক ভাষাবিজ্ঞান আৰু ভেদাত্মক ভাষাবিজ্ঞানৰ মাজত অধ্যয়নৰ দৃষ্টিভংগীৰ অনেক পাৰ্থক্য পৰিলক্ষিত হয় যদিও দুয়োবিধৰ মাজত সম্পৰ্ক নথকা নহয়। তুলনামূলক ভাষাবিজ্ঞানত সমগোত্ৰীয় ভাষাৰ মাজতহে তুলনা কৰা হয় আৰু ভেদাত্মক ভাষাবিজ্ঞানত দুটা বা ততোধিক ভাষাৰ সম্পূৰ্ণ পৃথক গোত্ৰীয় ভাষাৰ বৰ্ণনাত্মক দৃষ্টিভংগীৰে আলোচনা কৰা হয়। তুলনামূলক ভাষাবিজ্ঞানৰ অধ্যয়নত প্ৰাচীন লিখিত নথিপত্ৰৰ পৰা তথ্য সংগ্ৰহ কৰা হয়। আনহাতে ভেদাত্মক ভাষাবিজ্ঞানৰ অধ্যয়নত কথিত ভাষাৰ পৰা তথ্য সংগ্ৰহ কৰা হয়।

- **সমাজ ভাষাবিজ্ঞান (Socio Linguistics)**

ভাষা আৰু সমাজৰ সম্পৰ্ক নিবিড়। ভাষাই সমাজক কেন্দ্ৰ কৰিয়েই বৰ্তী থাকে। সামাজিক পৰিৱেশে ভাষাক সদায় নিয়ন্ত্ৰণ কৰে। সমাজ এখনত বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ লোকে জীৱন-যাপনৰ প্ৰণালীৰ ক্ষেত্ৰত ভাষা ব্যৱহাৰ কৰে। ভাষা আৰু সমাজ কোনোটোৱে আনটোক বাদ দি থাকিব নোৱাৰে। জাতি-জনগোষ্ঠী অনুযায়ী বা একে ভাষা কোৱা সম্প্ৰদায়ৰ প্ৰতিজন মানুহ বা শ্ৰেণী অনুযায়ী বাকভংগীৰ নিজস্ব বৈশিষ্ট্য থাকে। সমাজ এখন কিছুমান নীতি-নিয়ম, নৈতিক বিধান, উৎসৱ পাৰ্বন, পৰম্পৰাগত বিশ্বাস, সামাজিক মূল্যবোধ, আৰ্থ-সামাজিক ব্যৱস্থাৰ আধাৰত বৰ্তী থাকে। এই সকলোবোৰ প্ৰকাশৰ মাধ্যম ভাষা। কিন্তু জাতি-জনগোষ্ঠীৰ সম্প্ৰদায়, ব্যক্তি, লিংগ শিক্ষিত-অশিক্ষিত আদিৰ মাজত ভাষা কোৱাৰ পৃথক পৃথক ৰূপ দেখা যায়। জনসমষ্টিৰ মাজত ভাষাবিজ্ঞান ক্ষেত্ৰ, ধ্বনি, ৰূপ, বাক্য, অৰ্থ আদিৰ সুকীয়া ঠাঁচ পোৱা যায়। এনেদৰে সমাজ সম্পৰ্কৰ ভাষা ব্যৱহাৰ ক্ষেত্ৰৰ বিতং অধ্যয়নেই সমাজ ভাষাবিজ্ঞান।

বিংশ শকিতাৰ পঞ্চম দশকৰ পৰা সমাজ ভাষাবিজ্ঞানৰ অধ্যয়ন আৰম্ভ হয়। ফার্ডিনাণ্ড দ্য চচ্যুৰৰ ভাষা-চিন্তাৰ দ্বি-ভাজনতত্ত্ব Parole (ভাষা ব্যৱহাৰ) আৰু Langue (ভাষা পদ্ধতি)ক কেন্দ্ৰ কৰিয়েই এই ভাষাৰ অধ্যয়ন আৰম্ভ হয় যদিও তেওঁৰ মৃত্যুৰ পাছৰ পৰাহে ভাষা অধ্যয়নত এই বীজ অংকুৰিত হৈছিল। ১৯৫২ চনত হাভাৰ কুৰীয়ে

'A Projection of Socio-Linguistics' নামৰ গ্ৰন্থত সমাজ ভাষা-বিজ্ঞান শব্দটি প্ৰথম ব্যৱহাৰ কৰে। পিছলৈ উইলিয়াম লাভো, পেটাৰ ট্ৰুডিল, হাডচন আদি ভাষাবিজ্ঞানীয়ে এই ভাষাৰ বিস্তৃত আলোচনা আগবঢ়ায়। ভাষাৰ প্ৰয়োগ আৰু পৰিৱৰ্তনৰ ধাৰাত সমাজৰ ভূমিকাৰ দিশটো সামৰি লোৱা থাকে। গতিশীলতা ভাষাৰ ধৰ্ম, স্থিতিশীলতা ইয়াৰ বৈশিষ্ট্য নহয়। সমাজ ভাষাবিজ্ঞানে কথা কোৱাৰ বা ব্যৱহাৰৰ দুটা দিশৰ ওপৰত গুৰুত্ব দিয়ে—

(ক) কণ্ঠতা অনুযায়ী ভাষাৰ বিভিন্ন ৰূপ (according to user)

(খ) কোৱাৰ ধৰণ অনুযায়ী ভাষাৰ বিভিন্ন ৰূপ (according to use)

সমাজ ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰখনত সমাজৰ বিভিন্ন শ্ৰেণী অনুসৰি ভাষাৰ বিভিন্ন ৰূপ, ব্যৱহাৰৰ ধৰণ, সামাজিক ভিত্তি আদি দিশসমূহ আলোচনা কৰা হয়। একেখন সমাজত বসবাস কৰা বিভিন্ন সামাজিক শ্ৰেণী, বিভিন্ন সম্প্ৰদায়, লিংগভেদে বা ব্যক্তি বিশেষে ভাষা ক্ষেত্ৰৰ ৰূপ বেলেগ বেলেগ হয়। সমাজ ভাষাবিজ্ঞানৰ ক্ষেত্ৰখন অতি ব্যাপক। সামাজিক কাৰণত হ'ব পৰা ভাষাৰ সকলো ধৰণৰ ভিন্নতা সম্পৰ্কে ভাষাবিজ্ঞানত অধ্যয়ন কৰা হয়। ভাষাত সৃষ্টি কৰা সকলো ধৰণৰ ভাষিক ভেদক স্পষ্ট আৰু সংহত ৰূপত তুলি ধৰাৰ ক্ষেত্ৰত সমাজ ভাষাবিজ্ঞানীয়ে অধিক গুৰুত্ব দিয়ে। ইয়াত ভাষাৰ শুদ্ধ-অশুদ্ধ বিচাৰ কৰা নহয়। সমাজ ভাষাবিজ্ঞানে ভাষা ভেদৰ সীমাৰেখা নিৰ্ণয় কৰে আৰু সামাজিক সীমাৰেখাৰ মাজত আবদ্ধ থকা ভাষাৰ প্ৰতিটো ৰূপেই শুদ্ধ, কেৱল সীমাৰ বাহিৰত অযোগ্য হৈ পৰে।

- **মনোভাষাবিজ্ঞান (Psycho-Linguistics)**

মনোভাষা বিজ্ঞানে মানৱ মন আৰু তাৰ প্ৰকৃতি সম্পৰ্কে অধ্যয়ন কৰে। মানৱ মনৰ গঠন আৰু মানসিক প্ৰক্ৰিয়াৰ লগত ভাষাৰ সম্পৰ্ক তথা বাক শক্তিৰ বিচাৰ আদি মনোভাষা বিজ্ঞানত কৰা হয়। মনোভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত ভাষাবিজ্ঞানৰ উপাদানসমূহৰ প্ৰয়োজন নোহোৱাকৈ নাথাকে। মনোভাষাবিজ্ঞান হ'ল ভাষা আৰু মনৰ মাজৰ সম্পৰ্ক বিচাৰ— "A branch of Linguistics which studies the corelation between Linguistic behaviour and the phychological processes brought to underlie that behaviour." ভাইগটস্কিৰ মতে শিশুৰ ভাষাৰ বিকাশ আৰু বৌদ্ধিক বিকাশ দুটা স্বাধীন প্ৰক্ৰিয়া যদিও প্ৰাথমিক পৰ্যায়ত ভাব আৰু ভাষাৰ মাজত ওচৰ সম্পৰ্ক দেখা যায়। মানৱ শিশুৱে ভাষা কেনেকৈ আয়ত্ত কৰে, শব্দ বা বাক্যৰ অৰ্থবোৰ কেনেকৈ কয় আদি ধৰণৰ জটিল প্ৰশ্নবোৰৰ মনোভাষা বিজ্ঞানত বিচাৰ কৰা হয়। এনেবোৰ কাৰণতে মনোভাষাবিজ্ঞানৰ দুটা তত্ত্বৰ বিকাশ ঘটিছে।

(ক) ভাষা শিক্ষণৰ আচৰণবাদীতত্ত্ব (Behaviourist theory of Language Learning)

(খ) ভাষা শিক্ষণৰ মানসিকতত্ত্ব (Mentalist theory of Language Learning)

মনোভাষা বিজ্ঞানৰ ক্ষেত্ৰত — Anozie-এ লিখিছে "Psycholinguistics is the study of language in relation of the human mind, the mental structures and processes, which are involved in the acquisition and use of language." ভাষা আয়ত্তকৰণ আৰু ব্যৱহাৰত মানুহৰ যিবোৰ মনস্তাত্ত্বিক আৰু স্নায়ৱিক কাৰকে কাম কৰে, তাৰ অধ্যয়নেই মনোভাষা বিজ্ঞানৰ উদ্দেশ্য।

মনোভাষা বিজ্ঞানে দুটা জ্ঞানৰ ক্ষেত্ৰ সামৰি লয়— ভাষাবিজ্ঞান আৰু মনোবিজ্ঞান। মনোভাষাবিজ্ঞানে মানৰ মনৰ বিজ্ঞানসন্মত অধ্যয়ন কৰে আৰু তাৰ দ্বাৰা মানৰ আচৰণৰ ধাৰণা কৰিবলৈ সমৰ্থ হয়। মনোভাষাবিজ্ঞান সম্পৰ্কে David Crystall-এ এনেদৰে লিখিছে— "মনো ভাষাবিজ্ঞান হৈছে ভাষাবিজ্ঞানৰ এটা দিশ য'ত মানুহৰ ভাষিক আচৰণ আৰু মানসিক প্ৰক্ৰিয়াসমূহৰ সম্বন্ধ সম্পৰ্কে অধ্যয়ন চলোৱা হয়।"

মনোভাষাবিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰখন যথেষ্ট বহল। মনোভাষাবিজ্ঞান অধ্যয়নৰ যোগেদি পোৱা তথ্যসমূহক ভাষা শিকন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিৰ প্ৰতি লক্ষ্য কৰি ভাষাবিজ্ঞানক কি কি প্ৰকাৰত ভাগ কৰিব পাৰি। ইয়াৰ এটি চমু আভাস দিয়ক (১৫০টা শব্দৰ ভিতৰত)

.....

- **ভূ-ভাষাবিজ্ঞান (Geographical Linguistics)**

ভূ-ভাষাবিজ্ঞানত ভাষাৰ এটা ব্যৱহাৰিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কোনো এক ভৌগোলিক পৰিবেষ্টনৰ মাজত প্ৰচলিত ভাষাৰ বিভিন্ন ভাষা ৰূপৰ সৈতে সংমিশ্ৰণ ঘটাৰ ফলত ভাষাৰূপৰ পৰিৱৰ্তন হয়। অৰ্থাৎ কোনো এটা ভৌগোলিক পৰিবেষ্টনৰ মাজত ভাষা-উপভাষাবোৰৰ ক্ষেত্ৰ অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণ প্ৰক্ৰিয়াৰ জৰিয়তে ভাষিক ভূগোল নিৰ্ণয় কৰা পদ্ধতিটোৰ নামেই ভূ-ভাষাবিজ্ঞান। ভাষাবিজ্ঞানৰ সহায়ত ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে স্থানীয় ভাষা-উপভাষা প্ৰচলিত ভাষা ক্ষেত্ৰৰ ধ্বনি, ৰূপ, বাক্য, অৰ্থ আদিৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তন বৰ্ণনাত্মক, ঐতিহাসিক আৰু তুলনামূলক দৃষ্টিকোণৰ পৰা বিচাৰ বিশ্লেষণ কৰি সেই ভাষা-উপভাষাৰ ভৌগোলিক পৰিসীমা নিৰ্ধাৰণ কৰা হয়। এই ক্ষেত্ৰত ভূগোলৰ জ্ঞানৰ প্ৰয়োজন। বিভিন্ন অঞ্চলৰ

ব্যক্তিৰ ভাষাৰ পৰা তথ্য সংগ্রহ কৰি তাৰ ভিত্তিত উপভাষাৰ আঞ্চলিক পার্থক্য নির্ণয় কৰোঁতে উপভাষা বিজ্ঞান আৰু সমাজ ভাষাবিজ্ঞানৰ তাত্ত্বিক জ্ঞানৰ প্রয়োজন হয়। ইয়াৰ উপৰিও ভাষিক মানচিত্রয়েও ভূ-ভাষা বিজ্ঞানৰ গুৰুত্ব আছে। ভাষাবোৰৰ বিস্তৃতিৰ ক্ষেত্রৰ অধ্যয়নে ভাষাবোৰৰ ওপৰত পৰিব পৰা পাৰিপার্শ্বিক, আর্থ-সামাজিক আদি কাৰণবোৰ দাঙি ধৰিব পাৰে। আনকি ভাষাৰ বিস্তৃতিৰ বিষয়েও তথ্য যোগান ধৰে।

- **প্রায়োগিক ভাষাবিজ্ঞান (Applied Linguistics)**

প্রায়োগিক ভাষাবিজ্ঞানত ভাষাৰ প্রয়োগত দিশৰ আলোচনা কৰা হয়। ভাষা বিজ্ঞানৰ সুত্র, প্রণালী আদি প্রয়োগ কৰি ভাষা শিক্ষণ সম্পর্কীয় শিক্ষা দিবৰ বাবে অধ্যয়নৰ সহায়ত জ্ঞানৰ যি প্রয়োগ কৌশল আবিষ্কাৰ কৰা হয় সেয়ে প্রায়োগিক ভাষাবিজ্ঞান।

মানৱ সমাজৰ বাস্তৱ জীৱনত সঘনাই মুখামুখি হোৱা ভাষাবিষয়ক সমস্যাসমূহ, চিনাক্তকৰণ, অনুসন্ধান আৰু সমাধান কৰা বিভিন্ন বিষয়ৰ অন্তঃসম্পর্কযুক্ত ক্ষেত্রখনেই স্বাভাৱিকতে প্রায়োগিক ভাষা বিজ্ঞান। প্রায়োগিক ভাষাবিজ্ঞানে সামৰি লোৱা ক্ষেত্রবোৰৰ বিষয়ে ইয়াৰ শাখাসমূহৰ জৰিয়তে জানিব পৰা যায়— দ্বিভাষিকতা (Bi-lingualism), বহুভাষিকতা (Multi Lingualism), কম্পিউটাৰৰ যোগাযোগ (Com-puter communication), দ্বিতীয় ভাষা আয়ত্তকৰণ (Second language Ac-quisition), অভিধানতত্ত্ব (Lexicograph), ভাষা বিষয়ক আঁচনি আৰু নীতি প্রস্তুতকৰণ (Dictionarical language planning and policy), বিদেশী ভাষা শিক্ষণ (Foreign Linguistics), অনুবাদ আদি।

ভাষাবিজ্ঞানৰ প্রয়োগ অধ্যয়নৰ বিষয় হিচাপে কুৰি শতিকাৰ ষাঠি দশকত ৰূপান্তৰ স্ফোট প্রায়োগিক ভাষাবিজ্ঞানৰ বিকাশ হয়। Anne Burnsএ লিখিছে— "প্রয়োগিক ভাষাবিজ্ঞানৰ মূল উদ্দেশ্য হ'ল ব্যৱহাৰিক জীৱনত বহু বিচিত্র বিষয়ৰ ভাষাবিষয়ক সমস্যাবোৰক চিনাক্ত কৰা আৰু ভাষাতত্ত্ব সূত্রবোৰক সহজ যোগাযোগৰ বাবে প্রয়োগ কৰা।" প্রায়োগিক ভাষাবিজ্ঞানীয়ে ভাষা এটা অধ্যয়ন কৰি ভাষাটো আয়ত্ত কৰিবৰ বাবে বা অনেক শিকাবৰ বাবে কিছুমান কৌশল অৱলম্বন কৰে; যেনে বিষয়টো উপস্থাপন কেনেদৰে কৰিব, কেনেদৰে শিক্ষা দিব, ভাষাটোৰ শুদ্ধ উচ্চাৰণ, সুৰ-লহৰ আদিৰ বিষয়ে প্রায়োগিক ভাষাবিজ্ঞানীয়ে পৰামর্শ দাঙি ধৰে। মানুহৰ ভাষাবিষয়ক সমস্যাবোৰ মনস্তাত্ত্বিক, সামাজিক, ৰাজনৈতিক, আর্থ-সামাজিক আৰু শিক্ষণ বিষয়ক ক্ষেত্রৰ লগত জড়িত হৈ থাকে। এই আটাইবোৰ দিশৰ বিষয় প্রায়োগিক ভাষাবিজ্ঞানৰ অন্যতম বিষয়। আধুনিক পদ্ধতিৰে ভাষা শিকন আৰু শিক্ষণৰ কার্যকৰী কৌশল আৱিষ্কাৰৰ ক্ষেত্রত প্রায়োগিক ভাষাবিজ্ঞানে যথেষ্ট ভূমিকা গ্রহণ কৰিছে।

- **নৃতাত্ত্বিক ভাষাবিজ্ঞান (Anthropological Linguistics)**

নৃতত্ত্বত মানুহৰ জাতিগত বা প্ৰজাতিগত উপাদান আদিৰ লগতে মানুহে আয়ত্ত কৰা সভ্যতা, সংস্কৃতিৰ আলোচনা থাকে। প্ৰজাতিগত সভ্যতা, সংস্কৃতিৰ সৈতে ভাষাৰ আলোচনা কৰাকে নৃতাত্ত্বিক ভাষাবিজ্ঞান বুলি কোৱা হয়। নৃতাত্ত্বিক ভাষাবিজ্ঞানে ভাষা অধ্যয়নত কেনেকৈ আমাৰ চিন্তা, সংস্কৃতি আৰু ক্ষমতা প্ৰকাশ কৰে আৰু ৰূপ দিয়ে তাৰ বিশ্লেষণ আগবঢ়ায়। নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ দৃষ্টিত ভাষা মানুহে জন্ম সূত্ৰে লাভ কৰা অৰ্হতা নহয়, ই পৰিৱেশৰ অধীনৰ সাংস্কৃতিক বিষয়ৰ অন্তৰ্ভুক্ত আৰু ভাষা কোৱা কাৰ্য হ'ল সাংস্কৃতিক কৰ্ম।

বিংশ শতিকাৰ মাজৰ কালচোৱাত আমেৰিকাৰ ভাষাবিদ নৃতত্ত্ববিদ এডৱাৰ্ড ছাপিৰৰ চিন্তা-চৰ্চাৰ মাজতে নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ বীজ অংকুৰিত হৈছিল। ভাষাৰ লগত কোনো জাতিৰ জাতীয় চিন্তা-ভাৱৰ সম্পৰ্ক নাই। ভাষা জন্মগত বা আনুবংশিক নহয়। ভাষা উত্তৰাধিকাৰীসূত্ৰে পোৱা ক্ষমতাও নহয়। ই হ'ল মানুহৰ সাংস্কৃতিক সম্পদ। ভাষা, জাতি আৰু সংস্কৃতি সান-মিহলি মাথোন। ভাষা, জাতি আৰু সংস্কৃতি কোনো কাৰো অধীন নহয়। ছাপিৰৰ চিন্তা চৰ্চাক Dell Hymesএ কিছু আগুৱাই নি তেওঁ ভাষা ব্যৱহাৰৰ তাত্ত্বিক অধ্যয়নক বাক্-ভংগীৰ সাংস্কৃতিক নৃতত্ত্ব Ethnography of speaking বুলি কৈছে। তেওঁ ভাষা অধ্যয়নক দুটা স্তৰত ভাগ কৰিছে—

(ক) এটা আদৰ্শ গোট (Ideal unit) হিচাপে ভাষা অধ্যয়ন

(খ) সংস্কৃতিৰ অংশ হিচাপে বাক্ ব্যৱহাৰ (A part of cultural speech event)

ভাষাবিষয়ক অনুসন্ধান তথা সমীক্ষাৰ জৰিয়তে লাভ কৰা সাংস্কৃতিক নৃতত্ত্বৰ বা নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ বিভিন্ন দিশৰ প্ৰধান ক্ষেত্ৰসমূহ হৈছে—

- সামাজিকীকৰণ (Socialization) প্ৰক্ৰিয়া ভাষাতাত্ত্বিক আৰু নৃতাত্ত্বিক পদ্ধতিৰে অধ্যয়ন
- সামাজিক-সাংস্কৃতিক পৰিচয় বিষয়ক প্ৰশ্নবোৰৰ ভাষা-বৈজ্ঞানিক দৃষ্টিভংগীৰে উত্তৰৰ সন্ধান দিয়া।
- সমাজৰ ভাষাভিত্তিক আদৰ্শৰ অধ্যয়ন কৰা।

এডৱাৰ্ড ছাপিৰে আমেৰিকান-ইণ্ডিয়ান ভাষাবোৰ অধ্যয়ন কৰি ছটা পৰিয়ালত শ্ৰেণীভুক্ত কৰোঁতে সেই ভাষা-ভাষী লোকৰ সামাজিক-সাংস্কৃতিক পৰিচায়ক ক্ষেত্ৰখনত নৃতাত্ত্বিক পদ্ধতিৰে অধ্যয়ন কৰিছিল। নৃতাত্ত্বিক ভাষা বিজ্ঞানত ভাষা আয়ত্তকৰণ নঘটিলে সামাজিকীকৰণ নঘটে। সামাজিকীকৰণ হ'ল এটা সম্প্ৰদায়ৰ সদস্যভুক্ত হোৱা প্ৰক্ৰিয়া। 'ভাষা ব্যৱহাৰ' আৰু 'ভাষা ব্যৱহাৰৰ জৰিয়তে' সমাজৰ সকলো ব্যক্তিৰ সামাজিকীকৰণ হয়। ভাষাৰ এনে ক্ষেত্ৰবোৰ নৃতাত্ত্বিক ভাষাবিজ্ঞানীৰ বাবে অধ্যয়নৰ বিষয় আৰু অন্য ভাষাৰ প্ৰতি থকা উচ্চ ধাৰণা সম্পৰ্কেও অধ্যয়ন কৰে।

উল্লিখিত ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰকাৰ ক্ষেত্ৰ সম্পৰ্কে আলোচনাৰ অন্ততঃ আপুনি নিশ্চয় বুজিব পাৰিছে যে এই প্ৰকাৰবোৰৰ কোনো এটা আৰু ইয়াৰ ক্ষেত্ৰ স্বতন্ত্ৰ নহয়। ইটো-সিটোৰ লগত বিভিন্ন ধৰণে সম্পৰ্কযুক্ত। ইতিমধ্যে আপুনি

জানিব পাৰিছে যে সাম্প্ৰতিক সময়ত ভাষাবিজ্ঞানে ভাষাতত্ত্ব বিষয়টোক সামৰি লৈছে। ভাষাবিজ্ঞান এটা বহুধা বিস্তৃত বিষয়। ন ন চিন্তা-চৰ্চা গৱেষণা, সমীক্ষা আদিৰ ফলত কেতিয়াবা নতুন তাত্ত্বিক ৰূপৰ উদ্ভৱ হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাষাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য কৰি ভাষাবিজ্ঞানক কি কি ভাগত ভাগ কৰা হৈছে? তাৰ আভাস দিয়ক? (১৫০টা শব্দৰ ভিতৰত)

.....

২.৩.২ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদ

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব অভিধা দুটাৰ ইতিমধ্যে আলোচনা কৰা হৈছে। ইংৰাজী Linguistics আৰু Philologyৰ প্ৰতিশব্দ 'ভাষাবিজ্ঞান' আৰু 'ভাষাতত্ত্ব' শব্দৰ প্ৰচলন হৈ আহিছে, যদিও বহুতেই ইয়াক একেটা শব্দ হিচাপে ব্যৱহাৰ কৰে। কিন্তু ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদ নথকা নহয়। 'বিজ্ঞান' (সং বি-জ্ঞা+অনট্) শব্দই জ্ঞান, জ্ঞানবোধ বুজায়। 'তত্ত্ব' (সং তদ্+ত্ব) শব্দই শৃংখলাবদ্ধ বা যথাৰ্থ জ্ঞানক সূচিত কৰে। সেয়া হ'লেও ঊনবিংশ শতিকাত ভাষাতত্ত্ব আৰু বিংশ শতিকাৰ আদি ভাগত ভাষাৰ বিচাৰ বিশ্লেষণে আৰম্ভ হোৱা ভাষাক ভাষাবিজ্ঞান নামেৰে অভিহিত কৰা হৈছে। ভাষাবিজ্ঞানৰ বিজ্ঞানসম্মত অধ্যয়নৰ বাবে স্পষ্টতা, প্ৰণালীবদ্ধতা আৰু বস্তুনিষ্ঠতা অপৰিহাৰ্য ৰূপে চিহ্নিত হৈছে। ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদসমূহ এনে ধৰণৰ—

- ভাষাতত্ত্ব (Philology)ৰ উদ্ভৱ হৈছিল ঊনবিংশ শতিকাত জাৰ্মানীত আৰু আমেৰিকান পণ্ডিতসকলৰ হাতত বিংশ শতিকাৰ আদিভাগত ভাষাবিজ্ঞান (Linguistics)ৰ উদ্ভৱ হৈছিল।
- ভাষাতত্ত্ব কালানুক্ৰমিক বা ঐতিহাসিক। কাৰণ ভাষাতত্ত্বত ভাষাৰ সময়ৰ সোঁতত পৰিৱৰ্তন ঘটিব পাৰে। আনহাতে ভাষাবিজ্ঞান সমকালিক বা এককালিক। ইয়াত ভাষাৰ কোনো এক নিৰ্দিষ্ট সময়ৰ অধ্যয়ন বা বিচাৰ বিশ্লেষণ থাকে।
- ভাষাতত্ত্ব প্ৰধানতঃ ভাষাৰ প্ৰাচীন ৰূপ আৰু অধ্যয়নৰ লগত সম্পৰ্কিত। ভাষাতত্ত্ববিদসকলে ভাষাতত্ত্বৰ ক্ষেত্ৰত পুৰণি পুথি-পাঁজি, শিলালেখ, তাম্ৰলিপি, বিবিধ পাঠান্তৰ আদিৰ ভাষা বিশ্লেষণ, কবিতাৰ শুদ্ধ আৰু পূৰ্ণৰূপ এটা নিৰ্ণয় কৰাই মূল লক্ষ্য। আনহাতে ভাষাবিজ্ঞানত সমকালীন কথিত ভাষা ৰূপৰ প্ৰণালীবদ্ধ বিচাৰ-বিশ্লেষণ কৰা হয়।
- ভাষাতত্ত্বত ভাষাৰ কেৱল লিখিত ৰূপৰহে অধ্যয়ন বা বিচাৰ বিশ্লেষণ কৰা হয় আৰু

ভাষাবিজ্ঞানত ভাষাৰ লিখিত ৰূপ বা সাহিত্য থকা ভাষাৰ যি ধৰণে অধ্যয়ন কৰা হয় সাহিত্য নথকা ভাষাকো একে ধৰণে অধ্যয়নৰ বিষয় ৰূপে থাকে।

- ভাষাতত্ত্বত ভাষাক সাংস্কৃতিক অঙ্গ হিচাপে গণ্য কৰা হয়। ভাষাতত্ত্বৰ লিখিত সমলবোৰে জাতি বিশেষৰ ইতিহাস, ধর্ম-সাহিত্য-সংস্কৃতিৰ সামগ্রিক দিশবোৰ দাঙি ধৰিবলৈ সক্ষম হয়। কিন্তু ভাষাবিজ্ঞানত ভাষাক এক নৈসর্গিক সম্পদ হিচাপে গ্রহণ কৰে।
- ভাষাতত্ত্বত ভাষা একোটাৰ উৎস, বংশলতা, ইতিহাস ইত্যাদিৰ সামগ্রিক সন্ধান কৰা হয়। আনহাতে ভাষাবিজ্ঞানত ভাষাৰ জীৱন্ত ৰূপটোৰ গঠন পদ্ধতি আৰু প্রায়োগিক দিশ তথা কার্যৰ বিশ্লেষণ কৰা হয়।
- ভাষাতত্ত্ব প্রধানতঃ লিখিত ৰূপে পৰিলক্ষিত সাহিত্যত ব্যৱহাৰ হোৱা ভাষা ৰূপৰ ঐতিহাসিক অধ্যয়ন বা বিচাৰ বিশ্লেষণত গুৰুত্ব দিয়া হয়। ইয়াত ভাষাৰ আঞ্চলিক ৰূপৰ ভেদবোৰ আলোচিত হয় যদিও মান্য ৰূপৰ লগত তুলনামূলক আলোচনাত সীমাবদ্ধ থাকে। আনহাতে ভাষাবিজ্ঞানত ভাষাৰ আঞ্চলিক আৰু সামাজিক ভেদবোৰৰ বিশেষ অধ্যয়ন বা বিচাৰ-বিশ্লেষণ কৰা হয়।
- ভাষাতত্ত্ব ভাষা বিশেষৰ অর্থাৎ ভাষা বিশেষৰ ইতিহাস, ধ্বনিতত্ত্ব আৰু শব্দ গঠন প্রক্রিয়াৰ আলোচনাৰ মাজতে সীমাবদ্ধ। ভাষাবিজ্ঞানত ভাষাৰ ধ্বনি, ৰূপ আৰু অর্থৰ বিশ্লেষণ দাঙি ধৰে। ভাষাতত্ত্বই গুৰুত্ব নিদিয়া বিষয় আৰু অর্থতত্ত্ব বিষয়ৰ ওপৰত ভাষাবিজ্ঞানে অধিক গুৰুত্ব দিয়ে।

ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত পার্থক্য আছে যদিও বর্তমান সময়চোৱাত ভাষাবিজ্ঞানৰ চিন্তা ধাৰা প্রসাৰৰ লগে লগে এই প্রসংগত ভাষাতত্ত্বৰ কথাও আহি পৰে। সাম্প্রতিক অৱস্থাত ভাষাবিজ্ঞানে কেৱল সমকালীন ভাষাৰ বিশ্লেষণ কৰিয়েই ক্ষান্ত থকা নাই। ইয়াৰ বাহিৰে ভাষাৰ ইতিহাস, সমাজৰ লগত সম্পর্ক আদি বিষয়ক ভাষাবিজ্ঞানে সাঙুৰি লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্রভেদসমূহ বর্ণনা কৰক (২৫০টা শব্দৰ ভিতৰত)

.....

২.৪ ভাষাবিজ্ঞান আৰু ব্যাকৰণ

অসমীয়া ভাষাৰ চিন্তা-চর্চা আৰু ভাষা বিশ্লেষণ প্রক্রিয়াক বুজাবলৈ ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণ আদি ধাৰাৰ সূচনা হৈছে যদিও ব্যাকৰণক প্রথম ধাৰা হিচাপে ধৰা হয়। 'তত্ত্ব' আৰু বুৎপত্তি দিশৰ ফালৰ পৰা তিনিওটাৰ মৌলিক প্রভেদ আছে। ঊনবিংশ শতিকাত

জার্মানীত ভাষাতত্ত্ব আৰু বিংশ শতিকাত আমেলিকাত ভাষাবিজ্ঞানৰ উদ্ভাৱন হৈছিল। তাৰ পৰিৱর্তে খ্রীষ্টপূর্ব কালতেই প্রাচ্য আৰু পাশ্চাত্যত ব্যাকৰণৰ সূচনা হয়। ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব অভিধা দুটাৰ বিষয়ে ইতিমধ্যে কিছু আলোচনা কৰা হৈছে।

Grammar শব্দটো গ্রীক ভাষাৰ Gramma (আখৰ) আৰু Grammata (আখৰ জনা তত্ত্ব) অথবা Grammatike (আখৰ জনা জ্ঞান)ৰ পৰা লেটিন ভাষাত Grammaticus (শুদ্ধকৈ ক'ব আৰু লিখিব পৰা মানুহক বুজায়) ৰূপ পাইছে। খ্রীঃপূঃ দ্বিতীয় শতিকাত গ্রীকৰ প্রথম বৈয়াকৰণিক ডায়'নিছাছ থ্রাক্সৰ techne Grammatickeৰ মাধ্যমেৰে পাশ্চাত্য ভাষা চিন্তাচর্চাত ব্যাকৰণে প্রথম ৰূপ পাইছিল। মধ্য যুগত ই পৰিবর্তিত হৈ Grammaira ৰূপ পাইছে আৰু তাৰ পিছতহে ই Grammar আকৃতি ধাৰণ কৰিছে।

ব্যাকৰণৰ ঐতিহ্যৰ দিশত ভাৰতীয় ঐতিহ্য ঐশ্বর্যমণ্ডিত। খ্রীষ্টপূর্ব ১২০০-৮০০ৰ ভিতৰত ভাৰতত ৰচিত বৈদিক সাহিত্যত ব্যাকৰণৰ চিন্তাৰ সম্ভেদ পোৱা যায়। অর্থাৎ বেদৰ শুদ্ধ উচ্চাৰণৰ বাবে সংহিতাবোৰ ৰচনা হোৱাৰ পৰা ভাৰতত ব্যাকৰণৰ বীজ ৰোপন কৰা হৈছিল। অথর্ববেদৰ গোপথ ব্রাহ্মণ গ্রন্থত ব্যাকৰণ শব্দৰ প্রথম উল্লেখ পোৱা যায়। এই ঐতিহ্যৰ প্রণালীবদ্ধ আৰু সুনির্দিষ্ট আত্মপ্রকাশ খ্রীষ্টপূর্ব পঞ্চম শতিকাৰ পাণিনি ৰচিত *'অষ্টাধ্যায়ী'* ব্যাকৰণৰ মাজেৰে পূর্ণ ৰূপ পায় আৰু ইয়াৰ পাছৰ পৰাই ব্যাকৰণ শব্দটো ভাষাৰ অধ্যয়নত ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰে। পাণিনিৰ *'অষ্টাধ্যায়ী'* ব্যাকৰণ সম্পর্কে ব্লুমফিল্ডে লিখিছে— "This grammar which dates from some where round 350 to 250 B.C. is one of the greatest monuments of human intelligence..... No other Language to this day has been no perfectly described." ইয়াৰ পিছে পিছে কাত্যায়ন, পতঞ্জলি, হেমচন্দ্র, বোপদেব আদি ব্যাকৰণবিদসকলে ভাৰতীয় সাহিত্যত ব্যাকৰণ ৰচনা কৰিছে। সংস্কৃত ব্যাকৰণ শব্দটো গঠিত হৈছে 'বি-আ^কৃ-অনট' লগ লাগি যাৰ অর্থ বিশেষ আৰু বিস্তৃত অধ্যয়ন বা বিশ্লেষণ অর্থাৎ ভাষা গঠনৰ বিভিন্ন উপাদানসমূহৰ তন্ন তন্নকৈ বিচাৰ বিশ্লেষণ কৰা। ব্যাকৰণৰ কাম হ'ল ভাষা এটা গাঁথনিৰ ৰূপটো বিজ্ঞানসন্মত ৰূপত নীতি নির্দ্ধাৰণ কৰা। ব্যাকৰণে ভাষাৰ কোনটো ৰূপ শুদ্ধ বা অশুদ্ধ তাৰ বিষয়ে নীতি নির্দ্ধাৰণ নকৰে কিন্তু ভাষাৰ কোনটো ৰূপ প্রচলিত বা কেনেদৰে ভাষাক ব্যৱহাৰ কৰিব লাগে সেই সম্পর্কে পৰোক্ষভাৱে নীতি নির্দ্ধাৰণ কৰে। অর্থাৎ ব্যাকৰণে ভাষাৰ ভাল ৰূপটোৰ (good language) শৃংখলাবদ্ধ বিৱৰণ দাঙি ধৰে।

২.৪.১ প্রকাৰ আৰু ক্ষেত্র

ভাষাৰ চর্চা আৰু অধ্যয়ন খ্রীঃ পূঃ তৃতীয়-চতুর্থ শতিকা মানৰ পৰা আৰম্ভ হৈছে। এই ভাষা বিষয়ক চিন্তা-চর্চাক তিনিটা অভিধাৰে সূচিত কৰা হৈছে— ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান। প্রাচীন কালত ভাষাৰ অধ্যয়নৰ প্রথম ধাৰা বা অভিধাটো পৰম্পৰাগত ব্যাকৰণ (Traditional grammar) অভিহিত কৰা হৈছিল। বর্তমান

সময়ত ব্যাকৰণ শব্দটোৱে বহল ক্ষেত্রক সামৰি লৈছে। ভাষা অধ্যয়নৰ ক্ষেত্রত ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান তিনিটা শব্দৰ ব্যৱহাৰ কৰা হয় যদিও তত্ত্ব আৰু ব্যুৎপত্তিগত দিশৰ পৰা পার্থক্য পৰিলক্ষিত হয়। ভাষা অধ্যয়নৰ দৃষ্টিভংগীৰ ক্ষেত্রখন তথা প্রকাৰৰ ক্ষেত্রত অনেক পার্থক্য দেখা যায়।

ভাষাবিজ্ঞান অভিধাটোৰ প্রকাৰ আৰু ক্ষেত্র সম্পর্কে ইতিমধ্যে আপুনি জ্ঞাত হৈছে। ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্রখন বহল। ভাষাবিজ্ঞান ক্ষেত্রখনৰ বিষয় যেনে— ধ্বনি, ৰূপ, বাক্য আৰু অর্থ আদিৰ বিস্তৃত বিশ্লেষণ আগবঢ়োৱা হয়।

ব্যাকৰণ অভিধাটো প্রাচীন কালৰ পৰা ভাষাৰ অধ্যয়নৰ ক্ষেত্রত ব্যৱহাৰ হৈ আহিছে। ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্রখনৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অর্থতত্ত্বৰ দিশৰ ভিতৰত ব্যাকৰণ অধ্যয়ন ক্ষেত্রখনত ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ আলোচনাক প্রধান ৰূপে সামৰি লোৱা হৈছে। শেহতীয়াকৈ নোৱম চমস্কিৰ ৰূপান্তৰ উৎপাদক ব্যাকৰণ (Transformational Generative Grammar)এ ধ্বনিতত্ত্ব আৰু অর্থতত্ত্বকো সামৰি লৈ আলোচনা কৰিছে।

ব্যাকৰণবিদসকলে বিষয় আৰু পদ্ধতিৰ প্রকৃতি অনুসৰি ব্যাকৰণৰ প্রকাৰসমূহ তলত দিয়া ধৰণৰ—

- বর্ণনাত্মক ব্যাকৰণ (Descriptive Grammar)
- ঐতিহাসিক ব্যাকৰণ (Historical Grammar)
- তুলনামূলক ব্যাকৰণ (Comparative Grammar)
- বিৰোধমূলক ব্যাকৰণ (Contrastive Grammar)
- প্রায়োগিক ব্যাকৰণ (Applied Grammar)
- বর্ণনাত্মক ব্যাকৰণ (Descriptive Grammar)

বর্ণনাত্মক ব্যাকৰণত কোনো এটা ভাষাৰ কোনো এক সময়ৰ গঠন পদ্ধতিৰ, সচৰাচৰ কথিত ভাষাৰ আটাইবোৰ দিশ প্রণালীবদ্ধ আৰু বিজ্ঞানসন্মতভাবে তন্নতন্নকৈ বিচাৰ-বিশ্লেষণ, বিৱৰণ সন্নিবিষ্ট কৰাই একমাত্র লক্ষ্য। এই ব্যাকৰণত ঐতিহাসিক বিবর্তনৰ প্রতি দৃষ্টি নাৰাখি ভাষা এটাৰ সমসাময়িক সমল বা ক্ষেত্রৰ আধাৰতে কৰা এক প্রকাৰ বিশ্লেষণ। বর্ণনাত্মক ব্যাকৰণৰ ক্ষেত্রখনত অতীতত ভাষাৰ ৰূপ কি আছিল তালৈ লক্ষ্য কৰা নাযায় আৰু ভৱিষ্যতে কেনে ৰূপ ল'ব তাৰ বিষয়েও কোনো বিচাৰ-বিশ্লেষণ কৰা নহয়। বর্ণনাত্মক ব্যাকৰণৰ মূল বৈশিষ্ট্য হৈছে ভাষাৰ গাঁথনিক দিশঃ যেনে— ৰূপ, শব্দ, বাক্যাংশ আৰু যিবোৰৰ সংযোগক্রম ইত্যাদিৰ পুংখানুপুংখ বিৱৰণ প্রণালীবদ্ধ ৰূপে দাঙি ধৰা। বর্ণনাত্মক ব্যাকৰণৰ দুটা উপ বিভাগ হৈছে ঃ

- গাঁথনিক ব্যাকৰণ (Structural Grammar)
- ৰূপান্তৰ স্ফোট বা উৎপাদক ব্যাকৰণ (Transformational Generative Grammar)

- **গাঁথনিক ব্যাকৰণ (Structural Grammar) ঃ** ভাষাক বাস্তৱিক বা জীৱন্ত সম্পদ ৰূপে গণ্য কৰি তাৰ সমকালীন ৰূপৰ বিচাৰ-বিশ্লেষণক লৈ সৃষ্টি হোৱা গঠনবাদী ভাষা-চিন্তাৰ ভিত্তিত ৰচিত ব্যাকৰণসমূহক গাঁথনিক ব্যাকৰণ বুলি কোৱা হৈছে। গঠনবাদী ভাষা-চিন্তাৰ মূল ভেটি-আধুনিক ভাষাবিজ্ঞানৰ পিতৃপুৰুষ ফার্ডিনাণ্ড দ্য চচ্যুৰ কেতবোৰ মৌলিক সিদ্ধান্তৰ ওপৰত প্রতিষ্ঠিত (ক) ভাষাৰ ক্রমকালিক আৰু সমকালিক ৰূপৰ পার্থক্য নিৰূপণ কৰি সমকালিক ৰূপৰ বিশ্লেষণত গুৰুত্ব দিয়া। (খ) ভাষাৰ দ্বৈত ৰূপ ভাষাপ্রণালী (Language) আৰু ভাষা ব্যৱহাৰ (Parole) মাজত বিভাজন দেখুৱাই ভাষা প্রণালীৰ বিশ্লেষণৰ প্রতি দৃষ্টি আকর্ষণ কৰা (গ) চিহ্নৰ (Sign) সৈতে ভাবৰ সংযোগত সৃষ্টি হোৱা ভাষাৰ উপাদান ঃ ধ্বনি বা আখৰ অর্থাৎ সূচক (Signifier) আৰু অর্থ বা সূচিতৰ (Signified) সম্পর্কৰ সুক্ষ্ম বিচাৰ কৰা।

  আধুনিক ভাষা বিজ্ঞানৰ পিতৃ পুৰুষ ফার্ডিনাণ্ড দ্য চচ্যুৰে 'Course de Linguistique General' নামৰ গ্রন্থৰ যোগেদি প্রথমে গাঁথনিক ব্যাকৰণৰ পাতনি মেলে আৰু লিওনার্ড ব্লুমফিল্ডে ইয়াক বহলভাৱে প্রচাৰ কৰে। ইয়াৰ উপৰিও গাঁথনিক ব্যাকৰণ সম্পর্কে হোৱাইট হলে 'Structural Essential of English (1952)' চি চি ফ্রাইজে 'The Structue of English, (1952),' জি এল ট্রেগাৰ আৰু হেন্ৰী লী স্মীথৰ— 'An outline of English Structure', জে এছ হেৰীজ 'Methods in Structural Linguistics', ফ্রান্সিচে 'Structure of American English' আদি গ্রন্থৰ আলোচনাই ইয়াক সুপ্রতিষ্ঠিত কৰিছে।


  ভাষাৰ বস্তুনিষ্ঠ আৰু প্রণালীবদ্ধ বিশ্লেষণৰ প্রতি দায়বদ্ধতা গাঁথনিক ব্যাকৰণৰ অন্যতম অৰিহণা। এই ব্যাকৰণে ভাষাৰ বিভিন্ন উপাদান তন্ন তন্নকৈ বিচাৰি উলিয়াই সেইবোৰৰ বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়ায়। ইয়াৰ দ্বাৰা পৰম্পৰাগত ব্যাকৰণৰ সীমাবদ্ধতা আৰু ত্রুটি বিচ্যুতিবোৰ আঁতৰ কৰাত যথেষ্ট সুবিধা হয়। ভাষা একোটাৰ অন্তর্গত বর্ণ, প্রাকৃতি আৰু বাক্যৰ আসন্ন অঙ্গৰ বিজ্ঞানসন্মত বিশ্লেষণ গাঁথনিক ব্যাকৰণৰ মূল ক্ষেত্র বিশেষ।

- **ৰূপান্তৰ স্ফোট বা উৎপাদক ব্যাকৰণ (Transformational Generative Grammar) ঃ** গাঁথনিক ব্যাকৰণৰ দুর্বল দিশবোৰ মার্কিন ভাষাবিজ্ঞানী নোঅম চ'মস্কিয়ে (Noam Chomsky) বিংশ শতিকাৰ দ্বিতীয়ার্ধৰ আৰম্ভণিত তেওঁৰ বিখ্যাত বাক্য Colourless green ideas sleep furiouslyৰ যোগেদি যি আলোড়নকাৰী ভাষাবৈজ্ঞানিক তত্ত্ব উদ্ভাৱন কৰে সিয়ে ৰূপান্তৰ স্ফোট ব্যাকৰণ (TG) নামে জনপ্রিয় হৈ উঠে। ১৯৫৭ চনত চমস্কিৰ Syntactic Structure প্রকাশ পোৱাৰ লগে লগে ভাষাবিজ্ঞানত নতুন যুগৰ সূচনা হয় আৰু ইয়াৰ আলোচনা-সমালোচনা পূর্ণ গতিত আৰম্ভ হয়। এই নতুন দিশৰ আধাৰত ১৯৬৫ চনত 'Aspects of the theory of syntax' পুথিখন উলিয়ায়। নোঅম চ'মস্কিয়ে ভাষাৰ বহিৰঙ্গ গঠন (Surface struc-

ture)ৰ আৰু অন্তৰঙ্গ গঠন (Deep structure)ৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। এই দৃষ্টি আগত ৰাখি তেওঁ মৌলিক ধাৰণা আগবঢ়ায় যে ভাষা কোনো যান্ত্ৰিক প্ৰক্ৰিয়া নহয়, ই এক সৃজনমূলক প্ৰক্ৰিয়াহে।

চমস্কিৰ মতে, মাতৃভাষা-ভাষী কওঁতাৰ মাজত যি সৃজনী ক্ষমতা থাকে তাৰ দুটা দিশ বাস্তৱ ব্যৱহাৰৰ দিশ (Performance) আৰু আনটো সম্ভাৱনাৰ দিশ (Competence)। চমস্কিৰ মৌলিক ধাৰণাটো হ'ল কার্নেল বাক্যৰ (Kernel sentence)। কার্নেল বাক্য হ'ল সৰল, কর্তৃবাচ্য, স্বীকৃতিসূচক (Simple, active, declarative)। চমস্কিৰ মতে কার্নেল বাক্যৰ পৰাই ৰূপান্তৰ প্ৰক্ৰিয়াৰ দ্বাৰা অন্য বাক্য সজা হয়। তেওঁৰ মতে বাক্যত দুই ধৰণৰ খণ্ডবাক্য থাকে - (ক) বিশেষ্য খণ্ডবাক্য (Noun-phrase, NP) আৰু (খ) ক্ৰিয়া-খণ্ডবাক্য (Verb-phrase,VP) বিশেষ্য খণ্ডবাক্য গঠিত হয় নির্দেশক (Article, T) আৰু বিশেষ্য (Noun, N) লৈ। ক্ৰিয়া-খণ্ডবাক্য গঠিত হয় সহায়কাৰী ক্ৰিয়া (Auxilary verb, A), সমাপিকা ক্ৰিয়া (Verb, V) আৰু বিশেষ্য খণ্ডবাক্য লৈ। এইবোৰৰ পাৰস্পৰিক সম্পর্কৰ ভিত্তিত বাক্য এটাই যথাযথ অর্থ প্ৰকাশ কৰিব পাৰে।

চিত্ৰ ২



ইয়াৰ উপৰিও চমস্কিৰ মতে কার্নেল বাক্যৰ পৰাই কর্মবাচ্য, প্ৰশ্নবোধক, নঞৰ্থক বাক্য সজা হয় আৰু বিশ্লেষণ, ক্ৰিয়া-বিশেষণ, সংযোজক আদিৰ সংযোগ কার্নেল বাক্যৰ পৰিমার্জিত ৰূপ মাথোন।

- **ঐতিহাসিক ব্যাকৰণ (Historical Grammar) ঃ** ঐতিহাসিক ব্যাকৰণত ভাষা এটাই প্ৰাচীন কালৰ পৰা বিভিন্ন স্তৰৰ মাজেদি বিকশিত হৈ কিদৰে বর্তমানৰ ৰূপ বা অৱস্থা ধাৰণ কৰে তাৰ পূর্ণাংগ বিৱৰণ বিচাৰ-বিশ্লেষণ প্ৰক্ৰিয়াৰ জৰিয়তে নির্ণয় কৰা হয়।

ভাষা এটাৰ বিভিন্ন সময়ৰ ৰূপ অর্থাৎ জন্ম আৰু বিবর্তনক ঐতিহাসিক দৃষ্টিৰে আলোচনা কৰা হয়। ইয়াত সময়ৰ সোঁতৰ লগত জড়িত হৈ থকা বিভিন্ন পৰিৱর্তনৰ আলোচনা সন্নিবিষ্ট থাকে। এনে পর্যালোচনা কালত ভাষা এটাৰ মূল উৎস কি, তাৰ পৰিৱর্তনৰ ক্ষেত্র কি তথা পৰিৱর্তনৰ ধৰণ আদি ঐতিহাসিক ব্যাকৰণবিদসকলে বিভিন্ন সময়ত ধ্বনি, ৰূপ, বাক্য আদিৰ আলোচনা কৰিব লগা হয়।

- **তুলনাত্মক ব্যাকৰণ (Comparative Grammar)** ঃ তুলনাত্মক ব্যাকৰণত দুটা বা ততোধিক ভাষাৰ মিল আৰু অমিলৰ তুলনামূলক আলোচনা কৰা হয়। ভাষা এটাৰ মূল উৎস আৰু তাৰ পৰিবর্তিত আন আন ৰূপৰ লগত থকা সম্পর্কৰ বিচাৰ বিশ্লেষণৰ বিৱৰণেই মূল বিষয়। এনে ব্যাকৰণত অসমীয়া ভাষাৰ কথাকে ক'ব পাৰি। অসমীয়া ভাষাৰ মূল উৎস সংস্কৃত, তাৰ পৰিবর্তিত ৰূপ পালি, প্রাকৃত আৰু তাৰো পৰিবর্তিত আধুনিক ভাৰতীয় আর্যভাষা হিন্দী, বঙলা, মাৰাঠী, পাঞ্জাবী, গুজৰাটী আদি ভাষাৰ সৈতে সম্বন্ধৰ বিচাৰ প্রক্রিয়াৰে আলোচনা কৰা ব্যাকৰণখনেই হ'ল অসমীয়া তুলনাত্মক ব্যাকৰণ। এনে ব্যাকৰণত সমগোত্রীয় দুটা বা ততোধিক ভাষাৰ মাজত ধ্বনি, ৰূপ, বাক্য অর্থ আদি ক্ষেত্রৰ পৰস্পৰ সম্পর্ক দেখুৱাই আলোচনা কৰা হয়। তুলনাত্মক ব্যাকৰণ অধ্যয়নৰ জৰিয়তে প্রধানকৈ ভাষাগত দুটা ক্ষেত্রত উপকৃত হ'ব পৰা যায়— ভাষা এটাই সময়ৰ সোঁতত যে পৰিবর্তন লাভ কৰে সেই সত্যতা প্রমাণ কৰি দেখুৱাব পাৰি আৰু আনটো ক্ষেত্র হৈছে ভাষাসমূহৰ পূর্বৰূপ নির্ণয় কৰা এই ব্যাকৰণে সহায় কৰে। তুলনাত্মক ব্যাকৰণৰ দৃষ্টিভংগীৰে অধ্যয়ন কৰা গ্রন্থ হ'ল J. Beamesৰ 'Comparative Grammar of Modern Aryan Language' (1872), R. Caldwellৰ 'A Comparative Grammar of the Dravidian Language (1913)' আদি উল্লেখযোগ্য।
- **বিৰোধমূলক ব্যাকৰণ (Contrastive Grammar)** ঃ বিৰোধমূলক ব্যাকৰণত দুটা বা ততোধিক ভাষাৰ মাজত বিৰোধ থকা ক্ষেত্রৰ ৰূপ বা বাক্য গাঁথনিৰ তুলনামূলক বিচাৰ-বিশ্লেষণৰ যোগেদি আলোচ্য ভাষা দুটা বা ভাষাবোৰৰ মাজত থকা পার্থক্যবোৰ উলিয়াই আলোচনা কৰা হয়। এনে ব্যাকৰণৰ জৰিয়তে দ্বিতীয় ভাষা (Second Language) শিকাত সুবিধা হয়। বিৰোধমূলক ব্যাকৰণত সমগোত্রীয় বা বিষমগোত্রীয় দুটা বা ততোধিক ভাষাৰ মাজত বর্ণনাত্মক দৃষ্টিভংগীৰে আলোচনা কৰা হয়। তুলনামূলক ব্যাকৰণৰ সহায়ত সমগোত্রীয় দুটা ভাষাৰ অধ্যয়নত দুয়োটা ভাষা যে একে গোত্রৰ ভাষা এনে সিদ্ধান্তত উপনীত হ'ব পাৰি আৰু ভাষা দুটাৰ মূল নির্ণয় কৰাত সহায়ক হয়। কিন্তু বিৰোধমূলক ব্যাকৰণত ভাষাৰ মূল নির্ণয়ত তেনেদৰে সহায় নকৰে; কেৱল ভাষা দুটাৰ মাজত সাদৃশ্য আৰু বৈসাদৃশ্যৰ স্বৰূপ দাঙি ধৰাত এনে ব্যাকৰণবিদসকল ব্যস্ত থাকে। বিৰোধমূলক ব্যাকৰণত অধ্যয়নত ক্ষেত্রত কথিত ভাষাৰ পৰা তথ্য সংগ্রহ কৰা হয়।

- **প্ৰায়োগিক ব্যাকৰণ (Applied Grammar)** ঃ প্ৰায়োগিক ব্যাকৰণত ভাষা এটাৰ সীমিত দিশ শিকোৱাৰ উদ্দেশ্য সন্মুখত ৰাখি সেই উদ্দেশ্যৰ লগত খাপ খোৱাকৈ ভাষা ক্ষেত্ৰৰ ধ্বনি, ৰূপ, বাক্য গাঁথনি আদিৰ লগত সম্পৰ্ক থকা বাক্যৰ জৰিয়তে বিচাৰ-বিশ্লেষণ কৰা হয়। ব্যৱহাৰিক বা প্ৰায়োগিক ক্ষেত্ৰত ভাষা শিক্ষা দিবৰ বাবে ব্যাকৰণৰ অধ্যয়নৰ সহায়ত জ্ঞানৰ প্ৰয়োগ কৌশল আবিষ্কাৰ কৰা হৈছে। এনে ব্যাকৰণত ভাষা শিকাবলৈ কিছুমান কৌশল বা পদ্ধতি অৱলম্বন কৰা হয়। ভাষাক চৰ্চা বা অনুশীলন কৰিবৰ কাৰণে শব্দ, বাক্যৰ বিশ্লেষণ দাঙি ধৰা হয়। অন্য ভাষী চাকৰিয়াল, ভ্ৰমণকাৰী, ব্যৱসায়ী আদিয়ে কম আয়াসতে কাম চলাব পৰা ধৰণে ভাষা এটা শিকিব পৰাতেই প্ৰায়োগিক ব্যাকৰণৰ উদ্দেশ্য সীমাবদ্ধ। ভাষাৰ সামগ্ৰিক আলোচনা এনে ব্যাকৰণৰ লক্ষ্য নহয়।

ভাষা অধ্যয়নৰ ইতিহাসৰ প্ৰাৰম্ভিক কালত পৰা বৰ্তমানলৈ উদ্ভাসিত ব্যাকৰণৰ প্ৰকাৰ আৰু ইয়াৰ ক্ষেত্ৰই ভাষাবিকাশৰ এটি বহল দিশ সামৰি লৈছে। উল্লিখিত ব্যাকৰণৰ প্ৰকাৰৰ উপৰিও বৰ্তমান আধুনিক ভাষাবিজ্ঞানী চ'মস্কিকে ধৰি আন কিছুমান ভাষাবিজ্ঞানীয়ে ব্যাকৰণৰ নতুন নতুন বিষয় উন্মোচন কৰিছে, যেনে— তাত্ত্বিক ব্যাকৰণ, সামগ্ৰিক ব্যাকৰণ, সম্বন্ধিত ব্যাকৰণ, শব্দ কাৰ্যকৰণ ব্যাকৰণ, নিৰ্ভৰশীল ব্যাকৰণ, পদ্ধতিগত ব্যাকৰণ আদি। ভাষাচিন্তাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিৰ বাবে এই ব্যাকৰণৰ প্ৰকাৰবোৰ অতি আগ্ৰহৰ বিষয় হিচাপে পৰিগণিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ব্যাকৰণৰ প্ৰকাৰ আৰু ক্ষেত্ৰ সম্পৰ্কে লিখক।

(২৫০টা শব্দৰ ভিতৰত)

.....

২.৪.২ ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰভেদ

ভাষাবিজ্ঞানত ভাষা একোটাৰ এক নিৰ্দিষ্ট প্ৰণালীৰ মাজেৰে বিজ্ঞানসন্মত আলোচনা কৰা হয়। অৰ্থাৎ ধ্বনি, ৰূপ, শব্দ, অৰ্থ আদিৰ লগতে যুক্তিনিষ্ঠ আৰু প্ৰণালীবদ্ধ আলোচনা থাকে।

ভাৰতত বেদৰ শুদ্ধ উচ্চাৰণ আৰু সংৰক্ষণ কৰাৰ উদ্দেশ্যে ব্যাকৰণ শাস্ত্ৰৰ উদ্ভৱ হৈছিল। ভাষাৰ শুদ্ধতা নিৰ্দেশ কৰাই আছিল ব্যাকৰণ শাস্ত্ৰৰ মূল উদ্দেশ্য। প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত ব্যাকৰণৰ অধ্যয়ন যেনেকৈ অপৰিহাৰ্য আছিল তেনেদৰে পাশ্চাত্য শিক্ষা ব্যৱস্থাত গ্ৰীক আৰু লেটিন ভাষাৰ জ্ঞান আহৰণত ব্যাকৰণ আৱশ্যক হৈছিল। মন কৰিবলগীয়া যে তাহানিৰ ব্যাকৰণ আৰু আধুনিক ভাষাবিজ্ঞানৰ ব্যাকৰণৰ

বিস্তৰ ব্যৱধান লক্ষ্য কৰিব পাৰি। প্ৰাচীন ব্যাকৰণ শাস্ত্ৰৰ বিশ্লেষণ ৰীতি বৰ্ণনাধৰ্মী যদিও সংৰক্ষণশীলতা আছিল। ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ বাবে এনে ব্যাকৰণত কেতবোৰ নিয়ম নিৰ্দেশ কৰা হৈছিল। আধুনিক ভাষাবিজ্ঞানত কোনো ভাষাৰূপকে অশুদ্ধ বুলি ভবা নহয়। ই ভাষাৰ ব্যৱহাৰিক ৰূপটোৰ বিশ্লেষণত বেছি গুৰুত্ব দিয়ে। ভাষাবিজ্ঞান আৰু ব্যাকৰণ চৰ্চা বিভিন্ন সময়ত আলোকিত আৰু বিকশিত দুটা ধাৰা। এই ধাৰা দুটাৰ মাজৰ প্ৰভেদবোৰ তলত উল্লেখ কৰা হ'ল —

- ভাষাবিজ্ঞানত ধ্বনি, ৰূপ, অৰ্থ, বাক্য এই আটাইকেইটা দিশ সামৰি ভাষাৰ সামগ্ৰিক ৰূপ উদ্ভাৱনৰ প্ৰয়াস কৰা হয়। আনহাতে ব্যাকৰণ প্ৰধানকৈ শব্দ গঠন প্ৰক্ৰিয়া, সেইবোৰৰ ব্যৱহাৰ বিধি আৰু বাক্য-গঠন প্ৰক্ৰিয়াৰ মাজত আৱদ্ধ থাকে।
- ভাষাবিজ্ঞানে ভাষাৰ সামগ্ৰিক দিশত ওপৰতহে আলোচনা কৰে। কোনো বিশেষ ভাষাৰ বিশ্লেষণ কৰা নহয়। আনহাতে ব্যাকৰণত ভাষাবিশেষ গঠন প্ৰণালীৰ বিষয়ে বিশ্লেষণ কৰা হয়।
- ভাষাবিজ্ঞানত প্ৰচলিত ভাষাৰ বাস্তৱিক ৰূপটোৰ যথাযথ বিৱৰণহে আগবঢ়োৱা হয়। ইয়াৰ বিপৰীতে পৰম্পৰাগত ব্যাকৰণ (ব্যাকৰণ) হ'ল অনুশাসনধৰ্মী। ভাষা এটাৰ শুদ্ধভাৱে কোৱা আৰু লিখাৰ কৌশল সম্পৰ্কে নিৰ্দেশ দিয়াটোৱেই ইয়াৰ প্ৰধান উদ্দেশ্য।
- ভাষাবিজ্ঞান সাৰ্বজনীন। ভাষা বিজ্ঞানে নিৰ্দ্ধাৰণ কৰা সূত্ৰবোৰ সকলো ভাষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি। কিন্তু ব্যাকৰণ সাৰ্বজনীন নহয়। ই ৰচিত হয় ভাষা অনুযায়ী। ভাষা ভিন্ ভিন্ হোৱা বাবে সেই ভাষাসমূহৰ ব্যাকৰণো ভিন ভিন হয়।
- ভাষা বিজ্ঞানৰ পৰিসৰ বিস্তৃত। ভাষাৰ জন্ম, ভাষাৰ উপাদান আৰু প্ৰকৃতি বা ৰূপ আদি বিশেষ ভাষা নিৰপেক্ষ বিষয় অৰ্থাৎ ভাষাৰ সামগ্ৰিক দিশৰ ওপৰত ভাষা বিজ্ঞানে পৰ্যালোচনা কৰে। আনহাতে ব্যাকৰণৰ কাৰ্যক্ষেত্ৰ অত্যন্ত সীমিত। ই এটা বা দুটা বিশেষ, ভাষাৰ গঠন প্ৰণালী সম্পৰ্কে আলোচনা কৰে আৰু ভাষাৰ ব্যৱহাৰিক দিশটোৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়ে। ব্যাকৰণত ভাষা নিৰপেক্ষ বিষয়বোৰ উপেক্ষা কৰে।
- ভাষাবিজ্ঞানে শুদ্ধ-অশুদ্ধ বিচাৰ নকৰি ভাষাৰ প্ৰচলিত ৰূপৰ অৰ্থাৎ কথিত ৰূপৰ যথাযথ বিশ্লেষণ আগবঢ়ায়। আনহাতে পৰম্পৰাগত ব্যাকৰণে ভাষা শুদ্ধ-অশুদ্ধ ৰূপ বাচি উলিওৱাৰ উপৰিও ভুল ৰূপটোৰ সংশোধন কৰে আৰু ই মূলতঃ লিখিত ভাষাৰ সৈতে সম্পৰ্কিত। ই ভাষাৰ লিখিত ৰূপটোক শুদ্ধ বুলি ভাবি সেই ৰূপৰ বিৱৰণ দিয়ে। কিন্তু আধুনিক ব্যাকৰণবিদসকলে পৰম্পৰাগত ব্যাকৰণৰ এনে পৰম্পৰা মানি নচলে। এওঁলোকৰ মতে ভাষাৰ কোনো অশুদ্ধ ৰূপ নাথাকে।
- ভাষাবিজ্ঞানত লিখিত বা সাধু ভাষাত নথকা আৱশ্যকীয় তথ্যৰ সম্ভেদ উপভাষাৰ মাজত পোৱা যায় বুলি ভাবি ভাষাৰ আঞ্চলিক ৰূপভেদবোৰ গুৰুত্ব সহকাৰে লয়। কিন্তু ব্যাকৰণত ভাষাৰ আঞ্চলিক ভেদবোৰৰ কোনো আলোচনা নাথাকে। কেৱল ভাষাৰ সাধু বা লিখিত ৰূপটোৰ আলোচনা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্রভেদসমূহ আলোচনা কৰক (২৫০টা শব্দৰ ভিতৰত)

.....

২.৪.৩ ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পর্ক

ভাষাৰ চিন্তা-চর্চা আৰু অধ্যয়ন খ্রীঃ পূর্ব তৃতীয়-চতুর্থ শতিকামানৰ পৰা চলি আহিছে। এই ভাষা বিষয়ক চিন্তা-চর্চাকে তিনিটা অভিধাতে সুচিত কৰা হৈছে— ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ। অতীতকালত ভাষাৰ অধ্যয়নৰ তৃতীয় বিষয় বা ধাৰাটোক পৰম্পৰাগত ব্যাকৰণ (Traditional Grammar) অভিধাৰে বুজোৱা হৈছিল। কিন্তু আধুনিক কালত ব্যাকৰণ শব্দটোৱে বহুল ক্ষেত্রক সামৰি লৈছে। এইটোও ঠিক যে ভাষা অধ্যয়ন আৰু বিশ্লেষণ বুজাবলৈ ভাষাবিজ্ঞান-ভাষাতত্ত্ব শব্দ দুটাও বহুলভাৱে প্রচলিত হৈ আহিছে।

বিংশ শতিকাত আমেৰিকাত ভাষাবিজ্ঞান অভিধাটোৰ প্রথম ব্যৱহাৰ হয় আৰু ফার্ডিনাণ্ড দ্য চচ্যুৰে ইয়াক বিশেষ মাত্রা প্রদান কৰে। বিংশ শতিকাৰ আগৰ পৰা ভাষাবিজ্ঞানৰ বিকাশ হৈছিল যদিও সেয়া আছিল ঐতিহাসিক আৰু তুলনামূলক ভাষাবিজ্ঞান। চচ্যুৰে এই দুটা বিষয়ৰ পৰা আঁতৰি আহি বর্ণনামূলক ভাষাবিজ্ঞানৰ সূচনা কৰে।

ঊনবিংশ শতিকাত জার্মানীত 'ভাষাতত্ত্ব' অভিধাটোৰ উদ্ভৱ হয়। ভাষাতত্ত্বত ভাষা বিশেষৰ আলোচনা কৰা হয়। ভাষাতত্ত্বৰ ক্ষেত্রখনত পুৰণি শিলালিপি, তাম্রলিপি, পুথিপাঁজি আদি সংগ্রহ কৰি বিশ্লেষণ দ্বাৰা ভাষা বিশেষৰ সাহিত্য-সংস্কৃতিৰ ৰূপ অনুসন্ধান কৰা হয়। স্বাভাৱিকতে ভাষাতত্ত্ব প্রধানতঃ প্রাচীন ভাষাৰ অধ্যয়নৰ লগত সংলগ্ন। ভাষাতত্ত্বই ঐতিহাসিক সমলৰ ওপৰত গুৰুত্ব দিয়ে কাৰণে ইয়াৰ লগত জাতি সাংস্কৃতিক দিশটো যুক্ত হৈ থাকে।

খ্রীষ্টপূর্বকালতেই প্রাচ্য আৰু পাশ্চাত্যত ব্যাকৰণৰ সূচনা হয়। ভাৰতবর্ষৰ খ্রীষ্টপূর্ব ১২০০-৮০০ মানৰ পৰা বৈদিক সাহিত্যৰ ব্যাকৰণৰ চিন্তা-চর্চাৰ সন্ধেদ পোৱা যায়। অৱশ্যে এইটো ঠিক যে এনে চিন্তা-চর্চাৰ প্রণালীবদ্ধ আৰু সুনির্দিষ্ট বিকাশ খ্রীষ্টপূর্ব পঞ্চম শতিকাৰ পাণিনিৰ *'অষ্টাধ্যায়ী'* গ্রন্থৰ জৰিয়তে। পাশ্চাত্যৰ গ্রীক দেশত ব্যাকৰণ চর্চা আৰম্ভ হয়। ব্যাকৰণত ভাষাৰ বাস্তৱ বিশ্লেষণ কৰা হৈছিল। মধ্যযুগৰ নির্দেশমূলক ব্যাকৰণত ভাষাৰ শুদ্ধ-অশুদ্ধ ৰূপ বাচি লৈ অশুদ্ধ ৰূপক সংশোধন কৰাৰ নির্দেশ থাকে। কিন্তু আধুনিক ভাষাবিদসকলৰ মতে কোনটো ৰূপ প্রচলিত হৈ আছে তাক

বিশ্লেষণৰ যোগেদি তাৰ গঠনৰীতি সম্পৰ্কে আলোচনা কৰা।

ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ ভাষা বিশ্লেষণৰ বিষয় বা ধাৰাক বৰ্তমান সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ মৌলিক পাৰ্থক্য থাকিলেও ইটোৰ লগত সিটোৰ পাৰস্পৰিক সম্পৰ্ক নথকা নহয়। ভাষাবিজ্ঞানৰ পৰিসৰ বৃদ্ধিৰ লগে লগে ভাষাতত্ত্বৰ লগত ইয়াৰ প্ৰভেদ নাইকিয়া হৈ পৰিছে। ভাষাতত্ত্বৰ বিষয়বোৰ ভাষাবিজ্ঞানত সোমাই পৰিছে। ঠিক তেনেদৰে ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ পাৰ্থক্য লৈ লক্ষ্য নাৰাখি ভাষাবিজ্ঞানৰ আলোচনা প্ৰক্ৰিয়াক ব্যাকৰণ অভিহিত কৰিছে।

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব দুয়োটা মূলতঃ ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নৰ সৈতে জড়িত। দুয়োটাৰ মূল লক্ষ্য হৈছে ভাষাৰ অধ্যয়ন। এনে দৃষ্টিভংগীৰ ফালৰ পৰা দুয়োটাৰ বুৎপত্তিগত অৰ্থ আৰু প্ৰকৃতিক দিশৰ পৰা মিল আছে। ভাষাতত্ত্বত ভাষা বিশেষৰ বংশৰ ইতিহাস যিদৰে অধ্যয়ন কৰা, তদ্ৰুপ ভাষাবিজ্ঞানত ভাষা এটাৰ ইতিহাস অধ্যয়ন কৰাৰ উপৰিও ভাষাৰ পৰিৱৰ্তন সম্পৰ্কেও আলোচনা কৰা হয়। ভাষাতত্ত্বত লিখিত নথিপত্ৰক ভাষা অধ্যয়নৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰা হয়। ভাষাতত্ত্বত ভাষা এটাৰ বিশেষৰ পৰা বিশেষলৈ অন্তৰ্নিহিত হৈ থকা তাৎপৰ্য উদঘাটন কৰা হয়। ভাষাবিজ্ঞানৰ আলোচনা প্ৰক্ৰিয়াত লিখিত আৰু কথিত ৰূপৰ ওপৰত গুৰুত্ব দিয়া হয় যদিও কথিত ভাষাৰ ওপৰতহে বেছি গুৰুত্ব আৰোপ কৰা হয়। ভাষাবিজ্ঞানৰ প্ৰধান লক্ষ্য হৈছে ভাষা বিশ্লেষণ ক্ষেত্ৰৰ যেনে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্বৰ আধাৰত কোনো এটা ভাষাত নিহিত হৈ থকা উপাদানবোৰৰ বিচাৰ-বিশ্লেষণৰ জৰিয়তে ভাষাটোৰ সম্যক ৰূপ দাঙি ধৰা বৰ্তমান ভাষাতত্ত্বৰ আলোচনাটোক ভাষাবিজ্ঞানৰ আলোচনা বেছি সৰবৰহী হৈ উঠিছে।

ব্যাকৰণ নামৰ অভিধাটোৱেই হৈছে ভাষা বিষয়ৰ পুৰণি বিষয়। ভাষাবিজ্ঞানে সামৰি লোৱা প্ৰধান চাৰিটা বিষয় ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থৰ ভিতৰত ব্যাকৰণত ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ বিতং অধ্যয়ন কৰা হয়। ব্যাকৰণত ভাষা গঠনৰ বিভিন্ন উপাদানসমূহৰ তন্ন তন্নকৈ বিশ্লেষণ আগবঢ়োৱা হয়। ভাষাবিজ্ঞানত ভাষাৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত অধ্যয়ন কৰা হয় আৰু ব্যাকৰণৰ প্ৰধান কাম হৈছে ভাষা বিশেষৰ গাঁথনিক স্বৰূপ বিজ্ঞানসন্মত ৰূপত দাঙি ধৰা।

ব্যাকৰণ আৰু ভাষাবিজ্ঞান ইটো-সিটোৰ লগত সম্পৃক্ত। ভাষাবিজ্ঞানত ভাষাৰ সামগ্ৰিক ৰূপটো পোৱা যায় আৰু ব্যাকৰণত ভাষাৰ এক খণ্ডিত ৰূপৰ আভাস পোৱা যায়। ভাষা জ্ঞানৰ ক্ষেত্ৰত ব্যাকৰণতকৈ ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভাষাবিজ্ঞান সাৰ্বজনীন হ'ব পাৰে। ঐতিহাসিক পৰিৱৰ্তনৰ কাৰণে একে মূলৰ পৰা অহা ভাষাৰ ব্যাকৰণো বেলেগ বেলেগ হ'ব পাৰে। বৰ্তমান ভাষাবিজ্ঞানত ভাষাসমূহৰ বিশ্লেষণ কৰাৰ কাৰণে সূত্ৰৰ বা তত্ত্বৰ আৱিষ্কাৰ হৈছে। এই তত্ত্বৰ আধাৰত

ব্যাকৰণবিদসকলে ভাষাৰ ব্যাকৰণ ৰচনা কৰে। সেই বাবে ব্যাকৰণো সার্বজনীন হ'ব পাৰে। এখন বিজ্ঞানসন্মত ব্যাকৰণ লিখিবলৈ হ'লে ভাষাৰ গঠন প্রণালী জনাটো নিতান্ত প্রয়োজনীয়। এটা ভাষাৰ উদ্ভৱ, বিকাশ, স্বৰূপ বা প্রকৃতি, প্রয়োগ ৰীতি, গঠন প্রণালী আদি ব্যাকৰণৰ সহায়ত জানিব পাৰি। ভাষাবিজ্ঞানৰ সহায়ত ভাষাৰ জন্ম, ভাষাৰ বিকাশ, গঠন ৰীতি, প্রকৃতি আদিৰ সামগ্রিক ৰূপৰ পর্যালোচনা কৰা হয়। ব্যাকৰণবিদসকলে ভাষা এটাৰ বিষয়ে ব্যাকৰণ প্রস্তুত কৰোতে সেই ভাষাৰ তত্ত্ব আৰু তথ্যৰ সামগ্রিক বিষয়ৰ ওপৰত নজৰ দিব লাগে। ভাষাবিজ্ঞানীয়ে ভাষাৰ খণ্ড ৰূপবোৰৰ বিজ্ঞানসন্মত অধ্যয়ন কৰাৰ পাছত মান্যৰূপ নির্বাচন কৰে আৰু ব্যাকৰণবিদসকলে সেই মান্যৰূপৰ ব্যাকৰণ প্রস্তুত কৰে।

সাম্প্রতিক কালত ভাষা শিক্ষণৰ ক্ষেত্রত ব্যাকৰণ আৰু ভাষাবিজ্ঞান দুয়োটাৰেই আৱশ্যকতা নিশ্চয় আছে। ভাষাৰ ব্যৱহাৰিক বাস্তৱ ৰূপটোৰ আভাস দিব পৰা ব্যাকৰণ পুথি বা ভাষাবিজ্ঞান পুথি ভাষাজ্ঞান লাভৰ ক্ষেত্রত যথেষ্ট সহায়ক হ'ব বুলি ধাৰণা কৰিব পাৰি। যোৱা কেইবা শতিকা জুৰি ব্যাকৰণ পঢ়াশলীয়া পাঠ্যক্রমৰ লগত জড়িত হৈ আহিছে। এনে পাঠ্যক্রমত সংশ্লিষ্ট ভাষাৰ সীমিত বিষয়কেইটামান অন্তর্ভুক্ত হয়। সম্প্রতি ভাষাবিজ্ঞানীসকলে ব্যাকৰণক এনে সংকীর্ণতাৰ পৰা উলিয়াই আনি এক বিস্তৃতৰ পৰিসৰত সংস্থাপন কৰিছে। এই ক্ষেত্রত ৰূপান্তৰ উৎপাদক ব্যাকৰণতত্ত্বৰ স্রষ্টাসকলৰ অৱদান আটাইতকৈ বেছি। তেওঁলোকে ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ ভেদবোৰ নাইকিয়া কৰি পেলাইছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ভাষাৰ আলোচনাৰ ক্ষেত্রত ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান এই তিনিটা অভিধা বহু সময়ত সমার্থক হিচাপে প্রয়োগ হৈ আহিছে। সাম্প্রতিক সময়ছোৱাত ব্যাকৰণ শব্দটোৱে আহৰণ কৰা অর্থ নৈদানমূলক বা নির্দেশমূলক ব্যাকৰণতকৈ পৃথক। ই ভাষা বিশ্লেষণৰ সমগ্র প্রক্রিয়াটোক সামৰি ভাষাবিজ্ঞান অর্থত ব্যৱহাৰ হ'বলৈ লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পর্কৰ বিষয়ে আলোচনা কৰক? (৩০০টা শব্দৰ ভিতৰত)

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোৰ মাজেৰে আমি ভাষাৰ বিষয়ে চমু ধাৰণা লাভ কৰিলোঁ। ভাষা সৃষ্টিৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা বক্তা আৰু শ্ৰোতাৰ মাজত বক্তাৰ ভাৱৰাশি ধ্বনি মাধ্যমৰ যোগেদি শ্ৰোতালৈ প্ৰেৰণ কৰিলে সি ভাষা হয়।
- বিংশ শতিকাৰ আৰম্ভণিতে ফার্ডিনাণ্ড দ্য চচ্যুৰৰ চিন্তাৰ মাজেৰে আধুনিক ভাষা বিজ্ঞানৰ সূচনা হোৱাৰ পৰা বৰ্তমানলৈ ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত নতুন নতুন তত্ত্ব, চিন্তাৰ বিষয়ৰে সমৃদ্ধ হৈ পৰিছে। এই সময়চোৱাত নতুন নতুন শাখা বা প্ৰকাৰৰ সৃষ্টি হৈছে।
- মানৱ সমাজৰ ভাৱ-বিনিময়ৰ প্ৰধান আহিলা ভাষা। ভাষা-সম্পৰ্কী চিন্তা-চৰ্চাৰ ফলত বিভিন্ন বিষয় বা ধাৰাৰ মাধ্যমেৰে বিকাশ হৈ বৰ্তমানৰ ৰূপ পাইছে। ভাষা অধ্যয়নৰ প্ৰথম বিষয় ব্যাকৰণ, দ্বিতীয় বিষয় ভাষাতত্ত্ব আৰু তৃতীয় বিষয় ভাষাবিজ্ঞান হিচাপে পৰিচিত।
- ভাষাবিজ্ঞানৰ প্ৰকাৰবোৰ পাৰস্পৰিক সম্পৰ্কযুক্ত। প্ৰতিটো প্ৰকাৰৰ পৰিসৰ, প্ৰকৃতি বা বিষয়বস্তু মূলতঃ একেই। মাথো দৃষ্টিভংগী বেলেগ বেলেগ। ভাষা বিশ্লেণৰ বিভিন্ন পদ্ধতিবোৰো এটাৰ লগত অন্যটোৰে সম্পৰ্কযুক্ত।
- ভাষাবিজ্ঞানৰ লগত জড়িত অন্যান্য দিশসমূহ আলোচনা কৰাৰ লগতে ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব সম্পৰ্কেও আলোচনা কৰা হৈছে।
- অধ্যায়টোত ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰকাৰ আৰু ক্ষেত্ৰ সম্পৰ্কে আলোচনা কৰাৰ লগতে ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদসমূহ যুক্তি সহকাৰে দাঙি ধৰা হৈছে।
- এই অধ্যায়টিত ব্যাকৰণৰ প্ৰকাৰ আৰু ইয়াৰ প্ৰয়োগৰ ভিত্তি সম্পৰ্কেও পৰিচয় লাভ কৰিব পাৰিব।
- ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰভেদসমূহ আলোচনা কৰাৰ লগতে ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্ক বিষয়েও আলোকপাত কৰা হৈছে।
- বৰ্তমান ভাষাবিজ্ঞান কেৱল ভাষাৰ অধ্যায়তে সীমাবদ্ধ নহয়। বৰঞ্চ প্ৰামাণিক সবলতা (Social Mobility), বাক্ বিষয়ক চিকিৎসা, ইতিহাস, পুৰাতত্ত্ব অধ্যয়ন, সাংস্কৃতিক অধ্যয়নৰ ক্ষেত্ৰতো ভাষাবিজ্ঞান অপৰিহাৰ্য হৈ পৰিছে।



২.৬ অধিক জানিবলৈ

অসমীয়া গন্থ ঃ

১। কোঁৱৰ, অর্পণা (২০০৮) *ভাষাবিজ্ঞান উপক্রমণিকা*, গুৱাহাটী ঃ বনলতা

২। গোস্বামী, উপেন্দ্র নাথ (১৯৭০) ঃ *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণি-মাণিক

৩। ঠাকুৰ, নগেন আৰু ডেকা, খগেশ সেন (২০০০) ঃ *ভাষা-চিন্তা-বিচিত্রা*, গুৱাহাটী ঃ পুবেৰুণ

৪। ডেকা, খগেশ সেন ঃ (২০০১) ঃ ব্যাকৰণ ঃ *প্রাচ্য আৰু পাশ্চাত্য*

৫। দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬) ঃ *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়*, গুৱাহাটী ঃ বনলতা

৬। পাঠক, ৰমেশ (১৯৯১) ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ অশোক বুক ষ্টল

৭। পাঠক, ৰমেশ (১৯৮৮) ঃ *ব্যাকৰণ আৰু প্রাকৃতিবিজ্ঞান*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

৮। ফুকন, পাটগিৰি, দীপ্তি (২০১২) ঃ *ভাষাতত্ত্ব*, গুৱাহাটী ঃ বনলতা

৯। মহন্ত, বিপুল কুমাৰ (১৯৯২) ঃ *ভাষাবিজ্ঞানৰ পৰিচয়*, ডিব্রুগড় ঃ বনলতা

১০। হাজৰিকা, লক্ষী (২০০৬) ঃ *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিত*, গুৱাহাটী ঃ অশোক বুকষ্টল



২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ ভাষা কাক বোলে বা সংজ্ঞা দিয়ক। ভাষা সম্পর্কে ভাষাবিদসকলৰ মতামত চমুকৈ দিবলৈ যত্ন কৰক।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ সংজ্ঞা বা ইয়াৰ বিষয়বস্তুৰ ধাৰণা দিয়ক আৰু এই দুয়োটাৰ মাজৰ মিল-অমিলৰ বিষয়ে বর্ণনা কৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানক বিষয় আৰু প্রকৃতি অনুযায়ী ভাগ কৰা প্রকাৰৰ উল্লেখ কৰক আৰু সেইবোৰৰ বিষয়ে চমুকৈ লিকক।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রায়োগিক আৰু ব্যৱহাৰিক দিশ অনুযায়ী ভাষাবিজ্ঞানৰ ভাগবোৰ উল্লেখ কৰক আৰু তাৰ বর্ণনা কৰক।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্রভেদবোৰ আলোচনা কৰক।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ পার্থক্যবোৰ উল্লেখ কৰক।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ পাৰস্পৰিক সম্পর্কৰ বিষয়ে লিখক।



২.৮ আহিঁ প্রশ্ন

প্রশ্ন ১ ঃ ভাষা কি? ইয়াৰ এটি চমু আভাস দিয়ক।

প্রশ্ন ২ ঃ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ ভাষা অধ্যয়নৰ বিষয় আৰু প্রকৃতি অনুযায়ী ভাষাবিজ্ঞানক কি কি প্রকাৰত বিভাজন কৰিব পাৰি উল্লেখ কৰি তাৰ চমু আভাস দিৱৰ যত্ন কৰক।

প্রশ্ন ৪ ঃ বর্ণনাত্মক ভাষাবিজ্ঞানৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ ঃ ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্রভেদসমূহ বর্ণনা কৰক।

প্রশ্ন ৬ ঃ ব্যাকৰণ শব্দৰ অর্থ কি? ব্যাকৰণৰ প্রকাৰসমূহ উল্লেখ কৰি এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৭ ঃ ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ পার্থক্য লিখক।

প্রশ্ন ৮ ঃ ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পর্কৰ বিষয়ে লিখক?

*** ***** ***

অধ্যায় ৩ ঃ ভাষা অধ্যয়নৰ ক্রমবিকাশ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ভাষা অধ্যয়নৰ ক্রমবিকাশ

৩.৪ প্রাচীন যুগ

- ৩.৪.১ ভাৰতীয়
- ৩.৪.২ গ্রীচীয়
- ৩.৪.৩ ৰোমানীয়

৩.৫ মধ্য যুগ

৩.৬ নৱজাগৰণৰ যুগ

৩.৭ আধুনিক যুগ

- ৩.৭.১ ঐতিহাসিক
- ৩.৭.২ বর্ণনামূলক
- ৩.৭.৩ সৃজনমূলক
- ৩.৭.৪ অন্যান্য

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.১১ আর্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশ্বত ভাষা সম্পর্কীয় অধ্যয়নৰ উদ্ভৱ আৰু ক্রমবিকাশ সম্পর্কে জানিব পাৰিব
- ভাষা-চিন্তাৰ বিবিধ ধাৰাবোৰৰ আভাস পাব
- ভাষা-চিন্তাৰ ক্ষেত্রলৈ অৱদান আগবঢ়োৱা ভাষাবিদ তথা দেশ-বিদেশৰ সামগ্রিক অৱদানৰ বিষয়ে জানিব পাৰিব
- বিশ্বত ভাষা সম্পর্কীয় অধ্যয়নৰ বিভিন্ন বিশেষত্বৰোৰৰ সম্পর্কে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্য বিষয়ৰ তৃতীয় ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা হৈছে 'ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়'। আমি আলোচনা কৰিব খোজা 'ভাষা অধ্যয়নৰ ক্রমবিকাশ' শীর্ষক এই অধ্যায়টি তৃতীয় অধ্যায়। আপোনাৰ অধ্যয়নৰ সুবিধার্থে এই অধ্যায়টিক আমি বেলেগ বেলেগ শিৰোনামত কেইবাটাও উপ অধ্যায়ত আলোচনা কৰিছোঁ। আমি এই কথা সকলোৱে জানো যে মানৱ সভ্যতাৰ অগ্রগতিত ভাষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। কোৱা বাহুল্য যে ভাষা অবিহনে আদিম গুহাবাসী স্তৰতে ৰৈ যোৱাৰ সম্ভাৱনা আছিল। ভাষাৰ জৰিয়তে মানুহে জ্ঞান-চিন্তাৰ ন ন দিশ উদ্ভাৱন কৰি সভ্যতাৰ ঢাপত আগু�ৱাই আহি আজিৰ অৱস্থা পাইছেহি। সভ্যতাৰ প্রথমটো ঢাপত ভৰি দিয়াৰে পৰা মানুহৰ নিত্য সহচৰ ভাষা সম্বন্ধে মানুহে অসীম কৌতুহল প্রকাশ কৰি আহিছে। সময়ৰ বিৱর্তনত ভাষাৰ লিখিত ৰূপ সৃষ্টি হ'ল আৰু ফলত ভাষাৰ লগত জড়িত নিয়ম প্রণালীৰ উদ্‌ঘাটনৰ প্রতি মানৱ সমাজ আগ্রহী হৈ পৰিল। মানুহৰ বৌদ্ধিক চিন্তাৰ অগ্রগতিৰ লগে লগে ভাষা সম্পর্কীয় কৌতুহল বা ইয়াৰ নিয়ম-প্রণালী সম্পর্কীয় সজাগতাই বিশেষ মর্যাদা লাভ কৰি বর্তমানে ই এক বিদ্যায়তনিক বিষয় ৰূপে সমগ্র বিশ্বতে সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ভাষা অধ্যয়নৰ প্রায় আঢ়ৈ হাজাৰ বছৰীয়া ইতিহাস পর্যালোচনা কৰিলে দেখা যায় যে প্রাৰম্ভিক কালচোৱাত এই বিদ্যা ভা�ৰতকে আদি কৰি প্রাচ্যৰ দেশসমূহত 'ব্যাকৰণ' আৰু প্রাশ্চাত্যত Grammar নামেৰে জনাজাত আছিল। প্রাচীন কালত ভাৰতীয় আর্য সমাজৰ মূল সৌধ বেদৰ ভাষাৰ সংৰক্ষণৰ বাবে ব্যাকৰণ চর্চাৰ সূচনা হয়। ভাৰতৰ দৰে গ্রীচতো হোমাৰীয় মহাকাব্যিক ভাষাৰ অৱক্ষয় ৰোধৰ বাবে ভাষা সম্পর্কীয় সজাগতাৰ সৃষ্টি হয়। অৱশ্যে গ্রীকসকলৰ তুলনাত ভাৰতীয় ভাষা-চিন্তা প্রথমৰ পৰাই সুশৃংখল আৰু সুসংবদ্ধ আছিল। সেয়ে হ'লেও অতিমাত্রা ৰক্ষণশীলতাৰ বাবে ভাৰতীয় ব্যাকৰণ চিন্তাৰ বিকাশ পৰিলক্ষিত নহ'ল। অন্যহাতে পশ্চিমীয়া পণ্ডিতসকলে প্রাচ্য আৰু প্রাশ্চাত্যৰ ব্যাকৰণ চিন্তাৰ পুংখানুপুংখ অধ্যয়ন, বিশ্লেষণ আৰু নতুন চিন্তাৰ সংযোগ ঘটাই ভাষা অধ্যয়নৰ সমগ্র প্রক্রিয়াটোক নতুনত্ব প্রদান কৰিলে। ফলত সৃষ্টি হ'ল ভাষাতত্ত্ব, ভাষাবিজ্ঞান আদি ন ন স্তৰ। এনেদৰে সামগ্রিকভাৱে ভাষা অধ্যয়ন প্রক্রিয়া ক্রমে ব্যাকৰণ-ভাষাতত্ত্ব-ভাষাবিজ্ঞান আদি একো একোটা স্তৰৰ মাজেৰে বিৱর্তিত হৈ বর্তমানৰ স্থিতিত উপনীত হৈছেহি। তদুপৰি ইয়াৰ লগে লগে পৰিৱর্তিত হৈছে ভাষা-চিন্তাৰ প্রকৃতিও।

এই কথা মনত ৰাখিব লাগিব যে ভাষা-সম্পর্কীয় চিন্তা বা ভাষাবিজ্ঞান এদিনতে গঢ় লৈ উঠা নাই বা একে ঠাইতে ৰৈও থকা নাই। প্রায় আঢ়ৈ হাজাৰ বছৰ ধৰি বিশ্বৰ ভিন্ ভিন্ স্থানত ভিন্ ভিন্ ৰূপত অংকুৰিত হোৱা ভাষা-চিন্তাৰ ক্রমবিকাশৰ ফল হৈছে 'আধুনিক ভাষাবিজ্ঞান'। 'ব্যাকৰণ' ধাৰাৰ পাছত 'ভাষাতত্ত্ব' হৈ আধুনিক ভাষাবিজ্ঞান'লৈ যি সুদীর্ঘ পৰিক্রমা তাক উপলব্ধিৰ বাবে পদ্ধতিগত আলোচনাৰ প্রয়োজন। সেয়ে আলোচনাৰ সুবিধাৰ হেতু বিশ্বৰ ভাষা সম্পর্কীয় চিন্তাক ভিন্ ভিন্ স্তৰত ভাগ কৰি আলোচনা কৰাৰ প্রয়াস কৰা হৈছে।

৩.৩ ভাষা অধ্যয়নৰ ক্রমবিকাশ

পৰিচয় শিতানতে এটা কথা উল্লেখ কৰা হৈছে যে মানুহৰ ভাষা বিষয়ক অনুসন্ধিৎসা বা জিজ্ঞাসাৰ ফলতে ভাষা-সম্পৰ্কীয় চিন্তা-চৰ্চাৰ উদ্ভৱ আৰু বিকাশ হৈছে। এনে চিন্তা প্ৰাচ্য আৰু প্ৰাশ্চাত্য দুয়ো ঠাইতে বেলেগ বেলেগ দেশত ভিন্ ভিন্ ৰূপত গঢ় লৈ উঠিছিল। এই ক্ষেত্ৰত ভাৰতবৰ্ষ আৰু গ্ৰীচে সম্পূৰ্ণ মৌলিক চিন্তা প্ৰসূত এক ঐতিহ্যমণ্ডিত পৰম্পৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে চীন, ৰোম, বেবিলন আদি দেশৰ নামো এই প্ৰসংগত উচ্চাৰিত হয় যদিও প্ৰাচীন যুগৰ ভাষা সম্পৰ্কীয় চিন্তাত ভাৰতবৰ্ষ আৰু গ্ৰীচৰ ভূমিকাই আছিল প্ৰধান। ভাৰতবৰ্ষত আৰ্যসকলৰ বাবে অতি পবিত্ৰ বেদৰ ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ মানসিকতাই ভাষা-চিন্তাৰ উদ্ৰেক ঘটোৱাৰ দৰেই গ্ৰীচতো ধ্ৰুপদী সাহিত্য বিশেষকৈ মহাকবি হোমাৰৰ ইলিয়াদ আৰু ওডিছী ৰ পাঠৰ শুদ্ধ ৰূপ সংৰক্ষণৰ উদ্দেশ্যে তেনে চিন্তাৰ সূত্ৰপাত হৈছিল। খৃঃপূৰ্ব এহেজাৰ বছৰৰ পূৰ্বৰ পৰাই ভাৰতবৰ্ষত ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চাৰ আৰম্ভণি ঘটিছিল আৰু প্ৰায় খৃঃপূৰ্ব পঞ্চম শতিকাৰ পৰা এনে চিন্তাৰ ধাৰাবাহিক ইতিহাস লাভ কৰা যায়। এই আঢ়ৈ হাজাৰ বছৰৰ ভিতৰত হোৱা ভাষা চিন্তাৰ ইতিহাসক বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰিছে। এনে এক বিভাজন হ'ল—

(ক) ব্যাকৰণ (Grammar) ঃ পৰম্পৰাগত বা প্ৰথাগত ব্যাকৰণ চৰ্চা
সময়-খৃঃপূৰ্ব পঞ্চম শতিকাৰ পৰা ১৭৮৬ খ্ৰীষ্টাব্দ পৰ্যন্ত

(খ) ভাষাতত্ত্ব (Philology) ঃ তুলনামূলক-ঐতিহাসিক ভাষা চৰ্চাৰ ধাৰা
সময়-খ্ৰীষ্টীয় ১৭৮৬ৰ পৰা ১৯১৬ খ্ৰীষ্টাব্দলৈ

(গ) ভাষাবিজ্ঞানৰ ধাৰা (Linguistics) ঃ বিশুদ্ধ বা যথাৰ্থ ভাষাবিজ্ঞানৰ ধাৰা
সময়-খ্ৰীষ্টীয় ১৯১৬ ৰ পৰা বৰ্তমান পৰ্যন্ত

সময়ৰ দিশৰ পৰা এই যুগ বিভাজন এনেদৰে হৈছে—

প্ৰাচীন যুগ (খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ ষষ্ঠ শতিকালৈ), মধ্যযুগ (খ্ৰীঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ চতুদৰ্শ শতিকালৈ), নৱজাগৰণৰ যুগ (খ্ৰীঃ চতুদৰ্শ শতিকাৰ পৰা খ্ৰীঃ অষ্টাদশ শতিকাৰ আদি ভাগলৈ), ৰমন্যাসিক যুগ (খ্ৰীঃ অষ্টাদশ শতিকাৰ আদি ভাগৰ পৰা ১৭৮৬ খ্ৰীঃলৈ), আধুনিক যুগ (খ্ৰীঃ ১৭৮৬ৰ পৰা ১৯১৫ খ্ৰীঃলৈ বা বৰ্তমান পৰ্যন্ত)।

ভাৰতবৰ্ষ আৰু গ্ৰীচত সূচনা হোৱা ভাষা-চিন্তাৰ মাজত কালগত ব্যৱধান আৰু মৌলিক চিন্তাৰ পাৰ্থক্য থাকিলেও দুয়া দেশৰ ভাষা-চিন্তাৰ মাজত এক ঐক্যসূত্ৰও পৰিলক্ষিত হয়। সেয়েহে ভাষা চিন্তাৰ প্ৰথম ধাৰাটোক 'ব্যাকৰণ' অভিধাৰে চিহ্নিত কৰা হৈছে। অৱশ্যে ভাষা সম্পৰ্কীয় আলোচনাত বৰ্তমান 'ব্যাকৰণ' শব্দ যি অৰ্থত ব্যৱহাৰ কৰা হয় তাৰ বিপৰীতে প্ৰাচীন 'ব্যাকৰণ'ৰ তাৎপৰ্যপূৰ্ণ পাৰ্থক্য আছে। সেই বাবে ভাষা-চৰ্চাৰ প্ৰাথমিক স্তৰত সূচনা হোৱা 'প্ৰাচীন ব্যাকৰণ ধাৰা'ক বৰ্তমান 'পৰম্পৰাগত' বা 'প্ৰথাগত ব্যাকৰণ' (Traditional Grammar) হিচাপে চিহ্নিত কৰা হৈছে। এই ব্যাকৰণ ধাৰাক দুটা প্ৰধান উপধাৰাত ভাগ কৰা হৈছে—

(ক) দার্শনিক (Philosophical) আৰু

(খ) নিৰ্দেশাত্মক বা নিয়মাত্মক (Normative or Prescriptive)

'ভাষাতত্ত্ব' শীৰ্ষক দ্বিতীয় ধাৰাটো অষ্টাদশ শতিকাৰ শেষ ভাগত সূচনা হৈ ঊনবিংশ শতিকাত বিশেষভাৱে প্রতিষ্ঠিত হয়। এই ধাৰাক ক্রমে 'তুলনামূলক' আৰু 'ঐতিহাসিক' ধাৰা হিচাপে ভাগ কৰা হয়। কোনো কোনোৱে দুয়োটা ধাৰাক একেলগ কৰি 'তুলনামূলক-ঐতিহাসিক ধাৰা' বুলিও অভিহিত কৰিছে। অৱশ্যে এই স্তৰটো 'তুলনামূলক ভাষাতত্ত্ব' নামেৰেহে অধিক পৰিচিত।

বিংশ শতিকাৰ প্রাৰম্ভতে বিশেষকৈ ফার্ডিনাণ্ড দ্য চচ্যুৰ ভাষা-বিশ্লেষণৰ দ্বাৰা ভাষা-চিন্তাত এক নতুন গতি আহি পৰে। তেতিয়াৰ পৰা বর্তমানলৈ ভাষা-চিন্তাত নিত্য নতুন চিন্তাধাৰাৰ সংযোজন ঘটি ভাষা অধ্যয়নৰ প্রক্রিয়াটোক এক সুকীয়া বিদ্যায়তনিক শাখা ৰূপে প্রতিষ্ঠিত কৰি তুলিছে। ফলত ন ন শাখা-প্রশাখা গঢ় লৈ উঠিলেও প্রধানকৈ দুটা ধাৰাই সমগ্র বিশ্বত জনপ্রিয়তা লাভ কৰে। সেই ধাৰা দুটা হ'ল ক্রমে—

(ক) 'গঠনমূলক ভাষাবিজ্ঞান' বা বর্ণনামূলক ভাষাবিজ্ঞান' (Structural Linguistics or Descriptive Linguistics)

(খ) 'ৰূপান্তৰ সৃজনমূলক ব্যাকৰণ' বা ৰূপান্তৰ স্ফোট ব্যাকৰণ' (Transformational Generative Grammar)

ভাষাৰ ক্রমবিকাশৰ এইখিনি থুলমূল আভাস লাভ কৰাৰ পাছত আমি ভাষা সম্পর্কীয় অধ্যয়নৰ ইতিহাসত কোনবোৰ দেশৰ কেনে অৱদান আছিল সেই সম্পর্কে আলোচনা কৰিবলৈ আগবাঢ়িছোঁ। তলৰ আলোচনাখিনিয়ে আপোনাক প্রাচীন কালৰ পৰা বর্তমানলৈ ঠাই বিশেষে গঢ় লৈ উঠা ভাষা-চিন্তাৰ আভাস দিব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিশ্বৰ ভাষা চিন্তাৰ ক্রমবিকাশক কি কি যুগত ভাগ কৰা হৈছে লিখক

.....

৩.৪ প্রাচীন যুগ

বিশ্বৰ ভাষা চিন্তাৰ প্রাচীনতম ধাৰাটো 'ব্যাকৰণ' অভিধাৰে পৰিচিত। এনে চিন্তাৰ প্রথম সূচনা ভাৰতবর্ষত আৰু পাছত গ্রীচক কেন্দ্র কৰি ইউৰোপীয় চিন্তাজগতত বিকাশ লাভ কৰে। সময়ৰ দিশৰ পৰা ভাষা চিন্তাৰ প্রাচীন যুগ বুলিলে সময় খ্রীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ ষষ্ঠ শতিকা পর্যন্ত সামৰি লোৱা হৈছে। স্থান ভেদে এই সময়ত ব্যাকৰণ সম্পর্কীয় চিন্তাৰ মাজত মৌলিক প্রভেদ বিদ্যমান। তলত প্রাচীন যুগৰ ভাষা-চিন্তাৰ বিশেষত্বসমূহ ভৌগোলিক দিশৰ পৰা আলোচনা কৰা হ'ল—

৩.৪.১ ভাৰতীয়

ভাৰতীয় ভাষা-চিন্তাৰ প্ৰথম উন্মেষ বেদৰ সংহতি স্তৰতে হৈছিল। 'কৃষ্ণ যজুৰ্বেদত উল্লিখিত ইন্দ্ৰই ভাষাক 'ব্যাকৃত' কৰা ঘটনাটোৰ উল্লেখ আছে। ইয়াত দেৱতাসকলে ইন্দ্ৰক 'অব্যাকৃত' বা 'অখণ্ড বাক'-ক ব্যাকৃত বা বিশ্লিষ্ট কৰিবলৈ অনুৰোধ কৰিছে। এই 'ব্যাকৃত' বা 'বিশিষ্ট' কৰা অৰ্থতে পৰৱৰ্তী কালত 'ব্যাকৰণ' শব্দৰ প্ৰচলন হয়। পৰৱৰ্তী ব্ৰাহ্মণ স্তৰত ই কিছু পদ্ধতিগত ৰূপ পায়। 'ব্যাকৰণ' শব্দৰ প্ৰথম উল্লেখ পোৱা যায় *অথৰ্বেদৰ* 'গোপথ ব্ৰাহ্মণ'ত। বি-পূৰ্বক কৃ ধাতুত অন (অনট্) প্ৰত্যয়ৰ নিষ্পন্ন 'ব্যাকৰণ' শব্দটোৱে ভাষাৰ 'বিশেষ আৰু বিস্তৃত ব্যাখান' বুজায়। ই মূলতঃ শব্দ বিশ্লেষণৰ শাস্ত্ৰ। অৱশ্যে এই স্তৰৰ ভাষা বিষয়ক চিন্তা শৃংখলাবদ্ধ বা পদ্ধতিগত আছিল বুলিব নোৱাৰি। উত্তৰ বৈদিক যুগৰ বেদাঙ্গ সমূহৰ মাজত ভাষা বিষয়ক চিন্তাই বহুখিনি উন্নত ৰূপ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ প্ৰমাণ হিচাপে ক'ব পাৰি ষড় বেদাঙ্গৰ চাৰিটা অঙ্গ 'শিক্ষা', 'নিৰুক্ত', 'ছন্দ' আৰু 'ব্যাকৰণ'-এ প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। মুঠতে, খ্ৰীঃপূঃ ১২০০-৮০০ ৰ ভিতৰত ভাৰতত যি ভাষা-চৰ্চাৰ অগ্ৰগতি হৈছিল সেয়া 'ব্যাকৰণ' ৰূপে জনজাত হৈছিল। ভাৰতীয় ব্যাকৰণ চৰ্চা প্ৰধানকৈ বেদৰ শুদ্ধ পাঠ ৰক্ষা কৰাৰ স্বাৰ্থতে কৰা হৈছিল। একোগৰাকী ছাত্ৰই (শিষ্যই) দ্বাদশ বছৰ ধৰি ব্যাকৰণ চৰ্চা কৰিব লগা হোৱাৰ কথা পোৱা যায় আৰু ইয়ে প্ৰাচীন ভাৰতত ব্যাকৰণ চৰ্চাৰ গুৰুত্ব কিমান আছিল সেয়া প্ৰতিপন্ন কৰে।

ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ পৰিপূৰ্ণ বিকাশ ঘটে মহৰ্ষি পাণিনিৰ দ্বাৰা ৰচিত 'অষ্টাধ্যায়ী'ৰ জৰিয়তে। ব্যাকৰণখন আঠটা অধ্যায়যুক্ত হোৱা বাবে *'অষ্টাধ্যায়ী'* নামাকৰণৰ কৰা হয় যদিও ইয়াৰ আন এটা নাম হ'ল *'শব্দানুশাসনম'*। এই ব্যাকৰণখনক পাশ্চাত্যৰ বহুতো ভাষা-চিন্তাবিদে ভূয়সী প্ৰশংসা কৰিছে। ব্লুমফিল্ডৰ দৰে ভাষাবিজ্ঞানীয়ে *অষ্টাধ্যায়ীক* 'মানৱ বুদ্ধিমত্তাৰ সৰ্বোত্তম কীৰ্তিস্তম্ভ' হিচাপে অভিহিত কৰিছে। *'অষ্টাধ্যায়ী'*ৰ ৰচনা কাল আনুমানিক খ্ৰীঃপূঃ পঞ্চম শতিকা। ভাৰতীয় ব্যাকৰণ চৰ্চাৰ ইতিহাসত এই ব্যাকৰণখন তথা পাণিনিৰ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি সংস্কৃত ব্যাকৰণ চৰ্চাৰ ইতিহাসক প্ৰাক্-পাণিনীয়, পাণিনীয় আৰু উত্তৰ পাণিনীয় এই তিনিটা মূল ধাৰাত ভাগ কৰা হৈছে। সংক্ষিপ্ততা, শৃংখলাবদ্ধতা আৰু বিজ্ঞানসন্মত দৃষ্টিভংগীৰ বাবে *'অষ্টাধ্যায়ী'* ব্যাকৰণে ভাৰতীয় ব্যাকৰণৰ পৰম্পৰাগত এক গভীৰ আৰু সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হয়। পাণিনিৰ পৰৱৰ্তী সকলো সংস্কৃত ব্যাকৰণ আৰু আনকি পালি-প্ৰাকৃত ব্যাকৰণ পৰ্যন্ত তেওঁক আৰ্হি হিচাপে লৈ ব্যাকৰণ প্ৰণয়নৰ পয়োভৰ পৰিলক্ষিত হয়। তদুপৰি *অষ্টাধ্যায়ীৰ* বহুতো টীকা-ভাষ্যও পৰৱৰ্তী কালত ৰচনা হৈছে। এনে টীকা ভাষ্যৰ ভিতৰত খ্ৰীঃপূঃ শতিকাত কাত্যায়ন প্ৰণীত

'ৱার্তিক' আৰু খ্রীঃপূঃ ২য় শতিকাত পতঞ্জলিয়ে ৰচনা কৰা *'মহাভাষ্য'*ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই তিনিগৰাকী ব্যাকৰণবিদে সংস্কৃত ব্যাকৰণ পৰম্পৰাক উচ্চ স্তৰলৈ তুলি ধৰিছিল। তেওঁলোকৰ পৰৱৰ্তী সময়চোৱাত ভাৰতীয় তথা সংস্কৃত ব্যাকৰণ পৰম্পৰাত কেতবোৰ ধাৰা সৃষ্টি হৈছিল। সেইবোৰৰ ভিতৰত ঐন্দ্র, চান্দ্র, কাতন্দ্র, জৈনেন্দ্র, শাকটায়ন, হেমচান্দ্র, সাৰস্বত, মুগ্ধবোধ আদি অন্যতম। ইয়াৰ উপৰি, কেতেবোৰ আঞ্চলিক ধাৰাৰ লগতে পাশ্চাত্যৰ ভাষাতত্ত্ববিদেও সংস্কৃত ব্যাকৰণ প্রণয়নত হাত দিছিল।

পাণিনিয়ে বৈদিক ভাষাৰ শিষ্ট ৰূপটোৰ গঠন পদ্ধতিৰ বিতং বিশ্লেষণ কৰি বর্ণনামূলক ভাষা বিশ্লেষণৰ এনে ৰীতি প্রতিষ্ঠা কৰিছিল যে কেৱল সংস্কৃততেই নহয়, পালি প্রাকৃতি ব্যাকৰণ সমূহো সেই আদর্শৰ অনুগামী হৈ পৰিছিল। কিন্তু মাত্রাধিক ৰক্ষণশীলতা আৰু ভাষাৰ বিশুদ্ধ প্রয়োগৰ প্রতি কঠোৰ মনোভাৱ দেখুৱা হেতুকে ভাৰতীয় ব্যাকৰণ পৰম্পৰা নিদানমূলক বা নির্দেশাত্মক ৰূপে পৰিগণিত হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ভাৰতবর্ষত ভাষা চিন্তাৰ ক্রমবিকাশ সম্পর্কে চমুকৈ লিখক।

.....

৩.৪.২ গ্রীচীয়

আপুনি এই কথা নিশ্চয় অৱগত যে প্রাচীন কালৰ বিশ্বত সামাজিক, ৰাজনৈতিক, দার্শনিক, সাহিত্যিক ইত্যাদি সকলো দিশতে এখন অত্যন্ত গুৰুত্বপূর্ণ দেশ আছিল গ্রীচ। প্রাশ্চাত্য জগতৰ ভাষা সম্পর্কীয় অধ্যয়নৰ ইতিহাস আলোচনাতো প্রথমে নাম ল'বলগীয়া দেশখন হ'ল গ্রীচ। অৱশ্যে প্রথম অৱস্থাত গ্রীচৰ ভাষা-চর্চাৰ কোনো সুকীয়া শাখা নাছিল। ইয়াক ধর্ম আৰু দর্শনৰ ভিতৰুৱা ৰূপেহে আলোচনা কৰা হৈছিল। এই কথা আগতেই উল্লেখ কৰা হৈছে যে গ্রীচ প্রধানকৈ হোমাৰৰ দুয়োখন মহাকাব্য *'ইলিয়াদ'*আৰু *'ওডিছী'*ক অতি পবিত্র জ্ঞান কৰা হৈছিল। সেয়ে এই মহাকাব্যত ভাষাটোৰ বিশুদ্ধতা ৰক্ষাৰ বাবে ভাষা সম্পর্কীয় কেতবোৰ নিয়ম-প্রণালী বা সচেতনতাৰ সৃষ্টি হয়। কিন্তু প্রথম অৱস্থাত তেওঁলোকৰ চিন্তা চর্চা আছিল অত্যন্ত ৰক্ষণশীল আৰু বিক্ষিপ্ত। গ্রীচত তর্কশাস্ত্র আৰু অংলকাৰ শাস্ত্রক অতি গুৰুত্বপূর্ণ বিষয়ৰূপে বিবেচনা কৰা হৈছিল। সেইবাবেই ভাষাক তেওঁলোকে সুকীয়া বিষয় ৰূপে গণ্য নকৰি দর্শন শাস্ত্রৰ অন্তগত বুলিহে বিবেচনা কৰিছিল। গ্রীক দার্শনিক প্লেটো,এৰিষ্টটলৰ দার্শনিক চিন্তা চর্চাৰ মাজত ভাষা সম্পর্কীয় অনেক

বিশ্লেষণ পৰিলক্ষিত হয়। প্লেটো, এৰিষ্টটলে ভাষাৰ বৰ্ণ, অক্ষৰ, পদ আৰু শব্দৰ লগত অৰ্থৰ সম্বন্ধ ইত্যাদি ভাষাৰ উপাদান বা বৈয়াকৰণিক দিশসমূহ তেওঁলোকে আলোচনাৰ ভিতৰলৈ আনিছিল আৰু সেই আলোচনাই পৰৱৰ্তী ব্যাকৰণবিদসকলক যথেষ্ট প্ৰভাৱিত কৰিছিল। এনে কাৰণতে প্লেটো, এৰিষ্টটলৰ দাৰ্শনিক চিন্তা-সম্বলিত ভাষা-চিন্তাক 'দাৰ্শনিক ব্যাকৰণ ধাৰা' বুলি অভিহিত কৰা হয়।

দাৰ্শনিক প্লেটো (খ্ৰীঃপূঃ ৪২৭-৩৪৮) হ'ল গ্ৰীচত বা ইউৰোপীয় ভাষা-চিন্তাৰ উন্মেষ ঘটোৱা প্ৰথম ব্যক্তি। তেওঁৰ Dialogues নামৰ গ্ৰন্থৰ Crytylus অধ্যায়ত কেইজনমান আলোচনাকাৰীৰ কথোপকথনৰ মাজেৰে ভাষা সম্পৰ্কে, কেতবোৰ মৌলিক প্ৰশ্ন উত্থাপন কৰি সেইবোৰৰ ব্যাখ্যা কৰাৰ চেষ্টা কৰা পৰিলক্ষিত হয়। এই আলোচনাত প্লেটোৱে 'ভাষা' অৰ্থৰে 'শব্দ'কে বুজাইছিল আৰু শব্দাৰ্থৰ সম্বন্ধ বিচাৰৰ মাজতে তেওঁৰ ভাষা আলোচনা সীমাবদ্ধ আছিল। অৱশ্যে তাৰ মাজতে ধ্বনি আৰু বাক্য সম্বন্ধীয় চিন্তাও প্ৰতিফলিত নোহোৱাকৈ থকা নাই। সি যি কি নহওক, প্লেটোৰ কথাখিনিয়ে ভাষা সম্পৰ্কীয় চিন্তাৰ উদ্ৰেক ঘটাই বিষয়টোৰ প্ৰতি কৌতুহল জগাই তোলাটো এক তাৎপৰ্যপূৰ্ণ কথা।

প্লেটোতকৈ এৰিষ্টটলৰ (খ্ৰীঃপূঃ ৩৮৪-৩২২) ভাষা বিষয়ক চিন্তা আছিল গভীৰ বিস্তৃত। এৰিষ্টটলৰ কাব্যতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ 'পয়েটিক্স'ত কাব্যৰ ভাষা প্ৰসংগত ব্যাকৰণগত বিভিন্ন বিষয়ৰ আলোচনা দাঙি ধৰিছিল। তেওঁ বৰ্ণসমূহক স্বৰ, ব্যঞ্জন আৰু অৰ্ধস্বৰৰ ৰূপে ভাগ কৰিছিল। বৰ্ণৰ পৰা অক্ষৰ, অক্ষৰৰ পৰা পদ নিৰ্মাণ হৈ বাক্য সৃষ্টিৰ প্ৰক্ৰিয়া এৰিষ্টটলে সঠিকভাৱে দেখুৱালৈ সক্ষম হৈছিল। এনেদৰে বৰ্ণ, অক্ষৰ, পদ, বাক্য এনে অনুক্ৰমেৰে ভাষাৰ গাঁথনিক বিশ্লেষণৰ প্ৰাথমিক ধাৰণা দিবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁ বিশেষ্য, ক্ৰিয়া, সংযোজক অব্যয়, কাৰক আদি দিশবোৰ দাঙি ধৰিছিল, যিবোৰ পৰৱৰ্তী কালৰ ভাষা অধ্যয়নৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হৈছিল। ভাষাবিজ্ঞানৰ অন্যতম দিশ শৈলী-বিজ্ঞান সম্পৰ্কেও তেওঁ কেতবোৰ চিন্তা-চৰ্চা দাঙি ধৰিছিল।

ইউৰোপৰ ভাষা-অধ্যয়নৰ প্ৰথম যুগটো অৰ্থাৎ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকা পৰ্যন্ত, প্লেটো-এৰিষ্টটলৰ দাৰ্শনিক চিন্তাৰ গভীৰ প্ৰভাৱ পৰিছিল। সেয়ে ভাষা-বিষয়ক যি আলোচনাই হৈছিল তাত যুক্তি নিৰ্ভৰ দাৰ্শনিক ভাৱধাৰা নিহিত হৈ আছিল আৰু সেইবাবে এই সময়চোৱাক 'দাৰ্শনিক ব্যাকৰণ ধাৰা'ৰ যুগ বুলি অভিহিত কৰা হয়।

এৰিষ্টটলৰ পাছত খ্ৰীঃপূঃ তৃতীয় দাৰ্শনিক জেনো (Zeno)-ৰ দ্বাৰা প্ৰতিষ্ঠিত ষ্ট'ইক (Stoics) দাৰ্শনিক সম্প্ৰদায়ে ভাষাৰ আলোচনাক এক স্বতন্ত্ৰ জ্ঞান শাখাৰূপে প্ৰতিষ্ঠা কৰাৰ উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। পাশ্চাত্য ভাষা অধ্যয়নৰ পৰম্পৰাৰ

পৰৱৰ্তী বিকাশ এই ধাৰাটোৰ পৰা অহিত তত্ত্ব আৰু পৰিভাষাৰ দ্বাৰা নিয়ন্ত্রিত বুলি ক'লেও ভুল কোৱা নহয়। ষ্টইকসকলেই পোনতে গ্রীক ভাষাৰ পদৰ সংখ্যা-নিৰূপণ, বিভক্তিমূলক প্রত্যয়ৰ শ্রেণীবিভাজন, আৰু অকর্মক আৰু সকর্মক ক্রিয়াৰ পার্থক্য আদি নিৰূপণ কৰি দেখুৱাৰ উপৰিও কাৰক, বচন, কাল আদি বিভিন্ন বৈয়াকৰণিক বিষয়বোৰৰ ব্যাখ্যা আগবঢ়াইছিল। ষ্টইকসকলে ভাষাৰ ৰূপ বা আকৃতি (Form) আৰু 'অর্থ' (Meaning)ৰ দ্বৈত ৰূপৰ ধাৰণাও আগবঢ়াবলৈ সক্ষম হৈছিল। আনকি আধুনিক ভাষাবিজ্ঞানৰ পিতৃস্বৰূপ ফার্ডিনাণ্ড দ্য চ্যচুৰ ভাষাবৈজ্ঞানিক তত্ত্বৰ অন্যতম সূত্র 'সূচক' আৰু 'সূচিত'ৰ যি ধাৰণা তাৰ পূর্বৰূপ এটাও ষ্টইকসকলৰ ভাষা সম্পর্কীয় চিন্তাৰ মাজত নিহিত আছিল বুলি ভাষাতাত্ত্বিকসকলে মত প্রকাশ কৰে।

ষ্ট'ইকসকলৰ পৰৱৰ্তী আলেকজেন্দ্রীয়সকলে গ্রীচৰ ভাষা-চিন্তাত নতুন মাত্রা প্রদান কৰে। ষ্ট'ইকসকলৰ দার্শনিক চিন্তা-চর্চাৰ বিপৰীতে আলেকজেন্দ্রীয়সকলে সাহিত্যিক দৃষ্টিকোণৰ পৰা ভাষাৰ বিশ্লেষণত গুৰুত্ব প্রদান কৰে। সাহিত্য সমালোচনা আৰু তাৰ পাঠ (text) ৰ ভাষাগত অধ্যয়নেই আছিল— আলেকজেন্দ্রীয় ধাৰাৰ মূল উদ্দেশ্য। এৰিষ্টাৰকাছ (Aristarchuse) ক হোমাৰীয় মহাকাব্যৰ বিজ্ঞানসন্মত অধ্যয়নৰ প্রতিষ্ঠাপক ৰূপে অভিহিত কৰা হয়। এই ধাৰাৰ ভাষা চিন্তালৈ সবাতোকৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা ব্যক্তিগৰাকী হ'ল ডায়'নিছিয়াছ থ্রাক্স (Dionysius Thrax, ১৭০-৯০ খ্রীঃপূঃ) থ্রাক্সে 'টেক্‌নো গ্রামাটিকা' Tekne Grammatike) নামৰ ব্যাকৰণ ৰচনা কৰি গ্রীক ভাষা-চিন্তাক পোন প্রথম পদ্ধতিগত ৰূপ প্রদান কৰে। এই ব্যাকৰণখন গ্রীচত প্রায় এহেজাৰ বছৰৰো অধিক কাল সর্বমান্য ৰূপে চলিছিল। থ্রাক্সৰ মতে, ব্যাকৰণ হ'ল 'সাহিত্যৰ ভাষাৰ সূক্ষ্ম পর্যবেক্ষণ'। সেই কাৰণে তেওঁৰ ব্যাকৰণখনত শুদ্ধ উচ্চাৰণ, শব্দ আৰু তাৰ বুৎপত্তিৰ বিচাৰ, সাদৃশ্যৰ আৰিষ্কাৰ, প্রধান কাব্যিক গূঢ়োক্তি সম্পর্কে গুৰুত্ব দিয়া হৈছিল। তেওঁ শব্দক বাক্যৰ ক্ষুদ্রতম উপাদান আৰু বাক্যক স্বয়ংসম্পূর্ণ চিন্তাৰূপে গণ্য কৰিছিল। থ্রাক্সে পদক আঠ প্রকাৰে শ্রেণীবিভাগ কৰিছিল আৰু পৰৱৰ্তী কালত তেওঁৰ আর্হিতে গ্রীক প্রথাগত ব্যাকৰণসমূহেও আঠ প্রকাৰ পদ বিভাজন কৰিছিল। থ্রাক্সে গ্রীক ভাষাৰ বর্ণ সম্পর্কেও আলোচনা কৰিছিল। তেওঁ গ্রীক ভাষাৰ সাতটা স্বৰধ্বনি আৰু সোতৰটা ব্যঞ্জনধ্বনিৰে মুঠ চৌব্বিশটা বর্ণৰ কথা উল্লেখ কৰিছিল। থ্রাক্সৰ চিন্তাত এৰিষ্টটলৰ ভাষা-চিন্তাৰ অনুৰণন দেখিবলৈ পোৱা গ'লেও নিজস্ব চিন্তাৰে গ্রীক ব্যাকৰণ চর্চাক উচ্চ পর্যায়লৈ তুলি ধৰিলে।

খ্রীষ্টীয় দ্বিতীয় শতিকালৈকে গ্রীচৰ ভাষা-চিন্তা মূলতে থ্রাক্সৰ অনুসৰণতে চলি আছিল। কিন্তু ইয়াৰ মাজতে এপ'লনিয়াছ ডাইক'লাছ (Apollonius Dyscolus, খ্রীঃ দ্বিতীয় শতিকা) আৰু ওওঁৰ পুত্র হেৰ'ডিয়াছেও (Herodianus) গ্রীক ভাষাৰ

অধ্যয়নত প্রভূত বৰঙণি যোগায়। এওঁলোক দুজনে গ্রীক বাক্যতত্ত্বৰ পোন প্রথম পদ্ধতিগত বিশ্লেষণ আগবঢ়ায়। এনেবোৰ দিশৰ প্রতি লক্ষ্য ৰাখি খ্রীষ্টপূর্ব দ্বিতীয় শতিকাৰ পৰা খ্রীষ্টীয় দ্বিতীয় শতিকা পর্যন্ত আলেকজেন্দ্রীয় ব্যাকৰণবিদৰ গোষ্ঠীয়ে চর্চা কৰা ব্যাকৰণ ধাৰাক 'গ্রীক ব্যাকৰণৰ সোণালী যুগ' বুলি ভাষাৰ ইতিহাসকাৰসকলে অভিহিত কৰিছে।

প্লেটোৰ পৰা হে'ৰিডিয়ানছ পর্যন্ত এই সময়চোৱাৰ গ্রীক ভাষা-চিন্তা আছিল সম্পূর্ণ ৰূপে লিখিত ভাষাৰ ওপৰত আধাৰিত। গ্রীক 'গ্রামাটিকা' (Grammatike) অভিধাই ব্যুৎপত্তিগতভাৱে 'লেখন-কলা' (The art of writing) বুজোৱাটোৱে ইয়াৰ প্রমাণ। ধ্বনিগত দিশতকৈ ৰূপতত্ত্ব আৰু শব্দ ব্যুৎপত্তিৰ দিশৰ প্রতিহে এই ব্যাকৰণবিদসকল অধিক আগ্রহী আছিল। ফলত ভাষাৰ আলোচনাত প্রায়োগিক শুদ্ধতা আৰু শৈলীগত নৈপুণ্যৰ প্রতি অধিক দৃষ্টি ৰাখিছিল। যি যি কি নহওক, গ্রীকসকলে যি ব্যাকৰণ চর্চাৰ পাতনি মেলিছিল, সিয়ে পৰৱর্তী দুহেজাৰ বছৰ কালৰ ইউৰোপৰ ব্যাকৰণ চর্চাত প্রেৰণা যোগাইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গ্রীচত ভাষা চিন্তাৰ ক্রমবিকাশ সম্পর্কে চমুকৈ লিখক।

.....

৩.৪.৩ ৰোমানীয়

খ্রীষ্টপূর্ব প্রথম শতিকাত গ্রীচ দেশ ৰোমৰ শাসন ব্যৱস্থাৰ অন্তর্গত হয়। ফলত পৰৱর্তী দুশ বছৰমানৰ ভিতৰত গ্রীক ব্যাকৰণ চর্চা লাহে লাহে কমি আহি নাইকীয়া হৈ পৰিল। কিন্তু ইয়াৰ সমান্তৰালভাৱে গ্রীক ব্যাকৰণৰ আদর্শত ৰোমানসকলৰ ভাষা প্রাচীন লেটিনৰ ব্যাকৰণ প্রণয়নৰ প্রতি আগ্রহী হৈ উঠা পৰিলক্ষিত হয়। ফলস্বৰূপে খ্রীঃপূঃ তৃতীয় শতিকাৰ পৰা গ্রীক ব্যাকৰণৰ আর্হিত লেটিন ভাষাৰ ব্যাকৰণ প্রণয়নৰ কাম আৰম্ভ হয়। ৰোমান ধাৰাৰ প্রথমগৰাকী ব্যাকৰণবিদ হ'ল— মার্কাছ টেৰেন্টিয়াছ ভাৰ্ৰো (Marcus Terentius Varro, খ্রীঃপূঃ ১১৬-২৭)। তেওঁৰ চাব্বিশটা খণ্ডযুক্ত 'দ্য লিংগুৱা লেটিনা' (De Lingua Latina) নামৰ ব্যাকৰণখনতে প্রথম শব্দ ব্যুৎপত্তি, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব- এই তিনিটা শিতানত ভগাই লেটিন ব্যাকৰণ ৰচনা কৰিছিল। ব্যাকৰণখনত গ্রীক আৰু লেটিন ভাষাৰ পার্থক্যও কিছু পৰিমাণে আলোচনা কৰা হৈছে। ভাৰ্ৰোৰ পাছত যথাক্রমে চিচেৰ' (Cicero, খ্রীঃপূঃ ১০৬-৪৩), কুইণ্টিলিয়াছ (Quintilias, খ্রীঃ প্রথম শতিকা),

এলিয়াছ ড'নাটাছ (Aelius Donatus,খ্রীঃ ৪র্থ শতিকা), প্রিশ্চিয়ান (Priscian,খ্রীঃ ৫ম-৬ষ্ঠ শতিকা) আদি কেইগৰাকীমান ৰোমান পণ্ডিতে লেটিন ভাষাৰ আলোচনাত মনোনিৱেশ কৰিছিল। সেইসকলৰ ভিতৰত প্রিশ্চিয়ানৰ 'ইনষ্টিটিউশ্যনছ গ্রামাটিকা' (Insitiutiones Grammatica) সমগ্র মধ্যযুগ জুৰি লেটিন ভাষা-শিক্ষাৰ উপযোগী গ্রন্থ ৰূপে বিবেচিত হৈছিল।

এনেদৰে দেখা যায় যে, ৰোমানসকলৰ মাজতো ব্যাকৰণ চর্চাৰ প্রভাৰ অতি ব্যাপক আৰু গভীৰ আছিল। আনকি ৰোমৰ সম্রাট জুলিয়াছ ছিজাৰেও (খ্রীঃপূঃ ১০০-৪৪) সামৰিক অভিযানৰ মাজে মাজে পোৱা আজৰি সময়ত ব্যাকৰণ সম্পর্কীয় লেখা-মেলা কৰাৰ জনশ্রুতি প্রচলিত আছে। সি যি কি নহওক, ৰোমান ধাৰাৰ ধ্রুপদী যুগটোৰ ভাষা-চিন্তা পূর্বৱর্তী গ্রীক ব্যাকৰণ চিন্তাৰ ওচৰত ধৰুৱা বুলিব পাৰি। সেয়ে হ'লেও সামগ্রিক বিচাৰত লেটিন ব্যাকৰণৰ মূল বিশেষত্ব হ'ল, ভাষাৰ বৈয়াকৰণিক বিৱৰণৰ এক সুনির্দিষ্ট আর্হিৰ উদ্ভাৱন আৰু এই আর্হি পৰৱর্তী মধ্যযুগ অতিক্রমি নৱজাগৰণ পর্যন্ত পঢ়াশলীয়া ভাষা শিক্ষাৰ মূল আহিলা স্বৰূপে পৰিগণিত হৈছিল। ফলত ব্যাকৰণ 'ভাষা শুদ্ধকৈ ক'ব আৰু লিখাৰ কৌশল সম্বলিত পুথিও পর্যবসতি কৰে।

পাশ্চাত্য দেশত গ্রীকসকলৰ পূর্ব ভাষাৰ ব্যাকৰণগত চিন্তা চর্চাৰ যৎসামান্য পৰিচয় পোৱা যায় বেবিলনীয়সকলৰ মাজত। খ্রীঃপূঃ শতিকাৰ আশে পাশে কুণিফর্ম লিপিত ৰচিত চুমেৰীয় ভাষাৰ সর্বনাম, ক্রিয়া আৰু শব্দৰ অন্যান্য শ্রেণীৰ ৰূপ সাধনৰ সৈতে আক্কাডীয় বা বেবিলনীয় ভাষাৰ তদনুৰূপ শব্দমালাৰ উল্লেখ তাৰ সাক্ষ্য বহন কৰে। ইয়াৰ উপৰি, ধর্মগ্রন্থ বাইবেলত এক ভাষাৰ পৰা বহু ভাষাৰ উৎপত্তিৰ উল্লেখ পোৱা যায়। এনে উল্লেখে পাশ্চাত্যৰ সমাজ, ভাষাৰ পৰিবর্তন সম্বন্ধে অতীতৰে পৰা সজাগ আছিল বুলি ধাৰণা দিয়ে। সি যি কি নহওক, তত্ত্বগতভাৱে কিন্তু বেবিলনীয়সকলৰ ব্যাকৰণ শাস্ত্রৰ উদ্ভাৰক ৰূপে স্বীকৃতি নহ'ল; ইয়াৰ কৃতিত্ত্বৰ অধিকাৰী হ'ল গ্রীকসকলহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ৰোমৰ ভাষা চিন্তাৰ এটি চমু পৰিচয় দাঙি ধৰক।

.....

৩.৫ মধ্য যুগ

ইউৰোপীয় ইতিহাসত ৰোমান সাম্রাজ্যৰ পতনৰ পৰা নৱজাগৰণৰ উন্মেষলৈকে অর্থাৎ

খ্ৰীঃষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ চতুৰ্দশ শতিকালৈ এই সময়ছোৱাক মধ্য যুগ হিচাপে ধৰা হয়। এই যুগৰ শিক্ষা ব্যৱস্থা আছিল 'সপ্তকাল'ৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰে ব্যাকৰণ, তৰ্কবিদ্যা আৰু অলংকাৰ-শাস্ত্ৰক 'ত্ৰিপন্থা' আৰু সঙ্গীত, অঙ্কশাস্ত্ৰ, জ্যামিতি আৰু জ্যোতিৰ্বিদ্যাক 'চতুষ্পন্থা' বোলা হৈছিল। কিন্তু এই সকলোৰে ভিতৰত ব্যাকৰণ শাস্ত্ৰৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল। ইতিমধ্যে লেটিন ভাষা লাহে লাহে ৰোমান ভাষালৈ পৰিবৰ্তন হোৱাত ধ্ৰুপদী লেটিনৰ বিশুদ্ধতাৰ ধাৰণা আৰু পূৰ্বতকৈ দৃঢ় হয়; যাৰ ফলত ব্যাকৰণ ৰচনাৰ প্ৰকৃতিও সলনি হৈ ই প্ৰাচনী ভাষাটোৰ ধৰা বন্ধা কেতবোৰ নিয়মৰ সমষ্টিলৈ পৰ্যবসিত হয়। মধ্যযুগত ব্যাকৰণৰ টীকা ভাষ্য ৰচনাৰ পয়োভৰো পৰিলক্ষিত হয়। মধ্যযুগৰ প্ৰথম ভাগটো অৰ্থাৎ খ্ৰীঃ ষষ্ঠ শতিকাৰ আৰম্ভণিৰ পৰা খ্ৰীঃ দ্বাদশ শতিকাৰ আগভাগলৈ ইউৰোপীয় ইতিহাসত 'অন্ধকাৰ যুগ' হিচাপে চিহ্নিত কৰা হয় যদিও তাৰ মাজতো যি অলপ-অচৰপ ভাষা সম্পৰ্কীয় চিন্তা চৰ্চা হৈছিল তাৰ ভিতৰত খ্ৰীঃ সপ্তম শতিকাৰ বেডে (Bede), খ্ৰীঃ অষ্টম শতিকাৰ এলচুইন (Alcuin) আৰু খ্ৰীঃ দশম শতিকাৰ এইলফ্ৰিচ (Alfric) নামৰ তিনিগৰাকী ভাষাতাত্ত্বিকৰ ব্যাকৰণকেইখন উল্লেখযোগ্য হিচাপে বিবেচিত হৈছে।

মধ্যযুগৰ দ্বিতীয় ভাগত, অৰ্থাৎ একাদশ খ্ৰীঃৰ পৰা নৱজাগৰণলৈকে প্ৰান্তীয় ভাষাসমূহৰ ব্যাকৰণ ৰচনাৰ প্ৰতি ব্যাকৰণবিদসকল আগ্ৰহী হৈ পৰে। খ্ৰীঃ দ্বাদশ শতিকাত আইচলেণ্ডীয় আৰু খ্ৰীঃ ত্ৰয়োদশ শতিকাত ওৱেলচ ভাষাৰ ব্যাকৰণ ৰচিত হৈছিল।

খ্ৰীঃ ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা ইউৰোপত ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত এক নতুন চিন্তাৰ সূচনা হয়। এই সময়ত ফ্ৰান্সৰ পেৰিছ মহানগৰীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা 'স্পেকুলেটিভ গ্ৰামাৰ' (Speculative Grammar)ত ব্যাকৰণৰ অন্তৰ্গত বিভিন্ন বিষয়বোৰ দৰ্শন-বিদ্যাৰ আধাৰত ব্যাখ্যা কৰাৰ এক নতুন প্ৰচেষ্টা চলে। ম'ডিষ্টেই (Modistae) ত ৰূপে জনাজাত এই ব্যাকৰণ গোষ্ঠীটোৱে ক'ব খোজে যে 'ব্যাকৰণৰ আৱিস্কাৰক কোনো নহয়, বৰং দাৰ্শনিকসকলহে'। তেওঁলোকে বৈয়াকৰিণক নিয়মবোৰৰ সৰ্বশেষ ব্যাখ্যাৰ বাবে দৰ্শন বিদ্যাক আধাৰ হিচাপে গ্ৰহণ কৰে। ম'ডিষ্টেই ধাৰাৰ ভাষাতাত্ত্বিকসকলৰ মতে, শব্দই প্ৰত্যক্ষভাৱে কোনো বাস্তৱ প্ৰকৃতি সূচিত নকৰে, বৰং বিভিন্ন প্ৰকাৰৰ 'ধৰণ'হে (Modes) সূচিত কৰে। ভাষা একোটাৰ বাক্য বিশেষত ব্যৱহৃত পদসমূহৰ তিনি খলপীয়া ধৰণ থাকিব পাৰে। সেইবোৰ হ'ল যথাক্ৰমে বস্তুৰ স্বাধীন অৱস্থিতি, অন্তৰ্নিহিত বোধ আৰু সূচনা। এই তিনিওটা তৰপে বাস্তৱক বেলেগ বেলেগ ৰূপত প্ৰতিনিধিত্ব কৰে। সেইবাবেই বাক্যত ব্যৱহৃত উপাদানবোৰৰ পৰস্পৰ নিৰ্ভৰশীল আৰু বাক্যৰ গঠনত নিজ নিজ ভূমিকা সূচাৰু ৰূপে পালন কৰে। 'সূচনাৰ ধৰণ' সম্পৰ্কীয় বিশ্লেষণ প্ৰতিষ্ঠা কৰা বাবে এই ধাৰাৰ ভাষা-চিন্তাক 'ম'ডিষ্টেই' ৰূপে নামকৰণ কৰা হৈছে। এই ধাৰাৰ প্ৰতিষ্ঠাপক হ'ল ডেচিয়াৰ মাৰ্টিন (Martin of Decia) আৰু তেওঁৰ সহযোগী এৰফুৰ্টৰ থমাছ (Thomas of Erfurt)- ৰ দ্বাৰা ১৩১০ খ্ৰীঃত ৰচিত 'গ্ৰামাটিকা স্পেকুলেটিভা' (Grammatica Speculativa) এই ধাৰাৰ সৰ্বোত্তম নিদৰ্শন।

এইখিনি সময়তে 'সর্বভাষিক' বা 'সার্বজনীন ব্যাকৰণ' (Universal Grammar) ৰচনাৰ প্রতি ভাষাতাত্ত্বিকসকলে বিশেষ মনোনিবেশ কৰা পৰিলক্ষিত হয়। ৰ'জাৰ বেকন এই ধাৰাৰ প্রৱর্তক। বেকনৰ মতে বহিঃ গঠনৰ ফালৰ পৰা প্রতিটো ভাষা ভিন্ন হ'লেও, আভ্যন্তৰীণ নিয়মৰ ক্ষেত্রত সকলো ভাষা নিয়ম প্রণালীসমূহ একেই। ইয়াৰ ফলশ্রুতিত ধ্রুপদী লেটিন ভাষাক আধাৰ স্বৰূপে লৈ সাধাৰণ ব্যাকৰণ প্রণয়ন কৰাৰ প্রথা আৰম্ভ হয়। আনকি লেটিন মূলৰ নোহোৱা ভাষাৰ ক্ষেত্রতো লেটিন ভাষাৰ নিয়ম খটুৱাই ব্যাকৰণ ৰচনাৰ প্রয়াস আৰম্ভ হয়। ফলত ভাষাৰ স্বকীয় বৈশিষ্ট্য উদঘাটনৰ প্রয়াস নোহোৱা হৈ ব্যাকৰণ ভাষাৰ ভূল-শুদ্ধ নিৰূপণৰ আহিলাত পৰিণত হয়। ন'কলেও হয় যে এই সময়ত ৰচিত বেছিভাগ ব্যাকৰণেই নিদানমূলক বা নির্দেশাত্মক আছিল।

মধ্যযুগত শব্দকোষ-প্রণয়ন আৰু অনুবাদ কার্যয়ো বিশেষ গুৰুত্ব লাভ কৰে। কোৰাণক কেন্দ্র কৰি আৰবী ভাষাৰ বিশ্লেষণো এই সময়ৰ ভাষা-চিন্তাৰ আন এক ফচল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভাষা-চর্চাৰ ইতিহাসত মধ্যযুগটোৰ গুৰুত্ব বা স্থান সম্পর্কে চমুকৈ লিখক।

.....

৩.৬ নৱজাগৰণৰ যুগ

মধ্যযুগ আৰু আধুনিক যুগৰ মাজৰ সময়খিনি অর্থাৎ খ্রীঃ চতুদর্শ-ষোড়শ শতিকাত ইউৰোপত আৰম্ভ হোৱা ৰেনেছাঁ বা নৱজাগৰণে ভাষা অধ্যয়নৰ ক্ষেত্রখনকো বিশেষভাৱে প্রভাৱান্বিত কৰে। মধ্যযুগত ভাষা বুলিলে গ্রন্থাবদ্ধ লেটিল ভাষাক বুজাইছিল। নৱজাগৰণে এনে সংকীর্ণতা আঁতৰাই প্রান্তীয় ভাষাসমূহকো সমান মর্যাদা প্রদান কৰে। এইচোৱা সময়তে সুদুৰ প্রাচ্যলৈ অহা মিছনেৰীসকলে বিপুল পৰিমাণৰ ভাষাতাত্ত্বিক সম্ভাৰ ইউৰোপলৈ সৰবৰাহ কৰে। ভাষাতত্ত্বৰ চৈনিক ধাৰাৰ আৱিস্কাৰ, আৰবী আৰু হিব্রু ভাষাৰ অধ্যয়নৰ ক্ষেত্রত হোৱা প্রগতি আদি এই যুগৰ উল্লেখযোগ্য ভাষাতাত্ত্বিক অৱিহণা। ভালোমান ভাষাত অভিধান প্রণয়নৰ বৃহৎ আঁচনি লোৱা হয়। ইতিমধ্যে ছপাযন্ত্রৰ আৱিস্কাৰে ভাষা চর্চাৰ পথ আৰু অধিক সুগম কৰি তোলে। তদুপৰি মুদ্রণ ব্যৱস্থাই ভাষাৰ সাধু ৰূপ বা মান্যৰূপ (Standerd from)- ৰ সৃষ্টিতো বিশেষ অৱিহণা যোগায়।

ইউৰোপীয় ভাষাবোৰৰ ভিতৰত ইটালী আৰু স্পেনীয় ভাষাৰ প্রথম ব্যাকৰণ প্রণয়ন হয় খ্রীঃ পঞ্চদশ শতিকাত। ইয়াৰ পিছত খ্রীঃ ষোড়শ শতিকাৰ আৰম্ভণিতে ফৰাচী, প'লীয় আৰু শ্লাৱীয় ভাষাৰ ব্যাকৰণ প্রণীত হয়। ইংৰাজী ভাষাৰ প্রথমখন ব্যাকৰণ প্রকাশ পায় ১৫৮৬ খ্রীঃত। সেইদৰে ৰোমান ভাষাবোৰৰ অধ্যয়নে পূর্বতকৈ অধিক প্রণালীবদ্ধ ৰূপ পায়। এই যুগৰ

ব্যাকৰণ চিন্তাত সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল ফৰাচী পণ্ডিতসকলে। পীয়েৰ ৰামী (Petrus Ramus) এই যুগৰ অগ্ৰণী ভাষা অধ্যেতা। তেওঁ শব্দ আৰু শব্দ-সাধন প্ৰক্ৰিয়াৰ বৰ্হিগঠন সম্পৰ্কে যি আলোচনা আগবঢ়াইছিল সেয়া পৰৱৰ্তী কালৰ আধুনিক ভাষাবিজ্ঞানৰ 'গঠনবাদী চিন্তা'ৰ (Structuralism) মূল আধাৰ হিচাপে পৰিগণিত হৈছে।

ভাষা অধ্যয়নে ক্ৰমাগতভাৱে আধুনিকতাৰ ফালে অগ্ৰগতি লাভ কৰাৰ সময়ত কেতবোৰ নতুন দাৰ্শনিক চিন্তাৰো উদ্‌গম ঘটে। অষ্টাদশ শতিকাত মানৱ জ্ঞানৰ উৎস সন্ধান ভিত্তিত জন্ম হোৱা 'যুক্তিবাদী' (Rationalists) আৰু 'অভিজ্ঞতাবাদী' (Empiricists) চিন্তাধাৰাই ভাষা অধ্যয়নতো বিশেষ প্ৰভাৱ পেলায়। ইতিমধ্যে সপ্তদশ-অষ্টাদশ শতিকাত যোগাযোগৰ বিশ্বজনীন মাধ্যম ৰূপে লেটিন ভাষা অপসাৰিত হোৱাত নতুনকৈ 'সাৰ্বজনীন ব্যাকৰণ' (Universal Grammar) প্ৰণয়নৰ ধাৰণা মূৰ দাঙি উঠে। এই ক্ষেত্ৰত ফ্ৰান্সৰ পৰ্ট ৰয়েল কনভেন্ট (The Port Royal Convent) ৰ প্ৰচেষ্টা বিশেষভাৱে লেখত ল'বলগীয়া। ইয়াৰ উপৰি, পূৰ্বৰে পৰা চলি অহা পৰম্পৰাগত ব্যাকৰণ ধাৰাই পঢ়াশালী পাঠ্যক্ৰমৰ মাধ্যমেৰে যথেষ্ট প্ৰসাৰতা লাভ কৰিছিল। ইয়াৰ পাছত ঊনবিংশ শতিকাৰ দুৱাৰদলিত ১৭৮৬ খ্ৰীঃত ছাৰ উইলিয়াম জ'নছে কলিকতাৰ ৰয়েল এছিয়াটিক ছ'চাইটিৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সংস্কৃত, গ্ৰীক আৰু লেটিনৰ সম্পৰ্ক দেখুৱাই এক লিখিত ভাষণ প্ৰদান কৰে আৰু পৰৱৰ্তী সময়ত তাৰ আধাৰত ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়ন আৰম্ভ কৰে। ফলস্বৰূপে ভাষা-অধ্যয়নৰ গতিপথেও নতুন মোৰ সলাই 'ভাষাতত্ত্ব'ৰ জগতত প্ৰৱেশ কৰে।

৩.৭ আধুনিক যুগ

৩.৭.১ ঐতিহাসিক

পাশ্চাত্য ইতিহাসত নৱজাগৰণ বা ৰেনেছাঁকে আধুনিক যুগৰ সূচনা কাল ৰূপে গণ্য কৰা হয় যদিও, ভাষা অধ্যয়নে অষ্টাদশ শতিকাৰ অন্তিম ভাগতহে পূৰ্বৰ পৰম্পৰা এৰি বিজ্ঞানসম্মত প্ৰকৃতি আহৰণৰ দ্বাৰা আধুনিক যুগত প্ৰৱেশ কৰে। ইউৰোপীয় পণ্ডিতৰ সংস্কৃত ভাষা আৰু ব্যাকৰণ পদ্ধতিৰ আৱিস্কাৰে পাশ্চাত্যৰ ভাষা চিন্তাক এক নতুন মাত্ৰা প্ৰদান কৰে। গ্ৰীক, লেটিন আদি ভাষাৰ উৎস আৰু সাদৃশ্যৰ সন্ধানৰ সৈতে সংস্কৃতৰ সংযোগে ভাষা অধ্যয়নৰ এটা নতুন ধাৰাৰ উন্মেষৰ পথ প্ৰশস্ত কৰি তোলে। প্ৰাচীন ভাষাসমূহৰ, বিশেষকৈ সাহিত্য-সম্পদেৰে চহকী প্ৰাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাক প্ৰাধান্য দি কৰা ভাষা অধ্যয়নক 'তুলনামূলক ভাষাতত্ত্ব' (Comparative Philogy) বা 'ঐতিহাসিক ভাষাতত্ত্ব' (Historical Languistics) অথবা 'ভাষাতত্ত্ব' (Philology) হিচাপে জনাজাত হয়। 'ভাষাতত্ত্ব' অভিধাটোৱে বিভিন্ন ভাষাৰ প্ৰাচীন সমলৰ ওপৰত ভিত্তি কৰি

তুলনামূলক বিচাৰ, পাৰস্পৰিক সম্পৰ্ক, অতীত ইতিহাস, মূল নিৰূপণ আৰু কালক্রমিক পৰিৱৰ্তন আদিৰ আলোচনাক সামলি লোৱা হয়। আগৰ দফাটোতেই উল্লেখ কৰা হৈছিল যে ১৭৮৬ খ্ৰীঃত ছাৰ উইলিয়াম জ'নছ (Sir Willam Jones)-এ কলিকতাৰ 'ৰয়েল এছিয়াটিক ছ'চাইটিৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সংস্কৃত, গ্ৰীক আৰু লেটিনৰ সম্পৰ্ক দেখুৱাই যি লিখিত ভাষা প্ৰদান কৰিছিল, তাৰ আধাৰত ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়ন আৰম্ভ হয়। জ'নছৰ চিন্তাক জাৰ্মান পণ্ডিতসকলে বিস্তৃত ৰূপ প্ৰদান কৰে আৰু সংস্কৃত-গ্ৰীক-লেটিন-কেল্টীয়-গোথীয় আদি ভাষাৰ তুলনামূলক অধ্যয়নৰ যোগেদি ইবিলাকৰ মূল যে একে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী সেয়া প্ৰতিপন্ন হয়। এই ধাৰাৰ ভাষা বিশ্লেষণ পদ্ধতিৰ ঘাই বৈশিষ্ট্য হ'ল আলোচ্য ভাষাবোৰৰ শব্দ আৰু তাৰ সৈতে জড়িত ধ্বনিৰ আধাৰত সিবোৰৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্য, অতীত, ইতিহাস, পৰিৱৰ্তনৰ প্ৰকৃতি আৰু মূল উৎসৰ সন্ধান কৰা।

ঊনবিংশ শতিকাৰ প্ৰথম ভাগত এই ধাৰাৰ ভাষা বিশ্লেষণ তুলনামূলক অধ্যয়নৰ মাজত সীমাবদ্ধ আছিল। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল ফ্ৰিয়েড্ৰিখ ভন শ্লেগেল (Friderich von Schlegel) অগষ্ট ভন শ্লেগেল (August von Schegel), ৰাছমাছ ক্ৰিষ্টিয়ান ৰাস্ক (Rasmus Kristian Rask), উইলহেম ভন হামব'ল্ট (Wilhem von Humboldt), জেকব গ্ৰিম (Jacob Grimm), ফেন্‌জ বোৱাজ (Franz Bopp), অগষ্ট শ্লেইছাৰ (August Scheicher) আদি পণ্ডিতে। সেই একেই শতিকাৰ দ্বিতীয়াৰ্ধৰ তুলনামূলক অধ্যয়নৰ পৰিসীমা এৰি ই ঐতিহাসিক অধ্যয়নলৈ প্ৰসাৰিত হয়। পূৰ্বোক্ত ৰাস্ক, ব'প আৰু গ্ৰিমক ঐতিহাসিক ধাৰাৰ প্ৰতিষ্ঠাপক আখ্যা দিয়া হয়। ৰাস্ক প্ৰাচীন নৰ্ছ আৰু প্ৰাচীন ইংৰাজী ভাষাৰ পদ্ধতিগত ব্যাকৰণবো জন্মদাতা। আনহাতে গ্ৰীমে ডাট্‌ছ গ্ৰামাটিক নামৰ ব্যাকৰণখনৰ দ্বাৰা জাৰ্মান ভাষাত ভাষাতত্ত্বৰ আৰম্ভণি ঘটায়। বৰ্তমান ভাষা অধ্যয়নত সমগ্ৰ বিশ্বজুৰি স্বীকৃতি কেতবোৰ পৰিভাষা আৰু গ্ৰীমৰ ধ্বনিসূত্ৰ নামেৰে জনাজাত ইণ্ডো-ইউৰোপীয় ভাষাৰ ধ্বনিসূত্ৰবো প্ৰতিষ্ঠাতা তেৱেঁই। ১৮৬১ চনত অগষ্ট শ্লেইচাৰৰ (১৮২১-১৮৬৮ খ্ৰীঃ) 'ক'ম্পেডিয়াম অৰ দ্য কম্পাৰেটিভ গ্ৰামাৰ অৰ ইণ্ডো-জাৰ্মানিক লেঙ্গুৱেজজ' (Compedium of the Comparative Grammar of the Indogermanic Languages), ১৮৮৬ চনত কাৰ্ল ব্ৰুগমেন (Karl Brugmann) আৰু বেৰথল্ড ডেলব্ৰুক (Berthhold Delbruck) এ ৰচনা কৰা 'আউটলাইন অৰ দ্য কম্পাৰেটিভ গ্ৰামাৰ অৰ দ্য ইণ্ডো ইউৰোপীয়ান লেঙ্গুৱেজজ' Outline of the Comparatice Grammar) আদি ঐতিহাসিক ধাৰাৰ উল্লেখযোগ্য সৃষ্টি। এইটো ধাৰালৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা আনকেইগৰাকী উল্লেখযোগ্য পণ্ডিত হ'ল-ফ্ৰেডৰিখ ডিয়েজ (Friedrich Diez) , জ'হান কাছপাৰ জিউছ (Johann Kaspar

Zeuss), হাৰমান অ'ছথ'ফ (Herman Osthoff], হাৰমান পল (Hermann paul), ইউলিয়াম ডুইট হুইটনী (William Dwight Whitney) আদি।

ঊনবিংশ শতিকাৰ ভাষা অধ্যয়নত স্বকীয় দৃষ্টিভংগীৰে ভাষাৰ আলোচনাত নতুনত্ব প্রদান কৰা ভাষাতত্ত্ববিদ গৰাকী হ'ল— ইউল্‌হেম ভন হামব'ল্ট (Wilhem Von Humboldt, ১৭৬৭-১৮৩৫ খ্রীঃ)। এওঁৰ ভাষা চিন্তা সম্পূর্ণ ৰূপে ইতিহাস আশ্রিত আছিল যদিও পৰৱর্তী কালত বিকাশ লাভ কৰা ভাষাবিজ্ঞানৰ কেতবোৰ ধাৰণা যেনে— সমকালিক (Syncronic), ক্রমকালিক (Diachronic) আদিকে ধৰি সাধাৰণ ভাষাবিজ্ঞানৰ বহুতো চিন্তাৰ বীজ তেওঁৰ আলোচনাৰ মাজত বিচাৰি পোৱা যায়।

ঊনবিংশ শতিকাৰ শেষৰফালে তুলনামূলক ঐতিহাসিক অধ্যয়নৰ বস্তুনিষ্ঠ ব্যাখ্যাৰে এক নতুন ভাষা অধ্যয়ন প্রক্রিয়াৰ উদ্ভৱ হয়। আগষ্ট শ্লেইছাৰে এই ধাৰাৰ প্রবক্তাসকলক 'নব্য বৈয়াকৰণ' আখ্যা দিছে। এইচ্‌ ষ্টেইনথ'ল (K.Stinthol,১৮২৮-১৮৯৯ খ্রীঃ) হ'ল এই ধাৰাৰ প্রৱর্তক। এওঁলোকৰ মতে ভাষাৰ ধ্বনি-পৰিবর্তন এক যান্ত্রিক প্রক্রিয়াৰ পৰিণতি আৰু ই নির্দিষ্ট নিয়মৰ অধীন। ইয়াৰ কোনো ব্যতিক্রম থাকিব নোৱাৰে। সাদৃশ্যজনিত শব্দ, ঋণকৃত শব্দ আৰু বৈয়াকৰণিক ৰূপৰ বাহিৰে উপভাষা একোটাৰ অন্তর্গত একে ধ্বনিৰ একে পৰিবেশত, নির্দিষ্ট সময়ত একে ধৰণৰ পৰিবর্তন হয়। ভাষাৰ ধ্বনি পৰিবর্তনৰ এই নতুন ব্যাখ্যাই জেক'ব গ্রীম আৰু তেওঁৰ অনুগামীসকলৰ দ্বাৰা আৱিস্কৃত ধ্বনি নিয়মৰ ব্যতিক্রমবোৰৰ দূৰীকৰণত সহায় কৰাৰ উপৰি প্রণালীবদ্ধ অধ্যয়নৰ প্রতি সজাগ হ'বলৈকো অনুপ্রেৰণা যোগায়।

'নব্য ব্যাকৰণ' ধাৰাৰ উল্লেখযোগ্য চিন্তাবিদসকল হৈছে কার্ল ব্রুগমেন (Karl Brugmann), হার্মান পল Hermann Paul), বি, ডেলব্রুক (B.Delbruck), জুলিয়াছ জ'লি (Julious Jolly), অ' শ্রেদাৰ (O.Shreder), পিটাৰ গিল্‌ছ (Piter Gills), জে.ৰাইট (J.Wright), এ মিলেট (A.Millet) আদি। আধুনিক বর্ণনাত্মক ভাষা অধ্যয়নৰ আমেৰিকীয় ধাৰাটোৰ প্রতিষ্ঠাত ফ্রেন্‌জ বোৱাজ, এডোৱার্ড ছাপিৰ আৰু লিওনার্ড ব্লুমফিল্ড আদি 'নব্য ব্যাকৰণ' ধাৰাৰে অনুগামী আছিল।

যি কি নহওক, অষ্টাদশ শতিকাৰ শেষ ভাগৰ পৰা বিংশ প্রাৰম্ভলৈকে পাশ্চাত্য জগতত হোৱা ভাষা অধ্যয়নক 'ভাষাতত্ত্ব' (Philology) নামেৰে বুজোৱা হয়। ইতিমধ্যে ফ্রান্সত ভাষা অধ্যয়ন বুজাবলৈ লেটিন Lingua আৰু Istique শব্দৰ সমাহাৰত সৃষ্টি হোৱা Linguistics অভিধাৰ প্রচলন হয়। ফলত ঊনবিংশ শতিকাৰ ভাষা-চিন্তাক Historical Linguistics নামেৰে নামকৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ 'ভাষাতত্ত্ব' অভিধাটোৱে কোনবোৰ দিশ সামৰি লয়? এই ধাৰাৰ এটি পৰিচয় দিয়ক।

.....

৩.৭.২ বর্ণনামূলক ধাৰা

কোনো ভাষাৰ ইতিহাস নির্ণয় অথবা সেই ভাষাৰ সৈতে অন্য ভাষাৰ তুলনা কৰাৰ পূর্বে আলোচ্য ভাষা বা ভাষাবোৰৰ যুগ সাপেক্ষে ৰূপবোৰৰ গাঁথনিক বিশেষত্বসমূহ উদ্‌ঘাটন কৰি লোৱাটো প্রয়োজনীয়। ঊনবিংশ শতিকাৰ তুলনামূলক বা ঐতিহাসিক ভাষাতত্ত্ববিদসকলে আলোচ্য ভাষাৰ গাঁথনিক ৰূপবোৰ সাহিত্যৰ ভাষাৰ পৰা আহৰণ কৰি লৈছিল। বিংশ শতিকাৰ আৰম্ভণিতে ইউৰোপ আৰু আমেৰিকাত মানুহৰ মুখৰ স্বাভাৱিক কথ্য ভাষাৰ বিৱৰণৰ প্রতি আগ্রহ দেখুৱাই ভাষাতাত্ত্বিকসকলে ভাষা বিশ্লেষণত নতুন দিগন্তৰ সূচনা কৰে। মানুহৰ মুখৰ স্বাভাৱিক কথ্য ভাষাৰ বিৱৰণৰ দ্বাৰা ভাষা বিশ্লেষণৰ দুটা ধাৰা ইউৰোপ আৰু আমেৰিকাত সুকীয়া সুকীয়াকৈ গঢ় লৈ উঠে। ইয়াৰে ইউৰোপীয় ধাৰাটোৱে প্রৱর্তক হ'ল ছুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফার্ডিনাণ্ড দ্য চ্যচুৰ (Ferdinand de Saussure, ১৮৫৭-১৯১৩ খ্রীঃ) আৰু আমেৰিকান ধাৰাটোৰ প্রৱর্তক হ'ল নৃতত্ত্ববিদ ফ্রেন্‌জ বোৱাজ (Frenz Boaz, ১৮৫৮-১৯৪২)

চ্যচুৰে ভাষা সম্পর্কীয় কেতবোৰ মৌলিক চিন্তা আগবঢ়াই ভাষা বিশ্লেষণ প্রক্রিয়াক এক স্বতন্ত্র শ্রেণীৰ বিজ্ঞানৰূপে প্রতিষ্ঠা কৰিবলৈ সক্ষম হয়। চ্যচুৰে জেনেভা বিশ্ববিদ্যালয়ত সাধাৰণ ভাষাবিজ্ঞানৰ অধ্যাপক হৈ থকা সময়ত (১৯০৭-১৯১১) তেওঁ প্রদান কৰা বক্তৃতাসমূহৰ যি টোকা তেওঁৰ ছাত্র-ছাত্রীসকলে লিখি ৰাখিছিল সেইবোৰ গোটাই মেলি তেওঁৰ অকাল মৃত্যু (১৯১৩)-ৰ পাছত দুগৰাকী প্রাক্তন ছাত্র ক্রমে চার্লচ বেলী (Charles Bally) আৰু এলবার্ট চেচেহায়ে (Albert Sechehaye)-ৰ দ্বাৰা সংকলিত হৈ ১৯১৬ চনত প্রকাশ পোৱা Course de Linguistique Generale (ইংৰাজী নাম (Course in General Linguistics) নামৰ গ্রন্থখনৰ মাজেৰে তেওঁৰ ভাষা সম্পর্কীয় মৌলিক ধ্যান ধাৰণাবোৰ পোহৰলৈ আহে। এই গ্রন্থৰ প্রকাশে কুৰি শতিকাৰ 'সাধাৰণ' আৰু 'গঠনমূলক ভাষাবিজ্ঞান' (Structural Linguistics) চর্চাৰ দুৱাৰ মুকলি কৰে। ইউৰোপ আৰু আমেৰিকা দুয়োখন মহাদেশৰ ভাষাবিদ পণ্ডিতসকলে চ্যচুৰৰ ভাষা অধ্যয়নৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হয়। পৰৱর্তী কালৰ আমেৰিকাৰ বিখ্যাত ভাষাবিজ্ঞানী লিওনার্ড ব্লুমফিল্ডে অকপটে স্বীকাৰ কৰিছে যে, চ্যচুৰৰ ভাষা অধ্যয়নে আধুনিক

ভাষাবিজ্ঞানৰ চৰ্চাৰ এক তাত্ত্বিক ভিত্তি প্ৰদান কৰিলে। সংকেতৰ ওপৰত গুৰুত্ব প্ৰদান, ভাষাত সূচক আৰু সূচিতৰ স্থান, লেখন আৰু কথন, ভাষা (Language) আৰু উক্তি (Speech), ধ্বনি পৰিৱৰ্তন, কথন আৰু উক্তিত এককসমূহৰ অন্বয়ী আৰু সহযোগী সম্পৰ্ক, স্থিতিশীল আৰু বিৱৰ্তনমূলক ভাষাবিজ্ঞান, ভাষাৰ স্বৰূপ আৰু সত্তা, ভাষা, উপভাষা ইত্যাদি বিষয়বোৰৰ আলোচনাত চচ্যুৰৰ গভীৰ জ্ঞান আৰু অন্তৰ্দৃষ্টি প্ৰকাশ পাইছে। চচ্যুৰে বিশ্বাস কৰিছিল যে ভাষা এক সামাজিক পৰিঘটনা যাক স্থিতিশীল আৰু ক্ৰমবিকাশশীল এই দুয়োটা দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিব পাৰি। চচ্যুৰৰ ভাষা সূত্ৰ-চাৰিটা যুগ্ম বৈপৰীত্যৰ ওপৰত প্ৰতিষ্ঠিত। সেই কেইটা হ'ল ক্ৰমে এককালিক ক্ৰমবিলাক (Syncronic-Diachronic), ভাষা প্ৰণালী-ভাষা ব্যৱহাৰ (Langue-Parole) আৰু সহাবদ্ধ ক্ৰমাবদ্ধ আনুষাঙ্গিক সম্বন্ধ (Syntagmatic-paradigmatic/Associative)। তেওঁ Parole (ব্যক্তিৰ বচন) আৰু Langue (ভাষা)ৰ যি ধাৰণাৰ সূচনা কৰিছিল পৰৱৰ্তী কালৰ ভাষাৰ অধ্যয়নৰ সি এক প্ৰধান আহিলা হৈ পৰে। চচ্যুৰৰ মতে ভাষা হ'ল যাদৃচ্ছিকভাৱে আৰোপিত এক সংকেত প্ৰণালী যিটো সংকেত বিজ্ঞান (Semiotics) নামৰ বিশেষ অধ্যয়নৰ বস্তু হৈ পৰিল। ভাষাৰ এক সুবিন্যস্ত গাঠনি আছে যাৰ অংশবিলাকক সিহঁতৰ পাৰস্পৰিক সম্পৰ্কৰ যোগেদিহে বুজিব পাৰি। এই গঠনবাদৰ ধাৰণাই কেৱল ভাষাৰ ক্ষেত্ৰতে নহয়, সাহিত্যৰ ক্ষেত্ৰতো বিশেষভাৱে প্ৰভাৱিত কৰিলে। যুদ্ধোত্তৰ যুগৰ 'সংগঠনবাদ' (Structuralism), 'উত্তৰ সংগঠনবাদ' (Post-Structuralism), নিৰ্গঠনবাদ' (Deconstruction) আদি সাহিত্য সমালোচনাৰ 'বাদ' (ism) সমূহ চচ্যুৰ ভাষাবৈজ্ঞানিক অধ্যয়নৰ দ্বাৰা প্ৰচুৰভাৱে প্ৰভাৱিত। এনেবোৰ কাৰণতে ফার্ডিনাণ্ড দ্য চচ্যুৰক 'আধুনিক ভাষাবিজ্ঞানৰ পিতৃ' আখ্যা দিয়া হয়। সেইদৰে আমেৰিকান চিন্তা জগতত ফ্ৰেন্‌জ বোৱাজে ইণ্ডো-আমেৰিকীয় প্ৰজাতিসমূহৰ ভাষা সংস্কৃতিৰ অধ্যয়নৰ বাবে আগবাঢ়ি আহি ভাষা চিন্তাৰ এখন নতুন জগত আৱিস্কাৰ কৰে। ফ্ৰেন্‌জ বোৱাজৰ ভাষা সম্পৰ্কীয় চিন্তাক পৰৱৰ্তী কালত অধিক পদ্ধতিগতভাৱে বিচাৰ বিশ্লেষণ আগবঢ়ায়— এডোৱাৰ্ড ছাপিৰে (Edward Sapir)। ছাপিৰৰ সূত্ৰসমূহক আকৌ অধিক বিজ্ঞানসন্মত ৰূপত দাঙি ধৰে লিওনার্ড ব্লুমফিল্ডে (Leonard Bloomfild)। এনেদৰে আধুনিক ভাষাবিজ্ঞানৰ সূত্ৰপাত হৈ ই ক্ৰমে গাঠনিৰ ভাষাবিজ্ঞান (Strustural Linguistics) আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞান (Decriptive Linguistics) ৰূপে বিকাশ লাভ কৰে। এই কথা আগতেই উল্লেখ কৰা হৈছে যে ইউৰোপ আৰু আমেৰিকাত সুকীয়া সুকীয়াকৈ গঢ় লোৱা ভাষাবিজ্ঞানে পৰৱৰ্তী কালত সমন্বয় ঘটি বিশ্বত 'যথার্থ ভাষাবিজ্ঞানৰ ধাৰা'ৰ জন্ম হয়।

চচ্যুৰৰ ভাষা সম্পৰ্কীয় ধ্যান ধাৰণাৰ সমপৰ্যায়ৰ চিন্তাৰে আমেৰিকাত ফ্ৰেন্‌জ বোৱাজ'ৰ দ্বাৰা বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ A Handbook of American

Indian Language (১৯১১ খ্রীঃ)ত তেওঁৰ ভাষাবৈজ্ঞানিক ধ্যান-ধাৰণাসমূহ প্রকাশিত হৈছে। ইয়াৰ আঁত ধৰিয়েই ১৯২১ চনত এডোৱার্ড ছাপিৰে Languahe শীর্ষক গ্রন্থখন ৰচনা কৰে। লেওনার্ড ব্লুমফিল্ডে ১৯৩৩ চনত তেওঁৰ কীর্তিস্তম্ভ স্বৰূপ গ্রন্থ Language প্রকাশ কৰি এই ধাৰাটোক অধিক শক্তিশালী কৰি তোলে। ছাপিৰেই আধুনিক ভাষাবিজ্ঞান অধিক জনপ্রিয় আৰু জ্ঞানচর্চাৰ এক শাখা ৰূপে প্রতিষ্ঠা কৰে। এই ধাৰাৰ অন্যান্য চিন্তাবিদসকলৰ ভিতৰত এইচ. এ. গ্লীছন, চালর্ছ এফ. হকেট, মার্টিন জু, বর্ণার্ড ব্লখ, জর্জ ট্রেগাৰ, জেলিগ হেৰিছ আদিৰ নাম উল্লেখযোগ্য। লেওনার্ড ব্লুমফিল্ডৰ পৰৱর্তী কালত ৰচিত জেলিগ হেৰিছৰ (১৯০৯-১৯৯২) Methods in Structual Linguistics, (১৯৫১) এখন উল্লেখযোগ্য ভাষা বিষয়ক গ্রন্থ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বর্ণনাত্মক ভাষাবিজ্ঞানৰ মুখ্য প্রবক্তাজনৰ নাম উল্লেখ কৰি আধুনিক ভাষাবিজ্ঞানৰ বিকাশত তেওঁৰ ভূমিকা সম্পর্কে লিখক।

.....

৩.৭.৩ সৃজনমূলক

আধুনিক বর্ণনাত্মক বা গাঁথনিক ভাষাবিজ্ঞান ধাৰাৰ উল্লেখযোগ্য বৰঙণি হ'ল— বর্ণ, প্রাকৃতি আৰু বাক্যৰ আসন্ন অঙ্গ বিশ্লেষণ (IC Analysis) ৰ বিজ্ঞানসম্মত ব্যাখ্যা। কিন্তু এই ধাৰাত বাক্যৰ গাঁথনিক ক্রমৰ ওপৰত মাত্রাধিক গুৰুত্ব প্রদানৰ হেতু অর্থৰ দিশটো গৌণ হৈ পৰে। ফলত অগ্রহণীয় বাক্য তথা অসম্ভৱ কথাও কেৱল গঠনৰ শুদ্ধতাৰ খাতিৰতে শুদ্ধ বাক্যৰূপে প্রতিষ্ঠা কৰাৰ সুৰুঙা ৰৈ যায়। ইয়াৰ পৰিণতি স্বৰূপে বিংশ শতিকাৰ দ্বিতীয় ভাগত ৰূপান্তৰ সৃজন অথবা ৰূপান্তৰ উৎপাদক ব্যাকৰণ (Transformational Generative Grammar) নামৰ এক নতুন ভাষাবৈজ্ঞানিক ধাৰাৰ সূত্রপাত ঘটে। এই ধাৰাৰ উদ্ভাৰক জন হ'ল -আমেৰিকাৰ চিন্তাবিদ নোআম চমস্কি (Noam Chomsky)। চমস্কিৰ ১৯৫৭ চনত প্রকাশিত বিশ্ববিখ্যাত গ্রন্থ Syntactic Structure- ৰ জৰিয়তে বিশ্বৰ ভাষাবিজ্ঞান চর্চাত আলোড়ন তুলিবলৈ সক্ষম হয়। তেওঁ দেখুৱালে যে গাঁথনিক ভাষা বিজ্ঞানীসকলে কোৱাৰ দৰে কেৱল অভ্যাস বা পুনৰুক্তিৰ দ্বাৰা মানুহে ভাষা আহৰণ নকৰে। তেনে হোৱা হ'লে মানুহে নিত্য নতুন বাক্য সৃষ্টি নকৰি একেবোৰ বাক্যকে দোহাৰি থাকিলেহেঁতেন। চমস্কিৰ মতে ভাষাৰ গাঁথনিৰ সৈতে মানৱ মনৰ গাঁথনিৰ সম্পর্ক আছে। ভাষা মানুহৰ জন্মগত সামর্থ আৰু এই সামর্থই মানৱ প্রকৃতিৰ স্বৰূপ নির্ণয়

কৰে। ভাষা একোটাৰ ব্যাকৰণসন্মত বা গ্রহণীয় বাক্যৰ সংখ্যা অসীম। কিন্তু সেই অসীম বাক্যসমূহৰ মূলতে হৈছে সীমিত সংখ্যক সাৰ বাক্য। (Kernal Sentence) তেনে সীমিত সংখ্যক সাৰ বাক্যৰ পৰা সীমিত সংখ্যক বাক্যতাত্ত্বিক ৰূপান্তৰ নিয়মৰ সহায়ত অজস্র নতুন বাক্য ৰচনা কৰিব পাৰি আৰু সিবোৰৰ গঠন ব্যাখ্যা কৰিব পাৰি। এই সীমিত নিয়মসমূহৰ আধাৰত অসীম সংখ্যক বাক্যৰ সুস্পষ্ট ব্যাখ্যাই হ'ল ৰূপান্তৰ সৃজন ব্যাকৰণৰ মূল কথা। এহাতে ৰূপান্তৰ আৰু আনহাতে সৃজনধর্মিতা- এই দুই বিষয়ৰ সুসম্বন্বয়ত গঢ় লৈ উঠিছে বাবেই ইয়াৰ নাম 'ৰূপান্তৰ সৃজন ব্যাকৰণ'। ৰূপান্তৰ শব্দটোৱে ভাষাৰ সাৰ বাক্যবোৰ পৰিৱর্তনৰ কথা সূচায়। যেনে সদর্থক বাক্য একোটা প্রশ্নবোধকলৈ নিব পাৰি। সেইদৰে কর্তৃবাচ্যৰ বাক্য একোটাক কর্মবাচ্যলৈ ৰূপান্তৰ কৰা সম্ভৱ। আনহাতে, 'সৃজনধর্মিতা' হ'ল মাতৃভাষীয়ে স্বাভাৱিকভাৱে হৃদয়ংগম কৰি লোৱা ভাষাটোৰ সীমিত সংখ্যক নিয়মৰ সহায়ত নতুন নতুন বাক্য উৎপাদন কৰাৰ প্রৱণতা। ইয়াৰ বলতেই মানুহে আগতে নুশুনা কথাও বুজিব পাৰে আৰু ক'বও পাৰে।

Syntactic Structures পাছত চমস্কিৰ কেইবাখনো গ্রন্থ প্রকাশ পায়। সেইবোৰৰ ভিতৰত Aspect of the Theory of Syntax (1965), Topics in the Theory of Generative Grammar (1975), Language and Problems of Knowledge (1988), The Minimalist Program (1995) আদিৰ নাম ল'ব পাৰি। এই গ্রন্থবোৰত তেওঁৰ ভাষাবৈজ্ঞানিক ধ্যান-ধাৰণা বিধৃত হৈছে। ডেভিদ ক্রিষ্টেলৰ ভাষাত ব্লুমফিল্ডৰ পৰৱর্তী গাঠনিক ভাষা চিন্তাৰ সর্বোৎকৃষ্ট বিকল্প হৈছে চমস্কীয়তত্ত্ব। এই তত্ত্বৰ বিকাশত অৰিহণা যোগোৱা অন্য কেইগৰাকীমান ভাষাচিন্তাবিদ হ'ল— কেয়, পেৰেইৰা, শ্যিয়েবাৰ, ব্রেছনান,থম্পছন, উইজ্নগার্ডেন, ষ্টুকী, কাট্জ প'ষ্টেল আদি।

৩.৭.৪ অন্যান্য ধাৰা

১৯৫৭ চনৰ পাছৰ পৰা চমস্কীয় ধাৰাৰ সমর্থন অথবা বিৰোধিতা কৰি Generalised Phrase Structure Grammar, Lexical-functional Grammar, Relational Grammar, Realistic Grammar, Network Grammar, Case , for Case Theory, X-bar Theory আদি বিভিন্ন তত্ত্বৰ উদ্ভৱ হয়। ইয়াৰে প্রায় আটইবোৰতে চমস্কিৰ অনুকৰণত Linguisticsৰ ঠাইত Grammar শব্দৰ মুক্ত ব্যৱহাৰ পৰিলক্ষিত হয়।

বিংশ শতিকাৰ মাজভাগত ব্লুমফ্লিডে আগবঢ়োৱা গাঁথনিক বা বর্ণনাত্মক ধাৰাৰ পৰা ফালৰি কাটি স্বকীয় চিন্তাৰে কেইবাগৰাকী ভাষাবিদে নিজ নিজ তত্ত্ব প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰা দেখা যায়। সেইবোৰৰ ভিতৰত কে. এল, পাইকৰ

(K.L.Pike)-ৰ দ্বাৰা উদ্ভাৱিত ভাষা বিশ্লেষণৰ নতুন ধাৰাটোৰ নাম হ'ল— টেগ্‌মেমিক্‌ছ। সেইদৰে ১৯৫৫-১৯৭০ খ্ৰীঃৰ সময়চোৱাত মাৰ্কিন তৰ্ক বিজ্ঞানী ৰিচাৰ্ড মণ্টাজৰ (Richard Montague) দ্বাৰা 'মণ্টাজ ব্যাকৰণ' (Montague Grammar), নামৰ এক নতুন তত্ত্ব গঢ় লৈ উঠে। এই তত্ত্ব অনুসৰি বাক্যগতভাৱে সুসংগঠিত প্ৰকাশভংগীবোৰ বাক্যবিন্যাসৰ ৰীতিসিদ্ধ পদ্ধতিৰে নিৰ্দিষ্ট কৰি দেখুৱাব লাগে আৰু সেইবোৰক তৰ্কশাস্ত্ৰ যথাযোগ্য পদ্ধতিৰ সহায়ত ব্যাখ্যা কৰিব লাগে। ১৯৫০ চনত ফৰাচী ভাষাতাত্ত্বিক লুচিয়েঁ টেছনিয়েৰ (Lucien Tesniere) নিৰ্ভৰশীল ব্যাকৰণ নামৰ আন এক ভাষা বিশ্লেষণৰ পদ্ধতি উদ্ভাৱন কৰে। ইয়াৰ মূল সূত্ৰ বাক্যবিন্যাসৰ ওপৰত প্ৰতিষ্ঠিত । ব্যাক্যত থকা বিভিন্ন উপাদানৰ পাৰস্পৰিক সম্পৰ্কৰ নিৰ্ভৰশীলতাৰ ব্যাখ্যা এই তত্ত্বৰ মূল বিষয়। হাডছনৰ Word Grammar এই ধাৰাৰ উল্লেখযোগ্য ব্যাকৰণ। ব্ৰান্ট্ৰাণ্ড ৰাছেল, হোৱাইটহেড আদি পণ্ডিতৰ গাণিতিক সূত্ৰৰ আধাৰত ডেনিছ ভাষাতাত্ত্বিক জেমশ্লেৱৰ (Hjelmslev) গ্লা'ছেমেটিক্‌ছ (Glossematics) আৰু চিডনি লেমে (Sydeney Lamb) স্তৰীকৰণ ব্যাকৰণ Straticicational Grammar) নামৰ ব্যাকৰণ ধাৰাৰ প্ৰতিষ্ঠা কৰে। কে. আজুকিৱিকজ (K.Ajdukiewicz)-ৰ ভাষা-চিন্তাৰ আধাৰত কেটেগিৰিয়েল (Catehorial Grammar) , ১৯৬০ চনত চার্লছ ফিলম'ৰে Charles Fillmore) চমস্কীয়ে তত্ত্বৰ অর্থতাত্ত্বিক দিশটোৰ বিকাশৰ দ্বাৰা ব্যাকৰণ তত্ত্ব (Case for Case Theory) আদি কেতবোৰ ব্যাকৰণ ধাৰা গঢ় দি ভাষা-বিশ্লেষণৰ ক্ষেত্ৰলৈ প্ৰভূত অৱদান আগবঢ়াইছে।

অতি সাম্প্ৰতিক কালচোৱাত প্ৰেগমেটিকচ (Pragmatics), সমাজ ভাষাবিজ্ঞান (Sociolinguistics), শৈলীবিজ্ঞান (Stylistics), মনস্তাত্ত্বিক ভাষাবিজ্ঞান (Psycho-Linguistics), প্ৰয়োগ ভাষাবিজ্ঞান (Applied Linguistics), যান্ত্ৰিক ভাষাবিজ্ঞান (Corpus Linguistics) আদি ভাষাবিজ্ঞানৰ নিত্য নতুন তত্ত্বৰ অভূতপূৰ্ব বিকাশে ভাষাৰ বিবিধ ব্যৱহাৰ সম্বন্ধে নতুনকৈ অনুসন্ধানৰ পথো মুকলি কৰিছে। ফলত ভাষা-চিন্তাৰ দিগন্ত যথেষ্ট সম্প্ৰসাৰিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ ৰূপান্তৰ সৃজন ব্যাকৰণ তত্ত্বৰ মূল কথাখিনি চমুকৈ লিখক।

.....



চিন্ত চর্চা কৰক — ৩.১

অসমত ভাষা সম্পর্কীয় চিন্তা-চর্চাৰ এতি খতিয়ান যুগুত কৰি ভাষা-চর্চাৰ ধাৰাবোৰৰ প্রয়োগ সেইবোৰত কেনেদৰে হৈছে তাৰ এক তুলনা দাঙি ধৰক।



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহৰ ভাষা বিষয়ক অনুসন্ধিৎসা জিজ্ঞাসাৰ ফলতে ভাষা-সম্পর্কীয় চিন্তা-চর্চাৰ উদ্ভৱ আৰু বিকাশ হৈছে। এনে চিন্তা প্রাচ্য আৰু প্রাশ্চাত্য দুয়ো ঠাইতে বেলেগ বেলেগ দেশত ভিন্ ভিন্ ৰূপত গঢ় লৈ উঠিলেও ভাৰতবর্ষ আৰু গ্রীচে সম্পূর্ণ মৌলিক চিন্তা-প্রসূত এক ঐতিহ্যমণ্ডিত পৰম্পৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে চীন, ৰোম, বেবিলন আদি দেশৰ নামো এই প্রসংগত উচ্চাৰিত হয়।
- খৃঃপূঃ পঞ্চম শতিকাৰ পৰা ভাষা সম্পর্কীয় চিন্তাৰ ধাৰাবাহিক ইতিহাস লাভ কৰা যায়। এই আঢ়ৈ হাজাৰ বছৰৰ ভিতৰত হোৱা ভাষা চিন্তাৰ ইতিহাসক আলোচনাৰ প্রকৃতিৰ ফালৰ পৰা 'ব্যাকৰণ', 'ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান' আৰু সময়ৰ দিশৰ পৰা প্রাচীন যুগ (খ্রীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ ষষ্ঠ শতিকালৈ), মধ্যযুগ (খ্রীঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ চতুর্থ শতকিালৈ), নৱজাগৰণৰ যুগ (খ্রীঃ চতুদর্শ শতিকাৰ পৰা খ্রীঃ অষ্টাদশ শতিকাৰ আদি ভাগলৈ), ৰমন্যাসিক যুগ (খ্রীঃ অষ্টাদশ শতিকাৰ আদি ভাগৰ পৰা ১৭৮৬ খ্রীঃলৈ) আধুনিক যুগ (খ্রীঃ ১৯৮৬ৰ পৰা ১৯১৫ খ্রীঃলৈ) আৰু সাম্প্রতিক যুগ (খ্রীষ্ট্রীয় ১৯১৫ৰ পৰা বর্তমান পর্যন্ত) নামেৰে শ্রেণীবিভাজন কৰা হৈছে।
- ভাৰতীয় ভাষা-চিন্তাৰ প্রথম উন্মেষ বেদৰ সংহিতা স্তৱতে হৈছিল। 'ব্যাকৰণ' শব্দৰ প্রথম উল্লেখ পোৱা যায় *অর্থবেদৰ 'গোপথ ব্রাহ্মণ'*ত। বি-পূর্বক কৃ ধাতুত- (অন্‌ট) প্রত্যয়ৰ সংযোগত নিষ্পন্ন 'ব্যাকৰণ' শব্দটোৱে ভাষাৰ 'বিশেষ আৰু বিস্তৃত ব্যাখ্যান' বুজায়। ই মূলতঃ শব্দ বিশ্লেষণৰ শাস্ত্র। ভাৰতীয় ব্যাকৰণ চর্চা প্রধানকৈ বেদৰ শুদ্ধ পাঠ ৰক্ষা কৰাৰ স্বার্থতে কৰা হৈছিল।
- ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ পৰিপূর্ণ বিকাশ ঘটে মহর্ষি পাণিনিৰ দ্বাৰা ৰচিত *'অষ্টাধ্যায়ী'*ৰ জৰিয়তে। এই ব্যাকৰণখন তথা পাণিনিৰ ভূমিকাৰ প্রতি লক্ষ্য ৰাখি সংস্কৃত ব্যাকৰণ চর্চাৰ ইতিহাসক প্রাক্ পাণিনীয়, পাণিনীয় আৰু উত্তৰ-পাণিনীয়-এই তিনিটা মূল ধাৰাত ভাগ কৰা হৈছে। পাণিনিৰ পৰৱর্তী প্রায় সকলো সংস্কৃত ব্যাকৰণ আৰু আনকি পালি-প্রাকৃত ব্যাকৰণ পর্যন্ত পাণিনিক আর্হি হিচাপে লৈ ব্যাকৰণ প্রণয়ন হৈছিল। পাণিনিৰ পৰৱর্তী কালত গঢ় লৈ উঠা কেতবোৰ ব্যাকৰণৰ ধাৰা হ'ল— ঐন্দ্র,

চান্দ্র, কাতন্দ্র, জৈনেন্দ্র, শাকটায়ন, হেমচন্দ্র, সাৰস্বত, মুগ্ধবোধ আদি।

- ভাৰতৰ দৰে গ্রীচতো মহাকাব্যিক ভাষাৰ বিশুদ্ধতাৰ বাবে ভাষা সম্পৰ্কীয় অধ্যয়নৰ পথ মুকলি হয়। অৱশ্যে গ্রীচত ভাষাৰ আলোচনা দর্শন শাস্ত্রৰ অন্তর্গত বুলিহে বিবেচনা কৰিছিল। প্লেটো, এৰিষ্ট'টলৰ দার্শনিক চিন্তা-চর্চাৰ মাজত ভাষা সম্পৰ্কীয় প্রথম বিশ্লেষণ পৰিলক্ষিত হয়।
- এৰিষ্টটলৰ পাছত খ্রীঃপূঃ তৃতীয় শতিকাৰ ষ্ট'ইক (Stoics) দার্শনিক সম্প্রদায়ে ভাষাৰ আলোচনাক এক স্বতন্ত্র জ্ঞান-শাখাৰূপে প্রতিষ্ঠা কৰাৰ উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। পৰৱর্তী সময়ত আলেকজেন্দ্রীয় ধাৰাৰ ভাষাতাত্ত্বিক ডায়'নিছিয়াছ থ্রাক্সে গ্রীক ভাষা-চিন্তাক পদ্ধতিগত ৰূপ প্রদান কৰে। এপ'লনিয়াছ ডাইক'লাছ আৰু এওঁৰ পুত্র হেৰ'ডিয়াছেও গ্রীক ভাষাৰ অধ্যয়নত প্রভূত বৰঙণি যোগায়।
- গ্রীচ দেশ ৰোমৰ শাসন ব্যৱস্থাৰ অন্তর্গত হোৱাৰ ফলস্বৰূপে খ্রীঃপূঃ তৃতীয় শতিকাৰ পৰা গ্রীক ব্যাকৰণ আর্হিত লেটিন ভাষাৰ ব্যাকৰণ প্রণয়নৰ কাম আৰম্ভ হয়। ৰোমান ধাৰাৰ কেইগৰাকীমান ব্যাকৰণবিদ হ'ল মার্কাছ টেৰেন্টিয়াছ ভাৰ্ৰো, চিচেৰ', কুইন্টিলিয়াছ, এলিয়াছ ড'নাটাছ, প্রিশ্চিয়ান আদি।
- মধ্যযুগৰ কালচোৱাতো ভাষা-চিন্তাৰ অগ্রগতি অব্যাহত থাকে। ইউৰোপীয় চিন্তাজগতত ঘাইকৈ 'স্পকুলেটিভ ম'ডিষ্টেই' ব্যাকৰণ ধাৰাৰ উপৰি, প্রান্তীয় ভাষাৰ ব্যাকৰণ আৰু সার্বজনীন ব্যাকৰণ প্রণয়ন আদি মধ্যযুগৰ ভাষা-চিন্তাৰ অন্যতম দিশ।
- খ্রীঃ চতুদর্শ-ষোড়শ ইউৰোপত আৰম্ভ হোৱা ৰেনেছাঁ বা নৱজাগৰণে ভাষা অধ্যয়নৰ ক্ষেত্রখনকো প্রভাৱান্বিত কৰে। নৱজাগৰণে লেটিন ভাষাকেন্দ্রীক সংকীর্ণতা আঁতৰাই প্রান্তীয় ভাষাসমূহকো সমান মর্যাদা প্রদান কৰে। ভাষাতত্ত্ব চৈনিক আৰিস্কাৰ, আৰবী আৰু হিব্রু ভাষাৰ অধ্যয়নৰ ক্ষেত্রত হোৱা প্রগতি, ভালেমান ভাষাত অভিধান প্রণয়ন আদি এই যুগৰ উল্লেখযোগ্য ভাষাতাত্ত্বিক অৰিহণা। তদুপৰি, মুদ্রণ ব্যৱস্থাই ভাষাৰ সাধু ৰূপ বা মান্যৰূপ (Standaed From) ৰ সৃষ্টিতো বিশেষ অৰিহণা যোগায়।
- ১৭৮৬ খ্রীঃত ছাৰ উইলিয়াম জ'নছে কলিকতাৰ ৰয়েল এছিয়াটিক ছ'চাইটিৰ তৃতীয় বার্ষিক প্রতিষ্ঠা দিৱসত সংস্কৃত, গ্রীক আৰু লেটিনৰ সম্পর্ক দেখুৱাই এক লিখিত ভাষণ প্রদান কৰে আৰু পৰৱর্তী সময়ত তাৰ আধাৰত ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়ন আৰম্ভ হয়। ফলস্বৰূপে ভাষা অধ্যয়নৰ গতিপথেও নতুন মোৰ সলাই 'ভাষাতত্ত্ব'ৰ জগতত প্রৱেশ কৰে।
- ঊনবিংশ শতিকাৰ প্রথম ভাগত এই ধাৰাৰ ভাষা-বিশ্লেষণ তুলনামূলক অধ্যয়নৰ মাজত সীমাবদ্ধ আছিল। এই ক্ষেত্রত অগ্রণী ভূমিকা লৈছিল ফ্রিয়েড্রিখন ভন শ্লেগেল, অগষ্ট ভন শ্লেগেল, ৰাছমাছ ক্রিষ্টিয়ান ৰাস্ক, উইলহেম ভন হামব'ল্ট জেকব গ্রীক, ফেন্জ বোৱাজ, আগষ্ট শ্লেইছাৰ আদি পণ্ডিতে। ঊনবিংশ শতিকাৰ শেষৰ ফালে তুলনামূলক

আৰু ঐতিহাসিক অধ্যয়নৰ বস্তুনিষ্ঠ ব্যাখ্যাৰে এক নতুন ভাষা অধ্যয়ন প্ৰক্ৰিয়াৰ উদ্ভৱ হয়। এই ধাৰাৰ প্ৰবক্তাসকলক 'নব্য বৈয়াকৰণ' আখ্যা দিয়া হৈছে। এইচ্ ষ্টেইনথ'ল হ'ল এই ধাৰাৰ প্ৰৱৰ্তক।

- বিংশ শতিকাৰ আৰম্ভণিতে মানুহৰ স্বাভাৱিক কথ্য ভাষাৰ বিৱৰণৰ আধাৰ ফার্ডিনাণ্ড দ্য চচ্যুৰ আধুনিক ভাষাবিজ্ঞানৰ জন্ম দিয়ে। চচ্যুৰৰ ভাষা-সূত্ৰ চাৰিটা যুগ্ম বৈপৰীত্যৰ ক্ৰমে-এককালিক-ক্ৰমকালিক (Syncronic Diachronic), ভাষা-প্ৰণালী-ভাষা ব্যৱহাৰ (Langue-Parole) , সূচক-সূচিত (Signifier-Signified) আৰু সহাবদ্ধ-ক্ৰমাবদ্ধ আনুষাঙ্গিক সম্বন্ধ (Syntagmatic-Paradigmatic/Associative) ওপৰত প্ৰতিষ্ঠিত। পৰৱৰ্তী কালত ফেন্জ বোৱাজ, এডোৱার্ড ছাপিৰ, লেওনার্ড ব্লুমফিল্ড আদিয়ে ভাষা চর্চাক অধিক বিজ্ঞানসম্মত কৰি তোলে। এনেদৰে আধুনিক ভাষাবিজ্ঞানৰ সূত্ৰপাত হৈ ই ক্ৰমে গাঠনিক ভাষাবিজ্ঞান (Structural Linguistics) আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics) ৰূপে বিকাশ লাভ কৰে।
- বিংশ শতিকাৰ দ্বিতীয় ভাগত নোআম চমস্কিৰ দ্বাৰা 'ৰূপান্তৰ সৃজন' অথবা 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ' (T.G. Grammar) নামৰ এক নতুন ভাষাবৈজ্ঞানিক ধাৰাৰ সূত্ৰপাত ঘটে। চমস্কিয়ে Syntactic Structure- ৰ জৰিয়তে দেখুৱালে যে ভাষা মানুহৰ জন্মগত সামৰ্থ আৰু এই সামৰ্থই মানৰ প্ৰকৃতিৰ স্বৰূপ নির্ণয় কৰে। ভাষা একোটাৰ ব্যাকৰণ সম্মত বা গ্ৰহণীয় বাক্যৰ সংখ্যা অসীম। কিন্তু সেই অসীম বাক্যসমূহৰ মূলতে হৈছে সীমিত সংখ্যক সাৰ বাক্য (Karnal Sentence) । তেনে সীমিত সংখ্যক সাৰ বাক্যৰ পৰা সীমিত সংখ্যক বাক্যতাত্ত্বিক ৰূপান্তৰ নিয়মৰ সহায়ত অজস্ৰ নতুন বাক্য ৰচনা কৰিব পাৰি আৰু সিবোৰৰ গঠনৰ ব্যাখ্যা কৰিব পাৰি। এই সীমিত নিয়মসমূহৰ আধাৰত অসীম সংখ্যক বাক্যৰ সুস্পষ্ট ব্যাখ্যাই হ'ল ৰূপান্তৰ সৃজন ব্যাকৰণৰ মূল কথা।

  (১৫) ১৯৫৭ চনৰ পৰা চমস্কীয়ে ধাৰাৰ সমর্থন অথবা বিৰোধিতা কৰি Generalised Phrase Structure Grammar, Lexical-functional Grammar, Relational Grammar, Realistic Grammar, Network Grammar, Case for Case Theory,X-bar Theory আদি বিভিন্ন তত্ত্বৰ উদ্ভৱ হৈছে।



৩.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। ঠাকুৰ, নগেন; (২০১১) ঃ *ভাষা আৰু ভাষা-চিন্তা,* গুৱাহাটী ঃ বনলতা।

২। ডেকা, খগেশ সেন; (২০০৯) ঃ *ব্যাকৰণ ঃ প্রাচ্য আৰু প্রাশ্চাত্য*, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩। কোঁৱৰ, অর্পণা; (২০০২) ঃ *ভাষাবিজ্ঞান উপক্রমণিকা* ডিব্রুগড় ঃ বনলতা।

৪। ফুকন পাটগিৰি, দিপ্তী; (২০০২) ঃ *ভাষাতত্ত্ব* গুৱাহাটী ঃ বনলতা।

৫। গোস্বামী, উপেন্দ্রনাথ, (২০১২) ঃ *ভাষাবিজ্ঞান* গুৱাহাটী ঃ মণি মাণিক প্রকাশন।

৬। পাদুন নাহেন্দ্র, (সম্পা); (১৯৯৩) ঃ *ভাষাৰ তত্ত্বকথা*, আদৰণী সমিতি, অসম সাহিত্য সভাৰ ঊনষাষ্ঠিতম অধিবেশন, শিৱসাগৰ।

৭। পাঠক, মৱেশ, (১৯৯০) ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*, ডিব্রুগড় ঃ বনলতা।

৮। মহন্ত, পোনা (অনুবাদ), (২০১৪) ঃ *ফার্ডিনাণ্ড দ্য চ্যুৱৰ সাধাৰণ ভাষাবিজ্ঞান পাঠ*, গুৱাহাটী ঃ পাণবজাৰ।

ইংৰাজী গ্রন্থ ঃ

1. Robins, R.H., *A Short History of Linguistics*, Longman Group Limites, London.



৩.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ ভাষা অধ্যয়নৰ প্রকৃতিৰ দিশৰ পৰা- 'ব্যাকৰণ','ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান' এই তিনিটা স্তৰত ভাগ কৰা হৈছে। সেইদৰে সময়ৰ দিশৰ পৰা প্রাচীন যুগ, মধ্য যুগ, নৱজাগৰণৰ যুগ, আধুনিক যুগ আদি ভাগত শ্রেণীবিভাজন কৰা হৈছে। ৩.৩ শাখাত ই যুগবোৰৰ সময়সীমা আৰু বৈশিষ্ট্য সম্পর্কে লিখা কথাখিনি উল্লেখ কৰক।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় ভাষা-চিন্তাৰ প্রথম উন্মেষ বেদৰ সংহিতা স্তৰতে হৈছিল। 'ব্যাকৰণ' শব্দৰ প্রথম উল্লেখ পোৱা যায় অর্থবেদৰ 'গোপথ ব্রাহ্মণ'ত। ভাৰতীয় ব্যাকৰণ চর্চা প্রধানকৈ বেদৰ শুদ্ধ পাঠ ৰক্ষা কৰাৰ স্বর্থতে কৰা হৈছিল। ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ পৰিপূর্ণ বিকাশ ঘটে মহর্ষি পাণিনিৰ দ্বাৰা ৰচিত *'অষ্টাধ্যায়ী'*ৰ জৰিয়তে। সংস্কৃত ব্যাকৰণ চর্চাৰ ইতিহাসত প্রাক্-পাণিনীয়, পাণিনীয় আৰু উত্তৰ-পাণিনীয়- এই তিনিটা মূল ধাৰা হিচাপে চিহ্নিত কৰা হৈছে।.....পাণিনীৰ পৰৱর্তী কালত গঢ় লৈ উঠা কেতবোৰ ব্যাকৰণ ধাৰা হ'ল-ঐন্দ্র, চান্দ্র, কাতন্দ্র, জৈনেন্দ্র, শাকটায়ন, হেমচন্দ্র সাৰস্বত, মুগ্ধবোধ আদি। এইদৰে বেদৰ পৰা আৰম্ভ কৰি প্রাকৃত স্তৰলৈকে হোৱা ভাষা-চর্চাৰ বিষয়ে লিখিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ দৰে গ্রীচতো মহাকাব্যিক ভাষাৰ শুদ্ধতাৰ বাবে ভাষা সম্পর্কীয় অধ্যয়নৰ পথ মুকলি হয়। গ্রীচত ভাষা চর্চা দর্শন শাস্ত্রৰ অন্তর্গত আছিল। প্লেটো, এৰিষ্টটলৰ দার্শনিক চিন্তা-চর্চাৰ মাজত প্রতিফলিত ভাষা-সম্পর্কীয় দিশবোৰ উল্লেখ

কৰক। এৰিষ্টটলৰ পাছত ষ্টইক (Stoics) দার্শনিক সম্প্রদায়ে আৰু তাৰ পৰৱর্তী সময়ত আলেকজেন্দ্রীয় ধাৰাৰ ভাষাতাত্ত্বিক ডায়'নিছিয়াছ থ্রাক্স, এপ'লনিয়াছ ডাইক'লাছ আৰু হেৰ'ডিয়াছ আদিয়ে গ্রীক ভাষাৰ অধ্যয়নলৈ আগবঢ়োৱা বৰঙণিৰ কথা উল্লেখ কৰক।

৪ নং প্রশ্নৰ উত্তৰ ঃ গ্রীচ দেশ ৰোমৰ শাসন ব্যৱস্থাৰ অন্তর্গত হোৱাৰ ফলস্বৰূপে খ্রীঃ পূঃ তৃতীয় শতিকাৰ পৰা গ্রীক ব্যাকৰণৰ আর্হিত লেটিন ভাষাৰ ব্যাকৰণ প্রণয়ণৰ কাম আৰম্ভ হয়।..... মার্কাছ টেৰেন্টিয়াছ ভাৰ্ৰো, চিচেৰ', কুইণ্টিলিয়াছ, এলিয়াছ ড'নাটাছ, প্রিশ্চিয়ান আদি ৰোমান ধাৰাৰ ব্যাকৰণবিদ সকলৰ অৱদানৰ কথা উল্লেখ কৰক।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভাষা-চর্চাৰ ইতিহাসত মধ্যযুগটো বিশেষ তাৎপর্যপূর্ণ নহ'লেও ব্যাকৰণ চর্চাৰ ক্ষেত্রত এই সময়চোৱাৰ অৱদানক অস্বীকাৰ কৰিব নোৱাৰি। মধ্যযুগৰ প্রথম সময়খিনি ইউৰোপৰ ৰাজনৈতিক অস্থিৰতাৰ বাবে ভাষা-চর্চাৰ ক্ষেত্রলৈও অন্ধকাৰ নামি আহিছিল। অৱশ্যে মধ্যযুগৰ বাকীচোৱা কালত ভাষা-চিন্তাৰ অগ্রগতি অব্যাহত থাকে। বিশেষকৈ 'স্পেকুলেটিভ-ম'ডিষ্টেই' ব্যাকৰণ ধাৰাৰ উপৰি, প্রান্তীয় ভাষাৰ ব্যাকৰণ আৰু 'সার্বজনীন ব্যাকৰণ' প্রণয়ন আদি দিশবোৰ আলোচনা কৰক।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন ভাষাসমূহৰ, বিশেষকৈ সাহিত্য-সম্পদেৰে চহকী প্রাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাক প্রাধান্য দি কৰা ভাষা অধ্যয়নক 'তুলনামূলক ভাষাত্ত্ব' (Comparative Philology) বা (Historical Linguistics) অথবা 'ভাষাতত্ত্ব' (Philology) হিচাপে জনাজাত হয়। 'ভাষাতত্ত্ব' অভিধাটোৱে বিভিন্ন ভাষাৰ প্রাচীন সমলৰ ওপৰত ভিত্তি কৰি তুলনামূলক বিচাৰ, পাৰস্পৰিক সম্পর্ক, অতীত ইতিহাস, মূল নিৰূপণ আৰু কালক্রমিক পৰিবর্তন আদিৰ আলোচনাক সামৰি লোৱা হয়।

১৭৮৬ খ্রীঃত ছাৰ উইলিয়াম জ'নছে প্রদান কৰা ভাষণৰ আধাৰত পৰৱর্তী সময়ত ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়ন আৰম্ভ হয়। এই ক্ষেত্রত ভূমিকা লোৱা ফ্রিয়েড্রিখ ভন শ্লেগেল, অগষ্ট ভন শ্লেগেল, ৰাছমাছ ক্রিষ্টিয়ান ৰাস্ক, উইলহেম ভন হামব'ল্ট, জেকব গ্রীম, ফ্রেন্জ বোৱাজ, অগষ্ট শ্লেইছাৰ আদি পণ্ডিতৰ অৱদানৰ কথা উল্লেখ কৰক। ঊনবিংশ শতিকাৰ শেষৰ ফালে গঢ় লৈ উঠা 'নব্য বৈয়াকৰণ' ধাৰাটোৰ কথাও সামৰি আলোচনা কৰক।

৭ নং প্রশ্নৰ উত্তৰ ঃ বর্ণনাত্মক ভাষাবিজ্ঞানৰ মুখ্য প্রবক্তাজন হ'ল ফার্ডিনাণ্ড দ্য চচ্যুৰ ভাষা সূত্র চাৰিটা যুগ্ম বৈপৰীত্যৰ কথা উল্লেখ কৰি তেওঁৰ ভাষা-চিন্তাই ভাষাৰ অধ্যয়নলৈ অনা পৰিবর্তনৰ কথা উল্লেখ কৰক। পৰৱর্তী কালত ফ্রেন্জ বোৱাজ, এডোৱার্ড ছাপিৰ, লেওনার্ড ব্লুমফিল্ড আদিৰ ভাষা-চিন্তাত চচ্যুৰৰ প্রভাৰ সম্পর্কে উল্লেখ কৰিব।

৮ নং প্রশ্নৰ উত্তৰ ঃ বিংশ শতিকাৰ দ্বিতীয় ভাগত নোআম চমস্কিৰ দ্বাৰা 'ৰূপান্তৰ সৃজন' অথবা 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ' (T.G. Grammar) নামৰ এক নতুন ভাষাবৈজ্ঞানিক ধাৰাৰ সূত্রপাত ঘটে। চমস্কিয়ে Syntactic Stucture-ৰ জৰিয়তে দেখুৱালে যে ভাষা মানুহৰ জন্মগত সামর্থ আৰু এই সামর্থই মানৱ প্রকৃতিৰ স্বৰূপ নির্ণয় কৰে। ভাষা একোটাৰ ব্যাকৰণ সন্মত বা গ্রহণীয় বাক্যৰ সংখ্যা অসীম। কিন্তু সেই অসীম বাক্যসমূহৰ

মূলতে হৈছে সীমিত সংখ্যক সাৰ বাক্য। তেনে সীমিত সংখ্যক সাৰ বাক্যৰ পৰা সীমিত সংখ্যক বাক্যতাত্ত্বিক ৰূপান্তৰ নিয়মৰ সহায়ত অজস্ৰ নতুন বাক্য ৰচনা কৰিব পাৰি আৰু সিবোৰৰ ব্যাখ্যা কৰিব পাৰি। এই সীমিত নিয়মসমূহৰ আধাৰত অসীম সংখ্যক বাক্যৰ সুস্পষ্ট ব্যাখ্যাই হ'ল ৰূপান্তৰ সৃজন ব্যাকৰণৰ মূল কথা। ৩.৭.৩ উপশাখাত 'সৃজনমূলক ধাৰা'ৰ বিষয়ে কৰা আলোচনাৰ আধাৰত কথাখিনি বহলাই লিখক।



৩.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাষা অধ্যয়নৰ ইতিহাসত প্ৰাচীন যুগটোৰ স্থান নিৰূপণ কৰি এটি চমু নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ প্ৰাচীন ভাৰতীয় ভাষা-চিন্তাৰ এটি চমু আভাস দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ প্ৰাচীন ইউৰোপীয় ভাষা-চিন্তাৰ এক চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ ভাষা অধ্যয়ন প্ৰক্ৰিয়াত 'ভাষাতত্ত্ব' (Philology) অভিধাৰ প্ৰয়োগ ক'ত কিদৰে আৰম্ভ হ'ল? ইয়াক সৰবৰহী কৰাত কোন কেইগৰাকী পণ্ডিতে বিশেষ ভূমিকা পালন কৰিলে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ আধুনিক ভাষাবিজ্ঞানৰ পিতৃ পুৰুষ বুলিলে কাক বুজায়? সেই গৰাকী পণ্ডিতৰ সময়ৰ পৰা ইউৰোপ আৰু আমেৰিকাত ভাষা চৰ্চাৰ এটি থুলমূল আভাস দিয়ক।

প্ৰশ্ন ৬ ঃ ৰূপান্তৰ সৃজন ব্যাকৰণ ধাৰাৰ প্ৰৱৰ্তক কোন? এই ব্যাকৰণ ধাৰাৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৭ ঃ ৰূপান্তৰ সৃজন ব্যাকৰণ ধাৰা পূৰ্বৱৰ্তী গাঁথনিক বা বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ ধাৰাতকৈ কোনবোৰ দিশত বেলেগ আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ ভাষাবিজ্ঞানৰ কেতবোৰ শেহতীয়া ধাৰাৰ নাম উল্লেখ কৰি এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৯ ঃ ভাষা অধ্যয়নৰ প্ৰধান স্তৰ তিনিটা কি কি? বিশ্বত ভাষা চিন্তাৰ ক্ৰমবিকাশ সম্পৰ্কে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৪ ঃ ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখা ঃ সাধাৰণ আলোচনা
৪.৩.১ সময় আৰু সামাজিক-সাংস্কৃতিক ভিন্নতা অনুসৰি
৪.৩.২ দৃষ্টিভংগী অনুসৰি
৪.৩.৩ ভাষা বিশ্লেষণৰ স্তৰ অনুসৰি
৪.৩.৪ অন্যান্য বিষয়ৰ লগত ভাষাৰ সম্পৰ্ক অনুসৰি
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাবিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা, স্তৰ অধ্যয়নৰ ৰেহৰূপ আদিৰ বিষয়ে জানিব পাৰিব
- ভাষাবিজ্ঞানৰ বিকাশে ভাষাবিজ্ঞানক কেনে ধৰণৰ গতি গঢ় দিছে তাৰ চমু আভাস পাব
- ভাষাবিজ্ঞানৰ সৈতে অন্যান্য বিষয়সমূহৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন সময়ত ভাষাবিজ্ঞানক লৈ ভাষাবিজ্ঞানীসকলৰ চিন্তা-চৰ্চাৰ আভাস লাভ কৰিব।

৪.২ পৰিচয়

ইতিমধ্যে আপুনি পূৰ্বৰ তিনিটা অধ্যায়ত ভাষাবিজ্ঞানৰ পৰিচয় লাভ কৰাৰ লগতে ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্ক আৰু ভাষা অধ্যয়নৰ ক্ৰমবিকাশ সম্পৰ্কে কিছু কথা পঢ়িলে। এই অধ্যায়টোত আমি আপোনাক ভাষাবিজ্ঞানৰ শাখা প্ৰশাখাসমূহৰ লগত পৰিচয় কৰাই দিব খুজিছো।

এই অধ্যায়টোত ভাষাবিজ্ঞানৰ বিস্তৃতি আৰু পৰিধিৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। ভাষাবিজ্ঞানৰ ক্ৰমবিকাশৰ লগে লগে কিদৰে ভাষাবিজ্ঞানত ন ন দিশৰ উন্মেষ ঘটিছে আৰু ই বিস্তৃতি লাভ কৰি অন্যান্য বিষয়ৰ সৈতেও সম্পৃক্ত হৈছে তাৰ বিৱৰণ এই অধ্যায়টোত


দাঙি ধৰা হৈছে। অধ্যয়নৰ বৈশিষ্ট্য অনুসৰি, দৃষ্টিভঙ্গী আৰু লক্ষ্য অনুসৰি ভাষাবিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাৰ চমু পৰিচয় ইয়াত আগবঢ়োৱা হৈছে।

৪.৩ ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাঃ সাধাৰণ আলোচনা

ভাষাবিজ্ঞান হ'ল ভাষাৰ বিজ্ঞানসম্মত অধ্যয়ন বা বিশ্লেষণ। এই বিজ্ঞানৰ মূল আলোচ্য বিষয় হ'ল ভাষা। আকৌ ভাষা হ'ল সমাজত বসবাস কৰা প্ৰতিজন ব্যক্তিয়ে দৈনন্দিন কামকাজ সুচাৰুৰূপে চলাই নিবলৈ ইজনে আনজনৰ লগত কৰা ভাৰ বিনিময়ৰ এক মাধ্যম। গতিকে ভাষাবিজ্ঞান হ'ল পৃথিৱীৰ প্ৰতিখন সমাজে ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা ভাষা নামৰ মাধ্যমটোৰ বিজ্ঞানসম্মত অধ্যয়ন। যিহেতু, যোগাযোগ অথবা ভাব বিনিময় অবিহনে কোনো সমাজ বৰ্তি থাকিব নোৱাৰে, সেয়েহে আমি ক'ব পাৰো যে পৃথিৱীৰ প্ৰতিখন সমাজৰ মূল চালিকা শক্তিয়েই হ'ল ভাষা। আনহাতে, এই ভাষাৰ বিস্তৃতি পৃথিৱীৰ প্ৰতিটো কোণত থকা প্ৰতিখন সমাজতেই আছে। এই দৃষ্টিভঙ্গীৰ ফালৰ পৰা ক'ব পাৰি যে ভাষা যিহেতু সমগ্ৰ পৃথিৱীত বিয়পি আছে, সেয়েহে ভাষাবিজ্ঞানৰ পৰিধিও বিশ্বজুৰি। অৰ্থাৎ, ভাষাবিজ্ঞানৰ অধ্যয়ন কেৱল ভাষাৰ মাজতে সীমিত হৈ নাথাকি নিতৌ ন ন বিষয়ৰ সৈতে সম্পৃক্ত হৈ আজিৰ ভাষাবিজ্ঞান নানান শাখা-প্ৰশাখাৰে বোধিবৃক্ষৰ দৰে বিশাল ৰূপ পৰিগ্ৰহণ কৰিছে।

ভাষা হ'ল মানুহৰ বুদ্ধিমত্তাৰ প্ৰথম নিদৰ্শন। মানৰ মগজুৱে সৃষ্টি কৰা সবাতোকৈ আচৰিত আৱিস্কাৰটোৱেই ভাষা। এই ভাষাৰ অবিহনে মানৰ সম্প্ৰদায়ৰ মাজত যোগাযোগ হ'লহেঁতেন তেনেই সীমিত পৰ্যায়ৰ আৰু সসীম ভাৱৰ বিনিময়েৰে মানুহে কাহানিও আজিৰ সভ্যতালৈ গতি নিৰ্ণয় কৰিব নোৱাৰিলেহেঁতেন। কিয়নো, মানৰ মগজুৰ সকলো জ্ঞান ভাষা নামৰ আহিলাটোৰ মাধ্যমেৰেই আজিও সংৰক্ষিত হৈ আছে আৰু ভৱিষ্যতেও সংৰক্ষিত হৈ ৰ'ব। গতিকে ভাষাৰ অধ্যয়নেও অৰ্থাৎ ভাষাবিজ্ঞানেও ভাষাই যেতিয়াই যিহৰ সংস্পৰ্শলৈ আহে তাৰ সৈতে ভাষাৰ সম্পৰ্কৰ, ভাষাৰ অৱদানৰ, ভাষাৰ স্বৰূপ আৰু কাৰ্যৰ অধ্যয়ন নকৰাকৈ নাথাকে। অৱশ্যে এতিয়াও ভাষা বিষয়ৰ বহুতো দিশ অনাৱিস্কৃত হৈ আছে। প্ৰথম অৱস্থাত ভাষাবিজ্ঞানৰ আলোচ্য বিষয় কেৱল ভাষাৰ গাঠনিক দিশটোতে সীমাৱদ্ধ আছিল বুলি ক'ব পাৰি। অৰ্থাৎ ভাষাৰ ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থৰ পাৰম্পৰিক আলোচনাই ভাষাবিজ্ঞানৰ চাৰিসীমা আছিল। ক্ৰমান্বয়ে নতুন নতুন চিন্তাই ভাষাবিজ্ঞানীসকলক ক্ৰিয়া কৰে আৰু ন ন দিশত ভাষাবিজ্ঞানৰ অধ্যয়ন আৰম্ভ হয়। উদাহৰণ স্বৰূপে, ভাষা মানুহৰ মগজুৰ সৃষ্টি, মানৰ মগজুৰ কি কি ক্ৰিয়া প্ৰতিক্ৰিয়াই মানুহক ভাষা আয়ত্ত কৰিবলৈ, ক'বলৈ, বুজিবলৈ শিকায়, মগজুৰ কোন অংশই মানুহৰ ভাষাক নিয়ন্ত্ৰণ কৰে আদি প্ৰশ্নৰ যেতিয়া উদ্ৰেক হ'ল তেতিয়াই ভাষাবিজ্ঞানত শৰীৰবিজ্ঞানৰ প্ৰয়োজনীয়তা আহি পৰিল আৰু সৃষ্টি হ'ল স্নায়বিক-ভাষাবিজ্ঞান (Neurolinguistics)ৰ। একেদৰে মানুহৰ মনস্তত্ত্বই ভাষাক কিদৰে প্ৰভান্বিত কৰে বা নিয়ন্ত্ৰিত কৰে তাৰ অধ্যয়নৰ বাবে সৃষ্টি হ'ল মনোভাষাবিজ্ঞান (Psycholinguistics)ৰ। এটা ভাষা এখন সমাজক লৈ বৰ্তি থাকে। একোটা ভাষা একোখন সমাজৰ দাপোণ স্বৰূপ। ভাষা আৰু

সমাজৰ এৰাব নোৱাৰা সম্পৰ্ক। এই এৰাব নোৱাৰা সম্পৰ্কও ভাষাবিজ্ঞাৰ অধ্যয়নৰ ভিতৰুৱা। গতিকে সৃষ্টি হ'ল এক নতুন শাখাৰ সমাজ-ভাষাবিজ্ঞান (Sociolinguistics)ৰ। এনেদৰে ভাষাবিজ্ঞান কেৱল ভাষাৰ গাঁথনিক দিশটোৰ আলোচনাৰ পৰিসীমাৰ পৰা ওলাই আহি যেন পৃথিৱীৰ প্ৰতিটো বিষয়কে স্পৰ্শ কৰিলে আৰু দিনে দিনে ভাষাবিজ্ঞানৰ পৰিধি বিশ্বব্যাপি বিয়পি পৰিল। প্ৰখ্যাত ভাষাবিজ্ঞানী জীন্ আইচিচন (Jean Aitchison)-এ ভাষাবিজ্ঞানৰ এই পৰিধিক চিত্ৰৰ সহায়ত তলত দিয়া ধৰণে দেখুৱাইছে—



উক্ত চিত্ৰৰ পৰা বুজিব পাৰি যে ভাষাবিজ্ঞানৰ মূলতঃ দুটা দিশত শাখা-প্ৰশাখাসমূহৰ বিকাশ সাধন হৈছে। এটা দিশত ভাষাবিজ্ঞানে ভাষাৰ পৰিধিৰ মাজতে নিজৰ আলোচনা সীমিত ৰাখিছে আৰু আনটো দিশত ভাষাৰ পৰিধিৰ বাহিৰলৈ ওলাই গৈ অন্যান্য বিষয়ৰ সৈতেও ভাষাবিজ্ঞানৰ অধ্যয়ন সম্পৃক্ত হৈছে। এই দৃষ্টিভঙ্গীৰ ফালৰ পৰা ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহক আমি দুটা ভাগত ভাগ কৰিব পৰা যায়—

(ক) ভাষাবিজ্ঞানৰ আভ্যন্তৰীণ শাখা (Intrinsic branches of linguistics)

(খ) ভাষাবিজ্ঞানৰ বাহ্যিক শাখা (Extrinsic branches of linguistics)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষাবিজ্ঞানৰ পৰিধি সম্পৰ্কে চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

ভাষাবিজ্ঞানৰ যিবোৰ শাখাৰ অধ্যয়ন ভাষাৰ আলোচনাতেই সীমাবদ্ধ হৈ থাকে সেই শাখাবোৰেই ভাষাবিজ্ঞানৰ আভ্যন্তৰীণ শাখা। যেনে- ধ্বনিতত্ত্ব বা অৰ্থতত্ত্ব অথবা উপভাষাবিজ্ঞান। ভাষাৰ ক্ষুদ্ৰতম একক হ'ল ধ্বনি। ধ্বনিতত্ত্বত ভাষাৰ ধ্বনিবিষয়ৰ আলোচনা কৰা হয়। ধ্বনিৰ সৃষ্টি, ধ্বনিৰ শ্ৰেণীবিভাগ, ধ্বনিৰ বিভিন্ন বৈশিষ্ট্য আদি দিশসমূহ ধ্বনিবিজ্ঞানত অধ্যয়ন কৰা হয়। এই অধ্যয়নত ধ্বনিৰ বাদে অন্য কোনো বিষয়েই স্থান নাপায়। যিহেতু ধ্বনিতত্ত্বৰ পৰিসীমাত কেৱল ধ্বনিয়েই থাকে, অন্য কোনো দিশৰ বিবেচনা ইয়াত কৰা নহয়, সেয়েহে ধ্বনিতত্ত্বক ভাষাবিজ্ঞানৰ আভ্যন্তৰীণ শাখাৰ অন্তৰ্ভুক্ত কৰিব পাৰি। একেদৰে ৰূপতত্ত্বত ভাষাৰ ৰূপৰচনাৰ বিভিন্ন দিশসমূহ আলোচনা কৰা হয় আৰু উপভাষাবিজ্ঞানত ভাষাৰ ঔপভাষিক ৰূপসমূহৰ ভাষাতাত্ত্বিক অধ্যয়ন কৰা হয়। এই দুয়োটা শাখাতে ভাষাৰ গাঁথনিক স্বৰূপটোক মূল ৰূপে লৈ ভাষাৰ গণ্ডীৰ মাজতে আলোচনা সীমাৱদ্ধ হৈ থাকে, গতিকে দুয়োটা শাখায়ে ভাষাৰ আভ্যন্তৰীণ শাখাৰ ভিতৰুৱা।

ভাষাবিজ্ঞানৰ যিবোৰ শাখাৰ অধ্যয়ন কেৱল ভাষাৰ গাঁথনিক দিশটোতে সীমাবদ্ধ হৈ নাথাকি অন্যান্য বিষয়ো ইয়াত সম্পৃক্ত হৈ পৰে সেইবোৰ শাখাই ভাষাবিজ্ঞানৰ বাহ্যিক শাখা। যেনে- সমাজ-ভাষাবিজ্ঞান বা কম্পিউটাৰ-ভাষাবিজ্ঞান। সমাজ-ভাষাবিজ্ঞানত ভাষাৰ আলোচনাৰ লগতে সমাজতত্ত্বৰ বিভিন্ন তাত্ত্বিক দিশবো বিচাৰ বিশ্লেষণৰ প্ৰয়োজন আহি পৰে। সমাজতত্ত্বৰ বিভিন্ন সূত্ৰ, উপপাদ্য আদি অবিহনে সমাজ-ভাষাবিজ্ঞানৰ অধ্যয়ন সম্ভৱ হৈ নুঠে। গতিকে, এই ক্ষেত্ৰত দেখা যায় যে ভাষাবিজ্ঞান আৰু সমাজবিজ্ঞানৰ দ্বৈত ৰূপৰ সমাহাৰতহে সমাজ-ভাষাবিজ্ঞান শাখাটো গঢ় লৈ উঠিছে। যিহেতু সমাজ-ভাষাবিজ্ঞান শাখাটোত ভাষাৰ পৰিধিৰ বাহিৰৰ এটা বিষয়ৰ সংয়োজন ঘটিছে, সেয়েহে এই শাখাটো ভাষাবিজ্ঞানৰ বাহ্যিক শাখাৰ অন্তৰ্ভুক্ত কৰিব পাৰি। একেদৰে, কম্পিউটাৰ-ভাষাবিজ্ঞানৰ ক্ষেত্ৰতো ভাষাৰ লগতে কম্পিউটাৰৰ বিভিন্ন সূত্ৰ তত্ত্বাদিৰ কথা সাঙোৰ খাই থাকে। সেয়েহে ইও ভাষাবিজ্ঞানৰ বাহ্যিক শাখাৰ ভিতৰুৱা।

বিশিষ্ট ভাষাবিজ্ঞানী জন্ লিয়ন্সে (John Lyons) Language and Linguistics : An Introduction নামৰ গ্ৰন্থখনত ভাষাবিজ্ঞানক চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰিছে। এই ভাগ চাৰিটা হ'ল-

(ক) সাধাৰণ ভাষাবিজ্ঞান (General Linguistics) আৰু বৰ্ণনামূলক ভাষাবিজ্ঞান (Descriptive Linguistics)

(খ) ঐতিহাসিক ভাষাবিজ্ঞান (Diachronic Linguistics) আৰু সমকালীন ভাষাবিজ্ঞান (Synchronic Linguistics)

(গ) তাত্ত্বিক ভাষাবিজ্ঞান (Theoritical Linguistics) আৰু প্ৰায়োগিক ভাষাবিজ্ঞান (Applied Linguistics)

(ঘ) অনু-ভাষাবিজ্ঞান (Micro Linguistics) আৰু অখণ্ড ভাষাবিজ্ঞান (Macro Linguistics)

সাধাৰণ ভাষাবিজ্ঞানে ভাষাৰ গঠনগত দিশসমূহৰ তাত্ত্বিক ভিত্তি নিৰ্মাণ কৰে। ভাষাৰ স্বৰূপ, বিভিন্ন অংগ, ভাষাৰ কাৰ্য-প্ৰণালী আদিৰ বিষয়ে সাধাৰণ ভাষাবিজ্ঞানত অধ্যয়ন কৰা হয়। এই তত্ত্বসমূহ কম বেছি পৰিমাণে সকলোবোৰ ভাষাৰ ক্ষেত্ৰতে প্ৰযোজ্য। বৰ্ণনামূলক ভাষাবিজ্ঞানে যিকোনো এটা বা তাতোধিক ভাষাৰ গঠন প্ৰণালী বিশ্লেষণ কৰে। এই বিশ্লেষণত সাধাৰণ ভাষাবিজ্ঞানৰ তত্ত্বসমূহকে আধাৰ হিচাপে লোৱা হয়। ঐতিহাসিক ভাষাবিজ্ঞানত কোনো ভাষাৰ ইতিহাস নিৰ্মাণৰ চেষ্টা কৰা হয়। কোনো ভাষাৰ ঐতিহাসিক ৰূপৰ স্বৰূপ উদ্‌ঘাটন আৰু ক্ৰমবিকাশৰ আলোচনাই ঐতিহাসিক ভাষাবিজ্ঞানৰ অন্তৰ্ভুক্ত। সমকালীন ভাষাবিজ্ঞান হ'ল কোনো এটা ভাষাৰ এক নিৰ্দিষ্ট সময়ৰ ভাষিক স্বৰূপটোৰ বিশ্লেষণ। তাত্ত্বিক ভাষাবিজ্ঞানত ভাষাৰ বিভিন্ন অংগৰ তত্ত্বসমূহ নিৰূপণ কৰাৰ চেষ্টা কৰা হয়। সাধাৰণ ভাষাবিজ্ঞান আৰু তাত্ত্বিক ভাষাবিজ্ঞানে মূলতঃ একে ধৰণেই ভাষাৰ আলোচনা আগবঢ়ায়। যদিও জন্ লিয়ন্সে সাধাৰণ ভাষাবিজ্ঞান আৰু তাত্ত্বিক ভাষাবিজ্ঞান বুলি দুটা ভাগ দেখুৱাইছে, ওপৰ উল্লিখিত গ্ৰন্থতে দুয়োটাৰে মাজত কোনো পাৰ্থক্য নাই বুলিও উনুকিয়াই থৈছে। অনু-ভাষাবিজ্ঞানে কোনো ভাষাৰ ভাষা-প্ৰণালীৰ গঠনগত ৰূপৰ বিশ্লেষণ আগবঢ়ায় আৰু ভাষাবিশেষৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ তত্ত্ব নিৰ্ণয়ৰ চেষ্টা কৰে। আনহাতে অখণ্ড ভাষাবিজ্ঞানত ভাষাৰ সৈতে জড়িত সকলো বিষয়ৰ যেনে ভাষা আৰু সমাজ-সংস্কৃতি, ভাষা আৰু মনস্তত্ত্ব আদিৰ পুংখানুপুংখ অধ্যয়ন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ জন লিয়েঞ্চে ভাষাবিজ্ঞানৰ শাখাক কি কি ভাগত ভাগ কৰিছে আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

ভাষাবিজ্ঞানী জীন্ আইচিচনে উল্লেখ কৰা ভাষাবিজ্ঞানৰ পৰিধিৰ ভিত্তিত ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহক ওপৰত মূলতঃ দুটা ভাগত ভাগ কৰি দেখুওৱা হৈছে আৰু ভাষাবিজ্ঞানী জন্ লিয়ন্সে উল্লেখ কৰা চাৰি প্ৰকাৰ ভাগৰো ওপৰত থূলমূলকৈ এটি পৰিচয় প্ৰদান কৰা হৈছে। কিন্তু ঊনবিংশ শতিকাত বিশেষকৈ ফাৰ্ডিনাণ্ড দ্য চ্যাচ্যুৰ (Ferdinand de Saussure)ৰ Course de linguistique generale নামৰ যুগান্তকাৰী গ্ৰন্থখন প্ৰকাশৰ পিছৰে পৰা ভাষা অধ্যয়নৰ দৃষ্টিভঙ্গী আৰু পৰিধি বিভিন্ন দিশত নতুন নতুন ধাৰাৰ মাধ্যমেৰে বিকাশিত হৈ ফলে ফুলে জাতিষ্কাৰ হৈছে। সেয়েহে, ভাষাবিজ্ঞানৰ বিকাশৰ তীব্ৰ গতিৰ সময়ছোৱাত সম্প্ৰতি ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহক ভিন্ন দৃষ্টিভঙ্গীৰে তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি—

সময় আৰু সমাজ-সাংস্কৃতিক-ভৌগোলিক ভিন্নতা অনুসৰি—

সমকালীন ভাষাবিজ্ঞান

ঐতিহাসিক ভাষাবিজ্ঞান

উপভাষা বিজ্ঞান

দৃষ্টিভঙ্গী অনুসৰি-

পৰম্পৰাগত ব্যাকৰণ

গাঁথনিক ব্যাকৰণ

ৰূপান্তৰ পৰিজনন ব্যাকৰণ

ভাষা বিশ্লেষণৰ স্তৰ অনুসৰি-

ধ্বনিতত্ত্ব

ৰূপতত্ত্ব

অৰ্থতত্ত্ব

বাক্যতত্ত্ব

অন্যান্য বিষয়ৰ লগত থকা ভাষাৰ সম্পৰ্ক অনুসৰি-

সমাজ-ভাষাবিজ্ঞান

মনো-ভাষাবিজ্ঞান

প্ৰায়োগিক ভাষাবিজ্ঞান

নৃতাত্ত্বিক ভাষাবিজ্ঞান

ভূ-ভাষাবিজ্ঞান



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আধুনিক ভাষাবিজ্ঞানৰ শাখা প্ৰশাখাক কেনেদৰে ভাগ কৰি আলোচনা কৰিব পাৰি আলোচনা কৰক।

(১৫০ শ ৰৰ ভিতৰত)

.....

৪.৩.১ সময় আৰু সমাজ-সাংস্কৃতিক-ভৌগোলিক ভিন্নতা অনুসৰি

সময় আৰু সমাজ-সাংস্কৃতিক-ভৌগোলিক ভিন্নতা অনুসৰি ভাষাবিজ্ঞানক তিনিটা শাখাত ভগাব পাৰি। তলত এই তিনিওটা শাখাৰ চমু পৰিচয় আগবঢ়োৱা হ'ল—

সমকালীন ভাষাবিজ্ঞান (Synchronic Linguistics) ঃ

সমকালীন ভাষাবিজ্ঞানত কোনো ভাষা বিশেষৰ এটা নিৰ্দিষ্ট কালৰ ভাষিক ৰেহ-ৰূপ, গতি-প্ৰকৃতি আদিৰ অধ্যয়ন কৰা হয়। ভাষাটোৰ ইতিহাস অথবা ঐতিহাসিক ক্ৰমবিকাশক সমকালীন ভাষাবিজ্ঞানত গুৰুত্ব প্ৰদান কৰা নহয়। এটা নিৰ্দিষ্ট সময়ত

এটা ভাষাৰ ধ্বনি প্ৰণালী, ৰূপ গঠনৰ বৈশিষ্ট্য, বাক্যতাত্ত্বিক বৈশিষ্ট্য, অৰ্থতত্ত্ব আদি গাঁথনিক দিশৰ পুংখানুপুংখ বিশ্লেষণতে সমকালীন ভাষাবিজ্ঞানৰ অধ্যয়ন সীমিত হৈ থাকে। ভাষাটোৰ অতীত অথবা ভৱিষ্যত সম্পৰ্কে এই শাখাই কোনো আলোচনা আগনবঢ়ায়।

সমকালীন ভাষাবিজ্ঞানৰ মূল প্ৰৱক্তাজন হ'ল ফাৰ্ডিণাণ্ড দ্য চ্যচ্যুৰ। চ্যচ্যুৰেই পোনপ্ৰথমবাৰৰ বাবে synchronic শব্দটোৰ ব্যৱহাৰ কৰিছিল। চ্যচ্যুৰৰ আগলৈকে ভাষা চৰ্চাৰ ইতিহাস ভাষাৰ ঐতিহাসিক (diachronic) আৰু তুলনামূলক (comparative) অধ্যয়নতে সীমিত আছিল। চ্যচ্যুৰে diachronicৰ বিপৰীতে ভাষা অধ্যয়নৰ যি নতুন দৃষ্টিভঙ্গী দাঙি ধৰিছিল তাক বুজাবলৈকে synchronic শব্দটোৰ প্ৰয়োগ কৰিছিল। চ্যচ্যুৰৰ মতে ভাষা হ'ল জীৱন্ত সম্পদ আৰু একোটা ভাষাৰ বিশুদ্ধ ৰূপটো জানিবলৈ হ'লে ভাষাটো সামগ্ৰিক ৰূপত অধ্যয়ন কৰিব লাগিব কিয়নো ভাষা মানৰ মগজু সৃষ্ট আৰু ইয়াৰ উপাদানবোৰ সমাজ-সাংস্কৃতিক পটভূমিত গ্ৰন্থিত। ঐতিহাসিক বা তুলনামূলক ভাষাচৰ্চাত খণ্ড খণ্ডকৈ কৰা অধ্যয়নৰ জৰিয়তে ভাষাৰ প্ৰকৃত স্বৰূপ সন্দৰ্ভত অৱগত হ'ব নোৱাৰি।

চ্যচ্যুৰৰ ভাষা বিশ্লেষণৰ এই নৱতম চিন্তা কেতবোৰ মৌলিক সিদ্ধান্তৰ ওপৰত প্ৰতিস্থিত। এই সিদ্ধান্তসমূহৰ ভিতৰত উল্লেখযোগ্য কিছুমান সিদ্ধান্ত হ'ল—

(১) ভাষাৰ ক্ৰমকালিক (diachronic) আৰু সমকালীন (synchronic) ৰূপৰ পাৰ্থক্য নিৰূপণ কৰি সমকালীন ৰূপত গুৰুত্ব আৰোপ কৰা।

(২) ভাষাৰ দ্বৈত ৰূপ যেনে, ভাষা-প্ৰণালী (Langue) আৰু ভাষা-ব্যৱহাৰ বা মাত -কথাৰ (Parole) মাজত বিভাজন দেখুৱাই ভাষা-প্ৰণালীৰ বিশ্লেষণৰ প্ৰতি দৃষ্টি আকৰ্ষণ।

(৩) চিহ্নৰ সৈতে ভাবৰ সংযোগত সৃষ্টি হোৱা ভাষাৰ উপাদান ঃ ধ্বনি বা আখৰ অৰ্থাৎ সূচক (Signifier) আৰু অৰ্থ বা সূচিতৰ (Signified) সম্পৰ্কৰ সূক্ষ্ম বিচাৰ।

(৪) বাক্যত ব্যৱহৃত চিহ্নবোৰৰ পাৰস্পৰিক বিৰোধমূলক সহাবদ্ধ (Syntagmatic) সম্পৰ্ক আৰু এই চিহ্নৰ সৈতে সংশ্লিষ্ট ভাষাৰ অংশ বিশেষ অথচ বাক্যত অনুপস্থিত অন্যান্য চিহ্নৰ সম্পৰ্ক, অৰ্থাৎ ক্ৰমাবদ্ধ বা আনুষঙ্গিক (Paradigmatic) সম্পৰ্কৰ গাঁথনিক সঙ্গতিৰ বিচাৰ-বিশ্লেষণ।

যিদৰে উদ্ভিদ বিজ্ঞানীয়ে ফুলৰ বিভিন্ন অংশ ভাগ ভাগকৈ বিচাৰি উলিয়াই ফুলপাহৰ সামগ্ৰিক তথা পূৰ্ণাঙ্গ অধ্যয়ন কৰাৰ চেষ্টা কৰে, সেইদৰেই সমকালীন ভাষাবিজ্ঞানীয়েও ভাষাবিশেষৰ এটা নিৰ্দিষ্ট সময়ৰ স্বৰূপক তন্ন তন্নকৈ বিচাৰি উলিয়াই সেইবোৰৰ বিশ্লেষণ কৰে।

সমকালীন আৰু বৰ্ণনামূলক ভাষাবিজ্ঞানৰ মাজত কোনো পাৰ্থক্য নথকা

যেন লাগিলেও বিশিষ্ট ভাষাবিজ্ঞানী এইচ. এফ. হকেটে দুয়োটাৰ মাজত এডাল সূক্ষ্ম সীমাৰেখা টানি দেখুৱাইছে। হকেটৰ মতে বৰ্ণনাত্মক ভাষাবিজ্ঞানত একোটা ভাষাৰ বিভিন্ন ব্যক্তি, গোষ্ঠী বা অঞ্চল অনুসৰি থকা পাৰ্থক্যবোৰত দৃষ্টি নিক্ষেপ কৰা নহয়। আনহাতে, সমকালীন ভাষাবিজ্ঞানত ভাষা সম্প্ৰদায় এটাৰ মাজত প্ৰচলিত সাধাৰণ ৰূপৰ উপৰি ব্যক্তি, গোষ্ঠী, অঞ্চল অনুযায়ী বিয়পি থকা ভাষিক ভিন্নতাবোৰবোৰ অধ্যয়ন সন্নিৱিষ্ট কৰা হয়।

ঐতিহাসিক ভাষাবিজ্ঞান (Diachronic Linguistics) ঃ

ঐতিহাসিক ভাষাবিজ্ঞানক কালক্ৰমিক ভাষাবিজ্ঞান বুলিও কোৱা হয়। ইংৰাজী Diachronic শব্দটোৰ Dia-ৰ অৰ্থ হ'ল *অতিক্ৰম কৰি* বা *পাৰ হৈ অহা* আৰু chronic অংশটোৰ অৰ্থ হ'ল *সময়* বা *কাল*। এটা ভাষাৰ বিভিন্ন কালৰ ৰূপ অৰ্থাৎ ভাষাৰ সময়ৰ সোঁতত কেনেদৰে পৰিৱৰ্তন আৰু বিকাশ হয়, তাৰ আলোচনাই ঐতিহাসিক ভাষাবিজ্ঞানত কৰা হয়। ভাষাবিজ্ঞানৰ এই শাখাত ভাষাবিশেষৰ মূল উৎস নিৰ্ণয় কৰাৰ চেষ্টা কৰা হয়, ভাষাটোৰ বিকাশৰ প্ৰতিটো স্তৰৰ স্বৰূপসমূহ নিৰ্মাণ কৰাৰ প্ৰয়াস কৰা হয়। বিকাশৰ প্ৰতিটো স্তৰৰ ভাষাতাত্ত্বিক দিশ যেনে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আদিৰ বিশ্লেষণ আগবঢ়োৱাৰ চেষ্টা কৰা হয়। যিহেতু ঐতিহাসিক ভাষাবিজ্ঞানত সময় আৰু দূৰত্বই ভাষালৈ অনা বিভিন্ন স্তৰৰ ৰূপ দেখুৱাব লগীয়া হয়। সেয়েহে, ঐতিহাসিক ভাষাবিজ্ঞানীয়ে ইতিহাস বিশ্লেষণ কৰোঁতে বৰ্ণনাত্মক পদ্ধতিৰ আশ্ৰয় লয়। ভাষাতত্ত্ববিদ ৰমেশ পাঠকৰ মতে এই কাৰণতেই বৰ্ণনাত্মক ভাষাবিজ্ঞান ঐতিহাসিক ভাষাবিজ্ঞানৰ ভেটিস্বৰূপ।

ঐতিহাসিক ভাষাবিজ্ঞানত ভাষাৰ ক্ৰমবিকাশ অধ্যয়ন দুটা দিশত কৰা হয়। এটা হ'ল- ব্যক্তিগত ভাষাৰ বিৱৰ্তন তত্ত্ব (Linguistic Ontogeny) আৰু আনটো হ'ল জাতি বৃত্তীয় ভাষা তত্ত্ব (Linguistic Phylogeny)। ব্যক্তিগত ভাষাৰ বিৱৰ্তন তত্ত্ব (Linguistic Ontogeny) হ'ল এজন মানুহৰ শৈশৱৰ পৰা মৃত্যু পৰ্যন্ত তেওঁৰ ভাষা শিক্ষা কিদৰে সময়ৰ গতিত সমান্তৰালভাৱে বিৱৰ্তিত হয় তাৰ অধ্যয়ন আৰু জাতি বৃত্তীয় ভাষা তত্ত্ব (Linguistic Phylogeny) হ'ল ব্যক্তি নিৰপেক্ষভাৱে একোটা ভাষা সম্প্ৰদায়ৰ ভাষাৰ ক্ৰমগতিৰ অধ্যয়ন।

যি ক্ষেত্ৰত আধুনিক ভাষাবিজ্ঞানত মূলতঃ ভাষাৰ কথিত ৰূপটোকহে মুখ্য সমল ৰূপে লৈ অধ্যয়ন কৰা হয়, তাৰ বিপৰীতে ঐতিহাসিক ভাষাবিজ্ঞানত ভাষাৰ কথিত ৰূপটো বস্তুগতভাবে বিচাৰি পোৱা নাযায়। সেয়েহে, ভাষাবিজ্ঞানীজনে ভাষাৰ লিখিত ৰূপবোৰহে সমল ৰূপে ল'বলগীয়া হয়। সেয়েহে, ঐতিহাসিক ভাষাবিজ্ঞানীয়ে ভাষাৰ বিভিন্ন লিখিত উৎস যেনে, প্ৰাচীন গ্ৰন্থ, শিলালিপি, তাম্ৰলিপি, বিভিন্ন ফলি আদিক সমল ৰূপে লৈহে ভাষা বিশ্লেষণত নিমগ্ন হয়।

ঊনবিংশ শতিকা আৰু কুৰি শতিকাৰ আদি ভাগৰ ভাষাবিজ্ঞান ঘাইকৈ

ঐতিহাসিক ভাষাবিজ্ঞান। ইয়াৰ সূচনা হৈছিল Anglo-Saxonৰ পৰা ইংৰাজী ভাষাৰ ঐতিহাসিক বিকাশৰ অনুসন্ধানৰ ফলত। ভাৰতীয় ব্যাকৰণ চৰ্চাৰ খবৰ পাশ্চাত্যই পোৱাৰ পিছতহে এনে চৰ্চাত আলোড়নৰ সৃষ্টি হৈছিল। জে. আৰ. ফিৰ্থৰ মতে ভাৰতীয় বৈয়াকৰণ আৰু ধ্বনিবিজ্ঞানীক বাদ দি ঊনবিংশ শতিকাৰ ধ্বনিবিজ্ঞানৰ কথা ভাবিবই নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ সমকালীন ভাষাবিজ্ঞান আৰু ঐতিহাসিক ভাষাবিজ্ঞান বুলিলে কি বুজে লিখক। (১৫০ শব্দৰ ভিতৰত)

.....


উপভাষাবিজ্ঞান (Dialectology) ঃ

কোনো এটা উপভাষা বা উপভাষা সমষ্টিৰ অধ্যয়নেই হ'ল উপভাষাবিজ্ঞান। উপভাষা হ'ল কোনো ভাষাৰ আঞ্চলিক ৰূপ বা শ্ৰমিক-কৃষক আদি সৰ্বসাধাৰণ লোক-সমষ্টিৰ মাজত এটা ভাষাৰ যি অশিষ্ট, নিম্ন মান বিশিষ্ট ৰূপ এটা প্ৰচলিত হৈ থাকে তাকে উপভাষা বোলা হয়। অৰ্থাৎ ভাষাৰ মান্য বা শিষ্ট ৰূপৰ আঁতৰৰ কথ্য ৰূপটোকে সচৰাচৰ উপভাষা বুলি ধৰা হয়। ভাষাতত্ত্ববিদ ৰমেশ পাঠকৰ মতে, এটা ভাষা যেতিয়া বিস্তীৰ্ণ অঞ্চলত বিয়পি পৰে তেতিয়া দেখা যায় যে সামাজিক স্তৰ আৰু ভৌগোলিক অৱস্থান অনুসৰি ভাষাটোত কিছুমান বৈশিষ্ট্যই মূৰ দাঙি উঠে। একেখন গাঁও বা অঞ্চলত বাস কৰা বাবেই হওক বা একে সামাজিক স্তৰৰ বাবেই হওক যিসকল লোকৰ যোগাযোগ সঘনে হৈ থাকে তেওঁলোকৰ ভাষা ৰূপৰ মাজত সাদৃশ্য বিচাৰি পোৱা যায়। আনহাতে যিসকলৰ মাজত এনে যোগাযোগ শূন্য বা অতি কম সেইসকলৰ মাজত ভাষা ৰূপৰ পাৰ্থক্যই বিৰাজ কৰে। একোটা অঞ্চল আৰু স্তৰৰ সমৰূপতা থকা বিশেষ বৈশিষ্ট্যযুক্ত ভাষাৰূপটোকে উপভাষা বুলি কোৱা হয়। Dialect শব্দটো ৰেনেছাঁ যুগত গ্ৰীক ভাষাৰ পৰা ইংৰাজীত ব্যৱহাৰ কৰা হৈছিল। প্ৰকৃততে ইংৰাজীত ভাষা আৰু উপভাষা শব্দ দুটাৰ পাৰ্থক্য গ্ৰীক সংস্কৃতিৰ প্ৰভাৱতে হৈছিল। সাম্প্ৰতিক কালত উপভাষাৰ অধ্যয় আৰু গৱেষণাৰ জনপ্ৰিয়তাই ইয়াক ভাষাবিজ্ঞানৰ এটা স্বতন্ত্ৰ শাখাৰূপে প্ৰতিষ্ঠা কৰিছে।

প্ৰায় সকলো ভাষাৰ ক্ষেত্ৰতেই স্থান আৰু শ্ৰেণী অনুযায়ী ভাষিক বিভিন্নতা দেখা পোৱা যায়। কিন্তু ভাষাবিজ্ঞানীসকলে ভাষাৰ অধ্যয়নত প্ৰণালীৱদ্ধভাৱে উপভাষা অধ্যয়নৰ প্ৰতি বিশেষ মনোযোগ দিবলৈ আৰম্ভ কৰে ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ পৰাহে। প্ৰকৃতাৰ্থত ভাষাৰ ভৌগোলিক পাৰ্থক্য নিৰ্ণয়ৰ বা এটা ভাষাৰ উপভাষাৰ বিশেষত্ব চিনাক্তকৰণৰ বাবে সৰ্বপ্ৰথমে জৰীপমূলক কাম হাতত লৈছিল

জাৰ্মানীৰ George Wenker এ ১৮৭৬ চনত। পৰৱৰ্তী সময়তW. Mitzka ই ১৯৩৯ চনত আৰু Marius Kristensen এ ১৯১২ চনত উপভাষা সম্পৰ্কীয় প্ৰকল্প হাতত লৈছিল। অসমীয়া ভাষাত বাণীকান্ত কাকতিয়ে এই সম্পৰ্কে সৰ্বপ্ৰথম আলোচনা কৰি পথ প্ৰদৰ্শকৰ কাম কৰিছিল। তেওঁৰ বিখ্যাত গৱেষণা গ্ৰন্থ Assamese: Its Formation and Development ত অসমীয়া ভাষাৰ উজনি আৰু কামৰূপী উপভাষাৰ ভাষাগত পাৰ্থক্যৰ চমু বিশ্লেষণ আগবঢ়াইছিল।

এটা ভাষাৰ বিভিন্নতাক ব্যৱহাৰ কৰাৰ ধৰণ অনুযায়ী দুটা প্ৰধান ভাগত কৰিব পাৰি। এই ভাগ দুটা হ'ল - আঞ্চলিক আৰু সামাজিক। যেতিয়া ৰাজনৈতিক, সামাজিক ভৌগোলিক আদি কাৰণত দুটা অঞ্চলৰ মাজত যোগাযোগ স্তব্ধ হয় তেতিয়া দুই ভূখণ্ডৰ ভাষিক প্ৰয়োগৰ মাজত বিভিন্নতাই দেখা দিয়ে আৰু সি হয়গৈ ভৌগোলিক উপভাষা। আনহাতে, সাংস্কৃতিক-অৰ্থনৈতিক, শিক্ষা-দীক্ষা আদিৰ কাৰণত একে ভাষা সম্প্ৰদায়ৰ মাজত জাতিগতভাৱে বা শ্ৰেণীগতভাৱেও ভাষিক বিভিন্নতা গঢ়ি উঠিব পাৰে। ব্যক্তি বৈশিষ্ট্যৰ আলমত গঢ়লৈ উঠা এনে উপভাষাক সামাজিক উপভাষা বুলি কোৱা হয়। ৰেখাচিত্ৰত সহায়ত এই ভাগ তলত দিয়া ধৰণে বুজিব পাৰি—



আনুভূমিকভাৱে থকা ৰেখাডালে ভাষাৰ ভৌগোলিক বিভিন্নতাক সূচাইছে আৰু লম্বভাৱে থকা ৰেখাডালে ভাষাটোৰ সামাজিক বিভিন্নতাক সূচাইছে।

উপভাষাবিজ্ঞানত প্ৰতিটো উপভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দতাত্ত্বিক আৰু বাক্যতাত্ত্বিক বিশেষত্বসমূহ অধ্যয়ন কৰা হয় আৰু একোটা উপভাষাৰ ভাষাক্ষেত্ৰ চিনাক্ত কৰা হয়। উপভাষাবিজ্ঞানে ভাষা ব্যৱহাৰৰ লগত জাতিগত, লিঙ্গগত আৰু অৰ্থনৈতিক অৱস্থাৰ সম্পৰ্ক দাঙি ধৰে।



জানি থোৱা ভাল

সমাজভাষাবিজ্ঞান অনুসৰি কোনো এটা ভাষা-সম্প্ৰদায়ৰ ভিতৰত অধিক প্ৰতিপত্তিযুক্ত উপভাষাটোকেই মান্য ভাষাৰ মৰ্যাদা প্ৰদান কৰা হয়। মান্য ভাষা দৰাচলতে অন্যান্য উপভাষাতকৈ ঊৰ্ধ্ব স্থান লাভ কৰা একোটা উপভাষায়ে হয়।

৪.৩.২ দৃষ্টিভঙ্গী অনুসৰি

দৃষ্টিভঙ্গী অনুসৰিও ভাষাবিজ্ঞানৰ অধ্যয়নক কেতবোৰ শাখাত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত দৃষ্টিভঙ্গী অনুসৰি ভাষাবিজ্ঞানৰ শাখাসমূহৰ চমু পৰিচয় প্ৰদান কৰা হ'ল।

পৰম্পৰাগত ব্যাকৰণ ঃ

ভাষা চৰ্চাৰ প্ৰাৰম্ভিক কালৰ পৰা ঊনবিংশ শতিকাৰ প্ৰথম দুটা দশকলৈ অব্যাহত থকা ভাষা-অধ্যয়নৰ যি ধাৰা তাকেই পৰম্পৰাগত ব্যাকৰণ বুলি অভিহিত কৰা হয়। দৰাচলতে, প্ৰাচীন কালৰ পৰা আধুনিক ভাষাবিজ্ঞানৰ উৎপত্তি নোহোৱা পৰ্যন্ত ভাষা অধ্যয়নৰ যি ৰেহৰূপ তাকেই পৰম্পৰাগত বুলি মান্যতা প্ৰদান কৰা হয়। ভাষা চৰ্চাৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে ভাৰতবৰ্ষত বৈদিক কালৰ পৰাই ভাষা বিষয়ৰ আলোচনাৰ এক পৰম্পৰা বিৰাজমান। পঞ্চম শতিকাত ৰচিত পাণিনিৰ অষ্টাধ্যায়ী নামৰ ব্যাকৰণখন এই ক্ষেত্ৰত চিৰ স্মৰণযোগ্য। আনহাতে পাশ্চাত্যৰ গ্ৰীচ দেশতো ভাষা চৰ্চাৰ এক পৰম্পৰা দেখা পোৱা যায়। অৱশ্যে, পাণিনিৰ ব্যাকৰণেই হওঁক বা গ্ৰীক ভাষাৰ প'য়েটিকছ গ্ৰন্থত থকা ভাষা বিষয়ক আলোচনাই হওঁক, দুয়ো প্ৰকাৰ পৰম্পৰাতেই ভাষা চৰ্চা একপ্ৰকাৰ নিৰ্দেশাত্মক বিধান। ভাষাৰ শুদ্ধ অশুদ্ধ প্ৰয়োগৰ চৰ্চাতেই এই আলোচনা সীমাবদ্ধ। গতিকে, পৰম্পৰাগত ব্যাকৰণৰ ধাৰাটো বিশুদ্ধ ভাষাবিজ্ঞানৰ অন্তৰ্গত বুলি ক'ব নোৱাৰি।

অৱশ্যে, আধুনিক ভাষাবিজ্ঞানৰ যি অগ্ৰগতি আৰু সাম্প্ৰতিক কালৰ স্বৰূপ এক পৰম্পৰাৰ ভেটিতেই গঢ় লৈ উঠিছে, সেয়েহে পৰম্পৰাগত ব্যাকৰণৰ চৰ্চাকো ভাষাবিজ্ঞানৰ এক শাখাৰ মৰ্যাদাৰে বিভূষিত কৰিব পাৰি। প্ৰাচীন কালৰ ভাষা বিষয়ক চৰ্চাক ভাষাবিজ্ঞান নুবুলি ব্যাকৰণ বুলিহে কোৱা হৈছিল। আনহাতে, ব্যাকৰণ ৰচনাৰ ধাৰা আজিও অব্যাহত আছে যদিও, আজিৰ ব্যাকৰণ যথেষ্ট বিজ্ঞানসন্মত আৰু তত্ত্বপূৰ্ণ। এইক্ষেত্ৰত পৰম্পৰাগত ব্যাকৰণ আৰু সাম্প্ৰতিক ব্যাকৰণৰ বিভেদসমূহ জানি থোৱাটো নিশ্চয় ভাল হ'ব। গতিকে, তলত চমুকৈ পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণৰ ভিন্নতাবোৰ ভাষাতত্ত্ববিদ খগেশ সেন ডেকাই ব্যাখ্যা কৰাৰ দৰে চমুকৈ উল্লেখ কৰা হ'ল—

(ক) পৰম্পৰাগত ব্যাকৰণ অষ্টাদশ শতিকাৰ আগৰ সৃষ্টি; আনহাতে, আধুনিক ব্যাকৰণ বিংশ শতিকাত বিকশিত ভাষাবৈজ্ঞানিক সূত্ৰৰ আধাৰত প্ৰতিস্থিত।

(খ) পৰম্পৰাগত ব্যাকৰণ অসংহত, বিশৃংখল আৰু বাহুল্যধৰ্মী; আনহাতে, আধুনিক ব্যাকৰণ সুসংবদ্ধ, সুসৃংখল আৰু চুম্বকধৰ্মী।

(গ) আধুনিক ব্যাকৰণত ভাষাৰ কথিত ৰূপৰ পৰা আহৰিত বাস্তৰ তথ্যৰ বিশ্লেষণ থাকে, পৰম্পাৰগত ব্যাকৰণত লিখিত ৰূপ - বিশেষকৈ সাহিত্যৰ ভাষাক অগ্ৰাধিকাৰ দিয়া হয়।

(ঘ) পৰম্পৰাগত ব্যাকৰণবিদে সকলো ভাষাকে সদৃশ বুলি গণ্য কৰে, ইয়াৰ বিপৰীতে আধুনিক ব্যাকৰণে জগতৰ প্ৰতিটো ভাষাৰে স্বকীয় গঠন-ৰীতিলৈ লক্ষ্য কৰি প্ৰত্যেককে সুকীয়া মৰ্যাদা দিয়ে।

(ঙ)আধুনিক ব্যাকৰণ বস্তুনিষ্ঠ, আনহাতে পৰম্পৰাগত ব্যাকৰণ বিষয়নিষ্ঠ।

(চ) পৰম্পৰাগত ব্যাকৰণ ব্যাখ্যামূলক; আনহাতে, আধুনিক ব্যাকৰণ বিৱৰণমূলক।

(ছ) পৰম্পৰাগত ব্যাকৰণ নিদানধৰ্মী বা নিৰ্দেশমূলক নিয়ম বিধিৰ সমষ্টি। ভাষাৰ ভুল-শুদ্ধৰ বিচাৰ ইয়াৰ ঘাই প্ৰতিপাদ্য বিষয়। আনহাতে, আধুনিক ব্যাকৰণ ভাষাৰ বৰ্ণ, প্ৰাকৃতি, খণ্ডবাক্য, গৰ্ভবাক্য, বাক্য আদিৰ আৱিস্কাৰক। ইয়াত ভাষাৰ যথাযথ ৰূপটোৰ বিশ্লেষণহে দাঙি ধৰা হয়।

(জ) পৰম্পৰাগত ব্যাকৰণত ভাষাৰ অৰ্থৰ দিশটোৱে গুৰুত্ব পোৱাৰ বিপৰীতে আধুনিক ব্যাকৰণত ভাষাৰ গঠন-পদ্ধতিয়েহে প্ৰাধান্য লাভ কৰে।

(ঝ) পৰম্পৰাগত ব্যাকৰণৰ ঘাই আৰ্হি হ'ল গ্ৰীক আৰু লেটিন ব্যাকৰণ; আনহাতে, আধুনিক ব্যাকৰণ ভাষাবৈজ্ঞানিক সূত্ৰসমূহৰ আধাৰত প্ৰতিস্থিত।

গাঁথনিক ভাষাবিজ্ঞান ঃ

ভাষাক জীৱন্ত সম্পদ ৰূপে গণ্য কৰি তাৰ সমকালীন ৰূপৰ বিচাৰ-বিশ্লেষণক লৈ উদ্ভৱ হোৱা গঠনবাদী ভাষা-চিন্তাৰ ভিত্তিত ভাষা চৰ্চাৰ যি পৰম্পৰা গঢ় লৈ উঠে তাকে গাঁথনিক ভাষাবিজ্ঞান বুলি কোৱা হয়। ফাৰ্ডিনাণ্ড-দ্য-চ্যুচ্যুৰৰ সমকালীন ভাষাবিজ্ঞানৰ যি চিন্তা আৰু নীতি-পদ্ধতি তাৰ আলমতেই গাঁথনিক ভাষাবিজ্ঞান গঢ় লৈ উঠে। গাঁথনিক ভাষাবিজ্ঞানৰ মূল উদ্দেশ্য হ'ল ভাষা এটাৰ প্ৰতিটো গঠনগত দিশ তন্ন তন্নকৈ বিশ্লেষণ কৰা। সেয়ে এই অধ্যয়নত ভাষাৰ পূৰ্ণাঙ্গ বিজ্ঞানসন্মত বিৱৰণ পোৱা যায়। গাঁথনিক ভাষাতত্ত্ববিদে ভাষাৰ প্ৰতিটো তত্ত্বকে পৰীক্ষনীয় বুলি গ্ৰহণ কৰে আৰু কথিত ভাষাৰ পৰা সামগ্ৰী আহৰণ কৰি ভাষাৰ বিশ্লেষণ কৰে।

এই অধ্যায়ৰ সমকালীন ভাষাবিজ্ঞান অংশত ইতিমধ্যে চ্যচ্যুৰৰ মূল সিদ্ধান্তসমূহ চমুকৈ উল্লেখ কৰা হৈছে। চ্যচ্যুৰৰ এই তত্ত্ব বা সিদ্ধান্তসমূহৰ লগত মার্কিন ধাৰাৰ ফ্ৰেন্জ বৌজ আৰু এডৱার্ড চাপিৰৰ তত্ত্বসমূহৰ মিশ্ৰণ ঘটাই লিওনার্ড ব্লুমফিল্ড আৰু তেওঁৰ অনুগামীসকলে ধ্বনিতত্ত্বৰ গোট হিচাপে বৰ্ণ (Phone) আৰু ৰূপতাত্ত্বিক গোট হিচাপে প্ৰাকৃতি (Morpheme)ৰ পুংখানুপুংখ বিশ্লেষণ আগবঢ়াই একপ্ৰকাৰ গাঁথনিক ভাষাবিজ্ঞানৰ নামৰ শাখাটো প্ৰতিষ্ঠা কৰে। ব্লুমফিল্ডে ভাষাবিজ্ঞানক মনোবিজ্ঞানৰ সম্পৰ্কেৰে চাইছিল। মনোবিজ্ঞানৰ এটা শাখা আচৰণবাদ অনুসৰি মানুহে অভিজ্ঞতা নোহোৱাকৈ কোনো কথা শিকিব নোৱাৰে। ব্লুমফিল্ডেও কৈছিল শিশুৱে ভাষা শিকে প্ৰবৃত্তিৰ প্ৰতি ক্ৰমশঃ সঁহাৰিৰ জৰিয়তে। ইয়াৰ ভিত্তিতেই ভাষাবিজ্ঞানৰ

আচৰণবাদ চিন্তাৰ বিকাশ হয়। এডৱার্ড চাপিৰ আছিল মূলতঃ এজন নৃতত্ত্ববিদ। সেয়েহে, চাপিৰে ভাষাৰ প্ৰকৃতি আৰু বিকাশক নৃতাত্ত্বিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰি চাইছিল আৰু ভাষাৰ পটভূমিত ব্যক্তিৰ সামাজিক-সাংস্কৃতিক, দার্শনিক ঐতিহ্য আৰু পৰম্পৰাবোৰৰ ভূমিকাক গুৰুত্ব সহকাৰে লৈছিল। চাপিৰৰ দৃষ্টিভঙ্গীৰ আলমতেই পৰৱর্তী সময়ত নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ বিকাশ সাধন হয়।

ভাষাৰ বস্তুনিষ্ঠ আৰু প্ৰণালীবদ্ধ বিশ্লেষণৰ প্ৰতি দায়বদ্ধতা গাঁথনিক ভাষাবিজ্ঞানৰ অন্যতম অবিহণা। এই শাখাৰ অধ্যয়নত ভাষাৰ বহিৰঙ্গ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰূপৰ সাদৃশ্য, বৈসাদৃশ্য আৰু বিৰোধৰ আশ্ৰয়ত ক্ৰমাবদ্ধ পদৰ নির্বাচন আৰু সহাবদ্ধ বর্ণ বা পদবোৰৰ সংযোগ প্ৰণালী - ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ বিশ্লেষণ কৰা হয়। গাঁথনিক ভাষাবিজ্ঞানত ধ্বনি, বিশিষ্ট ধ্বনি, উপধ্বনি, ৰূপ, উপৰূপ, মুক্তৰূপ, বদ্ধৰূপ আদিৰ বিতং আলোচনা আগবঢ়োৱা হয়। একপ্ৰকাৰ ভাষা একোটাৰ অন্তর্গত ধ্বনি, ৰূপ বা প্ৰাকৃতি বাক্যৰ আসন্ন অঙ্গৰ বিজ্ঞানসন্মত বিশ্লেষণ দাঙি ধৰাটোৱেই এই শাখাৰ মূল বিশেষত্ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গাঁথনিক ব্যাকৰণ কাক বোলে? এই ব্যাকৰণৰ বিশেষত্বসমূহ উল্লেক কৰক। (১৫০ শ ৰূৰ ভিতৰত)

.....



জানি থোৱা ভাল

ফার্ডিনাণ্ড-দ্য-চ্যাচ্যুৰক আধুনিক ভাষাবিজ্ঞানৰ পিতৃ বুলি অভিহিত কৰা হয়। তেওঁৰ জন্ম ১৮৫৭ চনৰ ২৬ নৱেম্বৰ চাৰিখে চুইটজাৰলেণ্ডৰ জেনেভাত হৈছিল। তেৱেই গাঁথনিক ভাষাবিজ্ঞানৰ প্ৰথমজন প্ৰৱক্তা আছিল।

ৰূপান্তৰ পৰিজনন ব্যাকৰণ (Transformational Generative Grammar) ঃ

সাম্প্ৰতিক কালৰ ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত বহুলভাৱে চর্চিত এটা বিষয় হৈছে ৰূপান্তৰ পৰিজনন ব্যাকৰণ বা ৰূপান্তৰ স্ফোট ব্যাকৰণ। প্ৰখ্যাত আমেৰিকান মনস্তত্ত্ববিদ ন্যোম চম্স্কিয়ে ১৯৫৭ চনত Syntactic Structure নামৰ গ্ৰন্থখনৰ জৰিয়তে ভাষাচর্চাৰ জগতখনলৈ এক অভিনৱ বার্তা কঢ়িয়াই আনে। এই যুগান্তকাৰী গ্ৰন্থখনৰ মাধ্যমেৰে চমস্কিয়ে ব্যাকৰণ প্ৰণয়নৰ নতুন দিগন্তৰ সূচনা কৰে। গাঁথনিক ভাষাবিজ্ঞানৰ আলোচনা

প্ৰসঙ্গত উল্লেখ কৰা হৈছিল যে গঠনবাদী ভাষাতত্ত্ববিদসকলে ভাষাৰ বহিৰঙ্গ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গঠনবাদীসকলে ভাষাৰ কোনো অন্তৰঙ্গ উপাদানৰ উমান পোৱা নাছিল। ন্যোম চমস্কিয়ে ভাষাৰ বহিৰঙ্গ গাঁথনিক দিশৰ বিপৰীতে এক আভ্যন্তৰীণ গঠনৰ সন্ধেদ বিশ্ববাসীলৈ আগবঢ়াই একপ্ৰকাৰ চমৎকাৰৰ সৃষ্টি কৰি তুলিলে। চমস্কিৰ মতে ভাষা-প্ৰণালী কোনো যন্ত্ৰবৎ ব্যৱস্থা নহয়, বৰঞ্চ ই এক সৃষ্টিশীল প্ৰক্ৰিয়া।

ন্যোম চমস্কিৰ সমসাময়িক ভাষাতত্ত্ববিদ হেৰিচ, ৰচ আদিয়ে চমস্কিৰ চিন্তাধাৰাত নতুন তত্ত্ব আৰু অভিনৰ ব্যাখ্যা সংযোগ কৰি ব্যাকৰণ প্ৰণয়নৰ এই নতুন পৰম্পৰাক এক অতিশয় সংহত আৰু গাণিতিক ৰূপ প্ৰদান কৰে। ৰূপান্তৰ পৰিজনন ব্যাকৰণৰ ভিত্তি ভূমি হ'ল কেইটামান বিবাদহীন সাৰ্বজনীন মৌলিক সিদ্ধান্ত। এই সিদ্ধান্তসমূহ হ'ল—

প্ৰতিজন সুস্থ আৰু স্বাভাৰিক জ্ঞান-বুদ্ধি সম্পন্ন শিশুৰ ভাষা আহৰণ কৰিব পৰা অন্তৰ্নিহিত ক্ষমতা (innate capacity) থাকে।

প্ৰত্যেক শিশুৱে মাতৃভাষা আহৰণ কৰোঁতে তাৰ সৃজনী শক্তিৰ প্ৰয়োগ কৰে।

প্ৰতিটো ভাষাতে মানুহে ভাবৰ আদান প্ৰদানৰ কাৰণে ব্যৱহাৰ কৰা বাক্যৰ সংখ্যা অপৰিসীম। কিন্তু সেই বাক্যবোৰ উৎপন্ন বা সৃজন কৰিবলৈ প্ৰয়োগ কৰা নিয়ম-নীতিসমূহ সসীম (finite)।

ভাষাত ব্যৱহৃত প্ৰতিটো বাক্যৰে বাহ্যিক গঠনৰ (surface structure) ওপৰিও এটা মূল আভ্যন্তৰীণ গঠন (deep structure) থাকে।

প্ৰতিজন আদৰ্শ ভাষা ব্যৱহাৰকাৰীৰ ভাষা পটুটা বা ভাষা-সামৰ্থ্য (competence) আৰু ভাষা-কৃতি বা বাগ্-ব্যৱহাৰৰ (performance) মাজত সুস্পষ্ট ভেদ থাকে।

উক্ত সিদ্ধান্তসমূহৰ ভেটিত চমস্কিয়ে মত প্ৰকাশ কৰিছে যে ব্যাকৰণ হ'ব লাগে মাতৃভাষী তথা আদৰ্শ বক্তা-শ্ৰোতাৰ মনত অন্তৰ্লীন হৈ থকা ভাষা-সামৰ্থ্যৰ স্পষ্ট বিৱৰণ। এই ব্যাকৰণ অধিক ব্যাখ্যাত্মক হ'লে, অৰ্থাৎ মাতৃভাষীৰ ভাষা-সামৰ্থ্যৰ প্ৰকৃত বিৱৰণ হ'লে সি নাম পায় উৎপাদক বা সৃজনধৰ্মী বা স্ফোট ব্যাকৰণ। চমস্কিয়ে দেখুৱাইছে যে একোটা সাৰ বাক্য (kernal sentence) ৰ পৰাই ৰূপান্তৰ প্ৰক্ৰিয়া (Transformational) ৰ মাজেৰে সকলো ধৰণৰ বাক্য গঠন কৰিব পাৰি। এটা সাৰ বাক্যক বিভিন্ন নিয়মৰ মাজেৰে ৰূপান্তৰ কৰি প্ৰশ্নবোধক, নঞৰ্থক, কৰ্মবাক্যাত্মক আদিলৈ পৰিৱৰ্তন ঘটাব পাৰি। ৰূপান্তৰ পৰিজনন ব্যাকৰণত এই নিয়মবোৰ (Transformational Rules) ৰ স্পষ্ট, যথাযথ আৰু অবিকলভাৱে বৰ্ণনা কৰা হয়।

চমস্কিয়ে দেখুৱাইছে যে মানুহৰ ভাষা ব্যৱহাৰৰ অন্তৰালত বুদ্ধিদীপ্ত মানসিক বাস্তৱ প্ৰতি মুহূৰ্ততে সক্ৰিয় হৈ থাকে। ৰূপান্তৰ পৰিজনন ব্যাকৰণবিদৰ ঘাই কাম হ'ল

এই বাস্তৱৰ সৈতে সাঙোৰ খাই থকা ভাষা-সম্পদৰ স্বৰূপ উদ্‌ঘাটন কৰা। এই ব্যাক�ৰণত ৰূপান্তৰণ আৰু সৃষ্টিধর্মিতা দুয়োটা বিষয় সম্পৃক্ত হৈ আছে। সেয়েহে ইয়াক ৰূপান্তৰ পৰিজনন বা স্ফোট ব্যাকৰণ বুলি নামকৰণ কৰা হৈছে। ৰূপান্তৰ মানে এটা বাক্যক এটা বর্গৰ পৰা অন্য বর্গলৈ পৰিৱর্তন কৰা আৰু সৃষ্টিধর্মিতা হ'ল সীমিত সংখ্যক নিয়মৰ মাজেৰে অসংখ্য বাক্যৰ সৃজন কৰা।

ৰূপান্তৰ পৰিজনন ব্যাকৰণ তিনিটা ভাগত বিভক্ত- বাক্যতাত্ত্বিক, ধ্বনিতাত্ত্বিক আৰু অর্থতাত্ত্বিক। প্রতিটো ভাগতে কেইবা গোটো নিয়ম থাকে আৰু প্রতিগোট নিয়মে মুঠ চাৰিটা *ধ্বনি, অর্থ* আৰু বাক্যৰ দুই স্তৰ *আভ্যন্তৰীণ গাঁথনি* আৰু *বাহ্যিক গাঁথনি* স্তৰত প্রতিটো বাক্যৰ ভাষাবৈজ্ঞানিক বিৱৰণ প্রদান কৰে। চমস্কিৰ মতে, মানুহে আভ্যন্তৰীণ গাঁথনিত কথাবোৰ ভাবে আৰু বাহ্যিক গাঁথনিত প্রকাশ কৰে। বাহ্যিক গাঁথনিটো ধ্বনিৰে নির্মিত শ্রুতিগ্রাহ্য উপাদান আৰু আভ্যন্তৰীণ গাঁথনিটো হ'ল তাৰ অর্থ। বাহ্যিক গাঁথনিটো শিথিল, অনিয়মিত; আনহাতে আভ্যন্তৰীন গাঁথনিটো নির্দিষ্ট কঠিন নিয়মৰ দ্বাৰা চালিত।

চমস্কি আৱিস্কৃত ব্যাকৰণৰ অন্য এক বিশেষত্ব হ'ল ভাষাগত বিশ্বজনীনতা। পৃথিৱীৰ প্রতিটো ভাষাৰে স্বকীয় ধ্বনি-ৰূপ-বাক্যগত বৈশিষ্ট্য আছে। কিন্তু, সকলো মানুহৰে শাৰীৰিক গঠন আৰু চিৰাচৰিত আবেগ অনুভূতি একে। গতিকে বাক্য গঠনৰ আভ্যন্তৰীণ স্তৰত পৃথিৱীৰ প্রতিটো ভাষাতে সমৰূপতা বর্তমান। এইটোৱেই ভাষাৰ বিশ্বজনীনতা।




জানি থোৱা ভাল

ন্যোম চমস্কি একেৰাহে এজন মনস্তত্ত্ববিদ, ভাষাতত্ত্ববিদ, দার্শনিক, বৈজ্ঞানিক বিশ্লেষক, ৰাজনৈতিক বিশ্লেষক আৰু পৃথিৱী বিখ্যাত বুদ্ধিজীৱী। তেওঁৰ জন্ম আমেৰিকাৰ পিলাডেলফিয়াত ৭ ডিচেম্বৰ, ১৯২৮ চনত হৈছিল। তেওঁৰ সম্পূর্ণ নাম আব্রাহম ন্যোম চমস্কি। তেওঁ হাৰার্ড বিশ্ববিদ্যালয় আৰু আৰিজোনা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল।

৪.৩.৩ ভাষা বিশ্লেষণৰ স্তৰ অনুসৰি

ভাষা হৈছে মানুহৰ বুদ্ধিমত্তাৰ প্রথম নিদর্শন। ই এক প্রণালী, যাৰ মাজেৰে মানুহে ইজনে সিজনৰ লগত ভাৱ বিনিময় কৰে। এই প্রণালীটোৰ বিজ্ঞানসন্মত অধ্যয়নেই ভাষাবিজ্ঞান। ভাষা প্রণালীটো চিত্রৰ সহায়ত তলত দিয়া ধৰণে দেখুৱাব পাৰি—



ভাষা প্ৰণালীটোৰ এই ধ্বনি- ৰূপ- বাক্য আৰু অৰ্থৰ চাৰিটা ক্ষেত্ৰৰ আধাৰতেই ভাষাবিজ্ঞানৰ অধ্যয়নৰ চাৰিটা স্তৰ পোৱা যায়। ধ্বনি বিষয়ৰ অধ্যয়ন হ'ল ধ্বনিতত্ত্ব (Phonology) , ৰূপ (শব্দ) সমগ্ৰৰ অধ্যয়ন হ'ল ৰূপতত্ত্ব (Morphology) , বাক্য বিষয়ৰ অধ্যয়ন হ'ল বাক্যতত্ত্ব (Syntax) আৰু অৰ্থৰ অধ্যয়নৰ ক্ষেত্ৰখন হ'ল অৰ্থতত্ত্ব (Semantics)। মূলতঃ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব ভাষাবিজ্ঞানৰ অধ্যয়নৰ চাৰিটা স্তৰ যদিও এই স্তৰকেইটাত সাম্প্ৰতিক কালত এনে কিছুমান সূক্ষ্ম চিন্তন-মনন আৰু ন ন গৱেষণা হৈছে যে প্ৰতিটো স্তৰেই ভাষাবিজ্ঞানৰ স্বতন্ত্ৰ শাখা ৰূপে বিকশিত হৈ উঠিছে।

তলত এই চাৰিওটা শাখাৰ অতি চমুকৈ পৰিচয় আগবঢ়োৱা হ'ল—

ধ্বনিতত্ত্ব ঃ

ভাষাৰ ক্ষুদ্ৰতম একক হ'ল ধ্বনি। ধ্বনি সম্পৰ্কীয় সমুদায় আলোচনা যি শাখাত কৰা হয় তাকেই ধ্বনিতত্ত্ব বুলি কোৱা হয়। ধ্বনিতত্ত্বৰ দুটা উপশাখা হ'ল ধ্বনিবিজ্ঞান (Phonetics) আৰু বৰ্ণবিজ্ঞান বা বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics)। ধ্বনিৰ উচ্চাৰণ, উচ্চাৰণ কৰোঁতে প্ৰয়োগ হোৱা বাগিন্দ্ৰিয়, উচ্চাৰণৰ বিবিধ কৌশল, উচ্চাৰণৰ স্থান আৰু ধৰণ আদিৰ বিশদ আলোচনা ধ্বনিবিজ্ঞানত সামৰা হয় আৰু ভাষা বিশেষৰ ধ্বনিগত আলোচনা হ'ল বিশিষ্ট ধ্বনিবিজ্ঞান য'ত বিশিষ্ট ধ্বনি নিৰূপণ কৰি ভাষা বিশেষৰ ধ্বনি অধ্যয়ন কৰা হয়। আকৌ ধ্বনিবিজ্ঞানৰ তিনিটা উপশাখা আছে। সেইকেইটা ক্ৰমে উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics), শ্ৰুতি ধ্বনিবিজ্ঞান (Acoustic Phonetics) আৰু শ্ৰুয়মান ধ্বনিবিজ্ঞান (Auditory Phonetics)।

ৰূপতত্ত্ব ঃ

ৰূপ (Morph) হ'ল বৰ্ণ বা বৰ্ণসমষ্টিৰে নিৰ্মিত ভাষাৰ ক্ষুদ্ৰতম অৰ্থপূৰ্ণ গোট। ভাষাবিজ্ঞানৰ যি শাখাত ৰূপৰ সামগ্ৰিক অধ্যয়ন কৰা হয় তাকে ৰূপতত্ত্ব (Morphology) বুলি কোৱা হয়। আনহাতে, ভাষা বিশেষৰ ৰূপৰ বৈশিষ্ট্য, প্ৰকৃতি আদিৰ আলোচনাক

প্ৰাকৃতিবিজ্ঞান (Morphemics) বুলি কোৱা হয়। দৰাচলতে, প্ৰাকৃতিবিজ্ঞান ৰূপতত্ত্বৰে অন্তৰ্গত এটি প্ৰশাখা। ৰূপতত্ত্বত ৰূপৰ নিৰ্বাচন, শ্ৰেণীভুক্তকৰণ, মুক্তৰূপ-বদ্ধৰূপ, শূন্য প্ৰাকৃতি; ৰূপ বা প্ৰাকৃতিক লগত প্ৰত্যয়, বিভক্তি আদি যোগ কৰি শব্দ গঠনৰ প্ৰক্ৰিয়া; নামশব্দ, ধাতু আদিৰ সৈতে যোগ হোৱা প্ৰত্যয়, বিভক্তি আদি; শব্দৰ বিভিন্ন ৰূপ-বচন, লিঙ্গ, পুৰুষ আদিৰ অধ্যয়নক সামৰা হয়।

বাক্যতত্ত্ব ঃ

ইংৰাজী Syntax শব্দটোৰ মূল গ্ৰীক ভাষাত অৰ্থ হৈছে একেলগে সজোৱা (ordering together) বা শৃংখলাবদ্ধ সাজোন (systematic arrangement) বা লগ লগাই থোৱা (putting together)। গতিকে শব্দটোৰ অৰ্থটোৰ পৰাই বুজিব পাৰি যে শব্দৰ শৃংখলাবদ্ধ সাজোনেৰে ভাষাৰ অৰ্থবহ সৰ্ববৃহৎ গোট অৰ্থাৎ বাক্য নিৰ্মাণৰ প্ৰক্ৰিয়াকে বাক্যতত্ত্ব বুলি কোৱা হয়। ভাষাবিজ্ঞানৰ যি শাখাত বাক্যৰ সামগ্ৰিক অধ্যয়ন কৰা হয় সেয়ে বাক্যতত্ত্ব। পৰম্পৰাগত বাক্যতত্ত্বত বাক্যৰ প্ৰকাৰ ভেদ, বাক্যৰ গঠন প্ৰক্ৰিয়া, বাক্য সম্প্ৰসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণ আদি দিশসমূহ সামৰি লোৱা হৈছিল। পৰৱৰ্তী সময়ত বাক্যৰ গাঁথনিৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণেই ইয়াত স্থান লাভ কৰিলে। আধুনিক বাক্যতাত্ত্বিক আলোচনাত বাক্-বিন্যাসকো (discourse analysis) ইয়াৰ অন্তৰ্গত কৰা হৈছে।

বহুতে ৰূপতত্ত্ব আৰু বাক্যতত্ত্বক ভাষাবিজ্ঞানৰ দুটা পৃথক শাখা ৰূপে অভিহিত নকৰি দুয়োটাকে একেলগে ব্যাকৰণ আখ্যা দিয়ে। তেওঁলোকৰ মতে ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব ব্যাকৰণৰহে উপবিভাগ।

অৰ্থতত্ত্ব ঃ

ভাষাবিজ্ঞানৰ যি শাখাত শব্দ বাক্যৰ অৰ্থ সম্পৰ্কীয় বিভিন্ন দিশবোৰৰ অধ্যয়ন কৰা হয় সেই শাখাকে অৰ্থতত্ত্ব বোলে। অৰ্থতত্ত্বৰ আলোচনাৰ দুটা ধাৰা দেখা পোৱা যায়- (ক) ঐতিহাসিক ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীৰে কৰা অৰ্থতাত্ত্বিক অধ্যয়ন আৰু (খ) আধুনিক ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীৰে কৰা অৰ্থতাত্ত্বিক অধ্যয়ন। এই ধাৰা দুটাক আমি পৰম্পৰাগত অৰ্থতত্ত্ব আৰু আধুনিক অৰ্থতত্ত্ব বুলিও ক'ব পাৰো।

পৰম্পৰাগত অৰ্থতত্ত্বত যুগৰ পৰিৱৰ্তনৰ লগে লগে এটা ভাষাৰ শব্দৰ অৰ্থৰ কি পৰিৱৰ্তন হ'ল, কেনেভাবে হয় আৰু কি কাৰণত হয় সেই কথা বিশ্লেষণ কৰে। সময়ৰ বিৱৰ্তনৰ লগে লগে এটা ভাষাৰ শব্দৰ অৰ্থ কেতিয়াবা সম্প্ৰসাৰিত হয়, কেতিয়াবা সংকুচিত হয় আৰু কেতিয়াবা সম্পূৰ্ণ পৰিৱৰ্তন হয়। পৰম্পৰাগত অৰ্থতত্ত্বৰ আলোচনাত সেয়েহে এই পৰিৱৰ্তনক অৰ্থবিস্তাৰ, অৰ্থ সংকোচ আৰু অৰ্থ সংক্ৰম এই তিনিটা নামেৰে অধ্যয়ন কৰা হয়।

আধুনিক অৰ্থতত্ত্বত শব্দইনো কেনেকৈ অৰ্থ গ্ৰহণ কৰে, অৰ্থ আৰু শব্দৰ সম্পৰ্ক, শব্দৰ অৰ্থক্ষেত্ৰৰ গঠন, অৰ্থৰ সহগামিতা, পৰিৱেশ আৰু অৰ্থৰ সম্পৰ্ক,

প্ৰতিশব্দ, বহুধা অৰ্থ, বিপৰীত অৰ্থ, অভ্যন্তৰাৰ্থ, শব্দৰ জতুৱা প্ৰয়োগ, শব্দৰ বিবিধ ব্যৱহাৰ আদি সকলো দিশ খৰচি মাৰি আলোচনা কৰে। আধুনিক অৰ্থতত্ত্বৰ পৰিসৰ অতিকৈ ব্যাপক আৰু ই বাক্যৰ অৰ্থ নিৰ্ধাৰণৰ দিশটোকো সামৰি লয়।

৪.৩.৪ অন্যান্য বিষয়ৰ লগত থকা ভাষাৰ সম্পৰ্ক অনুসৰি

আগতেই আলোচনা কৰা হৈছে ভাষাবিজ্ঞানৰ শাখাসমূহক মূলতঃ দুটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। সেই ভাগ দুটা হ'ল আভ্যন্তৰীণ শাখা আৰু বাহ্যিক শাখা। ভাষাবিজ্ঞানৰ বাহ্যিক শাখাত সেইবোৰ শাখা অন্তৰ্ভুক্ত হয় যিবোৰত ভাষাবিজ্ঞানৰ আলোচনাই অন্যান্য বিষয়বোৰকো সাঙুৰি লয়। তলত এনেবোৰ শাখাৰ চমু পৰিচয় আগবঢ়োৱা হ'ল—

সমাজ-ভাষাবিজ্ঞান ঃ

ইংৰাজী Sociolinguistic শব্দটো Socio+linguistic শব্দগুচ্ছৰ সংযোজনেৰে গঠিত হৈছে। য'ত Socio মানে সমাজ আৰু linguistic মানে ভাষাৰ পদ্ধতিগত অধ্যয়ন। ভাষা আৰু সমাজ পৰস্পৰ সম্পৰ্কযুক্ত। সমাজ হ'ল কোনো দল বা সমূহৰ সমষ্টি যিয়ে কোনো বিশেষ অভিপ্ৰায়েৰে সংবদ্ধ হৈ থাকে। আনহাতে, ভাষা হ'ল কোনো নিৰ্দিষ্ট সম্প্ৰদায়ে ব্যৱহাৰ কৰা মৌখিক অভিব্যক্তিৰ মাধ্যম। ভাষা আহৰণ আৰু প্ৰয়োগ এক সামাজিক প্ৰক্ৰিয়া আৰু এই প্ৰক্ৰিয়াত সমাজে ভাষাক আৰু ভাষাই সমাজক প্ৰভাৱান্বিত কৰাৰ বহুতো কাৰক থাকে। সামাজিক জীৱন যাপনৰ শ্ৰেষ্ঠ মাধ্যম হ'ল ভাষা। ভাষা আৰু সমাজ- এটা আনটোৰ পৰিপূৰক। কোনোটোৱেই এটাই আনটোক এৰি জীয়াই থাকিব নোৱাৰে। ভাষা সমাজ জুৰি ব্যাপ্ত হৈ থাকে আৰু সমাজে ভাষাক কেন্দ্ৰ কৰি অস্তিত্ব ৰক্ষা কৰে। সমাজৰ বিভিন্ন দিশে ভাষাক প্ৰভাৱান্বিত আৰু নিয়ন্ত্ৰিত কৰে। ভাষা ব্যৱহাৰৰ বিভিন্নতাক সামাজিক বৈশিষ্ট্য বিশেষে নিৰূপণ কৰে। সমাজ ভাষাবিজ্ঞানত সামাজিক কাৰকসমূহে ভাষাৰ ওপৰত কেনে ধৰণে প্ৰভাৱ বিস্তাৰ কৰে তাৰ আলোচনা কৰে। নগৰীয়া পৰিৱেশত ভাষাৰ সামাজিক ব্যৱহাৰ আৰু পাৰ্থক্যসমূহৰ আলোচনা কৰে। সমাজ আৰু ভাষাৰ সম্পৰ্কৰ সূক্ষ্ম বিতং অধ্যয়নেই সমাজ ভাষাবিজ্ঞান।

কণ্ঠতা অনুযায়ী ভাষাৰ ৰূপ আৰু কোৱাৰ ধৰণ অনুযায়ী ভাষাৰূপ ভিন্ন হয়। একেজন ব্যক্তিয়েই ঘৰত মাক-দেউতাক, ভায়েক-ভনীয়েকৰ লগত যিদৰে কথা পাতে, বিদ্যালয়ত শিক্ষকৰ লগত তেনেদৰে কথা নাপাতে। আকৌ সেইজন ব্যক্তিয়েই লগৰ বন্ধু-বান্ধৱৰ লগত কথা পাতোতে বাক্য ৰীতি ভিন্ন হয়। একেদৰে, এজন উচ্চশিক্ষিত ব্যক্তিৰ কথা কোৱাৰ ধৰণৰ লগত এজন অশিক্ষিত ব্যক্তিৰ কথা কোৱাৰ ধৰণ, শব্দ প্ৰয়োগ, বাক্য গাঁথনিৰ তাৰতম্য দেখা পোৱা যায়। এনে ধৰণৰ পাৰ্থক্যবোৰৰেই

সমাজ ভাষাবিজ্ঞানীয়ে সূক্ষ্ম আৰু পুংখানুপুংখ বিশ্লেষণ কৰে আৰু তাৰ দ্বাৰা সামাজিক চৰিত্ৰ, সমাজ একোখনৰ আৰ্থ-সামাজিক, সাংস্কৃতিক অৱস্থা-পৰিৱেশ অধ্যয়নত গুৰুত্ব আৰোপ কৰে।

ভাষাবিজ্ঞানৰ শাখাৰূপে সমাজ ভাষাবিজ্ঞান আপেক্ষিকভাৱে অৰ্বাচীন। ১৯৩৯ চনত টমাছ. চি. হাডচনে *Man in India* নামৰ গ্ৰন্থত Socio-linguistic in India নামেৰে এটা প্ৰৱন্ধ লিখিছিল। ভাষাবিজ্ঞানৰ উল্লেখনেৰে শব্দটো প্ৰথমে ব্যৱহাৰ কৰে ইউজিন নিডাই তেওঁৰ Morphology নামৰ গ্ৰন্থৰ দ্বিতীয় সংস্কৰণত। সমাজ ভাষাবিজ্ঞানৰ জনপ্ৰিয়তা বৃদ্ধি পায় ঊনবিংশ শতিকাৰ ষাঠিৰ দশকৰ শেষাৰ্ধত। ১৯৬৬ চনত অহিঅ'ত সমাজতাত্ত্বিকসকলৰ সমাজ ভাষাবিজ্ঞান বিষয়ত বছৰেকীয়া অধিৱেশন অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানতেই সমাজ ভাষাবিজ্ঞান বিষয়টোৰ তাত্ত্বিক দিশৰ ওপৰত আলোকপাত কৰা হৈছিল। পঠিত প্ৰৱন্ধসমূহৰ সংকলন Sociolinguistics নামেৰে প্ৰকাশ পাইছিল।

মনোভাষাবিজ্ঞান ঃ

ভাষাবিজ্ঞানৰ যি শাখাত মনস্তাত্ত্বিক দৃষ্টিকোণৰ পৰা ভাষাৰ বিশ্লেষণ কৰা হয় তাকে মনোভাষাবিজ্ঞান বুলি কোৱা হয়। মানৱ মনৰ গঠন আৰু মানসিক প্ৰক্ৰিয়াৰ লগত ভাষা-প্ৰণালী আৰু বাক্ শক্তিৰ সম্পৰ্ক বিচাৰ কৰাটোৱেই মনোভাষাবিজ্ঞানৰ উদ্দেশ্য। Anozie-ৰ মতে ভাষা আহৰণ আৰু প্ৰয়োগৰ ক্ষেত্ৰত যিবোৰ মনস্তাত্ত্বিক আৰু স্নায়বিক কাৰকে ক্ৰিয়া কৰে তাৰ অধ্যয়নেই মনোভাষাবিজ্ঞান। (Psycholinguistics is the study of language in relation to the human mind; the mental structures and processes, which are involved in the acquisition and use of language)।

মনস্তত্ত্বই নিজৰ পৰিধিত কেতবোৰ মানৱ আচৰণৰ অধ্যয়ন কৰে। অধ্যয়নৰ মূল বিষয়বস্তু হ'ল শিক্ষা (learning), অনুৰক্তি (motivation), উপলব্ধি (perception) আৰু ব্যক্তিভেদে থকা দক্ষতাৰ পাৰ্থক্য (variety in ability)। ভাষাও মানুহৰ এক মৌলিক আচৰণ। মানুহৰ মনৰ দ্বাৰা পৰিচালিত ভাষাৰ মনস্তাত্ত্বিক দিশসমূহ ভাষামনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত। ভাষাবিজ্ঞানৰ এই শাখাই কোনো ভাষা বিশেষৰ অধ্যয়ন নকৰে। তাৰ ঠাইত ভাষাৰ অন্তৰালত থকা মনৰ ক্ৰিয়া প্ৰতিক্ৰিয়া আদিহে আলোচনা কৰে। কিদৰে মানৱ শিশুৱে ভাষাৰ জটিল সূত্ৰ, নিয়ম-নীতিবোৰ আয়ত্ত কৰে, শব্দৰ পৰা কেনেকৈ অৰ্থ উদ্ধাৰ কৰে, আনৰ কথা শুনি কিদৰে নিজৰ মনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, ভাষা ভাবৰ সম্পৰ্ক আদি ভাষামনোবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু।

ভাষামনোবিজ্ঞানত ভাষা সম্পৰ্কীয় দুটা তত্ত্বৰ স্থিতি পোৱা যায়। এই তত্ত্ব দুটা হ'ল—

(ক) ভাষা শিক্ষণৰ আচৰণবাদী তত্ত্ব (Behaviourist theory of Language learning)

(খ) ভাষা শিক্ষণৰ মানসিক তত্ত্ব (Mentalist theory of Language learning)

আচৰণবাদী তত্ত্বই ভাষাক বহুৰ বহুৰ ধৰি আয়ত্ব কৰা অভ্যাসৰ মূল বুলি বিবেচনা কৰে। এই তত্ত্বদৰ্শীসকলে ভাষা শিক্ষণক প্ৰবৃত্তিৰ সঁহাৰি, সংগঠিতকৰণ, নিৰ্মাণ, সাধাৰণীকৰণ, অনুকৰণ আৰু পুনৰাবৃত্তি ৰূপে চায়। আনহাতে, মনস্তত্ত্ববিদসকলে ভাষাক জন্মগত অৰ্হতা বুলি ভাবে।

প্ৰায়োগিক ভাষাবিজ্ঞান ঃ

ভাষাবিজ্ঞানৰ অৰ্বাচীন শাখাসমূহৰ এটা হ'ল প্ৰায়োগিক ভাষাবিজ্ঞান। ভাষাবিজ্ঞানৰ বিভিন্ন অধ্যয়নৰ পৰা লাভ কৰা ফল, তত্ত্ব আদিক ব্যৱহাৰিক জীৱন কিদৰে বলবৎ কৰিব পাৰি তাৰ অধ্যয়নেই প্ৰায়োগিক ভাষাবিজ্ঞানৰ অন্তৰ্গত। দৈনন্দিন জীৱনত মানুহে সন্মুখীন হোৱা ভাষা বিষয়ক নানানটা সমস্যাৰ অনুসন্ধান, চিনাক্তকৰণ আৰু সমাধানৰ পথ উন্মুক্ত কৰাটোৱেই প্ৰায়োগিক ভাষাবিজ্ঞানৰ উদ্দেশ্য।

দ্বিভাষিকতা (Biolingualism), বহুভাষিকতা (Multilingualism), অভিধানতত্ত্ব (lexicography), দ্বিতীয় ভাষা আয়ত্তকৰণ (Second language acquisition), কম্পিউটাৰ যোগাযোগ (Computer communication), বিদেশী ভাষা-শিক্ষণ (Foreign language acquisition), অনুবাদ (translation), ভাষা বিষয়ক আঁচনি আৰু নীতি প্ৰস্তুতকৰণ (Language planning & Policy), বিলুপ্ত প্ৰায় ভাষা (Endangered languages) আদি সমস্যা, উদ্দেশ্য, জটিলতাৰ সুগম পথ নিৰ্মাণ কৰাটোৱেই প্ৰায়োগিক ভাষাবিজ্ঞানে সামৰি লোৱা ক্ষেত্ৰ।

সাম্প্ৰতিক কালত প্ৰায়োগিক ভাষাবিজ্ঞানৰ ক্ষেত্ৰখন যথেষ্ট বিশাল হৈ পৰিছে। ভাষা কিছুমান বিশৃংখল ধ্বনি, শব্দ বা বাক্যৰ সমষ্টি নহয়; ভাষা এটা প্ৰণালী। এই প্ৰণালীটো সহজে আৰু শীঘ্ৰে শিকিবলৈ শিক্ষাৰ্থীৰ বাবে আৰ্হি-বাক্য বিচাৰি উলিয়াবলগীয়া হয়। প্ৰয়োগ ভাষাবিজ্ঞানীয়ে নানান অধ্যয়নৰ মাজেৰে আৰ্হি-বাক্য চিনাক্তকৰণ আৰু নিৰ্মাণ কৰি উলিয়ায়। কি কথা কিহৰ লগত শিকোৱা হ'ব, কি বিষয় কিহৰ পাছত শিকাব লাগিব ইত্যাদিৰ বিষয়ে প্ৰয়োগ ভাষাবিজ্ঞানীয়ে স্পষ্ট পৰামৰ্শাৱলী প্ৰস্তুত কৰে। কলা-বোবাক ভাষা শিকোৱাৰ ক্ষেত্ৰতো প্ৰয়োগ ভাষাবিজ্ঞানীয়ে সূত্ৰ আৱিস্কাৰ কৰে আৰু বিভিন্ন সমস্যাৰ সমাধান সাধনত নিজৰ অধ্যয়নত বতী হয়।

নৃতাত্ত্বিক ভাষাবিজ্ঞান ঃ

বিভিন্ন নৃতাত্ত্বিক দৃষ্টিকোণেৰে কৰা ভাষাৰ অধ্যয়নেই হ'ল নৃতাত্ত্বিক ভাষাবিজ্ঞান। নৃতাত্ত্বিক ভাষাবিজ্ঞানে ভাষাই কেনেকৈ আমাৰ চিন্তা, সংস্কৃতি আৰু

ক্ষমতা প্ৰতিফলিত কৰে আৰু ৰূপ দিয়ে তাৰ বিশ্লেষণ কৰে। নৃতাত্ত্বিক ভাষাবিজ্ঞানীৰ মতে ভাষা মানুহে জন্মসূত্ৰে লাভ কৰা অৰ্হতা নহয়, ই এক সাংস্কৃতিক বিষয় আৰু ভাষা প্ৰয়োগ হ'ল সাংস্কৃতিক কৰ্ম।

নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ বীজ অংকুৰিত হৈছিল কুৰি শতিকাৰ মাজভাগত মহান আমেৰিকান ভাষাতত্ত্ববিদ আৰু নৃতত্ত্ববিদ এডৱার্ড চাপিৰৰ চিন্তাৰ মাজত। তেওঁ স্পষ্টভাৱে কৈছিল যে জাতীয় ভাৱৰ লগত ভাষাৰ কোনো সম্পৰ্ক নাই, ভাষা উত্তৰাধিকাৰী সূত্ৰে পোৱা ক্ষমতাও নহয়। ভাষা হ'ল মানুহৰ সাংস্কৃতিক সম্পদ। চাপিৰে দেখুৱাই গৈছে যে জাতি, ভাষা আৰু সংস্কৃতি জটিল আৰু আউল লগাকৈ সানমিহলি হৈ থাকে। সংস্কৃতি আৰু ভাষা কোনো কাৰো অন্তৰ্গত বিষয় নহয়, দুয়োটাৰে স্বতন্ত্ৰ সুকীয়া পৰিচয় আৰু স্থিতি আছে। ভাষা বেলেগ হ'লে সংস্কৃতি বেলেগ হ'ব- এনে কোনো কথা থাকিব নোৱাৰে।

চাপিৰৰ চিন্তাত এই শাখাটোৰ বীজহে নিহিত হৈ আছিল, ই ভাষাবিজ্ঞানৰ এটা স্বতন্ত্ৰ শাখা হিচাপে ইয়াৰ বিকাশ হোৱা নাছিল। এই সময়লৈ ভাষাবিজ্ঞান আৰু নৃতত্ত্ব দুয়োটা পৃথক সত্তা সম্পন্ন বিষয় হৈয়েই আছিল। মাথোঁ ভাষা অধ্যয়নৰ ক্ষেত্ৰত সাংস্কৃতিক নৃতত্ত্বৰ সম্পৰ্কত বিচাৰ কৰা হৈছিল।

১৯৬০ চনৰ পিছত ড্যেল হাইম্চ (Dell Hymes] এ চাপিৰৰ চিন্তাক আগবঢ়াই নিয়ে। তেওঁ ভাষা ব্যৱহাৰৰ তাত্ত্বিক অধ্যয়নক Ethnography of Speaking (বাক্ ভংগীৰ সাংস্কৃতিক নৃতত্ত্ব) বুলি অভিহিত কৰিছিল। তেওঁ ভাষা অধ্যয়নক দুটা স্তৰত ভাগ কৰিছিল— ১) এটা আদৰ্শ গোট (Ideal Unit) হিচাপে ভাষাৰ অধ্যয়ন; ২) সংস্কৃতিৰ অংশ হিচাপে বাক্ ব্যৱহাৰ (Speech Event)।

প্ৰকৃতাৰ্থত কুৰি শতিকাৰ শেষৰ দুটা দশকতহে স্পষ্টভাৱে Ethnolinguistics সুনিৰ্মিত শাখা ৰূপে চৰ্চিত হয়। ভাষা বিষয়ক অনুসন্ধানৰ জৰিয়তে সাংস্কৃতিক নৃতত্ত্বৰ বিভিন্ন দিশৰ এই শাখাত প্ৰধান ক্ষেত্ৰবোৰ হ'ল—

সামাজিক-সাংস্কৃতিক পৰিচয় বিষয়ক প্ৰশ্নবোৰৰ ভাষাবৈজ্ঞানিক দৃষ্টিৰে উত্তৰৰ সন্ধান কৰা।

সামাজিকীকৰণ (Socialization) প্ৰক্ৰিয়া ভাষাতাত্ত্বিক আৰু নৃতাত্ত্বিক পদ্ধতিৰে অধ্যয়ন কৰা।

সমাজৰ ভাষাভিত্তিক আদৰ্শ (Language Ideologies)ৰ অধ্যয়ন কৰা।

চাপিৰে ইংৰাজী ভাষাৰ প্ৰভাৱত বিলুপ্তিৰ পথলৈ আগবঢ়া আমেৰিকান-ইণ্ডিয়ান ভাষাবোৰ অধ্যয়ন কৰি ছটা পৰিয়ালত শ্ৰেণীবিভক্ত কৰোঁতে সেই ভাষা-ভাষী লোকসকলৰ সামাজিক-সাংস্কৃতিক পৰিচয়ক নৃতাত্ত্বিক পদ্ধতিৰে অধ্যয়ন কৰিছিল। আনহাতে এই অধ্যয়নত তেওঁক ভাষাতাত্ত্বিক অধ্যয়নে সহায় কৰিছিল। ইয়েই সামাজিক-সাংস্কৃতিক পৰিচয় সন্ধানত ভাষাতাত্ত্বিক অধ্যয়নৰ গুৰুত্ব প্ৰতিপন্ন

কৰিছিল। আনহাতে, নৃতাত্ত্বিক ভাষাবিজ্ঞানে দেখুৱাই যে ভাষা আয়ত্তকৰণ নঘটিলে সামাজিকীকৰণ নঘটে। সামাজিকীকৰণ মানে এটা সম্প্ৰদায়ৰ সদস্যভুক্ত হোৱা প্ৰক্ৰিয়া। সমাজৰ সকলো সদস্যৰ 'ভাষা ব্যৱহাৰলৈ' আৰু 'ভাষা ব্যৱহাৰৰ জৰিয়তে' সামাজিকীকৰণ ঘটে। এই গোটেই প্ৰক্ৰিয়াটোত বহু সুষম প্ৰক্ৰিয়া জড়িত থাকে যিবোৰ নৃতাত্ত্বিক ভাষাবিজ্ঞানীৰ বাবে অধ্যয়নৰ বিষয়। ইংৰাজী ভাষাৰ প্ৰতি আমাৰ এটা উচ্চ ধাৰণা আছে। ইয়াত ক্ষমতাৰ প্ৰসংগ কিদৰে জড়িত সেই বিষয়েও নৃতাত্ত্বিক ভাষা বিজ্ঞানে অধ্যয়ন কৰে।

ভূ-ভাষাবিজ্ঞান ঃ

ভূ-ভাষাবিজ্ঞান হ'ল ভাষাবিজ্ঞানৰ সেই শাখা য'ত কোনো এক ভৌগোলিক পৰিসীমাৰ ভিতৰৰ ভাষা-উপভাষাবোৰৰ সমীক্ষা আৰু বিশ্লেষণৰ জৰিয়তে ভাষিক-ভূগোল নিৰ্ণয় কৰা হয়। সাধাৰণ ভাষাবিজ্ঞান বা বৰ্ণনামূলক ভাষাবিজ্ঞানৰ তত্ত্বৰ আধাৰত কোনো অঞ্চলৰ ভাষিক মানচিত্ৰ নিৰ্ণয় কৰা বাবে বহুতে এই শাখাক প্ৰায়োগিক ভাষাবিজ্ঞানৰ ভিতৰুৱা বুলি ধৰে। ভূ-ভাষাবিজ্ঞানৰ বাবে ভূগোলৰ জ্ঞান অপৰিহাৰ্য। লগতে সমাজৰ বিভিন্ন অঞ্চলৰ, পৰিৱেশৰ, স্তৰৰ ব্যক্তিৰ ভাষাৰ পৰা তথ্য সংগ্ৰহ কৰি সেই তথ্যৰ আধাৰত ভাষাৰ আঞ্চলিক পাৰ্থক্য নিৰ্ধাৰণ কৰোঁতে উপভাষাবিজ্ঞান আৰু সমাজ ভাষাবিজ্ঞানৰ তাত্ত্বিক জ্ঞানবো প্ৰয়োজন হয়।

ভাষা-বৰ্গীকৰণত ভূ-ভাষাবিজ্ঞানৰ গুৰুত্ব অপৰিসীম। ভূ-ভাষাবিজ্ঞানে ভাষাৰ বিস্তৃতিৰ বিষয়টো উপস্থাপন কৰে। ভূ-ভাষাবিজ্ঞানীয়ে ভাষাবোৰৰ বিস্তৃতিৰ পৰিসৰ অধ্যয়ন কৰে আৰু ভাষাবোৰৰ ওপৰত পৰিব পৰা পাৰিপাৰ্শ্বিক, আৰ্থ-সামাজিক আদি কাৰণবোৰ বিশ্লেষণ কৰি দেখুৱায়। একে ভূ-পৰিসৰত অৱস্থান লৈ থকা দুটা ভাষা এটা প্ৰভাৱত আনটোৰ পৰিসৰ প্ৰভাৱান্বিত হ'ব পাৰে আৰু প্ৰভাৱান্বিত ভাষাটোত পৰিৱৰ্তনে দেখা দিব পাৰে। এনে পৰিৱৰ্তন দুটা ভিন্ন সময়ৰ ব্যৱধানত নিৰ্মাণ কৰা ভাষিক ভূগোলে দেখুৱাই দিয়ে। একেদৰেই উপভাষা সৃষ্টিৰ তথ্য বা প্ৰক্ৰিয়াৰ বিষয়েও ভূ-ভাষাবিজ্ঞানে জানিবলৈ দিয়ে।

ভাষাবিজ্ঞানৰ শাখা-প্ৰশাখাবোৰৰ কোনোটোৱেই স্বতন্ত্ৰ প্ৰকৃতিৰ নহয়। প্ৰতিটো শাখাই কম বেছি পৰিমাণে এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। এই অধ্যায়ৰ আলোচনাত সামৰি লোৱা ভাষাবিজ্ঞানৰ শাখাবোৰৰে আন বহু উপশাখাৰ বিকাশ ঘটিছে। বহুতে আকৌ তেনে উপশাখাকো ভাষাবিজ্ঞানৰ প্ৰধান শাখা ৰূপেই বহু ঠাইত আলোচনা কৰিছে। কেতিয়াবা প্ৰাক্-ভাষাতত্ত্ব স্তৰ বা ভাষাতত্ত্ব স্তৰৰ চিন্তাধাৰাকো ভাষাবিজ্ঞানৰ শাখাৰূপে আলোচনা কৰা হৈছে। আকৌ কেতিয়াবা একেটা শাখাৰ বিকাশৰ দুটা স্তৰক দুটা পৰিভাষাৰে চিনাক্ত কৰাৰ বাবে জটিলতা আহিছে। যেনে- Anthropological Linguistic আৰু Linguistic Anthropology বিষয়গতভাৱে একে যদিও সুষম স্তৰত

দুয়োটাই একেটা শাখাৰে বিকাশৰ দুটা স্তৰকো নিৰ্দেশ কৰে। মুঠৰ ওপৰত ভাষাবিজ্ঞান সম্প্ৰতি এটা বহুধা বিস্তৃত বিষয়। নিতৌ ন-ন চিন্তা-গৱেষণাই কেতিয়াবা নতুন তাত্ত্বিক ৰূপ লাভ কৰিছে আৰু কেতিয়াবা অন্য কোনো জ্ঞানৰ শাখাৰ লগত ভাষা চিন্তাক নতুন ধৰণে সম্পৰ্ক ঘটাইছে। সম্প্ৰতি প্ৰায়োগিক ভাষাবিজ্ঞানৰ পৰিসৰ এনেদৰে বিস্তৃত হৈছে যে এই দিশবোৰ আচলতে ভাষাবিজ্ঞানৰ ভিতৰুৱা নে শিক্ষণ-কলাৰ ভিতৰুৱা নে মনস্তত্ত্বৰ ভিতৰুৱা সেয়া সিদ্ধান্ত লোৱাটোৱেই জটিল হৈ পৰে।



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কুৰি শতিকাৰ আৰম্ভণি ভাগতে ফার্ডিনেণ্ড দি চচ্যুৰৰ চিন্তাৰ মাজেৰে আধুনিক ভাষাবিজ্ঞানৰ সূচনা হোৱাৰ পৰা বৰ্তমানলৈ ভাষাবিজ্ঞানৰ ক্ষেত্ৰখন নতুন নতুন তত্ত্ব, চিন্তাৰে সমৃদ্ধ হৈ আহিছে। এই সময়ছোৱাত বিভিন্ন শাখাৰ সৃষ্টি হৈছে যদিও এই নতুন নতুন শাখাবোৰৰ মাজত নিহিত চিন্তাৰ উঁহ কিন্তু পূৰ্বৱৰ্তী চিন্তাৰ মাজতেই লুকাই আছিল। অৰ্থাৎ এটা সময়ৰ ভাষা বিষয়ক চিন্তাই পৰৱৰ্তী সময়ৰ চিন্তাক প্ৰভাৱিত কৰিছে।
- ভাষাবিজ্ঞানৰ অধ্যয়ন কেৱল ভাষাৰ মাজতে সীমিত হৈ নাথাকি নিতৌ ন ন বিষয়ৰ সৈতে সম্পৃক্ত হৈ আজিৰ ভাষাবিজ্ঞান নানান শাখা-প্ৰশাখাৰে বোধিবৃক্ষৰ দৰে বিশাল ৰূপ পৰিগ্ৰহণ কৰিছে।
- সাধাৰণ ভাষাবিজ্ঞান, বৰ্ণনামূলক ভাষাবিজ্ঞান আৰু সমকালীন ভাষাবিজ্ঞান মূলতঃ একেই; তথাপি হকেট আদি ভাষাবিদে তাৰ মাজতে সুষম পাৰ্থক্য নিৰূপণ কৰিছে।
- ভাষাবিজ্ঞানত ভাষা বিশ্লেষণৰ দুটা প্ৰধান দিশ— অন্তৰ্মুখী আৰু বহুমুখী। তাকে অণু (Micro) ভাষাবিজ্ঞান আৰু অখণ্ড (Macro) ভাষাবিজ্ঞান বোলা হয়। এটা ভাষাৰ গাঁথনিক বিশ্লেষণত আবদ্ধ অনাটো ভাষাৰ লগত পাৰিপাৰ্শ্বিকতাৰ অন্যান্য দিশৰ সম্পৰ্কলৈও বিস্তৃত।
- চমস্কি আৰিস্কৃত ব্যাকৰণৰ অন্য এক বিশেষত্ব হ'ল ভাষাগত বিশ্বজনীনতা। পৃথিৱীৰ প্ৰতিটো ভাষাৰে স্বকীয় ধ্বনি-ৰূপ-বাক্যগত বৈশিষ্ট্য আছে। কিন্তু, সকলো মানুহৰে শাৰীৰিক গঠন আৰু চিৰাচৰিত আবেগ অনুভূতি একে। গতিকে বাক্য গঠনৰ আভ্যন্তৰীণ স্তৰত পৃথিৱীৰ প্ৰতিটো ভাষাতে সমৰূপতা বৰ্তমান।
- ভাষাবিজ্ঞান এতিয়া কেৱল ভাষাৰ অধ্যয়নতে আবদ্ধ নহয়। বৰং প্ৰামাণিক সবলতা (Social Mobility), বাক্ বিষয়ক চিকিৎসা, ইতিহাস-পুৰাতত্ত্ব অধ্যয়ন, সাংস্কৃতিক অধ্যয়নৰ ক্ষেত্ৰতো ভাষাবিজ্ঞান অপৰিহাৰ্য হৈ পৰিছে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। কোঁৱৰ, অৰ্পণা (২০০৮) ; *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃ বনলতা।

২। গোস্বামী, উপেন্দ্ৰনাথ (১৯৭০); *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩। ঠাকুৰ, নগেন আৰু ডেকা, খগেশসেন (সম্পাঃ) (২০০২); *ভাষা-চিন্তা-বিচিত্ৰা;* গুৱাহাটী ঃ পূবেৰুণ।

৪। ডেকা, খগেশ সেন (২০০৯); *ব্যাকৰণ প্ৰাচ্য আৰু পাশ্চাত্য;* জ্যোতি প্ৰকাশন ঃ গুৱাহাটী।

৫। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষা বিজ্ঞান পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৬। দাস, বিশ্বজিৎ (২০১৫); *সমাজভাষাবিজ্ঞান;* নগাওঁঃ বুকচ এণ্ড বিয়ণ্ড

৭। পাদুন, নাহেন্দ্ৰ (সম্পাঃ) (১৯৯৬-৯৭); *চিন্তা-প্ৰৱাহ;* শিৱসাগৰ ঃ শিৱসাগৰ কলেজ।

৮। পাদুন, নাহেন্দ্ৰ (সম্পাঃ) (১৯৯৩); *ভাষাৰ তত্ত্ব-কথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

৯। পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১০। ফুকন, পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১১। মৰল, দীপঙ্কৰ (১৯৯১); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰ।

১২। হাজৰিকা, লক্ষী (২০০৬); *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটীঃ অশোক বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

1. Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu : Tashiwa Network Ltd..
2. Bloomfield, L. (1994). *Language*. Delhi : Motilal Banarasidass.
3. Crystal, David (1997). *The Encyclopedia of Language*; Cambridge : CUP.
4. Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi : Oxford & IBH Publishing Co. Pvt. Ltd..
5. Hudson, R. A. (1996). *Sociolinguistics*. Cambridge : CUP.
6. Bally, C & Sechehaye, A (ed.)(1959). *Course in General Linguistics.* New York: Philosophical Library.
7. Lyons, John (1981). *Language and Linguistics*. London: Cambridge University Press.
8. Steinberg, Danny D. (1993). *An Introduction to Psycholinguistic*. London: Longman.

9. Yule, G. (1996). *The Study of Language*. Cambridge : CUP.



৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানৰ চমু পৰিচয় দি ভাষাৰ প্ৰয়োগ সম্পৰ্কে লিখি ভাষাৰ পৰিসৰটোৰ পৰিচয় প্ৰদান কৰিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জন লিয়েঞ্চে ভাষাবিজ্ঞানক চাৰিটা ভাগত ভাগ কৰিছে। প্ৰতিটো ভাগৰে নাম উল্লেখ কৰি প্ৰতিটোৰ বিষয়ে চমুকৈ লিখিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক ভাষাবিজ্ঞানক কি কি দৃষ্টিভঙ্গীৰে কি কি ভাগত ভাগ কৰিব পাৰি তাৰ বৰ্ণনা কৰিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সমকালীন ভাষাবিজ্ঞান আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ পৰিচয় প্ৰদান কৰি দুয়োটাৰ পাৰ্থক্যবোৰ উল্লেখ কৰিব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গাঁথনিক ব্যাকৰণৰ পৰিচয়মূলক টোকা লিখিব লাগিব। গাঁথনিক ব্যাকৰণত কেনেদৰে ভাষাৰ বৰ্ণনা কৰা হয় সেই বিষয়ে বুজাই লিখিব লাগিব।



৪.৭ আৰ্হি প্ৰশ্ন

১ নং প্ৰশ্নঃ ভাষাবিজ্ঞানৰ শাখা প্ৰশাখাক কিদৰে ভাগ কৰিব পাৰি আলোচনা কৰক।

২নং প্ৰশ্নঃ ভাষাবিজ্ঞানৰ অধ্যয়নৰ স্তৰ অনুসৰি ভাষাবিজ্ঞানৰ কি কি শাখা গঢ়লৈ উঠিছে বৰ্ণনা কৰক।

৩ নং প্ৰশ্নঃ সমাজ ভাষাবিজ্ঞান কাক বোলে? সমাজ ভাষাবিজ্ঞান আৰু নৃতত্ত্ব ভাষাবিজ্ঞানৰ মাজত পাৰ্থক্য কি আলোচনা কৰক।

৪ নং প্ৰশ্নঃ ঐতিহাসিক ভাষাবিজ্ঞান আৰু আধুনিক ভাষাবিজ্ঞানৰ মাজত থকা পাৰ্থক্যবোৰ আলোচনা কৰক।

৫ নং প্ৰশ্নঃ ভাষাবিজ্ঞানৰ বাহ্যিক শাখা বুলিলে কি বুজে? বাহ্যিক শাখাসমূহৰ চমু পৰিচয় প্ৰদান কৰক।

৬ নং প্ৰশ্নঃ ভাষামনোবিজ্ঞান মানে কি? ভাষামনোবিজ্ঞানৰ অধ্যয়নৰ পৰিসৰৰ বিষয়ে লিখক।

৭ নং প্ৰশ্নঃ প্ৰয়োগ ভাষাবিজ্ঞানৰ উদ্দেশ্য আৰু কাৰ্যাৱলী বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভাষাবিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ ঃ ধ্বনিতত্ত্ব

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ধ্বনিতত্ত্ব ঃ সাধাৰণ আলোচনা

- ৫.৩.১ ধ্বনিতত্ত্ব
- ৫.৩.২ ধ্বনিবিজ্ঞান
- ৫.৩.৩ বিশিষ্ট ধ্বনিবিজ্ঞান

৫.৪ উপধ্বনি

৫.৫ ধ্বনিবিজ্ঞানৰ অধ্যয়ন প্রক্রিয়া

- ৫.৫.১ ধ্বনি
- ৫.৫.২ ধ্বনিৰ বিভাগ
- ৫.৫.৩ ব্যঞ্জন ধ্বনি
- ৫.৫.৪ কণ্ঠ
- ৫.৫.৫ ব্যঞ্জনধ্বনিৰ বিভাজন
- ৫.৫.৬ অনিয়ত ধ্বনি বা স্বৰধ্বনি
- ৫.৫.৭ স্বৰধ্বনিৰ বিভাজন
- ৫.৫.৮ আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি
- ৫.৫.৯ অবিভাজ্য ধ্বনি বা লয় ধ্বনি

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধ্বনি কি তাৰ ধাৰণা লাভ কৰিব
- ধ্বনিৰ বিভাজন সম্পর্কে জানিব পাৰিব
- ধ্বনিৰ উচ্চাৰণ কিদৰে হয় সেই বিষয়ে আলোচনা কৰাৰ লগতে ধ্বনি, বিশিষ্ট ধ্বনি, আখৰ আৰু উপধ্বনিৰ বিষয়ে জানিব পাৰিব
- অসমীয়া ভাষাৰ স্বৰধ্বনি, ব্যঞ্জনধ্বনি আৰু উপাহিত ধ্বনিৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

আপোনালোকে ইতিমধ্যে ভাষাবিজ্ঞান সম্পর্কে অধ্যয়ন কৰিছে। ভাষাবিজ্ঞানৰ মূল বিষয় হৈছে ভাষা। ভাষাৰ মূল একক হৈছে ধ্বনি। ধ্বনিসমূহত অর্থ আৰোপ কৰা হয়। সেয়েহে পৃথিৱীৰ বিভিন্ন স্থানত বিভিন্ন ভাষাৰ প্ৰচলন আছে। এই ধ্বনি কাক বোলে; কেনেদৰে উচ্চাৰিত হয়; কিদৰে প্ৰয়োগ কৰা হয়, ইত্যাদি সম্পর্কে ধ্বনিতত্ত্বৰ সাধাৰণ আভাস লাভ কৰাৰ লগে লগে অসমীয়া ধ্বনিতত্ত্বৰ লগত জড়িত বিভিন্ন দিশসমূহ এই অধ্যায়ত আলোচনা কৰা হ'ব। 'অসমীয়া ধ্বনিতত্ত্ব'ৰ অন্তৰ্গত হিচাপে স্বৰধ্বনি-স্বৰবৰ্ণ; ব্যঞ্জনধ্বনি-ব্যঞ্জনবৰ্ণ; উচ্চাৰণ বৈশিষ্ট্য; প্ৰয়োগ; আন্তৰাষ্ট্ৰীয় ধ্বনিলিপি; লয় বৰ্ণ বা উপাহিত বৰ্ণ ইত্যাদিৰ বিষয়ে জানিব পাৰিব।

৫.৩ ধ্বনিতত্ত্ব ঃ সাধাৰণ আলোচনা

৫.৩.১ ধ্বনিতত্ত্ব (Phonology)

ধ্বনিতত্ত্বৰ মূল বিষয় ধ্বনি। ধ্বনিতত্ত্ব (Phonology) বিষয় লৈ ভাষা বিশেষৰ ক্ষেত্ৰত প্ৰযোজ্য। বিশেষ এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ প্ৰণালীবদ্ধ আলোচনা ধ্বনিতত্ত্বত কৰা হয়।প্ৰত্যেক ভাষাৰে ধ্বনি উচ্চাৰণ প্ৰক্ৰিয়া, ধ্বনিৰ সংখ্যা, ধ্বনি প্ৰয়োগৰ সুকীয়া নিজস্ব বৈশিষ্ট্য আছে। ধ্বনিতত্ত্বত বিশেষ ভাষাৰ ধ্বনি সম্পৰ্কীয় আলোচনা হয়। সেয়েহে, ভাষা অনুযায়ী অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, বাংলা ভাষাৰ ধ্বনিতত্ত্ব ইত্যাদি।

ধ্বনিতত্ত্বত ধ্বনিবিজ্ঞানে নিৰ্ধাৰণ কৰা বা আলোচনা কৰা নিয়মসমূহৰ প্ৰয়োগগত দিশসমূহ পোৱা যায়। ধ্বনিতত্ত্বত ধ্বনিৰ ব্যাৱহাৰিক ৰূপৰ বিষয়েহে আলোচনা হয়। ধ্বনিতত্ত্বত ভাষা বিশেষত উচ্চাৰিত হোৱা বাগ্‌ধ্বনি, বৰ্ণ, উপধ্বনি, ধ্বনিৰ প্ৰয়োগ ইত্যাদি সম্পর্কে আলোচনা কৰা হয়। অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত উচ্চাৰিত হোৱা বাগ্‌ধ্বনি; ধ্বনিসমূহৰ বিভাজন, ধ্বনিসমূহৰ প্ৰয়োগ, বাগ্‌ইন্দ্ৰিয়ৰ ভূমিকা ইত্যাদি সম্পর্কে অসমীয়া ধ্বনিতত্ত্বত আলোচনা কৰা হয়।

ইংৰাজীত Phonology শব্দটোৱে ধ্বনিবিজ্ঞান (Phonetics) আৰু বৰ্ণ বিজ্ঞান (Phonemics) দুয়োটাকে অধ্যয়নৰ অন্তৰ্গত কৰে।

৫.৩.২ ধ্বনিবিজ্ঞান (Phonetics)

ধ্বনিবিজ্ঞান ভাষাবিজ্ঞানৰ এটা বিশিষ্ট ভাগ। ইয়াত সাধাৰণভাৱে 'ধ্বনি'ৰ বিস্তৃত বিশ্লেষণ কৰা হয়। ধ্বনিৰ উচ্চাৰণত সক্ৰিয় ভূমিকা লয় বাগিন্দ্ৰিয়ই। বাগিন্দ্ৰিয়ৰ সহায়ত কেনেকৈ ধ্বনি উচ্চাৰণ হয়; উচ্চাৰিত ধ্বনিসমূহৰ গুণ-লক্ষণ; ধ্বনিৰ প্ৰকাৰভেদ ইত্যাদি সম্পর্কে ধ্বনিবিজ্ঞানত আলোচনা কৰা হয়।ধ্বনিবিজ্ঞানত পৃথিৱীৰ ভাষাসমূহত

উচ্চাৰিত ধ্বনিসমূহৰ সাধাৰণ বিশ্লেষণ আগবঢ়োৱা হয়। ধ্বনিবিজ্ঞানত বাগিন্দ্রিয়সমূহৰ বিতং আলোচনা থাকে। দ্বিতীয়তে ধ্বনিবিজ্ঞানত ধ্বনিৰ তাত্ত্বিক আৰু প্ৰায়োগিক দিশৰ অধ্যয়ন কৰা হয়।

ধ্বনিবিজ্ঞানত ধ্বনিৰ উচ্চাৰণ প্ৰক্ৰিয়াৰ পৰা শ্ৰৱণ ইন্দ্ৰিয়লৈকে এই দীৰ্ঘ পথছোৱাৰ আলোচনা থাকে। ধ্বনিবিজ্ঞানত বাক্‌ধ্বনিসমূহক তিনিটা দিশৰ পৰা আলোচনা কৰা হয়। সেই তিনিটা দিশ হৈছে— উৎপাদন (উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান); সংবহন (তৰঙ্গ ধ্বনিবিজ্ঞান); গ্ৰহণ (শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান)।

} → → → → → { ε

উৎপাদন সংবহন গ্ৰহণ

চিত্ৰ ১

- **উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics)ঃ** ধ্বনিসমূহৰ উচ্চাৰণত বাগিন্দ্রিয়ৰ ভূমিকা উচ্চাৰণৰ স্থান, উচ্চাৰণৰ কৰণ আদিৰ বিষয়ে ভাষাবিজ্ঞানৰ এই শাখাত আলোচনা কৰা হয়।
- **তৰঙ্গ ধ্বনিবিজ্ঞান (Accoustic Phonetics) ঃ** ধ্বনিসমূহ মুখেৰে উচ্চাৰিত হৈ শ্ৰোতাৰ কাণত ঠেকা খোৱালৈকে বায়ু তৰঙ্গত সৃষ্টি কৰা কম্পন সম্পৰ্কে বিভিন্ন যন্ত্ৰপাতিৰ সহায়ত এই শাখাত অধ্যয়ন কৰা হয়। পেলেটোগ্ৰাফ, কাইমোগ্ৰাফ, স্পেক্টোগ্ৰাফ আদিৰ সহায়ত কোনো এটা ভাষাৰ সুৰ, দীৰ্ঘতা, অনুনাসিকতা, ঘোষত্ব আদিৰ বিষয়ে এই অধ্যায়তেই আলোচনা কৰা হয়।
- **শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান (Auditory Phonetics)ঃ** শ্ৰোতাৰ কাণত আঘাত পাই ধ্বনি তৰঙ্গই মগজুৰ স্নায়ুকোষত কম্পন তোলে আৰু মগজুৱে সেই কম্পন গ্ৰহণ কৰি পুনৰ নিৰ্দিষ্ট নিয়মত বক্তালৈ প্ৰেৰণ কৰিবলৈ আভ্যন্তৰীণ গঠন (Deep Structure) তৈয়াৰ কৰে। শ্ৰৱণাত্মক ধ্বনিবিজ্ঞানে নিৰ্দিষ্ট যন্ত্ৰপাতিৰ সহায়ত ধ্বনিৰ কম্পন বিশ্লেষণ কৰে।

ধ্বনিবিজ্ঞানে পৃথিৱীৰ সমস্ত ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে প্ৰাথমিক আৰু সাধাৰণ আলোচনা আগবঢ়ায়, গতিকে ধ্বনিবিজ্ঞানৰ পৰিসৰ তুলনামূলকভাৱে অধিক বিস্তৃত।



অগ্ৰগতি নিৰীক্ষণ

১নং প্ৰশ্ন ঃ ধ্বনিতত্ত্ব মানে কি? ধ্বনিতত্ত্বৰ আলোচনাৰ বিষয় কি? (৭৫টা শব্দৰ ভিতৰত)

২নং প্ৰশ্ন ঃ ধ্বনিবিজ্ঞানৰ চমু পৰিচয় দিয়ক।

(১৫০টা শব্দৰ ভিতৰত)

.....

৫.৩.৩ বিশিষ্ট ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞান (Phonemics)

ভাষাবিজ্ঞানৰ অন্তৰ্গত এটি বিভাগ হৈছে বিশিষ্ট ধ্বনিবিজ্ঞান। বিশিষ্ট ধ্বনিবিজ্ঞানক বৰ্ণবিজ্ঞান বুলিও ক'ব পাৰি। বিশিষ্ট ধ্বনিৰ আন এটা নাম বৰ্ণ। ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহৰ প্ৰকৃতি আৰু প্ৰয়োগ বিশ্লেষণ কৰি বিশিষ্ট ধ্বনি বা বৰ্ণ নিৰূপণ কৰা হয়। ভাষাত উচ্চাৰিত সকলোবোৰ ধ্বনিৰ প্ৰয়োগ আৰু প্ৰকৃতি একেই নহয়। কিছুমান ধ্বনি উচ্চাৰণ কৰিলে স্পষ্ট কাণত বাজে আৰু কিছুমান ধ্বনিৰ উচ্চাৰণে স্পষ্টতা নেদেখুৱায়। ধ্বনি উচ্চাৰণ কৰিলে যিবোৰ স্পষ্ট তেনে ধ্বনিসমূহে যদি পৰিৱেশ একে ৰাখি সাল-সলনি কৰি বেলেগ ধ্বনি বহুওৱা হয় আৰু তেতিয়া অৰ্থৰ পৰিৱৰ্তন হয়; তেনে ধ্বনিবোৰক বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিয়া হয়। যি ধ্বনিৰ বিশিষ্ট গুণ আছে সেই ধ্বনি বিশিষ্ট ধ্বনি। এই বিশেষ গুণটো হৈছে অৰ্থ সলনি কৰিব পৰা গুণ। সমগোত্ৰীয় ধ্বনিসমূহৰো প্ৰয়োগ বিশ্লেষণ বৰ্ণ বিজ্ঞানত কৰা হয়। ধ্বনিৰ এক ধৰণৰ ৰূপ বৈচিত্ৰ্যই হৈছে— বৰ্ণ বা বিশিষ্ট ধ্বনি।

বিশিষ্ট ধ্বনিবিজ্ঞানত ভাষাবিশেষে ধ্বনিৰ পৰা বিশিষ্ট ধ্বনি নিৰূপণ কৰা হয়। বিশিষ্ট ধ্বনি সদায় প্ৰয়োগ বিশ্লেষণ কৰিহে নিৰূপণ কৰা হয়। বিশিষ্ট ধ্বনি নিৰূপণৰ ক্ষেত্ৰত কেইটিমান গুৰুত্বপূৰ্ণ দিশ আছে। সেইসমূহ—

ক) বিশিষ্ট ধ্বনি বা বৰ্ণ নিৰূপণৰ বাবে ধ্বনি প্ৰয়োগ বিশ্লেষণ কৰিব লাগে। বিৰোধ প্ৰয়োগ বিচাৰ কৰি বৰ্ণ নিৰ্ণয় কৰা হয়।

খ) বিশিষ্ট ধ্বনি বা বৰ্ণ নিৰূপণৰ বাবে এটা ভাষাৰ অন্তৰ্গত শব্দ সামগ্ৰী (Data) হিচাপে ল'ব লাগে।

গ) বিশিষ্ট ধ্বনি বা বৰ্ণ নিৰূপণৰ বাবে অতি কমেও দুটা শব্দৰ এটা যোৰ (Pair) লাগে।

ঘ) বিশিষ্ট ধ্বনি বা বৰ্ণ সাৰ্বজনীন (Universal) নহয়। প্ৰত্যেক ভাষাৰ নিজস্ব বিশিষ্ট ধ্বনি বা বৰ্ণ থাকে।

ঙ) বিশিষ্ট ধ্বনি বা বৰ্ণবোৰ বিমূৰ্ত (Abstract)।

চ) বিশিষ্ট ধ্বনি বা বৰ্ণবোৰ প্ৰকৃততে এটা গোট। ইয়াৰ অন্তৰ্গত কেইবাটাও ধ্বনি থাকে; সেই ধ্বনিবোৰক উপধ্বনি (Allophone) বুলি কোৱা হয়।

ছ) বিশিষ্ট ধ্বনি বা বৰ্ণ কেৱল অনুক্ৰম ধ্বনিতহে (Suprasegmental) পায় এনে নহয় উপাহিত ধ্বনিৰ (Segmental) মাজতো বিশিষ্ট ধ্বনি পোৱা যায়।

জ) বিশিষ্ট ধ্বনি বা বৰ্ণ লিখিবলৈ '/ /' চিহ্ন প্ৰয়োগ কৰা হয়। আনহাতে উপধ্বনি বুজাবলৈ '[ ]' চিহ্ন ব্যৱহাৰ কৰা হয়।

ঝ) বৰ্ণবিজ্ঞানে ভাষাৰ বৰ্ণমালা আৰু লিপিমালাৰ বিষয়ে আলোচনা কৰে।



জানি থোৱা ভাল

অনুক্রম ধ্বনি (Segmental Phoneme) ঃ ক্রম অনুযায়ী বিভাজন কৰিব পৰা ধ্বনিক অনুক্রম ধ্বনি বা বিভাজ্য ধ্বনি বোলে। যেনে ঃ আ—ম = আম।

অবিভাজ্য বিশিষ্ট ধ্বনি (Supra Segmental Phoneme) ঃ কিছুমান বিশিষ্ট ধ্বনিক ভাগ ভাগ কৰি দেখুৱাব নোৱাৰি; (যেনে— শ্বাসাঘাত, সুৰ, অনুনাসিক ধ্বনি ইত্যাদি।) তেনে ধ্বনিক অবিভাজ্য বিশিষ্ট ধ্বনি বোলে।

৫.৪ উপধ্বনি

বিশিষ্ট ধ্বনিৰ আলোচনা প্রসঙ্গত উল্লেখ কৰা হৈছে যে বিশিষ্ট ধ্বনি বা বর্ণ হৈছে বিমূর্ত ৰূপ। মূর্ত ৰূপ লাভ কৰা চিহ্নটোক আমি (ধ্বনি) আখৰ বোলোঁহঁক।এই আখৰ বা ধ্বনিটো পৰিৱেশ আৰু প্রয়োগ অনুযায়ী ধ্বনি, বিশিষ্ট ধ্বনি, উপধ্বনি আদি নামেৰে নামাঙ্কিত হয়।

ভাষাৰ মৌলিক সামগ্রী হৈছে— বাগ্‌ধ্বনি। এই বাক্‌ধ্বনিসমূহ উচ্চাৰণৰ ক্ষেত্রত দেখা যায় কিছুমান ধ্বনি উচ্চাৰণ কৰিলে কাণত (শ্রোতাৰ) বাজে; কিছুমান ধ্বনিৰ উচ্চাৰণ শ্রোতাৰ কাণত নাবাজে। যিবোৰ ধ্বনি উচ্চাৰণত শ্রোতাৰ কাণত স্পষ্টকৈ বাজে; সেই ধ্বনিবোৰক বিশিষ্ট ধ্বনি বোলে। শ্রোতাৰ কাণত নবজা ধ্বনিক অবিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিসমূহ এটা বা একাধিক ধ্বনিৰ এটা গোট। বিশিষ্ট ধ্বনিৰ অন্তর্গত এই ধ্বনিসমূহক উপধ্বনি বোলা হয়।

ধ্বনিৰ প্রয়োগৰ কথা এই প্রসঙ্গত আহে। ধ্বনিৰ প্রয়োগ বিশ্লেষণৰ দ্বাৰা বর্ণ আৰু উপধ্বনি নির্ণয় কৰা হয়। ধ্বনিৰ প্রয়োগ দুই প্রকাৰ। বিৰোধী প্রয়োগ বা প্রতীপ প্রয়োগ আৰু অবিৰোধী প্রয়োগ বা অপ্রতীপ প্রয়োগ।

বিৰোধী প্রয়োগ (Contrastive Distribution) ঃ বিভিন্ন পৰিৱেশত ধ্বনিৰ প্রয়োগ হ'লে বিৰোধী প্রয়োগ হোৱা বোলে। 'অভিন্ন পৰিৱেশ'ৰ অর্থ পৰিৱেশ সম্পূর্ণ একো মাথোন আলোচ্য ধ্বনিটোৰ সলনি বেলেগ ধ্বনি বহুওৱা হয়। পৰিৱেশ আদি, মধ্য, অন্ত্য, একক বা সহযুক্ত যিকোনো হ'ব পাৰে। বিৰোধী প্রয়োগৰ বাবে কমেও দুটা শব্দৰ এটা 'যোৰ' (Pair) লাগিব; ততোধিকো হ'ব পাৰে— কিন্তু কম নহয়। অসমীয়া ভাষাৰ পৰা উদাহৰণ ঃ

প	—	আ —	ত
ব	—	আ —	ত
ক	—	আ	ত

— আদ্য-ধ্বনিৰ সলনি কৰা হৈছে।

কেতিয়াবা সদৃশ পৰিৱেশত বিৰোধী প্রয়োগ হয়। যেনে ঃ

C	V	C	
ক	আ	ত	C — ব্যঞ্জন (Consonant)
গ	আ	ত	V — স্বৰ (Vowel)
ত	ই	ল	

অপ্রতীপ বা অবিৰোধী প্রয়োগ (Non-Contrastive Distribution) ঃ অভিন্ন বা সদৃশ পৰিৱেশত কেতিয়াবা কিছুমান ধ্বনিৰ কেতিয়াও প্রয়োগ নহয়। এই ধ্বনিবোৰ সদায় পৰিৱেশ নির্দিষ্ট হয়। এনে প্রয়োগক কোৱা হয় অপ্রতীপ প্রয়োগ। পৰিপূৰক প্রয়োগ (Complementory distribution) আৰু অয়ত বিকল্প প্রয়োগক (free variation) অবিৰোধী প্রয়োগৰ অন্তর্গত কৰা হয়।

বর্ণ বুলি স্বীকৃত হোৱা ধ্বনিৰ লগত গাঢ় মিল থকা ধ্বনিবোৰক একেলগ কৰি একোটা গোট কৰা হয়। গোটৰ অন্তর্গত এই ধ্বনিবোৰ যদি নির্দিষ্ট পৰিবেশতহে পোৱা যায় আৰু ইটোৰ পৰা সিটো সদায় আঁতৰি থাকে তেতিয়া সেই প্রয়োগক পৰিপূৰক প্রয়োগ বোলে।

ধ্বনিসমূহৰ লগতে লাগি থকা, যিসমূহক আসন্ন ধ্বনি বোলা হয়; সেই আসন্ন ধ্বনিয়ে পৰিৱেশ সৃষ্টি কৰে। প্রয়োগ হোৱা স্থানৰ ওপৰতো ধ্বনিৰ পৰিৱেশ নির্ভৰ কৰে। উদাহৰণ ঃ (অসমীয়া ভাষাৰ পৰা)

পাপ, লাভ, ফাল, চার্ফ, ভাল ইত্যাদি।

পাপ ঃ /প — আ — প/

লাভ ঃ /ল — আ — ভ/

ফাল ঃ /ফ — আ — ল/

চার্ফ ঃ /চ — আ — ৰ — ফ/

ভাল ঃ /ভ — আ — ল/

এই উদাহৰণ আমি পাইছোঁ ঃ

প, প্; ল, ল্; ভ, ভ্; ফ, ফ্।


এই ধ্বনিকেইটাৰ—

i) প, ল, ভ, ফ আদি স্থানত বহিছে

ii) 'আ' স্বৰৰ আগত বহিছে।

iii) প্, ল্, ভ্, ফ্ অন্ত্য স্থানত বহিছে।

প্রয়োগ বিশ্লেষণত— পৰিৱেশ ভিন্ন দেখা গ'ল। স্বৰৰ আগত প্রয়োগ হোৱা ধ্বনিকেইটা মুক্ত, স্ফোটনযুক্ত কিন্তু অন্ত্য স্থানত বহা ধ্বনিকেইটা তুলনামূলকভাৱে ঈষৎ বদ্ধ। আদি স্থানৰ 'প' আৰু অন্ত্য স্থানৰ 'প্' দুয়োটাৰ পৰিৱেশ নির্দিষ্ট। দুয়োটা ধ্বনিয়ে গাঢ় মিলযুক্ত। দুয়োটা ধ্বনিয়ে সাধাৰণ শ্রোতাৰ কাণত নাবাজে। ধ্বনিগত সাদৃশ্য থকা এই ধ্বনি দুটাক এটা গোট কৰি এটা বর্ণৰ অন্তর্গত কৰিব পাৰি—





জানি থোৱা ভাল

/ / — বৰ্ণক বুজায়

[ ] — উপধ্বনিক বুজায়।

৫.৫ ধ্বনিবিজ্ঞানৰ অধ্যয়ন প্ৰক্ৰিয়া

প্ৰণালীবদ্ধভাৱে ধ্বনি বিজ্ঞানত ধ্বনিৰ অধ্যয়ন কৰা হয়। ধ্বনি উচ্চাৰণৰ পৰা প্ৰয়োগলৈকে ভাষাবিশেষে প্ৰণালীবদ্ধভাৱে ধ্বনিবিজ্ঞানত আলোচনা থাকে।

৫.৫.১ ধ্বনি

ধ্বনি শব্দটোৱে মানুহৰ বাক্ ইন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত 'নাদ' বিশেষক বুজায়। ধ্বনি বা Phone উচ্চাৰিত হ'বলৈ কিছুমান বিশেষ দিশৰ প্ৰয়োজন। সেইসমূহ —

- হাওঁফাওঁৰ বায়ুপ্ৰৱাহ
- কণ্ঠত বায়ুপ্ৰৱাহৰ গতি
- মুখবিবৰ, নাসিকাবিবৰ
- বাগিন্দ্ৰিয়
- স্বৰযন্ত্ৰ বা বাক্‌যন্ত্ৰ

বাহিৰৰ পৰা বতাহ মুখবিবৰৰ ভিতৰলৈ শুহি লৈ বা হাওঁফাওঁৰ পৰা বতাহ (বায়ু) মুখবিবৰ আৰু নাসিকা বিবৰেৰে (প্ৰয়োজন অনুযায়ী) বাহিৰলৈ উলিয়াই কণ্ঠ আৰু বাগিন্দ্ৰিয়ৰ দ্বাৰা সম্পূৰ্ণ বা আংশিক ৰোধ কৰি 'নাদ' উচ্চাৰণ কৰা হয়। এই উচ্চাৰিত নাদকে ধ্বনি বোলা হয়। এই 'ধ্বনি' বা Soundক ভাষাবিজ্ঞানত Sound-

Speech বা Phone বোলে। অসমীয়াত আমি ইয়াক বাক্‌ধ্বনি বা বাগ্‌ধ্বনি আৰু চমুকৈ ধ্বনি বোলোঁ।

ভাষাৰ আটাইতকৈ ক্ষুদ্রতম উপাদান হৈছে ধ্বনি। ধ্বনিৰ কেইটামান বৈশিষ্ট্য আছে। বৈশিষ্ট্যসমূহ—

- ধ্বনিসমূহ অমূর্ত। ইয়াক দেখা নাপায়, কাণেৰে শুনাহে পায়।
- ধ্বনিসমূহৰ অর্থ নাথাকে; অর্থ আৰোপ কৰা হয়। সেয়েহে কোৱা হয় ধ্বনিসমূহ যাদৃচ্ছিক।
- প্রত্যেক ভাষাৰে নিজস্ব ধ্বনি থাকে।
- ধ্বনিসমূহ মূর্ত ৰূপ লাভ কৰিবলৈ চিহ্নৰ প্রয়োগ কৰা হয়, তাকে 'আখৰ' বোলা হয়।
- ধ্বনিসমূহৰ প্রয়োগ বৈচিত্র্য ভাষা অনুযায়ী ভিন্ন।




অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ বাগ্‌ধ্বনি কাক বোলে? বাগ্‌ধ্বনি উচ্চাৰণ কিদৰে হয়? (৭৫টা শব্দৰ ভিতৰত)


.....

৫.৫.২ ধ্বনিৰ বিভাগ

➢ ধ্বনিৰ উচ্চাৰণত বায়ু বা শ্বাস অপৰিহার্য্য বিষয়। কেতিয়াবা শ্বাস বাহিৰৰ পৰা ভিতৰলৈ সুমুৱাই (মুখেৰে) ধ্বনি উচ্চাৰণ কৰা হয়। কেতিয়াবা হাওঁফাওঁৰ পৰা শ্বাস বাক্‌যন্ত্রৰ মাজেৰে মুখবিবৰ আৰু নাসিকা বিবৰেৰে উলিয়াই ধ্বনি উচ্চাৰণ কৰা হয়। শ্বাসৰ এই গতি প্রৱাহ অনুযায়ী ধ্বনি দুই প্রকাৰ। অন্তঃস্ফোট ধ্বনি (Implosive Sound) আৰু প্রস্ফোট ধ্বনি (Explosive Sound)। তলত দুখন ছবি দিয়া হ'ল ঃ



চিত্র ২ ঃ অন্তঃস্ফোট ধ্বনি



চিত্র ৩ ঃ প্রস্ফোট ধ্বনি

পৃথিৱীৰ বেছিভাগ ধ্বনিৰ উচ্চাৰণ প্ৰস্ফোট। আফ্ৰিকাৰ কেইবাটাও ভাষাৰ মাজত অন্তঃস্ফোট ধ্বনিৰ ব্যৱহাৰ পোৱা যায়। নাইজেৰিয়াৰ ওৱেৰে (Owere) উপভাষাত অন্তঃস্ফোট ধ্বনিৰ প্ৰয়োগ আছে। অন্তঃস্ফোট ধ্বনিসমূহৰ অধিকাংশই ঘোষ (Voiced) ব্যঞ্জন হিচাপে পোৱা যায়।

- বায়ু প্ৰৱাহ বা শ্বাসৰ বাধা অনুযায়ী ধ্বনিক দুই ভাগত ভগাব পাৰি। (i) নিয়ত ধ্বনি, (ii) প্ৰৱাহ ধ্বনি।

i) **নিয়ত ধ্বনি ঃ** বায়ু প্ৰৱাহ সম্পূৰ্ণ ৰোধ কৰি উচ্চাৰণ কৰা ধ্বনিক নিয়ত ধ্বনি বোলে।নিয়ত ধ্বনিক স্পৰ্শ ধ্বনিও বোলা হয়। উচ্চাৰণ কৰণে উচ্চাৰণ স্থানত স্পৰ্শ কৰি উচ্চাৰণ কৰা বাবে এই ধ্বনিক স্পৰ্শ ধ্বনিও (Staps) বোলে।


ii) **প্ৰৱাহ ধ্বনি ঃ** হাওঁফাওঁৰ পৰা নিৰ্গত শ্বাস বা বায়ু প্ৰবাহে স্বৰযন্ত্ৰ বা মুখবিবৰত অৱস্থিত বাক্-ইন্দ্ৰিয়ত সম্পূৰ্ণ আঘাত নকৰাকৈ পথছোৱা সংকীৰ্ণ কৰি যেতিয়া ধ্বনি সৃষ্টি কৰে তেনে ধ্বনিক প্ৰৱাহ ধ্বনি (Continuants) বোলে।




জানি থোৱা ভাল

উচ্চাৰণ কৰণ ঃ বাক্ ইন্দ্ৰিয়ৰ যিসমূহ ইন্দ্ৰিয় সঞ্চালন (লৰচৰ) কৰিব পাৰি— যেনে ঃ ওঁঠ, জিভা আদিক উচ্চাৰণ কৰণ বোলে।

উচ্চাৰণ স্থান ঃ মুখবিবৰত অৱস্থিত সঞ্চালন কৰিব নোৱাৰা কিন্তু উচ্চাৰণ কৰণে এই স্থানত বায়ুপ্ৰৱাহক সম্পূৰ্ণ বা আংশিক চাপ দি নাদ সৃষ্টি কৰে বাবে এনে স্থানক উচ্চাৰণ স্থান বোলে। যেনে ঃ দাঁত, দাঁতৰ মূল, তালু ইত্যাদি।




চিত্ৰ ৪ ঃ নিয়ত ধ্বনি



চিত্ৰ ৫ ঃ প্ৰৱাহ ধ্বনি

নিয়ত আৰু প্ৰৱাহ ধ্বনিৰ উচ্চাৰণ স্থান-কৰণ আৰু প্ৰকৃতি অনুযায়ী কেইবাটাও প্ৰকাৰ দেখা যায়। তলত এখন তালিকা দিয়া হ'ল ঃ



চিত্ৰ ৬

এই নিয়তাভাস ধ্বনিসমূহৰো বিভিন্ন উপবিভাগ আছে। উদাহৰণ স্বৰূপে ঃ উষ্ম ধ্বনিৰ উচ্চাৰণ স্থান অনুযায়ী ওষ্ঠ্য উষ্ম, দন্তৌষ্ঠ্য উষ্মধ্বনি, দন্ত্য উষ্ম, দন্তমূলীয় উষ্ম, মূৰ্ধণ্য উষ্ম, তালব্য উষ্ম, দন্ত্যমূলীয় তালব্য উষ্ম ইত্যাদি।

- **বিভাজ্য আৰু অবিভাজ্য ধ্বনি ঃ (প্ৰয়োগৰ দিশৰ পৰা)** ধ্বনিৰ প্ৰয়োগ বিশ্লেষণ কৰিলে দেখা যায় কিছুমান ধ্বনি ক্ৰম অনুযায়ী পৃথক পৃথককৈ দেখুৱাব পাৰি— তেনে ধ্বনিক বিভাজ্য ধ্বনি বোলে। যেনে ঃ 'মৰম' শব্দটোত থকা ধ্বনিসমূহক ক্ৰম অনুযায়ী ভাগ কৰিলে হ'ব— ম-অ-ৰ-অ-ম। এইসমূহক অনুক্ৰম ধ্বনি বা বিভাজ্য ধ্বনি (Segmental Sound) বোলে। কিছুমান ধ্বনিক এইদৰে ভাগ কৰি দেখুৱাব নোৱাৰি কিন্তু অৰ্থবোধত এই ধ্বনিসমূহৰ গুৰুত্ব অপৰিহাৰ্য। এই ধ্বনিক অবিভাজ্য ধ্বনি বা লয় বৰ্ণ (Supra Segmental Sound) বোলে। অবিভাজ্য ধ্বনি বিভাজ্য ধ্বনিক আশ্ৰয় কৰিহে নিজৰ পৰিচয় দিয়ে। যেনে ঃ সুৰ, শ্বাসাঘাত, অনুনাসিকতা ইত্যাদি।

  বিভাজ্য ধ্বনিসমূহক দুটা ভাগত ভগাব পাৰি ঃ (i) ব্যঞ্জনধ্বনি (ii) স্বৰধ্বনি।

৫.৫.৩ ব্যঞ্জনধ্বনি

যিবোৰ ধ্বনি উচ্চাৰণত বায়ু প্ৰৱাহ মুখবিবৰৰ বিভিন্ন স্থানত উচ্চাৰণ কৰণৰ দ্বাৰা বিভিন্ন ধৰণেৰে বাধা পাই উচ্চাৰিত হয় তাকে ব্যঞ্জন ধ্বনি বোলে। ব্যঞ্জন ধ্বনিৰ উচ্চাৰণত কেইটিমান বৈশিষ্ট্য থাকিব লাগিব। সেইকেইটা—


- বাধাৰ মাত্রা অধিক হ'ব লাগে।
- বেছি মাত্রাৰ বাবে স্ফোটন হয়; বা
- ঘর্ষণ হয়।
- স্বৰতন্ত্রীত শ্বাসবায়ুৰ গতিপথত বাধা পাব পাৰে।
- মুখবিবৰত বায়ু প্ৰৱাহ বাধা পাই কেতিয়াবা নাসিকা বিবৰেৰে নির্গমন হ'ব পাৰে।
- ব্যঞ্জনধ্বনি মৌখিক আৰু নাসিক্য দুয়ো ধৰণৰ হ'ব পাৰে।
- নিয়ত ব্যঞ্জন ধ্বনি মৌখিক।
- নিয়তাভাস ধ্বনিসমূহ মৌখিক আৰু নাসিক্য দুই ধৰণৰ হ'ব পাৰে।
- ব্যঞ্জনধ্বনি আন্তঃস্ফোট ৰূপটো পোৱা যায়।

'চিত্র-৭'ত আগবঢ়োৱা তালিকাখনত উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী ব্যঞ্জন ধ্বনিসমূহ দেখুওৱা হৈছে। ব্যঞ্জনধ্বনিসমূহ অঘোষ, সঘোষ, অল্পপ্রাণ বা মহাপ্রাণ হিচাপেও উচ্চাৰিত হ'ব পাৰে। ব্যঞ্জনধ্বনিৰ উচ্চাৰণত বাক্‌যন্ত্রত অৱস্থিত স্বৰতন্ত্রী দুখনৰ ভূমিকা অনুযায়ী আমি ঘোষ-অঘোষ-অল্পপ্রাণ-মহাপ্রাণ আদি ধ্বনিসমূহ পাওঁ।


৫.৫.৪ কণ্ঠ

মানুহৰ ডিঙিত খাদ্যনলীৰ কাষতে শ্বাসনলী আছে। হাওঁফাওঁৰ পৰা বতাহ নির্গমন হোৱা পথটোত দুখন পাতল পর্দা আছে— যাক কোৱা হয় স্বৰতন্ত্রী। স্বৰতন্ত্রী দুখনৰ মাজেৰে ঠেক পথটোক কোৱা হয় কণ্ঠ। স্বৰতন্ত্রী দুখনে কণ্ঠৰ পথটো কেইবা ধৰণেৰে আগুৰি থাকে।

- সম্পূর্ণ খোলা ৰাখে
- সম্পূর্ণ বন্ধ ৰাখে
- আংশিক খোলা ৰাখে;
- আংশিক বন্ধ ৰাখে।



চিত্র ৭



কণ্ঠ খোলা অৱস্থা	কণ্ঠৰ পথ সংকীর্ণ/ঠেক	কণ্ঠ সম্পূর্ণ বন্ধ	স্বৰতন্ত্রী দুখন আগফালে বন্ধ পিছফালে খোলা অৱস্থা
(ক)	(খ)	(গ)	(ঘ)

চিত্র ৮

'চিত্ৰ-৯'ৰ 'ক' অৱস্থাত অঘোষ ধ্বনি পোৱা যায়।
'চিত্ৰ-৯'ৰ 'খ' অৱস্থাত ঘোষ ধ্বনি পোৱা যায়।
'চিত্ৰ-৯'ৰ 'গ' অৱস্থাত কণ্ঠীয় নিয়ত ধ্বনি পোৱা যায়।
'চিত্ৰ-৯'ৰ 'ঘ' অৱস্থাত শ্বাসধ্বনি পোৱা যায়।



জানি থোৱা ভাল

'প্ৰাণ' শব্দটোৱে ইয়াত শ্বাস বুজায়। শ্বাস হৈছে ঠেক স্বৰতন্ত্ৰীৰ মাজেৰে পৰ্দা দুখন কঁপাই ওলাই অহা বায়ু। শ্বাস বহন কৰি ওলাই আহি উচ্চাৰণ হোৱা ধ্বনি মহাপ্ৰাণ ধ্বনি। শ্বাসহীন উচ্চাৰিত ধ্বনি অল্পপ্ৰাণ ধ্বনি। অসমীয়া ভাষাৰ ব্যঞ্জন বৰ্ণৰ বৰ্গৰ প্ৰথম আৰু দ্বিতীয় ধ্বনি সদায় অঘোষ ধ্বনি। বৰ্গৰ তৃতীয়, চতুৰ্থ, পঞ্চম ধ্বনি, ঘোষ ধ্বনি। /প/ /ব/, /ত/, /দ/, /ক/, /গ/— ইত্যাদি অসমীয়া ভাষাৰ অল্পপ্ৰাণ ব্যঞ্জন ধ্বনি। /ফ/, /ভ/ /থ/, /ধ/, /খ/, /ঘ/— ইত্যাদি অসমীয়া ভাষাৰ মহাপ্ৰাণ ব্যঞ্জন ধ্বনি।



অগ্ৰগতি নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ উচ্চাৰণ স্থান অনুসৰি ব্যঞ্জনধ্বনিসমূহক কেনেদৰে ভাগ কৰিব পাৰি? (৭৫টা শব্দৰ ভিতৰত)

.....

৫.৫.৫ ব্যঞ্জন ধ্বনিৰ বিভাজন


ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান অনুসৰি আৰু প্ৰকৃতি অনুযায়ী ভাগ কৰা হয়। প্ৰকৃতি অনুযায়ী নিয়ত আৰু নিয়তাভাস ধ্বনি হিচাপে ভগোৱা হয়। সঘোষ-অঘোষ-অল্পপ্ৰাণ-মহাপ্ৰাণ আদি বিভাজনো প্ৰকৃতি অনুযায়ী কৰা বিভাজন। কম্পিত, তাড়িত, পাৰ্শ্বিক, উষ্ম আদি বিভাজন উচ্চাৰণৰ প্ৰকৃতি অনুযায়ী কৰা বিভাজন।

(সঘোষ-অঘোষ-অল্পপ্ৰাণ-মহাপ্ৰাণ আদি ইতিমধ্যে আলোচনা কৰা হৈছে।)

তলত কম্পিত, তাড়িত, পাৰ্শ্বিক, উষ্ম, অনুনাসিক আদি ধ্বনিৰ উচ্চাৰণ প্ৰকৃতি দিয়া হ'ল ঃ

- **কম্পিত ধ্বনি ঃ** কম্পিত ধ্বনি (Rolled/Trill)ক লুণ্ঠিত ধ্বনি বুলিও কোৱা হয়। উচ্চাৰণ কৰণ জিভাৰ আগটো দাঙি দি দাঁতৰ মূলৰ ওচৰত বা মূৰ্দ্ধাৰ ওচৰত ৰাখি বায়ু প্ৰৱাহৰ পথ সঙ্কীৰ্ণ কৰি লুণ্ঠিত বা কম্পিত ধ্বনিৰ সৃষ্টি কৰে। জিভা সঙ্কুচিত

হয়। কম্পিত ধ্বনি কেতিয়া অঘৃষ্ট ৰূপেৰে আৰু কেতিয়াবা উষ্ম ৰূপেৰে উচ্চাৰিত হয়। শব্দৰ আদিৰ 'ৰ' অসমীয়াত সদায় উষ্মলুণ্ঠিত। আমেৰিকান ইংৰাজীত মূৰ্দ্ধণ্য লুণ্ঠিতোষ্ম পোৱা যায়।




চিত্র ৯

- **পার্শ্বিক ধ্বনি (Laterals)** ঃ উচ্চাৰণ কৰণ জিভা আৰু তলৰ ওঁঠখনে উচ্চাৰণ স্থানত স্পর্শ কৰে। স্পর্শ কৰোঁতে জিভা সঙ্কুচিত হয় আৰু হাওঁফাওঁৰ পৰা নির্গত বায়ু উচ্চাৰণ কৰণৰ এফালে বা দুয়ো কাষেৰে বাহিৰলৈ ওলাই যি ধ্বনি সৃষ্টি কৰে সেই ধ্বনিক পার্শ্বিক বা পার্শ্ব ধ্বনি বোলে। বায়ু নির্গমন হোৱা পথৰ বিস্তৃতি আৰু ঘর্ষণ হোৱা নোহোৱা লৈ বিভিন্ন ধৰণৰ পার্শ্বিক ধ্বনি পোৱা যায়। যেনে পার্শ্বিক উষ্ম; পার্শ্বিক স্ফোট ইত্যাদি।



চিত্র ১০ ঃ পার্শ্বিক ধ্বনি

- **অনুনাসিক ধ্বনি (Nasal Sound)** ঃ হাওঁফাওঁৰ নির্গত বায়ু প্রৱাহ মুখবিবৰৰ উচ্চাৰণ স্থানত উচ্চাৰণ কৰণৰ দ্বাৰা সম্পূর্ণ ৰোধ কৰি কোমল তালু আৰু আলজিহ্বাৰ মাজৰ অংশ ঢিলা কৰি তললৈ নমাই বতাহ নাসিকা বিবৰৰ মুকলি পথেৰে উলিয়াই দিয়া হয়। নাসিকাবিবৰত কলনৰ বাবে কোনো অঙ্গ নাথাকিলেও নাসিকাবিবৰৰ বেৰত আঘাত কৰি এটা নাদ সৃষ্টি কৰে; এনেদৰে উচ্চাৰিত ধ্বনিক অনুনাসিক ধ্বনি বোলে। এনে ধ্বনিক নিয়াতানিয়ত ধ্বনিও ক'ব পাৰি। মৌখিকভাৱে নিয়ত; নাসিকা বিবৰেৰে অনিয়ত।



চিত্র ১১ ঃ নাসিক্য নাদযুক্ত 'ম'

- **তাড়িত ধ্বনি (Flapped/Tap)** ঃ উচ্চাৰণ স্থানত জিভাৰ অনাটোৱে এবাৰ মাত্র স্পর্শ কৰি ততালিকে তললৈ নামি আহে আৰু বায়ুপ্রবাহে জিভাখনত জোৰেৰে ঠেলা মাৰি দিলে তাড়িত ধ্বনি পোৱা যায়। বাংলা আৰু হিন্দী ভাষাৰ ড়, ঢ় তাড়িত ধ্বনি।
- **উষ্ম (Fricative/Spirant) ধ্বনি** ঃ উচ্চাৰণকৰণে বায়ু নির্গমনৰ পথ অতি

সংকীর্ণ কৰি ৰখাৰ ফলত সেই সংকীর্ণ পথেৰে পাৰ হৈ যাওঁতে বায়ুৰ সোঁতটোৰ ঘর্ষণ হয়, ঘর্ষণৰ ফলত বতাহখিনি গৰম হৈ যায়। সেই বাবে এনে ধ্বনিক উষ্ণ ধ্বনি বোলে। ঘর্ষণ হোৱা বাবে উষ্ণ ধ্বনিক সৃষ্ট ধ্বনিও বোলা হয়। উষ্ম ধ্বনি সদায় মৌখিক, অর্থাৎ ইয়াৰ উচ্চাৰণত বায়ুপ্রবাহ নাসিকা বিবৰেৰে যাব নোৱাৰে। উষ্ণ ধ্বনি বাগিন্দ্রিয়ৰ বিভিন্ন স্থানত উচ্চাৰিত হ'ব পাৰে। অসমীয়া ভাষাৰ শব্দৰ শেষৰ একাকী ভ বা ফ উষ্ণ। ভ আৰু ফ ৰ উচ্চাৰণৰ স্থান ওঁঠ। গতিকে লাভ, বৰফ আদি শব্দৰ ভ আৰু ফ ঔষ্ঠ্য উষ্মৰ পৰা বিভিন্ন উষ্ণধ্বনি পাব পাৰি।

৫.৫.৬ অনিয়ত ধ্বনি বা স্বৰধ্বনি

- বায়ু প্ৰৰাহৰ পথ সম্পূর্ণ মুক্ত ৰাখি ওঁঠ আৰু জিভাৰ অৱস্থান পৰিৱর্তন কৰি মুখবিবৰ আৰু কণ্ঠৰ মাজৰ অংশত কলন সৃষ্টি কৰি ধ্বনি উচ্চাৰণ কৰিব পাৰি। এনেদৰে উচ্চাৰিত ধ্বনিক অনিয়ত ধ্বনি বা স্বৰধ্বনি বোলে।

  স্বৰধ্বনিৰ বৈশিষ্ট্য ঃ

  ক) স্বৰধ্বনি সঘোষ আৰু অঘোষ দুই ধৰণৰ হ'ব পাৰে।


  খ) স্বৰধ্বনিৰ প্ৰৰাহত বাধা নাথাকে সেয়েহে দীঘলীয়া সময়লৈ উচ্চাৰণ কৰিব পাৰি। এবাৰতে ওঁঠৰ সঞ্চালন আৰু জিভাৰ উচ্চতাৰ সালসলনি কৰি স্বৰধ্বনিসমূহ উচ্চাৰণ কৰিব পাৰি।

  গ) স্বৰধ্বনিসমূহক অনুনাসিকতা বহন কৰিও উচ্চাৰণ আৰু প্ৰয়োগ কৰিব পাৰি।

  ঘ) স্বৰধ্বনিয়ে সুৰ আৰু শ্বাসাঘাতৰ আধাৰ হিচাপে প্ৰয়োগ হ'ব পাৰে।

  ঙ) স্বৰধ্বনি অক্ষৰাধাৰ হিচাপে প্ৰয়োগ হয়।

- স্বৰধ্বনিৰ উচ্চাৰণত ভাগ লোৱা প্ৰধান বাক্-ইন্দ্রিয়কেইটা হৈছে—
  - স্বৰতন্ত্রী
  - কোমল তালু
  - জিভা
  - ওঁঠ




চিত্র ১২

৫.৫.৭ স্বৰধ্বনিৰ বিভাজন


- জিভাৰ পথালি অংশ অনুসৰি জিভাখনক তিনিটা ভাগত ভগাব পাৰি— প্রান্তীয়, কেন্দ্রীয় আৰু মূলীয়।

- জিভাৰ আগভাগত যিসমূহ স্বৰধ্বনি উচ্চাৰণ হয়, সেই ধ্বনিবিলাকক প্ৰান্তীয় ধ্বনি বোলে।
- জিভাখনৰ কেন্দ্ৰ অংশৰ সঞ্চালনত সৃষ্টি হোৱা স্বৰধ্বনিক কেন্দ্ৰীয় স্বৰধ্বনি বোলে।
- মূল অংশত স্বৰধ্বনি উচ্চাৰণ হ'লে তাক মূলীয় স্বৰধ্বনি বোলে।
- জিভাৰ উচ্চতা অনুযায়ী স্বৰধ্বনি বিভাজন কৰা হয়। জিভাখন সাধাৰণতে তলত চেপেটা হৈ পৰি থাকে। স্বৰধ্বনি উচ্চাৰণত জিভাখন তালুৰ ফালে উঠি থাকে। তালুৰ ফালে উঠা অৱস্থানটো— 'উচ্চতা'ক বুজায়।



চিত্ৰ ১৩

- ওঁঠৰ অৱস্থান অনুযায়ী স্বৰধ্বনিক দুটা ভাগত পোৱা যায়।
  i) সংবৃত্তৌষ্ঠ
  ii) বিবৃত্তৌষ্ঠ



চিত্ৰ ১৪

- ওঁঠ আৰু জিভাৰ সঞ্চালনত মুখবিবৰৰ নাদকৰ আকৃতি ভিন্ন কৰে। মুখবিবৰৰ ভিতৰত হোৱা এই আকৃতি অনুযায়ী স্বৰধ্বনিসমূহক চাৰিটা ভাগত ভগাব পাৰি। সেই চাৰি প্ৰকাৰ হৈছে—
  i) সংবৃত্ত ii) অৰ্ধসংবৃত্ত iii) বিবৃত্ত iv) অৰ্ধবিবৃত্ত।



জানি থোৱা ভাল

ধ্বনিবিজ্ঞানৰ অন্তৰ্গত স্বৰধ্বনিসমূহৰ মান নিৰ্ণয়ৰ বাবে ডেনিয়েল জোন্চ নামৰ ভাষাবিজ্ঞানীজনে বিশেষ স্বৰধ্বনি নিৰ্ণয় কৰে। এইখনক মান স্বৰধ্বনি বোলে। মান স্বৰধ্বনি দুই প্ৰকাৰ— মুখ্য মান স্বৰধ্বনি আৰু গৌণ মান স্বৰধ্বনি। মুখ্য মান স্বৰধ্বনি ঃ ৮টা; গৌণ মান স্বৰধ্বনি ঃ ৭টা স্বৰধ্বনি উচ্চাৰণৰ ভেদ ৰেখা সূচাই এই মান স্বৰধ্বনি নিৰ্ণয় কৰা হৈছে।

৫.৫.৮ আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি (International Phonetic Script)

আন্তঃৰাষ্ট্ৰীয় ধ্বনি সংস্থাই পৃথিৱীৰ বিভিন্ন ভাষাসমূহত ব্যৱহৃত ধ্বনিসমূহক বিজ্ঞানসন্মতভাৱে বৰ্গীকৰণ কৰি বিভিন্ন চিহ্নৰ দ্বাৰা চিহ্নিত কৰি সকলোৱে গ্ৰহণ কৰিব পৰাকৈ এখন তালিকা প্ৰস্তুত কৰে। ধ্বনিসমূহৰ প্ৰত্যেকটো দিশলৈ লক্ষ্য ৰাখি কৰা সৰ্বগ্ৰহণযোগ্য এই তালিকাখনকে আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি (I.P.A) বোলে। (১৯৫১ চনত প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি প্ৰকাশ হৈছিল।) I.P.Aৰ মূল ভেটি হৈছে ব্ৰিটিছ ধ্বনিতত্ত্ববিদ হেন্‌ৰী ছুইতৰ ৰ'মিক বা ব্ৰডৰ'মিক লিপি। ৰোমান লিপিৰ পৰা আখৰ গোটাই হেন্‌ৰী ছুইতে ৰ'মিক লিপিৰ জন্ম দিছিল। সময়ৰ লগে লগে এই লিপিখনৰ যথেষ্ট সংশোধন হৈছে। ৰোমান আখৰৰ উপৰিও গ্ৰীক আখৰৰ সংশোধিত ৰূপো ইয়াত সোমাইছে। ভালেখিনি কূটচিহ্ন (Diacritical Marks)ও তালিকাখনত আছে।

আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপিৰ গঠন আৰু উদ্দেশ্যৰ বৈশিষ্ট্য ঃ

ক) I.P.A-ৰ মূল ভিত্তি ৰ'মিক বা ব্ৰডৰ'মিক লিপি।

খ) I.P.A লিপিখন প্ৰয়োজন অনুযায়ী সংশোধন কৰা হয়।

গ) পৃথিৱীৰ বিভিন্ন ভাষাত থকা চিহ্নসমূহৰ সকলোৱে গ্ৰহণ কৰিব পৰা ৰূপ (চিহ্ন) গ্ৰহণ কৰি তালিকাখন গঠন কৰা হয়।

ঘ) পৃথিৱীৰ যিকোনো প্ৰান্তৰ ধ্বনিতত্ত্ববিদ বা ভাষাবিজ্ঞানীসকলে I.P.A-ৰ দ্বাৰা যিকোনো প্ৰান্তৰ ভাষাৰ জ্ঞান আয়ত্ত কৰিব পাৰে।

ঙ) ধ্বনিতত্ত্ববিদসকলে প্ৰতীকত (চিহ্ন) ধ্বনিবিশেষৰ মূল্য আৰোপ কৰি I.P.A-ৰ ধ্বনি লিপিখন গঠন কৰা হয়।

৫.৫.৯ অবিভাজ্য ধ্বনি বা লয় ধ্বনি

বাগ্‌ধ্বনিসমূহ একোটা ক্ৰমত লানি লাগি উচ্চাৰিত হয়। এই ধ্বনিসমূহৰ এটা বা একাধিক ধ্বনি যোগ হৈ একোটা অৰ্থজ্ঞাপক শব্দ সৃষ্টি হয়। এই শব্দবোৰেই বাক্য গঠন কৰে। এক বা একাধিক ধ্বনি গোট কৰি অৰ্থ প্ৰকাশক ৰূপ গঠন কৰোঁতে দেখা যায় কেতিয়াবা কিছুমান ধ্বনিক ক্ৰম অনুযায়ী ভাগ কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে—

বাহ = /ব — আ — হ/— (১)

বাঁহ = /ব — আঁ — হ/— (২)

এই উদাহৰণত দেখা গ'ল— (১)ত ক্ৰম অনুযায়ী দেখুৱাই দিয়া গোটেইকেইটা

একক ধ্বনি। (২)-ত দেখুওৱা উদাহৰণত /ঁ/-'আ'ৰ লগত যুক্ত হৈহে প্রয়োগ হৈছে। দেখা যায় 'চন্দ্রবিন্দু' সদায় যুক্ত হৈহে প্রয়োগ হয়; ক্রম অনুযায়ী দেখুৱাব নোৱাৰি। এনে ধ্বনিক কোৱা হয় উপাহিত ধ্বনি। উপাহিত ধ্বনিৰ আন এটা নাম লয় ধ্বনি। লয় ধ্বনিসমূহৰ অর্থ সৃষ্টি কৰিব পৰা ক্ষমতা আছে বাবে ইয়াক বর্ণগত মর্যাদা প্রদান কৰি লয় বর্ণ বুলিও কোৱা হয়।

মানুহে বাক্যৰ দ্বাৰা মনৰ ভাব প্রকাশ কৰে। কেতিয়াবা এটা বা একাধিক শব্দৰ লয়যুক্ত উচ্চাৰণৰ নাম বাক্য। সন্ধি, শ্বাসাঘাত, সুৰ, সুৰ লহৰ আদিৰ বাবে একো একোটা শব্দৰ বা একোটা বাক্যৰ অর্থৰ পৰিৱর্তন হয়। এই ধ্বনি গুণসমূহক লয় ধ্বনি (fone) বোলা হয়। পৃথিৱীৰ প্রত্যেক ভাষাতেই লয় ধ্বনি পোৱা যায়। চীন-তিব্বতীয় সকলোবোৰ ভাষাত আফ্রিকান ভাষাত আক্ষৰিক সুৰৰ প্রয়োগ পোৱা যায়।



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি জানিলোঁ যে—

- ধ্বনিতত্ত্ব বুলিলে কি বুজা যায়।
- ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞানৰ সম্পর্ক।
- ধ্বনিবিজ্ঞানৰ বিভিন্ন বিভাগ সম্পর্কে ধাৰণা পোৱা গ'ল।
- ধ্বনিতত্ত্বৰ মূল ভেটি হৈছে ধ্বনি বা বাগ্‌ধ্বনি।
- ধ্বনি-আখৰৰ সম্পর্ক।
- ধ্বনিৰ লগত বাগ্‌ইন্দ্রিয়ৰ সম্পর্ক।
- ধ্বনিৰ উচ্চাৰণ প্রক্রিয়া আৰু ইয়াৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে জানিব পৰা গ'ল।
- বিভাজ্য আৰু অবিভাজ্য ধ্বনিৰ পৰিচয়।
- স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ বিষয়ে জানিব পৰা গ'ল।
- বিশিষ্ট ধ্বনিবিজ্ঞানত বিশিষ্ট ধ্বনি বা বর্ণ কাক বোলে জানিব পৰা গ'ল, লগতে ধ্বনি আৰু বর্ণৰ সম্পর্কৰ বিষয়ে পোৱা গ'ল।
- উপধ্বনি কাক বোলে আৰু কিদৰে উপধ্বনি নির্ণয় কৰিব পৰা যায় সেই বিষয়ে জানিব পৰা গ'ল।
- ধ্বনিৰ পৰিৱেশ, প্রয়োগ সম্পর্কে পোৱা গ'ল।
- সামগ্রিকভাৱে ধ্বনিৰ আলোচনা এই অধ্যায়ত কৰা হ'ল।



৫.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পণা (মাৰ্চ ২০০৮); *ভাষাবিজ্ঞান উপক্ৰমণিকা*; ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৭০); *ভাষাবিজ্ঞান*; গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯০); *অসমীয়া বৰ্ণ প্ৰকাশ*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯২); *ধ্বনিবিজ্ঞানৰ ভূমিকা*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব*; ডিব্ৰুগড় ঃ বনলতা।

৬) মৱল, দীপঙ্কৰ (২০০৭); *ব্যৱহাৰিক ধ্বনিবিজ্ঞান*; পাণবজাৰ, গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

৭) শ্ব', ৰামেশ্বৰ (১৯৯৬); *সাধাৰণ ভাষাবিজ্ঞান ও বাংলাভাষা*, কলকাতা।

ইংৰাজী গ্ৰন্থ ঃ

৮) Goswami. G. C. (1982) : *Structure of Assamese*; University of Gauhati.

৯) Hockett, Charles F. (1970) : *A Course in Modern Linguistics*; Macmillan.



৫.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ বিশেষ এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ প্ৰণালীবদ্ধ আলোচনাই হৈছে ধ্বনিতত্ত্ব।.....ধ্বনিতত্ত্বত ধ্বনিবিজ্ঞানে আলোচনা কৰা নিয়মসমূহৰ প্ৰয়োগগত দিশসমূহ পোৱা যায়.....ভাষাবিশেষৰ ধ্বনি উচ্চাৰণ প্ৰক্ৰিয়া, ধ্বনিৰ সংখ্যা, ধ্বনিৰ প্ৰকাৰ..... ইত্যাদি সম্পৰ্কে বিশদ আলোচনা পোৱা যায়।

২নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণভাৱে কৰা ধ্বনিৰ বিজ্ঞানসন্মত আলোচনাই ধ্বনিবিজ্ঞান। ধ্বনিবিজ্ঞানৰ পৰিসৰ— ধ্বনিবিজ্ঞানৰ বিভাগ সম্পৰ্কে চমুকৈ লিখিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মানুহৰ বাক্ ইন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত নাদবিশেষক ধ্বনি বোলে। বায়ুপ্ৰৱাহক কেনেদৰে প্ৰবাহিত কৰি বাক্ ইন্দ্ৰিয়ৰ দ্বাৰা বাগ্ধ্বনি উচ্চাৰণ কৰা হয় লিখিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চাৰণ স্থানত উচ্চাৰণ কৰণে আংশিক বা সম্পূৰ্ণ বাধা প্ৰদান কৰি কিদৰে ব্যঞ্জনধ্বনিসমূহ উচ্চাৰণ কৰে সেই বিষয়ে লিখিব লাগিব। চিত্ৰ নং ৭ত আগবঢ়োৱা তালিকাখনৰ পৰা উত্তৰটো প্ৰস্তুত কৰিব লাগিব।



৫.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ধ্বনিতত্ত্ব আৰু ধ্বনিবিজ্ঞানৰ সম্পৰ্ক কি? লিখক।

প্ৰশ্ন ২ ঃ বিশিষ্ট ধ্বনিবিজ্ঞান কাক বোলে? বিশিষ্ট ধ্বনি আৰু ধ্বনি একেনে উদাহৰণ দি বুজাই লিখক।

প্ৰশ্ন ৩ ঃ উপধ্বনি কাক বোলে? উপধ্বনিৰ পৰা বৰ্ণ কিদৰে নিৰূপণ কৰিব পাৰি লিখক।

প্ৰশ্ন ৪ ঃ শ্বাসৰ বাধা অনুযায়ী ধ্বনিক কেইটা ভাগত ভগাব পাৰি? প্ৰত্যেকটো ভাগৰ বিষয়ে খৰচি মাৰি লিখক।

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক ঃ

ক) স্বৰধ্বনি

খ) ব্যঞ্জনধ্বনি

গ) কণ্ঠ

ঘ) স্বৰতন্ত্ৰী আৰু ধ্বনিৰ উচ্চাৰণত ইয়াৰ ভূমিকা

ঙ) প্ৰৰাহধ্বনি

চ) অনুনাসিকা ধ্বনি

ছ) বিভাজ্য আৰু অবিভাজ্য ধ্বনি

জ) লয় বৰ্ণ

ঝ) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি।

*** ***** ***

অধ্যায় ৬ ঃ ভাষাবিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ ঃ ৰূপতত্ত্ব

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ৰূপতত্ত্ব ঃ সাধাৰণ আলোচনা

- ৬.৩.১ ৰূপতত্ত্বৰ পৰিসৰ
- ৬.৩.২ ৰূপতত্ত্ব বা ৰূপগ্ৰাম বিজ্ঞান
- ৬.৩.৩ আকৃতি
- ৬.৩.৪ প্ৰাকৃতি
- ৬.৩.৫ ৰূপ বা প্ৰাকৃতি আৰু উপৰূপ বা উপাকৃতি

৬.৪ ৰূপতত্ত্বৰ অধ্যয়ন প্ৰণালী

- ৬.৪.১ প্ৰাকৃতিৰ শ্ৰেণীবিভাগ
- ৬.৪.২ প্ৰাকৃতি বা মূল প্ৰাকৃতি
- ৬.৪.৩ প্ৰাকৃতিৰ বিভাগ
- ৬.৪.৪ সৰ্গৰ বিভাগ
- ৬.৪.৫ শব্দ আৰু প্ৰকৃতি
- ৬.৪.৬ ৰূপ ধ্বনিগত পৰিৱৰ্তন

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপ বা প্ৰাকৃতিৰ সংজ্ঞা কি তাক জানিব
- ৰূপ বা প্ৰাকৃতি, আকৃতি আৰু উপাকৃতিৰ মাজত থকা বৈসাগৃশ্যকে নির্ণয় কৰিব পাৰিব
- ৰূপ বা প্ৰাকৃতি, শব্দ আৰু অক্ষৰৰ সম্বন্ধ আলোচনা কৰিব পাৰিব

৬.২ পৰিচয়

ইতিমধ্যে আপুনি 'ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ' শিতানত ধ্বনিতত্ত্ব সম্পৰ্কে

পঢ়িছে। এই অধ্যায়ত 'ৰূপতত্ত্ব' সম্পৰ্কে আলোচনা কৰা হ'ব। 'ৰূপতত্ত্ব'ৰ সাধাৰণ আলোচনাৰ লগতে ব্যাকৰণৰ লগত থকা সম্পৰ্কৰ বিষয়ে ইয়াত আলোচনা পঢ়িবলৈ পাব। ভাষাৰ আটাইতকৈ ক্ষুদ্রতম অর্থযুক্ত গোটটোৱে হৈছে ৰূপ বা প্রাকৃতি। প্রাকৃতিৰ পৰিচয়, বিভাজন; অধ্যয়ন প্রণালীৰ পৰিচয় জ্ঞাপক আলোচনা এই অধ্যায়ৰ মূল বিষয়বস্তু।

৬.৩ ৰূপতত্ত্বঃ সাধাৰণ আলোচনা

ভাষাবিজ্ঞানৰ অধ্যয়নৰ মুখ্য স্তৰ কেইটাৰ অন্যতম এটা স্তৰ হৈছে ৰূপতত্ত্ব। 'ৰূপতত্ত্ব' বিষয়টোৰ লগত বাক্যৰ নিম্নতম অর্থযুক্ত গোট আৰু এই গোটসমূহৰ সহবদ্ধ ৰূপ সবিশেষৰ বিজ্ঞানসন্মত আলোচনা জড়িত হৈ থাকে। প্রত্যেক ভাষাতে নির্দিষ্ট সীমিত ধ্বনি বা বর্ণ থাকে। বর্ণসমূহত অর্থ আৰোপ কৰি এক বা একাধিক ধ্বনিৰ একেটা আকৃতি তৈয়াৰ কৰা হয়। এই আকৃতিসমূহৰ সিদ্ধান্ত আৰু প্রয়োগ বিশ্লেষণ 'ৰূপতত্ত্ব'ত কৰা হয়।

ৰূপতত্ত্বৰ আলোচনাৰ মূল বিষয়— আকৃতি, প্রাকৃতি, উপাকৃতিৰ আলোচনাৰ উপৰিও গৱেষক এজনে প্রয়োগ সম্পৰ্কে সাধাৰণ লোকে নভবা দিশ কেতবোৰৰ প্রতিও চকু দিব লগা হয়। ৰূপতত্ত্বৰ গৱেষক এজনে চিন্তা কৰিবলগীয়া কেইটিমান দিশ হৈছে—

- আকৃতি (Morph) এটা শব্দ হয়নে? যদি নহয় শব্দ এটা কেনেদৰে গঠন কৰা হয়।
- শব্দটোৱে ভাৱটোক প্রতিনিধিত্ব কৰিবনে? (বক্তাই শ্রোতাক বুজাব বিচৰা)
- বুজাব বিচৰা প্রসংগটোৰ বাবে শব্দটো বা প্রাকৃতি (Morpheme) টো উপযুক্ত নে?
- প্রয়োগৰ দিশৰ পৰা শুদ্ধভাৱে সংলগ্ন হৈছেনে? ইত্যাদি।

এই দিশ সমূহে প্রকৃততে ৰূপতত্ত্বৰ এক বিশাল ক্ষেত্র আগুৰি আছে।

৬.৩.১ ৰূপতত্ত্বৰ পৰিসৰ

ওপৰৰ আলোচনাত ইতিমধ্যেই ৰূপত্ত্বই আলোচনা কৰা ক্ষেত্রখনৰ এটি আভাস আপুনি পাইছে। ৰূপত্ত্বৰ পৰিসৰৰ অন্তর্গত অন্যতম বিষয় হিচাপে আপোনাক ৰূপ বা Morph; প্রাকৃতি বা Morpheme আৰু উপাকৃতি বা Allomorph সম্বন্ধে এটি ধাৰণা দিবলৈ যত্ন কৰা হ'ল।

৬.৩.২ ৰূপতত্ত্ব বা ৰূপগ্রাম বিজ্ঞান (Morphology Morphemics)

'ৰূপ' সম্পৰ্কে বিজ্ঞানসন্মত আলোচনা কৰা বিষয়েই হৈছে ৰূপতত্ত্ব। ভাষাৰ অধ্যয়নৰ এটা স্তৰ হৈছে ৰূপতত্ত্ব। ৰূপতত্ত্বৰ ইংৰাজী প্রতিশব্দটো হৈছে 'Morphology'. 'Morphology' ৰ অর্থ বিচাৰিলে পোৱা যায় " The Study of the forms of things, in particular." ভাষাবিজ্ঞানত 'Morphology' শব্দটোৱে " the study of words, how they are formed, and their relationship

to other words in the same language." ৰূপতত্ত্ব শিতানত সাধাৰণভাৱে মূল শব্দ (Stems), সৰ্গ (Affix) আলোচনা কৰাৰ লগতে সুৰ, শ্বাসাঘাত আদিৰ বিষয়েও আলোচনা কৰা হয়।

ৰূপতত্ত্বত মূল বিষয় হিচাপে চিহ্নিত হয় 'ৰূপ' বা Morph, ইয়াক আকৃতি' বুলিও জনা যায়। এই 'আকৃতি'ৰ পৰা 'প্ৰাকৃতি' (Morpheme), উপাকৃতি (Allomorph) নিৰূপণ কৰা হয়। শব্দ অক্ষৰ; শব্দৰ গঠন, প্ৰাকৃতি আৰু শব্দৰ সম্পৰ্ক ইত্যাদি দিশসমূহ সাধাৰণভাৱে ৰূপতত্ত্বত আলোচনা কৰা হয়।

ৰূপতত্ত্ব (Morphology) সম্পৰ্কে আগবঢ়োৱা দুটামান সংজ্ঞা হৈছে ঃ

Leonard Bloomfield-এ ৰূপতত্ত্ব আলোচনা প্ৰসঙ্গত উল্লেখ কৰিছে যে বদ্ধৰূপ সম্বলিত ভাষাৰ মুক্ত আংগিকৰ আলোচনাই ৰূপতত্ত্ব।

ই ও নিজৰ (E.O.Anozie) মতে প্ৰাকৃতিৰ অধ্যয়ন আৰু শব্দগঠন প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰা বিষয়েই হৈছে ৰূপতত্ত্ব।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ ৰূপতত্ত্ব সম্পৰ্কে চমু আলোচনা আগবঢ়াওক।

(৭৫ টা শব্দৰ ভিতৰত)

.....

৬.৩.৩ আকৃতি (Morph)

ইংৰাজী 'Morph' শব্দটোৰ অসমীয়া পাৰিভাষিক শব্দ হৈছে আকৃতি। ভাষাৰ আটাইতকৈ ক্ষুদ্ৰতম অৰ্থযুক্তগোটটোৱে হৈছে ৰূপ বা আকৃতি। অৰ্থ ৰাখি ইয়াতকৈ ক্ষুদ্ৰ ৰূপত বিশ্লেষণ কৰিব নোৱাৰি। যেনে— 'চকীখন' ইয়াত দুটা অৰ্থযুক্ত ৰূপ আছে চকী + খন। 'চকী' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে আমাৰ মানসপটত চিত্ৰিত হ'ব—

(ক) চাৰিখন ঠেং বা চাৰিটা খুড়াযুক্ত

(খ) বাঁহ, বেত, কাঠ বা প্লাষ্টিক জাতীয় ধাতুৰে সজা

(গ) পিঠিখন হালি বহিব পৰা (মুড়াত বা টুলখনতকৈ বেলেগ)

(ঘ) বিভিন্ন আকাৰৰ (গোল, চাৰিকোণীয়া, আৰামী চকী ইত্যাদি)

এই বিভিন্ন ৰূপ বা আকৃতিৰ মূল হৈছে 'চকী'। তেনেকৈ ফুল, চৰাই, মাছ আদি মূলসমূহ উচ্চাৰণ কৰাৰ লগে লগে বিভিন্ন ৰূপ মানসপটত ভাঁহি উঠে। বিষয় বা বস্তু এটা উচ্চাৰণ কৰাৰ লগে লগে শ্ৰোতাৰ মানসপটত জিলিকি উঠা বোধ জ্ঞানটোৱেই হৈছে অৰ্থ। ব্যৱহাৰিক জীৱনৰ লগত জড়িত এই ৰূপ বা আকৃতিৰ

ধাৰাটো ভাষাবিজ্ঞান অন্তৰ্গত ৰূপতত্ত্বৰ আলোচনাতো পোৱা যায়।

ভাষাৰ মাজত এনে কেতবোৰ ধ্বনি বহু ধ্বনি সমষ্টি পোৱা যায় যে সেই নুন্যতম গোটটোৱে সাধাৰণভাৱে অর্থ এটাই প্রকাশ কৰে কিন্তু পৰিবেশ নির্দিষ্ট হয়। ধ্বনিগত আকাৰ পৰিৱেশ ভেদে বেলেগ বেলেগ কিন্তু অর্থ একেটাই; নির্দিষ্ট পৰিবেশত নির্দিষ্ট আকৃতিটোহে বহে। যেনে ঃ

সামগ্রী (অসমীয়া ভাষাৰ পৰা)

নুশুনে, নপঢ়ে, নাখাৱ, নোতোলে।

নু— শুনে [ন-√শুন-এ]

ন-পঢ়ে [ন-√পঢ়-এ]

না-খায় [ন-√খা-এ]

নো-তোলে [ন-√তোল-এ]

(উদাহৰণ-১)

বন্ধনীৰ ভিতৰত আৱদ্ধ 'ন'টো মূল ৰূপ, কিন্তু ধাতুৰ বর্ণ অনুযায়ী আকৃতি ক্রমে 'নু-, ন, -না, -নো-' পোৱা গৈছে। এইসমূহ আকৃতি। প্রত্যেক ভাষাৰে এনে নিজা আকাৰ বা আকৃতি আছে।

৬.৩.৪ প্রাকৃতি (Morpheme)

অর্থৰ বিৰোধ নথকা নির্দিষ্ট পৰিবেশত প্রয়োগ হোৱা এক বা একাধিক আকৃতিৰে যেতিয়া এটা গোট হয়, সেই গোটটোক কোৱা হয় প্রাকৃতি। প্রাকৃতিৰ সংজ্ঞা লক্ষ্য কৰিলে দেখা যায় যে সংজ্ঞাসমূহত মূল আধাৰিত বিষয়টো হৈছে অর্থযুক্ত নিম্নতম গোট। অর্থ ৰাখি প্রাকৃতিক আৰু খণ্ড খণ্ড কৰা নাযায়। সাধাৰণভাৱে লক্ষ্য কৰিলে আকৃতি আৰু প্রাকৃতিৰ সংজ্ঞা একে যেন লাগে; কিন্তু প্রকৃততে নহয়। প্রকৃততে, অর্থৰ ফালৰ পৰা বিৰোধ নথকা, নির্দিষ্ট পৰিবেশত প্রয়োগ হোৱা এক বা একাধিক আকৃতিৰ এটা শ্রেণীবদ্ধ গোটৰ নাম প্রাকৃতি। উদাহৰণ ঃ

[অসমীয়া ভাষাৰ পৰা]

মই খাওঁ।
তুমি খোৱা।
সি / তাই } খায়।

অসমীয়া ভাষাৰ এই বাক্য কেইটাৰ গঠন হৈছে ⇒ কর্তা + ক্রিয়া।

খণ্ডিতকৰণ প্রক্রিয়াৰে ক্রিয়াটোক খণ্ড কৰিলে হ'ব⇒ **ধাতু + ক্রিয়া বিভক্তি**

খা — ওঁ

খা — আ

খা — এ

(উদাহৰণ—২)

ধাতুটোৰ আকৃতি দুটা [খা-], [খো-] । ক্রিয়া বিভক্তিৰ আকৃতি তিনিটা [-ওঁ,], [-আ], [-এ]।



জানি থোৱা ভাল

ভাষাবিজ্ঞানত '{ }' প্ৰাকৃতি আৰু [ ] - চিহ্নই উপাকৃতি বুজায়।

উদাহৰণ-২, ত আগবঢ়োৱা ধাতুৰ আকৃতি দুটাৰ অৰ্থৰ কোনো পাৰ্থক্য নাই। মাথোন নিৰ্দ্দিষ্ট পৰিবেশত [√খা-] আৰু [√খো-] বহে। দুয়োটাৰে অৰ্থ একে হোৱা বাবে দুয়োটাকে এটা গোটৰ অন্তৰ্গত কৰিব পাৰি। এই গোটটো হৈছে প্ৰাকৃতি। [√খা], [খো]ৰ প্ৰাকৃতিটো আমি লিখিম এইদৰে {√খা}



অগ্ৰগতি নিৰীক্ষণ

২ নং প্ৰশ্ন ঃ প্ৰাকৃতি কাক বোলে? উদাহৰণ দিয়ক।

(৫০ টা শব্দৰ ভিতৰত)

.....

আকৃতি আৰু প্ৰাকৃতিৰ আলোচনাৰ পৰা জানিব পৰা গ'ল ঃ

আকৃতি	প্ৰাকৃতি
(ক) এক বা একাধিক ধ্বনিৰে গঠিত ক্ষুদ্ৰতম অৰ্থযুক্ত ৰূপ।	(ক) এটা বা একাধিক আকৃতিৰ এটা গোট। (স্বাভাৱিকতেই অৰ্থযুক্ত ক্ষুদ্ৰতম গোট)
(খ) তুলনামূলকভাৱে আকৃতিৰ পৰিসৰ ঠেক।	(খ) প্ৰাকৃতিৰ পৰিসৰ বহল।
(গ) '[ ]'- চিহ্নৰে চিহ্নিত কৰা হয়; প্ৰাকৃতি এটাৰ অন্তৰ্গত আকৃতিক।	(গ) '{ }' চিহ্নৰে প্ৰাকৃতিক চিহ্নিত কৰা হয়।
(ঘ) এটা আকৃতিও কেতিয়াবা এটা প্ৰাকৃতি হ'ব পাৰে।	(ঘ) প্ৰাকৃতিৰ অন্তৰ্গত আকৃতিক উপাকৃতি বোলে।

৬.৩.৫ ৰূপ বা প্ৰাকৃতি আৰু উপৰূপ বা উপাকৃতি (Morpheme and allomorph)

এক বা একাধিক প্ৰাকৃতিৰ গোটটোক যিদৰে প্ৰাকৃতি বোলা হয়; প্ৰাকৃতিৰ অন্তৰ্গত আকৃতিৰ উপাকৃতি বোলে। প্ৰকৃততে আৰু প্ৰাকৃতিৰ যি পাৰ্থক্য; আকৃতি

আৰু উপাকৃতিৰ পার্থক্য তাতকৈ যেন বহু কম; কিয়নো আকৃতিয়েই পৰিবেশলৈ প্রাকৃতি আৰু কেতিয়াবা উপাকৃতি হয়। 'মানুহ', 'গৰু', 'Cat' ইত্যাদি এটা আকৃতি আৰু এটা প্রাকৃতিও।

অসমীয়া ভাষাৰ '—ঈ', 'অনী', '-নী, '-ৰী' ইত্যাদি আকৃতি। এই আকৃতি সমূহে স্ত্রী-লিঙ্গৰ অর্থ প্রকাশ কৰে। 'খণ্ডিতকৰণ প্রক্রিয়া'ৰ দ্বাৰা উপাকৃতি নির্বাচন কৰা হয়। অসমীয়া ভাষাৰ স্ত্রীলিঙ্গবাচক ৰূপসমূহৰ পৰা উপাকৃতিৰ উদাহৰণ দিয়া হ'ল ঃ



জানি থোৱা ভাল

'খণ্ডিতকৰণ প্রক্রিয়া'ই পর্যায়ক্রমে অর্থ ৰাখি শব্দ বা বাক্য এটাক খণ্ডিত কৰাক বুজায়।

খণ্ডিৰ কৰণ প্রক্রিয়া ঃ

১ম পর্যায় ঃ (সামগ্রী ঃ ভাষা, অসমীয়া)

শর্মানী, বৰানী, নাতিনী, মালিনী, কমাৰনী, কঁহাৰনী, ফুকননী, সিংহিনী, বাঘিনী, ৰাক্ষসিনী, কঁচুনী, ধুবুনী, চুৰুণী, ভুতুনী।

২য় পর্যায় ঃ

১। শর্মা—নী,
বৰা—নী-
নাতি—নী
মালি—নী

২। কমাৰ— অনী
কঁহাৰ—অনী
ফুকন—অনী

৩। সিংহ— ইনী
বাঘ—ইনী
ৰাক্ষস—ইনী

৪। কোঁচ—উনী
ধোবা—উনী
চোৰ—উনী
ভুত—উনী

৩য় পর্যায় ঃ (ক)

শর্মা — নী
বৰা— নী
নাতি— নী
} — নী [ন+ই]
মালি— নী

কমাৰ — অনী
কঁহাৰ — অনী
ফুকন — অনী
} — অনী-[অ+ন+ই]

সিংহ — ইনী
বাঘ — ইনী
ৰাক্ষস — ইনী
} — ইনী [ই+ন+ই]
কোঁচ — ইনী

তৃতীয় পর্যায়ত '—নী, '-অনী,' 'ইনী' তিনিটা স্ত্রীলিঙ্গ অর্থ প্রকাশক আকৃতি পোৱা গ'ল। অর্থ একেই, কিন্তু পৰিবেশ অনুযায়ী ভিন্ন আকৃতি বহিছে। নির্দিষ্ট পৰিবেশতহে এই নির্দিষ্ট তিনিটা আকৃতি প্রয়োগ হয়। এই তিনিটা আকৃতিক অর্থৰ দিশৰ পৰা এটা গোটৰ অন্তর্গত কৰা হ'ল আৰু নাম দিয়া হ'ল—

'{ স্ত্রীলিঙ্গ বাচক প্রাকৃতি }'

[-নী] [-অনী] [-ইনী]

তলত প্রাকৃত আৰু উপকৃতিৰ তুলনা দেখুওৱা হ'ল ঃ

প্রাকৃত	**উপাকৃতি**
(ক) প্রাকৃতিৰ প্রয়োগৰ কোনো নির্দিষ্ট স্থান নাই।	(ক) উপাকৃতিসমূহ সমান্তৰালভাৱে প্রয়োগ হয়।
(খ) প্রাকৃতি এটা গোট।	(খ) উপাকৃতি 'প্রাকৃতি' নামৰ গোটটোৰ অন্তর্গত।
(গ) প্রতেকটো প্রাকৃতিৰে সুকীয়া অর্থ থাকে।	(গ) গোটৰ অন্তর্গত উপাকৃতি সমূহৰ অর্থ একে।
(ঘ) প্রাকৃতিসমূহ ধ্বনিগতভাৱে সম্পূর্ণ ভিন্ন।	(ঘ) উপাকৃতিসমূহ ধ্বনিগতভাৱে আংশিক ভিন্ন; ৰূপ-ধ্বনিগত পৰিবর্তনৰ বাবে সাধাৰণতে এই ভিন্নতা আহে।

৬.৪ ৰূপতত্ত্বৰ অধ্যয়ন প্ৰণালী

ৰূপতত্ত্বৰ অধ্যয়ন প্ৰণালীত মূলতঃ ৰূপ সম্পৰ্কে কৰা বিজ্ঞানসন্মত অধ্যয়নক বুজায়। ইতিমধ্যে আপোনালোকে প্ৰাকৃতি কাক বোলে— প্ৰাকৃতি আৰু উপাকৃতিৰ সংজ্ঞা সম্পৰ্কে জ্ঞাত হৈছে।

৬.৪.১ প্ৰাকৃতিৰ শ্ৰেণীবিভাগ

অৰ্থৰ ভিত্তিত ক্ষুদ্ৰতম গোটটোক কোৱা হয় প্ৰাকৃতি। এই প্ৰাকৃতি দুই ধৰণৰ হ'ব পাৰে। এটা হৈছে (ক) মুক্ত প্ৰাকৃতি (Free Morpheme) আনটো হৈছে— (খ) বদ্ধ প্ৰাকৃতি (Bound Morpheme) বা সৰ্গ।

(ক) মুক্ত প্ৰাকৃতি (Free Morpheme) যিবোৰ প্ৰাকৃতি উচ্চাৰণ কৰাৰ লগে লগে তাৰ অৰ্থ শ্ৰোতাৰ বোধগম্য হয়, স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰিব পাৰে, স্বাধীনভাৱে ব্যৱহাৰ বা প্ৰয়োগ হ'ব পাৰে তেনে প্ৰাকৃতিকে মুক্ত প্ৰাকৃতি বোলে। যেনে ঃ মাছ পানীত থাকে। অসমীয়া ভাষাৰ এই বাক্যটোত প্ৰয়োগ হোৱা 'মাছ' ধ্বনি সমষ্টি বা অৰ্থযুক্ত গোটটো মুক্ত প্ৰাকৃতি। প্ৰত্যেক ভাষাতে মুক্ত প্ৰাকৃতি আছে; কিয়নো এই মুক্ত প্ৰাকৃতি বা প্ৰকৃতিয়েই হৈছে মূল (root)। কোনো এটা ভাষাৰ মূল প্ৰাকৃতিবোৰৰ ভিতৰত নাম শব্দ আৰু ধাতু শব্দসমূহ পৰে। (পৰৱৰ্তী পৰ্যায়ত মূল বা মুক্ত প্ৰাকৃতি বা প্ৰকৃতিৰ লগত শব্দৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হ'ব)

(খ) বদ্ধ প্ৰাকৃতি বা সৰ্গ (Bound Morpheme, বা affix) যিবোৰ প্ৰাকৃতিৰ অৰ্থ আছে, কিন্তু স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে মুক্ত প্ৰাকৃতিৰ লগত লগ লাগিহে বা আন বদ্ধ ৰূপৰ লগত সংযোজিত হৈহে অৰ্থ প্ৰকাশ কৰে; তেনেবোৰ প্ৰাকৃতিকে বদ্ধ প্ৰাকৃতি বোলে। বদ্ধ প্ৰাকৃতি বা সৰ্গসমূহ মুক্ত প্ৰাকৃতিৰ আগত, মধ্যস্থানত বা শেষত যোগ হৈ বাক্যত প্ৰয়োগ হয়। 'মাছ পানীত থাকে'— এই বাক্যটো অৰ্থ ৰাখি খণ্ডিতকৰণ হ'লে ঃ মাছ-পানী + ত - থাক + এ।

মুক্ত প্ৰাকৃতি	বদ্ধ প্ৰাকৃতি
মাছ	— ϕ
পানী	— ত
থাক	— এ

৬.৪.২ প্ৰকৃতি বা মূল প্ৰাকৃতি (root morpheme)

যিসমূহ প্ৰাকৃতিক কেন্দ্ৰ কৰি তাৰ লগত নানান প্ৰাকৃতি যোগ হৈ, ভিন্ ভিন্ অৰ্থবাচক প্ৰাকৃতি সৃষ্টি হয়, তাক প্ৰকৃতি বা প্ৰাকৃতি বোলে। প্ৰকৃতি বা মূল ৰূপবোৰেই ভাষাৰ সকলো শব্দ বা পদৰ আধাৰ স্বৰূপ। মূল প্ৰাকৃতিৰ বৈশিষ্ট্য ঃ

(ক) সকলো শব্দ বা পদৰ আধাৰ স্বৰূপ।

(খ) প্ৰকৃতি বা মূল প্ৰাকৃতি লগ লাগিলেহে বাক্যত প্ৰয়োগ কৰিব পৰা কোনো ৰূপৰ সৃষ্টি হ'ব পাৰে।

(গ) পৃথিৱীৰ প্ৰত্যেক ভাষাতে এনে ধৰণৰ নিজস্ব মূল প্ৰাকৃতি আছে, কিন্তু প্ৰয়োগ প্ৰায় একেই।

(ঘ) মুক্ত প্ৰাকৃতিসমূহো মূল প্ৰাকৃতি।

মূল প্ৰাকৃতিৰ উদাহৰণ ঃ

(অসমীয়া ভাষাৰ পৰা) পেহীয়েৰাহঁতলৈ—

পেহ্ - ই - এৰা - হঁত - অলৈ = পেহীয়েৰাহঁতলৈ।

মূল প্ৰকৃতি ঃ (পেহ্ -)

(সংস্কৃত ভাষাৰ পৰা)

প্ৰত্যুপকাৰ

প্ৰতি—উপ—কৃ—ঘঞ = প্ৰত্যুপকাৰ

মূল প্ৰকৃতি ঃ (-কৃ-)



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ প্ৰকৃতি আৰু প্ৰাকৃতি একে নে? (উদাহৰণসহ বুজাই লিখা)

.....

৬.৪.৩ প্ৰকৃতিৰ বিভাগ

প্ৰকৃতি বা মূল প্ৰাকৃতিক ৰূপগত বৈশিষ্ট্য বিচাৰ কৰি বিভিন্ন ভাষাত বিভিন্ন শ্ৰেণীত আবদ্ধ কৰা হয়। অসমীয়া ভাষাত প্ৰকৃতিক চাৰিটা শ্ৰেণীত বিভক্ত কৰা হয়।

(i) প্ৰাতিপদিক বা নাম প্ৰকৃতি (ii) ধাতু প্ৰকৃতি (iii) নাম-ধাতু প্ৰকৃতি আৰু (iv) অব্যয় প্ৰকৃতি।

(i) প্ৰাতিপদিক বা নাম প্ৰকৃতি ঃ অসমীয়া ভাষাৰ নামশব্দ আৰু নামপদ যি মূল প্ৰাকৃতিৰ পৰা তৈয়াৰ হয়, সেইবোৰকে প্ৰাতিপদিক বা নাম প্ৰকৃতি বোলে। যেনে ঃ মানুহ, গৰু, ল'ৰা, জী, ধন, বগা, ইত্যাদি।

(ii) ধাতু প্ৰকৃতি ঃ অসমীয়া ভাষাৰ যিসমূহ মূল প্ৰাকৃতিৰ পৰা ধাতুশব্দ, ক্ৰিয়া পদ আৰু কৃদন্ত ৰূপ সাধিত হয়; সেই সমূহক ধাতু-প্ৰকৃতি বোলা হয়। যেনেঃ যা, কৰ, খা, গা, দে, নে, পৰ, হ ইত্যাদি।

(iii) নাম-ধাতু প্ৰকৃতি আৰু ঃ যিবোৰ মূল প্ৰাকৃতিৰ পৰা নাম শব্দ বা নাম পদ আৰু ধাতু শব্দ বা ধাতুপদ তৈয়াৰ কৰিব পাৰি; তেনে প্ৰকৃতিক নাম-ধাতু প্ৰকৃতি বোলে। যেনে ঃ চিন, ফুল, মূত, লাঠি, মাত, মান, ভুকু ইত্যাদি।

(iv) অব্যয় প্ৰকৃতি ঃ কাৰক অনুযায়ী ৰূপ নোহোৱা শব্দ বা পদসমূহ (অব্যয়) যি মূল প্ৰাকৃতিৰ পৰা সৃষ্টি হয়, তাকে কোৱা হয় অব্যয় প্ৰকৃতি। যেনে ঃ আৰু, বা, নতুবা ইত্যাদি।

৬.৪.৪ সৰ্গৰ বিভাগ

প্ৰাকৃতি বিজ্ঞানৰ অধ্যয়ন প্ৰণালীত সৰ্গৰ বিভাজন অতি প্ৰয়োজনীয় বিষয়। সৰ্গক অৱস্থানগত আৰু গুণগত দৃষ্টি কোণৰ পৰা ভাগ কৰিব পাৰি।

- **অৱস্থানগত ভিত্তি অনুযায়ী সৰ্গৰ বিভাগ ঃ** মূল প্ৰাকৃতিৰ লগত যোগ হৈ সৰ্গসমূহে বাক্যত নিজৰ অৰ্থ প্ৰতিপন্ন কৰে। মূল প্ৰকৃতিৰ লগত যোগ হোৱা বিষয়টোক অৱস্থানগত ভিত্তি বোলে। মূল প্ৰকৃতিৰ আগত যদি যোগ হয় পূৰ্ব সৰ্গ বা উপসৰ্গ; মূল প্ৰাকৃতিৰ পিছত যোগ হ'লে পৰিসৰ্গ মূল প্ৰাকৃতিৰ মাজত যোগ হ'লে কোৱা হয় মধ্য সৰ্গ। গতিকে, অৱস্থানগত ভিত্তি অনুযায়ী সৰ্গক তিনিটা ভাগত ভগোৱা হয়। (i) পূৰ্বসৰ্গ বা উপসৰ্গ (ii) পৰসৰ্গ আৰু (iii) মধ্যসৰ্গ।

(i) পূৰ্বসৰ্গ বা উপসৰ্গ (Prefix) ঃ মূল বা প্ৰকৃতিৰ আগত বা বাওঁফালে বহি যিবোৰ সৰ্গই নতুন অৰ্থ যুক্ত ৰূপ বা শব্দ সৃষ্টি কৰে তাকে উপসৰ্গ বোলে। বিভিন্ন ভাষাত উপসৰ্গ আছে আৰু সিহঁতৰ সংখ্যাও ভিন্ন। সংস্কৃত ভাষাত কুৰিটা উপসৰ্গ পোৱা যায়। সেইকেইটা ঃ প্ৰ, পৰা-, অপ-, সম-, নি-, অব-, অনু-, সু-, অতি-, অভি-, আ-, অপি-, পৰি-, অধি-, নিস্-, দুস-, অ-, বি-, উৎ, প্ৰতি-। অসমীয়া ভাষাতো উপসৰ্গৰ প্ৰয়োগ আছে। উদাহৰণ ঃ অ-, আও-, অনা-, কু, নে- ইত্যাদি (অমিল, আওমৰণ, অনা-কটা, কুদিন, নেখেলে ইত্যাদি)

(ii) পৰসৰ্গ (Suffix) ঃ যিবোৰ সৰ্গই মূল বা প্ৰকৃতিৰ পিচত বহি নতুন অৰ্থবোধক শব্দ সৃষ্টি কৰিব পাৰে বা পদ সৃষ্টি কৰিব পাৰে তাকে পৰসৰ্গ বোলে। অসমীয়া ভাষা পৰসৰ্গ প্ৰধান ভাষা। এই ভাষাত যথেষ্ট পৰসৰ্গৰ প্ৰয়োগ দেখা যায়। পৰসৰ্গক অনুসৰ্গ বুলিও কোৱা হয়। যেনে ঃ -অন, -উৱা, -অৰি, -অৰীয়া, -অলীয়া ইত্যাদি। (খা-অন; পলা-অৰীয়া; কান্দ-উৱা; ভাল-অৰি; নাৱ-অৰীয়া, গাঁও-অলীয়া ইত্যাদি)

(iii) মধ্যসৰ্গ (Infix) ঃ মূল বা প্ৰকৃতিটো ফালি মাজত যদি সৰ্গটো বহে আৰু নতুন ৰূপে গঠন হয়; তাকে কোৱা হয় মধ্যসৰ্গ (Infix)। অসমীয়া ভাষাত মধ্যসৰ্গ নাই কিন্তু, পৃথিৱীৰ বিভিন্ন ভাষাত মধ্যসৰ্গ আছে। দক্ষিণ পূব এছিয়াৰ টাগালগ ভাষা মধ্যসৰ্গৰ প্ৰয়োগ থকা ভাষা। এটা উদাহৰণ ঃ

Gulay- কেঁচা শাক পাচলি

Ginulay- কলপতীয়া ৰং।

- **গুণগত দিশৰ পৰা সৰ্গৰ বিভাগ ঃ** গুণ বা কার্যৰ (Funtion) দিশৰ পৰা সৰ্গক দুটা ভাগত ভগাব পাৰি বিভক্তিমূলক (Inflective) আৰু শব্দ সাধন মূলক (Derivative)।

  বিভক্তিমূলক সৰ্গ ঃ শব্দৰ ৰূপৰ সলনি ঘটাব পৰা সৰ্গক বিভক্তিমূলক সৰ্গ বোলে। যিবোৰ সৰ্গই বাক্যত প্রযুক্ত শব্দবোৰৰ ক্রম নির্ণয় কৰি অর্থৰ সংগতি ৰক্ষা কৰে, শব্দক পদলৈ ৰূপান্তৰিত কৰে, সেই সমূহকে বিভক্তি বোলে। বিভক্তিয়ে বাক্যত ব্যৱহৃত বিভিন্ন পদৰ মাজত সম্পর্ক স্থাপন কৰি দেখুৱায়। এই সম্পর্ক ব্যাকৰণগত সম্পর্ক। বিভক্তি যোগ হ'লে শব্দৰ নিহিত অর্থ (মৌলিক অর্থ) সলনি নহয়; কার্যগত অর্থ (Functional meaning) হে সলনি হয়। বিভক্তিক সেয়েহে অর্থ প্রকাশক বিভক্তিমূলক সৰ্গ বুলিও কোৱা হয়।

  কার্য বা গুণ অনুসৰি বিভক্তিমূলক সৰ্গ দুই প্রকাৰৰ হয় এটা হৈছে— বাক্য বিন্যাসগত কার্য সাধন কৰা আনটো হৈছে— ব্যাকৰণগত বিশেষ অর্থপ্রকাশ কৰা।

- **বাক্যবিন্যাসগত কার্য সাধক বিভক্তিমূলক সৰ্গ (Syntactical Inflective) ঃ** যিবোৰ সৰ্গই বাক্যত পদৰ লগত পদৰ সম্পর্ক স্থাপন কৰে, মূলৰূপৰ পৰা সৰ্গটো আঁতৰাই আনিলে বাক্য বিন্যাস শুদ্ধ নহয়; সেই বোৰকে বাক্যবিন্যাসত কার্য সাধক বিভক্তিমূলক সৰ্গ বোলে। শব্দ বিভক্তি (কাৰকৰ সম্পর্ক নির্ণয় কৰে); ধাতু বিভক্তি (ক্রিয়া গঠন কৰোঁতে প্রয়োগ হোৱা বিভক্তি) সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষ বাচক সৰ্গ; অসমাপিকা আৰু কর্মবাচ্য গঠন কৰা সৰ্গ— এই কেইবিধ বাক্য বিন্যাসগত কার্য সাধক বিভক্তিমূলক সৰ্গ।

- **ব্যাকৰণগত অর্থ প্রকাশক সৰ্গ (Semantical Inflective) ঃ** যিবোৰ সৰ্গ মূল ৰূপৰ পৰা আঁতৰাই দিলে বাক্যটোৱে প্রকাশ কৰিব লগা অর্থটো প্রকাশত বাধা আহে, কিন্তু বিন্যাসগত (Syntacticaly) ভাৱে ঠিকেই থাকে তেনে বোৰ সৰ্গক ব্যাকৰণগত অর্থ প্রকাশক সৰ্গ বোলে। অসমীয়া ভাষাৰ পৰা এটা উদাহৰণ ঃ

  মানুহ আহিছে—(১)
  মানুহজন আহিছে— (২)
  মানুহজনী আহিছে— (৩)
  মানুহবোৰ আহিছে — (৪)
  মানুহটো আহিছে — (৫)

  (১), (২), (৩), (৪), (৫)— এই প্রত্যেকটো বাক্যৰ অর্থৰ বৈশিষ্ট্য আনিছে ক্রমে 'ϕ', -জনী, -বোৰ, -টো আদি সৰ্গ কেইটাই। এই সৰ্গ কেইটা আঁতৰালে ব্যক্ত কৰিব বিচৰা অর্থটো নোলাব। অর্থ প্রকাশক এই কেইটা অপৰিহার্য সৰ্গ। বচনবাচক, লিঙ্গবাচক, নির্দিষ্টতাবাচক, অনির্দিষ্টতাবাচক, জোৰ বুজোৱা ইত্যাতি অর্থবাচক সৰ্গসমূহক ব্যাকৰণগত অর্থ প্রকাশক বিভক্তিমূলক সৰ্গ শিতানত আলোচনা কৰা হয়।

- **শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ (derivatives) ঃ** গুণগত দিশৰ পৰা সৰ্গৰ আন এটি ভাগ হৈছে শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ। যিবোৰ সৰ্গই মূলৰ লগত

যোগ হৈ নতুন শব্দ সৃষ্টি কৰে সেইবোৰ সৰ্গকে শব্দ সাধনমূলক সৰ্গ বোলে। অসমীয়া ভাষাত পোৱা কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয় আৰু উপসৰ্গৰ যোগত নতুন শব্দ গঠন কৰা হয়; সেয়েহে এই তিনিবিধ ব্যুৎপত্তিমূলক সৰ্গৰ অন্তৰ্গত। যেনে—

উপসৰ্গ	কৃৎ প্ৰত্যয়	তদ্ধিত প্ৰত্যয়
বুজন— অ-বুজন	খা-অন = খাৱন	বন = বন-অনি
বাট— আও-বাট	ৰান্ধ— অনি = ৰান্ধনি	তল = তল-ই।

- **ব্যুৎপত্তিমূলক সৰ্গ আৰু বিভক্তিমূলক সৰ্গৰ বৈশিষ্ট্য ঃ**

(ক) ব্যুৎপত্তিমূলক সৰ্গই নতুন শব্দ সৃষ্টি কৰে।	(ক) বিভক্তিমূলক সৰ্গই বাক্যবিন্যাসগত কাৰ্য বা ব্যাকৰণগত অৰ্থ প্ৰকাশ কৰে।
(খ) গাঠনিক দিশৰ পৰা মূল ৰূপৰ আগত বা পৰৱৰ্তী স্থানত ব্যুৎপত্তিমূলক সৰ্গ বহে।	(খ) বিভক্তিমূলক সৰ্গ সদায় শেষত বহে।
(গ) শব্দ সাধনাত্মক সৰ্গ বা ব্যুৎপত্তি মূলক সৰ্গ অৱস্থানগত দিশৰ পৰা পূৰ্ব সৰ্গ আৰু পৰসৰ্গ দুয়োটা ৰূপতে থাকিব পাৰে।	(গ) বিভক্তিমূলক সৰ্গ সদায় পৰসৰ্গৰ অন্তৰ্গত।
(ঘ) শব্দ সাধনমূলক সৰ্গবোৰে শব্দৰ শ্ৰেণী পৰিৱৰ্তন কৰে।	(ঘ) বিভক্তিমূলক সৰ্গই শব্দৰ শ্ৰেণী পৰিবৰ্তন নকৰে।

প্ৰাকৃতিক বিজ্ঞানত বিভক্তিমূলক সৰ্গক বদ্ধ প্ৰাকৃতি (Closing morphame) বোলা হয়। প্ৰত্যেক ভাষাৰে সৰ্গসমূহৰ প্ৰয়োগগত স্বকীয়তা আছে।

৬.৪.৫ শব্দ আৰু প্ৰকৃতি (Word and Root Morphome)

ৰূপতত্ত্বৰ আলোচনাত মুখ্য বিষয় হিচাপে চিত্ৰিত হোৱা আকৃতি, উপকৃতিৰ লগতে শব্দ আৰু ৰূপধ্বনিগত পৰিবৰ্তন বিষয়টোও আলোচনা কৰিব লগা বিষয়। (পৰৱৰ্তী শিতানত ৰূপধ্বনিগত পৰিবৰ্তন বিষয়টো আলোচনা কৰা হ'ব)

- **শব্দ আৰু প্ৰকৃতি ঃ** 'শব্দ' ইংৰাজীত কোৱা হয় 'Word'; উচ্চাৰণ কৰাৰ লগে লগে মানসপটত বাক্য এটা হ্ৰস্ব বিৰামৰ মাজত থকা ৰূপবোৰ ভাঁহি আহে। যেনে ঃ হাতী বৰ ডাঙৰ জন্তু।

হাতী—বৰ— ডাঙৰ — জন্তু।।

'—' হ্ৰস্ব বিৰাম; '।।' দীৰ্ঘ বিৰাম। দীৰ্ঘ বিৰামে বাক্যটোৰ অৰ্থ পূৰ্ণ বা সম্পূৰ্ণ ব্যক্ত কৰিলে। হ্ৰস্ব বিৰামৰ মাজত থকা এইকেইটা হৈছে শব্দ। প্ৰকৃততে বাক্যত থকা শব্দবোৰক পদ বোলা হয়। বিভক্তিযুক্ত শব্দই পদ। গতিকে পদৰ পৰা বিভক্তি আঁতৰাই দিলেই শব্দ পোৱা যায়। যেনে ঃ ৰামে ভাত খালে।

ৰাম + এ— **ভাত** +ϕ — **খা** + ল + এ।

শব্দ	বিভক্তিমূলক সৰ্গ	পদ
ৰাম	— এ।	ৰামে
ভাত	— ϕ ।	ভাত
খা	— ল + এ।	খালে

প্ৰকৃতিৰ সংজ্ঞা, উদাহৰণ ইতিমধ্যে আলোচনা কৰা হৈছে। প্ৰকৃতি উচ্চাৰণ কৰাৰ লগে লগে অৰ্থটো শ্ৰোতাৰ বোধগম্য হয়। অৰ্থযুক্ত ধ্বনি বা ধ্বনিসমষ্টিৰ এটা গোট; যিটোৰ মুক্তভাৱে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা থাকে। যেনে ঃ ৰাম, ভাত, খা, মানুহ, গৰু, ল'ৰা, জী, পিতা, মা, পাহাৰ ইত্যাদি। এই প্ৰত্যেকটো গোট একো একোটা শব্দ আৰু একো একোটা প্ৰকৃতি। গতিকে প্ৰকৃতিসমূহ শব্দও; কিন্তু সকলো শব্দ প্ৰকৃতি নহ'বও পাৰে। যেনে ঃ ধনী, বননি, তলি, মাছটো ইত্যাদি সমূহ 'শব্দ'; কিন্তু এই গোটেই কেইটা 'প্ৰকৃতি' নহয়। প্ৰকৃতিৰ লগত বদ্ধ প্ৰাকৃতি যোগ হৈহে শব্দ কেইটা গঠন হৈছে। যেনে ঃ

শব্দ	মুক্ত প্ৰাকৃতি বা প্ৰকৃতি	বদ্ধ প্ৰাকৃতি
ধনী	ধন	—ঈ
বননি	বন	—অনি
তলি	তল	—ই
মাছটো	মাছ	—টো

প্ৰকৃতি আৰু শব্দৰ সম্পৰ্কৰ ক্ষেত্ৰত ক'ব পাৰি যে বৰ্ণ বা ধ্বনিৰ ওপৰৰ একক 'ৰূপ' আৰু ৰূপৰ ওপৰৰ একক হে শব্দ। 'ৰূপ' বা যদি প্ৰাকৃতি বুলি ধৰোঁ তেন্তে প্ৰাকৃতিৰ অন্তৰ্গত বিষয় প্ৰকৃতি। কোনো কোনো ক্ষেত্ৰত শব্দৰ আধাৰ হ'ল প্ৰকৃতি। প্ৰকৃতিৰ লগত প্ৰকৃতি যোগ হৈ, প্ৰকৃতিৰ লগত সৰ্গ যোগ হৈ শব্দ গঠন কৰিব পাৰে। তলত তিনিটামান উদাহৰণ আগবঢ়োৱা হ'ল ঃ

(ভাষা, অসমীয়া)

(ক) একক প্ৰকৃতিৰে গঠিত শব্দ ঃ

মানুহ, মা, পাহাৰ, পিয়লা ইত্যাদি।

(খ) প্ৰকৃতিৰ লগত প্ৰকৃতি যোগ হৈ হোৱা শব্দ ঃ জীৱ-জন্তু; ছাত্ৰ-ছাত্ৰী; হাত-ঘড়ী ইত্যাদি।

(গ) প্ৰকৃতিৰ লগত সৰ্গ যোগ হৈ হোৱা শব্দ ঃ পুৰুষীয়া (পুৰষ-ঈয়া); অকাজী-(অ-কাজ-ঈ) ইত্যাদি।

শব্দ, শব্দৰ শ্ৰেণী বিভাগ, শব্দৰ গঠন আদি বিষয়ো ৰূপতত্ত্বৰ আলোচ্য বিষয়।

৬.৪.৬ ৰূপ ধ্বনিগত পৰিবৰ্তন (Morphonemic Change)

ৰূপতত্ত্বৰ এটি আলোচ্য বিষয় হৈছে ৰূপধ্বনিগত পৰিবৰ্তন। ৰূপধ্বনিগত

পৰিবৰ্তনত সাধাৰণতে ধ্বনি পৰিবৰ্তন হৈ ৰূপটোৰ আকৃতিৰ পৰিবৰ্তন আনে। প্ৰত্যেক ভাষাতে ৰূপধ্বনিগত পৰিবৰ্তনৰ উদাহৰণ পোৱা যায়। স্বৰসংগতি, সমীভৱন, আদিৰ ফলত ৰূপধ্বনগত পৰিবৰ্তন হোৱা দেখা যায়।

প্ৰাকৃত বিশ্লেষণত এটি মুখ্য দিশ হৈছে ৰূপধ্বনিগত পৰিবৰ্তন। উপাকৃতিসমূহৰ মাজৰ যিটোৰ প্ৰয়োগৰ বিস্তৃতি অধিক, সাধাৰণতে কেইটোক মূল আধাৰ হিচাপে ধৰি বাকীবোৰ আকৃতিৰ ৰূপ ধ্বনিগত পৰিবৰ্তন হোৱা বোলে।

অসমীয়া ভাষাৰ এটি নঞৰ্থক ৰূপ হৈছে 'ন' এইটো মূল আধাৰ বা base form। এই মূল আধাৰটো যেতিয়া ধাতু প্ৰকৃতিৰ লগত যুক্ত হয় তেতিয়া ধাতুটোৰ ধ্বনি (সাধাৰণতে স্বৰ ধ্বনি) অনুযায়ী আকাৰ সলনি কৰে উচ্চাৰণত পাৰ্থক্য আহে; অৰ্থৰ পাৰ্থক্য কিন্তু নহয়।

ন— ক অ ৰ এ > ন-ক ৰে।

ন— খ আ এ > না-খায়।

অসমীয়া ভাষাৰ পৰা দিয়া এই উদাহৰণটোৰ দৰে বিভিন্ন ভাষাৰ পৰা ৰূপধ্বনিগত পৰিবৰ্তনৰ উদাহৰণ দিব পাৰি। ইংৰাজী ভাষাত বহুবচনাত্মক প্ৰাকৃতি যোগ হ'লে ৰূপধ্বনিগত পৰিবৰ্তন দেখা যায়; উদাহৰণ Cat + S = Cats; girl + S= girls; rose + s = roses (es), dog + dogs।

{S}

[S] [z] [iz]

বিশেষ পৰিৱেশত এই বহুবচনাত্মক প্ৰাকৃতিৰ উচ্চাৰণত পাৰ্থক্য দেখা যায় আৰু এই সমূহ উপাকৃতি ৰূপে প্ৰয়োগ হয়।



জানি থোৱা ভাল

Charles f. Hockett (Professor of linguistics and anthrology) ৰ মতে ভাষা হৈছে এক প্ৰণালী। এই প্ৰণালীটো পাঁচটা উপ প্ৰণালীৰে গঠিত। সেইসমূহ—

1.The Phonological System

2. The Grammatical System

3. The Morphonemics System

4. The Symantic System

5. The Phonetic System.

ৰূপ ধ্বনিগত প্ৰণালী ভাষা বিজ্ঞানৰ অন্তৰ্গত এটা অতি গুৰুত্বপূৰ্ণ বিষয়।

৬.৪.৭ ব্যাকৰণগত বিষয়

ব্যাকৰণগত বিষয়ক তিনিটা ইংৰাজী প্ৰতিশব্দৰ দ্বাৰা বুজাব পাৰি — Grammatical Categories, Grammatical elements, Grammaticalnes। ব্যাকৰণত আলোচনা কৰা বা ব্যাকৰণত স্থান পোৱা সকলোবোৰ বিষয়ক ব্যাকৰণগত বিষয় বুলি কোৱা নহয়; এইটো এটা পাৰিভাষিক শব্দ।

বাক্যৰ গাঁথনিত যিবোৰ প্ৰাকৃতি বা ৰূপে শব্দক পদলৈ ৰূপান্তৰিত কৰি পদৰ লগত পদৰ সম্পৰ্ক স্থাপন কৰি বক্তাৰ অভিপ্ৰেত অৰ্থ প্ৰকাশ কৰে অৰ্থাৎ বিভক্তিবোৰে প্ৰকাশ কৰা গাঁথনিক অৰ্থকে ব্যাকৰণগত বিষয় বোলে। বিভক্তিসমূহ নহ'লে নিৰ্দিষ্ট অভিপ্ৰেত অৰ্থ প্ৰকাশক বাক্য এটা শুদ্ধকৈ গঠন হ'ব নোৱাৰে। ভাষাৰ গঠন বৈশিষ্ট্যৰ ওপৰত ব্যাকৰণত বিষয়ৰ সূত্ৰ নিৰ্ভৰ কৰে। অসমীয়া ভাষাৰ ক্ষেত্ৰত দেখা যায় কাৰক, পুৰুষ, অসমাপিকা ক্ৰিয়া, কৰ্মবাচ্য-ব্যাকৰণগত বিষয়। আংশিকভাৱে লিঙ্গক ব্যাকৰণগত বিষয়ৰ অন্তৰ্গত কৰা হয়। হিন্দী ভাষাৰ ক্ষেত্ৰত কিন্তু লিঙ্গক ব্যাকৰণগত বিষয় হিচাপে আলোচনা কৰা হয়।

ব্যাকৰণগত বিষয়, ৰূপতত্ত্বৰ বিষয় যদিও; বাক্যৰ উদাহৰণ লৈহে (বাক্য গঠনৰ পৰিপ্ৰেক্ষিতত) আলোচনা কৰিব পাৰি।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাবিজ্ঞানৰ অধ্যয়নৰ অন্যতম স্তৰ হিচাপে 'ৰূপতত্ত্ব' আৰু ইয়াৰ অন্তৰ্গত বিষয়ৰ এটা ধাৰণা লাভ কৰিলে।
- সাধাৰণভাৱে 'ৰূপ' এটাৰ গঠন, প্ৰয়োগ, বিভাজন সম্পৰ্কে জ্ঞাত হ'ল।
- ৰূপৰ লগত ৰূপৰ সংযোগৰ দ্বাৰা কিদৰে অভিপ্ৰেত অৰ্থ বক্তাই শ্ৰোতালৈ প্ৰেৰণ কৰে, সেই বিষয়ে জানিব পাৰিলে।
- শব্দ আৰু ৰূপৰ সম্পৰ্ক সম্বন্ধ আপুনি এই অধ্যায়ৰ পৰা কিছু আভাস পালে।
- 'ব্যাকৰণগত বিষয়'ৰ সম্পৰ্ক জ্ঞাত হ'ব।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। কোঁৱৰ, অৰ্পণা (২০০২); ভাষাবিজ্ঞান উপক্ৰমণিকা, ডিব্ৰুগড় ঃ বনলতা

২। গোস্বামী, উপেন্দ্ৰ নাথ (১৯৯৫); ভাষাবিজ্ঞান, গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ

৩। গোস্বামী, উপেন্দ্ৰ নাথ (২০০১); অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ

৪। গোস্বামী, গোলোকচন্দ্ৰ (১৯৮৭); অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৫। দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (১৯৯০); আধুনিক ভাষা বিজ্ঞান পৰিচয়, গুৱাহাটী ঃ বীণা প্ৰকাশ প্ৰাইভেট লিমিটেড

৬। পাঠক, ৰমেশ (১৯৯৮); ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৭। ৰাভা হাকাচাম, উপেন (২০১৫); অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ

৮। শইকীয়া বৰা, লীলাৱতী (২০০৬), অসমীয়া ভাষাৰ ৰূপতত্ত্ব, গুৱাহাটী ঃ বনলতা

ইংৰাজী গ্ৰন্থ ঃ

৯। Gleason H.A. (Revised Edition) ; An Introduction to Descriptive Linguislics, New Delhi : Oxford IBM Publishing Co.

বাংলা গ্ৰন্থ ঃ

১০। শ', ৰামেশ্বৰ (১৯৯৬, তৃতীয় সংস্কৰণ); সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, কলকাতা ঃ পুস্তক বিপণি।



৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰূপ সম্পৰ্ক ৰূপতত্ত্ব ইংৰাজী প্ৰতিশব্দ Morphology সংজ্ঞা দুটামান আলোচনা কৰিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থৰ বিৰোধন থকা গোটটোক কোৱা হয় প্ৰাকৃতি— উদাহৰণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতি আৰু প্ৰাকৃতি আৰু প্ৰাকৃতি একে নহয়; অৰ্থযুক্ত ক্ষুদ্ৰতম গোট টোক প্ৰাকৃতি বোলা হয় আনহাতে মুক্তভাৱে অৰ্থ প্ৰকাশ কৰিব পৰা প্ৰাকৃতিকহে প্ৰকৃতি বোলা হয়। (উদাহৰণ দিব লাগিব)

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্বনি পৰিবৰ্তন হৈ ৰূপটোৰ আকৃতিৰ পৰিবৰ্তন হয়, অৰ্থ একে থাকে তাকে ৰূপ ধ্বনিগত পৰিবৰ্তন বোলে। ৰূপ ধ্বনিগত পৰিবৰ্তন কিয় হয়—কিদৰে হয় — ইত্যাদিৰ বিষদ আলোচনা থাকে ৰূপধ্বনিতত্ত্ব (Morpho-phonemics) শিতানত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ — নহয়— পাঠ্যাংশৰ পৰা চাই উত্তৰ লিখিব।



৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰাকৃতি কাক বোলে? প্ৰাকৃতিৰ বিভাগ কি কি ? উদাহৰণসহ লিখক।

প্ৰশ্ন ২ ঃ প্ৰকৃতি বুলিলে কি বুজে? প্ৰকৃতিৰ বিভাগ কেইটা আৰু কি কি?

প্ৰশ্ন ৩ ঃ আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে এটি টোকা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ উপাকৃতিৰ পৰা প্ৰাকৃতি কিদৰে নিৰ্বাচন কৰিব পাৰি? পৃথিৱীৰ যিকোনো ভাষাৰ পৰা তথ্য লৈ প্ৰশ্নটোৰ উত্তৰ যুগুত কৰক।

প্ৰশ্ন ৫ ঃ সৰ্গৰ সংজ্ঞা আগবঢ়াই, অৱস্থান অনুযায়ী সৰ্গৰ বিভাজন দেখুৱাওক।

প্ৰশ্ন ৬ ঃ গুণ অনুযায়ী সৰ্গক কিদৰে শ্ৰেণী বিভাগ কৰা হয়?

প্ৰশ্ন ৭ ঃ শব্দ কাক বোলে? উদাহৰণসহ শব্দৰ গঠন আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ চমুটোকা লিখক ঃ

(ক) ৰূপধ্বনিগত পৰিবৰ্তন (খ) ব্যাকৰণগত বিষয়।

*** ***** ***

অধ্যায় ৭ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ ঃ বাক্যতত্ত্ব

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ বাক্যতত্ত্বঃ সাধাৰণ আলোচনা

৭.৩.১ বাক্যতত্ত্বৰ পৰিসৰ

৭.৩.২ পৰম্পৰাগত বাক্যতত্ত্ব

৭.৩.৩ আধুনিক বাক্যতত্ত্ব

৭.৪ বাক্যতত্ত্ব আৰু ব্যাকৰণ

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭ .৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাক্যতত্ত্ব সম্পৰ্কে ধাৰণা লাভ কৰিব
- বাক্যতত্ত্বৰ পৰিসৰ সম্পৰ্কেও জানিব পাৰিব
- বিভিন্ন দিশৰ পৰা কৰা বাক্যতত্ত্বৰ শ্ৰেণী বিভাগসমূহ পৰ্যালোচনা কৰিব পাৰিব
- পৰম্পৰাগত বাক্যতত্ত্বৰ বিষয়ে বৰ্ণনা দিব পাৰিব
- আধুনিক বাক্যতত্ত্বৰ বিষয়েও আপুনিও জানিব পাৰিব
- বাক্যতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্কৰ বিষয়েও জানিব পাৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ ভাষা শাখাৰ ‘ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়’, শিৰোনামৰ পাঠ্যবিষয়ৰ এইটো সপ্তম অধ্যায়। অধ্যায়টোৰ নাম ‘ভাষা বিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন স্তৰ ঃ বাক্যতত্ত্ব’। ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়ত আপুনি ৰূপতত্ত্বৰ চমু পৰিচয় লাভ কৰাৰ লগতে ব্যাকৰণৰ লগত ৰূপতত্ত্বৰ সম্পৰ্কত জানিব পাৰিলে। এই অধ্যায়টি বাক্যতত্ত্বৰ পৰিচয়, পৰিসৰৰৰ বিষয়ে আলোচনা কৰা হ’ব। পৰম্পৰাগত, আধুনিক এই দুয়োবিধ বাক্যতত্ত্বৰ আলোচনা কৰা হ’ব। বাক্যতত্ব আৰু ব্যাকৰণৰ বিষয়েও আলোচনা কৰা হৈছে। এতিয়া আমি মূল বিষয়ৰ আলোচনালৈ আহোহঁক।

৭.৩ বাক্যতত্ত্ব ঃ সাধাৰণ আলোচনা

ভাষাৰ জৰিয়তে মানুহ এজনে আনজনৰ মনৰ ভাৱ ব্যক্ত কৰে বাক্যই হৈছে এটা ভাষাৰ চানেকী। মানুহে কথা কওঁতে বাগিন্দ্রিয়ৰ পৰা কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই ধ্বনিবোৰ এটা বা ততোধিক লগ হৈ এটা অর্থ বুজায় শব্দৰ সৃষ্টি কৰে। এই শব্দবোৰ পিছত বিভিন্ন ক্রমত সজায়, বাক্য গঠন কৰা হয়। বাক্য হ'বলৈ এটা অর্থ প্রকাশ হ'ব লাগিব। এনেদৰে মানুহে মনৰ ভাৱ-চিন্তা আদি প্রকাশ কৰে। ভাষা এটাৰ মর্যাদা এটা বাক্যৰ ওপৰত নিহিত। বাক্যত ব্যৱহাৰ হোৱা পদসমূহৰ এটা নির্দিষ্ট প্রণালী আছে।

কোনো এটা ভাষাত ব্যৱহৃত পদসমূহৰ প্রণালী ইটো পদৰ লগত সিটো পদৰ সম্পর্ক, সেই সম্পর্কৰ প্রকাৰ ভেদ আদিৰ বিশ্লেষণ বাক্যতত্ত্বত কৰা হয়। বাক্যতত্ত্বৰ ইংৰাজী প্রতিশব্দ (Syntax) । Syntax শব্দটো গ্রীক ভাষাৰ শব্দ। 'Syn' মানে together, tanin মানে an arranigng অর্থাৎ প্রণালীবদ্ধ গাঁথনি বুলি ক'ব পাৰি। গতিকে শব্দগত অর্থৰ পৰা বুজিব পাৰি যে শব্দৰ শৃংখলাবদ্ধ সাজোনেৰে ভাষাৰ অর্থবহ সর্ববৃহৎ গোট বা বাক্য নির্মাণৰ প্রক্রিয়াক বাক্যতত্ত্ব বোলা হয়। কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্রকাৰ, বাক্যত ৰূপান্তৰ বাক্যৰ অন্তর্নিহিত সুৰ, বাক্যংশ, বাক্যৰ নিকটস্থ অংগ বিচাৰ আদি বিভিন্ন দিশবোৰ বাক্যতত্ত্বত আলোচনা কৰা হয়। বাক্যতত্ত্বৰ পৰিসৰ ব্যাপক। পৰম্পৰাগত ব্যাকৰণত বাক্যৰ প্রকাৰভেদ, বাক্যৰ গঠন, বাক্যৰ সম্প্রসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণক সামৰা হৈছে।

বাক্যতাত্ত্বিক স্তৰত বাক্যত ব্যৱহৃত একাধিক সুসংগঠন বাক্য সৃষ্টিৰ সম্পর্কে আলোচনা কৰা হয়। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অর্থতত্ত্ব এই সকলো উপাদানেৰে একোটা সহ সম্বন্ধ আছে। তলত ৰেখাচিত্রৰ সহায়ত দেখুওৱা হ'ল—

ধ্বনি— ভাষা— অর্থ— বাক্য— ৰূপ

এই সকলোবোৰৰ উপৰিও সুৰ লহৰো বাক্য গঠনৰ প্রয়োজনীয় উপাদান যেনে—

(ক) তুমি বজাৰলৈ যাবা।

(খ) তুমি বজাৰলৈ যাবা?

ইয়াত বজাৰলৈ শব্দটো উচ্চাৰণ কৰোঁতে সুৰ লহৰ অকস্মাত উদ্ধগামী হৈছে আৰু যাম বুলি কওঁতে সুৰ নিম্নগামী হৈ এটা দীর্ঘ বিৰোধ সূচনা কৰিছে। ইয়াৰ ফলত বাক্যটো—

(ক) নিশ্চয়সূচক অর্থ আৰু

(খ) প্রশ্নসূচকলৈ পৰিণত হৈছে।

৭.৩.১ বাক্যতত্ত্বৰ পৰিসৰ

ইয়াৰ পূর্বৰ অধ্যায়টিৰ আলোচনাত ৰূপতত্ত্বৰ পৰিচয় লাভ কৰিলে। এই অধ্যায়টোত বাক্যতত্ত্ব আলোচিত হৈছে। বাক্যতত্ত্বৰ পৰিসৰ অতি ব্যাপক। বাক্য এটা

গঠন হ'বলৈ ধ্বনি, ৰূপ শব্দ, অর্থ, সুৰ আদি সকলো প্রয়োজনীয় সামগ্রী। সেয়ে বাক্যতত্ত্বৰ ভিতৰচোৱাত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, অর্থতত্ত্ব আদিৰো বিতং আলোচনা কৰা হয়। ভাষাভেদে বাক্য গঠনৰ প্রণালী আলোচনা কৰাৰ উপৰিও বাক্যৰ প্রকাৰভেদ আদিৰ আলোচনাও বাক্যতত্ত্বৰ ভিতৰুৱা। ধ্বনিতাত্ত্বিক স্তৰত ধ্বনি, বর্ণ, উপধ্বনি আৰু অক্ষৰ এই বিষয়সমূহ আলোচনা কৰা হয়। ৰূপতাত্ত্বিক স্তৰত আকৃতি, প্রকৃতি, উপাকৃতি আদিৰ সূক্ষ্ম বিচাৰ কৰাৰ উপৰি প্রকৃতিৰ পৰা সৃষ্ট শব্দ আৰু পদৰ সম্পর্কেও আলোচনা কৰা হয়। বাক্যতাত্ত্বিক স্তৰত বাক্যৰ স্তৰৰ নিম্নতম গোট অর্থাৎ পদসমূহৰ সুসংগঠনত বাক্যসৃষ্টিৰ সম্পর্কে আলোচনা কৰা হয়। অর্থতত্ত্বৰ স্তৰত শব্দৰ অর্থ বিশ্লেষণ আৰু সম্পূর্ণ ভাৱ প্রকাশক একোটা বাক্যৰ অর্থ বিচাৰ কৰা হয়। উল্লিখিত সকলোবোৰ উপাদানৰে এটা বাক্য গঠিত হয় আৰু প্রত্যেক উপাদানৰে একোটা সহ সম্বন্ধ আছে। বাক্যতত্ত্বত সুৰ আৰু লহৰৰ সময়টো বাক্যসমূহ ৰূপান্তৰ হয়। আধুনিক ভাষাবিজ্ঞানী সকলে বাক্যৰ যোগ্যতা, আকাংক্ষা আৰু আসক্তি এই তিনিওটা বিষয়ৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। বাক্যতত্ত্বৰ আলোচনা বাক্যবিন্যাস বা কথাবিন্যাসৰ পৰিধিক সামৰে। অসমীয়া ভাষাৰ বাক্যৰ শ্রেণীবিভাগ চাৰিটা ভিন্ ভিন্ দিশৰ পৰা কৰিব পৰা যায়—

(ক) বাক্যৰ গাঁথনিক দিশৰ পৰা

(খ) অর্থৰ দিশৰ পৰা

(গ) বাক্যত ক্রিয়াই প্রকাশ কৰা ভাগৰ দিশৰ পৰা

(ঘ) বাক্যত কর্তা, কর্ম, অথবা ক্রিয়াই লাভ কৰা প্রাধান্যৰ দিশৰ পৰা ।

(ক) বাক্যক গাঁথনিক দিশৰ পৰা তিনিটা ভাগত ভাগ কৰিব পাৰি— সৰল বাক্য, যুগ্ম বা যৌগিক বাক্য আৰু জটিল বাক্য।

সৰল বাক্য ঃ অসমীয়া ভাষাৰ সৰল বাক্যৰ স্বাভাৱিক গঢ় হৈছে কর্তা, কর্ম, ক্রিয়া। কেতিয়াবা কর্তাহীন, কর্মহীন আৰু ক্রিয়াহীন সৰল বাক্যও পোৱা যায়। কেতিয়াবা এটা মাত্র শব্দই এটা সৰল বাক্যৰ অর্থ বহন কৰে। যেনে— বহা, হয় আদি। ইয়াত এটা বাক্য নিহিত থাকে যেনে—তুমি বহা।

যুগ্ম বা যৌগিক বাক্য ঃ দুই বা ততোধিক সৰল বাক্যৰ কোনো সংযোজন বা বিযোজক অধ্যয়ৰ সহায়ত লগ লগাই যুগ্ম বাক্য গঠন কৰা হয়।

জটিল বাক্য ঃ দুটা বা ততোধিক সৰল বাক্যক কোনো বিশেষ ধৰণে সংযোগ কৰি জটিল বাক্য গঠন কৰা হয়। জটিল বাক্য হ'বলৈ তাত কমেও দুটা উপবাক্য থাকিব লাগিব আৰু প্রতিটো উপ বাক্যতে একোটা উদ্দেশ্য আৰু একোটা বিধেয় থাকিব লাগিব।

(খ) অর্থ বা ভাব অনুযায়ী বাক্যক পাঁচোটা ভাগত ভগাব পাৰি। যেনে—

(ক) বর্ণনাত্মক বাক্য

(খ) আদেশ-অনুৰোধসূচক বাক্য

(গ) প্রশ্নসূচক বাক্য

(ঘ) বিষয়সূচক বাক্য

(ঙ) ইচ্ছাসূচক বাক্য

(গ) বাক্যত ক্রিয়াই প্রকাশ কৰা ভাবৰ দিশৰ পৰা বাক্যত ক্রিয়াই হৈছে গুৰুত্বপূর্ণ অংগ। ক্রিয়াৰ অন্তর্নিহিত ভাব অনুসৰি বাক্যৰ প্রকৃতিও বেলেগ বেলেগ হয়। ক্রিয়াই কোনো কার্যৰ আভাস দিব পাৰে বা আদেশ বা অনুৰোধ প্রকাশ কৰিব পাৰে। সেই অনুসৰি বাক্যক প্রধানকৈ দুটা ভাগত ভাগ কৰা হয়।

১। নির্দেশাত্মক বাক্য

২। অনুজ্ঞাবোধক বাক্য

১। নির্দেশাত্মাক বাক্য ঃ নির্দেশাত্মক সমাপিকা ক্রিয়া থকা বাক্যক নির্দেশাত্মক বাক্য বোলে।

২। অনুজ্ঞাবোধক বাক্য ঃ অনুজ্ঞাভাৱৰ সমাপিকা ক্রিয়া থকা বাক্যক অনুজ্ঞাবোধক বাক্য বোলে।

নির্দেশাত্মক বাক্যক আকৌ তিনিটা উপৰিভাগত ভাগ কৰিব পাৰি—

(ক) ইতিবাচক

(খ)নেতিবাচক

(গ)প্রশ্নবোধক

ইতিবাচক ঃ ইতিবাচক বাক্যত ক্রিয়াই সূচনা কৰা কার্য স্থিতিৰ যথাযথ বর্ণনা থাকে। যিকোনো কালৰ ক্রিয়া হ'ব পাৰে। যেনে— ছাগলীয়ে ঘাঁহ খায়।

(খ) নেতিবাচক ঃ বাক্যত ক্রিয়াই সূচনা কৰা কার্য বা স্থিতিৰ নহয় বা নোহোৱা বুজাবলৈ নেতিবাচক বাক্য হয়। যেনে— ৰমেন আজি স্কুললৈ নগ'ল।

(গ) প্রশ্নবোধক ঃ নির্দেশাত্মক সাৰ বাক্যৰ পৰা প্রশ্নবোধক বাক্য গঠন কৰা হয়। যেনে—তুমি নাহিলা। তুমি নাহিলা?

২। অনুজ্ঞাবোধক বাক্য ঃ যি বাক্যই কর্তাক কোনো অনুৰোধ বা আদেশ কৰা বা নির্দেশ দিয়া বুজাই তেনে বাক্যক অনুজ্ঞাবোধক বাক্য বোলে। এনে বাক্যৰ উদ্দেশ্যৰ ঘৰত কেৱল কর্তা বহে আৰু কর্তা প্রায়েই দ্বিতীয় পুৰুষৰ হয় কিন্তু উহ্য থাকে। কর্তা কেতিয়াবা তৃতীয় পুৰুষৰ সর্বনাম বা বিশেষ্যও হ'ব পাৰে। অসমীয়াত অনুজ্ঞা বুজোৱা কোনো বিশেষ ক্রিয়া বিভক্তি নাই। যেনে (তই) স্কুললৈ যা।

(ঘ) বাক্যত কর্তা, কর্ম অথবা ক্রিয়াই লাভ কৰা প্রাধান্যৰ ভিত্তিত বাক্যৰ শ্রেণীবিভাগ বা বাচ্যৰ ভিত্তিত শ্রেণীবিভাগ বাচ্য মানে হ'ল ক'বলগীয়া। বাচ্যত কেতিয়াবা কর্ম আৰু কেতিয়াবা ক্রিয়াৰ কথাই মুখ্যভাৱে প্রকাশ কৰিবলগীয়া বিষয় হৈ পৰে। ইয়াকে বাচ্য বোলে। বাচ্যৰ ভিত্তিত বাক্যৰ তিনি প্রকাৰ বিভাজন আছে—

কর্তৃবাচ্যৰ বাক্য ঃ যি বাক্যাত কর্তাই মুখ্য স্থান গ্রহণ কৰে আৰু আৰু কর্তাই কাৰ ওপৰত কিহৰ সহায়ত কেনেকৈ কেতিয়া কি কাৰণে কোনো কার্য সম্পদান কৰে সেই কথাই প্রাধান্য লাভ কৰে, এনে বাক্যক কর্তৃবাচ্য বাক্যবোলে। যেনে— ৰামে কুঠাৰেৰে গছডাল কাটিলে। এই বাক্যত কর্তা ৰাম অবিহনে বাকী অংশ নিৰর্থক।

কর্মবাচ্যৰ বাক্য ঃ যি বাক্যত কর্মই মুখ্যস্থান গ্রহণ কৰে আৰু প্রায়েই উদ্দেশ্যৰ স্থানত বহা, কর্মৰ লগত ক্রিয়াৰ সম্পর্ক স্থাপিত হয়, সেই বাক্যক কর্মবাচ্য বোলে। যেনে— এঘাৰ তাৰিখে ৰিজাল্ট দিব। ইয়াত ৰিজাল্ট দিয়া কথাটো মুখ্য বক্তব্য কাৰ, কিহৰ ৰিজাল্ট দিব সেইটো দৰকাৰী কথা নহয়।

ভাৱবাচ্যৰ বাক্য ঃ যি বাক্যত ক্রিয়াৰ কার্যৰ বিষয়ে বর্ণনা মুখ্য আৰু কর্তা আৰু কর্ম দুয়ো গৌণ, সেই বাক্যই ভাৱবাচ্যৰ বাক্য। যেনে— কেতিয়াবা অহা হ'ল? ইয়াত কর্তা বা কর্মই প্রাধান্য পোৱা নাই। ক্রিয়াহে মুখ্য।

ওপৰত উল্লিখিত আলোচনাৰ পৰা আপুনি অসমীয়া বাক্যতত্ত্বৰ পৰিধি বা পৰিসৰ সম্পর্কে জানিব পাৰিব।

৭.৩.২ পৰম্পৰাগত বাক্যতত্ত্ব

পৰম্পৰাগত বাক্যতত্ত্বত বাক্যৰ প্রকাৰ ভেদে বাক্যৰ গঠন, বা বস্তুৰ সম্প্রসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণক সামৰি হৈছিল। 'Syntax' অভিধাটো প্রাচীন লেখকসকলে ব্যৱহাৰ কৰিছিল। গ্রীক ব্যাকৰণ বিদ এপলেনিওছ তুস্কোলেছৰ '*peri syntaxcos*' গ্রন্থত পোন প্রথমে এই অভিধাটো অন্তর্ভুক্ত হৈছিল। পৰম্পৰাগত বাক্যতাত্ত্বিকসকলে বাক্যৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব দিছিল। এৰিষ্টটলে তেওঁৰ 'cratylus' গ্রন্থত বিশ্লেষণাত্মক দৃষ্টিভংগীৰে ভাষাৰ আলোচনাত প্রবৃত্ত হৈছিল। এৰিষ্টটল প্লেটোৰ শিষ্য আছিল। তেওঁ বাক্যত কর্তা আৰু ক্রিয়া এই দুটা ভাগত ভাগ কৰিছে। পদ প্রকৰণৰ অর্থ বাক্যৰ প্রকৰণ বুলিহে গ্রীক দার্শনিকসকলেও ব্যক্ত কৰিছিল। গ্রীক ব্যাকৰণত হেৰোডিয়ানুছ আৰু তেওঁৰ পিতৃ এপোলোনিওছ তুস্কোলেছে পদক আঠ প্রকাৰত ভাগ কৰি আলোচনা কৰিছিল আৰু বাক্যতত্ত্ব আৰু সুৰাঘাতৰ বিষয়েও আলোছনা কৰিছিল। ৰোমানসকলেও বিশেষকৈ বেৰো এ ভাষাৰ বুৎপত্তি, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব এই তিনিওটা দিশৰ বিষয়ে ব্যাকৰণত আলোচনা কৰিছিল। লেটিন ভাষাতত্ত্ববিদ প্রিছকিয়ানৰ Institutions Grammatical' নামৰ গ্রন্থখনত শেষৰ দুটা অধ্যায়ত বাক্য সম্পর্কে আলোচনা কৰা হৈছিল যদিও বাক্যতত্ত্বৰ আলোচনা বিজ্ঞানভিত্তিক পদ্ধতিৰে হৈছিল। তথাপিও তাত সীমাবদ্ধতা লক্ষণীয়।

৭.৩.৩ আধুনিক বাক্যতত্ত্ব

আধুনিক ভাষাবিজ্ঞানীসকলে বাক্যতাত্ত্বিক অধ্যয়নত অধিক গুৰুত্ব দিছিল। ভাষাবিজ্ঞানী লিঅনার্ড' ব্লুমাফিল্ডে 'Language' নামৰ গ্ৰন্থত প্ৰথমে বাক্যৰ পদ গঠনৰ স্বাভাৱিক ৰীতিৰ বিশ্লেষণৰ বিষয়ে উল্লেখ কৰে। তেওঁ বাক্যৰ পদ গঠনৰ ৰীতি বিশ্লেষণৰ ক্ষেত্ৰত আসন্ন অংগ বিচাৰ পদ্ধতিৰ কথাও উল্লেখ কৰে। এই পদ্ধতিক চমুকৈ I.C বুলি কোৱা হয়। নিদা আৰু জেইল্‌ছ হেৰিচে এই পদ্ধতিক বহলভাৱে বিকাশ ঘটায়। নোৱাম চমস্কিৰ 'Syntactic structure' আৰু *'Aspects of the Theory of Syntax'* গ্ৰন্থ দুখনত বাক্যতাত্ত্বিক দিশৰ নব্য চিন্তাৰ উন্মেষ ঘটায়। তেওঁৰ ব্যাকৰণ বাক্যতত্ত্ব, ধ্বনিতত্ত্ব, এই দুয়োটাৰ সম্পৰ্ক নিৰ্ভৰ, বিশেষকৈ ই অৰ্থনিৰ্ভৰ। চমস্কিৰ মতে মানুহৰ অন্তৰ্লীন বা আভ্যন্তৰীণ ভাষা চেতনাৰ পৰা বাক্যৰ সৃষ্টি হয়। মানুহৰ ভাষাগত পাৰদৰ্শিতা বা অন্তৰ্লীন জ্ঞান আছে বাবেই একেখিনি ধ্বনি বা ব্যাকৰণৰ নিয়মাৱলীৰ মাজেৰে সদায় নতুন বাক্যৰ সৃষ্টি কৰিব পাৰে। চমস্কিৰ মতে ভাষাৰ ধ্বনিৰ সংযোগ আৰু ৰূপৰ সংযোগ বাহ্যিক সংগঠন মাথোন। বাক্য এটাৰ গঠনৰ বিশ্লেষণ খণ্ডবাক্য গঠনৰ নিয়মেৰে কৰিব পাৰি বুলি চমস্কিয়ে মত আগবঢ়াইছিল। চমস্কি আৰু তেওঁৰ অনুগামীসকলে বাহ্যিক আৰু আভ্যন্তৰীণ এই দুটা গঠনৰ স্তৰৰ ওপৰত ভেদ ঠাৱৰ কৰিছিল। কিছুমান বাক্য বাহিৰৰ পৰা দেখাত একে যেন লাগিলেও আভ্যন্তৰীণ গঠনৰ দুয়োটা বাক্যৰ গঠন বেলেগ বেলেগ হয়।

ফিলোমাৰে ক্ৰিয়াপদ আৰু এটা বা তাতোকৈ অধিক বিশেষ্য খণ্ডবাক্যক বাক্য গঠনৰ মূল উপাদান বুলি কৈছে। তেওঁ চমস্কিৰ ৰূপান্তৰ উৎপাদক ব্যাকৰণলৈ নতুন সংশোধনী ৰূপ আগবঢ়ায়। তেওঁ খণ্ডবাক্যই প্ৰত্যেকটো কাৰক বাচক পদৰ লগত ক্ৰিয়াৰ সম্বন্ধ নিৰ্ণয় কৰে বুলি কৈছিল।

K.L. Pike ৰ 'Tagmimics' আৰু Michael Halliday ৰ 'Systemic Grenmas' ত বাক্যতত্ত্বৰ নতুন নতুন চিন্তা দাঙি ধৰিছে। উক্ত গ্ৰন্থবোৰৰ প্ৰধান উদ্দেশ্য হৈছে, বাক্যৰ মূল গাঁথনিৰ স্বৰূপ আৱিস্কাৰ কৰা। বিভিন্ন ভাষাৰ বাক্যৰ প্ৰকৃতি আৰু স্বৰূপসমূহ নিৰ্ণয়ত এই পদ্ধতিসমূহ খটুৱাব পাৰি।

লিওনার্ড ব্লুমফিল্ডে বাক্যৰ দুই প্ৰকাৰৰ গঠনৰ কথা কৈছে। এটা হৈছে অভিকেন্দ্ৰীক গঠন আনটো হৈছে আন্তঃ কেন্দ্ৰীক গঠন। চমস্কিৰ Aspucts of the theory of syntax গ্ৰন্থত দাঙি ধৰা Slandard theory ৰ মতে ভাষাৰ গঠন প্ৰণালীৰ স্তৰ চাৰিটা বুলি কৈছে। সেইকেইটা হ'ল ধ্বনি স্তৰ, অৰ্থস্তৰ আৰু বাক্যৰ বাহ্যিক গাঁথনি আৰু বাক্যৰ অভ্যন্তৰীণ গাঁথনি।

তেওঁ বাক্যগঠনত দুই প্ৰকাৰৰ নিয়মৰ কথা কৈছে। খণ্ডবাক্য গঠনৰ নিয়ম আৰু ৰূপান্তৰৰ নিয়ম। তেওঁ বিশেষ্য, খণ্ডবাক্য আৰু ক্ৰিয়া খণ্ডবাক্য এই দুই খণ্ডবাক্যৰ

কথা কৈছে। এই দুই ধৰণৰ খণ্ডবাক্যৰ সহায়ত শব্দবোৰৰ সহায় লৈ বহুধৰণৰ বাক্যগঠন কৰিব পাৰি। আনহাতে খণ্ডবাক্য গঠনৰ নিয়মেৰে বাক্য খণ্ডিত কৰি বিশ্লেষণ কৰিব পাৰি। চমস্কিৰ বাক্য বিশ্লেষণৰ প্ৰাথমিক বক্তব্য হ'ল যে প্ৰত্যেক বাক্যই কেইটামান অংগৰ সমষ্টি। এই অংগবোৰত থকা নিয়মবোৰক তিনিভাগত ভাগ কৰিছে—

(ক) পদ সাংগঠনিক নিয়ম

(খ) ৰূপান্তৰ নিয়ম

(গ) ৰূপধ্বনিৰ পৰিবৰ্তনৰ নিয়ম।

৭.৪ বাক্যতত্ত্ব আৰু ব্যাকৰণ

বাক্যতত্ত্ব আৰু ব্যাকৰণ- এই দুয়োটা নামে ভাষাৰ আলোচনাত প্ৰযুক্ত যদিও বাক্যতত্ত্ব নতুন আৰু বাক্যৰ প্ৰাচীন। ভাৰতীয় ব্যাকৰণ অভিধাৰ প্ৰথম উল্লেখ পোৱা যায় খ্ৰীঃপূৰ্ব এহেজাৰ বছৰমান বৈদিক যুগৰ ব্ৰাহ্মণ সাহিত্যত। ব্যাকৰণ শব্দৰ ইংৰাজী প্ৰতিশব্দ 'Grammar' ৰ মূল "Grammartika' ৰ প্ৰথম ব্যৱহাৰ গ্ৰীক ভাষাৰ প্ৰথমজন ব্যাকৰণবিদ খ্ৰীষ্টপূৰ্ব শতিকাৰ ডিওনুছি ওই থাক্সাৰ জৰিয়তে হয় বুলি অনুমান কৰা হয়। বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ হৈছে Syntax'। Syntax গ্ৰীক ভাষাৰ শব্দ। বৈদিক যুগতে ব্যাকৰণ শব্দৰ উল্লেখ পোৱা যায়। যদিও খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ মহৰ্ষী পাণিনিৰ দ্বাৰা ৰচিত অষ্টাধ্যায়ী গ্ৰন্থৰ মাজেৰে ব্যাকৰণ চিন্তাৰ প্ৰণালীবদ্ধ আৰু সুনিৰ্দিষ্ট আত্মপ্ৰকাশ ঘটে। ব্যাকৰণ শব্দটিৰ অৰ্থ হ'ল বিশ্লেষণ কৰা অৰ্থাৎ ভাষাৰ গঠনৰ বিভিন্ন উপাদানসমূহ তন্ন তন্নকৈ ব্যাখ্যা কৰা। আনহাতে বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তৰ্নিহত সুৰ, বাক্যাংশ বাক্যৰ নিকটস্থ অংগ বিচাৰ বাক্যৰ সৃজন ক্ষমতা আদি বিভিন্ন দিশবোৰহে আলোচনা কৰা হয়। পাণিনীৰ *অষ্টাধ্যায়ীত* আঠটি অধ্যায় আৰু প্ৰায় চাৰিহাজাৰ সূত্ৰ আছে। এই গ্ৰন্থখনৰ মূল নাম শব্দানুশাসনম। পাণিনীৰ পৰৱৰ্তীকালত অসংখ্য বাক্যৰণবিদ আৰু বাৰটা পৰ্যন্ত ব্যাকৰণৰ ধাৰা উদ্ভৱ হৈছিল যদিও কাত্যায়ন, পতঞ্জলি আৰু ভতৃহৰি এই তিনি গৰাকী ব্যাকৰণবিদকহে নতুনত্বৰ বাহক বা দিক নিৰ্ণয়ক বুলি ক'ব পাৰি। বাক্যতত্ত্বৰ ক্ষেত্ৰত ব্যাকৰণৰ পৰিসৰ বিস্তৃত। বাক্যতত্ত্বৰ সাধাৰণতে কোনো এটা ভাষাৰ বাক্যৰ দিশটোৰহে পুংখানুপুংখ আলোচনা কৰে। কেতিয়াবা বাক্যৰ লগত এৰাব নোৱাৰা সম্পৰ্ক থকা ভাষাবিজ্ঞানৰ আন শাখা যেনে ৰূপতত্ত্ব আৰু অৰ্থতত্ত্ব আলোচনা কৰা হয়। আনহাতে ব্যাকৰণত কোনো এটা ভাষাৰ ব্যৱহাৰিক দিশবোৰৰ প্ৰতিটো দিশৰ প্ৰতি লক্ষ ৰাখি ভাষাৰ প্ৰচলিত নিয়মবোৰ দাঙি ধৰা হয়। বাক্যতত্ত্বত কোনো এটা ভাষাৰ মান্য আৰু উপ দুয়োটা ৰূপৰে ভাগৰ বিষয়ে আলোচনা কৰে। আনহাতে ব্যাকৰণত কেৱল ভাষাটোৰ মান্য ৰূপটোৰহে বিশ্লেষণ থাকে। ব্যাকৰণ সংৰক্ষণশীল, ভাষাৰ পৰিবৰ্তন হয় যদিও ব্যাকৰণে কিছু সময়ৰ বাবে ভাষাক নীতি নিয়মৰ মাজেৰে ৰাখিব খোজে। আনহাতে বাক্যতত্ত্ব

সংৰক্ষণশীল নহয়। ভাষা এটাৰ লিখিত ৰূপটোৰ লগতে প্ৰচলিত ৰূপটোৰ ওপৰত ভাষাবিজ্ঞানীয়ে বাক্যতাত্ত্বিক অধ্যয়ন চলায়। বিষয় আৰু পদ্ধতি অনুসৰি ব্যাকৰণ কেইবা প্ৰকাৰৰো হ'ব পাৰে। যেনে— বৰ্ণনাত্মক বাক্যতত্ত্ব, ঐতিহাসিক বাক্যতত্ত্ব, তুলনাত্মক বাক্যতত্ত্ব, বিৰোধমূলক, প্ৰায়োগিক।

আনহাতে বাক্যতত্ত্বক গঠন আৰু তত্ত্ব অনুযায়ীহে ভাগ কৰা হয়। গঠন অনুযায়ী তিনিটা ভাগত ভাগ কৰিব পাৰি। (ক) সৰল বাক্য, (খ) জটিল বাক্য, (গ) যৌগিক বাক্য। অৰ্থ বা ভাব অনুযায়ী বাক্যক আকৌ পাঁচোটা ভাগত ভগাব পাৰি। যেনে (ক) বৰ্ণনাত্মক বাক্য (খ) আদেশ-অনুৰোধসূচক বাক্য (গ) প্ৰশ্নসূচক বাক্য (ঘ) বিস্ময় বা আশ্চৰ্যসূচক বাক্য (ঙ) ইচ্ছা বা ভাৱসূচক বাক্য।

সাম্প্ৰতিক যুগত ভাষা শিক্ষণৰ বাবে ব্যাকৰণ আৰু বাক্যতত্ত্ব দুয়োটাৰেই সমানে আৱশ্যক হৈ পৰিছে। ভাষা এটাৰ মূল বাক্য আৰু এই বাক্য গঠনৰ আলোচনা থকা বিষয় বাক্যতত্ত্ব আৰু ভাষা এটাৰ ব্যৱহাৰৰ বাস্তৱ ৰূপটোৰ আভাস দিব পৰা ব্যাকৰণ পুথিৰ পৰা শিক্ষণৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি ধাৰণা কৰিব পাৰি।



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যায়ন কৰি বাক্যতত্ত্ব সম্পৰ্কে জানিব পাৰিলোঁ। বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ Syntax শব্দটো গ্ৰীক ভাষাৰ পৰা অহা । 'Syn' together taxia মানে arranging অৰ্থাৎ প্ৰণালীবদ্ধ গাঁথনি বুলি ক'ব পাৰি।
- বাক্য এটা গঠন হ'বলৈ ধ্বনি, ৰূপ, শব্দ, অৰ্থ, সুৰ আদি সকলো প্ৰয়োজনীয় সামগ্ৰী। বাক্যতত্ত্বৰ আলোচনাই বাক্য বিন্যাস বা কথা বিন্যাসৰ পৰিধিক সামৰে।
- পৰম্পৰাগত বাক্যতত্ত্বত বাক্যৰ প্ৰকাৰ ভেদে বাক্যৰ গঠন বা বস্তুৰ সম্প্ৰসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণক সামৰি হৈছিল।
- আধুনিক বাক্যতত্ত্বত ভাষা বিজ্ঞানীসকলে বাক্যৰ গঠনৰ ওপৰত অধিক গুৰুত্ব দিছিল। ভাষা বিজ্ঞানী লিঅনার্ড' ব্লুমফিল্ডে, নোৱাম চমস্কি, K.L. Pike,Michael Halliday আদিৰ বাক্যতত্ত্ব ধাৰণা, ভাগ, গঠন ইত্যাদি জানিব পাৰিলোঁ।
- বাক্যতত্ত্ব আৰু ব্যাকৰণ দুয়োটা ভাষাবিজ্ঞান ভিতৰুৱা যদিও বাক্যতত্ত্ব নতুন আৰু ব্যাকৰণ প্ৰাচীন। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত অষ্টাধ্যায়ী গ্ৰন্থৰ মাজেৰে ব্যাকৰণৰ আত্মপ্ৰকাশ ঘটে।

  বাক্যতত্ত্ব অভিধানে এপলোনিওছ তুস্কোলেছৰ Peri syntaxcos' গ্ৰন্থত পোন প্ৰথমে উল্লেখ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্নৰ ঃ গাঁথনিক দিশৰ পৰা বাক্যক আমি কেইটা ভাগত ভাগ কৰিব পাৰোঁ ?

.....

২ নং প্রশ্নৰ ঃ বাক্যতত্ত্ব আৰু ব্যাকৰণ সম্পর্কে আলোচনা কৰক।

.....

৩ নং প্রশ্নৰ ঃ আধুনিক বাক্যতত্ত্বত নোৱাম চমস্কিৰ অৱদান শীর্ষক এটি আলোচনা যুগুত কৰক।

.....



৭.৬ অধিক জানিবলৈ

১। কাঁৱৰ অর্পণা (২০০৭), *ভাষাবিজ্ঞান উপক্রমনিকা*, ডিব্রুগড় ঃ বনলতা।

২। গোস্বামী, উপেন্দ্রনাথ (২০০৪), *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণিমানিক প্রকাশ।

৩। ঠাকুৰ, নগেন (২০১১), *ভাষা আৰু ভাষা চিন্তা*, গুৱাহাটী ঃ বনলতা।

৪। পাদুন, নাহেন্দ্র (২০১৪), *ভাষাৰ তত্ত্বকথা*, ডিব্রুগড ঃ বাণী মন্দিৰ প্রকাশন।

৫। পাটগিৰি, দীপ্তি ফুকন (২০০৬), *ভাষাতত্ত্ব*, ডিব্রুগড় ঃ বনলতা

৬। পাঠক ৰমেশ (২০০৮), *অসমীয়া ভাষাৰ ইতিহাস*, গুৱাহাটী ঃ অশোক বুক ষ্টল।

৭। ভট্টাচার্য, বসন্তকুমাৰ (২০১৫), *ভাষা বিজ্ঞান প্রৱেশ*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৮। শইকীয়া বৰা, লীলাৱতী, ফুকন পাটগিৰি, দীপ্তি (২০০৩), *ভাষা জিজ্ঞাসা*, গুৱাহাটী ঃ বনলতা।



৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ বাক্য কাক বোলে লিখিব।.... গাঁথনিক দিশৰ পৰা বাক্যক সৰল, যৌগিক, জটিল এই তিনিটা ভাগত ভাগ কৰিব পাৰি । ভাগকেইটা উদাহৰণসহ বুজাই লিখক।

২ নং প্রশ্নৰ উত্তৰ ঃ বাক্যতত্ত্ব আৰু ব্যাকৰণ শব্দ দুটাৰ গাঁথনিক দিশ, উদ্ভৱৰ সময় লিখিব। বাক্যতত্ত্ব আৰু ব্যাকৰণৰ সাদৃশ্য বৈসাদৃশ্য লিখিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ আধুনিক বাক্যতত্ত্বৰ বিষয়ে লিখিব।... আধুনিক বাক্যতত্ত্বৰ ক্ষেত্রত চমস্কিয়ে উল্লেখ কৰা বাক্যতত্ত্ব গঠন, ধৰণ আদি লিখিব।



৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাক্যতত্ত্ব শব্দটিৰ ইংৰাজী প্রতিশব্দ কি? বাক্যতত্ত্ব সম্পর্কে বহলাই লিখক।

প্রশ্ন ২ ঃ বাক্যতত্ত্বৰ পৰিসৰৰ সকলো দিশ সামৰি এটা টোকা যুগুত কৰক।

প্রশ্ন ৩ ঃ অসমীয়া ভাষাৰ বাক্যৰ শ্রেণীবিভাগ কি কি? আলোচনা কৰক।

প্রশ্ন ৪ ঃ আধুনিক বাক্যতত্ত্ব সম্পর্কে বহলাই আলোচনা আগবঢ়াওঁক।

প্রশ্ন ৫ ঃ চমু টোকা লিখক ঃ

আধুনিক বাক্যতত্ত্ব, পৰম্পৰাগত বাক্যতত্ত্ব, অনুজ্ঞাবোধক বাক্য

প্রশ্ন ৬ ঃ বাচ্যৰ ভিত্তিত বাক্যক কেই ভাগত ভাগ কৰিব পাৰি? ভাগকেইটা কি কি আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ ভাষাবিজ্ঞানৰ বিভিন্ন ধাৰা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ভাষাতত্ত্বৰ ধাৰা
৮.৪ তুলনামূলক ভাষাতত্ত্বৰ ধাৰা
৮.৫ গাঁথনিক ধাৰা
৮.৬ সৃজনাত্মক ধাৰা
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা বিজ্ঞানৰ বিভিন্ন ধাৰাৰ লগত পৰিচিত হ'ব
- ভাষাতত্ত্বৰ ধাৰা আৰু পিছলৈ কেনেদৰে ভাষাবিজ্ঞানত পৰিণত হ'ল সেই বিষয়েও ধাৰণা লাভ কৰিব
- তুলনামূলক ভাষাতত্ত্বৰ ধাৰাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব
- ভাষাৰ গাঁথনিক আৰু সৃজনাত্মক ধাৰাৰ লগত জড়িত প্রাচ্য পাশ্চাত্যৰ ভাষাবিজ্ঞানীসকলৰ বিষয়েও জানিব পাৰিব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন প্রথম পাঠ্য বিষয়। ইয়াৰ শিৰোনাম ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়।

এই অধ্যায়টিত ভাষা বিজ্ঞানৰ আলোচনা প্রসংগত উল্লেখযোগ্য বিভিন্ন ধাৰাৰ পৰিচয় লাভ কৰাৰ লগতে সেই সমূহৰ উদ্ভাৱনৰ লগত জড়িত ভাষাবিজ্ঞানীসকলৰ চিন্তাধাৰাৰ লগত আপোনাক পৰিচিত কৰাই দিবলৈ প্রয়াস কৰা হৈছে।

৮.৩ ভাষাতত্ত্বৰ ধাৰা

ভাষা মানুহৰ সভ্যতা- সমাজ- সংস্কৃতিৰ এক এৰাব নোৱাৰা বিষয়। মানুহৰ মনত ক্রিয়া বা বিভিন্ন ভাৱ অনুভূতি উদ্দীপনা কৰা প্রকাশৰ মাধ্যমেই, হ'ল ভাষা। সংস্কৃত 'ভাষ' ধাতুৰ পৰা ভাষা শব্দৰ উৎপত্তি হৈছে। ইয়াৰ অর্থ ব্যক্ত বাণী। ভাষাৰ ইংৰাজী প্রতিশব্দ Language শব্দটি লেটিন শব্দ Lingua ৰ পৰা অহা Lingua ৰ অর্থ মাত কথা বা ভাষা আৰু istics শব্দটিয়ে তত্ত্ব জ্ঞান বা বিজ্ঞান বুজায়। ভাষা তত্ত্বৰ চর্চা প্রাচীন যদিও Language শব্দটো ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা প্রচলন হয়। ভাষা শৃংখলাবদ্ধ অধ্যয়নৰ পৰিণতিতে ভাষাতত্ত্ব উদ্ভৱ। ভাষাবিজ্ঞানৰ সূত্র ব্যৱহাৰ কৰি কোনো এটা ভাষাৰ গঠন ৰীতিৰ বিচাৰ বিশ্লেষণ কৰাকেই ভাষাতত্ত্ব বোলে। ভাষাতাত্ত্বিকে প্রাচীন সাহিত্যৰ ভাষাৰ গঠন ৰীতিৰ বিচাৰ বিশ্লেষণ কৰিতাৰ যোগেদি সংশ্লিষ্ট জাতিৰ সংস্কৃতিক ধর্মীয় আৰু সামাজিক ইতিহাস অধ্যয়ন কৰে। প্রাচীন গ্রীচত ভাষাতত্ত্বৰ আৰম্ভণি ঘটে। ভাষাতত্ত্ব দর্শনৰ ভিতৰতে সীমাবদ্ধ আছিল, তাৰ কোনো সুকীয়া শাখা নাছিল।

প্রাচীন ক্লাচিকেল লেখকৰ লেখনিৰ ওপৰত হোৱা সাহিত্যিক সমালোচনাৰ জৰিয়তে খ্রীঃপূঃ চতুর্থ। পঞ্চম শতিকাৰ পৰা ভাষাতত্ত্বৰ শুভাৰম্ভ ঘটে। এৰিষ্টটল, প্লেটো, ক্রেটিলাচ নামৰ গ্রন্থ দুখনত ভাষা সম্পর্কীয় তথ্যৰ সম্ভেদ পোৱা যায়। গ্রীক ভাষাতত্ত্বই প্রাচীন যুগতে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আদি দিশত যথেষ্ট অগ্রগতি লাভ কৰে। এই সময়ছোৱাত গ্রীচত দুই ধৰণৰ মতবাদৰ সৃষ্টি হৈছিল। এদল সাদৃশ্যবিদ (Lanalogist) আৰু আন এদল হ'ল বিসঙ্গতিবাদী (Anonalist) প্রথমবিধ পৰম্পৰাগত দৃষ্টিভংগীৰ আৰু দ্বিতীয়বিধ স্বাভাৰিক দৃষ্টিভংগীৰ গ্রীকসকলৰ পিছতে ৰোমানসকলৰ নাম উল্লেখযোগ্য ব্যাকৰণৰ আর্হিৰ ক্ষেত্রত গ্রীক আর্হিকে অনুকৰণ কৰে।

ত্রয়োদশ আৰু চতুর্দশ কালছোৱাত ভাষাতত্ত্ববিদসকলে কাল্পনিক আনুমানিক ব্যাকৰণ ৰচনা কৰে। এই ব্যাকৰণে লেটিন ভাষাত বিভিন্ন তথ্য স্থাপন কৰে। প্রিচচিয়ানত Institutious Grammatical লেটিন ভাষালৈ উল্লেখযোগ্য অৱদান। অষ্টাদশ শতিকাৰ পৰা ভাষাতত্ত্ব ইতিহাসত নতুন নতুন গৱেষণা তথ্য আদি সংস্থাপিত হয়। হিব্রু আৰু আৰৱী ভাষাৰ ব্যাকৰণ সম্বন্ধীয় অধ্যয়নে এই দিশত অৰিহণা যোগায়। ব্যাকৰণবিদ পেক্রচ ৰমুচৰ Scholae Grammatical' উল্লেখযোগ্য গ্রন্থ। চীন, জাপান আদিতো ক্রমান্বয়ে ভাষাতত্ত্ব অধ্যয়নত আৰম্ভণি ঘটে। (এই সময়ছোৱাত কথিত ইউৰোপীয় ভাষাৰো অধ্যয়ন আৰম্ভ হয়।) ব্যাকৰণবিদসকলে বিভিন্ন ভাষাৰ ব্যাকৰণ প্রস্তুত কৰি ভাষাতত্ত্বৰ ইতিহাসত নতুন অধ্যয়নৰ পথ মুকলি কৰি দিয়ে।

অষ্টাদশ শতিকাৰ শেষ ভাগত ইউৰোপত ভাষাতত্ত্বৰ এক নতুন দিশৰ উন্মোচন ঘটে। ইউৰোপীয় উপনিবেশ ভাৰতবর্ষৰ সংস্কৃত ভাষাৰ আৰিস্কাৰ কৰে। ভাষাটোৰ তুলনামূলক আৰু ঐতিহাসিক ভাষাতত্ত্বৰ দিশ উন্মোচন কৰে।

ভাৰতীয় ভাষাতত্ত্বৰ পৰম্পৰা সংস্কৃত ভাষাই বহন কৰে। পাণিনিক ভাৰতীয় ভাষাতত্ত্বৰ প্রথম বাটকটীয়া বুলিব পাৰি। তেওঁৰ অষ্টাধ্যায়ী ব্যাকৰণক ভাষাবিদ ব্লুমফিল্ডে 'মানৰ বুদ্ধিমত্তাৰ

সভ্যতাকৃষ্ট কৃতি বুলি অভিহিত কৰিছে'। চাৰ উইলিয়াম জোনচে, সংস্কৃত ভাষাৰ লগত গ্ৰীক, লেটিন আদি ভাষাৰ সম্পৰ্কে তথ্য দাঙি ধৰে। ইংৰাজ পণ্ডিতজনে ৰয়েল এছিয়াটিক ছ'চাইটি অৰ কেলকাতাৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে বক্তৃতা প্ৰদান কৰিছিল। এই বক্তৃতাৰ প্ৰধান বিষয় আছিল সংস্কৃত ভাষাত গঠন ৰীতিৰ লগত গ্ৰীক,লেটিন আদি ভাষাবোৰৰ গঠনৰীতিৰ এক তুলনামূলক অধ্যয়ন। সেই সময়ত ইউৰোপীয় ভাষাতাত্ত্বিকৰ মনত নতুন চিন্তা আৰু উদ্দীপনা সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ গ্ৰীক, লেটিন সংস্কৃত ভাষা কেইটা কোনো এক বিলুপ্ত প্ৰাচীন উৎসৰ পৰা বিকাশমান বুলি ভাবিছিল আৰু প্ৰাচীন গোষ্ঠীয়, কেল্টীয় আৰু পাৰচীয় ভাষাক সংস্কৃতৰ সগোত্ৰ বুলি অনুমান কৰিছিল। চাৰ উইলিয়াম জনচনে দিয়া বক্তৃতাৰ মাজত পোন প্ৰথমে তুলনামূলক ভাষাতত্ত্বৰ সূচনা হয়। পিছলৈ তুলনামূলক ভাষাতত্ত্ববিদসকলে প্ৰাচীন ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অধ্যয়ন কৰে। ইউৰোপীয় ভাষা পৰিয়ালৰ অধ্যয়ন কৰে। ইউৰোপত ইয়াৰ আৰম্ভণি যদিও জাৰ্মানীত ইয়াৰ চৰম বিকাশ ঘটে।

ভাষাতত্ত্বৰ ধাৰাত বিভিন্ন প্ৰাচীন ভাষাৰ প্ৰাপ্ত সময়ৰ ওপৰত ভিত্তি কৰি তুলনামূলক বিচাৰ, সময়ৰ ওপৰত ভিত্তি কৰি তুলনামূলক বিচাৰ, সম্বন্ধ মূল আৰু পৰিৱৰ্তন আদিৰ আলোচনাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বিংশ শতিকাৰ তৃতীয় দশক পৰ্যন্ত ভাষাতত্ত্বৰ ধাৰা পূৰ্ণ গতিৰে বৰ্তি আছিল। ১৯১৫ খ্ৰীষ্টাব্দত চুইজাৰলেণ্ডীয় ভাষাবিজ্ঞানী ফাৰ্নিনাণ্ড দ্য চচ্যুৰৰ 'Course in General Linguistics' গ্ৰন্থই ভাষাৰ অধ্যয়নৰ এক নতুন চিন্তাৰ টো তুলিছিল। তেওঁৰ চিন্তা-চৰ্চাই ভাষা অধ্যয়নত এক বৈপ্লবিক পৰিবৰ্তনৰ ধাৰা প্ৰবৰ্তন কৰিছিল। ঊনবিংশ শতিকা আৰু বিংশ শতিকাৰ আৰম্ভণি পৰ্যন্ত চলি থকা ভাষাত অধ্যয়ন আৰু প্ৰকৃতিৰ ওপৰত লক্ষ্য কৰি ভাষাতত্ত্বক তুলনামূলক আৰু ঐতিহাসিক এই দুটা উপধাৰাত ভাগ কৰিব পাৰে। ঐতিহাসিক অধ্যয়নে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধ পৰা বিংশ শতাব্দীৰ আৰম্ভণি পৰ্যন্ত আৰু তাৰ আগৰ সময়ছোৱা তুলনামূলক অধ্যয়নে সাঙুৰি লয়।

নব্য ব্যাকৰণবিদ গোষ্ঠীৰ ভাবধাৰাৰে অনুপ্ৰাণিত ফৰাছী ভাষাতত্ত্ববিদ আঁতোৱান মেইয়ে (Antione Meillet) ইণ্ডো ইউৰোপীয় ভাষাসমূহৰ তুলনামূলক অধ্যয়ন আগবঢ়োৱাৰ উপৰি তুলনামূলক ব্যাকৰণৰ মূল নীতিসমূহো সূত্ৰবদ্ধ কৰিছিল। তুলনামূলক ভাষাতত্ত্বৰ তুলনামূলক ব্যাকৰণৰ নীতিসমূহ সূত্ৰবদ্ধ কৰি তেওঁ এক উল্লেখযোগ্য অৱদান আগবঢ়াই গ'ল। তেওঁৰ দুখন প্ৰসিদ্ধ গ্ৰন্থ 'Historical and General linguistics' আৰু 'The Comparation method of Historical Linguistics' ৰ মাজত ভাষাৰ সাধাৰণ সূত্ৰ দাঙি ধৰাৰ লগতে ভাষা বিশেষৰ বিস্তৃত আলোচনাও দাঙি ধৰিছিল। তেওঁ বৰ্ণনামূলক ভাষাবিজ্ঞান আৰু ঐতিহাসিক ভাষা বিজ্ঞানৰ মাজত পূৰ্বৰে পৰা চলি অহা প্ৰাৰ্থক্যসমূহৰ বিৰোধিতা কৰিছিল। দুয়োটাৰে মাজত থকা পাৰ্থক্যসমূহ তেওঁ মানি চলা নাছিল। তেওঁ দুইটাৰ মাজত সমন্বয়হে দেখুৱাই দিছিল। লগতে ভাষাৰ লগত থকা সামাজিক সম্পৰ্কৰ দিশটো তেওঁ গুৰুত্ব দিছিল। এনেদৰে লাহে লাহে 'ভাষাতত্ত্ব'নামৰ ধাৰাটোৱে ভাষাবিজ্ঞানৰ ফালে গতি কৰিবলৈ লয়। কার্ল ব্রুগমান, বেটোল ডেলব্রুক, হেৰমান

ওছথোক প্ৰভৃতি ভাষাতাত্ত্বিক সকলে কোনো এটা বিশেষ প্ৰাচীন ভাষাৰ লগত ইংৰাজী, ফৰাচী, জাৰ্মান আদিৰ ঐতিহাসিক ক্ৰমবিকাশ সম্বন্ধে আলোচনা কৰিবলৈ আৰম্ভ কৰিছিল।

ঐতিহাসিক দৃষ্টিভংগীৰে সামগ্ৰিক বিচাৰত অধ্যয়ন হৈছিল যদিও সগোত্ৰীয় ভাষাসমূহৰ লগত তুলনাও কৰিছিল। ইতিমধ্যে ফ্ৰান্সত ফৰাচী ভাষাতাত্ত্বিকসকলে তেওঁলোকৰ ভাষা আলোচনাক Linguistique' অভিধাৰে বুজাইছিল।

৮.৪ তুলনামূলক ভাষাতত্ত্বৰ ধাৰা

চাৰ উইলিয়াম জোনচৰ উক্তিৰেই তুলনামূলক ভাষাতত্ত্বৰ শুভাৰম্ভ হয়। ১৭৮৬ খ্ৰীষ্টাব্দৰ ২ ফেব্ৰুৱাৰীত কলিকতাৰ ৰয়েল এছিয়াটিক ছ'চাইটিৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সেই সময়ত চাৰ উইলিয়াম জোনচে ভাষা বিষয়ক এক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰিছিল। এই বক্তৃতাৰ মাজত তেওঁ সংস্কৃতৰ লগত গ্ৰীক, লেটিন, গোথিক, কেল্টিক, আবেস্তীয় আদি ভাষাৰ সাদৃশ্য আৰু এই সাদৃশ্যৰ কাৰণেই ভাষাবোৰৰ লগত যে পাৰস্পৰিক সম্পৰ্ক আছে সেই কথাৰ সন্ধেদ দিয়ে। পিছলৈ তুলনামূলক ভাষাতত্ত্ববিদসকলে প্ৰাচীন ইণ্ডো, ইউৰোপীয় ভাষা পৰিয়ালৰ অধ্যয়ন কৰে।

ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই জাৰ্মানীক কেন্দ্ৰ কৰি সমগ্ৰ ইউৰোপতে এই ভাষাসমূহৰ তুলনামূলক অধ্যয়ন আৰম্ভ হয়। সিয়ে পিছলৈ তুলনামূলক ভাষাতত্ত্ব নামেৰে পৰিচিত হয়। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই পিছত ভাষাতত্ত্ববিদসকলে প্ৰাচীন ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ অধ্যয়ন কৰে। এই ধাৰাৰ চৰম বিকাশ ঘটে জাৰ্মানীত। চাৰ জোনছৰ বক্তৃতাৰ এই ধাৰাটোৰ শুভাৰম্ভ হয়। তেওঁ সংস্কৃত ভাষাৰ লগত গ্ৰীক,লেটিন, গোথিক আদি ভাষাৰ সম্বন্ধ দেখুৱাৰ পাছত জাৰ্মান পণ্ডিতসকলে সংস্কৃত, গ্ৰীক, লেটিন আদি ভাষাসমূহৰ তুলনামূলক আলোচনাও প্ৰস্তুত কৰে। জাৰ্মান ভাষাতাত্ত্বিক ফ্ৰিয়েডিখ জন শ্লেগেলে প্ৰৱৰ্তন কৰা তুলনামূলক ভাষাতত্ত্বৰ আলোচনাক পিছলৈ ৰাসমুছ ক্ৰিষ্টিয়ান ৰাস্ক, ফ্ৰানজ বপ আৰু য়াকপ গ্ৰীম নামৰ তিনিজন ভাষাতত্ত্ববিদে বিস্তৃত ৰূপত আলোচনা কৰে।

ফ্ৰানজ বপে তুলনামূলক ব্যাকৰণৰ বিধিবদ্ধ আলোচনা কৰে। ১৮১৬ খ্ৰীষ্টাব্দত প্ৰকাশ কৰা On the conjunction system of the sanskrit Language in comparison with that of the Greek, Latin, Persian and Gerrmanic Language.

সংস্কৃতৰ ক্ৰিয়াৰূপৰ লগত গ্ৰীক, লেটিন, পাৰস্যিক আৰু জাৰ্মান ভাষাৰ তুলনা আগবঢ়ায়।

তুলনামূলক ভাষাতত্ত্ব সমৃদ্ধ কৰাত জাৰ্মান ভাষাতাত্ত্বিক পণ্ডিতসকলৰ অৱদান অপৰিসীম। ফ্ৰিয়েড্ৰিখ ভন শ্লেগেল, উইলহেলম ভন হামবোল্ট, ৰাছমুছ ক্ৰিডিটয়ান ৰাস্ক, ভোকোৰ গ্ৰীম, আগষ্ট শ্লেইখাৰৰ আদি পণ্ডিতসকলে বিশেষ অগ্ৰণী ভূমিকা লৈছিল।

ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত,বিশেষকৈ সপ্তম অষ্টম দশকত জাৰ্মান দেশৰ নব্য

ব্যাকৰণবিদ গোষ্ঠীৰ কার্ল ব্রুগমান,বেটোল, ডেলব্রুক,হেৰমান ওছমোফ, ফ্রাঞ্চৰ আঁটোৱান মেইয়ে আমেৰিকাৰ উইলিয়াম ডিৱট হুইটনি প্রভৃতি ভাষাতাত্ত্বিকসকলে প্রাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাৰ ঠাইত কোনো এটা প্রাচীন ভাষা তথা আধুনিক ভাষাৰ ঐতিহাসিক ক্রমবিকাশ সম্বন্ধে আলোচনা কৰিবলৈ আৰম্ভ কৰিলে। কার্ল ব্রুগমান, বেটোল ডেলব্রুক এই গোষ্ঠীৰ অন্যতম প্রবক্তা আছিল। দুয়োজনে সহযোগিতাৰে ৰচনা কৰা Outline of the comparative Grammer of the Indo Germanic Language নামৰ গ্রন্থত তুলনামূলক ব্যাকৰণ ঐতিহাসিক দৃষ্টিভংগীৰ উপস্থাপন কৰে।

৮.৫ গাঁথনিক ধাৰা

সমগ্র ঊনবিংশ শতিকা জুৰি ভাষাৰ ইতিহাস নির্ভৰ, বিকাশ, পৰিবর্তন,পাৰস্পৰিক সম্বন্ধ, বংশ নির্ণয় ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰি চলি আছিল। তুলনামূলক আৰু ঐতিহাসিক অধ্যয়ন গঢ়ি উঠা ৰীতিৰ ঠাইত চচ্যুৰে ভাষাক ইতিহাস নিৰপেক্ষ এক নির্দিষ্ট অখণ্ড মূর্তৰূপ বুলি গণ্য কৰিছিল। তেওঁ ভাষাক সামাজিক আচৰণ হিচাপে গণ্য কৰি ইয়াৰ উপাদান বিলাকৰ বাস্তৱসন্মত সম্পর্কৰ বিচাৰ বিশ্লেষণত গুৰুত্ব দি ভাষাৰ অধ্যয়নত এক নতুন চিন্তাৰ উন্মেষ ঘটালে বিংশ শতিকাৰ প্রাৰম্ভ গাঁথনিক ভাষাবিজ্ঞানৰ জন্ম হয়। ভাষা গঠন বা গঠনাত্মক সংগীতৰ বিশ্লেষণ প্রক্রিয়াত জন্ম হোৱা আধুনিক ভাষাবিজ্ঞান বা ভাষা চর্চা আধুনিক ধাৰা হ'ল ভাষাৰ গাঁথনিক ধাৰা।

প্রতিষ্ঠিত সমকালীন ভাষাবিজ্ঞানৰ নীতি পদ্ধতিয়ে ইতিমধ্যে ভাষা চিন্তাৰ প্রবাহিত দৃষ্টিভংগীৰ আমূল পৰিবর্তন ঘটালে। তেওঁৰ ভাষা চিন্তাত সাধাৰণতে ভাষাবিজ্ঞানৰ অন্য এটা শাখা গাঁথনিৰ ভাষাবিজ্ঞানৰ বিকাশ হয়। বর্ণনাত্মক ভাষাবিজ্ঞানৰ এক আধুনিকতম ৰূপ হৈছে গঠনাত্মক ভাষাবিজ্ঞান। এটা ভাষাৰ ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ গঠন সম্পর্কে পদ্ধতিগত আলোচনাই এই শ্রেণী ভাষাবিজ্ঞানৰ মূল লক্ষ্য। চচ্যুৰ ভাষা-চিন্তাৰ আঁত ধৰিয়েই পৰৱর্তী ভাষাচিন্তাৰ জগতত যথেষ্ট আলোড়নৰ সৃষ্টি হৈছে। ভাষা চর্চাৰ উপৰি সাহিত্য সমালোচনা, সংস্কৃতি চর্চা আদি সকলো দিশতে চচ্যুৰ ভাষা চিন্তাই পৰৱর্তী চিন্তাবিদসকলক প্রভাৱান্বিত কৰিছে। চচ্যুৰৰ এই ধৰণৰ ভাষা বিজ্ঞানৰ নতুন চিন্তাই আমেৰিকাৰ পণ্ডিতসকলৰ মাজত এক আলোড়নৰ সৃষ্টি কৰিছিল। চচ্যুৰৰ 'Syncheonic Lengustic' (এককালিক ভাষাবিজ্ঞান)ৰ মাজতে গাঁথনিক ভাষাবিজ্ঞানৰ প্রকাশ ঘটিছিল যদিও বিংশ শতিকাৰ ২য়, ৩য় দশকৰ এডৱার্ড চাপিৰ, ফ্রানজ বোৱাচ আৰু লিওনার্ড ব্লুমফিল্ড এই তিনিওজন ভাষাবিজ্ঞানীৰ নেতৃত্বত আমেৰিকাৰ ভাষাবিজ্ঞানীসকলেহে এই ধাৰাৰ এটা স্বতন্ত্র ভাষা বিশ্লেষণৰ ধাৰাৰূপে বিকশিত কৰে।

১৮১১ চনত প্রকাশিত চাপিৰৰ' Language; An Introduction to the study of speech' এখন পূর্ণাংগ গ্রন্থ। এই গ্রন্থখনত বর্ণনাত্মক ভাষাবিজ্ঞানৰ এক নতুন দিশ উন্মোচিত হৈছে। তেওঁ ভাষাতত্ত্ব, নৃতত্ত্ব, মনস্তত্ত্ব, সংস্কৃতি আদি বিষয়ক ভালেমান প্রবন্ধ প্রকাশ কৰিছিল।

তেওঁ গঠনাত্মক ভাষাবিজ্ঞানৰ বিচৰণৰ ক্ষেত্ৰত বহল কৰিবলৈ প্ৰাণীবিদ্যা, গণিতশাস্ত্ৰ মনস্তত্ত্ব আৰু আন বহু বিষয়ৰ পৰা তথ্য সংগ্ৰহ কৰিছিল। তেওঁৰ ভাষাৰ সূতক 'চাপিৰ ওৰফ প্ৰকল্প' নামেৰে জনা যায়। চাপিৰৰ ভাষাৰ সূতত প্ৰধানকৈ দুটা নীতিৰ সমন্বয় ঘটিছে। এটা হ'ল ভাষিক নিৰ্ণয়বাদ আনটো হ'ল ভাষিক আপেক্ষিক ব্লুমফিল্ড গাঠনিৰ ধাৰাৰ মূল প্ৰবৰ্তক। তেওঁ ১৯৩৩ চনত নব্য ব্যাকৰণবিদৰ আদৰ্শত Language নামৰ গ্ৰন্থখন ৰচনা কৰে। এওঁৰ এই গ্ৰন্থখন গঠনাত্মক ভাষাবিজ্ঞান (Structural Linguistics) বিষয়ক গ্ৰন্থ বুলি কোৱা হয়। সেয়ে বেছিভাগ ভাষাবিজ্ঞানীয়ে ব্লুমফিল্ডকহে আধুনিক ভাষাবিজ্ঞানৰ পিতৃ বুলি ক'ব খোজে। ব্লুমফিল্ডৰ ভাষাবিজ্ঞানৰ চৰ্চাই বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ চৰ্চাত আৰু এটা নতুন দিশ উন্মোচন কৰিছে। ইয়াক গঠনাত্মক ভাষাবিজ্ঞান বুলি চিহ্নিত কৰা হয়।

চাপিৰ বোবাচ, ব্লুমফিল্ড'ক কেন্দ্ৰ কৰিয়েই আমেৰিকাত চচ্যুৰ প্ৰতিষ্ঠিত গঠনাত্মক ভাষাবিজ্ঞানীয়ে পূৰ্ণতা পায়। ব্লুছ, ৰবাৰ্ট এ হ'ল, হেৰিচ আদিৰ ভাষা অধ্যয়নতো আচৰণবাদী গঠনবাদ অব্যাহত আছিল। এওঁলোকে গাঁথনিক ভাষাবিজ্ঞানক অধিক চিন্তাৰো সমৃদ্ধ কৰে। ভাষাৰ বহিৰংগ গঠনৰ দিশতহে অধিক গুৰুত্ব দিছিল। বিশেষকৈ ভাষা এটাৰ ধ্বনি, ৰূপ আদিৰ গতানুগতিক পদ্ধতি অধ্যয়ন কৰিছিল। তাৰ ফলত বিশিষ্ট ধ্বনিবিজ্ঞান, ৰূপ ধ্বনিবিজ্ঞান আদি গাঁথনিৰ ধাৰাৰ অবদান।

৮.৬ সৃজনাত্মক ধাৰা

বিংশ শতিকাৰ দ্বিতীয়ার্দ্ধৰ পৰা সৃজনাত্মক ধাৰাৰ সৃষ্টি হয়। চমস্কিয়ে আগবঢ়োৱা ভাষাবিজ্ঞান তত্ত্বৰ পৰা সৃজনাত্মক ধাৰাৰ জন্ম হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইহুদি সম্প্ৰদায়ৰ ব্যক্তি নোৱাম চমস্কিৰ জন্ম হয় ফিলাডেলফিয়াৰ পেমিলডেনিয়াত ১৯২৮ খ্ৰীষ্টাব্দৰ ৭ ছেপ্টেম্বৰত। তেওঁ ১৯৬৭ খ্ৰীষ্টাব্দত 'Syntactic structure' নামৰ এখন সৰু পৃষ্ঠাৰ গ্ৰন্থ ৰচনা কৰি ভাষাবিজ্ঞানৰ জগতখনত তুমুল আলোড়নৰ সৃষ্টি কৰিছিল।

এই গ্ৰন্থখনতে তেওঁ ৰূপান্তৰমূলক শব্দ ব্যৱহাৰ কৰি ব্যাকৰণৰ ধাৰণা সলনি কৰি 'Transformational Grammar ৰ অৱতাৰণা কৰিছিল। তেওঁ ১৯৫৫ খ্ৰীষ্টাব্দত Aspects of the Theory of Syntax' নামে আন এখন গ্ৰন্থ ৰচনা কৰে।

এই গ্ৰন্থখনত তেওঁ অৰ্থতত্ত্ব অন্তৰ্ভুক্ত কৰি বিভিন্ন প্ৰতীক, সূত্ৰ বা নিয়মৰ দ্বাৰা বিভিন্ন পৰ্যায়ৰ বাক্য বিশ্লেষিত হোৱাৰ কথা সূচনা কৰিছিল। গঠনবাদী ভাষাবিজ্ঞানীসকলে ভাষাৰ বহিৰংগ গঠনৰ ওপৰতে গুৰুত্ব দিয়ে, ভাষাৰ ধ্বনি,শব্দ,বাক্যৰ উপৰি অন্য কোনো অন্তৰংগ উপাদান থাকিব পাৰে বুলি ধাৰণা কৰা নাছিল কিন্তু চমস্কিয়ে ভাষাৰ বহিৰংগ গঠনৰ উ পৰি এটা অন্তৰংগ গঠন থাকে বুলি প্ৰতিষ্ঠা কৰে। তেওঁৰ মতে ভাষা কোনো যান্ত্ৰিক প্ৰক্ৰিয়া নহয়, ই এক সৃজনমূল প্ৰক্ৰিয়া।তেওঁ বাক্যৰ সৃজন,ৰূপান্তৰ, পুনৰ সৃজন ইত্যাদিলৈ ভাষাৰ ব্যাকৰণতত্ত্ব আগবঢ়াইছিল। যেতিয়া কোনো এজন ব্যক্তিয়ে মাতৃভাষাত স্বাভাৱিকভাৱে কথা কয়, যেতিয়া বিভিন্ন পৰিস্থিতিত তেওঁ বহু প্ৰকাৰৰ বহু সংখ্যক বাক্য ব্যৱহাৰ কৰিবলগীয়া হয়। সমগ্ৰ

জীৱনত কোৱা এনে সকলোবোৰ বাক্য কিন্তু সমাজৰ পৰা মাক-দেউতাকৰ পৰা বা জন্মৰ পিছৰ অভিজ্ঞতাৰ পৰা শিকি ৰখা নহয়। সেয়ে চমস্কিয়ে শিশুৰ মাতৃভাষা আহৰণ কৰা প্ৰক্ৰিয়াক স্বাভাৱিক প্ৰক্ৰিয়া বুলিহে ক'ব খোজে। মাতৃভাষা ভাষী মানুহৰ চেতনাই ভাষাৰ মূলনীতিটো নিজৰ সহজবোধ আৰু বুদ্ধিৰে আয়ত্ত্ব কৰি ৰাখে। সেই নীতিৰ আধাৰত ভাষাৰ সীমাবদ্ধ উপাদানবোৰৰ সহায়ত প্ৰয়োজন অনুসৰি বাক্য সৃষ্টি কৰিছে। চমস্কিয়ে মানুহৰ বাক্য সৃষ্টিৰ এই শক্তিকেই সৃজনী শক্তি বুলি কৈছে। তাৰে দুটা দিয়া হৈছে—

(ক) ভাষাগত পাৰংগমত বা আদৰ্শ সম্ভাৱনাৰ দিশ (Linguistics Competance)

(খ) বাস্তৱ বাক-ব্যৱহাৰ বা বাস্তৱ ব্যৱহাৰৰ দিশ (Linguistics Performance)

মানুহে কোনো এটা ভাব প্ৰকাশ কৰোতে ভাষাৰ যিটো ৰূপ বাস্তৱত প্ৰকাশ পায় তাকেই বাস্তৱ বাক ব্যৱহাৰ বুলি কোৱা হৈছে। যেতিয়া কোনো এজন ব্যক্তিয়ে বেলেগ বেলেগ ধৰণৰ বাক্যালাপ কৰোতে যিটো ৰূপ আদৰ্শ হিচপে ভৱিষ্যতৰ কাৰণে ৰৈ যায় সিয়েই ভাষাগত পাৰংগমতা মানুহে দৈনন্দিন ব্যৱহাৰত ভাষা যিদৰে প্ৰয়োগ কৰে সেয়া ভাষা ব্যৱহাৰৰ সম্ভাব্য সম্ভাৱনাৰ একাংশহে। ভৱিষ্যতৰ সকলো সম্ভাব্য পৰিস্থিতি সকলোবোৰৰ প্ৰকাশ নঘটে সি সম্ভাৱনা স্তৱতে ৰৈ যায়। এই সম্ভাৱনাৰ মাজতে আছে ভাষাৰ আৰ্দশ ৰূপ। চমস্কিয়ে বাক্য গঠনৰ দুটা নিয়মৰ কথা কৈছে—

১/ খণ্ডবাক্য গঠনৰ নিয়ম ২/ ৰূপান্তৰৰ নিয়ম। তেওঁৰ মতে (ক) বিশেষ্য খণ্ডবাক্য (NP) আৰু (খ) ক্ৰিয়া খণ্ডবাক্য (VP) ইয়াৰে (NP) আৰু (VP) বিভিন্ন অংশৰ সমষ্টি হ'ব পাৰে। চমস্কিয়ে দেখুৱাইছে, একোটা সৰল কৰ্তৃবাক্য বাক্যৰ (Kernal Sentence) পৰাই ৰূপান্তৰ প্ৰক্ৰিয়াৰ (Transformational) দ্বাৰা আন সকলো ধৰণৰ বাক্য সাজিব পাৰি। এটা সৰল বাক্যক নিষেধাৰ্যক প্ৰশ্নবোধক, কৰ্মবাক্যাত্মক আদি বাক্যালৈ ৰূপান্তৰ কৰি নিব পাৰি। এনে ৰূপান্তৰৰ নিয়মক চমস্কিয়ে T-rule বুলি কৈছে। চমস্কিৰ ব্যাকৰণৰ অন্য এক তত্ত্ব হ'ল ভাষাগত বিশ্বজনীনতাৰ তত্ত্ব। পৃথিৱীৰ বিভিন্ন ভাষাৰ প্ৰত্যেকৰে নিজস্ব ধ্বনিগত, ৰূপগত, বাক্যগত বৈশিষ্ট্য আছে। কিন্তু সকলো মানুহৰে বাগযন্ত্ৰ, আবেগ,অনুভূতি, চাহিদা আদি একে। গতিকে বাক্যগঠনৰ অন্তৰংগ স্তৱত এটা ঐক্য বৰ্তমান। ইয়েই ভাষাগত বিশ্বজনীনতাৰ সূত্ৰ। ইয়েই থুলমূলভাৱে ৰূপান্তৰ স্ফোট ব্যাকৰণৰ মূল কথা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষাতত্ত্ব কি? ভাষাতত্ত্বৰ ধাৰা সম্পৰ্কে উল্লেখ কৰক? (১০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ২ ঃ ভাষাতত্ত্ব শব্দটো পোনতে ক'ত কেনেকৈ ব্যৱহাৰ হৈছিল লিখক। তাৰ ইংৰাজী প্ৰতিশব্দ উল্লেখ কৰক।

(৫০টা শব্দৰ ভিতৰত)

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ যোগেদি আমি ভাষাবিজ্ঞানৰ বিভিন্ন ধাৰাসমূহৰ লগত পৰিচিত হ'লো। ভাষাবিজ্ঞান চর্চাৰ আৰম্ভণিৰ পৰা সাম্প্ৰতিক সময়লৈ বিভিন্ন পৰিবৰ্তন ৰূপান্তৰ আদিৰ মাধ্যমেদি ভাষাবিজ্ঞান পৰিসৰ বৃদ্ধি পাইছে।
- তুলনামূলক ভাষাতত্ত্বৰ শুভাৰম্ভ উইলিয়াম জোনচৰ উক্তিৰেই হয়। তেওঁৰ বহুতো অনুষ্ঠানত প্ৰথম তুলনামূলক শব্দ ব্যৱহাৰ কৰিছিল।
- চ্যুৰ, চাপিৰ, ব্লুমফিল্ড আদি ভাষাবিজ্ঞানীয়ে গাথনিক ভাষাবিজ্ঞাৰ ওপৰত চিন্তা-চর্চা কৰিছিল।
- নোৱাম চমস্কি সৃজনাত্মক ধাৰাৰ প্ৰৱর্তক। মানুহে সৃজন শক্তিৰ দ্বাৰা এটা ভাষা গঠন বা বুজিব পাৰে।
- চমস্কিয়ে বাক্য গঠনৰ নীতি নিয়মৰ কথা কৈছে।

ওপৰত উল্লেখ কৰা চমু দফাকেইটাৰ বাহিৰেও ভাষাৰ গাঁথনিক, সৃজনিক ধাৰাৰ বিভিন্ন দিশৰ বিষয়ে অধ্যায়টিত জানিব পৰা গ'ল।



৮.৮ অধিক জানিবলৈ

১। কোঁৱৰ, অর্পনা (২০০৭), *ভাষাবিজ্ঞান উপক্ৰমণিকা*, ডিব্ৰুগড় ঃ বনলতা

২। গোস্বামী, উপেন্দ্ৰনাথ (২০০৪), *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণিমানিক প্ৰকাশ

৩। ঠাকুৰ, নগেন (২০১১), *ভাষা আৰু ভাষা চিন্তা*, গুৱাহাটী ঃ বনলতা

৪। পাদুন, মাহেন্দ্ৰ (২০১৪), *ভাষাৰ তত্ত্ব কথা*, ডিব্ৰুগড ঃ, বাণী মন্দিৰ প্ৰকাশ

৫। পাটগিৰি, দীপ্তি ফুকন (২০০৬), *ভাষাতত্ত্ব*, ডিব্ৰুগড় ঃ বনলতা

৬। পাঠক, ৰমেশ (২০০৮), *অসমীয়া ভাষাৰ ইতিহাস*, গুৱাহাটী ঃ অশোক বুক ষ্টল

৭। ভট্টাচার্য, বসন্তকুমাৰ (২০১৫), *ভাষা বিজ্ঞান প্ৰৱেশ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৮.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ ভাষাতত্ত্ব মানে কি..... ভাষাতত্ত্বৰ ধাৰা কেইটাৰ নাম উল্লেখ কৰি তাৰ চমু পৰিচয় দিয়ক?

২ নং প্রশ্নৰ উত্তৰ ঃ ভাষাতত্ত্ব শব্দটোৰ ব্যৱহাৰ পোন প্রথমে ক'ত হৈছিল তাৰ উল্লেখ.....ভাষাতত্ত্বৰ ইংৰাজী প্রসিদ্ধ।



৮.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাষাতত্ত্বৰ ধাৰা শীর্ষক ভাগটো বহলাই লিখক।

প্রশ্ন ২ ঃ কাক আধুনিক ভাষাবিজ্ঞানৰ জনক আখ্যা দিয়া হয়? গাঁথনিক ভাষাবিজ্ঞানৰ ধাৰাটো চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ নোৱাম চমস্কিৰ সৃজনাত্মক ভাষাবিজ্ঞান শীর্ষক আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ তুলনামূলক ভাষাবিজ্ঞানৰ ধাৰা সম্পর্কে এক টোকা প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৯ ঃ সাম্প্রতিক কালৰ ভাষাবৈজ্ঞানিক চিন্তা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ভাষা-প্রযুক্তি ঃ সাধাৰণ পৰিচয়

৯.৩.১ ভাষা-প্রযুক্তিৰ ইতিহাস

৯.৩.২ স্বাভাৱিক ভাষা-প্রক্রিয়া

৯.৪ ভাষাৰ তথ্য সংৰক্ষণ

৯.৪.১ ভাষাবৈজ্ঞানিক তথ্য সংগ্রহ-পদ্ধতি

৯.৪.২ ভাষাৰ গঠন অনুসৰি প্রয়োগ হোৱা তথ্যৰ সংৰক্ষণ

৯.৪.৩ ভাষিক তথ্যৰ সংৰক্ষণ

৯.৪.৪ ডিজিটেল ৰূপত ভাষাৰ সংৰক্ষণ

৯.৫ স্নায়ৱিক ভাষাবিজ্ঞান

৯.৫.১ স্নায়ৱিক ভাষাবিজ্ঞান ঃ সাধাৰণ পৰিচয়

৯.৫.২ স্নায়ৱিক ভাষাবিজ্ঞানৰ ইতিহাস

৯.৫.৩ ভাষা আৰু মগজুৰ সম্পর্ক

৯.৬ জৈৱ ভাষাবিজ্ঞান

৯.৬.১ জৈৱ ভাষাবিজ্ঞান ঃ সাধাৰণ পৰিচয়

৯.৬.২ স্নায়ৱিক ভাষাবিজ্ঞান আৰু জৈৱ ভাষাবিজ্ঞানৰ প্রভেদ

৯.৬.৩ জৈৱ ভাষাবিজ্ঞানৰ কাৰকসমূহ

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.১০ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা-প্রযুক্তিয়ে সামৰি লোৱা দিশসমূহৰ বিষয়ে ধাৰণা কৰিব পাৰিব।
- বর্তমানৰ পটভূমিত ভাষা-প্রযুক্তিৰ প্রয়োজনীয়তা সম্পর্কে তথ্যভিত্তিক পৰিচয় লাভ কৰিব পাৰিব।

- ভাষিক তথ্য-সংগ্রহ আৰু সংৰক্ষণৰ গুৰুত্বৰ কথা আলোচনা কৰিব পাৰিব।
- ভাষিক তথ্য-সংগ্রহ আৰু সংৰক্ষণৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহৰ কথা বিশ্লেষন কৰি দেখুৱাব পাৰিব।
- স্নায়ৱিক ভাষাবিজ্ঞানৰ পৰিচয় প্রদানৰ লগতে ভাষা আৰু মগজুৰ সম্পর্কৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।
- জৈৱ ভাষাবিজ্ঞানৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'ভাষাবিজ্ঞানৰ পৰিচয়'ৰ এইটো নৱম অধ্যায়। ইয়াত সাম্প্রতিক সময়ত বিশেষ গুৰুত্ব লাভ কৰা ভাষা-প্রযুক্তিৰ আলোচনা আগবঢ়োৱা হৈছে। ভাষাৰ প্রয়োগ, বিকাশ আৰু মানৱ সমাজত ইয়াৰ অৰিহণাৰ বিষয়ে বিস্তৃত অধ্যয়ন নকৰাকৈয়ো ভাষাৰ সুদূৰপ্রসাৰী প্রভাৱৰ কথা সহজে অনুধাৱন কৰিব পাৰি। ভাষাৰ উৎপত্তি তথা ইয়াৰ প্রয়োগৰ প্রায় পাঁচ হাজাৰ বছৰীয়া ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে, এফালে যেনেকৈ বিভিন্ন সময়ত মানুহে ভাষা সম্পর্কীয় অধ্যয়ন, গৱেষণা আদিৰ দ্বাৰা ভাষাবৈজ্ঞানিক ক্ষেত্রসমূহৰ বিকাশ সাধন কৰি আহিছে, আনফালে ভাষাবৈজ্ঞানিক গৱেষণাৰ ফলাফলসমূহে মানৱ সমাজৰ প্রায় প্রতিটো দিশৰ ওপৰতে লেখত ল'বলগীয়া প্রভাৱ পেলাই আহিছে। বিশেষকৈ কম্পিউটাৰ জগতখনৰ দ্রুত বিকাশৰ ফলত ভাষাৰ অধ্যয়ন তথা গৱেষণা কার্য সহজসাধ্য হোৱাৰ উপৰি ভাষা-গৱেষণাগাৰৰ প্রয়োগে এই গৱেষণাক প্রাকৃতিক বিজ্ঞানৰ গৱেষণাৰ পর্যায়লৈ লৈ গৈছে। আহকচোন, এই বিষয়ে আৰু কিছু কথা জানি লওঁ।

৯.৩ ভাষা-প্রযুক্তি ঃ সাধাৰণ পৰিচয়

কোনো এটা ভাষাৰ সৈতে সম্পর্কিত সকলোবোৰ বিষয়ৰ প্রযুক্তিগত প্রয়োগ, ইয়াৰ বিশ্লেষণ আৰু গৱেষণাৰ দিশবোৰ ভাষা-প্রযুক্তিয়ে সামৰি লয়। ভাষা-প্রযুক্তি বুলিলে প্রধানকৈ কম্পিউটাৰ প্রযুক্তিকে বুজা যায় যদিও, ভাষা-প্রযুক্তিৰ সৈতে বহুতে যোগাযোগ (Communication) আৰু তথ্য (Information) প্রযুক্তিৰ বিষয় দুটাকো সামৰি ল'ব বিচাৰে। ভাষাৰ প্রায়োগিক দিশৰ সৈতে 'যোগাযোগ' আৰু 'তথ্য'ৰ এৰাব নোৱাৰা সম্পর্ক আছে। কিন্তু ভাষা-প্রযুক্তি বুলিলে কম্পিউটাৰৰ দ্বাৰা ভাষাৰ অধ্যয়ন, ভাষাৰ বিশ্লেষণ আৰু ভাষা-অধ্যয়নৰ বিভিন্ন সঁজুলিৰ নির্মাণৰ উপৰি কৃত্রিম বোধশক্তি (Artificial Intelligence)-ৰ ধাৰণা আদিকেই প্রধান বিষয় বুলি ধৰা হয়। এই কৃত্রিম বোধশক্তি বুলিলে আমি কম্পিউটাৰৰ সহায়ত মানুহে ব্যৱহাৰ কৰাৰ দৰে ভাষাটোক ব্যৱহাৰ কৰা কার্যকে বুজোঁ। দৈনন্দিন জীৱনত আমি ভাষাৰ বিভিন্ন প্রয়োগ কম্পিউটাৰৰ জৰিয়তে কৰি আহিছোঁ। কম্পিউটাৰৰ বিভিন্ন সঁজুলি প্রয়োগ কৰি লেখা-মেলা কৰা, ছপা কামৰ লগতে সম্পাদনা কৰা আদি কার্য কম্পিউটাৰৰ জৰিয়তে কিমান সহজসাধ্য হৈ উঠিছে তাক আমি নিজেই

দেখি আহিছোঁ। গতিকে, ভাষা সম্বন্ধীয় যি কোনো বিষয়, যথা— সাধাৰণ টাইপ কৰা কাৰ্যৰ পৰা আৰম্ভ কৰি উচ্চ পৰ্যায়ৰ ভাষা গৱেষণাৰ সঁজুলি নিৰ্মাণলৈকে এই সকলোবোৰ কাৰ্য ভাষা- প্ৰযুক্তিয়ে ইয়াৰ পৰিসৰৰ ভিতৰত সামৰি লয়।

ভাষা একোটাৰ গঠনগত দিশত আমি প্ৰধানকৈ চাৰিখন প্ৰাথমিক ক্ষেত্ৰ পাওঁ। যেনে- ধ্বনিতত্ত্ব (Phonology), ৰূপতত্ত্ব (Morphology), বাক্যতত্ত্ব (Syntax) আৰু অৰ্থতত্ত্ব (Semantics)। এই কেইখন মূলতঃ তাত্ত্বিক ক্ষেত্ৰৰ সৈতে সম্পৰ্কযুক্ত। এই ক্ষেত্ৰকেইখনৰ উপৰি সমাজভাষাবিজ্ঞান, প্ৰয়োগভাষাবিজ্ঞান, শৈলীবিজ্ঞান, নৃভাষাবিজ্ঞান আদি আন কেইবাখনো প্ৰায়োগিক ক্ষেত্ৰ আছে। সেইদৰে পদ্ধতিগত দিশৰ পৰা বৰ্ণনাত্মক ভাষাবিজ্ঞান, ঐতিহাসিক ভাষাবিজ্ঞান, তুলনামূলক ভাষাবিজ্ঞান, বৈপৰীত্যমূলক ভাষাবিজ্ঞান আদি আন কেইটিমান ভাগো পোৱা যায়। ইয়াৰ উপৰি বাগ্‌বিন্যাস, প্ৰসংগাৰ্থবিজ্ঞান, প্ৰকাৰতত্ত্ব আদি বিষয়বোৰো সম্প্ৰতি ভাষাবিজ্ঞানৰ অন্তৰ্ভুক্ত হৈছে। বিভিন্ন প্ৰযুক্তি-কৌশল, যন্ত্ৰ তথা কম্পিউটাৰত প্ৰয়োগ কৰিব পৰা সঁজুলি আদি ভাষাবৈজ্ঞানিক অধ্যয়নৰ বিভিন্ন ক্ষেত্ৰ-উপক্ষেত্ৰ, পদ্ধতি আদিত প্ৰয়োগ কৰি ভাষাবৈজ্ঞানিক অধ্যয়নক আগবঢ়াই লৈ যোৱা হৈছে। এক কথাত ক'বলৈ হ'লে, সাম্প্ৰতিক কালত প্ৰযুক্তি অবিহনে যিকোনো ভাষাবৈজ্ঞানিক অধ্যয়ন আধৰুৱা হোৱাৰ সম্ভাৱনা প্ৰবল। ইয়াৰ উপৰি ভাষাৰ তাত্ত্বিক বিশ্লেষণ তথা ইয়াৰ বিকাশৰ ক্ষেত্ৰতো প্ৰায়োগিক তথা যান্ত্ৰিক বিশ্লেষণৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। পৰৱৰ্তী শিতানত ভাষা-প্ৰযুক্তিৰ তাত্ত্বিক আৰু ব্যৱহাৰিক প্ৰয়োজনীয়তা আৰু ইয়াৰ প্ৰয়োগ-ক্ষেত্ৰ সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে।

ভাষাৰ তাত্ত্বিক আৰু পৰম্পৰাগত প্ৰায়োগিক ক্ষেত্ৰ দুখনৰ উপৰিও সাম্প্ৰতিক কালত এখন ক্ষেত্ৰ অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ইয়াকেই আমি ভাষা-প্ৰযুক্তিৰ ক্ষেত্ৰ বুলি কওঁ। এই ক্ষেত্ৰখন প্ৰায়োগিক ক্ষেত্ৰৰেই এক আধুনিক ৰূপ বুলিব পাৰি। আমি আগতেই উল্লেখ কৰি আহিছোঁ যে, ভাষাৰ প্ৰায়োগিক ক্ষেত্ৰৰ ওপৰত নিৰ্ভৰ কৰিহে তাত্ত্বিক তথা গঠনগত দিশৰ বিচাৰ সম্ভৱপৰ হয়। কাৰণ জীৱিত ভাষা সদায় পৰিৱৰ্তনশীল আৰু এই পৰিৱৰ্তনশীলতাৰ বাবেই ভাষাৰ তাত্ত্বিক বিশ্লেষণবোৰো পৰিৱৰ্তন হয় বা হোৱা উচিত। এই পৰিৱৰ্তন-প্ৰক্ৰিয়াৰ সৈতে ভাষা ব্যৱহাৰকাৰী আৰু গৱেষকে পৰিচয় ৰক্ষা কৰা অতি আৱশ্যক। তাৰ লগতে প্ৰায়োগিক উপায়বোৰৰ ব্যৱহাৰ হোৱাও নিতান্ত প্ৰয়োজন। ভাষা-প্ৰকাশৰ মাধ্যমবোৰৰ ক্ষীপ্ৰ পৰিৱৰ্তন আমি দেখি আহিছোঁ। ইয়াৰ প্ৰধান কাৰণ হ'ল, বিভিন্ন মাধ্যমত প্ৰযুক্তিৰ বহুল প্ৰয়োগ। গতিকে এই ক্ষেত্ৰখনৰ সৈতে ভাষা-অধ্যয়নকাৰী, গৱেষকসকলৰ পৰিচয় নাথাকিলে অথবা প্ৰযুক্তিৰ প্ৰয়োগগত বিশেষভাৱে সচেতন নহ'লে ভাষা-প্ৰযুক্তিৰ ভুল প্ৰয়োগ হোৱাৰ প্ৰবল সম্ভাৱনা থাকে। ভাষাৰ ভুল প্ৰয়োগে এটা ভাষাৰ বিভিন্ন দিশত সমস্যাৰ সৃষ্টি কৰিব পাৰে। গতিকে ভাষা-প্ৰযুক্তিৰ প্ৰাথমিক দিশবোৰৰ লগতে ইয়াৰ প্ৰয়োগ সম্পৰ্কেও ভাষাৰ ছাত্ৰ-ছাত্ৰীৰ বিশেষ জ্ঞান থকা প্ৰয়োজন।

সাধাৰণভাৱে ক'বলৈ হ'লে, ভাষা-প্ৰযুক্তি হ'ল— প্ৰযুক্তিৰ সহায়ত ভাষাৰ প্ৰয়োগ-বিশ্লেষণ, ভাষাৰ প্ৰকাশ আৰু অধ্যয়ন। বহুতে ইয়াক কম্পিউটাৰৰ সহায়ত ভাষাৰ প্ৰয়োগ আৰু বিশ্লেষণ বা অধ্যয়ন বুলি ক'ব খোজে। কিন্তু ভালদৰে বিচাৰ কৰি চালে দেখা যায় যে, ভাষা-প্ৰযুক্তি কেৱল

কম্পিউটাৰৰ মাজতেই সীমাবদ্ধ নহয়। কাৰণ কম্পিউটাৰৰ জৰিয়তে ভাষাৰ বিশ্লেষণ, অধ্যয়ন, প্ৰয়োগ আদি কৰিবলৈ হ'লে আনুষংগিক অন্যান্য যন্ত্ৰ-পাতিৰো সহায় ল'বলগীয়া হয়। উদাহৰণ স্বৰূপে, উপযুক্ত ৰূপত ভাষাৰ তথ্য বাণীবদ্ধ কৰিবলৈ আৰু সেই তথ্যক কম্পিউটাৰত যথোপযুক্তভাৱে প্ৰয়োগ কৰিবলৈ হ'লে ৰেকৰ্ডাৰ, মাইক্ৰফ'ন আদিকে ধৰি ভালেমান যন্ত্ৰ-পাতিৰ আৱশ্যক হয়। গতিকে, ভাষা-প্ৰযুক্তিৰ পৰিসৰৰ ভিতৰত এই যন্ত্ৰপাতিৰ পৰিচয় আৰু প্ৰয়োগ পদ্ধতিও অন্তৰ্ভুক্ত কৰিবলগীয়া হয়।


৯.৩.১ ভাষা-প্ৰযুক্তিৰ ইতিহাস

পৰিচয় শিতানত ভাষা-প্ৰযুক্তি সম্পৰ্কে থুল-মূল পৰিচয় এটা দাঙি ধৰা হ'ল। এইটো শিতানত ভাষা-প্ৰযুক্তিৰ ইতিহাস সম্বন্ধে আভাস দাঙি ধৰা হ'ব। কাৰণ মানৱ সমাজত ভাষাৰ প্ৰয়োগ, ইয়াৰ বিকাশ আৰু বিৱৰ্তনৰ যেনেদৰে এক ইতিহাস আছে, ঠিক তেনেদৰে ভাষা-প্ৰযুক্তিৰ বিকাশ আৰু বিৱৰ্তনৰো আন এক ইতিহাস আছে। এই ইতিহাস বিচাৰৰ বাবে আমি ভালেখিনি সময় পিছুৱাই যাব লাগিব। দৰাচলতে ভাষাই লিখিত ৰূপ পোৱাৰ পৰাই ভাষা-প্ৰযুক্তিৰো বিকাশ আৰম্ভ হৈছিল। ১৪৫০ চনত জন গুটেনবাৰ্গে আবিষ্কাৰ কৰা ছপাযন্ত্ৰই বিশ্বৰ ভাষা-প্ৰযুক্তিৰ জগতখনত এক যুগান্তকাৰী প্ৰভাৱ পেলায়। ইয়াৰ পৰৱৰ্তী কালত টাইপ ৰাইটাৰৰ আৱিষ্কাৰকো ভাষা-প্ৰযুক্তিৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ বুলিব পাৰি। সেইদৰে মাৰ্কনিৰ দ্বাৰা অনাতাঁৰ যন্ত্ৰৰ আৱিষ্কাৰে বৈদ্যুতিন জগতখনত ভাষা প্ৰযুক্তিৰ প্ৰয়োগৰ অন্য এখন দুৱাৰ মুকলি কৰে।

বৰ্তমান ভাষা-প্ৰযুক্তি বুলিলে যিবোৰ কাৰ্য-প্ৰণালীৰ কথা আমাৰ মনলৈ আহে, সেইবোৰৰ সৈতে ইতিপূৰ্বে আবিষ্কৃত আৰু বহুলভাৱে ব্যৱহৃত ছপাযন্ত্ৰ, ৰেডিঅ', টেলিফ'ন, টেলিগ্ৰাফ আদি বহু বেলেগ যেন লাগিলেও প্ৰকৃততে বৰ্তমানৰ ভাষা-প্ৰযুক্তিৰ পৰা এই ঐতিহাসিক পৰিক্ৰমাক সম্পূৰ্ণ নিলগাই চাব পৰা নাযায়। কিয়নো বৰ্তমানে আমি যি অত্যাধুনিক প্ৰযুক্তি-কৌশল তথা বিভিন্ন সঁজুলি ভাষা-প্ৰয়োগ আৰু ভাষা-অধ্যয়নৰ বাবে লাভ কৰিছোঁ, তাৰ ঘাই শিপাডাল কিন্তু এইসমূহ ঐতিহাসিক আৱিষ্কাৰৰ সৈতে দৃঢ়ভাৱে সংপৃক্ত হৈ আছে। এটা সময়ত ভাষা-প্ৰযুক্তিৰ এইসমূহ আহিলাই বিশেষ গুৰুত্ব লাভ কৰা নাছিল। কিন্তু আধুনিক ভাষাবিজ্ঞানৰ অধ্যয়নত ভাষাবিজ্ঞানীসকলে ভাষা প্ৰযুক্তিক ভাষা অধ্যয়নৰ ঘাই আহিলা ৰূপে প্ৰয়োগ কৰিবলৈ লৈছে।

পৰৱৰ্তী কালত কম্পিউটাৰৰ আবিষ্কাৰে ভাষা-প্ৰযুক্তিক দ্ৰুত গতিত আগবঢ়াই লৈ আহিল। ছপাযন্ত্ৰৰ পৰা টাইপ ৰাইটাৰ, তাৰ পৰা কম্পিউটাৰলৈ ঘটা এই পৰিক্ৰমাই ভাষাৰ প্ৰকাশ, অধ্যয়ন আৰু চৰ্চা অভাৱনীয়ভাৱে সহজসাধ্য কৰি তুলিলে। কিন্তু আমি জানো যে, কম্পিউটাৰে নিজে নিজে একো কৰিব নোৱাৰে। কম্পিউটাৰৰ কাৰ্য পৰিচালনা কৰিবলৈ হ'লে প্ৰয়োজন অনুসৰি দক্ষ লোক আৰু বিভিন্ন ছফ্‌টৱেৰ সঁজুলিৰ

(Tools) প্রয়োগ কৰিবলগীয়া হয়। বহু ক্ষেত্রত এই সঁজুলিবোৰৰ দ্বাৰা ভাষাৰ প্রয়োগ আৰু বিশ্লেষণ দুয়োটাই কৰা হয়। তাৰ উপৰি ভাষাৰ অধ্যয়নৰ দ্বাৰাও কম্পিউটাৰত প্রয়োগ কৰিব পৰাকৈ সঁজুলি নির্মাণ কৰি লোৱা হয়। কার্য আৰু প্রয়োজনীয়তা অনুসৰি এই সঁজুলিবোৰৰ প্রকৃতিও বিভিন্ন প্রকাৰৰ হয়। সেইদৰে এই সঁজুলিবোৰৰ প্রয়োগ পদ্ধতিও ভিন ভিন হয়। ইয়াত ভাষা-প্রযুক্তিৰ উদ্দেশ্য, কার্য-পদ্ধতি আদি সকলো বিষয় সোমাই থাকে। তলত চিত্রৰ সহায়ত ভাষা-প্রযুক্তিৰ ব্যৱহাৰিক আৰ্হি এটা দাঙি ধৰা হ'ল—





অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাষা প্রযুক্তি কি? (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ভাষা-প্রযুক্তিৰ লগত প্রচাৰ মাধ্যমৰ অন্যান্য আহিলাৰ কিবা সম্পর্ক আছে নে? (৫০টা শব্দৰ ভিতৰত)

.....

৯.৩.২ স্বাভাৱিক ভাষা-প্রক্রিয়া

ভাষা-প্রযুক্তিৰ এখন উল্লেখযোগ্য ক্ষেত্র হ'ল স্বাভাৱিক ভাষা-প্রক্রিয়া (Natural Language Processing)। 'পৰিচয়' শিতানত ইতিমধ্যে ভাষা-প্রযুক্তি সম্পর্কে থূলমূল আভাস এটা দি অহা হৈছে। এই শিতানত ভাষা-প্রযুক্তিৰ প্রয়োগ সম্পর্কে কিছু দিশ আলোচনা কৰা হ'ব। স্বাভাৱিক ভাষা-প্রক্রিয়া ভাষা-প্রযুক্তিৰ এনে এখন উল্লেখযোগ্য ক্ষেত্র। স্বাভাৱিক ভাষা-প্রক্রিয়া হ'ল মানুহে প্রাকৃতিকভাৱে ব্যৱহাৰ কৰা ভাষা-প্রক্রিয়া। কম্পিউটাৰত কৃত্রিম বোধৰ সৃষ্টি কৰি ভাষাক কম্পিউটাৰত স্বাভাৱিকভাৱে ব্যৱহাৰযোগ্য

কৰি তোলাটো ভাষা-প্রযুক্তিৰ আন এটা দিশ। আমি যেতিয়া ভাষা-প্রয়োগ বা বিশ্লেষণ কৰোঁ, তেতিয়া ইয়াৰ প্রকাশভংগীকে আদি কৰি ভাষাৰ গঠন আদি বিভিন্ন দিশৰ কথা আহি পৰে। এই প্রক্রিয়া কম্পিউটাৰৰ দ্বাৰা ব্যৱহাৰযোগ্য কৰি তুলিবলৈ মানুহে স্বাভাৱিকভাৱে ভাষা আয়ত্ত কৰা আৰু প্রকাশ কৰা প্রক্রিয়াৰ মাজেৰেই পাৰ হৈ আহিবলগীয়া হয়। আৰু সেই প্রক্রিয়াবোৰ বিভিন্ন স্তৰৰ মাজেৰে পাৰ হৈ আহে। এই স্তৰসমূহ এনে ধৰণে দেখুৱাব পৰা যায়—তথ্য, ধাৰণা আৰু বোধ, ভাব আৰু ভাষা।

ইয়াৰে ভাষাৰ পর্যায়ত আমি আৰু কেইটামান দিশ পাওঁ। যেনে— গঠন, অর্থ আৰু প্রসংগ।

সেইদৰে, গঠনৰ ক্ষেত্রত পোৱা দিশবোৰ হ'ল— ধ্বনি, ৰূপ আৰু বাক্য।


মানুহে এই স্বাভাৱিক প্রক্রিয়াৰে আয়ত্ত কৰা আৰু স্বাভাৱিক প্রক্রিয়াৰে প্রকাশ কৰা কার্য কম্পিউটাৰৰ দ্বাৰা সম্পন্ন কৰিবলৈ বিচৰা প্রচেষ্টাকেই আমি স্বাভাৱিক ভাষা-প্রক্রিয়া বুলিব পাৰোঁ। এই ক্ষেত্রত মানুহে যেনেদৰে বোধ শক্তিৰ দ্বাৰা বিভিন্ন ৰূপত ভাষাৰ প্রয়োগ কৰে তেনেদৰে স্বাভাৱিক ভাষা-প্রক্রিয়াতো এটা কৃত্রিম বোধ সৃষ্টি কৰা দেখা যায়। এই দিশত বর্তমানে ভালেখিনি সফলতা লাভ কৰা দেখা গৈছে।

ভাষিক বিশ্লেষণৰ স্তৰ স্বাভাৱিক ভাষা-প্রক্রিয়াৰ এটা অতি উল্লেখনীয় দিশ। উদাহৰণ স্বৰূপে বিভিন্ন ভাষাৰ ভাষিক বিশ্লেষণ সেই ভাষাৰ স্বকীয় বৈশিষ্ট্যৰ ওপৰত নির্ভৰ কৰে। সেই বৈশিষ্ট্য ভাষাটোৰ গঠনগত দিশৰ পৰা আৰম্ভ কৰি বিভিন্ন সামাজিক-সাংস্কৃতিক ক্ষেত্রলৈ পৰিব্যাপ্ত হৈ থাকে। সেয়েহে মানুহে ভাষা কওঁতে বা ভাষাৰে মনৰ ভাব প্রকাশ কৰোঁতে নিজস্ব শৈলী প্রকাশ পায়। স্বাভৱিক ভাষা প্রক্রিয়াত এইসমূহ বৈশিষ্ট্যৰ অন্তর্ভুক্তি এটা অতি জটিল বিষয়। এই সমস্যা সমাধানৰ বাবে মানৰ ভাষাৰ কিছুমান সার্বজনীন বৈশিষ্ট্যৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়।

ভাষা প্রযুক্তিৰ অন্তর্গত স্বাভাৱিক ভাষা-প্রক্রিয়াৰ ব্যৱহাৰিক ক্ষেত্রসমূহ এনে ধৰণে দেখুৱাব পৰা যায়—

- যান্ত্রিক অনুবাদ (Machine translation),
- বানান পৰীক্ষক (Spell checker),
- ভাষা চিনাক্তকৰণ (Speech Recognition),
- পাঠৰ পৰা কথ্যৰূপৰ সংশ্লেষণ (Text to Speech Synthesis),
- সাৰাংশ নির্ণায়ক (Text Summarising) ইত্যাদি।
- **যান্ত্রিক অনুবাদ** ঃ কম্পিউটাৰৰ সহায়ত এটা ভাষাৰ লিখিত পাঠৰ পৰা অন্য এটা ভাষালৈ অনুবাদ কৰা কার্যকেই যান্ত্রিক অনুবাদ বোলা হয়। এই ক্ষেত্রত উৎস ভাষা (source Language) আৰু লক্ষ্য ভাষা (Target Language) উভয়ৰে গঠন-পদ্ধতিৰ সূক্ষ্ম বিশ্লেষণ কৰি সেই তথ্য নির্দিষ্ট ৰূপত কম্পিউটাৰত সংযোগ কৰা হয়। ইয়াৰ ফলত কম্পিউটাৰে এটা ভাষাৰ গঠনৰ ভিত্তিত আৰু আনটো ভাষাৰ গঠনৰ আধাৰত


স্বয়ংক্রিয়ভাৱে এটা ভাষাৰ তথ্যখিনি অন্য এটা ভাষালৈ ৰূপান্তৰ কৰিব পৰা যায়। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত এই যান্ত্রিক অনুবাদৰ বিভিন্ন আৰ্হি পোৱা গৈছে। সেইবোৰৰ ভিতৰত এটা সৰল আৰ্হি আলোচনাৰ সুবিধাৰ বাবে তলত তুলি দিয়া হ'ল—



ওপৰৰ আৰ্হি-চিত্রখনৰ পৰা যান্ত্রিক অনুবাদৰ কিছুমান দিশ এনেদৰে ব্যাখ্যা কৰিব পাৰি—

একোটা পাঠত থকা বাক্যসমূহৰ ৰূপতাত্ত্বিক বিভাজনৰ দ্বাৰা উৎস পাঠ (Source Language)-ৰ ৰূপসমূহৰ প্রয়োগ-স্থান নির্ণয় কৰি লোৱা হয়। তাৰ পিছত শব্দৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ দ্বাৰা লক্ষ্য ভাষা (Target Language)-ৰ ৰূপবোৰৰ অৱস্থান নির্ণয় কৰা হয়। ইয়াৰ লগতে ব্যাকৰণগত দিশবোৰৰ বিশ্লেষণো কৰিবলগীয়া হয়। এই ক্ষেত্রত উৎস ভাষাটোৰ ৰূপসমূহৰ সৈতে লক্ষ্য ভাষাৰ ৰূপসমূহৰ অৱস্থানগতভাৱেই হওক বা প্রয়োগ বৈশিষ্ট্যৰ বিভিন্নতাৰ বাবেই হওক পার্থক্য থকাটো স্বাভাৱিক। তেনে ক্ষেত্রত ৰূপসমূহৰ অৱস্থানগত তথা প্রয়োগগত ব্যাখ্যা সম্বলিত ৰূপ-উৎপাদন আৰু ৰূপ-নির্দেশ অতি প্রয়োজনীয় হৈ পৰে। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাত ক্রিয়াহীন বাক্যৰ প্রয়োগ আছে, কিন্তু ইংৰাজী ভাষাত ক্রিয়া নোহোৱা বাক্য পোৱা নাযায়। গতিকে অসমীয়া ভাষাৰ ক্রিয়াহীন বাক্য এটাৰ ইংৰাজীলৈ কৰা যান্ত্রিক অনুবাদত ক্রিয়া এটাৰ উৎপাদন কৰি তাৰ প্রয়োগ আৰু অৱস্থান নির্দেশ কৰিবলগীয়া হয়। যেনে—

'মোৰ ঘৰ গুৱাহাটীত'- এই বাক্যটোৰ যান্ত্রিক অনুবাদ প্রক্রিয়া এনে ধৰণে বিশ্লেষণ কৰিব পৰা যায়—



ওপৰৰ আৰ্হিটো ভালদৰে পর্যবেক্ষণ কৰিলে দেখিম যে, অসমীয়া বাক্যটোত 'হয়' ক্রিয়াটো উহ্য আছে। গতিকে নিয়ম অনুসৰি ইংৰাজী বাক্যটোত 'is' এটা উৎপাদিত ৰূপ। সেইদৰে, 'গুৱাহাটী + ত'- ইয়াৰ 'ত' বিভক্তিটো অসমীয়া ভাষাত এটা পৰসর্গ।

কিন্তু ইংৰাজী বাক্যটোত ই পূর্বস্থিত অব্যয় হিচাপেহে প্রয়োগ হৈছে। গতিকে, ইয়াকেই আমি ৰূপ-নির্দেশ বুলিব পাৰোঁ।

যান্ত্রিক অনুবাদত সাধাৰণতে, উৎস ভাষা আৰু লক্ষ্য ভাষাৰ গঠনগত দিশৰ এনে সূক্ষ্ম বিশ্লেষণৰ প্রয়োজনীয়তা থাকে।

- **বানান পৰীক্ষক (Spell Checker) ঃ** আমি কম্পিউটাৰ ব্যৱহাৰকাৰীসকলে দেখি আহিছোঁ যে, বিশেষকৈ ইংৰাজী ভাষাত যেতিয়া শব্দ এটাৰ বানান অশুদ্ধ ৰূপত লিখোঁ, তেতিয়া তাৰ তলত একোডাল ৰঙা ৰঙৰ একা-বেঁকা আঁক দেখা যায়। অর্থাৎ আমি যে বানানটো ভুলকৈ লিখিছোঁ, সেইটো কম্পিউটাৰে ধৰা পেলায়। ইয়াৰ সাধাৰণ প্রক্রিয়াটো হ'ল, যেতিয়া আমি শব্দটো লিখোঁ, তেতিয়া সেই শব্দটো কম্পিউটাৰত ইতিপূর্বে সঞ্চিত হৈ থকা অভিধানত স্বয়ংক্রিয়ভাৱে মিলাই চায়। যদি শব্দটো কম্পিউটাৰৰ বিশেষ সঁজুলিটোৱে বিচাৰি নাপায় তেন্তে শব্দটো ভুল বুলি দেখুৱায়। এই কার্যটো যিটো সঁজুলিয়ে সম্পন্ন কৰে তাকে বানান পৰীক্ষক বোলে।
- **ভাষা-চিনাক্তকৰণ (Speech Recognition) ঃ** আমি কৈ যোৱা ধ্বনি, শব্দ, বাক্য আদি কম্পিউটাৰে বুজি লৈ তাক লিখিত বা কথিত ৰূপত পুনৰ প্রকাশ কৰাকে সাধাৰণ অর্থত চিনাক্তকৰণ বোলা হয়। আন প্রকাৰে, আমি মাইক্রফ'নৰ সহায়ত কিবা এটা ক'লে কম্পিউটাৰে সেইটো লিখিত ৰূপলৈ সলনি কৰা প্রক্রিয়াটোক ভাষা-চিনাক্তকৰণ বোলা হয়। বহুতে পাঠৰ পৰা কথ্য ৰূপলৈ সলনি কৰা প্রক্রিয়াটোকো ভাষা-চিনাক্তকৰণ বোলে। এই প্রক্রিয়াটো সাধনৰ বাবে কম্পিউটাৰত ব্যৱহাৰ কৰিব পৰাকৈ বিশেষ সঁজুলি নির্মাণ কৰা হয়। ইয়াত ভাষাৰ ধ্বনি-তৰংগৰ বৈশিষ্ট্য বিশ্লেষণ কৰি সেইবোৰৰ গুণসমূহৰ আধাৰত এই বিশেষ সঁজুলি নির্মাণ কৰা হয়। কম্পিউটাৰৰ দ্বাৰা ভাষা-চিনাক্তকৰণ প্রক্রিয়াক দুই ধৰণে ভাগ কৰা হয়। যেনে—

ক) প্রয়োগকাৰী নিৰপেক্ষ ভাষা-চিনাক্তকৰণ প্রক্রিয়া (User Independent Speech Recognition), আৰু

খ) প্রয়োগকাৰী নির্ভৰশীল ভাষা-চিনাক্তকৰণ প্রক্রিয়া (User Dependent)।

প্রয়োগকাৰী নিৰপেক্ষ ভাষা-চিনাক্তকৰণ প্রক্রিয়াত এটা নির্দিষ্ট ভাষা কোৱা লোকৰ যিকোনো এজনে কোৱা ভাষাৰূপটোৰ চিনাক্তকৰণ প্রক্রিয়াকে বুজায়। আমি জানো যে, একোটা নির্দিষ্ট ভাষা কোৱা লোকসকলৰ ভিতৰত প্রতিগৰাকীয়ে কোৱা ভাষাৰূপৰ মাজত পার্থক্য আছে। ইয়াক আমি ব্যক্তিভাষা বুলি কওঁ। একেটা ভাষা ব্যৱহাৰ কৰা প্রতিগৰাকী ব্যক্তিৰে ভাষাৰূপৰ এনে বিভিন্নতা সত্ত্বেও যেতিয়া কম্পিউটাৰে নির্দিষ্ট ভাষাটো চিনাক্ত কৰি তাক লিখিত ৰূপলৈ পৰিৱর্তন কৰিব পাৰে তেতিয়া তাক আমি প্রয়োগকাৰী নিৰপেক্ষ ভাষা-চিনাক্তকৰণ প্রক্রিয়া বুলি কওঁ। তুলনামূলকভাৱে এই প্রক্রিয়াৰ সঁজুলি নির্মাণ কৰা কিছু জটিল।

প্রয়োগকাৰী নির্ভৰশীল ভাষা-চিনাক্তকৰণ প্রক্রিয়া মানে হৈছে এটা নির্দিষ্ট কম্পিউটাৰত এগৰাকী বিশেষ ব্যক্তিৰ দ্বাৰা পূর্বনির্দিষ্ট পদ্ধতিৰ দ্বাৰা বাণীবদ্ধ কৰি লোৱা বক্তব্যৰ আধাৰত ভাষা-চিনাক্তকৰণ কৰা। আধুনিক প্রযুক্তিবিদসকলে ইয়াক প্রয়োগকাৰী নির্ভৰশীল ভাষা-চিনাক্তকৰণ প্রক্রিয়া আখ্যা দিছে।

ওপৰৰ আলোচনাত ভাষা-প্রযুক্তিৰ কেইটামান দিশ দাঙি ধৰা হ'ল। বর্তমান, ভাষা-প্রযুক্তিৰ বিভিন্ন পৰীক্ষা নিৰীক্ষা ক্ষীপ্র গতিত আগবাঢ়ি গৈছে আৰু এই ক্ষেত্রৰ সৈতে পৰিচয় অবিহনে ভাষাবিজ্ঞানৰ অধ্যয়নো আধৰুৱা হৈ ৰ'ব বুলিব পাৰি। বিশ্বৰ বিভিন্ন আগশাৰীৰ ভাষাৰ তুলনাত অসমীয়া ভাষা ভাষা-প্রযুক্তিৰ দিশত অতিকৈ পিছ পৰি আছে। আধুনিক প্রযুক্তিৰ সৈতে সংগতি ৰাখিব পৰাকৈ অসমীয়া ভাষাৰ অধ্যয়ন আৰু গৱেষণা আগবাঢ়ি যাব নোৱৰাটোৱেই ইয়াৰ প্রধান কাৰণ।

৯.৪ ভাষাৰ তথ্য-সংৰক্ষণ

ভাষৰ বিকাশ, ইয়াৰ পৰিৱর্তন আৰু প্রয়োগৰ সকলো পর্যায়তে ভাষিক তথ্যৰ অতি গুৰুত্বপূর্ণ ভূমিকা আছে। ভাষা বিশেষৰ ঐতিহাসিক বিৱর্তনৰ উপৰি ভাষাৰ সংযোগ, ভাষাৰ গঠন প্রণালী, ভাষাৰ মাজত প্রকাশ পোৱা সামাজিক-সাংস্কৃতিক উপাদান আদি সকলোবোৰ বিষয়ৰ বিচাৰ-বিশ্লেষণৰ বাবে ভাষিক তথ্য এক অপৰিহার্য অংগ। ভাষাগত সমলসমূহ সংগ্রহ কৰা হয় একোটা ভাষা-অধ্যয়ন তথা বিভিন্ন ভাষাৰ বিভিন্ন দিশৰ অধ্যয়নৰ উদ্দেশ্যে। গতিকে ভাষাৰ যিকোনো সমল যদি পদ্ধতিগতভাৱে সংগ্রহ কৰা নহয়, তেন্তে সেই সমলে ভাষাৰ অধ্যয়নত বিশেষ সহায় কৰিব বুলি আশা কৰিব নোৱাৰি।

ভাষিক তথ্য-সংৰক্ষণৰ বিষয়টো আলোচনা কৰাৰ আগতে এই ভাষিক তথ্যৰ স্বৰূপ আৰু প্রকাৰ সম্পর্কে কিছু কথা জানি লোৱা প্রয়োজন।

মানুহে ভাষাৰ প্রকাশ সাধাৰণতে দুই ধৰণে কৰে—

ক) কথিত ৰূপৰ ভাষিক তথ্য, আৰু

খ) লিখিত ৰূপৰ ভাষিক তথ্য।

ভাষিক তথ্যৰ প্রধান ভাগ দুটাৰ ভিতৰত কথ্যৰূপৰ সমলক প্রাথমিক পর্যায়ৰ সমল বুলি ধৰা হয়। ভাষাৰ ঐতিহাসিক বিৱর্তনৰ সমল সাধাৰণতে কথ্য ৰূপত পোৱা নাযায়। কিন্তু এই কথ্যৰূপৰ সমল পদ্ধতিগতভাৱে সংগ্রহ আৰু সংৰক্ষণ কৰিব পাৰিলে ভৱিষ্যত প্রজন্মই এনে প্রাথমিক সমলৰ সহায়ত ভাষাৰ অধ্যয়নক আগবঢ়াই লৈ যোৱাৰ বাবে বাট বিচাৰ পাব বুলি নিশ্চিতভাৱে ক'ব পাৰি। কাৰণ, সাম্প্রতিক কালত ভাষা-প্রযুক্তিৰ জগতখনত কথ্যৰূপৰ সমল সংগ্রহ তথা সংৰক্ষণত বিশেষভাৱে গুৰুত্ব দিয়া দেখা গৈছে।

ভাষাৰ কথ্যৰূপৰ সমল বুলি কওঁতে কোনো এটা ভাষাৰ দৈনন্দিন পৰিক্রমাত ব্যৱহাৰ হোৱা কথ্য ভাষাৰ হুবহু ৰূপকে বুজায়। সময়, পৰিৱেশ, বয়স, লিংগ আদিৰ বিভিন্নতা অনুসৰি

ভাষা-প্রয়োগৰ বৈশিষ্ট্য প্রকাশ পোৱা তথ্যসমূহক এই ৰূপত ধৰা হয়। ভাষা-প্রয়োগৰ ক্ষেত্র আৰু বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি কথ্যৰূপৰ সমলক দুই ভাগত ভগাব পাৰি—

ক) ভাষাৰ সামাজিক ব্যৱহাৰ অনুসৰি পোৱা তথ্য (সমাজভাষাবৈজ্ঞানিক তথ্য), আৰু

খ) ভাষাৰ গঠন-পদ্ধতিৰ বিশ্লেষণৰ দ্বাৰা প্রাপ্ত তথ্য (বর্ণনাত্মক ভাষাবৈজ্ঞানিক তথ্য)।

আমি জানো যে, যিকোনো ভাষাৰে সামাজিক ভিন্নতা থাকে। এই সামাজিক ভিন্নতাই হ'ল ভাষা একোটাৰ প্রকৃত ব্যৱহাৰিক ৰূপ। ভাষাৰ কথ্যৰূপৰ সমাজভাষাবৈজ্ঞানিক তথ্য বুলি কওঁতে প্রধানকৈ একোটা ভাষাৰ সামাজিক বিভিন্নতা অনুসৰি প্রয়োগ হোৱা তথ্যকেই বুজায়। উদাহৰণ স্বৰূপে— সমাজৰ প্রত্যেক ব্যক্তিৰে ভাষা-প্রয়োগৰ এটা নিজস্ব শৈলী অথবা বৈশিষ্ট্য থাকে যাক আমি ব্যক্তিভাষা বুলি কওঁ। এই ব্যক্তিভাষাৰ পৰা আৰম্ভ কৰি সমাজৰ বিভিন্ন শ্রেণী অনুসৰি, বৃত্তি অনুসৰি, বয়স, লিংগ আদিৰ ভিন্নতা অনুসৰি প্রকাশ পোৱা ভাষাৰ বৈশিষ্ট্য ধৰি ৰাখিব পৰাকৈ যিবোৰ সমল সংগ্রহ তথা সংৰক্ষণ কৰা হয়, সেই তথ্যবোৰক সমাজভাষাবৈজ্ঞানিক তথ্য বোলা হয়। এই তথ্য ধ্বনি, শব্দ, বাক্য, বিভিন্ন কথোপকথন আদিৰ বৈশিষ্ট্য অনুসৰি সংগ্রহ তথা সংৰক্ষণ কৰা হয়।

ভাষাৰ সমাজভাষাবৈজ্ঞানিক তথ্যসমূহৰ জৰিয়তে একোটা ভাষাৰ ব্যৱহাৰিক বৈশিষ্ট্যৰ প্রকৃত স্বৰূপ বুজিব পৰা যায়। ইয়াৰ উপৰি, যিকোনো ভাষাৰ পৰিৱর্তন আৰম্ভ হয় ইয়াৰ কথ্যৰূপটোৰ পৰাহে। কথ্যৰূপৰ পৰিৱর্তনৰ পাছতহে লাহে লাহে তাৰ লিখিত ৰূপলৈ পৰিক্রমণ আৰম্ভ হয়। গতিকে কথ্যৰূপৰ পৰিৱর্তনৰ বিষয়ে অধ্যয়ন কৰিব নোৱাৰিলে ভাষাৰ ভৱিষ্যতৰ পৰিৱর্তনৰ ধাৰাৰ বিষয়ে সঠিক সিদ্ধান্ত দিয়াত অসুবিধা হয়।

৯.৪.১ ভাষাবৈজ্ঞানিক তথ্য-সংগ্রহ পদ্ধতি

ভাষাবৈজ্ঞানিক তথ্য-সংগ্রহৰ কিছুমান বিশেষ পদ্ধতি আছে। ভাষাৰ তথ্য-সংগ্রহ তথা সংৰক্ষণ সঠিকভাৱে কৰিবলৈ এই পদ্ধতিসমূহৰ বিষয়ে জনাতো একান্ত প্রয়োজন। সেয়েহে ছাত্র-ছাত্রী তথা গৱেষক-গৱেষিকাই ভাষিক তথ্য সংগ্রহ কৰিবলৈ লোৱাৰ আগতে তথ্য-সংগ্রহৰ পদ্ধতিসমূহৰ বিষয়ে অৱগত হোৱা উচিত। তলত সমাজভাষাবৈজ্ঞানিক তথ্য সংগ্রহৰ কেইটামান বিশেষ পদ্ধতি উল্লেখ কৰা হ'ল—

সাক্ষাৎকাৰ পদ্ধতি ঃ বিংশ শতিকাৰ ষাঠিৰ দশকত বিখ্যাত সমাজভাষাবিজ্ঞানী উইলিয়াম লেবভে বিশেষভাৱে বিকশিত কৰি তোলা সাক্ষাৎকাৰ পদ্ধতি পৰৱর্তী কালত সমাজভাষাবৈজ্ঞানিক তথা সাধাৰণ ভাষাবৈজ্ঞানিক তথ্য সংগ্রহৰ উল্লেখযোগ্য পদ্ধতি হিচাপে চিহ্নিত হয়। এই পদ্ধতিত প্রথমে সংগ্রহ কৰিবলগীয়া ভাষিক তথ্যৰ ক্ষেত্রত এখন তালিকা নির্ধাৰণ কৰি লোৱা হয়। এই তালিকা প্রস্তুত কৰোঁতে মন কৰিবলগীয়া দিশটো হৈছে অধ্যয়নৰ উদ্দেশ্য। কাৰণ অধ্যয়নৰ উদ্দেশ্য আগত ৰাখি তথ্য-সংগ্রহৰ বাবে আগ নাবাঢ়িলে সেই তথ্যই অধ্যয়নকাৰীক বিশেষ সহায় কৰিব নোৱাৰিব। উদাহৰণ

স্বৰূপে, এগৰাকী তথ্য সংগ্রহকাৰীয়ে যদি ধ্বনিতত্ত্বৰ বিষয়ে অধ্যয়ন কৰিব বিচাৰে তেন্তে তেওঁ ধ্বনিতাত্ত্বিক সমল-সংগ্রহৰ পদ্ধতি অৱলম্বন কৰিব লাগিব। অন্যথা তেওঁ সংগ্রহ কৰা তথ্যৰ পৰা ধ্বনিতাত্ত্বিক বিশ্লেষণ সম্ভৱ নহ'ব। ইয়াৰ পাছত তথ্যদাতাসমূহক বিভিন্ন সামাজিক শ্রেণী অনুসৰি বিভাজন কৰি তেওঁলোকে প্রয়োগ কৰা ভাষাৰ সমল সংগ্রহ কৰিব লাগিব। এই সংগ্রহ কার্য লিখিত অথবা বাণীবদ্ধ ৰূপত অথবা দুয়োটা ৰূপতে সংগ্রহ কৰিব লাগে। এনেদৰে সংগ্রহ কৰা তথ্য ডিজিটেল বা লিখিত উভয় ৰূপতে সংৰক্ষণ কৰি পৰৱর্তী গৱেষকৰ অধ্যয়নৰ সমল হিচাপে ব্যৱহাৰ কৰিব পাৰি। সাক্ষাৎকাৰ পদ্ধতিৰ সহায়ত বিভিন্ন ধৰণৰ তথ্য সংগ্রহ কৰা হয়। উদাহৰণ স্বৰূপে, সামাজিক শ্রেণী-বিভাজনৰ সূত্রৰ আধাৰত সংগ্রহ কৰা সাধাৰণ তথ্য। অর্থাৎ, অধ্যয়নৰ বাবে নির্ণয় কৰি লোৱা ভাষিক সমাজখনৰ অন্তর্গত বিভিন্ন সামাজিক শ্রেণী বিষয়ক তথ্য। ইয়াক প্রাথমিক তথ্য বুলিবও পাৰি। কাৰণ এই তথ্যৰ আধাৰতেই পৰৱর্তী স্তৰত ভাষিক তথ্য সংগ্রহ কৰা হয়। বিষয়টো আৰু অধিক স্পষ্ট কৰিবলৈ এনেদৰে ক'ব পাৰি যে, একোখন ভাষিক সমাজত বৃত্তিগত, লিংগগত, শিক্ষাগত আদি বিভিন্ন স্তৰ আৰু প্রকাৰৰ সামাজিক শ্রেণীয়ে বসবাস কৰে। প্রতিটো শ্রেণীৰে ভাষা-ব্যৱহাৰৰ স্বৰূপ স্বাভাৱিকতেই বেলেগ বেলেগ হয়। গতিকে, পোনতে এই শ্রেণীসমূহ চিনাক্ত আৰু বিভাজিত কৰি নোলোৱাকৈ তথ্য সংগ্রহ কৰিবলৈ গ'লে তেনে তথ্যই শুদ্ধ আৰু প্রয়োজনীয় ফলাফল দিব নোৱাৰে। এনেদৰে বিভাজিত ৰূপত ভাষিক সমাজখনৰ পৰা বেলেগে বেলেগে সংগ্রহ কৰা তথ্য ভাষাৰ সামাজিক ব্যৱহাৰৰ প্রকৃত ৰূপ বিশ্লেষণ কৰাত বিশেষভাৱে সহায়ক হয়। সাধাৰণ কথোপকথন সাক্ষাৎকাৰ পদ্ধতিৰে সংগ্রহ কৰা সমলসমূহৰ ভিতৰত অন্যতম। এই সাধাৰণ কথোপকথনক প্রধানতঃ দুই প্রকাৰত ভাগ কৰিব পৰা যায়—

ক) দৈনন্দিন জীৱনৰ কোনো একোটা সাধাৰণ বিষয় তথ্যদাতাক কাহিনীৰ আকাৰত ক'বলৈ দিয়া হয়।

খ) একেখন ভাষিক সমাজৰ অন্তর্গত ভিন ভিন সামাজিক স্তৰৰ একাধিক লোকক নির্দিষ্ট বিষয় এটা আলোচনা কৰিবলৈ দিয়া হয়।

এই দুয়োটা পদ্ধতিতে সংগ্রহ কৰিবলগীয়া তথ্য যথেষ্ট দীঘলীয়া হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে এনে তথ্য উপযুক্ত বাণীবদ্ধক যন্ত্রৰ সহায়ত বাণীবদ্ধ কৰি লোৱাটো একান্ত প্রয়োজন।

পঠন-পদ্ধতি ঃ সাম্প্রতিক কালত সমাজভাষাবৈজ্ঞানিক তথ্য সংগ্রহৰ বাবে পঠন-পদ্ধতিও প্রয়োগ কৰা দেখা যায়। এই পদ্ধতিত একোটা ভাষিক শ্রেণীৰ বিশেষ বিশেষ লোকক কিছুমান নির্দিষ্ট পাঠ, স্বতন্ত্র বাক্য আৰু শব্দ পঢ়িবলৈ দিয়াৰ উপৰিও অধ্যয়নৰ উদ্দেশ্যৰ ওপৰত নিভৰ কৰি কিছুমান ধ্বনি লিখিত আকাৰত উপস্থাপন কৰি পঢ়িবলৈ দিয়া হয়। উল্লেখযোগ্য যে এই পাঠবোৰত যাতে প্রয়োজনীয় সকলো তথ্য

থাকে তাৰ প্ৰতি নজৰ দিয়া হয়। কাৰণ এগৰাকী পাঠকে শব্দবোৰ উচ্চাৰণ কৰোঁতে একোটা নিজস্ব শৈলী তথা সেই লোকৰ ঔপভাষিক ৰূপৰ স্পষ্ট প্ৰতিফলন ঘটে। এনে পাৰ্থক্যই ভাষা-প্ৰয়োগৰ বিভিন্নতা স্পষ্টকৈ দাঙি ধৰিব পাৰে। এইটো মন কৰিবলগীয়া কথা যে, পঠন-পদ্ধতি ঘাইকৈ ধ্বনিতাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰতহে প্ৰয়োগ হয়।

প্ৰশ্নসূচীৰ প্ৰয়োগ ঃ বহু ক্ষেত্ৰত ভাষাৰ সামাজিক ব্যৱহাৰ আৰু ইয়াৰ বিভিন্নতাৰ বিচাৰ কৰিবলৈ কিছুমান প্ৰশ্নসূচী প্ৰস্তুত কৰি লোৱা হয়। এনে প্ৰশ্নসূচী বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। ভাষা বিশেষৰ প্ৰতি সেই ভাষা কোৱা মানুহৰ মনোভাব, ভাষা-প্ৰয়োগৰ বৈশিষ্ট্য নিৰ্ণয়ৰ বাবে বিশেষ বিশেষ শব্দ, বাক্য, পাঠ আদিৰ সংযোগ তেনে প্ৰশ্নসূচীৰ কেতবোৰ উদাহৰণ। প্ৰশ্নসূচীৰ প্ৰকৃতি নিৰ্ভৰ কৰে অধ্যয়ন কৰিবলগীয়া বিষয়বস্তুৰ ওপৰত। উদাৰহণ স্বৰূপে, যদি ভাষাটোৰ শব্দ-প্ৰয়োগৰ বিষয়ে অধ্যয়ন কৰিব বিচৰা হয়, তেন্তে বিশেষ বিশেষ শব্দৰ উল্লেখেৰে প্ৰশ্নসূচীখন তৈয়াৰ কৰা হয় আৰু সেইবোৰ শব্দৰ কোন ঠাইৰ, কোন শ্ৰেণীৰ লোকে, কেনে ধৰণে প্ৰয়োগ কৰে তাৰ ভিত্তিত প্ৰশ্ন প্ৰস্তুত কৰা হয়। সেইদৰে, যদি ধ্বনিৰ প্ৰয়োগৰ বিষয়ে অধ্যয়ন কৰা হয, তেন্তে বিশেষ বিশেষ ধ্বনি সম্বলিত শব্দৰ প্ৰশ্ন কৰি সেইবোৰৰ উচ্চাৰণ-পদ্ধতি বাণীবদ্ধ কৰা হয়।

এইবোৰ পদ্ধতিৰ উপৰিও বৰ্তমানে ডাক প্ৰশ্নসূচী, ই-মেইল যোগে প্ৰেৰণ কৰা প্ৰশ্নসূচী আদৰি জড়িয়তেও ভাষাৰ সামাজিক প্ৰয়োগৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ পদ্ধতি জনপ্ৰিয় হোৱা দেখা গৈছে।

৯.৪.২ ভাষাৰ গঠন অনুসৰি প্ৰয়োগ হোৱা তথ্যৰ সংৰক্ষণ

ভাষাৰ গঠনাত্মক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি ভাষিক তথ্যক চাৰি প্ৰকাৰে ভাগ কৰা হয়। যেনে—

ক) ধ্বনিতাত্ত্বিক তথ্য,

খ) ৰূপতাত্ত্বিক তথ্য,

গ) বাক্যতাত্ত্বিক তথ্য, আৰু

ঘ) অৰ্থতাত্ত্বিক তথ্য।

ক) ধ্বনিতাত্ত্বিক তথ্য ঃ ভাষাৰ অধ্যয়ন আৰু বিশ্লেষণত ধ্বনিতাত্ত্বিক তথ্যক প্ৰাথমিক তথা মুখ্য তথ্যৰূপে গণ্য কৰা হয়। ভাষাৰ ধ্বনি, শব্দ, বাক্য আদিৰ উচ্চাৰণৰ ওপৰত ভিত্তি কৰি ধ্বনিতাত্ত্বিক তথ্যৰ প্ৰকৃতি নিৰ্ণয় কৰা হয়। উল্লেখযোগ্য যে, ধ্বনিতাত্ত্বিক তথ্য বুলিলে কেৱল ধ্বনি বা বৰ্ণৰ বিশ্লেষণকেই নুবুজায়, ইয়াৰ ভিতৰত শ্বাসাঘাত, সুৰ, সুৰাঘাত, সুৰ লহৰ আদি বিভিন্ন অবিভাজ্য ধ্বনিসমূহৰ কথাও আহি পৰে। সেয়েহে ধ্বনিতাত্ত্বিক তথ্য সংগ্ৰহ কৰিবলৈ হ'লেও শব্দ, বাক্য আদিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। সাধাৰণতে অধ্যয়নৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰিহে ধ্বনিতাত্ত্বিক তথ্যৰ সংগ্ৰহ

আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। তাৰ বাবে কৰা বিভাজিত ব্যৱস্থাসমূহ এনে ধৰণৰ—

ক) নির্দিষ্ট ধ্বনিৰ উচ্চাৰণৰ জৰিয়তে সংগ্রহ কৰি সংৰক্ষণ কৰা তথ্য,

খ) নির্দিষ্ট ধ্বনি সম্বলিত শব্দৰ জৰিয়তে সংগ্রহ কৰা তথ্য,

গ) বাক্যৰ জৰিয়তে সংগ্রহ কৰা তথ্য, আৰু

ঘ) বক্তব্যৰ জৰিয়তে সংগ্রহ কৰা তথ্য।

ওপৰত উল্লেখ কৰা বিভাজিত পদ্ধতিসমূহ ভাষাৰ কথ্যৰূপৰ তথ্য সংগ্রহৰ উপায় বুলিব পৰা যায়। আমি ধ্বনি, শব্দ, ৰূপ, বাক্য, বক্তব্য আদি যি পদ্ধতিৰেই সংগ্রহ নকৰো কিয়, প্রতিটো পদ্ধতিৰে প্রধান আৰু প্রথমিক উদ্দেশ্য হ'ল, কোনো এটা ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য নির্ণয় কৰা।

খ) ৰূপতাত্ত্বিক তথ্য ঃ সমাজভাষাবিজ্ঞানৰ অন্তর্গত বিষয় হিচাপে ৰূপতাত্ত্বিক তথ্য সংগ্রহ কৰিবলৈ হ'লে অধ্যয়নকাৰীয়ে বাক্যত প্রয়োগ হোৱা শব্দ, শব্দ-সাধন প্রক্রিয়া আৰু শব্দ-গঠন প্রক্রিয়াৰ সম্যক জ্ঞান আহৰণ কৰা অতি আৱশ্যক। অর্থাৎ, অধ্যয়নকাৰীয়ে নিজৰ প্রথম ভাষাৰ ৰূপতাত্ত্বিক সমল সংগ্রহৰ বাবে ভাষাটোৰ ৰূপতাত্ত্বিক নিয়মসমূহ জানি লোৱা নিতান্ত প্রয়োজন। কাৰণ, তথ্য সংগ্রহ কৰাৰ সময়ত অধ্যয়নকাৰীয়ে কি প্রকাৰৰ তথ্য সংগ্রহ কৰিছে সেই বিষয়ে স্পষ্ট হ'ব লাগে। উদাহৰণ স্বৰূপে, অসমীয়া ভাষী অধ্যয়নকাৰী এগৰাকীয়ে যদি অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক সমল সংগ্রহ কৰিবলৈ লয়, তেন্তে তেওঁ অসমীয়া ভাষাৰ বিভক্তি, প্রত্যয় আদিৰ বিভাজন, সিবোৰৰ প্রয়োগ, পদৰ গঠন আদি তাত্ত্বিক দিশসমূহ পোনতে খৰচি মাৰি জানি লোৱা উচিত। অন্যথা, তথ্য একোটা লিপিবদ্ধ কৰোঁতে খেলিমেলি হোৱাৰ সম্ভাৱনা থাকিব। সেইদৰে, যদি অধ্যয়নকাৰীয়ে নিজৰ আয়ত্তত নথকা ভাষা এটাৰ সমল সংগ্রহ কৰিবলৈ লয, তেতিয়া তেওঁ পোনতে সেই ভাষাৰ সাধাৰণ ৰূপতাত্ত্বিক নিয়মসমূহ জানি লোৱা প্রয়োজন। অর্থাৎ, অধ্যয়নকাৰীৰ শব্দ, সর্গ (ইয়াৰ অন্তর্গত প্রত্যয, বিভক্তি আদি), পদ, সাধাৰণ শব্দ গঠন-প্রক্রিয়া আদিৰ বিষয়ে সম্যক জ্ঞান থকা প্রয়োজন।

গ) বাক্যতাত্ত্বিক তথ্য সংগ্রহ ঃ বাক্যতাত্ত্বিক তথ্য সংগ্রহৰ ক্ষেত্রত মন কৰিবলগীয়া দিশসমূহ এনে ধৰণে বিশ্লেষণ কৰি দেখুৱাব পাৰি—

ভাষাৰ সাধাৰণ বাক্যতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে, যেনে— শব্দৰ ক্রম, কর্তা-কর্ম ক্রিয়া আৰু বাক্যৰ অন্যান্য অংশৰ সম্পর্ক আদিৰ বিষয়ে অধ্যয়নকাৰীৰ কিছু জ্ঞান থকা প্রয়োজন। সমাজভাষাবিজ্ঞানৰ অন্তর্গত বিষয় হিচাপে বাক্যতাত্ত্বিক সমল সংগ্রহৰ ক্ষেত্রত দেখা যায় যে, বিভিন্ন সামাজিক শ্রেণীৰ মাজত বাক্য-প্রয়োগৰ বিভিন্নতা অতি স্পষ্ট। এই বিভিন্নতাৰ কথা যথাযথভাৱে বিশ্লেষণ কৰিবলৈ অধ্যয়নকাৰীয়ে কিছুমান আর্হি বাক্য সংগ্রহ কৰি ল'ব লাগে। তেতিয়া সংগৃহীত আর্হি বাক্যৰ আধাৰত বিভিন্ন শ্রেণীৰ মানুহৰ কথিত ৰূপৰ ভিন্নতাসমূহ স্পষ্টৰূপত দেখুৱাবলৈ সুবিধা হয়।

ঘ) অর্থতাত্ত্বিক সমল সংগ্রহ ঃ ভাষাৰ অর্থতাত্ত্বিক সমল সংগ্রহৰ পদ্ধতি ধ্বনিতাত্ত্বিক,

ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক সমল সংগ্রহৰ পদ্ধতিতকৈ কিছু জটিল। ইয়াৰ প্রধান কাৰণ হ'ল, বাক্য একোটাৰ নির্দিষ্ট গঠনগত পদ্ধতি বা নিয়ম থাকিলেও, বহু সময়ত তাৰ অর্থ পৰিৱেশ পৰিস্থিতি, বক্তাৰ মানসিকতা, শ্রোতাৰ মানসিক অৱস্থা (আবেগ, অনুভূতি, চিন্তা ইত্যাদি) আদি বিভিন্ন কাৰকৰ ওপৰত নির্ভৰ কৰে। ইয়াৰ উপৰি সন্ধি, শ্বাসাঘাত, সুৰলহৰ আদিৰ স্থান-পৰিৱর্তনৰ ফলতো অর্থৰ পৰিৱর্তন ঘটা যায়। শব্দ, বাক্য আদিৰ দ্বাৰা মানুহে নিজৰ মনোভাব প্রকাশ কৰে। গতিকে, অর্থতাত্ত্বিক সমল সংগ্রহৰ ক্ষেত্রত এই কাৰকসমূহৰ প্রতি অতি সুক্ষ্মভাৱে মনোযোগ দিয়া প্রয়োজন। ভাষাৰ তথ্য সংগ্রহৰ দ্বাৰা যিহেতু ভাষা-ব্যৱহাৰৰ অধ্যয়ন কৰা হয়, সেয়েহে ভাষাৰ অর্থতাত্ত্বিক অধ্যয়ন অবিহনে ইয়াৰ পৰিপূর্ণ অধ্যয়ন হোৱা বুলি ধৰিব নোৱাৰি।

অর্থতাত্ত্বিক সমলৰ গুৰুত্ব ঃ ভাষাৰ অধ্যয়নত অর্থতাত্ত্বিক সমলসমূহ ভাষাৰ আন আন উপাদান, যেনে- ধ্বনি, ৰূপ, শব্দ, বাক্য আদিৰ ওপৰত নির্ভৰশীল। অর্থতাত্ত্বিক সমলৰ সৈতে সাধাৰণতে ভাষাৰ সকলোবোৰ উপাদানেই সংপৃক্ত হৈ থাকে। সেয়েহে ভাষা একোটাৰ বিভিন্ন দিশৰ অধ্যয়নত অর্থতাত্ত্বিক সমল অতি প্রয়োজনীয় বুলি বিবেচিত। এই ক্ষেত্রত নিম্নোক্ত দিশকেইটাৰ কথা উনুকিয়াব পাৰি—

ক) অভিধানতত্ত্ব আৰু অভিধান-প্রণয়ন,
খ) সমার্থক শব্দকোষ-প্রণয়ন,
গ) শব্দৰ বুৎপত্তি বিচাৰ,
ঘ) ভাষিক শ্রেণীৰ বা ভাষিক সমাজৰ সাংস্কৃতিক অধ্যয়ন,
ঙ) ভাষা-আহৰণ আৰু ভাষা-শিক্ষণ, আৰু
চ) দ্বিভাষিকতা আৰু বহুভাষিকতাৰ স্বৰূপ।

সাম্প্রতিক কালত ভাষাৰ অধ্যয়ন আৰু গৱেষণাই কম্পিউটাৰ প্রযুক্তিৰ জগতখনত বিশেষভাৱে গুৰুত্ব লাভ কৰাৰ পৰিপ্রেক্ষিতত ভাষাৰ অর্থতাত্ত্বিক তথ্যৰ গুৰুত্ব উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। তাৰ ভিতৰত—(ক) 'শব্দ-জাল' (Word Net), আৰু (খ) 'স্বয়ংক্রিয় সাৰাংশ প্রস্তুতকৰণ' (Auto summarization)-ৰ কথা বিশেষৰূপে উল্লেখযোগ্য।

ভাষাৰ লিখিত ৰূপৰ তথ্যৰ সংৰক্ষণ ঃ যিবোৰ ভাষাৰ লিখিত ৰূপৰ দীঘলীয়া ইতিহাস আছে, সেই ভাষাসমূহৰ লিখিত তথ্য বুলিলে শিলালেখ, তাম্রলেখকে আদি কৰি ডিজিটেল তথ্যলৈকে সকলোবোৰ সমলকে সামৰি লোৱা হয়। একোটা ভাষাৰ সময় সাপেক্ষে ঘটা পৰিৱর্তন আৰু তাৰ নিদর্শন হিচাপে লিখিত ৰূপত থকা সমলবোৰ পদ্ধতিগতভাৱে সংগ্রহ কৰি সংৰক্ষণ কৰা হয়। ভাষা একোটাৰ যিকোনো কালৰ সকলোবোৰ লিখিত সমলকে কেঁচা তথ্য বুলি ধৰা হয়। তাৰ পৰা অধ্যয়নৰ আৱশ্যকতা অনুসৰি বিষয়বস্তু আৰু ভাষাৰূপ সংগ্রহ কৰি সেইবোৰ ভাষিক তথ্যৰ ৰূপত সংগ্রহ

কৰা হয়। ভাষাৰ লিখিত তথ্যৰ সৈতে লিপিৰ বিৱৰ্তনৰো উল্লেখযোগ্য ভূমিকা আছে। কাৰণ, ভাষাৰ বিৱৰ্তনৰ দৰে লিপিৰো বিৱৰ্তন হৈছে। গতিকে তাৰো এক ইতিহাস আছে। যিহেতু ভাষাৰ লিখিত ৰূপৰ মাধ্যম হ'ল লিপি, এতেকে লিপিৰ বিৱৰ্তনো ভাষাৰ তথ্য সংগ্ৰহৰ এক উল্লেখযোগ্য উপাদান হিচাপে বিবেচিত। ভাষাৰ লিখিত ৰূপে যিকোনো ভাষাৰ পৰিশীলিত ৰূপ এটাৰহে প্ৰতিনিধিত্ব কৰে যদিও, লিখিত ৰূপৰ পৰিৱৰ্তনৰ ইতিহাসে কথিত ৰূপৰ পৰিৱৰ্তনৰ ধাৰা এটাৰ সৈতেও আমাক পৰিচয় কৰাই দিয়ে।

ভাষাৰ লিখিত ৰূপৰ তথ্যৰ বিষয়ে কৰা আলোচনাই কেইবাটাও দিশ সামৰি লয়, যেনে— ভাষাৰ সমালোচনামূলক তথ্য, ভাষাৰ তুলনামূলক অধ্যয়নৰ তথ্য, গঠনাত্মক ৰূপৰ তথ্য ইত্যাদি। ভাষাৰ লিখিত তথ্যৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰি নিকোলাচ পি. হিমেলমেনে ইয়াক তিনিটা ভাগত ভাগ কৰিছে—

ক) কেঁচা তথ্য (Raw Data),

খ) মুখ্য তথ্য (Primary Data), আৰু

গ) গৌণ তথ্য (Secondary Data)।

এই তিনিটা ভাগৰ ভিতৰত কেঁচা তথ্যৰ উদাহৰণ হিচাপে ভাষাৰ মূল পাণ্ডুলিপিসমূহৰ কথা উল্লেখ কৰা হৈছে। আনহাতে মুখ্য তথ্যৰূপে সমীক্ষিত পাঠ তথা পৰিৱৰ্তিত ৰূপবোৰৰ কথা কোৱা হৈছে। শেষৰ ভাগত উল্লেখ হোৱা গৌণ তথ্য হ'ল ভাষাৰ লিখিত ৰূপৰ পৰা বিশ্লেষণ কৰি উলিওৱা গঠনগত ৰূপবোৰ।

ভাষিক তথ্যৰ প্ৰকৃতিৰ আধাৰত কেঁচা আৰু মুখ্য তথ্যসমূহক বিশেষ তথ্যৰ মৰ্যাদা দিয়া হয়। ইয়াৰ প্ৰধান কাৰণ হৈছে, এই তথ্যসমূহৰ ওপৰত নিৰ্ভৰ কৰি যিকোনো ভাষাৰ বিৱৰ্তনৰ ইতিহাস বিচাৰ কৰিব পাৰি। সেইদৰে, গৌণ লিখিত তথ্যসমূহ কেঁচা আৰু মুখ্য তথ্যৰ পৰা আহৰণ কৰা হয় আৰু ইয়াৰ সহায়ত ভাষাৰ গঠনগত বৈশিষ্ট্য নিৰ্ণয় কৰা হয়। অৰ্থাৎ ভাষা একোটাৰ বিশেষ বিশেষ সময়ত প্ৰকাশ পোৱা লিখিত সমলবোৰৰ আধাৰত ভাষাৰ ব্যাকৰণগত দিশসমূহ দাঙি ধৰিব পাৰি।

ভাষাৰ লিখিত সমল বা তথ্য ভাষা একোটাৰ ঐতিহাসিক বিৱৰ্তনৰ অধ্যয়নৰ বাবে প্ৰয়োজনীয় হোৱাৰ উপৰি ওপৰত উল্লেখ কৰি অহা তিনিওটা প্ৰকাৰ বা ভাগ ভাষাৰ লিখিত আৰু কথিত উভয় ক্ষেত্ৰতে প্ৰযোজ্য হয়। অৰ্থাৎ এই তিনি প্ৰকাৰৰ তথ্য ভাষাৰ কোনো এটা নিৰ্দিষ্ট সময়, ক্ৰমাগত বিৱৰ্তন আৰু বৰ্তমানৰ ভাষাৰূপৰ অধ্যয়নৰ বাবেও ব্যৱহাৰ কৰিব পাৰি।

৯.৪.৩ ভাষিক তথ্যৰ সংৰক্ষণ

ভাষিক তথ্যসমূহ পদ্ধতিগতভাৱে সংগ্ৰহ কৰি তাক ভাষা অধ্যয়নৰ বাবে প্ৰয়োগ কৰিবলৈ বিভিন্ন প্ৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰি ভাষা এটাৰ বিকাশৰ

অধ্যয়ন আৰু ভাষা-ব্যৱহাৰকাৰীৰ বাবে প্রয়োজনীয় শিক্ষণ তথা শিক্ষণ সামগ্রী প্রস্তুত কৰাৰ বাবেও ভাষিক তথ্যৰ পদ্ধতিগত সংৰক্ষণৰ প্রয়োজন। ভাষিক তথ্য সংগ্রহৰ ক্ষেত্রত বর্তমানে লোৱা পদ্ধতিৰ ভিতৰত উল্লেখযোগ্য পদ্ধতিসমূহ হ'ল—

ক) বাণীবদ্ধকৰণ ঃ ভাষাৰ কথ্যৰূপৰ তথ্য সংগ্রহৰ আটাইতকৈ উল্লেখযোগ্য পদ্ধতিটো হ'ল বাণীবদ্ধকৰণ। এই পদ্ধতিৰ সহায়ত প্রত্যক্ষভাৱে নির্দিষ্ট ভাষা কোৱা লোকৰ সৈতে সম্পর্ক ঘটে আৰু প্রকৃত ৰূপত তথ্যসমূহ সংগ্রহ কৰিব পৰা যায়। এই তথ্য পৰৱর্তী কালত বিশ্লেষণ কৰাৰ বাবে বাণীবদ্ধ কৰোঁতে উপযুক্ত যন্ত্র-পাতি প্রয়োগ কৰা আৱশ্যক। অন্যথা বিশ্লেষণ কৰি প্রকৃত বৈশিষ্ট্য নির্ণয় কৰাৰ সময়ত ই গৱেষকক অসুবিধাত পেলোৱাৰ সম্ভাৱনা থাকে। এই ক্ষেত্রত সংগৃহীত তথ্যৰ সুসংৰক্ষণৰ বাবে দৃশ্য আৰু শ্রব্য দুয়োটা মাধ্যম ব্যৱহাৰ কৰা প্রয়োজন।

খ) লিপ্যন্তৰকৰণ ঃ সংগৃহীত তথ্য আন্তঃৰাষ্ট্রীয় ধ্বনিলিপিৰে (IPA) লিপ্যন্তৰণ কৰাটো অতি প্রয়োজনীয়ক কথা। আন্তঃৰাষ্ট্রীয় ধ্বনিলিপিত লিপ্যন্তৰ কৰিলে ভাষা-গৱেষকসকলৰ বাবে সেই তথ্যৰ বিশ্লেষণ আৰু অধ্যয়ন যথেষ্ট সহজসাধ্য হৈ পৰে। তদুপৰি, ইয়াৰ জৰিয়তে তথ্যসমূহ বিজ্ঞানসন্মতভাৱে উপস্থাপন কৰিব পৰা যায়।

৯.৪.৪ ডিজিটেল ৰূপত ভাষাৰ সংৰক্ষণ

পাণ্ডুলিপিৰ আকাৰত থকা বহু ভাষিক তথ্য সাধাৰণতে উপযুক্ত কেমেৰাৰ সহায়ত ফটো তুলি সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। অতি সম্প্রতি উন্নত মানৰ আন প্রযুক্তি-কৌশলৰ প্রয়োগে�ৰেও ভাষিক তথ্য সংৰক্ষণৰ ব্যৱস্থা কৰিব পৰা গৈছে। লিখিত তথ্য স্কেন কৰি অথবা কম্পিউটাৰৰ সহায়ত ভাষা-প্রয়োগ আৰু ভাষা-অধ্যয়নৰ ওপৰত দৃষ্টি ৰাখি ভাষাবিজ্ঞানী হিমেলমেনে ভাষা-সংৰক্ষণৰ পাঁচটা দিশ নির্ণয় কৰিছে—

১) ভাষা-ব্যৱহাৰকাৰী আৰু ভাষাৰ অধ্যয়নৰ বাবে কেঁচা তথ্য আৰু মুখ্য তথ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া প্রয়োজন।

২) সংগৃহীত তথ্য সাধাৰণ ভাষা-ব্যৱহাৰকাৰী আৰু ভাষা-অধ্যয়নৰ সৈতে জড়িত লোকৰ বাবে সহজলভ্য হ'ব লাগে।

৩) সংগৃহীত তথ্য দীঘলীয়া সময়ৰ বাবে সংৰক্ষণ কৰিবলৈ আৱশ্যকীয় ব্যৱস্থা গ্রহণ কৰিব লাগে।

৪) ভাষিক তথ্য কেৱল ভাষা-ব্যৱহাৰকাৰী আৰু ভাষা অধ্যয়নকাৰীৰ মাজতেই সীমাবদ্ধ থাকিব নালাগে। এই তথ্য যাতে সমাজবিজ্ঞানৰ যিকোনো শাখাৰ অধ্যয়নকাৰীয়ে ব্যৱহাৰ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

৫) যি ভাষাৰ তথ্য সংগ্রহ কৰা হয়, সেই ভাষা কোৱা মানুহৰ সৈতে প্রত্যক্ষ যোগাযোগ ৰাখিব লাগে।

সাম্প্রতিক কালত ভাষাবিজ্ঞান আৰু ইয়াৰ সৈতে ওতপ্রোতভাৱে সংযুক্ত হৈ থকা কম্পিউটাৰ বিজ্ঞানৰ বিশেষজ্ঞসকলে ডিজিটেল পদ্ধতিত ভাষাৰ তথ্য-সংগ্রহ আৰু সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ প্রধান কাৰণ হ'ল, সম্প্রতি ভাষা-প্রযুক্তিৰ দ্রুত বিকাশৰ ফলত বিশ্বৰ যিকোনো ভাষাৰ প্রযুক্তিগত অধ্যয়ন সম্ভৱ হৈ উঠিছে। কিন্তু সকলোবোৰ ভাষাৰে প্রযুক্তিগত বিকাশ এতিয়াও সম্ভৱ হৈ উঠা নাই। তাৰ ঘাই কাৰণ হৈছে ভাষাসমূহৰ পর্যাপ্ত আৰু উপযুক্ত তথ্যৰ অভাৱ। এই অভাৱ পুৰণ কৰিবলৈ হ'লে ভাষা-অধ্যয়নকাৰীসকলে ক্ষেত্র-ভাষাবিজ্ঞানৰ বিভিন্ন দিশৰ লগতে তথ্য সংগ্রহ আৰু সংৰক্ষণ-পদ্ধতিৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব লাগিব। এনে প্রয়োজনীয়তাৰ ওপৰত দৃষ্টি ৰাখি এই উপ-অধ্যায়ত ভাষিক তথ্য সংগ্রহ আৰু সংৰক্ষণৰ বিষয়ে থুলমূল আভাস এটা দাঙি ধৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভাষাৰ তথ্য সংৰক্ষণ বুলিলে কি বুজে ?

(১৫০টা শব্দৰ ভিতৰত)

.....

৯.৫ স্নায়ৱিক ভাষাবিজ্ঞান

ভাষা হ'ল এক মানসিক প্রক্রিয়া। আমি দৈনন্দিন জীৱনত আহৰণ কৰা অভিজ্ঞতাক মনৰ মাজত সৃষ্টি হোৱা ধাৰণা, ভাব, চিন্তা আদিৰ দ্বাৰা পৰিশীলিত ৰূপ প্রদান কৰি ভাষাৰ মাধ্যমেৰে প্রকাশ কৰোঁ। এই ফালৰ পৰা বিচাৰ কৰিলে ভাষাৰ মাজত দুটা প্রধান দিশ দৃষ্টিগোচৰ হয়— এটা হ'ল মনৰ ভাব আৰু আনটো হ'ল সেই ভাব প্রকাশ কৰিব পৰাকৈ আৰু অন্যলোকে বুজিব পৰাকৈ প্রকাশ কৰা ভাষাৰ নির্দিষ্ট গাঁথনিক ৰূপ বা আন কথাত ধ্বনি, ৰূপ, শব্দ বাক্য আদিৰ উপাদানৰ নির্দিষ্ট ক্রমযুক্ত ব্যৱহাৰ। ভাষাত ব্যৱহাৰ কৰা শব্দ-বাক্য আদিৰ অর্থ বুলিলে প্রকাৰন্তৰে আমি বক্তাৰ মনৰ ভাবৰাশিকে বুজোঁ। অর্থাৎ মনৰ ভাবৰ ভাষিক প্রকাশেই ইয়াৰ 'অর্থ' (meaning)। ভাষাৰ গঠনগত ৰূপ আৰু মনৰ ভাব— এই দুয়োটী কিছুমান জটিল মানসিক প্রক্রিয়াৰ মাজেৰে সাধিত হয়। উল্লেখযোগ্য কথাটো হ'ল আমি ভাবৰ উৎস হিচাপে যাক 'মন' বুলি কওঁ তাৰ ভৌতিক অৱস্থিতি (Physical Appearance) সম্পর্কে স্পষ্ট ধাৰণা পোৱা নাযায়। কিন্তু ইয়াৰ বিপৰীতে চিকিৎসা বিজ্ঞানীসকলে আমাৰ মগজুৰ স্নায়ুকোষ অথবা নিউৰণসমূহৰ দ্বাৰা ভাব বা চিন্তাৰ উৎপত্তি হয় বুলি আৰু ভাষিক ৰূপত এইবোৰ প্রবাহিত হয় বুলি প্রমাণ কৰি দেখুৱাইছে। মানুহৰ মগজুটোত থকা কৌটি কৌটি নিউৰণৰ ক্রিয়া-প্রতিক্রিয়াৰ মাজতেই ভাষাৰ জৈৱিক প্রকৃতিৰ পৰিচয় পোৱা যায়। মানুহৰ মগজুটোৱে ভাষা-প্রয়োগৰ ক্ষেত্রত প্রধানকৈ দুটা কার্য সম্পাদন কৰে ঃ এটা ভাষাৰ গঠন সম্পর্কীয় নিয়মসমূহৰ আয়ত্তকৰণ আৰু আনটো বিশেষ নিয়মৰ দ্বাৰা গঠন

হোৱা ভাষাৰ সহায়ত মনৰ ভাব প্ৰকাশ কৰা কাৰ্য। মানুহৰ ভাষা আহৰণ আৰু প্ৰকাশৰ এই দুটা কাৰ্য তিনিটা প্ৰক্ৰিয়াৰ মাজেৰে সম্পন্ন হয়। এই তিনিটা কাৰ্য হ'ল—

১। শুনা কাৰ্য (Listening),

২। বুজা আৰু ভবা কাৰ্য (Understanding and thinking), আৰু

৩। কোৱা বা প্ৰকাশ কৰা কাৰ্য (Speaking or expressing)।

উল্লিখিত এই তিনিওটা প্ৰক্ৰিয়া আমাৰ মগজুৰ বিশেষ বিশেষ অংশসমূহে পৰিচালনা কৰে। ভাষাবিজ্ঞানৰ দৃষ্টিকোণেৰে বিচাৰ কৰি এই তিনিওটা প্ৰক্ৰিয়াক ভাষাবিজ্ঞানৰ তিনিখন ক্ষেত্ৰৰ অন্তৰ্ভুক্ত হিচাপে বিচাৰ কৰা হয়। যেনে—

১। শুনা বা শ্ৰৱণ কাৰ্য — শ্ৰুতি ভাষাবিজ্ঞান (Auditory Linguistics),

২। বুজা বা বোধ কাৰ্য — স্নায়ৱিক ভাষাবিজ্ঞান (Neuro Linguistics), আৰু

৩। কোৱা কাৰ্য — উচ্চাৰণাত্মক ভাষাবিজ্ঞান (Articulatory Linguistics)।

ওপৰত উল্লেখ কৰা শ্ৰুতি ভাষাবিজ্ঞান আৰু উচ্চাৰণাত্মক ভাষাবিজ্ঞান এই দুখন ক্ষেত্ৰ ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ ভিতৰুৱা বাবে ইয়াক শ্ৰুতি ধ্বনিবিজ্ঞান (Auditory Phonetics) আৰু উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics) বুলি বিবেচনা কৰা হয়।

৯.৫.১ স্নায়ৱিক ভাষাবিজ্ঞান ঃ সাধাৰণ পৰিচয়

ভাষাবিজ্ঞানী তথা স্নায়ুবিজ্ঞানীসকলে প্ৰমাণ কৰি দেখুৱাইছে যে ভাষাৰ সমগ্ৰ প্ৰক্ৰিয়া আমাৰ মগজুত থকা 'চেৰিব্ৰেল হেমিস্ফিয়াৰ' (Cerebral Hemisphere)-ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। গতিকে স্নায়ৱিক ভাষাবিজ্ঞানত ভাষা আহৰণ আৰু প্ৰকাশ কৰা কাৰ্যত মগজুৰ এই অংশটোৰ কাৰ্যকলাপ তথা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিষয়ে অধ্যয়ন কৰা হয়। স্নায়ৱিক ভাষাবিজ্ঞানৰ সংজ্ঞা দিবলৈ গৈ প্ৰসিদ্ধ স্নায়ু ভাষাবিজ্ঞানী Elisabeth Ahlsen-এ এই বুলি উল্লেখ কৰিছে—

> "Neurolinguistics studies the relation of language and communication to different aspects of brain function, in other words it tries to explore how the brain understand and produces language and communications." (Introduction to Neurolinguistics, p.-3).

অৰ্থাৎ, স্নায়ৱিক ভাষাবিজ্ঞানে ভাষা আৰু যোগাযোগ ব্যৱস্থাত আমাৰ মগজুৱে কেনেদৰে কাৰ্য সম্পাদন কৰে সেই বিষয়ে অধ্যয়ন কৰে। তদুপৰি, মানুহৰ মগজুৱে কেনেদৰে ভাষা আহৰণ কৰে আৰু ভাষাৰ দ্বাৰা পাৰস্পৰিক যোগাযোগ কাৰ্য কিদৰে সম্পন্ন কৰে, সেই কথাও স্নায়ৱিক ভাষাবিজ্ঞানৰে আলোচ্য বিষয়।

ওপৰৰ সংজ্ঞাটো বিশ্লেষণ কৰিলে দেখা যায়, স্নায়ুবিজ্ঞানৰ সৈতে ভাষাবিজ্ঞানৰ অন্যান্য শাখা, যেনে— মনোভাষাবিজ্ঞান (Psycholinguistics),

সংজ্ঞানাত্মক বা অৱগতিমূলক ভাষাবিজ্ঞান (Cognitive Linguistics) আদি শাখাবোৰৰ ওতপ্রোত সম্পর্ক আছে। সেইদৰে চিকিৎসা বিজ্ঞানৰ অন্তর্গত স্নায়ুবিজ্ঞান (Neuroscience)-ৰ সৈতেও স্নায়ৱিক ভাষাবিজ্ঞানৰ সম্পর্ক বিদ্যমান। প্রকৃতার্থত স্নায়ুবিজ্ঞানৰ আধাৰত কৰা নানান পৰীক্ষা-নিৰীক্ষাই স্নায়ৱিক ভাষাবিজ্ঞানৰ উৎপত্তিৰ মূল বুলিব পাৰি। সেয়ে হ'লেও, স্নায়ুবিজ্ঞান আৰু ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা স্নায়ৱিক ভাষাবিজ্ঞানক দুই ধৰণে বিচাৰ কৰা হয়। তলত তাৰ আভাস দাঙি ধৰা হৈছে—

স্নায়ুবিজ্ঞানৰ অন্তর্গত বিষয় হিচাপে স্নায়ুভাষাবিজ্ঞানে ভাষা সংসাধন (Language Processing) প্রক্রিয়াত আমাৰ মগজুৱে স্বায়ুবিজ্ঞানসন্মতভাৱে কেনেদৰে কার্য সম্পাদন কৰে এই বিষয়ে অধ্যয়ন কৰে। এই অধ্যয়ন প্রধানতঃ চিকিৎসা বিজ্ঞানৰ লগতহে অধিক সম্পর্কান্বিত বুলিব পাৰি। আনহাতে, ভাষাবিজ্ঞানৰ বিষয় হিচাপে ভাষাবিজ্ঞানৰ দৃষ্টিকোণেৰে বিচাৰ কৰিলে দেখা যায়,— আমাৰ মগজুৱে ইয়াৰ স্নায়ুকোষ বা নিউৰণসমূহৰ দ্বাৰা ভাষাৰ গঠন-পদ্ধতি কেনেদৰে আয়ত্ত কৰে, সেই কথা স্নায়ৱিক ভাষাবিজ্ঞানে অধ্যয়ন কৰে।

ওপৰত উল্লেখ কৰা দুয়োটা দৃষ্টিকোণ বিচাৰ কৰিলে দেখা যায়, স্নায়ুভাষাবিজ্ঞানৰ পৰিসৰে দুয়োটা দৃষ্টিকোণকে দুই ধৰণে সামৰি লয়। সেয়েহে স্নায়ৱিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ বাবে চিকিৎসা শাস্ত্র আৰু ভাষাবিজ্ঞান,— এই দুয়োটা বিষয়ৰ জ্ঞানৰ প্রয়োজন হয়। অর্থাৎ ইয়াৰ এখনো ক্ষেত্র স্বতন্ত্র বা স্বয়ং সম্পূর্ণ নহয়।

৯.৫.২ স্নায়ৱিক ভাষাবিজ্ঞানৰ ইতিহাস

স্নায়ৱিক ভাষাবিজ্ঞানৰ স্বতন্ত্র অধ্যয়ন বৰ বেছি পুৰণি নহয়। ইয়াৰ যথার্থ অধ্যয়ন ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধৰ পৰা আৰম্ভ হয়। দৰাচলতে মানুহৰ এক ধৰণৰ মানসিক ৰোগৰ চিকিৎসা কার্যৰ জৰিয়তে পোনতে এই বিষয়ৰ অধ্যয়নে বিশেষ গুৰুত্ব লাভ কৰে। স্নায়ুবিজ্ঞানত এইবিধ মানসিক ৰোগক 'এফাচিয়া' বোলা হয়। ইয়াক এক প্রকাৰৰ ভাষা বিস্মৃতি বা ভাষা বিকৃতি বুলিব পাৰি। অর্থাৎ মগজুৰ কিছুমান বিশেষ বিশেষ স্নায়ুকোষৰ ক্ষতি সাধনৰ ফলত মানুহৰ ভাষা আহৰণ আৰু প্রকাশ-কার্যত বাধা জন্মে। ফলত মানুহে ভাব আৰু ভাষাৰ সৈতে সংগতি ৰক্ষা কৰিবলৈ অক্ষম হয়। এই ৰোগৰ চিকিৎসা তত্ত্বক 'এফাচিয়'লজি' বা 'এফাচিয়াতত্ত্ব' বোলা হয়। এই চিকিৎসা-প্রণালীৰ জৰিয়তে মানুহৰ মগজুৱে ভাষা-আহৰণ আৰু প্রকাশ কৰা প্রক্রিয়া পোহৰলৈ আহে। বিংশ শতিকাৰ প্রাৰম্ভতে স্নায়ুবিজ্ঞানৰ অন্তর্গত বিষয় হিচাপে 'এফাচিয়াতত্ত্ব' তথা ভাষাৰ সৈতে মানুহৰ মগজুৰ সম্পর্কৰ অধ্যয়ন কেন্দ্রীয় বিষয়বস্তু হিচাপে চিহ্নিত হয়। ৰোগীৰ ভাষা-ব্যৱহাৰৰ সমস্যা, বা আন কথাত ভাব-প্রকাশৰ সমস্যাৰ সৈতে সম্পর্কিত মগজুৰ স্নায়ুকোষৰ ক্ষতিয়ে ভাষা-আহৰণ আৰু প্রকাশত যে বাধাৰ সৃষ্টি কৰে সেই কথা পোহৰলৈ আহে।

১৯৮৫ চনত প্ৰকাশ পোৱা "Journal of Neurolinguistics" শীৰ্ষক গৱেষণা পত্ৰিকাখনে স্নায়ৱিক ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনৰ প্ৰতি স্নায়ুবিজ্ঞানী আৰু ভাষাবিজ্ঞানীসকলক বিশেষভাৱে আকৰ্ষিত কৰে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত স্নায়ুবিজ্ঞানী আৰু ভাষাবিজ্ঞানীসকলে স্বতন্ত্ৰ আৰু যুটীয়াভাৱে অধ্যয়ন কৰি বিষয়ক্ষেত্ৰখনক বহুদূৰ আগবঢ়াই আনে। ইয়াতে ভাষাবিজ্ঞানী, বিশেষকৈ মনোভাষাবিজ্ঞানীসকলে বিষয়টোক স্নায়ৱিক ভাষাতত্ত্ব (Neurology of Language)-ৰূপে ভাষা-আহৰণ আৰু প্ৰকাশ-প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব দি অধ্যয়ন কৰে আৰু স্নায়ৱিক ভাষাবিজ্ঞান (Neuroscience of Language)-ৰ ৰূপত চিকিৎসা বিজ্ঞানীসকলে ভাষা-আহৰণ আৰু প্ৰকাশত মানুহৰ মগজুৰ স্নায়ুকোষসমূহৰ ক্ৰিয়া-কলাপৰ অধ্যয়ন কৰিবলৈ লয়।

৯.৫.৩ ভাষা আৰু মগজুৰ সম্পৰ্ক

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে মানৱ মগজুৰ কোষবোৰৰ ভূমিকাৰ বিষয়ে কৰা অধ্যয়নেই স্নায়ৱিক ভাষাবিজ্ঞান-অধ্যয়নৰ কেন্দ্ৰীয় বিষয়। গতিকে স্নায়ৱিক ভাষাবিজ্ঞানৰ প্ৰাথমিক ধাৰণা লাভৰ বাবেও ভাষাৰ গ্ৰহণ আৰু প্ৰকাশ কাৰ্যত মগজুৰ কোষবোৰে কেনেদৰে কাম কৰে, তাৰ বিশ্লেষণ অতীব প্ৰয়োজন। ভাষা আৰু মগজুৰ সম্পৰ্ক বুলিলে মূলতঃ তলত উল্লেখ কৰা বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়—

১। ভাষাৰ উপাদান সম্পৰ্কীয় জ্ঞান,

২। মগজুৰ গঠন আৰু কাৰ্য,

৩। ভাষা-ব্যৱহাৰত মগজুত হোৱা পাৰ্শ্বক্ৰিয়া (Lateralization) আৰু বিপৰীতমুখী পাৰ্শ্বক্ৰিয়া (Centralateralization), আৰু

৪। দেহতত্ত্ব আৰু ভাষাৰ সূক্ষ্ম প্ৰয়োগৰ সামগ্ৰিক বহিঃপ্ৰকাশ (Anatomy and Modularity of Language)।

ভাষাৰ গঠন সম্পৰ্কীয় বিভিন্ন দিশ, যেনে— ধ্বনি, শব্দ, ৰূপ, বাক্য, অৰ্থ, গঠনাত্মক নিয়ম— এই সকলোবোৰ উপাদানেই বিশেষ প্ৰক্ৰিয়াৰে মগজুৰ বিশেষ বিশেষ কোষৰ ওপৰত ক্ৰিয়া কৰি একো একোটা ধাৰণাৰ সৃষ্টি কৰে। মানৱ মগজুৰ এই কোষসমূহে এই উপাদানসমূহৰ সংসাধনৰ দ্বাৰা শব্দ, বাক্য আদিৰ অৰ্থৰ ধাৰণালৈ পৰিৱৰ্তন কৰা কাৰ্য অতি জটিল প্ৰক্ৰিয়াৰ মাজেদি সম্পন্ন হয়।

মানুহৰ মগজুত এক কৌটিতকৈও অধিক স্নায়ুকোষ থাকে। এই কোষবোৰৰ দ্বাৰা গঠিত মানৱ মগজুটোক তিনিটা প্ৰধান ভাগত ভাগ কৰা হয়, যেনে—

ক) প্ৰমস্তিষ্ক বা গুৰু মস্তিষ্ক (Cerebrum),

খ) অনুমস্তিষ্ক বা লঘু মস্তিষ্ক (Cerebellum) আৰু

গ) মগজু ষ্টেম (Brain Stem)।

ভাষা সংসাধন-প্রক্রিয়াটো মানৰ মগজুৰ গুৰু মস্তিষ্ক অংশটোৱে নিয়ন্ত্রণ কৰে। কার্য অনুসৰি গুৰু মস্তিষ্কক আকৌ দুটা ভাগত ভাগ কৰা হয়, যেনে —

ক) বাও অংশ (Left Hemisphere) আৰু

খ) সোঁ অংশ (Right Hemisphere)

এই দুয়োটা অংশৰে উপৰি ভাগ ধূসৰ আৰু ভিতৰ ভাগ বগা বৰণৰ। ইয়াক গুৰু মস্তিষ্কৰ বাহ্য কলা (Cerebral Cortex) বোলা হয়। ইয়াৰে ধূসৰ তৰপটোৰ প্রধান কাম হ'ল সংবাদ পৰিবহন। মানৰ মগজুৰ এই গুৰু মস্তিষ্কৰ বাহ্য কলা অংশটোৰ ওপৰতেই যুক্তি-বিচাৰ (Reasoning)-ৰ যোগ্যতা আৰু বোধশক্তি নির্ভৰ কৰে। অর্থাৎ মগজুৰ এই অংশৰ ক্ষতিসাধন হ'লে মানুহৰ বোধশক্তিত আঘাত লাগে আৰু ভাষাত ব্যৱহাৰ হোৱা ক্রম বিঘ্নিত হয়। এই সমগ্র প্রক্রিয়া আকৌ ভাষা-আহৰণ আৰু ভাষা প্রকাশৰ সৈতে জড়িত।

স্নায়ুবিজ্ঞানীসকলে পোনতে এই গুৰু মস্তিষ্কৰ বাহ্য কলা (Cerebral Cortex)-ত ভাষাৰ সমগ্র প্রক্রিয়া সাধন হোৱা বুলি থিৰাং কৰিছিল। এই অংশৰ স্থান মগজুৰ বাঁও ফাল (Left Hemisphere)-ত। কিন্তু সাম্প্রতিক কালৰ স্নায়ুবিজ্ঞানীসকলে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা এইটো প্রমাণ কৰি দেখুৱাইছে যে, ভাষা-আহৰণ আৰু প্রকাশৰ সৈতে মগজুৰ সোঁ অংশ (Right Hemisphere)-টোৰো সম্পর্ক আছে। বিজ্ঞানীসকলৰ মতে, মানুহৰ আবেগ-অনুভুতি, প্রসংগৰ নির্ণয় আদি কার্যত এই অংশটোৱে সক্রিয় ভূমিকা গ্রহণ কৰে। যিহেতু মানুহৰ আবেগ-অনুভুতি, প্রসংগৰ বিচাৰ-বিশ্লেষণ আদিক ভাষাৰ পৰা পৃথক কৰিব নোৱাৰি, সেয়েহে ভাষা সম্পর্কীয় দিশবোৰত মগজুৰ সোঁ-অংশ গুৰুত্বহীন বুলিব নোৱাৰি।

এফাচিয়া তত্ত্ব ঃ আগতেই উল্লেখ কৰি অহা হৈছে যে স্নায়ৱিক ভাষাবিজ্ঞানৰ বিকাশ সাধন হোৱাৰ মূলতে আছে মানুহৰ মগজুত থকা বিশেষ কিছুমান স্নায়ুকোষৰ ক্ষতিসাধনৰ ফলত হোৱা 'ভাষা-বিকৃতি' (Language disorder) ৰোগৰ, অর্থাৎ 'এফাচিয়া'ৰ অধ্যয়ন।

ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা 'এফাচিয়া' ৰোগৰ অধ্যয়নৰ লগে লগে স্নায়ৱিক ভাষাবিজ্ঞানৰো প্রকৃত স্বৰূপ উদ্‌ঘাটন হ'বলৈ আৰম্ভ কৰে। এই সময়ত বিশ্বৰ আগশাৰীৰ স্নায়ুবিজ্ঞানীসকলে সম্পাদন কৰা বিভিন্ন পৰীক্ষা-নিৰীক্ষাত এইটো স্পষ্টভাৱে প্রমাণিত হয় যে, সাধাৰণতে মগজুৰ বাঁও অংশৰ কিছুমান স্নায়ুকোষৰ ক্ষতিসাধন হোৱাৰ ফলত এই ৰোগে দেখা দিয়ে। এই সময়ৰ স্নায়ুবিজ্ঞানীসকলৰ ভিতৰত ফৰাচী স্নায়ুবিজ্ঞানী প'ল ব্রকা (Paul Broca : 1824-1880) আৰু জার্মান স্নায়ুবিজ্ঞানী কার্ল ওৱেৰিনিক (Carl Werinicke : 1848-1905)-ৰ নাম বিশেষভাৱে

উল্লেখযোগ্য। এই দুগৰাকী প্ৰখ্যাত স্নায়ুবিজ্ঞানীৰ নামেৰে আমাৰ মগজুৰ ক্ষেত্ৰ দুখনক— 'ব্ৰকাজ ক্ষেত্ৰ' (Broca's area) আৰু 'ওৱেৰিনিক ক্ষেত্ৰ' (Werinicke's area) হিচাপে নামকৰণ কৰা হৈছে। ১৮৬১ চনত প'ল ব্ৰকাই পোন প্ৰথমবাৰৰ বাবে মানৱ মগজু আৰু ভাষাৰ সম্পৰ্ক আৱিষ্কাৰ কৰে। ইয়াৰ পৰৱৰ্তী কালত অৰ্থাৎ ১৮৭৪ চনত জাৰ্মান স্নায়ুবিজ্ঞানী কাৰ্ল ওৱেৰিনিকে মানৱ মগজুৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা এইটো প্ৰমাণ কৰি দেখুৱায় যে মানৱ মগজুৰ 'Left inferior frontal gyrus' অংশটোৰ ক্ষতিসাধনৰ ফলত মানুহে যুকিয়াই ভাষা প্ৰকাশ কৰাৰ ক্ষমতা হেৰুৱাই পেলায়। ইয়াৰ উপৰি মগজুৰ এই অংশটোৰ ক্ষতিসাধনৰ ফলত মানুহে নিৰ্দিষ্টতাবাচক প্ৰত্যয়, সহায়কাৰী ক্ৰিয়া আদিৰ প্ৰয়োগ কৰিব নোৱৰা হয়। ভাষা-প্ৰয়োগৰ এনে ধৰণৰ খেলি-মেলি মগজুৰ 'ব্ৰকা ক্ষেত্ৰ'ৰ ক্ষতিসাধনেই প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে।

'ওৱেৰিনিক ক্ষেত্ৰ' ভাষাৰ আন কিছুমান দিশৰ সৈতেও জড়িত। ইয়াৰ সৈতে ভাষাৰ গঠন আৰু বক্তাই প্ৰকাশ কৰিব খোজা ধাৰণাৰ সম্পৰ্ক আছে। কেতিয়াবা দেখা যায়, বক্তাই প্ৰকাশ কৰা বাক্য ব্যাকৰণগতভাৱে শুদ্ধ হ'লেও তাৰ দ্বাৰা প্ৰকাশ কৰিব বিচৰা ধাৰণা বা ভাব সংগতিবিহীন হৈ পৰে। এনে বিকৃতি মানুহৰ মগজুৰ বাঁওফালে থকা 'ওৱেৰিনিক ক্ষেত্ৰ'ৰ ক্ষতিসাধনৰ ফলত হয় বুলি স্নায়ুবিজ্ঞানী কাৰ্ল ওৱেৰিনিকে প্ৰমাণ কৰি দেখুৱাইছে। ওৱেৰিনিকৰ মতে মানুহৰ শ্ৰৱণ-ক্ষেত্ৰৰ সৈতে মগজুৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। মগজুৰ এই অংশই মানুহে শ্ৰৱণ-কাৰ্যৰ দ্বাৰা আহৰণ কৰা ধ্বনি, শব্দ, বাক্য আদিৰ দ্বাৰা প্ৰকাশ কৰিব বিচৰা অৰ্থৰ উদ্ধাৰ কাৰ্য সম্পন্ন কৰে। যেতিয়া এই অৰ্থোদ্ধাৰ কাৰ্য সম্পাদন কৰা মগজুৰ বিশেষ কিছুমান কোষৰ ক্ষতিসাধন হয়, তেতিয়া সেই শব্দ অথবা বাক্যৰ প্ৰকৃত অৰ্থ উদ্ধাৰত মানুহ ব্যৰ্থ হৈ পৰে। ইয়াৰ উপৰি মগজুৰ কোষৰ ক্ষতিসাধনে মানুহৰ বোধশক্তিতো বিশৃংখলতাৰ সৃষ্টি কৰে, অৰ্থাৎ শ্ৰৱণেন্দ্ৰিয়ৰ দ্বাৰা আহৰণ কৰা ভাষা তেওঁৰ বাবে দুৰ্বোধ্য হৈ পৰে। একে সময়তে আক্ৰান্ত ব্যক্তিগৰাকীয়ে মনৰ ধাৰণা বা ভাব প্ৰকাশ কৰিবলৈ যাওঁতে শব্দ, বাক্য আদিত যি ধৰণে অৰ্থ আৰোপ কৰিব লাগে তাক কৰাত সমূলি ব্যৰ্থ হয়। তেতিয়া বক্তাই প্ৰকাশ কৰা ভাষাত অৰ্থ, প্ৰসংগ আদিৰ বিসংগতি ধৰা পৰে।

ভাষা আৰু মগজুৰ সম্পৰ্ক নিবিড় সম্পৰ্ক আছে। মানৱ ভাষাৰ সংসাধন প্ৰক্ৰিয়াত মগজুৰ হাজাৰ বিজাৰ স্নায়ুকোষে অনবৰতে কাম কৰি থাকে। এই জটিল কাৰ্য সম্পাদন প্ৰক্ৰিয়াৰ বিষয়ে কৰা অধ্যয়নত সাম্প্ৰতিক কালৰ স্নায়ৱিক ভাষাবিজ্ঞানী আৰু স্নায়ুবিজ্ঞানীসকল বহুদূৰ আগবাঢ়ি গৈছে। মানুহৰ ভাষা-ব্যৱহাৰ আৰু সেই ভাষাৰ গঠন, ভাষাৰ দ্বাৰা বোধশক্তিৰ বিকাশ, মগজুৰ বিষয়ে বিশ্লেষণ কৰা প্ৰক্ৰিয়া, ভাষাৰ অৰ্থোদ্ধাৰ, মানুহে প্ৰকাশ কৰিব খোজা মনোভাব, ভাষাৰ ওপৰত আৰোপ কৰা অৰ্থৰ উদ্ধাৰ আদি

ভাষাবৈজ্ঞানিক দিশসমূহৰ উপৰিও সমগ্ৰ ভাষা-সংসাধন প্ৰক্ৰিয়াটোক স্নায়ুভাষাবিজ্ঞানে বিশ্লেষণ কৰি দেখুৱায়। স্নায়ুভাষাবিজ্ঞানীয়ে আমাক এইটো স্পষ্ট কৰি দিয়ে যে ভাষা-আহৰণ আৰু প্ৰকাশ কৰা কাৰ্য কিছুমান জটিল স্নায়ুবৈজ্ঞানিক পদ্ধতিৰে সমাধা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ভাষাৰ লগত মগজুৰ সম্পৰ্ক কি?

(২০০টা শব্দৰ ভিতৰত)

.....

৯.৬ জৈৱ ভাষাবিজ্ঞান

৯.৬.১ জৈৱ ভাষাবিজ্ঞান ঃ সাধাৰণ পৰিচয়

মানুহে ভাষা আয়ত্ত কৰা প্ৰক্ৰিয়াত মন, মগজু, পৰিৱেশ আদি বিভিন্ন দিশ জড়িত হৈ থাকে। এই সকলোবোৰ সামৰি ভাষা অকল আয়ত্ত কৰাই নহয় ভাষা-প্ৰয়োগৰ ক্ষেত্ৰ একোখনৰো সৃষ্টি হয়। ভাষা-প্ৰয়োগৰ প্ৰথম চর্ত হিচাপে প্ৰয়োজন হয় বক্তা আৰু শ্ৰোতাৰ। পোনতে যদি বক্তাৰ ফালে দৃষ্টি দিয়া হয় তেতিয়া দেখা যাব যে বক্তা এগৰাকীয়ে নিজৰ মনৰ ভাব পৰিশীলিত ৰূপত ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰে। আপাত দৃষ্টিত আমি যদিও বক্তাই ভাষা একোটা প্ৰকাশ কৰা বুলি ভাবোঁ, প্ৰকৃতপক্ষে কিন্তু বক্তাই ভাষা প্ৰকাশ নকৰে, বা কেৱল ভাষা প্ৰকাশ কৰাটো বক্তাৰ উদ্দেশ্যও নহয়। আচলতে বক্তাই কিবা কোৱা মানে কিবা এটা মনৰ ভাব প্ৰকাশ কৰাটোহে বুজায়। বক্তাই প্ৰকাশ কৰিব বিচৰা ভাব একোটা ভাষাৰ উপাদান যেনে- ধ্বনি, শব্দ, ৰূপ, বাক্য আদিত আৰোপ কৰা এটা মানসিক প্ৰক্ৰিয়াৰ দ্বাৰা সম্পন্ন হয়। এই মানসিক প্ৰক্ৰিয়া আকৌ আমাৰ মগজুত থকা ভাষা ব্যৱহাৰকাৰী স্নায়ুকোষৰ দ্বাৰা সম্পন্ন হয়। অৰ্থাৎ, আমাৰ মনত যি বোধ বা ধাৰণাৰ সৃষ্টি হয়, সেই বোধ বা সংজ্ঞানৰ সৈতে বক্তাৰ আয়ত্তত থকা ভাষাৰূপৰ মাজত সম্পৰ্ক স্থাপিত হয়। ভাষা একোটা আয়ত্ত কৰাৰ সময়তো অৰ্থ বা বোধশক্তি সমান্তৰালভাৱে প্ৰয়োগ হয়। উদাহৰণ স্বৰূপে শিশু একোটাই যেতিয়া একো একোটা শব্দ আয়ত্ত কৰি বিভিন্ন পৰিৱেশত ক'বলৈ বা ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে তেতিয়া শিশুটোৰ মনৰ মাজত শব্দ, বাক্য আদিৰ সহায়ত বাহ্যিক জগতৰ এক সংজ্ঞানাত্মক ধাৰণাৰ সৃষ্টি হয়। এনেদৰে একোটা শব্দ বা বাক্যৰ দ্বাৰা আহৰণ কৰা সংজ্ঞানাত্মক ধাৰণাৰ আধাৰত শিশুটিয়ে মনৰ মাজত বিভিন্ন আৰু বিচিত্ৰ ধাৰণাৰ সৃষ্টি কৰি লয় আৰু সেইবোৰ বিভিন্ন পৰিৱেশত বিভিন্ন প্ৰকাৰে প্ৰকাশ কৰিবলৈ শিকে। এই সমগ্ৰ প্ৰক্ৰিয়াটোত প্ৰধানকৈ দুখন ক্ষেত্ৰ প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে—

ক) মানৰ মগজুৰ কার্য-কলাপ, আৰু

খ) মানৰ মগজুত ক্রিয়া-প্রক্রিয়াৰ পৰিণতিত হোৱা বোধশক্তিৰ বিকাশ।

৯.৬.২ স্নায়ৱিক ভাষাবিজ্ঞান আৰু জৈৱ ভাষাবিজ্ঞানৰ প্রভেদ

স্নায়ৱিক ভাষাবিজ্ঞানত ভাষাৰ সৈতে মানুহৰ মগজুৰ নিউৰণসমূহৰ সম্পর্কৰ বিষয়ে অধ্যয়ন কৰা হয়। আনহাতে, মানুহৰ বোধশক্তিৰ বিকাশ আৰু ইয়াৰ প্রকৃতি সম্পর্কে জৈৱ ভাষাবিজ্ঞানত অধ্যয়ন কৰা হয়। সেয়ে হ'লেও, জৈৱ ভাষাবিজ্ঞানত স্নায়ৱিক ভাষাবিজ্ঞানৰ সহায় অপৰিহার্য বুলিব পাৰি। স্নায়ৱিক ভাষাবিজ্ঞান আৰু জৈৱ ভাষাবিজ্ঞানৰ প্রধান পার্থক্যসমূহ এনে ধৰণৰ—

ক) স্নায়ৱিক ভাষাবিজ্ঞানত মগজুত থকা ভাষা-ব্যৱহাৰকাৰী স্নায়ুকোষসমূহৰ কার্য-কলাপৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়, কিন্তু জৈৱ ভাষাবিজ্ঞানত এই স্নায়ৱিক কার্য-কলাপৰ দ্বাৰা মানুহৰ বোধশক্তিৰ প্রকৃতি কেনে ধৰণৰ হয় সেই বিষয়েহে অধ্যয়ন কৰা হয়।

খ) স্নায়ৱিক ভাষাবিজ্ঞানৰ চিকিৎসা মনোবিজ্ঞানৰ সৈতে প্রত্যক্ষ সম্পর্ক আছে, কিন্তু জৈৱ ভাষাবিজ্ঞানৰ প্রত্যক্ষ সম্পর্ক হ'ল সংজ্ঞানাত্মক ভাষাবিজ্ঞানৰ সৈতে। অর্থাৎ মানুহৰ বোধশক্তিৰ বিকাশত ভাষাৰ ভূমিকা আৰু বোধশক্তিৰ বিকাশে ভাষা-প্রয়োগত কেনে ধৰণৰ ভূমিকা গ্রহণ কৰে, সেইটোৱে জৈৱ ভাষাবিজ্ঞানৰ প্রধান বিচার্য বিষয়।

এগৰাকী আগশাৰীৰ জৈৱ ভাষাবিজ্ঞানী Cedric Boecks-এ জৈৱ ভাষাবিজ্ঞানৰ সংজ্ঞা দিবলৈ গৈ এনে ধৰণে উল্লেখ কৰিছে—

"Biolinguistics refers to a branch of the cognitive science that focuses on uncovering the biological underpinnings of the human capacity to acquire atleast one natural language." (Biolinguistics : forays into human cognitive biology-vol. 91, pp. 63-89)

অর্থাৎ, জৈৱ ভাষাবিজ্ঞানৰ কাম হ'ল মানুহে জীৱনত কম পক্ষেও এটা ভাষা আহৰণ কৰিব পৰা যোগ্যতাৰ মনোদৈহিক কাৰণ উদ্‌ঘাটন কৰা, যাক আমি সংজ্ঞানাত্মক বিজ্ঞান বুলি কওঁ।

ভাষা-আহৰণত মনোদৈহিক কার্য-কাৰণ প্রক্রিয়া সম্পর্কে বহু মনোবিজ্ঞানী, ভাষাবিজ্ঞানী, স্নায়ুবিজ্ঞানীয়ে বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি আহিছে। তাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য দুগৰাকী ব্যক্তি হ'ল— নোৱাম চম্‌স্কী (Noam Chomsky) আৰু এৰিক লেনেবার্গ (Eric Leneberg)। বিংশ শতিকাৰ পঞ্চাশৰ দশকত এই দুগৰাকী ভাষাবিজ্ঞানীয়ে ভাষা-আহৰণত শিশুৰ মনোজগতৰ ক্রিয়া-কলাপৰ বিষয়ে সূক্ষ্ম আৰু

গভীৰ অধ্যয়ন আৰম্ভ কৰে। কিন্তু দুয়োগৰাকী ভাষাবিজ্ঞানীয়ে ভাষা-আহৰণৰ প্ৰক্ৰিয়াত শিশুৰ মনোদৈহিক ক্ৰিয়া-কলাপৰ বিষয়ে অধ্যয়ন কৰিলেও 'জৈৱ ভাষাবিজ্ঞান' (biolinguistics) পাৰিভাষিক শব্দটো তেওঁলোকে ব্যৱহাৰ কৰা নাছিল। বিংশ শতিকাৰ সত্তৰৰ দশক পৰ্যন্ত জৈৱ ভাষাবিজ্ঞান এক সুনিৰ্দিষ্ট অধ্যয়ন-ক্ষেত্ৰ হিচাপে পৰিগণিত হোৱা নাছিল। ১৯৫৯ চনত ভাষাবিজ্ঞানী স্কিনাৰ (Skinner)-এ চমস্কীৰ ১৯৫৭ চনত প্ৰকাশিত বিখ্যাত গ্ৰন্থ 'Syntactic Structure'-ৰ সমালোচনাৰূপে 'Verbal Behaviour' গ্ৰন্থখন প্ৰকাশ কৰে। এই বিশ্লেষণৰ মাজতে পোন প্ৰথমে জৈৱ ভাষাবিজ্ঞানৰ বীজটো অংকুৰিত হয়। ইয়াৰ পৰৱৰ্তী কালত, ১৯৬৭ চনত প্ৰকাশ পোৱা লেনেবাৰ্গৰ 'Biological Foundations of Language' গ্ৰন্থখনত লেনেবাৰ্গে ভাষা-আহৰণৰ ক্ষেত্ৰত মানুহৰ মনোদৈহিক প্ৰক্ৰিয়াৰ বিস্তৃত আলোচনা আগবঢ়ায়।

চমস্কীয়ে নিজে প্ৰকাশ কৰা ধাৰণাসমূহ পৰৱৰ্তী কালত নিজেই বিশ্লেষণ কৰি ভাষা-আহৰণ আৰু তাক প্ৰকাশ কৰাৰ ক্ষমতা সম্পৰ্কে মতামত ব্যক্ত কৰিছে। ১৯৬৫ চনত প্ৰকাশিত 'Aspects of the Theory of Syntax গ্ৰন্থত তেওঁ মানুহৰ ভাষা-আহৰণৰ যোগ্যতা (Competence) সম্পৰ্কীয় ভালেমান প্ৰশ্নৰ অৱতাৰণা কৰিছে আৰু সেইবোৰ বিশ্লেষণ কৰি দেখুৱাইছে। এই প্ৰশ্নবোৰৰ কেন্দ্ৰীয় বিষয়বস্তু হ'ল— মানুহে ভাষা আয়ত্ত কৰোঁতে আৰু তাক প্ৰকাশ কৰোঁতে সৃষ্টি হোৱা মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৈতে ঘটা ভাষাৰ যুক্তিসংগত সম্পৰ্ক। চমস্কীৰ এনে বিশ্লেষণে ভাষা আৰু মানুহৰ বোধাত্মক বিকাশ (Cognitive development)-ৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা লয়।

৯.৬.৩ জৈৱ ভাষাবিজ্ঞানৰ কাৰকসমূহ

ভাষাবিজ্ঞানী Cardic Boecks-এ জৈৱ ভাষাবিজ্ঞানৰ বিভিন্ন কাৰকৰ বিষয়ে এনেদৰে বিশ্লেষণ কৰি দেখুৱাইছে—

১। জিনীয় তত্ত্বৰ অধ্যয়নৰ বিকাশৰ ফলত Fox P2 ৰ আৱিষ্কাৰ হয়। এই আৱিষ্কাৰে জৈৱ ভাষাবৈজ্ঞানিক ক্ষেত্ৰখনলৈ ভাষাবিজ্ঞানী, স্নায়ুবিজ্ঞানী আৰু নৃতত্ত্ববিদসকলৰ দৃষ্টি আকৰ্ষণ কৰে। Fox P2 হ'ল একপ্ৰকাৰ জিন। এই জিনে মানুহৰ ভাষা-আহৰণ আৰু প্ৰকাশৰ যোগ্যতা নিৰ্ণয় কৰে। ইয়াৰ সম্পূৰ্ণ নাম হৈছে— Forkhead box protein। এই জিনৰ আৱিষ্কাৰৰ দ্বাৰা ভাষা যে মানুহৰ পুৰুষানুক্ৰমে আহৰণ কৰি অহা এক জৈৱিক প্ৰক্ৰিয়া, সেয়া স্পষ্টভাৱে প্ৰমাণিত হয়।

২। তুলনামূলক মনোভাষাবিজ্ঞান (Comparative Psycholinguistics)-ৰ বিস্তাৰিত অধ্যয়নৰ ফলত সংজ্ঞানাত্মক বা বোধাত্মক ভাষাবিজ্ঞান মানুহৰ মন-মগজুৰ সৈতে সংযোজিত হয়।

৩। বিংশ শতিকাৰ ষাঠিৰ দশকত প্ৰসিদ্ধ ভাষাবিজ্ঞানী গণিতজ্ঞ নোৱাম চমস্কীয়ে পোনতে

ভাষাৰ গঠনগত দিশৰ তাত্ত্বিক ব্যাখ্যা আগবঢ়াইছিল। প্ৰথম অৱস্থাত চম্স্কীয়ে ভাষা প্ৰয়োগৰ উদ্দেশ্য, ভাষাৰ মাজত প্ৰকাশ পোৱা বক্তাৰ মানসিকতা, আৱেগ-অনুভূতি আদিৰ বা আন কথাত মনোজগতৰ কাৰ্যকলাপৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। সেয়ে হ'লেও, চম্স্কীৰ এই তাত্ত্বিক ব্যাখ্যাই ভাষাবিজ্ঞানী, মনোবিজ্ঞানী, নৃতত্ত্ববিদ, সমাজবিজ্ঞানী আদিৰ মাজত বিপুল আলোড়নৰ সৃষ্টি কৰে আৰু চম্স্কীৰ ব্যাখ্যা বিস্তৃতভাৱে সমালোচিত হয়। ইয়াৰ ফলস্বৰূপে ভাষাৰ গঠনকেন্দ্ৰিক তত্ত্বৰ পৰা কিছু ফালৰি কাটি আহি বহু ভাষাবিজ্ঞানীয়ে মানুহৰ মনোজগতৰ সৈতে ভাষাৰ ব্যৱহাৰিক সম্পৰ্কৰ বিশ্লেষণত উঠি পৰি লাগে। ইয়াৰ ফল স্বৰূপে Massimo Pigliucci আৰু G. B. Miiller ৰ দ্বাৰা সম্পাদিত 'Evolution, The Extended Synthesis' গ্ৰন্থত ভাষা আৰু মগজুৰ সৈতে মানুহৰ সংজ্ঞানাত্মক বা বোধাত্মক বিকাশৰ প্ৰকৃতি সম্পৰ্কে বিস্তৃত আলোচনা হয়। এনে অধ্যয়নে জৈৱ ভাষাবিজ্ঞানৰ প্ৰকৃতি সম্পৰ্কে বহু কথা স্পষ্ট কৰি তোলে।

ওপৰৰ আলোচনাৰ পৰা বুজিবলৈ টান নহয়যে, জৈৱ ভাষাবিজ্ঞান ভাষাবিজ্ঞানৰ এক স্বতন্ত্ৰ শাখা নহয়, বৰং ই ভাষা-চিন্তাৰ সৈতে জড়িত কেইবাটাও শাখাৰ আধাৰত সৃষ্টি হোৱা এক ভাষাবৈজ্ঞানিক উপক্ষেত্ৰহে। কাৰণ, এই উপক্ষেত্ৰখনৰ সৈতে মনোভাষাবিজ্ঞান, সংজ্ঞাত্মক বা বোধাত্মক ভাষাবিজ্ঞান, নৃভাষাবিজ্ঞান আদি বিভিন্ন ক্ষেত্ৰ আৰু উপক্ষেত্ৰৰ এৰাব নোৱৰা সম্পৰ্ক আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জৈৱ ভাষাবিজ্ঞানৰ চমু পৰিচয় আগবঢ়াওক।
(২০০টা শব্দৰ ভিতৰত)

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণভাৱে ক'বলৈ হ'লে, ভাষা-প্ৰযুক্তি হ'ল প্ৰযুক্তিৰ সহায়ত ভাষাৰ প্ৰায়োগিক বিশ্লেষণ, ভাষাৰ প্ৰকাশ আৰু অধ্যয়ন।
- কোনো এটা ভাষাৰ সৈতে সম্পৰ্কিত সকলোবোৰ বিষয়ৰ প্ৰযুক্তিগত প্ৰয়োগ, ইয়াৰ বিশ্লেষণ আৰু গৱেষণাৰ দিশবোৰ ভাষা-প্ৰযুক্তিয়ে সামৰি লয়।
- মানুহে স্বাভাৱিক প্ৰক্ৰিয়াৰে আয়ত্ত কৰা আৰু স্বাভাৱিকভাৱে প্ৰকাশ কৰা ভাষিক কাৰ্য কম্পিউটাৰৰ সহায়ত সম্পন্ন কৰিবলৈ কৰা প্ৰচেষ্টাকেই আমি সাধাৰণভাৱে ভাষা প্ৰযুক্তি-প্ৰক্ৰিয়া বুলিব পাৰোঁ।

- কম্পিউটাৰৰ দ্বাৰা ভাষাৰ অধ্যয়ন, ভাষাৰ বিশ্লেষণ আৰু ভাষা-অধ্যয়নৰ বিভিন্ন সঁজুলিৰ নির্মাণৰ উপৰি কৃত্রিম বোধশক্তি (Artificial Intelligence)-ৰ ধাৰণা আদিকেই ভাষা-প্রযুক্তিৰ প্রধান বিষয় বুলি গণ্য কৰা হয়।
- ভাষা বিশেষৰ ইতিহাস তথা ঐতিহাসিক বিৱর্তনৰ উপৰি ভাষাৰ সংযোগ, ভাষাৰ গঠন প্রণালী, ভাষাৰ মাজত প্রকাশ পোৱা সামাজিক-সাংস্কৃতিক উপাদান আদি সকলোবোৰ বিষয়ৰ বিচাৰ-বিশ্লেষণৰ বাবে ভাষিক তথ্য এক অপৰিহার্য অংগ।
- ভাষাৰ কথ্যৰূপৰ সমল বুলি কওঁতে কোনো এটা ভাষাৰ দৈনন্দিন পৰিক্রমাত ব্যৱহাৰ হোৱা কথ্য ভাষাৰ হুবহু ৰূপক বুজায়।
- ভাষাৰ সমাজভাষাবৈজ্ঞানিক তথ্যসমূহৰ জৰিয়তে একোটা ভাষাৰ ব্যৱহাৰিক বৈশিষ্ট্যৰ প্রকৃত স্বৰূপ বুজিব পৰা যায়।
- ভাষাৰ গঠনাত্মক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি ভাষিক তথ্যক চাৰি প্রকাৰে ভাগ কৰা হৈছে— ধ্বনিতাত্ত্বিক তথ্য, ৰূপতাত্ত্বিক তথ্য, বাক্যতাত্ত্বিক তথ্য আৰু অর্থতাত্ত্বিক তথ্য।
- ভাষাৰ লিখিত ৰূপৰ তথ্যৰ বিষয়ে কৰা আলোচনাই কেইবাটাও দিশ সামৰি লয়, যেনে— ভাষাৰ সমালোচনামূলক তথ্য, ভাষাৰ তুলনামূলক অধ্যয়নৰ তথ্য, গঠনাত্মক ৰূপৰ তথ্য ইত্যাদি।
- ভাষা এক মানসিক কার্য। আমি দৈনন্দিন জীৱনত আহৰণ কৰা অভিজ্ঞতাক মনৰ মাজত সৃষ্টি হোৱা ধাৰণা, ভাব, চিন্তা আদিৰ দ্বাৰা পৰিশীলিত ৰূপ প্রদান কৰি ভাষাৰ মাধ্যমেৰে প্রকাশ কৰোঁ।
- মানুহৰ ভাষা আহৰণ আৰু প্রকাশৰ এই দুটা কার্য তিনিটা প্রক্রিয়াৰ মাজেৰে সম্পন্ন হয়। এই তিনিটা কার্য হৈছে ক্রমে— শুনা কার্য, বুজা আৰু ভবা কার্য, কোৱা বা প্রকাশ কৰা কার্য।
- ভাষাৰ গঠন-পদ্ধতি আমাৰ মগজুৰে ইয়াৰ স্নায়ুকোষ বা নিউৰণসমূহৰ দ্বাৰা কেনে ধৰণেৰে আয়ত্ত কৰে, সেই বিষয়ে স্নায়ৱিক ভাষাবিজ্ঞানে অধ্যয়ন কৰে।
- জৈৱ ভাষাবিজ্ঞান হ'ল মানুহে জীৱনত অতি কমেও এটা ভাষা আহৰণ কৰা যোগ্যতাৰ মনোদৈহিক কাৰণ উদ্‌ঘাটন কৰা, যাক আমি সংজ্ঞানাত্মক বিজ্ঞান বুলি কওঁ।



৯.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Abney, Steven, 2011 : "Data-Intensive Experimental Linguistics". *Linguistic Issues in Language Technology* 6.

2. Ahlsen,E., 2006 : *Introduction to Neurolinguistics*. John Benjamins publishing Company.
3. Arnold, D. et. al., 1994 : *Machine Translation: An Introductory Guide*. zNCC/Blackwell. Manchester, Oxford.
4. Austin, Peter K., 2005 : "New Documentation from Old Sources". In Diana Eades, John Lynch and Jeff Siegel (eds) *In Honour of Terry Crowley*. Amsterdam: John Benjamins.
5. Brewer, John D., 2000 : *Ethnography*. Open University Press.
6. Bernsen , N.O., 2000 : *Speech-Related Technologies*. Where will the field go in 10 years? Roadmap Workshop, Katwijk.
7. E.Hoff, 2003 : *Language Development*, Wadsworth, New York.
8. Gazzaniga, M.S., 2002 : *Cognitive Neuroscience*, W.W. Norton and Company.
9. Gippert, J. et. al., 2006 : *Essentials of Language Documentation* (eds), Mouton de Gruyter. Berlin.
10. Grinevald, Colette, 2003 : "Speakers and Documentation of Endangered Languages", In Peter Austin (ed.), *Language Documentation and Description*, Volume 1,52–72. London: Hans Rausing Endangered Languages Project.
11. Hirschman, L. and Thompson, H.S., 1997 : *Evaluation in Survey of the State of the Art in Human Language Technology*. Cambridge University Press. Cambridge.
12. Hovy, E., 1997 : *Language Generation in Survey of the State of the Art in Human Language Technology*. Cambridge University Press, Cambridge.
13. Jakobson, R., 1971 : *Studies on Chield Language and Aphasia*, Mouton, Hague.
14. Kartesz, A., 1979 : *Aphasia and Associate Disorders*. Grune and Stratton.
15. Ladefoged, P., 2003 : *Phonetic Data Analysis: An Introduction to Fieldwork and Instrumental Phonetics*. Oxford, Blackwell
16. Luria, A.R., 1976 : *Basic Problems of Neurolinguistics.* Mouton Press.
17. Leiberman, P., 2002 : *Human Language and Our Reptilian Brain*. Harvard University Press.

18. Maybury, M.T. and Mani, I., 2001 : *Automatic Summarization*. ACL Meeting Toulouse.
19. Mildner, V., 2008 : *The Cognitive Neuroscience of Human Communication*, Psychology press.
20. Nadkarni, P. M., Ohno-Machado, L., & Chapman, W. W., 2011 : "Natural Language Processing : An introduction". *Journal of the American Medical Informatics Association*.
21. Stock, O., 2000 : *Processing Natural Language from 2000 to 2010*, Roadmap Workshop. Katwijk.
22. Stemmer, B., 2008 : *Handbook of the Neuroscience of Language*. Academic Press
23. Thieberger, N., 2004 : "Documentation in Practice: Developing a Linked Media Corpus of South Efate". In Peter K. Austin (ed.) *Language Documentation and Description*, Vol 2, 169-178. London: SOAS.
24. Wolcott, H., 2004 : *The Art of Fieldwork*. 2nd edition. Walnut Creek: Alta Mira..
25. Zaenen, A. and Uszkoreit, H., 1997 : "Language Analysis and Understanding". In *Survey of the State of the Art in Human Language Technology*. Cambridge University Press, Cambridge.

৯.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ সূত্র.....ভাষা প্রযুক্তিয়ে সামৰি লোৱা বিষয়সমূহৰ চমু আলোচনা।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাষা প্রযুক্তিৰ ঐতিহাসিক পৰিক্রমাৰ চমু লেখ.....সেই যাত্রাত বিভিন্ন প্রচাৰ মাধ্যমৰ অৰিহণা.....ভাষা প্রযুক্তিৰ সাম্প্রতিক স্থিতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাষাৰ তথ্য সংৰক্ষণ কি তাক্ত চমু আভাস .....তথ্য সংগ্রহ পদ্ধতিৰ চমু উল্লেখ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভাষাৰ গঠন সম্পর্কীয় দিশসমূহৰ চমু বিৰৰণ.....মগজুৰ গঠন আৰু কার্যৰ চমু লেখ.....দুয়োটা দিশৰ সমন্বয় সাধন কি দৰে কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ জৈৰ ভাষাবিজ্ঞানে কি সূচায় তাৰ চমু পৰিচয়.....জৈৰ ভাষাবিজ্ঞানৰ আনুষংগিক দিশসমূহ।



৯.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাষা-প্ৰযুক্তি বুলিলে কি বুজে? এই বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ ভাষা একোটাৰ বিকাশ আৰু সংৰক্ষণত ভাষা-প্ৰযুক্তিৰ কিবা ভূমিকা আছে নে? বহলাই বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ স্বাভাৱিক ভাষা-প্ৰক্ৰিয়া কি? ইয়াৰ অন্তৰ্গত বিষয়সমূহ কি কি? প্ৰতিটো বিষয়ৰে একোটিকৈ টোকা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ স্বাভাৱিক ভাষা-প্ৰক্ৰিয়াৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ভাষাবৈজ্ঞানিক তথ্য সংগ্ৰহৰ পদ্ধতিবোৰৰ বিষয়ে এটি লেখা যুগুত কৰক।

প্ৰশ্ন ৬ ঃ ভাষাৰ প্ৰয়োগত মগজুৰ কাৰ্য সম্পৰ্কে ফঁহিয়াই বিশ্লেষণ কৰক।

প্ৰশ্ন ৭ ঃ ভাষা আৰু মগজুৰ সম্পৰ্ক নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৮ ঃ 'এফাচিয়া' তত্ত্ব কি? ভাষাৰ প্ৰয়োগত ইয়াৰ গুৰুত্বৰ বিষয়ে ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ স্নায়ৱিক ভাষাবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ১০ ঃ স্নায়ৱিক ভাষাবিজ্ঞানৰ এটি পৰিচয়মূলক টোকা লিখক।

প্ৰশ্ন ১১ ঃ স্নায়ৱিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ ইতিহাস সম্পৰ্কে এটি টোকা যুগুত কৰক।

প্ৰশ্ন ১২ ঃ জৈৱ ভাষাবিজ্ঞানৰ বিষয়ে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ১৩ ঃ জৈৱ ভাষাবিজ্ঞানৰ সংজ্ঞা নিৰ্ণয় কৰি চমুকৈ বিশ্লেষণ কৰক।

প্ৰশ্ন ১৪ ঃ জৈৱ ভাষাবিজ্ঞানৰ উৎপত্তি আৰু পৰিসৰ সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ১৫ ঃ জৈৱ ভাষাবিজ্ঞানৰ বিভিন্ন কাৰকৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ জৈৱ ভাষাবিজ্ঞানৰ সৈতে জড়িত দুখন ক্ষেত্ৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ১৭ ঃ জৈৱ ভাষাবিজ্ঞান আৰু সাধাৰণ ভাষাবিজ্ঞানৰ সম্পৰ্ক আৰু পাৰ্থক্য নিণয় কৰি এটি আলোচনা যুগুত কৰক।

*** ***** ***

অধ্যায় ১০ঃ পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ভাষা পৰিয়াল ঃ পৰিচয়

১০.৪ ভাষাৰ বৰ্গীকৰণ

- ১০.৪.১ বংশানুক্রমিক বা ঐতিহাসিক বৰ্গীকৰণ
- ১০.৪.২ আকৃতিমূলক বা বাক্যৰীতিগত ৰূপতত্ত্বানুগত বৰ্গীকৰণ
- ১০.৪.৩ অবৰ্গীকৃত বা গোষ্ঠী বহির্ভূত ভাষা

১০.৫ পৃথিৱীৰ ভাষা পৰিয়ালসমূহ

- ১০.৫.১ ইণ্ডো-ইউৰোপীয়
- ১০.৫.২ চীন-তিব্বতীয় বা তিব্বত চীনীয় ভাষাগোষ্ঠী
- ১০.৫.৩ ছেমীয়-হেমীয়
- ১০.৫.৪ অষ্ট্রিক
- ১০.৫.৫ দ্রাবিড়
- ১০.৫.৬ উৰাল-আল্টাই
- ১০.৫.৭ ককেচীয়
- ১০.৫.৮ এস্কিমো
- ১০.৫.৯ অন্যান্য ভাষাবৰ্গ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বকীয় বৈশিষ্ট্যৰে পূৰ্ণ ভাষাবোৰক কেনেদৰে ভাষাগত আৰু প্ৰাকৃতিগত সাদৃশ্যৰ ভিত্তিত শ্ৰেণীবিভক্ত কৰিব পাৰি সেই সম্পৰ্কত আলোচনা কৰিব পাৰিব
- বিভিন্ন ভাষাৰ শ্ৰেণীবিভাগৰ পদ্ধতিসমূহৰ বিৱৰণ দিবলৈ সক্ষম হ'ব
- ভাষাবোৰৰ পৰিয়ালভিত্তিক, ভৌগোলিক আৰু ৰূপতাত্ত্বিক বিভাজনৰ বিষয়ে ধাৰণা লাভ কৰিব

- পৃথিৱীৰ অবগীকৃত ভাষাবোৰৰ সৈতে পৰিচিত হোৱাৰ সুবিধা পাব
- পৃথিৱীৰ বিভিন্ন স্থানত লুপ্ত হৈ যোৱা ভাষা সম্পৰ্কত জানিব পাৰিব
- পৃথিৱীৰ বিভিন্ন স্থানত প্ৰচলিত ভাষাবোৰৰ শাখা-প্ৰশাখাবোৰৰ সৈতে পৰিচিত হ'ব পাৰিব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ অন্তৰ্গত ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইটো দশম অধ্যায়। ভাষা মানুহৰ একচেতিয়া সম্পত্তি। মানুহে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ, জীৱনৰ দৈনন্দিন কাম-কাজ কৰিবলৈ আৰু সমাজ জীৱনত পা�ৰস্পৰিক কাৰ্য সম্পাদন কৰিবলৈ ভাষাৰ ব্যৱহাৰ কৰে। ভাষা মানৱৰ ভাৱ প্ৰকাশৰ মাধ্যম। এটি নিৰ্দিষ্ট ভাষাত কথা কোৱা জনসাধাৰণ যেতিয়া বিস্তৃত এলেকাত বিয়পি পৰে আৰু তেওঁলোকৰ মাজত এটা অঞ্চলৰ লোকৰ সৈতে অন্য অঞ্চলৰ লোকৰ পাৰস্পৰিক যোগাযোগ কমি যায় তেতিয়া তেওঁলোকৰ ভাষাত আঞ্চলিক পাৰ্থক্য গঢ়ি উঠে। এই আঞ্চলিক পাৰ্থক্য যেতিয়া বাঢ়ি যায় তেতিয়া মূলত একে ভাষাগত এলেকাৰ অন্তৰ্গত এটি এটি অঞ্চলৰ ভাষাৰ স্বতন্ত্ৰ ৰূপ গঢ়ি উঠে। এই আঞ্চলিক ৰূপবোৰে ক্ৰমে স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা লাভ কৰে। এনেদৰে মানুহৰ বংশ বৃদ্ধিৰ নিচিনাকৈ একেই ভাষাৰ পৰা একাধিক ভাষাৰ জন্ম হয়। কিন্তু এনেদৰে জন্ম হোৱা স্বতন্ত্ৰ ভাষাবোৰৰ মাজত পাৰস্পৰিক স্বতন্ত্ৰ বা পাৰ্থক্য থাকিলেও তাৰ মাজত কিছু মূলগত সাদৃশ্য লক্ষ্য কৰিব পাৰি। আকৌ শব্দভাণ্ডাৰ, ৰূপতত্ত্ব আৰু বাক্যগঠন ৰীতিৰ ক্ষেত্ৰত কিছু মৌলিক সাদৃশ্য দেখিবলৈ পোৱা যায়। বিশেষকৈ একে উৎসৰ পৰা জাত ভাষাবোৰৰ মূল শব্দভাণ্ডাৰৰ সাদৃশ্য চকুত পৰে। এই সাদৃশ্যবোৰৰ ওপৰত ভিত্তি কৰি মূলত তুলনামূলক ভাষাতত্ত্বৰ পদ্ধতিৰ সহায়ত নিৰ্ণয় কৰা হৈছে যে, পৃথিৱীৰ ভাষাবোৰ কেইটামান উৎসৰ পৰা জন্ম হৈছে। এই উৎসবোৰক পৃথিৱীৰ প্ৰাচীনতম ভাষাপৰিয়াল বোলা হয়।

ঠাইভেদে প্ৰাকৃতিক পৰিবেশ, জলবায়ু, জীৱন ধৰণৰ প্ৰণালী, ৰাজনৈতিক-সামাজিক অৰ্থনৈতিক কাৰণৰ বিভিন্নতাৰ বাবে হোৱা প্ৰব্ৰজন আৰু সভ্যতাৰ উত্থান আদিয়ে পৃথিৱীৰ অসংখ্য ভাষাৰ জন্ম দিছে। সেইবোৰৰ উচ্চাৰণ, শব্দ গঠন প্ৰণালী, বাক্য বিন্যাস আৰু শব্দ সম্ভাৰ, বাক্য গঠন প্ৰণালীৰে বিভিন্ন ভাষাৰ প্ৰচলন হৈছে। গতিকে ভাষাসমূহৰ কিছুমানৰ মাজত উমৈহতীয়া লক্ষণৰ সাদৃশ্য আৰু কিছুমানৰ মাজত লক্ষণৰ বৈসাদৃশ্য মন কৰিব পাৰি। এইবোৰৰ ওপৰত ভিত্তি কৰি ভাষা প্ৰধান-অপ্ৰধান ৰূপত জিলিকি উঠে। এইক্ষেত্ৰত ইটালীৰ ভাষাবিদ Trombetti এ একেটা মূলৰ পৰা পৃথিৱীৰ ভাষাসমূহৰ জন্ম হোৱা বুলি কোৱা মন্তব্যটিৰ কোনো ভিত্তি নাই। এনে হোৱা হ'লে জগতৰ সকলো প্ৰান্তৰ ভাষাৰ গাঁথনিক, ধনিতাত্ত্বিক, ব্যাকৰণগত মিল লক্ষ্য কৰিলোঁহেতেন। জীৱশ্ৰেষ্ঠ মানুহৰ শাৰীৰিক গঠন, আৱেগ, চিন্তা, মানৱীয়তা, সমাজত বৰ্তি থকাৰ প্ৰবণতা আদি সাধাৰণতে অভিন্ন। কিন্তু ভাষাৰ ক্ষেত্ৰত এইটো একেবাৰে ওলোটা।

পৃথিৱীৰ বৰ্তমানৰ জনসংখ্যা প্ৰায় ৭৫৯ কোটি। জনসংখ্যাৰ হিচাপ মতে চীন দেশৰ স্থান প্ৰথমতে। ভাৰতবৰ্ষৰ স্থান দ্বিতীয় ইয়াৰ জনসংখ্যা সৰ্বমুঠ ২০০১ চনৰ লোকপিয়ল মতে, ১,০২,৮৭,৩৭,৪৩৬ জন। ইয়াৰ পিছতেই সংযুক্ত ৰাছিয়া আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ। এওঁলোকৰ ভাষাবিদৰ বক্তব্য অনুযায়ী সমগ্ৰ বিশ্বত প্ৰায় ২৭৯৬ টা প্ৰধান ভাষাৰ প্ৰচলন আছে। ইয়াৰ লগতে বিভিন্ন জনগোষ্ঠীৰ মাজত কথিত আঞ্চলিক ভাষাবোৰৰ হিচাপ তেওঁলোকে উলিওৱা নাই। কোটি সংখ্যাৰ ওপৰত মানুহে কোৱা ভাষাবোৰক প্ৰধান ভাষা বুলি ধৰি লোৱা হৈছিল যদিও সেইটো যুক্তিসঙ্গত নহয়। কাৰণ সাহিত্য-সম্পদেৰে চহকী ভাষা এটি সময়ৰ সোঁতত বা আইন ঘটনাৰ প্ৰভাৱত অপ্ৰধান হৈ উঠিব পাৰে। তাৰ উদাহৰণ ছুমেৰীয় ভাষাই দিব পাৰে। পৃথিৱীৰ প্ৰথম লেখন ৰীতিৰ নিৰ্দশন দাঙি ধৰা সমগ্ৰ মেছোপটেমীয়া উপত্যকাৰ ছুমেৰীয়া ভাষাই প্ৰধান ভাষাৰূপে প্ৰতিষ্ঠা লাভ কৰিও সময়ত কোনো চিন-মোকাম নৰখাকৈ লুপ্ত হৈ পৰিল। গ্ৰীয়াৰ্ছনে ১৯০৩ খ্ৰীঃৰ পৰা ১৯২৭ খ্ৰীঃ লৈ খণ্ড খণ্ডকৈ প্ৰকাশ কৰা "Linguistic Survey of India" ত ১৭৯ টা ভাষা আৰু ৫৪৪ টা উপভাষাৰ বিৱৰণ দাঙি ধৰিছিল। ১৯৯১ খ্ৰীঃৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষৰ মুঠ ৩২ খন ৰাজ্যত ৮৪,৩৯,৩০,৮৬১ জনসংখ্যাৰ মাজত চল্লিশটামানহে প্ৰধান ভাষা থকা বুলি উল্লেখ কৰিছে। কিন্তু পূৰ্বৰ সমীক্ষাৰ আধাৰত দুহেজাৰতকৈ অধিক কথিত ৰূপত মাতৃভাষাৰ প্ৰচলন থকা বুলি সিদ্ধান্ত কৰে। সেয়ে ভাৰতবৰ্ষৰ নিচিনা সৰু ৰাষ্ট্ৰখনতেই যদি সৰু বৰ ইমান ভাষা থাকিব পাৰে, তেন্তে সমগ্ৰ বিশ্বত বিভিন্ন জাতি-উপজাতিৰ মাজত প্ৰচলিত ভাষা-উপভাষাৰ সংখ্যা কিমান বেছি হ'ব পাৰে সেয়া সহজে অনুমান কৰিব পাৰি।

১০.৩ ভাষা পৰিয়াল ঃ পৰিচয়

প্ৰকৃততে পৃথিৱীৰ বিভিন্ন স্থানত প্ৰচলিত ভাষাবোৰৰ কিছুমান ধ্বনি, ৰূপ, বাক্য-গঠন, শব্দ সম্ভাৰৰ লগত আন কিছুমান ভাষাৰ অমিল দেখা যায়। এনেবোৰ কাৰণতে বিচিত্ৰ ভাষাসমূহক শৃংখলাবদ্ধ ৰূপলৈ আনিবলৈ অথবা এটা শ্ৰেণীত আবদ্ধ কৰিবলৈ ঊনবিংশ শতিকাৰ ভাষাবিদসকলে যত্ন কৰিছিল। পাৰস্পৰিক ঐক্য বা সম্পৰ্কসূত্ৰ থকা ভাষাবোৰক তেওঁলোকে একোটা নিৰ্দিষ্ট ভাষাগোষ্ঠী বা পৰিয়ালত অন্তৰ্ভুক্ত কৰিছে। ইউৰোপৰ বিভিন্ন ঠাইৰ পৰা ভাৰতবৰ্ষলৈ বিয়পি পৰা ভাষাসমূহৰ মূল একে বুলি সিদ্ধান্ত গ্ৰহণ কৰি ভাষাবিদসকলে এটা নিৰ্দিষ্ট গোষ্ঠী বা পৰিয়ালত ভাষাবোৰ অন্তৰ্ভুক্ত কৰি তাৰ নাম দিছে 'ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী' তেনেদৰে আৰবী, হিব্ৰু, মিছৰীয় আদি ভাষাসমূহক এটা গোষ্ঠী বা পৰিয়ালত অন্তৰ্ভুক্ত কৰি নাম দিয়া হৈছে 'ছেমীয়-হেমীয়' ভাষাগোষ্ঠী।

আপুনি লক্ষ্য কৰিলে দেখিব যে, একে মূলৰ পৰা উদ্ভূত পৃথিৱীৰ ভাষাবোৰ বিভিন্ন বৈশিষ্ট্যৰে উজলি উঠি ভিন্ ভিন্ ঠাইত বিস্তাৰিত হৈ পৰিছে। আমি এই ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ ধাৰা সম্পৰ্কত অনুমান কৰি ল'বলগীয়া হয়। এই ভাষাবোৰৰ ধ্বনি, শব্দ বা ৰূপ, বাক্য আদিৰ বৈশিষ্ট্য, পাৰস্পৰিক সম্পৰ্ক, বিকাশৰ ধাৰা বিশ্লেষণ কৰি কিছুমান গোষ্ঠী বা

পৰিয়ালত বিভক্ত কৰিছে। অন্যহাতে, কিছুমান এনেকুৱা ভাষা দেখা পোৱা যায়, যিবোৰৰ মাজত ভাষাগত সাদৃশ্য বিচাৰি পোৱা নাযায়। তেনে ভাষাবোৰ কোনো পৰিয়ালভুক্ত নহয়, সেইবোৰক অবর্গীকৃত ভাষা বোলা হয়। ক্রমাগতভাৱে আমি পৃথিৱীৰ ভাষা পৰিয়ালসমূহৰ বিষয়ে আৰু পৰিয়ালভুক্ত নোহোৱা ভাষাৰ বিষয়ে কিছু আলোচনা কৰিম।

১০.৪ ভাষাৰ বর্গীকৰণ

পৃথিৱীৰ কোনো এটা ভাষা আন এটা ভাষাৰ লগত নিমিলে। ভাষাগত বিচিত্রতাৰ বাবে এইবোৰে বিভিন্ন নাম পায়। তথাপি কেতবোৰ ভাষাৰ মাজত সাদৃশ্য মন কৰিব পাৰি। বহু বিচিত্র ভাষাবোৰৰ এটা সুশৃংখল ৰূপত শ্রেণীৱদ্ধ বা বর্গীকৰণ কৰিবলৈ ঊনবিংশ শতিকাত তুলনামূলক ভাষাবিজ্ঞানৰ অগ্রগতিৰ কালতে পণ্ডিতসকলে কৰা যত্নৰ ফলস্বৰূপে ভাষাৰ দুই শ্রেণীৰ বিজ্ঞানসন্মত বর্গীকৰণ গঢ় লৈ উঠিছিল।

(ক) ৰূপতাত্ত্বিক বা বাক্যৰীতিগত বা প্রৰূপগত বা আকৃতিমূলক বর্গীকৰণ (Morphological or Syntactical or Typological classification)

(খ) বংশানুগত বা ঐতিহাসিক বা পাৰিবাৰিক বর্গীকৰণ (Genealogical or Historical calssification)

এই বর্গীকৰণৰ লগতে **নৃতাত্ত্বিক বর্গীকৰণ** আৰু **ভৌগোলিক বর্গীকৰণ** নামেৰে ভাষাৰ আন দুটি বর্গীকৰণৰ বিভাগৰ উল্লেখ পোৱা গৈছে। এই কেইটা বর্গীকৰণৰ ভিতৰত বংশানুগত বর্গীকৰণকে অধিক গ্রহণযোগ্য পদ্ধতি বুলি বিবেচনা কৰা হয়। বর্তমান এই বর্গীকৰণৰ ওপৰত ভিত্তি কৰিয়েই ভাষাবোৰৰ আলোচনা প্রচলিত আছে। আনহাতে যিবোৰ ভাষা নির্দিষ্ট ভৌগোলিক পৰিসৰত সীমাবদ্ধ হৈ আছে তেনে ভাষাক বংশগত বা আকৃতিমূলক বর্গীকৰণত অন্তর্ভুক্ত কৰি আলোচনা কৰিব নোৱাৰি, তেনে ভাষাবোৰৰ ক্ষেত্রত ভৌগোলিক বর্গীকৰণৰ প্রয়োজন হয়। পুৰণি কালত কিছুমান জনগোষ্ঠীৰ ভাষাই ভৌগোলিক পৰিবেষ্টন ভাঙি অইন ঠাই পাইছিলগৈ। ৰাজনৈতিক, সামাজিক, অর্থনৈতিক আদি কাৰণত এটি ভাষা সম্প্রদায় দেশে-দেশে বিয়পি পৰাৰ কাৰণত তেওঁলোকৰ ভাষাটিও সিঁচৰিত হৈ পৰে। বিভিন্ন ভৌগোলিক অঞ্চলত ভাষা সিঁচৰিত হৈ পৰাৰ ফলত একে মূলৰ ভাষাৰ মাজত পাৰস্পৰিক সম্পর্ক বিচাৰি উলিওৱা কঠিন হৈ পৰে আৰু তেনে ক্ষেত্রত ভাষাবিদসকলৰ মাজত মতানৈক্যও হয়। আকৌ বিভিন্ন ভাষা সম্প্রদায়ে একেটি ভৌগোলিক আৱেষ্টনিৰ ভিতৰত থাকিব পাৰে। ভাৰতবর্ষৰ ভৌগোলিক সীমাৰ ভিতৰত (ইণ্ডো-ইউৰোপীয়, দ্রাবিড়, অষ্ট্রিক, চীন-তিব্বতীয়) সুকীয়া ভাষাগোষ্ঠীৰ এহেজাৰতকৈ বেছি ভাষাৰ প্রচলন আছে। এই কাৰণতে ভৌগোলিক বর্গীকৰণ বাস্তৱ বা বিজ্ঞানসন্মত পদ্ধতি হ'ব নোৱাৰে। কেৱল যিবোৰ ভাষাৰ সম্পর্কৰ জৰীডাল বিচাৰি উলিয়াব নোৱাৰি আৰু বিশেষ ভৌগোলিক সীমাৰ মাজত আৱদ্ধ থাকে, তেনেধৰণৰ বর্গীকৰণ কৰিব নোৱাৰা ভাষাক ভৌগোলিক বর্গীকৰণৰ দ্বাৰা বিভাজিত কৰিব পাৰি। নৃতাত্ত্বিক বর্গীকৰণ নাম

দি একোটা মানব গোষ্ঠীৰ পৰা এটি ভাষা-গোষ্ঠীৰ উদ্ভৱ হোৱা যি ধাৰণা তাৰ কোনো বাস্তৱ সত্যতা পোৱা নাযায়। শাৰীৰিক গঠনৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি নৃতাত্ত্বিক পণ্ডিতসকলে মানৱ সমাজক নেগ্ৰইট, প্ৰ'ট' অষ্টলয়ড, মংগোলয়ড, নৰ্ডিক, আলপাইন আদি যি বিভাগ কৰিছে সেইবোৰ মানৱ সমাজৰ ইতিহাসত একেখন ঠাইত একেলগে বাস কৰাৰ প্ৰমাণ নাই। অতীত কালৰে পৰা পৃথিৱীৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা ভাষাবোৰৰ মাজত সংমিশ্ৰণ হোৱাৰ কাৰণ হৈছে সময়ে সময়ে হোৱা গৃহকণ্ডল, অৰ্থনৈতিক অস্থিৰতা, ৰাজনৈতিক বাতাবৰণ। যাৰ ফলত তেওঁলোকৰ সভ্যতা-সংস্কৃতিৰ মাজত মিশ্ৰণ হৈছিল। এটা ভাষা কোৱা লোকৰ মাজত বিভিন্ন মানৱ গোষ্ঠীৰ লোক থাকিব পাৰে। তেনেকৈ এটা মানৱ গোষ্ঠীৰ অন্তৰ্গত লোকেও বিভিন্ন ভাষা ক'ব পাৰে। এনে মিশ্ৰণ পৃথিৱীৰ ভাষাবোৰৰ ক্ষেত্ৰত স্বাভাৱিক, গতিকে অমিশ্ৰিত ভাষা গোষ্ঠী দেখিবলৈ পোৱা নাযায়। সেই কাৰণে নৃতাত্ত্বিক বৰ্গীকৰণৰ যোগেদি ভাষাৰ আলোচনাৰ কোনো ভিত্তি নাই।

১০.৪.১ বংশানুক্ৰমিক বা ঐতিহাসিক বৰ্গীকৰণ

বিভিন্ন প্ৰকাৰৰ ভাষাৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক আৰু তাৰপৰা প্ৰাপ্ত পুৰণি ইতিহাসৰ পৰ্যালোচনাৰ অন্তত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক উপাদানৰ মাজত থকা সাদৃশ্যৰ ভিত্তিত আৰু প্ৰচলিত শব্দৰ অন্তৰ্গত সাদৃশ্যৰ ভিত্তিত ভাষাৰ বৰ্গীকৰণ চলোৱাৰ প্ৰচেষ্টাকে বংশানুক্ৰমিক বৰ্গীকৰণ বোলা হয়। ইয়াত তুলনামূলক, ঐতিহাসিক বিৱৰণে গুৰুত্বপূৰ্ণ স্থান লাভ কৰে। বিভিন্ন ভাষাৰ ক্ষেত্ৰত সম্পৰ্ক বিচাৰ কৰাৰ সময়ত তুলনামূলক ধাৰণাৰে ইতিহাস আৰু তাৰ পৰিবৰ্তনশীলতাত গুৰুত্ব প্ৰদান কৰা হয়। সেয়ে এই বৰ্গীকৰণক ঐতিহাসিক বৰ্গীকৰণ বুলিও কোৱা হয়।

লিখিত নিদৰ্শন পোৱা পৃথিৱীৰ প্ৰাচীন ভাষা আৰু প্ৰচলিত ভাষাৰ ৰূপবোৰৰ তুলনামূলক আলোচনা কৰিলে দেখা যায় যে, কিছুমান ভাষা আন কিছুমান ভাষাৰ লগত ধ্বনি, ৰূপ আৰু শব্দগতভাৱে মিল থকাৰ উপৰি গঠন প্ৰণালীও একে। গতিকে তেনেধৰণৰ পাৰস্পৰিক সম্পৰ্কযুক্ত ভাষাবোৰ যে, এটি বংশৰ পৰা উদ্ভূত সেই কথা বুজাত অসুবিধা নহয়। সম্ভৱতঃ অথনৈতিক, সামাজিক, প্ৰাকৃতিক অৱস্থাৰ বিভিন্নতা, অথবা অনেক কাৰণত একে ভাষা কোৱা লোকসকল বিভিন্ন অঞ্চলত বিয়পি পৰাৰ ফলতেই ভাষাবোৰে বিভিন্নতা লাভ কৰিছিল। যিবোৰ ভাষাৰ মাজত ধ্বনিৰ ব্যৱহাৰ, শব্দ গঠন, শব্দৰ সমাৰ্থক ব্যৱহাৰ, বাক্য গঠনৰ পদ্ধতি আদিৰ ক্ষেত্ৰত সাদৃশ্য লক্ষ্য কৰা যায় আৰু আপাত-বৈসাদৃশ্যৰ মাজত কোনো সূত্ৰৰ দ্বাৰা সাদৃশ্য বিচাৰ কৰাৰ চেষ্টা কৰা যায় তেন্তে তেনে ভাষাবোৰক এটি নিৰ্দিষ্ট বংশ বা গোষ্ঠীত অন্তৰ্ভুক্ত কৰিব পৰা যায়। এনেধৰণৰ সাদৃশ্যৰ ভিত্তিতেই পৃথিৱীৰ বিভিন্ন ভাষাক এটা শৃংখলালৈ আনি বিভিন্ন বংশ বা গোষ্ঠীত অন্তৰ্ভুক্ত কৰা হৈছে।

একে ভাষা কোৱা লোকসকলে আন আন অঞ্চললৈ সিঁচৰিত হৈ পৰাৰ পাচত আন ভাষা কোৱা লোকৰ প্ৰভাৱত আৰু উচ্চাৰণ সহজ কৰাৰ প্ৰবণতা বা পৰিৱেশ অনুযায়ী আঞ্চলিক বৈশিষ্ট্যই আত্মপ্ৰকাশ কৰাৰ সুযোগ লাভ কৰে। তথাপি মূল শব্দটিৰ সামগ্ৰিক বা বৈয়াকৰণিক ৰূপ বিচাৰি উলিওৱাত বিশেষ অসুবিধা হোৱা দেখা নাযায়। এই সাদৃশ্যৰ ওপৰত ভিত্তি কৰিয়েই ভাষাৰ বংশ-বৃক্ষৰ পৰিকল্পনা কৰা হৈছে। ঊনবিংশ শতিকাত জাৰ্মান পণ্ডিত আউগুষ্ট শ্লেইচাৰে ভিন্ ভিন্ স্থানত বিয়পি পৰা ইণ্ডো-ইউৰোপীয়ৰ অন্তৰ্গত শাখাবোৰৰ ক্ষেত্ৰত বংশ-বৃক্ষ তত্ত্ব উত্থাপন কৰি সেইবোৰৰ পাৰ্থক্য দেখুৱাই নামকৰণো কৰিছিল। এই শাখাভেদ দেখুওৱা তত্ত্বটিৰ নাম হ'ল ***'ভাষা-বৃক্ষ-তত্ত্ব'***। কোনো এক বৃক্ষই যেনেদৰে নিজৰ শাখা প্ৰশাখাৰে বিশাল আকাৰ ধাৰণ কৰে তেনেদৰে ভাষা-বৃক্ষইও শাখা-প্ৰশাখাৰে ভিন্ ভিন ঠাইত বিয়পি পৰি সমৃদ্ধ হয়। সময়ৰ লগে লগে নতুন ভাষাৰ ৰূপত উদ্ভাসিত হৈ উঠে। পৰৱৰ্তী সময়ত এই তত্ত্বৰ নাম হ'লগৈ চমুকৈ ***'বংশ-বৃক্ষ'***। এটা মূল উৎসৰ পৰা উদ্ভৱ হোৱা ভাষাবোৰ বিভিন্ন ঠাইত বিয়পি পৰাৰ পাছত স্বকীয় বৈশিষ্ট্যৰে গঢ় ল'লেও সেইবোৰৰ মাজত সম্পৰ্ক নিৰ্ণয়ত অসুবিধা নহয়। বিশেষকৈ সংখ্যাবাচক, সম্বন্ধবাচক, দৈনন্দিন কাৰ্যত ব্যৱহৃত শব্দবোৰৰ মাজত ধ্বনিগত ঐক্যৰ সামঞ্জস্য থাকে। এনে পাৰস্পৰিক ঐক্য বা সম্পৰ্কসূত্ৰ যিবোৰ ভাষাত বিৰাজ কৰে সেইবোৰ একো একোটা নিৰ্দিষ্ট 'ভাষাঙ্গ বংশ' বা 'ভাষাগোষ্ঠী'ত অন্তৰ্ভুক্ত কৰা হৈছে। একে ভাষা বংশৰ অন্তৰ্গত ভাষাবোৰৰ মাজত ধ্বনি, শব্দ, বাক্য, ব্যাকৰণগত সাদৃশ্য মনকৰিবলগীয়া। উদাহৰণস্বৰূপে,

সংখ্যাবাচক শব্দ ঃ লেটিন decem
গ্ৰীক deka
সংস্কৃত dasa
গোঠীয় taihun

শব্দকেইটিয়ে 'দহ' সংখ্যাৰ অৰ্থ প্ৰকাশ কৰে।

ধ্বনিগতভাৱে অমিল দেখা গ'লেও এইবোৰৰ মাজত মূলতঃ একতা পৰিলক্ষিত হয় আৰু অৰ্থও একে হয়।

সম্বন্ধবাচক শব্দ ঃ লেটিন mater
গ্ৰীক mater
সংস্কৃত mata
জাৰ্মান mutter

ওপৰৰ শব্দবোৰে 'মাতা' অৰ্থ প্ৰকাশ কৰিছে। ইয়াত শব্দৰ সাদৃশ্য ইয়াত সম্পূৰ্ণৰূপে লক্ষ্য কৰিব পাৰি। শব্দৰ প্ৰাচীন ৰূপ বা প্ৰচলিত ৰূপৰ ধ্বনিগত, অৰ্থগত সাদৃশ্যই ভাষাবোৰ একে বংশজাত বুলি ধাৰণা কৰাত সহায় কৰে।

সময়ৰ সোঁততে একে বংশজাত ভাষা কোৱা লোক বিভিন্ন স্থানত সিঁচৰিত হৈ পৰাৰ বাবে একে অর্থ থকা শব্দবোৰ পাছলৈ ধ্বনিগত কিছু পৰিবর্তন হৈছে। ইউৰোপৰ বিভিন্ন ঠাইৰ পৰা ভাৰতবর্ষ পর্যন্ত এছিয়াৰ নানা ঠাইলৈ বিয়পি থকা ভাষাবোৰৰ মূল একে বুলি সিদ্ধান্ত কৰি ভাষাবিদসকলে এটা নির্দিষ্ট গোষ্ঠী বা বংশত ভাষাবোৰক অন্তর্ভুক্ত কৰি 'ইণ্ডো ইউৰোপীয় ভাষা গোষ্ঠী' নাম দিছে। ইয়াৰ আদিম ৰূপ বিচাৰি নাপালেও প্রাচীন আৰু আধুনিক ভাষাবোৰৰ তুলনামূলক আলোচনাৰ মাধ্যমত সমজাতীয় শব্দৰ আধাৰত তাৰ এটা অনুমিত ভাষিক ৰূপ গঠন কৰি লোৱা হৈছে। তেনেদৰে অষ্ট্রিক, চেমীয়-হেমীয়' আদি ভাষাগোষ্ঠীবোৰৰ নামো স্থিৰ কৰা হৈছে। কেতিয়াবা আকৌ খাদ্যাভ্যাস, জনসংখ্যা বৃদ্ধি আদি নানান সমস্যাই গা কৰি উঠাৰ পাছত দলে দলে লোকসকলে অইন ঠাইত বসতি স্থাপন কৰে। তেনেদৰে এটি দলৰ লগত যোগাযোগ বিচ্ছিন্ন হয় আৰু আন এটি দলৰ লগত যোগাযোগ স্থাপন হৈ ভাষা-ব্যৱহাৰৰ গাঢ়তা বাঢ়ি যায়। ইংৰাজী, জার্মান, ওলণ্ডাজী, ছুইডেনীয় ভাষাৰ মাজত পাৰস্পৰিক মিল বেছি, তেনেদৰে ইটালীয়, ফৰাছী, ৰুমানীয়, পটুর্গীজ আদি ভাষাৰ মাজতো মিল যথেষ্ট আছে। একে মূলৰ ভাষা কোৱা লোকসকল দলগতভাৱে বিভিন্ন ঠাইলৈ প্রবজন কৰিলেও পৰৱর্তী সময়ত বিকশিত ভাষাবোৰৰ পাৰস্পৰিক সম্পর্ক একেবাৰে ওচৰ চপা হয়। এই ঘনিষ্ঠতাৰ ওপৰত নির্ভৰ কৰিয়েই সাধাৰণতে মূল ভাষাৰ শাখা-উপশাখাৰ আলোচনা কৰা হয়।

ভিন্ ভিন্ ভাষাৰ মাজত লক্ষ্য কৰা সাধাৰণ বৈশিষ্ট্যই মূলত যে এটা বিশেষ গোষ্ঠীৰ অন্তর্গত সেয়া প্রতিপন্ন কৰে। গতিকে বিভিন্ন ভাষাৰ ধ্বনি, ৰূপ, শব্দ আদিৰ তুলনামূলক বিশ্লেষণৰ দ্বাৰা পৰস্পৰ সম্পর্ক থকা ভাষাবোৰক এক গোষ্ঠী বা বংশ বা পৰিয়ালত ভাগ কৰি আলোচনা কৰা হৈছে। এনেদৰে একেখন ভাৰতবর্ষত সম্পর্কসূত্র নির্ণয় কৰি চাৰিটা প্রধান ভাষাগোষ্ঠীৰ ভিন্ ভিন্ ভাষাৰ প্রচলন আছে বুলি সিদ্ধান্ত গ্রহণ কৰা হৈছে। কাৰণ হিচাপে ক'ব পাৰি যে, কিছুমান ভাষাৰ ধ্বনিগত,শব্দগত সাদৃশ্য আন কিছুমান ভাষাৰ লগত অমিল। কিছুমান ভাষাৰ মাজত আকৌ পাৰস্পৰিক একতা লক্ষ্য কৰিব পাৰি। অসমীয়া , বাংলা, ওড়িয়া, হিন্দী, মাৰাঠী আদি ভাষাবোৰৰ মাজত ধ্বনি, ৰূপ, শব্দ আদিৰ ক্ষেত্রত মিল মনকৰিবলগীয়া। গতিকে এইবোৰক ইণ্ডো ইউৰোপীয় ভাষা গোষ্ঠীৰ ইণ্ডো ইৰাণীয় শাখাৰ অন্তর্গত ভাৰতীয় আর্য উপশাখাৰ ভাষা বুলি মানি লোৱা হৈছে। ঠিক তেনেকৈ তামিল, তেলেগু, মালায়ালম, কানাড়া, নানা প্রকাৰে সম্বন্ধ থকা আৰু অসমীয়া, বাংলা, ওড়িয়া আদি ভাষাবোৰৰ শব্দগঠন, ধ্বনিসংস্থানৰ দিশৰ বৈশিষ্ট্যত অমিল। সেয়ে এইবোৰ ভাষাক 'দ্রাবিড় ভাষা-গোষ্ঠী' নাম দি তাৰ অন্তর্গত বুলি দেখুওৱা হৈছে।



জানি থোৱা ভাল

১৭৮৬ খ্ৰীঃত 'এছিয়াটিক ছ'চাইটি অৱ বেংগল'ৰ ৩য় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত চাৰ উইলিয়াম জোনছ নামৰ প্ৰাচ্য বিদ্যাবিদ এগৰাকীয়ে তেওঁৰ ভাষণত পোন প্ৰথম গ্ৰীক, লেটিন, গোঠীয়, কেলটিয়, প্ৰাচীন পাৰছীয় ভাষাৰ লগত সংস্কৃতিৰ সাদৃশ্যৰ কথা উল্লেখ কৰাৰ লগতে এই সাদৃশ্যৰ ভিত্তিত এই ভাষাসমূহ যে একে বংশৰ পৰা উদ্ভূত তাৰ ইংগিত দিছিল। জোনছৰ বক্তৃতাৰ মাধ্যমতেই 'তুলামূলক ভাষাতত্ত্ব'ৰ সূচনা হয়।

এনেদৰে বংশানুগত বৰ্গীকৰণে একোটি অঞ্চলত নাইবা এখন দেশত প্ৰচলিত থকা অসংখ্য ভাষাৰ মাজৰ পাৰস্পৰিক সাদৃশ্য বা বৈসাদৃশ্যৰ ভিত্তিত বংশানুক্ৰমিক বা গোষ্ঠীগত বৰ্গ বিভাজনেৰে শৃংখলালৈ আনিব পাৰে। কিন্তু ই এক অত্যন্ত কঠিন কাৰ্য। এনে কাৰ্যৰ বাবে পৃথিৱীৰ সকলোবোৰ ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ জ্ঞান অৰ্জন কৰি শব্দমূল বিচৰা সহজ নহয়। আনহাতে প্ৰতিটো ভাষা-উপভাষাৰ পৰিবৰ্তিত শব্দ বা ধ্বনিৰ মূলৰ লগত সাদৃশ্য নিৰূপণ কৰা টান হৈ পৰে। লগতে ক'ব পাৰি এটা ভাষাগোষ্ঠীৰ বিভিন্ন ভাষা-উপভাষাৰ শব্দৰ অৰ্থৰ পৰিবৰ্তনৰ বাবে বংশৰ ক্ৰম বিচৰা সম্ভৱ নহয়। ওচৰা-ওচৰিকৈ থকা দুটা ভাষা-গোষ্ঠীৰ শব্দৰ আদান-প্ৰদানে মূল নিৰ্ণয়ত অসুবিধাৰ সৃষ্টি কৰে।

সেয়ে বংশানুগত বৰ্গীকৰণৰ নানা অসুবিধাৰ প্ৰতি লক্ষ্য কৰি পণ্ডিতসকলে বাক্য গঠন প্ৰণালী বিশ্লেষণেৰে ভাষাক বৰ্গীকৰণ কৰাৰ মত পোষণ কৰে। কিন্তু এনেদৰে বৰ্গীকৰণ কৰিবলৈ গ'লে অসুবিধাৰ সন্মুখীন হ'ব লাগিব। এইক্ষেত্ৰত বিভিন্ন ভাষাবিলাক ৰক্ষিত হোৱা বাক্যগঠন প্ৰণালী বিশ্লেষণ কৰিবলৈ যাওঁতে পুনৰ বংশানুগত পদ্ধতিৰ সহায় ল'ব লগীয়া হয়। তুলনামূলক আলোচনাৰে মূললৈ লক্ষ্য কৰি বিশ্লেষণ নকৰিলে ভাষাবোৰৰ স্বতন্ত্ৰতা বিচাৰ কৰা সম্ভৱ নহয়। গতিকে বংশানুগত বৰ্গীকৰণকে অধিক গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ বৰ্গীকৰণ বুলিলে কি বুজে ? ঐতিহাসিক বৰ্গীকৰণক কিয় অধিক গ্ৰহণযোগ্য বুলি ভবা হয়, ব্যাখ্যা কৰক।

(২৫০ শব্দৰ ভিতৰত)

.....

১০.৪.২ আকৃতিমূলক বা বাক্যৰীতিগত বৰ্গীকৰণ

পদৰ বিন্যাস অথবা বাক্য গঠন ৰীতি বিশ্লেষণ কৰি সমষ্টিগতভাৱে ভাষাক বৰ্গীকৰণ কৰা পদ্ধতিয়েই হ'ল প্ৰৰূপগত বা বাক্যৰীতিগত বা আকৃতিমূলক বা ৰূপতত্ত্বানুগত বৰ্গীকৰণ। সকলো ভাষাৰেই মূল একক বাক্য। বাক্যত ব্যৱহৃত শব্দৰ পাৰস্পৰিক সম্বন্ধ বা পদৰ বিন্যাস কেনেধৰণৰ হয় আৰু বাক্যবোৰ ভাষাত কিদৰে সংযুক্ত হয় তাক বিচাৰ কৰি পৃথিৱীৰ অসংখ্য ভাষা এটা শৃংখলালৈ অনাৰ উদ্দেশ্যতে এই ধৰণৰ বৰ্গীকৰণ প্ৰচলন হৈছিল। ই প্ৰকৃততে বৰ্ণনামূলক পদ্ধতি। ভাষাৰ গাঠনিক দিশৰ প্ৰতি লক্ষ্য কৰি বৰ্ণনামূলক ভাষাবিজ্ঞান প্ৰতিষ্ঠানে বহু বছৰ আগতেই ভাষাবোৰক বৰ্গীকৰণ কৰাৰ চেষ্টা তাৎপৰ্যপূৰ্ণ বুলি মত পোষণ কৰিছে। আউগুষ্ট ৱন শ্লেগেলে পোন প্ৰথমে এই বৰ্গীকৰণৰ সূচনা কৰিছিল। বাক্যৰ উপাদান শব্দ আৰু অৰ্থৰ ভিত্তিত পৃথিৱীৰ ভাষাসমূহক প্ৰধানতঃ তিনি শ্ৰেণীত ভাগ কৰিছিল ঃ

(ক) বিশ্লিষ্ট বা অৱস্থানিক (Analytical)

(খ) শ্লিষ্ট বা প্ৰত্যয়ান্বয়ী (Synthetic)

(খ)অশ্লিষ্ট বা মুক্তান্বয়ী (Agglutinating)

ইয়াৰ পৰৱৰ্তী কালত উইলহেলেম ৱন হামবোল্ট, ফ্ৰিয়োড্ৰিখ মেক্সমূলাৰ আৰু অন্যান্য ভাষাতাত্ত্বিকৰ দ্বাৰা এই বিভাগৰ বৰ্গীকৰণ অধিক বিশ্লেষণাত্মক হৈ উঠিছিল আৰু ভাষাৰ বৰ্গীকৰণৰ এক প্ৰধান বিভাগ হিচাপে স্বীকৃত হৈছিল। বাক্যৰ পদ বিশ্লেষণৰ তুলনাত এই বৰ্গীকৰণত পৃথিৱীৰ ভাষাসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে—

(ক) অযোগাত্মক বা বিশ্লেষণাত্মক বা অৱস্থানিক (Inorganic or Analytical or Positional)

(খ) যোগাত্মক বা সংশ্লেষণাত্মক (Organic or Non Isolating)

অযোগাত্মক ঃ অযোগাত্মক বিভাগৰ ভাষাৰ সংখ্যা বৰ কম। ইয়াৰ অন্তৰ্গত ভাষাৰ বৈশিষ্ট্য হ'ল বাক্যত ব্যৱহৃত প্ৰত্যেকটো শব্দ বা পদৰ আভ্যন্তৰীণ বা বাহ্যিক পৰিবৰ্তন নঘটি কেৱল অৱস্থানৰ দ্বাৰা বাক্যৰ অৰ্থ প্ৰকাশিত হয়। স্থানবিশেষে একোটা শব্দ বিশেষ্য, বিশেষণ, ক্ৰিয়া-বিশেষণৰূপে বাক্যত ব্যৱহৃত হয়। পদটিৰ সুনিৰ্দিষ্ট প্ৰয়োগৰ দ্বাৰাই অৰ্থৰ বোধ হয়। যদি বৰ্তমান কাল বুজোৱা শব্দ হয়, তেন্তে তাৰ ওচৰত সমাপ্তিসূচক শব্দৰ ব্যৱহাৰ কৰি অতীত কাল বুজোৱা হয়। এই শ্ৰেণী ভাষাৰ কোনো ব্যাকৰণ নাথাকে। আমি এইক্ষেত্ৰত চীনীয় ভাষাৰ উদাহৰণ দিব পাৰোঁ। চীনীয় ভাষাত বিভক্তি-প্ৰত্যয়ৰ সংযোগত শব্দৰ ৰূপ সাধন নহয় বাবে একোটা শব্দৰ পৰা বিভিন্ন শব্দ সাধন হ'ব নোৱাৰে। গতিকে তেওঁলোকৰ শব্দৰ ভঁৰাল টনকিয়াল। এওঁলোকৰ কোনোধৰণৰ নিয়মমাফিক ব্যাকৰণ দেখা নাযায়। একোটা শব্দকে বিভিন্ন সুৱৰে (tone) উচ্চাৰণ কৰি ভিন্নাৰ্থ প্ৰকাশ কৰা হয়।

আনহাতে কিছু পৰিমাণে বিশ্লেষণধর্মী আফ্রিকাৰ ছুডানীয় শাখাৰ ভাষাতো শব্দৰ কোনো ৰূপ সাধন নহৈ স্বাধীনভাৱে অৱস্থান কৰি বাক্যৰ অর্থ প্রকাশ কৰা হয়।

যোগাত্মক ঃ পৃথিৱীৰ সর্বাধিক প্রচলিত ভাষা যোগাত্মক শ্রেণী বা বিভাগৰ অন্তর্গত। এনে ভাষাবোৰৰ বৈশিষ্ট্য হৈছে যে বাক্যত ব্যৱহৃত শব্দবোৰৰ লগত প্রত্যয়-বিভক্তি যোগ হৈ অথবা শব্দৰ আভ্যন্তৰীণ পৰিবর্তন হৈ বাক্যৰ অর্থ পৰিস্ফুট হয়। পদ বিন্যাসৰ ভিত্তিত এই বিভাগৰ ভাষাবোৰক তিনিটা উপবিভাগত ভাগ কৰা হয়—

(১) প্রশ্লিষ্ট বা অত্যান্বয়ী (Incorporating)

(২) অশ্লিষ্ট বা মুক্তান্বয়ী (Agglutinating)

(৩) শ্লিষ্ট বা প্রত্যয়ান্বয়ী (Inflecting)

প্রশ্লিষ্ট বা অত্যান্বয়ী ঃ যিবোৰ ভাষাত ভিন্ ভিন্ শব্দ একেলগ হৈ এটা সম্পূর্ণ বেলেগ শব্দৰ সৃষ্টি কৰি তাৰ দ্বাৰা নতুন বাক্য গঠিত হয় সেইবোৰ ভাষা প্রশিষ্ট শ্রেণীৰ অন্তর্ভুক্ত। আচলতে যিবোৰ শব্দৰ যোগত বাক্যৰ সৃষ্টি হয় সেইবোৰ একশব্দীয় বাক্য। এই ক্ষেত্রত শব্দবোৰ যোগ হৈ যাওঁতে কেতিয়াবা এটি বা এটিতকৈ বেছি অক্ষৰ লুপ্ত হৈ যায় আৰু ডাঙৰ শব্দৰ সৃষ্টিৰে বাক্য নির্দিষ্ট কৰে। দক্ষিণ আমেৰিকাৰ ওনেইডা ভাষাত Gnaglaslizaks এই একশব্দীয় বাক্যটিত g+nagla+sl+i+zak+s এই শব্দ সমষ্টি যোগ হৈ অর্থ প্রকাশ কৰিছে, ঃ 'মই গাঁও এখন বিচাৰিছোঁ।' তেনেদৰে গ্রীণলেণ্ডৰ এস্কিমো ভাষাত 'Aulisariartouarpok' এই শব্দীয় বাক্যত Aulisar (মাছ ধৰা) + Peartor (কামত নিযুক্ত হোৱা) +(Pinne) suarpok, 'সি লৰালৰিকৈ গৈছে' এই তিনিটা শব্দৰ সমষ্টিত গঠন হোৱা বাক্যই অর্থ প্রকাশ কৰিছে— 'সি লৰালৰিকৈ মাছ ধৰিবলৈ গৈছে।' এটি মাত্র শব্দৰ সহায়ত বাক্যৰ অর্থ প্রকাশ কৰিব পৰাৰ কাৰণে এনে বাক্য গঠনৰ বৈশিষ্ট্য থকা ভাষাক 'সংহতিমূলক বা প্রশিষ্ট' বোলা হয়। এই বর্গৰ ভাষাৰ দুটা বৈশিষ্ট্য দেখা যায় ঃ

প্রথমটি, শব্দীয় বাক্য আৰু দ্বিতীয়টি, ভিন্ ভিন্ শব্দ পৰস্পৰ সংবদ্ধ হওঁতে এক অংশৰ বিলোপ সাধন। যিবোৰ শব্দ বা শব্দৰ অংশৰ জৰিয়তে বাক্য গঠন হয় সেইবোৰৰ অসম্পূর্ণ ভাব বহনৰ বাহিৰে নিজা অস্তিত্ব নাথাকে। শব্দীয় বাক্যৰ দ্বাৰাহে সম্পূর্ণ ভাব প্রকাশিত কৰে। প্রশ্লিষ্ট ভাষাবর্গ দুই ভাগত বিভক্ত ঃ *পূর্ণ প্রশ্লিষ্ট* আৰু *আংশিক প্রশ্লিষ্ট*। যিবোৰ ভাষাত ভিন্ ভিন্ শব্দ একেলগ হৈ শব্দীয় বাক্যৰ দ্বাৰা বাক্যৰ অর্থ প্রকাশ কৰা হয় সেইবোৰ পূর্ণ প্রশ্লিষ্ট ভাষা। আমি ইতিমধ্যে উল্লেখ কৰা উদাহৰণ এই ভাষা বর্গৰ অন্তর্গত। আকৌ, পৰস্পৰ সম্বন্ধ শব্দ সমষ্টিৰে সম্পূর্ণ বাক্য গঠন নহয়, অথচ আংশিকভাৱে তেনে লক্ষণ দেখা যায়। পিৰেনিজ পর্বতমালাৰ পশ্চিম অঞ্চলত থকা 'থকা বাস্ক' ভাষা আংশিক প্রশ্লিষ্ট। বাস্ক ভাষাত সর্বনামৰ কর্মপদ ক্রিয়া

পদৰ লগত নিয়মিতভাৱে মুক্ত হৈ আংশিক প্ৰশ্লিষ্টৰ নিৰ্দশন বহন কৰে।

ছিম্‌তন্‌দ (Simtanda) আমি ইয়াক ভালপাওঁ

ছিবতন্‌দ (Sibatanda) আমি এওঁলোকক ভালপাঁও

এই ভাষাত পূৰ্ণ সংশ্লিষ্ট ভাষাৰ দৰে কেতিয়াবা বিভিন্ন শব্দৰ সমষ্টিত শব্দীয় বাক্যৰ গঠন হয় আৰু এনে কাৰ্যত শব্দৰ একোটি অংশ লোপ হয়।

Odei+ots=odots

Belar+oin=belaum

অৱশ্যে ইয়াত এটি অসুবিধা নোহোৱা নহয়। কিয়নো বেছিভাগ ক্ষেত্ৰতেই অশ্লিষ্ট ভাষাৰ বৈশিষ্ট্য বহন কৰিলেও আন কোনো ভাষাৰ লগত সম্বন্ধ স্থাপন কৰিব নোৱাৰি। উল্লেখ কৰা ভাল যে, কেতিয়াবা আকৌ শ্লিষ্ট-অশ্লিষ্ট ভাষাবৰ্গৰ বাক্য গঠনৰ বৈশিষ্ট্যৰে পূৰ্ণ ভাষা এটাও আংশিক প্ৰশ্লিষ্টৰ বৈশিষ্ট্য বহন কৰা দেখা যায়। আফ্ৰিকাৰ 'বান্টু' আৰু পাৰ্ছী ভাষাত এই বৈশিষ্ট্য বিৰাজমান। উপসৰ্গমূলক অশ্লিষ্ট শ্ৰেণীৰ বান্টু ভাষাত ক্ৰিয়াৰ লগত সৰ্বনাম পদ যোগ হৈ আংশিক প্ৰশ্লিষ্ট সৃষ্টি কৰে। পাৰ্ছী ভাষাত বিশেষ্যৰ লগত সৰ্বনাম পদ যোগ হৈ আংশিক প্ৰশ্লিষ্টৰ বাক্য গঠন কৰা দেখা যায়।

Kitab-am মোৰ কিতাপ Kitab-sah তাৰ কিতাপ

শ্লিষ্ট ভাষাবৰ্গৰ বাক্য গঠনতো আংশিক প্ৰশ্লিষ্টৰ উদাহৰণ পোৱা যায়। ইংৰাজী ভাষাত don't=donot আৰু isn't=isnot তেনে দুটা উদাহৰণ। আদিম অৱস্থাত মানুহে দীঘলীয়া ধ্বনি সমষ্টিৰে গঠিত শব্দীয় বাক্যৰ জৰিয়তে মনৰ ভাব প্ৰকাশ কৰিছিল আৰু লাহে লাহে বিশ্লেষণাত্মক ভাৱে সুস্পষ্ট ৰূপত ভাব প্ৰকাশৰ ক্ষমতা লাভ কৰিবলৈ ধৰে।

অশ্লিষ্ট বা মুক্তান্বয়ী ঃ সমগ্ৰ পৃথিৱীতে বিয়পি থকা অশ্লিষ্ট ভাষাত বচন-লিংগ, কাৰক, কাল বুজাবলৈ প্ৰত্যয়, বিভক্তি জাতীয় কিছুমান স্বতন্ত্ৰ অৰ্থযুক্ত শব্দ বা শব্দাংশ মূলৰ লগত লগ লগাই তাক অইন কিছুমান পদ গঠনত ব্যৱহাৰ কৰা হয়। পদ সংযোজনৰ প্ৰকৃতিলৈ লক্ষ্য ৰাখি অশ্লিষ্ট ভাষাক চাৰিটা উপবিভাগত ভাগ কৰা হৈছে ঃ

(১) উপসৰ্গীয় অশ্লিষ্ট

(২) পৰসৰ্গীয় অশ্লিষ্ট

(৩) উপসৰ্গীয়-পৰসৰ্গীয় অশ্লিষ্ট

(৪) আংশিক অশ্লিষ্ট

বচন, লিংগ, কাৰক, কাল নিৰ্দেশক যিবোৰ শব্দ বা শব্দাংশ মূলৰ লগত সংযোগ হয়, সেইবোৰ মূল শব্দৰ আগত বা পাচত বা দুই ঠাইতে বহিব পাৰে।

উপসৰ্গীয়-অশ্লিষ্ট ভাষাৰ ভিতৰত আফ্ৰিকাৰ 'বান্টু' ভাষা পৰিয়াল উল্লেখযোগ্য। এই পৰিয়ালৰ ভাষাত বচন-লিংগবোধক শব্দ বা শব্দাংশ মূল শব্দৰ আগতে বহে। উদাহৰণ হিচাপে দেখুৱাব পাৰি।

Umu-ntu = এজন মানুহ

Aba-ntu = বহুত মানুহ

ইয়াত 'ntu' মূল শব্দ, অর্থ হৈছে-'মানুহ'। (Ba-ntu) নাম এনেদৰে হৈছে। এই 'বা' বহুবচন।

আনহাতে **পৰসর্গীয়-অশ্লিষ্ট** ভাষাৰ ভিতৰত দ্রাবিড় ভাষাগোষ্ঠী আৰু উৰাল-আলটাই গোষ্ঠীৰ ভাষা প্রধান। মূল শব্দৰ পাচতহে শব্দ যোগ কৰি পদ-বিশ্লেষণ কৰা হয়। শব্দবোৰ ইণ্ডো-ইউৰোপীয় ভাষাবোৰৰ নিচিনাকৈ মূলৰ লগত মিহলি হৈ নাযায়, স্বতন্ত্রভাৱে বৈ যায়। দ্রাবিড় ভাষাগোষ্ঠীৰ কানাড়ী ভাষাত সেৱক-ৰু; সেৱক-ৰন্নু ৰূপ হয়। উৰাল-আলটাই গোষ্ঠীৰ তুৰ্কী ভাষাত 'এব'-ঘৰ; 'এবলেৰ' -ঘৰবোৰ, এইদৰে ৰূপ হয়। সংস্কৃত ভাষাত আকৌ সেৱকাঃ, সেৱান, গৃহাণি এনেদৰে ৰূপ হয়। এনেধৰণৰ স্বতন্ত্র অৱস্থানৰ বাবেই এইবোৰক অশ্লিষ্ট ভাষা বোলা হৈছে।

উপসর্গীয়-পৰসর্গীয়-অশ্লিষ্ট ভাষাৰ নির্দশন পোৱা যায় প্রশান্ত মহাসাগৰত আৰু ভাৰত মহাসাগৰৰ দ্বীপপুঞ্জত প্রচলিত অষ্ট্রোনেচীয় ভাষা পৰিয়ালৰ ভাষাত। এই পৰিয়ালৰ মালয়ী, মেলানেছীয় আদি ভাষাৰ অন্তর্গত ভাষাসমূহত মূল শব্দৰ আগত আৰু পাচত সর্গ যোগ কৰি বাক্য গঠন কৰা। মালয় ভাষাৰ 'টগলা' উপভাষাত Sulat ধাতুৰ অর্থ 'লিখা'। পিছে মধ্যসর্গ যোগ হোৱাৰ পাচত Sungumulat (S-u-ng-ulat) অর্থ 'লেখিছিল' হৈ যায়।

অষ্ট্রোনেছীয় শাখাৰ অন্তর্গত ককেছীয় গোষ্ঠীৰ অন্তর্গত ভাষাসমূহ। ইয়াৰ অন্তর্গত ভাষাসমূহৰ বাক্যগঠন প্রণালী বৰ জটিল। সেয়ে এই গোষ্ঠীৰ শ্লিষ্ট শ্রেণীৰ বুলি ভবাৰ থল আছিল। কিন্তু নিজস্ব অর্থ থকা উপসর্গ-পৰসর্গ যোগ হোৱা পদযুক্ত এই গোষ্ঠীৰ ভাষাসমূহ আংশিক অশ্লিষ্ট শ্রেণীৰহে। আনহাতে পলিনেছীয় শাখাৰ ভাষাসমূহৰ পদ-বিন্যাস বিশ্লেষণধর্মী বাবে অশ্লিষ্ট শ্রেণীৰ বুলি ধৰা বৰ টান। যদিও কেতবোৰ শব্দ বা শব্দাংশ বা সর্গ স্বকীয় অর্থৰে যোগ হয় আৰু মূল শব্দৰ অর্থৰো পৰিবর্তন নকৰা বৈশিষ্ট্যই এনেবোৰ পৰিয়ালৰ ভাষাক আংশিক যোগাত্মক শ্রেণীৰ বুলি পৰিচয় দিয়ে। এইখিনিতে আপোনালোকে মন কৰিব যে, প্রশ্লিষ্ট ভাষাৰ নিচিনাকৈ শব্দ একত্রীকৰণৰ জৰিয়তে পৰস্পৰ সংবদ্ধ দীঘলীয়া পদৰ সৃষ্টিৰে শব্দীয় বাক্য সাধন নকৰা অশ্লিষ্ট ভাষাত মূল শব্দৰ লগত বহা শব্দ বা শব্দাংশবোৰৰ নিজা অর্থ থাকে।

শ্লিষ্ট বা প্রত্যয়ান্বয়ী ঃ বাক্যৰ অন্তর্গত শব্দবোৰৰ পাৰস্পৰিক সম্পর্ক বিভিন্ন প্রকাৰৰ প্রত্যয় আৰু বিভক্তিৰ দ্বাৰাহে নির্ণীত হয়। এই প্রত্যয়-বিভক্তিবোৰ শব্দৰ বাবে অপৰিহার্য অংগ। ধাতু আৰু শব্দৰ লগত ভিন্ ভিন্ প্রত্যয় বিভক্তি যোক কৰি বচন-লিংগ-কাৰক-কাল আদিৰ অর্থ প্রকাশ কৰি বাক্য গঠন কৰা হয়। কেতিয়াবা মূল শব্দৰ লগত মিলে আৰু কেতিয়াবা নতুন ৰূপ লাভ কৰা দেখা যায়। যিবোৰ বিভক্তি আদি যোগ হৈছে সেয়া নির্দিষ্ট নহয় আৰু তাৰ স্বকীয় অর্থও নাথাকে। সংস্কৃত, গ্রীক, ইংৰাজী,

আদি ভাষা আৰু ছেমীয়-হেমীয় পৰিয়ালৰ ভাষাকেতবোৰ এই শ্ৰেণীৰ অন্তৰ্গত। ভাষাবোৰৰ ৰূপসাধন প্ৰক্ৰিয়ালৈ লক্ষ্য কৰি ইয়াক অৰ্ন্তমুখী আৰু বহিৰ্মুখী শ্লিষ্ট ভাগত ভগোৱা হৈছে। এটি পদৰ মধ্যত অৱস্থিত স্বৰধ্বনি পৰিবৰ্তন অনুসৰি বাক্যৰ অৰ্থ নিৰূপিত হয়। ধাতুৰ তিনিটা ব্যঞ্জন ধ্বনি থাকে। ব্যঞ্জন ধ্বনিৰ মাজত স্বৰধ্বনিৰ পৰিবৰ্তন অনুসৰি শব্দৰ অৰ্থবো পৰিবৰ্তন হয়। উদাহৰণ হিচাপে, ছেমীয় -হেমীয় পৰিয়ালৰ ভাষা আৰবীত তিনিটা ব্যঞ্জনেৰে গঠিত ধাতু v কট্‌ল (qtl) ৰ অৰ্থ হ'ল 'বধ কৰা'। এই ধাতুত স্বৰসংযোগ কৰি একাধিক নতুন পদ গঠন কৰিব পাৰি—

qtl = বধ কৰা
qatala = সি বধ কৰিছিল
qitl = শত্ৰু
qital = আঘাত
qutila = সি বধ হৈছিল
yaqtulu = সি বধ কৰে।

মূল শব্দ বা ধাতুৰ শেষত যোগ হোৱা প্ৰত্যয় বা বিভক্তিৰ নিজা কোনো অৰ্থ দেখা পোৱা নাযায়। পূৰ্বতে সম্পূৰ্ণ অৰ্থ প্ৰকাশক শব্দটি পাছলৈ অৰ্থহীন শব্দাংশত পৰিণত হৈ প্ৰত্যয় বা বিভক্তিৰ নাম পাইছে। ধাতু বা শব্দৰ শেষত প্ৰত্যয় যোগ কৰি অৰ্থ পৰিবৰ্তনৰ দ্বাৰা বচন-লিংগ-কাৰক-কাল আদিৰ ভাব প্ৰকাশক শব্দ গঠন কৰা ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত প্ৰাচীন আৰু আধুনিক ভাষাবোৰৰ বৈশিষ্ট্য। সংস্কৃত ভাষাত 'কৃ' ধাতুৰ পৰা কৃত, কৃতম, কৰোতি, কৃত্য আদি ৰূপ পাব পাৰি। তেনেদৰে ইংৰাজী ভাষাত 'Act' ধাতুৰ পৰা action, active, acting, actual আদি শব্দ পাওঁ। এইধৰণে একেটা মূল শব্দৰ পৰা বিশেষ্য, বিশেষণ, ক্ৰিয়া পদৰ সৃষ্টিৰ লগতে একেৰাহে এটাৰ পাচত আন এটা প্ৰত্যয় যোগ কৰিবও পাৰি।

পৃথিৱীৰ ভাষাসমূহৰ এনেদৰে পদ বা শব্দবিন্যাস বা বাক্য গঠনৰ ওপৰত ভিত্তি কৰি অযোগাত্মক আৰু যোগাত্মক শ্ৰেণীত ভাগ কৰা হৈছে। তথাপি কিছু ক্ষেত্ৰত কেতিয়াবা অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। কাৰণ যোগাত্মক শ্ৰেণীত অযোগাত্মকৰ আৰু অযোগাত্মক শ্ৰেণীত যোগাত্মকৰ লক্ষণ পৰিলক্ষিত হ'ব পাৰে। ইণ্ডো ইউৰোপীয় পৰিয়ালৰ আধুনিক যোগাত্মক ভাষাসমূহত অযোগাত্মক বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি। নতুন নতুন শব্দই প্ৰত্যয়-বিভক্তিৰ স্থান দখল কৰি বাক্যৰ অৰ্থ প্ৰকাশ কৰাতো মন কৰিবলগীয়া। আকৌ অযোগাত্মক ভাষাবোৰত শ্লিষ্ট, অশ্লিষ্ট, প্ৰশ্লিষ্টৰ উপাদান একেটা সময়তে বিৰাজ কৰা দেখা যায়। তথাপি এই বৰ্গীকৰণৰ মহত্ত্ব স্বীকাৰ কৰিবই লাগিব। কাৰণ, ই ভিন্ ভিন্ ভাষাৰ সাংগঠনিক ৰূপটি স্পষ্ট কৰি ভাষাবোৰক শৃংখলাৰ মাজলৈ অনাত সহায়ক ৰূপত প্ৰতীয়মান হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ ঃ আকৃতিমূলক বর্গীকৰণৰ বিষয়ে আলোচনা আগবঢ়াওক। (১৫০-৩০০ শব্দৰ ভিতৰত)

.....

১০.৪.৩ অবর্গীকৃত বা গোষ্ঠী বহির্ভুত ভাষা

পৃথিৱীৰ বিভিন্ন প্রান্তত প্রচলিত ভাষাবোৰক ধ্বনিতত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব, বাক্যগঠন আদিৰ ওপৰত ভিত্তি কৰি বিভাজিত কৰা হৈছে যদিও কিছুমান অঞ্চলত এনেধৰণৰ ভাষাৰো প্রচলন আছে যিবোৰ কোনোধৰণৰ বর্গীকৰণত অন্তর্ভুক্ত কৰিব নোৱাৰি। সেইবোৰ অবর্গীকৃত ভাষা। গোষ্ঠী বর্হিভূত ভাষা বুলিও অভিহিত কৰা এই ভাষাবোৰৰ ধ্বনি, ৰূপৰ ক্ষেত্রত প্রত্যেকেই স্বতন্ত্র বাবে কোনো গোষ্ঠীৰ ভাষাৰ লগত মিল দেখা নাযায়। সেয়ে এইবোৰ ভাষা 'গোষ্ঠী বর্হিভূত ভাষা ' বা অবর্গীকৃত ভাষা। এই পর্যায়ৰ ভাষাবোৰক প্রধানকৈ দুটি ভাগত ভগোৱা হৈছে ঃ

(ক) প্রাচীন (খ) আধুনিক

(ক) গোষ্ঠী বহির্ভূত প্রাচীন ভাষা ঃ বর্তমান একেবাৰে বিচাৰি নোপোৱা অর্থাৎ লুপ্ত হৈ যোৱা কেইটামান ভাষাৰ অস্তিত্ব সম্পর্কে ভাষাবিদে সন্ধান উলিয়াইছে। যিবোৰক কোনো নিদিষ্ট বংশ বা গোষ্ঠীৰ অন্তর্ভুক্ত কৰিব নোৱাৰি। এনে প্রাচীন ভাষাৰ ভিতৰত উল্লেখযোগ্য হ'ল, মেছোপটেমীয়াৰ প্রাচীনতম ভাষা 'ছুমেৰীয়'। ই যোগাত্মক শ্রেণীৰ ভাষা। প্রাচীন ছুমেৰীয় ধর্মশাস্ত্র বেবেলনীয়সকলে অনুবাদ কৰি ছুমেৰীয় ভাষা সম্পর্কে জনাৰ সুযোগ দিছে। প্রাচীন বেবিলনৰ পৰা পাৰস্য উপসাগৰ পর্যন্ত এই বিশাল সাম্রাজ্যৰ ভাষা ছুমেৰীয়ৰ সন্ধান পোৱা গৈছিল খ্রীঃপূঃ চাৰি হাজাৰ বছৰৰ প্রাচীন শিলালেখৰ ভাষাৰ পৰা। পশ্চিম ইৰাণৰ ছুছা অঞ্চলৰ ভাষা হ'ল **অলমাইট**। খ্রীঃ প্রথম শতিকাত লুপ্ত হৈ যোৱা এই ভাষাটি খ্রীঃ পূঃ দুই হাজাৰ বছৰৰ প্রাচীন প্রত্নলিপিৰ ভাষাৰ মাজতপোৱা গৈছিল। ই পৰসর্গীয় অশ্লিষ্ট শ্রেণীৰ ভাষা। পূব মেছোপটেমীয়া মিট্রান্নি সাম্রাজ্যৰ যোগাত্মক শ্রেণীৰ ভাষা ৰূপে পৰিচিত **মিট্রান্নি** ভাষা। ইয়াৰ নির্দশন পোৱা গৈছিল খ্রীঃ পূঃ ষোড়শ শতিকাৰ প্রত্নলিপিৰ ভাষাৰ মাজত। ইটালীৰ প্রাচীন ভাষা এট্রস্কান ভাষাৰ নিদর্শন পোৱা গৈছিল খ্রীঃপূঃ ষষ্ঠ শতিকাৰ লিপিৰ ভাষাৰ মাজত। অষ্ট্রিক ভাষা গোষ্ঠীৰ লগত সাদৃশ্য থকা বুলি মন্তব্য কৰিব বিচৰা এট্রস্কান ভাষা দৰাচলতে স্বতন্ত্রভাৱে বিকাশ লাভ কৰা এটি সুকীয়া ভাষাহে। গ্রীক সভ্যতাৰ সোণালী ইতিহাস তৈয়াৰীত ভাষা-সংস্কৃতিৰ সৈতে অৱদান আগবঢ়োৱা **মিনোয়ান** ভাষা হ'ল প্রাচীন ক্রীটদ্বীপৰ ভাষা। খ্রীঃপূঃ পঞ্চদশ শতিকাৰ শিলালিপিত প্রাপ্ত এই ভাষা যথেষ্ট উন্নত আছিল। প্রাচীন দ্রাবিড় অধ্যয়নৰ বাবে অত্যাৱশ্যকীয় বুলি প্রতীয়মান হোৱা

মহেঞ্জোদাৰো ধ্বংসাৱশেষৰ মাজত সিন্ধু উপত্যকাৰ বাসীসকলে প্রত্যক্ষ কৰা শিলালিপিত প্রাপ্ত ভাষা **মহেন-জো-দাৰো**। এই ভাষাৰ সভ্যতা-সংস্কৃতিৰ লগত প্রাচীন ছুমেৰীয়, ক্রটীয়, প্রাচীন দ্রাবীড়ীয় সভ্যতাদিৰ লগত মিল পৰিলক্ষিত হয়।

আনহাতে **লীডীয়, ভান্নীয়, লিকীয়, কৰীয়** আদি কেবাটাও নির্দিষ্ট গোষ্ঠীৰ অন্তর্ভুক্ত নোহোৱা লুপ্ত ভাষাৰ সন্ধান পোৱা হৈছে।

(খ) গোষ্ঠী-বহির্ভূত আধুনিক ভাষা ঃ স্বতন্ত্র গতিৰে বিকাশ হোৱা কোনো গোষ্ঠীৰ ভিতৰুৱা কৰিব নোৱাৰা বর্তমানেও প্রচলিত ভাষাবোৰৰ ভিতৰত 'বাস্ক' ভাষা প্রাচীন আইবেৰীয় ভাষাৰ পৰা উদ্ভূত বুলি ভবা হয়। ফ্রান্স আৰু স্পেইনৰ মাজৰ পিৰেনিজ পর্বতমালাৰ পশ্চিম অংশত প্রায় এক নিযুত লোকে কোৱা এই আংশিক প্রশ্লিষ্ট ভাষাটিৰ প্রচলন আছে। সুকীয়া শব্দসম্ভাৰৰ সৈতে গঠন হোৱা ভাষা প্রণালী বৰ জটিল ধৰণৰ। প্রায় দহ কোটি জনসাধাৰণৰ মুখৰ ভাষা 'জাপানী' পৃথিৱীৰ উন্নত সাহিত্য সম্পদেৰে সমৃদ্ধ ভাষাবোৰৰ ভিতৰত অন্যতম প্রধান ভাষা। এই ভাষাৰ মূল উৎস, সম্পর্ক থকা ভাষা-গোষ্ঠী সম্পর্কত স্থিৰ সিদ্ধান্ত কৰিব নোৱাৰি বাবে এতিয়াও ই গোষ্ঠী বহির্ভূত স্বতন্ত্রভাৱে বিকাশ হোৱা ভাষা হিচাপে পৰিচিত। ভিন্ন অর্থৰে চীনীয় লিপি ব্যৱহাৰ কৰা জাপানী ভাষা পৰসর্গীয় অশ্লিষ্ট। সপ্তম-অষ্টম শতিকাত চীন আৰু কোৰীয়া বুদ্ধ ধর্মীয় সাধুসকলৰ জৰিয়তে চীনা লিপি জাপানী ভাষাত প্রৱেশৰ সুবিধা লাভ কৰে। উৰাল-আলটাই গোষ্ঠীৰ সৈতে সাদৃশ্য দেখুৱাব বিচৰা কোৰীয় ভাষাৰ বহুখিনি মিল জাপানী ভাষাৰ লগতহে আছে। অনেকে দুয়োটা একেটা পৰিয়াল বুলি বিবেচনা কৰিবলৈ বিচাৰে। Eunmoom নামৰ নিজস্ব বর্ণমালাৰ ধ্বনি অনুসৰি গঢ় লৈ উঠা পৃথিৱীৰ ভাষাসমূহৰ ভিতৰত অতি বিশুদ্ধ বর্ণমালা বুলি অভিহিত কৰা ভাষাই কোৰীয় ভাষাৰ বর্ণমালা। অতি কম জনসংখ্যাৰ মাজত প্রচলিত য়ুনান আৰু টোংকিং সীমান্ত অঞ্চলত প্রচলিত স্বৈশিষ্ট্যযুক্ত **'লা-টি'** অন্যতম ভাষা। আন্দামান দ্বীপপুঞ্জৰ আদিম অধিবাসীকলৰ মাজত প্রচলিত নিজস্ব বৈশিষ্ট্যৰে মহীয়ান ভাষাটি **'আন্দামান'**ৰ ধ্বনি বা শব্দৰ ব্যৱহাৰতকৈ ইংগিতেহে অধিক প্রাধান্য লাভ কৰা দেখা যায়। **'বুৰুশস্কী'** ভাষা ভাৰতবর্ষৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলৰ খিৰজা উপত্যকাত প্রচলিত গোষ্ঠী বহির্ভূত ভাষা। ইয়াক দ্রাবিড় প্রভাৱিত মুণ্ডা ভাষাৰ প্রাচীনতম ৰূপ বুলিও ভবা হয়। **'আইনু'** জাপানৰ হোক্কাইডো দ্বীপৰ অধিবাসীসকলৰ মাজত প্রচলিত এটি **'গিলাক'** নামৰ উপভাষা থকা ভাষা। ত্রিশ নিযুততকৈ অধিক জনসংখ্যাৰ কথিত ভাষা **ভিয়েটনামী ভাষাক** কোনো গোষ্ঠীৰ অন্তর্ভুক্ত কৰিব নোৱাৰি। দক্ষিণ-পূব এছিয়াৰ এই ভাষাটিক বিভিন্ন ভাষাৰ লগত সম্বন্ধ স্থাপন কৰাব বিচাৰে যদিও চীনীয় ভাষাৰ লগতহে কিছু ক্ষেত্রত মিল দেখা যায়। নিজস্ব বৈশিষ্ট্যৰ সৈতে চীনীয় শব্দৰে চহকী ভিয়েটনামী ভাষাত ৰোমান লিপিক অতিৰিক্ত চিহ্ন যোগ কৰি আৰু ছয় প্রকাৰৰ সুৰ, বিভিন্ন ধ্বনি প্রকাশ কৰিব পৰাকৈ পুনৰ গঢ় দি 'ভিয়েটনামী লিপি'ক নাম দিয়া হৈছে 'Quoc-ngu.'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ অবর্গীকৃত ভাষা সম্পর্কে এটি চমু টোকা লিখক।
(৫০-১৫০ শব্দৰ ভিতৰত)

.....

১০.৫ পৃথিৱীৰ ভাষা পৰিয়ালসমূহ

আমি আগতেই উল্লেখ কৰিছোঁ, যে পৃথিৱীৰ বিভিন্ন স্থানত বর্তমানে প্রচলিত হৈ থকা যিবোৰ ভাষাৰ প্রাচীন নির্দশন পোৱা গৈছে, তেনেবোৰ ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দসম্ভাৰ আদিৰ তুলনামূলক পদ্ধতিৰে সাদৃশ্য-বৈসাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ দ্বাৰা ভাষাবোৰক উদ্ভৱ আৰু ক্রমবিকাশৰ আলোচনা কৰি যি পাৰস্পৰিক সম্পর্ক বিচাৰ কৰাৰ পাছত যি প্রধান ভাষা-গোষ্ঠী বা পৰিয়াল পোৱা গৈছে সেইকেইটা হ'ল— ইণ্ডো-ইউৰোপীয়, চীন-তিব্বতীয়, ছেমীয়-হেমীয়, অষ্ট্রিক, দ্রাবিড়, উৰাল-আলটাই, ককেচীয়, এস্কিমো।

১০.৫.১ ইণ্ডো-ইউৰোপীয়

যিকেইটা প্রধান পৰিয়াল অথবা গোষ্ঠী বা বংশত পৃথিৱীৰ ভাষাসমূহক বিভাজিত কৰা হৈছে সেইকেইটাৰ ভিতৰত ইণ্ডো-ইউৰোপীয় ভাষা-গোষ্ঠী উল্লেখযোগ্য প্রধান ভাষা-গোষ্ঠী। বর্তমান জনসংখ্যাৰ আধা সংখ্যক লোকে এই গোষ্ঠীৰ অন্তর্গত বিভিন্ন ভাষা কয় আৰু এই ভাষাবোৰত সাহিত্য সৃষ্টি কৰিছে। এই ভাষাগোষ্ঠীৰ নামাকৰণৰ সৈতে জড়িত কোনো ধৰণৰ তথ্য প্রাচীন কালৰে পৰাই ইণ্ডো-ইউৰোপীয় ভাষা- গোষ্ঠীৰ ক্ষেত্রত বিচাৰি পোৱা কঠিন। কেবল অনুমানৰ ভিত্তিতহে কিছু তথ্য সদৰি কৰা হয়। ঊনবিংশ শতিকাৰ আগভাগত সংস্কৃত ভাষা চর্চাৰ জৰিয়তে প্রাচীন ভাষাবোৰৰ মাজত শব্দভাণ্ডাৰৰ অর্থৰ সাদৃশ্য, ধ্বনিৰ অৱস্থান, প্রয়োগ আদিৰ তুলনামূলক অধ্যয়নে ভাৰতৰ পৰা ইউৰোপৰ প্রায়ভাগ স্থান বিয়পি পৰা সমজাতীয় ভাষাবোৰৰ আধাৰত উক্ত ভাষাবোৰৰ মূল জাননী ইণ্ডো-ইউৰোপীয় বুলি কল্পনা কৰি লোৱা বাবে ই এটা কাল্পনিক ভাষা পৰিয়াল বা ভাষাগোষ্ঠী ৰূপে পৰিচিত হৈছে। গতিকে প্রাচীন কালত প্রচলিত ভাষাবোৰৰ তুলনাৰ আধাৰত এই গোষ্ঠীৰ মূল অস্তিত্ব পুর্নগঠনৰ দ্বাৰা নামাকৰণ কৰা হৈছে। প্রকৃত অর্থত ইউৰোপৰ পৰা ভাৰতলৈ এই গোষ্ঠীৰ শাখা-প্রশাখা বিয়পি থকা কাৰণতেই এই ভাষা-গোষ্ঠীক 'ইণ্ডো-ইউৰোপীয়' বুলি কোৱা হৈছে। ওঠৰশ শতিকাত উইলিয়াম জোনছে গ্রীক, লেটিন, পাৰচীয়, কেলটিয় আদি ভাষাৰ লগত সংস্কৃতৰ সম্পর্ক আৰু শ্রেষ্ঠত্ব প্রসংগত মত দিয়াৰ পাছতেই জার্মান পণ্ডিতবর্গই সংস্কৃত, লেটিন, গ্রীক, গোঠীয় ভাষাবোৰৰ তুলনামূলক আলোচনাত গুৰুত্ব প্রদান কৰি একেমূলীয় ভাষাবোৰৰ মূল

যে এক 'আদিম ইণ্ডো-ইউৰোপীয়' সেইটো প্ৰতিপন্ন কৰে। আনহাতে জাৰ্মান ভাষাতাত্ত্বিকসকলে জাৰ্মান ভাষাৰ লগতে সমগোত্ৰীয় অন্যান্য প্ৰাচীন ভাষাৰ আলোচনাৰ পূৰ্বে সংস্কৃত ভাষাৰ লগত পৰিচয় হৈ লৈছিল। সেয়ে তেওঁলোকে সংস্কৃত-জাৰ্মানৰ সৈতে আন একেমূলীয় ভাষাবোৰক অন্তৰ্গত কৰি 'ইণ্ডো-জাৰ্মান' নামটো ব্যৱহাৰ কৰিছিল। প্ৰাচ্যতত্ত্ববিদ মেক্সমূলাৰে আকৌ এই পৰিয়ালৰ 'আৰ্য' নাম দিছিল। ১৮৬১ খ্ৰীঃ আউগুষ্ট শ্লেইচাৰ আৰু ১৮৮৬ খ্ৰীঃত কাৰ্ল ব্ৰুগমান-বেৰ্টোল ডেলব্ৰুকৰ ইণ্ডো-ইউৰোপীয় ভাষাসমূহৰ ধ্বনি আৰু ৰূপতত্ত্বৰ দিশৰ তুলনামূলক ব্যাকৰণ দুখনৰ প্ৰকাশিত হোৱাৰ পৰৱৰ্তী সময়ছোৱাতহে ভাষাতাত্ত্বিক থমাছ য়ুঙৰ প্ৰচেষ্টাত ভাৰতৰ পৰা ইউৰোপৰ প্ৰায়ভাগ স্থানত প্ৰচলিত ভাষাবোৰ একেটা মূলৰ বুলি ধাৰণাটি দৃঢ় হোৱাৰ পাচত 'ইণ্ডো-ইউৰোপীয়' নামটি প্ৰতিষ্ঠা হয়। বৰ্তমান সময়ত ভাৰতবৰ্ষৰ পৰা ইউৰোপ পৰ্যন্ত পৰিব্যাপ্ত একেমূলীয় গ্ৰীক, লেটিন, প্ৰাচীন পাৰচীয়, সংস্কৃত আদি ভাষাবোৰৰ সৈতে এই বিশিষ্ট ভাষা-বংশ বা ভাষা গোষ্ঠী বা ভাষা পৰিয়ালটিৰ নাম 'ইণ্ডো-ইউৰোপীয়' বুলি সকলোৱে জনাজাত।

প্ৰাচীন মূল ভাষা এটাৰ সন্ধান নোপোৱা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ প্ৰাচীন ভাষা কিছুমানৰ মাজত তুলনামূলক আলোচনাৰে ইণ্ডো ইউৰোপীয় ভাষা গোষ্ঠীৰ আদিম ৰূপ এটা অনুমান কৰা হৈছিল। গতিকে এই গোষ্ঠীৰ অন্তৰ্গত বিভিন্ন ভাষা কোৱা লোকসকলে বৰ্তমান পৃথিৱীত সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈ কৃতিত্ব প্ৰদৰ্শন কৰিছে। কিন্তু তেওঁলোক প্ৰাচীন কালত উচ্চ সংস্কৃতিসম্পন্ন জনসমষ্টি নাছিল। তেনে সময়ত মেছোপটেমীয়া, ভূমধ্য সাগৰৰ উপকূল অঞ্চল, সিন্ধ্যু উপত্যকাৰ অঞ্চলবোৰৰ নিচিনা সভ্যতা গঢ়ি উঠা ঠাইবোৰতো তেওঁলোকে বাস কৰা নাছিল। পৰৱৰ্তী সময়তহে এনে ঠাইত বাস কৰিবলৈ লৈছিল। খ্ৰীঃপূঃ তিনি হাজাৰতকৈ বেছি বছৰ আগতে প্ৰত্ন ইণ্ডো-ইউৰোপীয় ভাষাৰ উদ্ভৱৰ বিষয়ে অনুমান কৰা হৈছে। জনসংখ্যা থকা ঠাইবোৰত একেলগে বাস কৰা জনসমষ্টিয়ে সময় পাৰ হোৱাৰ লগে লগে জনসংখ্যা বৃদ্ধিৰ বাবে খাদ্যৰ অভাৱ, দলগত আধিপত্য বিস্তাৰৰ বাবে হোৱা গৃহকন্দল আদিয়ে আন ঠাইলৈ যোৱাৰ বাবে উৎসাহ জগাইছিল। এনে প্ৰব্ৰজনৰ ফলত বিভিন্ন স্থানত দলে দলে সিঁচৰিত হৈ পৰিলেও আদিম কালত কোনো নিৰ্দিষ্ট এক ঠাইত বসতি কৰিছিল বুলি সিদ্ধান্ত কৰা হৈছে।

প্ৰাচীন প্ৰচলিত ভাষাবোৰৰ বিশেষ অধ্যয়ন কৰি পণ্ডিতসকলে ব্যৱহাৰ্য শব্দবোৰৰ ওপৰত ভিত্তি কৰি আদিম কালত এওঁলোক অঘৰী পশুপালক লোক আছিল বুলি অনুমান কৰে। এওঁলোকৰ সংস্কৃতি সম্পৰ্কত তথ্য আহৰণ কৰিব পাৰিলেও তেওঁলোকৰ আদিম বাসস্থান সম্পৰ্কত এক সিদ্ধান্ত কৰিব নোৱাৰি। গ্ৰহণযোগ্য নহ'লেও পণ্ডিত মেক্সমূলাৰে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ বাসস্থান পামিৰ মালভূমি আৰু মধ্য এছিয়া; জাৰ্মান পণ্ডিত আউগুষ্ট ফ্ৰিয়েড্ৰিখ পোটে

হিন্দুকুশ পৰ্বতৰ নামনি অঞ্চল বুলি নিজৰ অভিমত দাঙি ধৰে। কিছু সংখ্যক ভাৰতীয় পণ্ডিতে আকৌ লুপ্ত হোৱা পশ্চিম এছিয়াৰ প্ৰাচীন ভাষা মিতান্নী, হিট্টী, কাছাইট আদিৰ লগত ভাৰতীয় আৰ্য ভাষাৰ বৈদিকৰ বহু শব্দৰ সাদৃশ্য বিচাৰ কৰি ভাৰতবৰ্ষই ইণ্ডো-ইউৰোপীয়ৰ আদি বাসস্থান বুলি ক'বলৈ বিচাৰে যদিও তাৰ প্ৰমাণ পোৱা নাযায়। অন্যহাতে ইউৰোপৰ অধিক অংশত এই ভাষা গোষ্ঠীৰ অন্তৰ্গত বিভিন্ন প্ৰচলিত হৈ থকাৰ পৰা ইউৰোপৰ কোনো অঞ্চল যে তেওঁলোকৰ আদিম বাসস্থান আছিল সেইটো নিশ্চিতভাৱে সৱহ সংখ্যক পণ্ডিতে মত পোষণ কৰে। সেই অনুসৰি ইউৰোপৰ তিনিটা অঞ্চল আদিম বাসস্থানৰ সম্ভাৱনা আছে—

(ক) ডানিয়ুব উপত্যকা, বিশেষকৈ হাংগেৰীৰ সমতলভূমি।

(খ) দক্ষিণ-ৰাছিয়াৰ ইউৰেছীয় অঞ্চল।

(গ) স্কাণ্ডিনেভীয়া আৰু জাৰ্মানীৰ উত্তৰ অঞ্চল।

ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ আদিম বাসস্থান ডানিয়ুব উপত্যকা বুলি নিশ্চিতভাৱে ক'ব পৰা নাযায়। কিন্তু ৰাছিয়াৰ ইউৰেছীয় অঞ্চল আদিম বাসস্থান বুলি আগবঢ়োৱা মতটিহে অধিকাংশ পণ্ডিতে সমৰ্থন কৰিছে। ১৯০৬ খ্ৰীঃত প্ৰকাশিত ওটো শ্ৰাডাৰৰ 'Comperative Linguistics and Pre-History' নামৰ গ্ৰন্থখনিত ভাষাগত প্ৰত্নবিদ্যাৰ জৰিয়তে দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় অঞ্চলটি ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ আদিম বাসস্থান সম্পৰ্কত প্ৰকাশ কৰা মতটি বৰ্তমানেও অধিক গ্ৰহণযোগ্য বুলি বিবেচিত হৈ আছে। দুৰ্গম লিঠুৱানীয়াত মূল ইণ্ডো ইউৰোপীয়ৰ প্ৰাচীনত্ব ৰক্ষিত হোৱা বাবে কিছুসংখ্যক পণ্ডিতে ইয়াকেই আদি ভূমি বুলি ক'ব খোজে। 'হিট্টীয়' ভাষা আৱিস্কাৰৰ পাচত ইয়াৰ শিলালিপিত বৰুণ, ইন্দ্ৰ, নদীৰ নাম খোদিত পাই ইউফ্ৰেটিছ আৰু টাইগ্ৰিছ নদীৰ অৱবাহিকা অঞ্চলকো ইণ্ডো ইউৰোপীয়ৰ আদিম বাসস্থান ৰূপে মানি ল'ব খোজে। গতিকে বিভিন্ন সময়ত বিভিন্নজনে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদি বাসস্থান সম্পৰ্কত মত পোষণ কৰিলেও প্ৰকৃততে কোনো এটা স্থিৰ সিদ্ধান্ত অহাটো সম্ভৱ নহয়। তথাপি ক'ব পাৰি যে, প্ৰাগৈতিহাসিক কালতে অৰ্থাৎ খ্ৰীঃপূঃ তিনি হাজাৰ বছৰমানৰ আগতেই ইণ্ডো-ইউৰোপীয়ৰ আদিম লোকসকলে পূব বা মধ্য ইউৰোপৰ সমভূমি অঞ্চলত নাইবা দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় অঞ্চলত একে ধৰণৰ সমাজ পাতি সৰু সৰু গোটত বিভক্ত হৈ বাস কৰি আছিল বুলিহে ক'ব পৰা যায়। পৰৱৰ্তী সময়ছোৱাত জনসংখ্যা বৃদ্ধিৰ ফলত খাদ্য সমস্যা, কন্দলাদিৰ বাবে দলে বিভিন্ন ঠাইলৈ সিঁচৰিত হৈ পৰিল। খ্ৰীঃপূঃ দুহেজাৰ পাঁচশ বছৰমানৰ আগতে আদিম বাসস্থানৰ পৰা ইউৰোপ আৰু এছিয়াৰ ভিন্ ভিন্ ঠাইলৈ প্ৰব্ৰজন আৰম্ভ হৈছিল বুলি ভবা হয়। দক্ষিণ-পূব মুৰাকৈ এটি দল আৰ্মেনিয়ালৈ, এটি দল উত্তৰ মেছোপটেমীয়াত গৈ সোমালগৈ। পাছলৈ আচ্ছিৰীয় আৰু বেবিলনীয়সকলৰ লগত একেবাৰে মিলি পৰিল। পূব মেছোপটেমীয়াত সোমোৱা

দলটিয়ে নিজৰ স্বতন্ত্রতা অক্ষুন্ন ৰাখিব পাৰিছিল আৰু তাৰপৰাই ইৰাণলৈ আহি কেইটামান শতিকা থাকি আফগানিস্থান অতিক্রম কৰি কিছু ফৈদ আনুমানিক খ্রীঃপূঃ পোন্ধৰশ শতিকামানত ভাৰতত প্রবেশ কৰিছিলহি। এনেদৰে ইউৰোপৰ বৃহৎ ভূমিভাগৰ লগতে এছিয়াৰ পশ্চিম অঞ্চলৰ ইৰাণ-ভাৰত পর্যন্ত বিয়পি পৰিছিল। বহু শতিকা পাৰ কৰি দেশে দেশে বাগৰি সেইবোৰ দেশক পৰাজিত বা পৰাজয় বৰণ কৰি জনসমষ্টিৰ ভাষা-সংস্কৃতি-সভ্যতাৰ লগত পৰিচিত হৈ নিজৰ নিপুণতা প্রদর্শন কৰাৰ অসংখ্য প্রমাণ পোৱা যায়। সেয়ে সমৰত নিপুণ হোৱাৰ কৌশল, সংঘবদ্ধ হোৱাৰ কায়দাৰে আনতকৈ ওপৰত থাকি ইউৰোপৰ পৰা এছিয়াৰ বিশাল ভূখণ্ডত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ বৈশিষ্ট্য সম্পর্কে উল্লেখ কৰিব পাৰি। ইণ্ডো-ইউৰোপীয় মূল ভাষাৰ পাঁচটা প্রধান হ্রস্বস্বৰ, এটা হ্রস্বস্বৰ আৰু দুটা অর্ধস্বৰ আছিল। ক-বর্গৰ তালব্য, কণ্ঠ্য, কণ্ঠৌষ্ঠ্য এই তিনিটা শ্রেণী আছিল স্বৰবোৰৰ ক্রম অনুসৰি শব্দ গঠন প্রণালী অর্থাৎ অপশ্রুতি প্রধান বৈশিষ্ট্য আছিল। সমাসবদ্ধ পদ আৰু এক অক্ষৰবিশিষ্ট ধাতুৰ ব্যৱহাৰ গুৰুত্বপূর্ণ কথা আছিল। প্রত্যয় যোগ কৰি ৰূপসাধন কৰা এই ভাষাগোষ্ঠীত মূলতে স্বৰাঘাত প্রধান তথা সংযোগাত্মক ভাষা। আনহাতে অন্যান্য ভাষাগোষ্ঠীৰ তুলনাত শব্দভাণ্ডাৰ যথেষ্ট চহকী।

ইণ্ডো-ইউৰোপীয় ভাষা-গোষ্ঠীক প্রধানতঃ দুটা ভাগত ভাগ কৰা হৈছে— **'কেন্টুম'** আৰু **'সতম'**। মূল ইণ্ডো-ইউৰোপীয়ৰ তালব্য 'ক' ধ্বনিটোৰ বিকাশলৈ লক্ষ্য কৰি ১৮৭০ খ্রীঃত পণ্ডিত এচকোলিয়ে এই দুটি ভাগৰ অৱতাৰণা কৰে। তালব্য 'ক' ধ্বনিটো কেইটামান শাখাত কণ্ঠ্য ধ্বনিৰ লগত এক হৈ পৰিছিল আৰু এই শাখাকেইটা 'কেন্টুম' বুলি অভিহিত কৰা হৈছিল। আকৌ কেইটামান শাখাত উষ্ম শ-কাৰ বা স-কাৰত পৰিণত হৈছিল, ইয়াক 'সতম' বুলি অভিহিত কৰা হৈছিল। 'কেন্টুম'ৰ অন্তর্গত ভাষাসমূহ হ'ল ঃ কেলটীয়, ইটালীয়, জার্মানীয়, তোখৰীয় আৰু গ্রীক। 'সতম'ৰ অন্তর্গত ভাষাসমূহ হ'ল ঃ বাল্টো-স্লবীয়, আর্মেনীয়, আলবানীয় আৰু ইণ্ডো-ইৰাণীয়।

কেলটীয় ঃ পুৰণি কালত সমগ্র পশ্চিম আৰু মধ্য ইউৰোপৰ পৰা এছিয়া মাইনৰলৈ কেলটিয় শাখাৰ ভাষাই শক্তিশালী ৰূপত বিয়পি আছিল। পৰৱর্তী কালত জার্মানীয় শাখাৰ ভাষাই ইয়াৰ সীমা সংকুচিত কৰি ইউৰোপৰ পশ্চিম অংশত নির্দিষ্ট কৰি পেলাইছে। দুটা ভাষাৰ মাজত অনেক মিলি দেখি 'ইটালো-কেলিটীয়' বুলি এটা শাখা হিচাপে কোনো কোনো পণ্ডিতে অনুমান কৰি লয়। ৰোমান সাম্রাজ্যৰ ভাল দিনত ফ্রান্স, উত্তৰ ইটালীৰ লগতে মধ্য ইউৰোপ আৰু এছিয়া মাইনৰলৈ গৌলিশ উপশাখাৰ ভাষা প্রচলিত আছিল। খ্রীঃ শতাব্দীৰ আৰম্ভ হোৱাৰ আগতেই ৰোমানসকলৰ আক্রমণত তলকিব নোৱাৰি গৌলিশ ভাষীসকল বিক্ষিপ্ত হৈ পৰিল।

কেবল শিলালিপি আৰু প্ৰাচীন পৃথিৱীৰ মাজতেই সীমাৱদ্ধ হৈ থাকিল। ব্ৰিটেনীয় উপ শাখাৰ ভাষাসমূহ এংলো-ছেকক্সনসকল আঁতৰি যোৱাৰ আগতেই ব্ৰিটিছ দ্বীপপুঞ্জত প্ৰচলন আছিল। কোৰ্নিশ ভাষা কোৰ্নৱালত চলিছিল যদিও ইংৰাজী ভাষাৰ প্ৰসাৰে ইয়াৰ অস্তিত্ব নোহোৱা কৰি পেলায়। পোন্ধৰশ শতিকাত এই ভাষাত সাহিত্য চৰ্চা কৰাৰ নিদৰ্শন পোৱা গৈছে। ৱেলশ ভাষা ৱেলছ দ্বীপত এক নিযুত মান মানুহৰ মাজত প্ৰচলিত হৈ আছে যদিও ইংৰাজী ভাষাৰ লগত প্ৰতিদ্বন্দী হিচাপে থাকি নিজৰ অস্তিত্ব ৰক্ষা কৰিবলগীয়া হৈছে। অষ্টম শতিকাৰ পৰাই এই ভাষাত চৰ্চাৰ আভাস পোৱা যায়। অতি কম বৃটেইন এৰি ফ্ৰান্সলৈ অহা মানুহৰ মুখৰ ভাষা হিচাপে ফ্ৰান্সৰ উত্তৰ-পশ্চিম অংশত ব্ৰেটোন ভাষা চলি আছে। চতুদৰ্শ শতিকাৰ পৰা এওঁলোকে সাহিত্য চৰ্চা কৰাৰ নিদৰ্শন পোৱা যায়। স্কটিশ স্কটলেণ্ডৰ পাৰ্বত্য আৰু মান্ক্স ভাষা মান্দ্বীপত প্ৰায় এক লাখমান লোকৰ মাজত প্ৰচলিত হৈ আছে যদিও অতি সোনকালে মৃত্যুৰ গৰাহত পৰাৰ সম্ভাৱনা আছে। কেলটীয় শাখাৰ সকলোতকৈ উল্লেখযোগ্য ভাষা হিচাপে আইৰিশ ভাষা আয়াৰলেণ্ডত প্ৰচলিত । খ্ৰীঃ পঞ্চম শতিকাৰ পৰা সাহিত্য সম্পদত চহকী বুলিগৌৰৱ কৰিব পৰা আইৰিশ ভাষাই আয়াৰলেণ্ডৰ জনসাধাৰণৰ স্বদেশ-প্ৰীতিৰ বাবেই ইংৰাজী ভাষাৰ সন্মুখত নিজৰ অস্তিত্ব শক্তিশালী ৰূপত জীয়াই আছে।

ইটালীয় ঃ ইণ্ডো-ইউৰোপীয় লোকসমষ্টিয়ে ইটালীৰ মালভূমিত গৈ বসতি স্থাপন কৰিছিল তেওঁলোকৰ পৰাই পৰৱৰ্তী সময়ছোৱাত ইটালীয় ভাষাৰ সৃষ্টি হৈছিল। এই শাখাৰ প্ৰাচীন ভাষাবোৰৰ ভিতৰত লেটিন, ওছকান, উমব্ৰিয়ান ভাষাই প্ৰধান। লেটিন ভাষাৰ উত্থান আৰু ৰাজনৈতিক পৃষ্ঠপোষকতাই বাকী ভাষা দুটিক মৃত্যুমুখলৈ ঠেলি দিয়ে। খ্ৰীঃপূঃ পঞ্চম শতিকাত প্ৰতিষ্ঠা লাভ কৰি লেটিন ভাষাই সমগ্ৰ পশ্চিম ইউৰোপ, মৰক্কো, আজেৰিয়া, লিবিয়া পৰ্যন্ত বিয়পি পৰে। নব্য লেটিন ভাষাৰ শাখা ইটালীয় ইটালীত, স্পেনীয় স্পেইনত, পতুৰ্গীজ পতুৰ্গালত, ফৰাচী ভাষা ফ্ৰান্সত ৰোমানীয় ভাষা ৰুমানীয় সকলৰ সাহিত্যত, প্ৰোভেনকেল ফ্ৰান্সৰ দক্ষিণ অংশত প্ৰচলিত।

জার্মানীয় ঃ এটি গুৰুত্বপূৰ্ণ শাখা হিচাপে স্থান পোৱা জার্মানীয়ৰ ভাষাসমূহ চাৰিওফালে বিয়পি পৰিছে। মূলৰ পৰা পালৰি কাটি আহি স্কণ্ডিনেভিয়াৰ দক্ষিণ অঞ্চল আৰু জার্মানীৰ উত্তৰ অঞ্চলত বসতি আৰম্ভ কৰে। জার্মানীয় ভাষাক তিনিটা শাখাত ভাগ কৰা হয়। পশ্চিম জার্মানীয়, উত্তৰ জার্মানীয়, পূব জার্মানীয়। ইয়াৰ ভিতৰত পশ্চিম জার্মানীয় শাখাৰ এংলো ফিছীয়ৰ পৰা ইংৰাজী ভাষাৰ উদ্ভৱ হয়। ষোড়শ শতিকাত এই ভাষা ব্যৱসায়-বাণিজ্য আৰু চৰকাৰী ভাষাৰূপে পৃথিৱীৰ বিভিন্ন ঠাইত বিয়পি পৰে। বৰ্তমান ই আন্তৰ্জাতিক ভাষা ৰূপে স্বীকৃতি পাইছে।

গ্রীক ঃ এই শাখাটি প্ৰাচীন গ্ৰীছ, এচিয়া মাইনৰ আৰু ইজিপ্তৰ কিছু অংশ সামৰি

স্পেইনৰ পৰা কৃষ্ণসাগৰৰ উপকূল অঞ্চললৈ প্ৰচলিত আছিল। বৰ্তমান এই ভাষা গ্ৰীছ, এছীয় দ্বীপপুঞ্জ, ছাইপ্ৰাছ, তুৰস্ক, আলবানীয়, বুলগেৰীয়াত প্ৰচলিত। এই সমৃদ্ধিশালী ভাষাটিত খ্ৰীঃপূঃ নৱম শতিকাত দুখন মহাকাব্য ইলিয়াদ আৰু ওডিছী ৰচিত হয়। ইংৰাজী আদি ভাষাৰ দৰে গৌৰৱ অৰ্জন কৰিব নোৱাৰিলেও প্ৰাচীন গ্ৰীক ভাষাই যি মৰ্যদা পাইছিল সেয়া অনন্য। গ্ৰীক ভাষা আৰু সাহিত্যৰ প্ৰেৰণা-আদৰ্শই ইউৰোপৰ সকলো ভাষাকে প্ৰভাৱিত কৰিছিল। গ্ৰীছদেশত ৰাষ্ট্ৰীয় ভাষাৰূপে স্বীকৃত গ্ৰীক ভাষাৰ আধুনিক ৰূপটোক 'romaic' বোলা হয়।

বাল্টো-স্লবীয় ঃ এই ভাষাটি দুটা উপশাখা বাল্টীয় আৰু শ্লাবীয়ৰ সংমিশ্ৰণত গঢ়ি উঠিছে। ইয়াৰ অন্তৰ্গত ভাষা লিথুৱানীয়, বুলগেৰীয়া, যুগোশ্লাবিয়া, এড্ৰিয়াৰ উপকূল, পোলেণ্ড, ছোভিয়েট ৰুছিয়া আদি ঠাইত প্ৰচলিত। শ্লাবীয় উপশাখাৰ ভাষাৰ সংখ্যা বেছি। এই শাখাৰ বৈশিষ্ট্যসম্পন্ন বুলগেৰীয় ভাষাতেই প্ৰথম প্ৰাচীন নিদৰ্শন পোৱা গৈছিল। ৰুছীয় ভাষা সংযুক্ত ৰাছিয়াৰ ভাষা, বৰ্তমান ইয়াৰ পৰিসৰ বৃদ্ধি পাইছে। পৃথিৱীৰ কালজয়ী সৃষ্টিৰ ভাষাবোৰৰ মাজত ৰুছীয় ভাষাও অন্যতম।


টোখাৰীয় ঃ টোখাৰীয় ভাষা কোন অঞ্চলত নিৰ্দিষ্টকৈ প্ৰচলিত আছিল আৰু কেতিয়া ভাষাটি লুপ্ত হ'ল সেই সম্পৰ্কত কোনো তথ্য পোৱা নাযায়। মধ্য এছিয়াৰ অন্তৰ্গত চীনীয় তুৰ্কীস্থানত পশ্চিমীয়া ভাষাতাত্ত্বিকসকলে উদ্ধাৰ কৰা প্ৰত্নলিপি আৰু পুথিৰ মাজেৰে এই নতুন ভাষাৰ অস্তিত্বৰ কথা জানিব পৰা যায়। কেলটীয় আৰু ইটালীয় ভাষাৰ লগত সাদৃশ্য থকা বাবেও ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কেন্তুম শাখাৰ অন্তৰ্গত বুলি সিদ্ধান্ত কৰা হৈছে। লক্ষ্য কৰা হয়।। 'টোখৰ' নামৰ জাতিৰ ভাষা আছিল বুলিয়েই এই ভাষাৰ নাম 'টোখাৰীয়' ৰখা হয়। মধ্য এছিয়াত দ্বিতীয় শতিকাত টোখাৰসকলে সাম্ৰাজ্য স্থাপন কৰিছিল আৰু হুকলৰ আক্ৰমণত এই ৰাজ্য ধ্বংস হৈছিল। সপ্তম শতিকাৰ পাচত এই ভাষাৰ অৱশেষ পোৱা নাযায়। টোখাৰীয় ভাষাৰ দুটা উপভাষাঃ পূব টোখাৰীয় আৰু পশ্চিম টোখাৰীয় বুলি লিপিৰ পাঠ উদ্ধাৰত সিদ্ধান্ত কৰা হয়।

আলবানীয় ঃ আনুমানিক তিনি নিযুত লোকৰ কথিত আলবানীয় ভাষাক গ্ৰীক ভাষাৰে এটা উপশাখা বুলি পোনতে ভৌগোলিক কাৰণত ভ্ৰম হৈছিল। পিছত ভাষাটিৰ গঠন প্ৰণালী, ধ্বনিতত্ত্ব আদিৰ বৈশিষ্ট্যবোৰলৈ চাই পণ্ডিতসকলে ইণ্ডো ইউৰোপীয়ৰ স্বতন্ত্ৰ শাখা বুলি মানি লোৱা হয়। আলবানীয়ৰ বংশধৰসকলে শ্লাভসকলৰ দ্বাৰা বিতাড়িত হৈ বৰ্তমানৰ এড্ৰিয়াটিক সাগৰৰ উপকূল অঞ্চলত বসতি কৰিবলৈ লয়। ই প্ৰধান বিদেশী প্ৰভাৱিত ইণ্ডো-ইউৰোপীয় ভাষা। সপ্তদশ শতিকাৰ শেষত স্পষ্ট লিখিত নিদৰ্শন পোৱা এই ভাষাৰ দুটা উপভাষা আছে ঃ ঘেগ আৰু টোস্ক।

আৰ্মেনীয় ঃ খ্ৰীঃ পঞ্চম শতিকাত অনুবাদ কৰা বাইবেলেই আৰ্মেনীয়ৰ প্ৰাচীন সাহিত্য আৰু প্ৰাচীন আৰ্মেনিয়ৰ স্তৰ বোলা হয়। প্ৰাচীন আৰ্মেনীয় ঊনবিংশ শতিকালৈ

প্ৰচলিত আছিল যদিও পাছলৈ কেৱল পৰোহিত শ্ৰেণীৰ মাজতহে ভাষাটিৰ ব্যৱহাৰ সীমাবদ্ধ হৈ থাকিল। আধুনিক আৰ্মেনীয়ৰ দুটা উপশাখা ঃ আৰ্মেনীয় আৰু ই�ৰাণত প্ৰচলিত পূব শাখাঃ তুৰস্কত প্ৰচলিত পশ্চিম শাখা। খুব কমসংখ্যক লোকে এই ভাষা ব্যৱহাৰ কৰিলেও বা সাহিত্য চৰ্চাৰ নিদৰ্শন কম হ'লেও ভূতাত্ত্বিক, নৃতাত্ত্বিক, ঐতিহাসিক বিৱৰণ আদিয়ে আৰ্মেনীয়সকল উচ্চ সভ্যতাৰ অধিকাৰী বুলি আখ্যা দিছে। এই ভাষাত ইৰাণীয় ভাষাৰ প্ৰভাৱ অত্যন্ত বেছি।

ইণ্ডো-ইৰাণীয় ঃ এটি উল্লেখযোগ্য শাখা ইণ্ডো-ইৰাণীয় ইৰাণ, আফগানিস্তান, পাকিস্তান, ভাৰতবৰ্ষ, শ্ৰীলংকা, বাংলাদেশ আদিত প্ৰচলিত। সমগ্ৰ ইণ্ডো-ইউৰোপীয় ভাষাসমূহৰ ভিতৰত এই শাখাতেই সৰ্বপ্ৰাচীন সাহিত্যিক নিদৰ্শন পোৱা গৈছে। এই শাখাৰ লোকসকলে নিজকে 'অৰ্য' বা 'অইৰয়' বুলি গৌৰৱ কৰিছিল বাবে এওঁলোকক 'আৰ্য' বুলিও কোৱা হয়। ভাষাসমূহৰ পাৰস্পৰিক সম্বন্ধৰ ওপৰত ভিত্তি কৰি তিনিটা উপশাখাত বিভক্ত কৰা হৈছে— ইৰাণীয় আৰ্য, দৰদীয় আৰ্য, ভাৰতীয় আৰ্য। ভাৰতৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চল আৰু পামিৰ মালভূমিৰ মাজৰ দৰদী স্থানত এই শাখাৰ ভাষা প্ৰচলিত। এই শাখাৰ ভাষাবোৰৰ ভিতৰত একমাত্ৰ কাশ্মিৰী ভাষাহে সাহিত্য সম্পদেৰে চহকী। খ্ৰীঃ ষষ্ঠ শতিকাৰ গুণাঢ্যৰ দ্বাৰা পৈসাচী প্ৰাকৃতত ৰচিত 'বড্ডকহা' সেইখন প্ৰাচীন কাশ্মিৰী ভাষাত লিখা বুলি কোৱা হৈছে। ইৰাণীয় আৰ্য শাখাৰ ভাষাসমূহ ইৰাণত প্ৰচলিত আছিল। আৱেস্তীয় আৰু প্ৰাচীন পাৰচীয় এই দুটা ভাগত এই শাখাটিৰ ভাষা বিভক্ত কৰা হয়। ভাৰতীয় আৰ্যৰ লগত আৱেস্তয়ী ভাষাৰ যথেষ্ট মিল আছে। আনহাতে প্ৰাচীন পাৰচীয় ভাষা ইৰাণৰ দক্ষিণ অঞ্চলত গঢ় লৈ উঠি পৰৱৰ্তী কালত সমগ্ৰ ইৰাণৰ ৰাষ্ট্ৰভাষাৰূপে স্বীকৃতি হৈছিল। মধ্য পাৰচীয় ভাষাৰ স্তৰ 'পহ্লবী'পাৰ হোৱাৰ পাছত আধুনিক পাৰচীয় ভাষাৰ স্তৰত এই ভাষাক ফাৰ্ছী বুলি ক'বলৈ ল'লে। আৰবী লিপিৰে বৰ্তমান ফাৰ্ছী ভাষা লিখা হয়। ওমৰ খায়াম, ফিৰদৌছি, হাফিজ আদি মহান কবিসকলে উন্নত সাহিত্য সৃষ্টি কৰি ভাষাটিক মহান কৰিছে। খ্ৰীঃপূঃ পঞ্চদশ শতিকামানত আৰ্যসকল ভাৰতবৰ্ষত সোমাই পূব আফগানিস্থান, পাঞ্জাৰ আদিত থাকি পাছলৈ বিস্তাৰিত হৈ পৰে। ভাৰতলৈ অহা আৰ্যসকলক ভাৰতীয় আৰ্য বোলা হয়। এই শাখাক তিনিটা ভাগত বিভক্ত কৰা হয়। প্ৰাচীন ভাৰতীয় আৰ্য, মধ্য ভাৰতীয় আৰ্য, নব্য ভাৰতীয় আৰ্যভাষা। খ্ৰীঃপূঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা লৈ বিস্তাৰিত প্ৰাচীন ভাৰতীয় উৎকৃষ্ট নিদৰ্শন হৈছে বৈদিক আৰু সংস্কৃত। বেদ এই সময়ছোৱাৰে ৰচনা। খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ দশম শতিকালৈ মধ্য ভাৰতীয় আৰ্যভাষাৰ নিদৰ্শন পালি, অশোকৰ অনুশাসনৰ ভাষা, সাহিত্যিক প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাই দাঙি ধৰে। খ্ৰীঃ দশম শতিকাৰ পৰা নব্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰৰ অন্তৰ্গত হিন্দী, বাংলা, ওড়িয়া, অসমীয়া, মাৰাঠী, গুজৰাটী আদি ভাষাবোৰ।



১০.৫.২ চীন-তিব্বতীয় বা তিব্বত চীনীয় ভাষাগোষ্ঠী

পূব আৰু দক্ষিণ-পূব এছিয়াৰ বৃহৎ এলেকাজুৰি তিব্বত চীনীয় বা চীন তিব্বতীয় ভাষাগোষ্ঠী প্রচলিত হৈ আছে। চীন দেশৰ ইয়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থলেই এই ভাষা পৰিয়ালৰ আদিম বাসস্থান আছিল বুলি অনুমান কৰা হয়। জাতিগত দৃষ্টিত মংগোলয়ডৰ অন্তর্গত। এই ভাষাগোষ্ঠী দুটা প্রধান ভাগত ভাগ কৰা হৈছে ঃ তিব্বত-বর্মী আৰু থাই-চীনীয় বা শ্যাম-চীনীয়। তিব্বত-বর্মী শাখাক হিমালয়ী, উত্তৰ-অসম, অসম-বর্মী আৰু তিব্বতী এই চাৰিটা উপ শাখাত ভগোৱা হৈছে।

হিমালয়ী উপশাখাৰ ভাষাবোৰ হিমালয়ৰ ওচৰ-পাজৰৰ ঠাই নেপাল, ভূটান, চিকিম আদিত প্রচলিত। ইয়াৰ ভাষাবোৰৰ ভিতৰত নেপালত প্রচলিত নেৱাৰীয়ে

প্ৰধান স্থান দখল কৰি প্ৰায় তিনি লাখ লোকৰ মুখৰ ভাষা ৰূপত বৰ্তি আছে। চিকিমত প্ৰচলিত ৰংগ ভাষা প্ৰায় পঁচিশ হাজাৰ লোকে কয়। লগতে কানৌৰী, কিৰান্তী, ধিমাল, মুৰ্মী, মগৰ আদি ভাষা কোৱা লোকসকল হিমালয় উপত্যকালৈ আহি অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লগত মিহলি হৈ পৰিল।

উত্তৰ অসম উপশাখাৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰত আদি বা আবৰ, মিছিং, অকা, ডফলা, মিছিমি জনগোষ্ঠীৰ ভাষাবোৰৰ প্ৰচলন আছে। মিছিংসকলৰ পৰ্বতীয়া আৰু ভৈয়াম এই দুই ভাগৰ মাজত যথেষ্ট বৈসাদৃশ্য আছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ আশে-পাশে যোৰহাট, শিৱসাগৰ, লক্ষীমপুৰ, ডিব্ৰুগড়, দৰং, শোণিতপুৰ জিলাত ভৈয়ামৰ মিছিংসকলৰ বসতি। পৰ্বতীয়া মিছিঙৰ লগত ডফলা ভাষাৰ সাদৃশ্য বিচাৰি পোৱা যায়।

অসম-বৰ্মী উপশাখাৰ অন্তৰ্গত ভাষাবোৰক বড়ো-নাগা, কুকিচীন আৰু বৰ্মী এই তিনিটা ভাগত ভগোৱা হৈছে। পূৰ্বতে বড়ো- নাগা একটা ফৈদৰে আছিল। অসমৰ উত্তৰ-পূব কোণেৰে সোমাই উত্তৰ-বংগ, পূৰ্ব-বংগ, ত্ৰিপুৰা পৰ্যন্ত বিয়পি থকাসকল বড়ো হিচাপে আৰু যিসকল নাগা পাহাৰত গৈ বসবাস কৰিলে তেওঁলোক নাগা বা নগা হিচাপে পৰিচিত হয়। বড়ো ফৈদৰ লোকসকল সৰু সৰু গোটত ভাৰতৰ পূব অঞ্চলত বিয়পি ৰাজ্য গঠন কৰি শাসন চলোৱাৰ বিৱৰণ বুৰঞ্জীয়ে দিয়ে। অসমৰ পূব, মধ্য, দক্ষিণ, পশ্চিম অঞ্চলৰ উপৰি গাৰো পাহাৰ, ত্ৰিপুৰা, কোচবিহাৰ আদিতো নিজৰ বসতি স্থায়ী কৰে। এই উপশাখাৰ ভাষাবোৰ বড়ো, গাৰো,ৰাভা, লালুং বা তিৰা, হাজং, তিপৰা, চুটিয়া, ডিমাচা আদিৰ ভিতৰত কামৰূপ, গোৱলপাৰা, দৰং জিলাত বাস কৰা লোকৰ বড়ো ভাষাই শ্ৰেষ্ঠত্ব লাভ কৰিছে। নিজকে ডিমা-ফিচা বা ডিমা নৈৰ সন্তান বুলি পৰিচয় দিয়া ডিমাচাসকল উত্তৰ-কাছাৰ জিলাত বসতি কৰি নিজস্ব ভাষাৰ সমৃদ্ধিৰ বাবে কাৰ্যত ৰত হৈ আছে। মেঘালয়, অসমৰ কামৰূপ, গোৱালপাৰা, ত্ৰিপুৰা আদিত বসবাস কৰি থকা গাৰোসকলৰ মুখৰ ভাষাগাৰো। তেওঁলোকৰ আৰে, ছিছাক, মাৎছি, গাৰাগানছিং, আটং, ৰুগা, মেগাম, আৰেৰ এইকেইটা ফৈদৰ ভিতৰত আৰেৰ পৰা বৰ্তমানৰ মান্য ৰূপটি লোৱা হৈছে। চুটিয়া ভাষা সম্পৰ্কত বুৰঞ্জীত যথেষ্ট তথ্য পোৱা যায়। ষোড়শ শতিকাত প্ৰথমাৰ্ধত আহোমসকলৰ হাতত পৰাজয় বৰণ কৰা চুটিয়াসকলৰ ভাষাও লোপ হোৱাৰ পথত আগবাঢ়ে। বৰ্তমান শিৱসাগৰ, লক্ষিমপুৰ, ডিব্ৰুগড়, দৰঙত বাস কৰা কেবল পুৰোহিত শ্ৰেণীৰ দেউৰীসকলৰ মাজতহে এই ভাষা জীয়াই আছে। ৰাভাসকলৰ আঠটা ফৈদৰ পাতিৰ বাহিৰে ৰংদানি, মাইটৰিৰ মাজতহে ৰাভা ভাষা চলি আছে। অসমৰ নগাঁও, কামৰূপ, শিৱসাগৰত বাস কৰা তিৰা লোকসকলে অসমীয়া সংস্কৃতিৰ প্ৰভাৱ নিজৰ ভাষাটি অসমীয়া কৰিয়েই লৈছে। হাজং ভাষা কোৱা লোক খাছী-জয়ন্তীয়া, গাৰো পাহাৰৰ দাঁতি কাষৰত প্ৰচলিত। তিপৰা ভাষা কোৱা লোক ত্ৰিপুৰা আৰু বাংলাদেশত আছে। বড়ো ফৈদৰ কোচসকলে হিন্দু ধৰ্ম

গ্ৰহণ কৰি নিজৰ ভাষাও লোপ কৰি পেলায়। বৰ্তমানৰ উত্তৰ বংগ আৰু গোৱালপাৰাত থকা 'ৰাজবংশী'সকলৰ মাজত এই ভাষাৰ অৱশিষ্ট পোৱা যায়। কিন্তু মেঘালয় আৰু অসমৰ সীমামূৰীয়া অঞ্চলত বসবাস কৰা কোচ (তিব্বত-বর্মীৰ ভাষী)সকলৰ মাজত পূৰ্ণ মাত্ৰে এই ভাষা ৰক্ষিত আছে।

নাগা উপশাখাৰ ভাষাসমূহ নাগালেণ্ড, মণিপুৰ, উত্তৰ কাছাৰ আদিত প্ৰচলিত। নাগা লোকসকলৰ মাজত প্ৰচলিত ভাষাবোৰৰ মাজত আঞ্চলিক বৈসাদৃশ্য অনেক। তেওঁলোকৰ আও, লঠা, আংগামী, ছেমা, ৰেংমা, কন্যাক আদি প্ৰতিটো ফৈদৰ মাজত একোটাকৈ উপভাষা আছে। ভাষাৰ এনে পাৰ্থক্যৰ বাবে এওঁলোকে ভাব-বিনিময়ৰ বাবে 'নাগামিজ' ভাষাৰ ব্যৱহাৰ কৰে।


কুকি-চীন শাখাৰ অন্তৰ্গত সাহিত্য-সম্পদত চহকী ভাষা মেইটেই মণিপুৰ আৰু মিজো পাহাৰত প্ৰচলিত। এই শাখাৰ অন্য এটি ভাষা মিজো এসময়ত লুচাই পাহাৰত কথিত হৈ আছিল। বৰ্তমানৰ মিজো পাহাৰত থকা এই ভাষাত ৰোমান লিপি ব্যৱহাৰ কৰি সাহিত্যাদি সৃষ্টি হৈছে। কার্বি ভাষা অসমৰ কার্বি আংলং জিলা, শিৱসাগৰ, নগাঁও, উত্তৰ কাছাৰ জিলাত প্ৰচলিত। মৌখিক সাহিত্যত এই ভাষা বৰ চহকী। অসমৰ সীমান্তৱৰ্তী, অৰুণাচলত বাস কৰা নক্‌টে, আপাটানি, টাগিন, মনপা, চিংফৌ, টাংচা, গালং আদি উপজাতিৰ মাজত এই শাখাৰ ভাষা উত্তৰ-অসম আৰু অসম-বর্মী শাখাৰ ভিতৰুৱা। খ্ৰীঃ একাদশ শতিকাত প্ৰাচীন নিদর্শন লাভ কৰা বর্মী ভাষা ম্যানমাৰত প্ৰচলিত। পালি ভাষাৰ দ্বাৰা এই ভাষা বৰকৈ প্ৰভাৱিত। ভাৰতৰ তিব্বত আৰু পশ্চিম হিমালয়ত তিব্বতী ভাষা চলে। বৌদ্ধধর্মৰে প্ৰভাৱিত ভাষাটিত পুৰণি কালৰে পৰা সাহিত্য সৃষ্টি হৈছে। তিব্বতী উপশাখাৰ ভাষা কিছুমান পশ্চিম হিমালয়, লাডাখ, বাল্টিস্থানত প্ৰচলিত।

শ্যাম-চীনীয় ভাষাগোষ্ঠীৰ উপশাখাৰ অন্যতম ভাষা শ্যামী, লাও, লু, খুন মিআও, শ্বান, আহোম, খামতি, টুৰুং, আইতনীয়া, ফাকিয়াল আদি ভাষা থাইলেণ্ড, লাওছ, ছালুইন নৈৰ উপত্যকা, চীনৰ দক্ষিণত, ব্ৰহ্মদেশ আৰু ভাৰতত প্ৰচলিত। প্ৰাচীন কালৰে পৰা ৰাজনৈতিক উত্থান-পতন-যুদ্ধাদিৰ বাবে টাই ভাষাসমূহে সংমিশ্ৰিত ৰূপ লাভ কৰিছে। আনহাতে এই শাখাৰ কিছু ভাষা সময়ৰ সোঁতত লোপ পাইছে। উচ্চ সংস্কৃতিসম্পন্ন টাইসকল উত্তৰ ব্ৰহ্মদেশৰ পৰাই ভাৰতৰ পূব অঞ্চলত বিয়পি পৰে। কিন্তু মূল একে হোৱা স্বত্বেও স্থানবিশেষে ভাষাৰ নাম ভিন ভিন। থাইলেণ্ডত থাই বা ছিয়ামী, চীনদেশত নিজকে টাই-নই, টাই মাও, টাই-মুং; ব্ৰহ্মদেশত টাই-লং; অসম আহোম, নৰা- খামজঙিয়া, ফাকিয়াল, আইতনীয়া আদি নামেৰে জনাজাত। ব্ৰহ্মদেশৰ উত্তৰ অঞ্চলৰ শ্বানসকলৰ ফৈদবোৰে ভাৰতত সোমাই অসমত বসতি স্থাপন কৰাৰ পাচত আহোম নামেৰে পৰিচিত হয়। এওঁলোকে অসমত ছশ বছৰ

ৰাজত্ব কৰি অসমীয়া ভাষাক আকোৱালি লয়। বুৰঞ্জী লেখা প্ৰথা আহোম সকলৰে অৱদান। পিছে বৰ্তমান তেওঁলোকৰ পুৰোহিত শ্ৰেণীৰ মাজতহে এই ভাষা জীয়াই আছে। টাই গোষ্ঠীৰ এটি উপশাখা টাই-ফাকে ভাষাটি অসমত বৰ্তমানেও প্ৰচলিত। ওঠৰশ শতিকাত অসমত প্ৰবেশ কৰি বাস কৰিবলৈ লৈছিল। খামটিসকলেও একেলগে উত্তৰ ব্ৰহ্মদেশৰ ইৰাবতী নৈৰ উপত্যকাৰ পৰা আহি অসমৰ পূব অঞ্চলত আৰু অৰুণাচলৰ লোহিত জিলাত বসতি আৰম্ভ কৰে। এওঁলোকে নিজা ভাষা ব্যৱহাৰ কৰে। ঊনবিংশ শতিকাত টাই-তুৰুং আৰু টাই-আইতনীয়াসকল ব্ৰহ্মদেশৰ পৰা আহি অসমত বাস কৰিবলৈ লৈ ক্ৰমাৎ অসমীয়া ভাষী হ'বলৈ আৰম্ভ কৰে। টাই-খাময়াঙ সকলৰ দুটা ফৈদ নৰা আৰু খামজঙীয়া। ব্ৰহ্মদেশৰ পৰা অসমলৈ নৰাসকল ত্ৰয়োদশ শতিকাত আৰু খামজঙীয়াসকল অষ্টাদশ শতিকাত আহি গোলাঘাট, যোৰহাট, ডিব্ৰুগড় আৰু অৰুণাচলত বাস কৰিবলৈ লৈ নিজৰ ভাষা-সংস্কৃতিৰ উন্নতিত মন দিয়ে যদিও অসমীয়া ভাষাৰ প্ৰভাৱত পাছলৈ অসমীয়া ভাষা-সংস্কৃতিকে আঁকোৱালি লয়।

চীনীয় উপশাখাৰ অন্তৰ্গত চীন দেশত প্ৰচলিত চীনা ভাষা প্ৰধান। প্ৰাচীন চীনীয় ভাষাৰ নিদৰ্শন চাৰি হাজাৰ বছৰৰ আগতে প্ৰত্নলিপিৰ মাজত পোৱা গৈছিল। চীনা ভাষাত চাৰিটা সাহিত্যৰ বুৰঞ্জীৰ স্তৰ দেখা লক্ষ্য কৰা যায়। প্ৰত্ন চীনীয়, প্ৰাচীন চীনীয়, মধ্য-চীনীয় আৰু আধুনিক চীনীয় যুগ। বিভিন্ন উপভাষাৰ ভিতৰত বু, মিন, ফুচু উল্লেখ কৰিবলগীয়া। উত্তৰ অঞ্চলৰ উপভাষা মাণ্ডাৰীণ চীন দেশৰ সাহিত্যিক ভাষা।

শ্যাম-চীনীয়ৰ শাখা-কাৱেণ, চি-লো-নো আদি ইৰাবতী, ইয়াংছিকিয়াং নৈৰ অৱবাহিকা অঞ্চলত চলে। অৱশ্যে ইহঁতৰ বিভিন্ন শাখা থাকিলেও চীনীয়ৰ নিচিনা উল্লেখযোগ্য নহয়।



১০.৫.৩ ছেমীয়-হেমীয়


এছিয়া আৰু আফ্ৰিকাৰ প্ৰায়ভাগ অঞ্চল আগুৰি থকা ভাষাগোষ্ঠীটো হৈছে ছেমীয়-হেমীয়। সেয়ে কিছু সংখ্যক ভাষাবিদে 'আফ্ৰো-এছীয়' নামটিহে পচন্দ কৰে। আনহাতে কিছু সংখ্যক একেটা ভাষাগোষ্ঠী বুলিব নিবিচাৰি দুটা সুকীয়া ভাষাগোষ্ঠী হিচাপে গণ্য কৰিব বিচাৰে। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ লগত এই ভাষাগোষ্ঠীৰ অতীজৰে পৰা ওচৰ সম্পৰ্ক থকা বাবে দুয়োটি গোষ্ঠীৰ ভাষাৰ মাজত যথেষ্ট সাদৃশ্য দেখিবলৈ পোৱা যায়। মেচোপটেমীয়াত দুয়ো গোষ্ঠীৰ লোক একেলগে বাস কৰাৰ পৰিপ্ৰেক্ষিতত সাংস্কৃতিক সম্পৰ্কও স্থাপিত হৈছিল। ভাৰতীয় আৰ্য অন্তৰ্গত ভাষা 'খৰিবোলি'ৰ অন্যতম সাহিত্যিক ৰূপ উৰ্দুত ছেমীয় শাখাৰ প্ৰভাৱ মন কৰিবলগীয়া। অৱশ্যে ছেমীয়-হেমীয় অন্তৰ্মুখী শ্লিষ্ট আৰু ইণ্ডো-ইউৰোপীয় বহিৰ্মুখী শ্লিষ্ট শ্ৰেণীৰ। ভাষাবিদসকলে পুৰণিকালৰে পৰা দুয়োটি ভাষাগোষ্ঠীৰ মাজৰ মিল-অমিল বিশ্লেষণ কৰিবলৈ যত্ন কৰি আহিছে। ছেমীয়-হেমীয় গোষ্ঠীৰ অন্তৰ্গত ভাষাসমূহ বিশেষকৈ আৰব, ইৰাক, ছিৰিয়া, ইজৰাইল, জৰ্ডান, ইজিপ্ত, মৰক্কো, ইথিওপিয়া আদি ঠাইত প্ৰচলিত।

ছেমীয় শাখাক প্ৰধানকৈ দুটা ভাগত ভগোৱা হয়— পূৰ্বী আৰু পশ্চিমী। পূৰ্বী উপশাখাৰ ভাষাসমূহ হ'ল ঃ আক্কাডীয়, বেবিলনীয়, আচ্ছিৰীয়। এই ভাষাবোৰ বৰ্তমান অপ্ৰচলিত। পশ্চিমা উপশাখাৰ ভাষাসমূহৰ ভিতৰত আৰামীয়, আৰবী, আবিছিনীয় উল্লেখযোগ্য। এই কেইটা ভাষাই এই ভাষাগোষ্ঠীৰ প্ৰধান বুলিব পাৰি। আক্কাডীয়সকলেই প্ৰথম ছেমীয় ভাষী ৰূপত চুমেৰীয়সকলক জয় কৰি মেছোপটেমীয়াত নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। পাছলৈ বেবিলনীয়সকলৰ হেঁচাত আক্কাডীয়ৰ শক্তি কমি গ'ল আৰু চুমেৰীয় ভাষা-সংস্কৃতিকৰ প্ৰভাৱেৰে প্ৰাচীন বেবিলনত ছেমীয় ভাষা প্ৰতিষ্ঠা হ'ল। কিন্তু অচ্ছিৰীয়সকলৰ ওচৰত বেবিলনীয়সকল পৰাভূত হোৱাত আছিৰীয় সাম্ৰাজ আৰু ভাষা প্ৰতিষ্ঠ হ'ল। খ্ৰীঃপূঃ সপ্তম শতিকাত এই ভাষাও লুপ্ত হৈ যায়। আৰব মালভূমিৰ কানান প্ৰদেশত ছেমীয় গোষ্ঠীৰ কানানী ভাষাই নিজৰ অস্তিত্ব বজাই ৰাখিছিল। ছেমীয় গোষ্ঠীৰ এই ভাষাৰ অন্তৰ্গত হিব্ৰু ভাষাত খ্ৰীঃপূঃ অষ্টম শতিকাতেই প্ৰাচীন নিদৰ্শন পোৱা যায়। পিছে পণ্ডিতসকলে কেবল ধৰ্মশাস্ত্ৰৰ ভাষা হিচাপে সীমাবদ্ধ ৰখাত ই এটা সময়ত লুপ্ত হৈ যায়। বৰ্তমান ইজৰাইল চৰকাৰৰ প্ৰচেষ্টাত হিব্ৰু ভাষাই পুনৰ জীৱন লাভ কৰি এই স্থানত কথিত ভাষা ৰূপে প্ৰচলিত হৈছে।

পশ্চিমা উপশাখাৰ আৰামীয় ভাষা পশ্চিম এছিয়া আৰু ইজিপ্তৰ বাণিজ্যিক লেনদেনৰ ভাষা আছিল। আৰামীয়সকলে জেৰুজালেম ধ্বংস কৰাৰ পাচত হিব্ৰুৰ

ঠাইত আৰামীয় ভাষা প্ৰচলন হৈছিল। ইহুদীসকলে ধৰ্মশাস্ত্ৰ প্ৰণয়ন আৰু চৰ্চাত ব্যৱহৃত এই ভাষাটি পেলেষ্টাইনৰ প্ৰধান ভাষা ৰূপেও নিজৰ আসন দখল কৰি আছিল, আৰবী ভাষা সোমাই আসনচ্যুত কৰাত আৰামীয় ভাষা লুপ্ত হৈ গ'ল। কিন্তু ছিৰিয়াত খৃষ্টানসকলৰ মাজতহে এই ভাষা জীয়াই থাকে আৰু পৰৱৰ্তীকালত আধুনিক ছিৰীয় ভাষাৰ জন্ম দিয়ে। ছেমীয়সকলৰ সৰ্বশ্ৰেষ্ঠ ভাষা আৰবী সপ্তম শতিকাৰ পৰাই ইউৰোপ, আফ্ৰিকা, এছিয়াৰ ভিন ভিন ঠাইত প্ৰচলিত হৈ আহিছে। ইছলাম ধৰ্মৰ লোকসকলৰ ৰাজ্যবিস্তাৰ আৰু ধৰ্মীয় চেতনাৰ প্ৰবলতাই টুৰস্ক, ইৰাণ, ভাৰতবৰ্ষ, ইণ্ডোনেছীয়া, চীন, ফিলিপাইন, মালয় আদি স্থানত আৰবী ভাষা বিস্তাৰিত হৈছিল। লগতে ইউৰোপ আৰু আফ্ৰিকাৰ বিভিন্ন ঠাইতো বিয়পি পৰে। কোৰাণৰ ভাষাই মূল ছেমীয়ৰ বৈশিষ্ট্য ৰক্ষা কৰা প্ৰাচীন আৰবীৰ নিদৰ্শন দাঙি ধৰে। বহু ঠাই দখল কৰাৰ ফলত আৰবী ভাষাৰ যথেষ্ট উপভাষাৰ সৃষ্টি হয়। সেইবোৰ হ'ল ঃ আধুনিক আৰবী, ইৰাকী, ইজিপ্তীয়, টুনিছীয়, লিবীয়, আলেজেৰীয়, ছিৰীয়-পেলেষ্টিনীয়, মোৰক্কীয় আৰু আৰবী-ইটালীয় ভাষাৰ সংমিশ্ৰণত গঢ়ি উঠা মালটীয় মিশ্ৰ উপভাষা। প্ৰাচীন আৰবত অংক, গ্ৰহতত্ত্ব, ৰসায়ন আদি চৰ্চা বহলভাৱে হৈছিল; ইটালী, স্পেনীয় ফৰাচী ভাষাৰ জৰিয়তে ইংৰাজী ভাষালৈ অলগৰেৰা, অলচাইল, অকালডিৰৌ, ডনেতিহ, ণাদৰি আদি শব্দবোৰ আগমন ঘটে। ৩৮২ খ্ৰীঃৰ শিলালিপিৰ মাজত আৰবীৰ প্ৰাচীন নিদৰ্শন পোৱা গৈছে। আবিছিনীয় উপশাখাৰ অন্তৰ্গত ভাষাবোৰৰ ভিতৰত আমহাৰীয় প্ৰদান। বৰ্তমান ইথিওপিয়াৰ ৰাষ্ট্ৰভাষা আমহাৰীয় প্ৰায় আঠ নিযুতমান লোকৰ দ্বাৰা কথিত আৰু সাহিত্যও সৃষ্টি হৈছে। খ্ৰীঃপূঃ চতুৰ্থ শতিকাত হেমীয়সকলক খেদি ছেমীয়ভাষীয়ে আবিছিনত প্ৰৱেশ কৰে; ছেমীয়-হেমীয়ৰ প্ৰভাৱিত আমহাৰীয় ভাষা অন্যান্য ভাষাৰ পৰা সেইকাৰণে পৃথক।

হেমীয় শাখাৰ ভিতৰত উল্লেখ কৰিব পৰা ভাষা মিছৰীয়ৰ প্ৰাচীন ৰপ খ্ৰীঃপূঃ চাৰি হাজাৰৰ প্ৰত্নলেখত পোৱা গৈছে। এই ভাষা ৰোমানসকলে ইজিপ্ত আক্ৰমণ কৰাৰ সময়ত প্ৰায় নোহোৱা হৈ আৰবসকলৰ আক্ৰমণত একেবাৰে লুপ্ত হৈ পৰে। প্ৰাচীন মিছৰৰ পৰা উদ্ভৱ হোৱা কপটীয় ভাষাটি আৰবীসকলৰ প্ৰভাৱত লুপ্ত হ'লেও বৰ্তমান ধৰ্মীয় উপাসনাৰ ভাষা হিচাপে ইজিপ্ত, ইথিওপিয়া, ছুডানৰ খ্ৰীষ্টিয়ান লোকে ব্যৱহাৰ কৰে। হেমীয় শাখাৰ অন্য উপশাখা লিবিকো বেৰবেৰৰ পৰা বিকশিত আধুনিক ভাষা কাবিলে, শ্বিলহা, টুৱাৰেগ লিবিয়া, মৰক্কো, ছাহাৰ, কানাৰী আদিত আৰবী ভাষাৰ লগতে ব্যৱহৃত হৈ আছে। কুশ্বীয়ৰ পৰা বিকাশ লাভ কৰা গাল্লা, ছোমালী, ছাহো, বড়ৌৱে ভাষা ইথিওপিয়া, ছোমালিলেণ্ডত প্ৰচলিত হৈ আছে।



১০.৫.৪ অষ্ট্রিক

পৃথিৱীত প্ৰচলিত বিভিন্ন ভাষাগোষ্ঠীসমূহৰ ভিতৰত এই গোষ্ঠীটিক উল্লেখযোগ্য বুলি কোৱা হৈছে। ভাৰতবৰ্ষ, ব্ৰহ্মদেশ, ইণ্ডোনেচীয়, ফিজি, হাৱাই, টাইটি আদি ঠাইত এই ভাষাগোষ্ঠীৰ ভাষাসমূহৰ প্ৰচলন আছে। কিছুমান ভাষাবিদে মালয়-পলিনেছীয়' বুলি নাম দি আলোচনা কৰে। নৃতাত্ত্বিক পণ্ডিত পাটেৰ স্মিডটে ইয়াৰ লগত কোল-মুণ্ডা, মোনখোমেৰ ভাষাবোৰৰ প্ৰণালীৱদ্ধ আলোচনা কৰি একেটা গোষ্ঠীৰ ভিতৰুৱা কৰি অষ্ট্রিক ভাষাগোষ্ঠী বুলি অভিহিত কৰিছে। অষ্ট্রিক ভাষাগোষ্ঠী প্ৰধান দুটা ভাগ ঃ অষ্ট্র-এছীয় আৰু অষ্ট্র'নেছীয়।

অষ্ট্র-এছীয় শাখাক আকৌ দুটা ভাগত ভাগ কৰা হৈছে— কোল বা মুণ্ডা আৰু মোন-খোমেৰ। ভাৰতবৰ্ষৰ পশ্চিম বংগ, ওড়িশা, মধ্যপ্ৰদেশ আদি ঠাইত প্ৰচলিত এই গোষ্ঠীৰ ভাষাসমূহ হৈছে চাওতালী, মুণ্ডাৰী, ভূমিজ, হো, খৰীয়া, শবৰ, জুয়াং, কুৰ্কু আদি। অসমৰ চাহ উদ্যোগৰ প্ৰতিষ্ঠা কালত মধ্য ভাৰতৰ বিভিন্ন স্থানৰ পৰা অনা অধিক সংখ্যক লোকেই কোল উপশাখাৰ ভিতৰুৱা ভাষাৰে কথা কয়। অৱশ্যে পাছলৈ অসমীয়া ভাষীসকলৰ লগত মিশ্ৰণ ঘটি ভাষাবোৰৰ পূৰ্বৰ ৰূপ হেৰুৱাই পেলায়।

মোন-খোমেৰ উপশাখাৰ ভাষাসমূহৰ ভিতৰত নিকোবৰ দ্বীপপুঞ্জৰ নিকোবৰী, মেঘালয়ত কথিত খাচী আৰু জয়ন্তীয়া বা ছিনটেং, ব্ৰহ্মদেশ আৰু


শ্যামদেশৰ পালীঙ আৰু ৰা, কম্বোজৰ খমেৰ, ইণ্ডোনেছীয়াৰ স্তিয়েং আৰু বাহনাৰ, মালয়ৰ ছাকায়া ভাষাৰ নাম উল্লেখ কৰিব পাৰি। কোনো কোনো ভাষাবিদে খাছী আৰু নিকোবৰীক অষ্ট্ৰ'-এছিয়ৰ এটা বেলেগ উপশাখা বুলিহে গণ্য কৰে। একাদশ শতিকাৰ শিলালিপিত নিদৰ্শন পোৱা মোন ভাষাৰ লগত ৰূপতাত্ত্বিক দিশত সাদৃশ্যই ইয়াৰ কাৰণ বুলিব পাৰি। মোন ভাষাৰ আন নাম 'তালৈঙ'। মোন ভাষা ব্ৰহ্মদেশত আঢ়ৈ লাখ আৰু খোমেৰ ভাষা কম্বোদিয়াত পোন্ধৰ লাখ মানুহে কয়।

ভাৰতলৈ অষ্ট্ৰিসকলৰ আগমনক লৈ বিভিন্ন পণ্ডিতে বিভিন্ন মত দিয়া দেখা যায়। খ্ৰীঃপূঃ আঢ়ৈ হাজাৰ বছৰমান আগতে এই ভাষাগোষ্ঠীৰ ভিন ভিন শাখাবোৰ ভাৰতত প্ৰবেশ কৰিছিল বুলি অনুমান কৰিব পাৰি। সংস্কৃত সাহিত্যত নিষাদ, শবৰ, কোল্ল, ভিল্ল বুলি এওঁলোকক কোৱা হৈছে। এই গোষ্ঠীৰ যিসকল লোক অৰণ্যত বাস কৰিছিল আৰ্যসকলে তেওঁলোকক এনেবোৰ নামেৰে বুজাইছিল। আনহাতে এচাম পণ্ডিতে ক'ব খোজে যে, অষ্ট্ৰিক ভাষী লোকসকল উত্তৰ ইণ্ডোনেচীয়ৰ পৰা ভাৰতৰ উত্তৰ-পূব পিনেৰে সোমাই অসমৰ মাজেৰে আন আন ৰাজ্যলৈ প্ৰসাৰিত হয়। কিছু সংখ্যকে ক'ব খোজে, প্ৰথমতে পশ্চিম এছীয়াত বাস কৰি তাৰ পাছত ভাৰতলৈ আহে। শেষতহে ব্ৰহ্মদেশ, মালয়, ফিজিলৈ বিয়পি পৰে। যি নহওক ভাৰতত প্ৰচলিত এই ভাষা গোষ্ঠীৰ অন্তৰ্গত কোনো এটি ভাষা উন্নত বুলি ক'ব নোৱাৰি। খ্ৰীষ্টান মিছনাৰীসকলৰ যত্নত খাছী-চাওতালী, মুণ্ডাৰী ভাষাত বিবিধ ৰচনা প্ৰকাশ পাইছিল। স্বাধীনোত্তৰ কালত এই পৰিবেশ সলনি হোৱাত উপৰোক্ত ভাষাবোৰৰ উন্নতিৰ বাবে প্ৰেৰণা দিয়া সংগঠনৰ অভাব নোহোৱা হ'ল। তথাপি প্ৰাচীন অধিবাসী হিচাপে আৰু কৃষি সভ্যতাৰ সূচনা, চিত্ৰবিদ্যাৰ বিকাশ আদিৰ ক্ষেত্ৰত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ এই শাখাৰ নাম ল'বই লাগিব।

ভৌগোলিক পৰিবেশৰ ওপৰত ভিত্তি কৰি অষ্ট্ৰ'নেছীয় শাখাৰ অন্তৰ্গত ভাষাবোৰক ভাগ কৰা হৈছে। ইণ্ডোনেছীয়, মেলানেছীয়, পলিনেছীয়, মেক্ৰানেছীয় আদি শাখাৰ অন্তৰ্গত ভাষাসমূহ মালয় দ্বীপপুঞ্জ, ফিজি, মাদাগাস্কাৰ, নিউজিলেণ্ড, টাহিটি, হাৱাই, ছামোৱা আদি ঠাইত প্ৰচলিত। বিভিন্ন স্থানত বিক্ষিপ্ত ৰূপত থকা বাবে ভাষাবোৰৰ পাৰস্পৰিক সম্পৰ্ক নিৰূপণ কৰা কঠিন। গোটেইবোৰ শাখাৰ ভিতৰত ইণ্ডোনেছীয় উপশাখা উল্লেখযোগ্য। এই উপশাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত মালাগাছী, মালয়, যৱদ্বীপীয় বা কৰি, টগলা উল্লেখ কৰিব পাৰি। মালয়ী অষ্ট্ৰ'নেছীয় উপশাখাৰ উল্লেখযোগ্য ভাষা। সংস্কৃত আৰু আৰবী ভাষাৰ শব্দসম্ভাৰেৰে এই ভাষা সমৃদ্ধ। ত্ৰয়োদশ শতিকাত ইছলাম ধৰ্ম গ্ৰহণ কৰি আৰবী লিপিৰ ব্যৱহাৰ কৰে যদিও বৰ্তমান ৰোমান লিপিৰ প্ৰচলন হৈছে। মন কৰিবলগীয়া, ইণ্ডোনেছীয়ৰ ৰাষ্ট্ৰভাষা মালয় আৰু সুমাত্ৰাত কথিত উপভাষাক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে। প্ৰায় পাঁচ


নিযুত জনসংখ্যাৰ ভাষা মালাগাছী মাদাগাস্কাৰৰ ভাষা। আকৌ ভাৰতৰ হিন্দু সংস্কৃতিয়ে প্ৰভাৱিত কৰা যৱদ্বীপীয় ভাষা সাহিত্য চহকী। যৱদ্বীপত প্ৰচলিত এই ভাষাৰ সৈতে ভাৰতীয় সভ্যতা সাঙোৰ খাই আছে। টগলা ভাষা ফিলিপাইনছত প্ৰচলিত।

মেলানেছীয় উপশাখাৰ ভাষাবোৰ পাপুৱা আৰু নিউজিলেণ্ডৰ মাজৰ দ্বীপপুঞ্জত প্ৰচলিত। পলিনেছীয় উপশাখাৰ ভিতৰত ছামোনা, টোংকা, মাওৰী, টাগিটীয়ৰ নাম উল্লেখ কৰিব পাৰি। মেক্ৰোনেছীয় উপশাখাৰ অন্তৰ্গত ভাষাসমূহ ফিজি আৰু ওচৰ-পাজৰৰ দ্বীপসমূহত কথিত। অষ্ট্ৰ'নেছীয় শাখাৰ ভিতৰুৱা ইণ্ডোনেছীয় আৰু মেলোনেছীয় ভাষাবোৰ বাক্য গাঁথনিক স্তৰৰ ফালৰ পৰা 'উপসৰ্গীয়-পৰিসৰ্গীয় অশ্লিষ্ট' শ্ৰেণীৰ। কিন্তু মালয়ীত মধ্য যোগাত্মক ভাষাৰ বৈশিষ্ট্য শব্দৰ মাজত সৰ্গ যোগ কৰাৰ উদাহৰণ পোৱা যায়। যেনে ঃ টগলা উপভাষাত 'Sulat' ধাতুৰ অৰ্থ 'লেখা'। মধ্যসৰ্গ যোগ কৰাৰ পাচত অৰ্থ হয় 'লেখিছিল'– Sungmulat (s-u-ng-m-ult) আনহাতে বেছিভাগ মূল শব্দৰ লগত যোগ হোৱা সৰ্গই মূল ৰূপৰ পৰিবৰ্তন নকৰে যদিও সৰ্গ যোগ হোৱাৰ এই বৈশিষ্ট্যই পলিনেছীয়ৰ ভাষাবোৰক আংশিক অশ্লিষ্ট বুলি অভিহিত কৰিবলৈ সুযোগ দিছে। আকৌ বাক্যগঠনৰ বিশ্লেষণধৰ্মী এনে কিছুমান বৈশিষ্ট্য আছে, যাৰ বাবে যোগাত্মক বিভাগৰ অন্তৰ্গত কৰাৰ বাবেও অসুবিধা হয়।



১০.৫.৫ দ্ৰাবিড়

ভাৰতবৰ্ষৰ উপৰিও পাকিস্তান, বেলুচিস্তানৰ পৰ্বতীয় অঞ্চল আৰু শ্ৰীলংকাৰ উত্তৰ অঞ্চলত দ্ৰাবিড় ভাষাৰ প্ৰচলন আছে। এই ভাষাগোষ্ঠীৰ আদিম বাসস্থান সম্পৰ্কত সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাযায় যদিও পূব ভূমধ্য সাগৰীয় অঞ্চলেই আদিম বাসস্থান আছিল বুলি অনুমান কৰি লোৱা হৈছে। আনুমানিক খ্ৰীঃপূঃ তিনি হাজাৰ বছৰ আগতেই পূব ভূমধ্য সাগৰীয় অঞ্চলৰ পৰা ইৰাক-ইৰাণৰ মাজেৰে দ্ৰাবিড়সকল আহি বেলুচিস্তান, পাকিস্তানত উপস্থিত হৈছিল। সময়ত সেই ঠাইৰ পৰা ভাৰতৰ উত্তৰ-পূব অঞ্চলত বিয়পি পৰে। পৰৱৰ্তীকালত আৰ্যসকলৰ প্ৰতিপত্তি বৃদ্ধি পোৱাত নিজস্ব ভাষা-সংস্কৃতিৰ বৈশিষ্ট্যৰ সৈতে দাক্ষিণাত্যত বসবাস কৰিবলৈ লয়। এই সন্দৰ্ভত সুনীতিকুমাৰ চট্টোপাধ্যায়ে তথ্য আগবঢ়াই কৈছে যে, ভূমধ্যসাগৰৰ লীছিয়াৰ লোকসকলে নিজকে 'তৃম্মিলি (Trimmili) বুলি পৰিচয় দিছিল। আকৌ খ্ৰীঃপূঃ পঞ্চম শতিকাত হিৰোডাটাছ এই নাম 'তেৰ্মিলাই' বুলি লেখাৰ প্ৰমাণ পোৱা যায়। পৰৱৰ্তীসময়ত এই নামেৰে সৈতে ভাৰতলৈ আহে নামটি হয়গৈ 'দৃম্মিঝ'। চট্টোপাধ্যায়ে এইটো তেওঁলোকৰ জাতীয় নাম আছিল বুলি উল্লেখ কৰিছে। ইয়াৰ পৰাই পাচত সংস্কৃতত দ্ৰামিল, দ্ৰবিৰ বা দ্ৰাবিড় নামৰ উৎপত্তি হয়। দ্ৰাবিড় ভাষাৰ তিনিটা প্ৰধান শাখা-দ্ৰাবিড়, অন্ধ্ৰ, উত্তৰ-পশ্চিম শাখা।



মূল দ্ৰাবিড়ৰ পৰা কোন সময়ত দ্ৰাবিড় ভাষাই মূলৰ আৰু নিজস্ব সুকীয়া বৈশিষ্ট্যৰে বিকাশৰ পথত অগ্ৰসৰ হয় তাৰ প্ৰমাণ দিব পৰা নাযায়। ভাৰতৰ দক্ষিণ অঞ্চলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি জনাজাত তামিল ভাষাতেই কেবল খ্ৰীঃ প্ৰথম শতিকামানৰ প্ৰাচীনতম নিদৰ্শন পোৱা গৈছে। ভাৰতৰ বাহিৰে শ্ৰীলংকাৰ উত্তৰ অংশত তামিল ভাষাৰ প্ৰচলন আছে। কেৰল প্ৰদেশ আৰু লাক্ষাদ্বীপত মালায়ালম বা মলায়ামল বা মালয়লী ভাষাৰ প্ৰচলন আছে। প্ৰাচীন তামিল ভাষাই কেৰলৰ পৰা সুকীয়া বৈশিষ্ট্যৰে মালায়লম নামেৰে প্ৰতিষ্ঠিত হয়। পিছত চতুৰ্থ শতিকাৰ

মাজভাগৰ পৰা এই ভাষাৰ নিজৰ সাহিত্যৰ সোঁত প্ৰবাহিত হয়। সংস্কৃত ভাষাৰ প্ৰভাৱ থকা বৈশিষ্ট্যই এই ভাষাক তামিলৰ পৰা সুকীয়াকৈ ৰাখিছে। ত্ৰয়োদশ শতিকাৰ শেষত ৰচিত ৰামায়ণ-মূলক সাহিত্যত মালায়ালমৰ প্ৰাচীন ৰূপ দেখা পোৱা যায়। **দ্ৰাবিড় শাখাৰ** প্ৰায় তৃতীয় স্থানত থকা কানাড়ী ভাষা দক্ষিণ ভাৰতৰ পশ্চিম-দক্ষিণ অঞ্চল আৰু মহীশূৰত কোৱা হয়। পঞ্চম শতিকাত প্ৰাচীন ৰূপৰ নিদৰ্শন শিলালিপিত পোৱা যায় যদিও নৱম শতিকাত ৰচিত 'কবিৰাজ মাৰ্গ' নামৰ কানাড়া ভাষাৰ পুথিয়ে ভাষাটিৰ ধাৰাবাহিকতা ৰক্ষা কৰিছে। সমদ্ধিশালী ভাষাটিত সংস্কৃতৰ প্ৰভাৱ মন কৰিবলগীয়া। শাখাটিৰ উপভাষাবিলাকৰ ভিতৰত 'টুনু' অন্যতম। কূৰ্গ আৰু মহীশূৰত এই ভাষাৰ প্ৰচলন আছে। নীলগিৰি পৰ্বতীয় অঞ্চলৰ বড়্গ, টোডা বা কোটা উপজাতিৰ মাজত বড়্গ, টোডা ভাষাৰ প্ৰচলন আছে। এই তিনিওটা নীলগিৰিৰ উপভাষা বুলি কথিত আছে। দ্ৰাবিড় শাখাৰ কিছু ভাষাৰ মধ্যপ্ৰদেশ, বিহা, ওড়িশাৰ বিভিন্ন ঠাইত প্ৰচলন আছে। সেইবোৰৰ ভিতৰত 'গোণ্ডী' বা গোড়' ভাষা নাম উল্লেখযোগ্য। ওৰাওঁ, কুই, পৰ্জি, ওল্লীৰ বিহাৰ আৰু ওড়িশাৰ অঞ্চল বিশেষে কোৱা দেখা যায়। অন্ধ্ৰ শাখাৰ ভিতৰত তেলুগু আৰু ক্ৰমান্বয়ে মৃত্যুমুখলৈ গতি কৰা কোমামী ভাষা প্ৰধান। দ্ৰাবিড় গোষ্ঠীৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বাধিধক কওঁতাৰ সংখ্যা থকা তেলুগু ভাষা অন্ধ্ৰপ্ৰদেশত, মধ্যপ্ৰদেশত, মহাৰাষ্ট্ৰত প্ৰচলন আছে। একাদশ শতিকাৰ প্ৰথমাৰ্ধত কবি উন্নয়ন ভট্টই কৰা মহাভাৰতৰ একাংশ অনুবাদেই তেলুগু সাহিত্যৰ প্ৰাচীন পুথি; কিন্তু খ্ৰীঃ সপ্তম শতিকাত শিলালিপিত প্ৰাচীন নিদৰ্শন প্ৰাপ্ত হৈছে। এই ভাষাত সংস্কৃত ভাষাৰ প্ৰভাৱ যথেষ্ট বেছি। উত্তৰ-পশ্চিম শাখাৰ ব্ৰাহুই ভাষা বৰ্তমান পাকিস্তানৰ বেলুচিস্তানত প্ৰচলিত। হয়তো ভাৰতলৈ অহা কোনোবা গোট বা দল এই স্থানত থাকি গৈছিল আৰু সময়ত তিনি লাখমান কওঁতাৰ সংখ্যাৰে নিজস্ব প্ৰচেষ্টাৰে নামে-ভাষাই উজলি উঠিছে। বাক্যত ব্যৱহৃত পদসমূহৰ বিন্যাস-ৰীতিলৈ লক্ষ্য কৰি দ্ৰাবিড় ভাষাক 'পৰসৰ্গীয়-অশ্লিষ্ট' শ্ৰেণীৰ অন্তৰ্গত বোলা হৈছে। যিবোৰ পদ বা শব্দ বচন, লিংগ, কাৰক, কাল আদি প্ৰকাশৰ বাবে মূলৰ লগত লগ লাগে সেইবোৰৰ প্ৰত্যেকৰে নিজৰ নিজৰ অস্তিত্ব, আছে, যাক প্ৰয়োজন হ'লে আন ঠাইত স্বতন্ত্ৰ ৰূপত ব্যৱহাৰ কৰিব পাৰি। দ্ৰাবিড় ভাষাৰ এই বৈশিষ্ট্যটি উৰাল-আলটাই ভাষাগোষ্ঠীৰ সৈতে ৰিজাব পৰা যাব।

১০.৫.৬ উৰাল-আল্টাই


এই ভাষাগোষ্ঠীক পৃথিৱীৰ অন্যতম ভাষাগোষ্ঠী বুলি কোৱা হৈছে। প্ৰায় এশ নিযুতমান লোকে কোৱা উৰাল-আলটাই ভাষা ইউৰোপৰ উত্তৰ লেপলেণ্ড, ফিনলেণ্ড, এস্তোনিয়াৰ পৰা হাংগেৰী, বলকান উপদ্বীপৰ ইউৰোপৰ তুৰস্কৰ পৰা

উত্তৰ মধ্য এছিয়া পর্যন্ত বিয়পি আছে। ধ্বনিগত পার্থক্য আৰু শব্দৰ বৈচিত্র্যৰ ওপৰত ভিত্তি কৰি বহুতে এই ভাষাগোষ্ঠীক দুটি পৃথক গোষ্ঠীহে বুলি দেখুৱাবলৈ বিচাৰে। মূলতে উৰাল আলটাই গোষ্ঠীৰ লোকসকল অঘৰী আছিল; গতিকে ভৌগলিক, সামাজিক কাৰণত এই পার্থক্য অহাটো স্বাভাৱিক। আনহাতে এই ভাষাত বহু পলমকৈ অর্থাৎ ত্রয়োদশ শতিকাৰ হাংগেৰীয়, ষোড়শ শতিকাত, মংগোল, একাদশ শতিকাত ফিন্নীয়, টুৰ্কী ভাষাৰ নিদর্শন পোৱা গৈছে। ৰূপতত্ত্বৰ ফালৰপৰা দুয়োটি একে ভাষাগোষ্ঠী বুলি বুজিব পাৰি। বাক্যৰ পদ বিশ্লেষণ কৰিলে ইয়াক পৰিসর্গীয় অশ্লিষ্ট শ্রেণীৰ বুলিব পাৰি। তুৰ্কী ভাষাৰ উদাহৰণ ঃ

এব-লেৰ ঘৰবোৰ

এব- লেৰ-ইম মোৰ-ঘৰ-বোৰ।

এই ভাষাগোষ্ঠীত লিংগ বৈচিত্র্য দেখা নাযায়। আনহাতে স্বৰসংগতিৰ লক্ষণ প্রায় একে ধৰণৰ;মূল ধাতুৰ যি স্বৰ থাকে, সর্গতো সেই একে স্ব লগ লাগে। বহুবচন বুজাবলৈ ধাতু আৰু প্রত্যয়ৰ মাজত বহু-বচনাত্মক প্রত্যয় যোগ কৰা হয়। এনেবোৰ সাধাৰণ বৈশিষ্ট্যৰে এটি ভাষাগোষ্ঠীৰ দুটি ভাগ ঃ উৰাল আৰু আলটাই।



ৰেখাচিত্রত উৰাল-আলটাই গোষ্ঠীৰ শাখাবোৰ উল্লেখ কৰা হৈছে। উৰাল গোষ্ঠীৰ অন্তর্গত ভাষাসমূহক 'ফিন্নো-উগ্রীয়' আৰু 'ছামোয়েদ' এই দুই শাখাত ভাগ কৰা হৈছে। ফিন্নীয়ৰ অন্তর্গত এস্থোনীয়, ফিন্নীয়, কাৰেলীয়, লিভোনীয়, লাপ্রীয়,

মোৰ্ডভনি ভাষা প্ৰধান। ১৫৪৮ খ্ৰীঃত বাইবেল অনুবাদ হোৱাৰ পাচত 'ফিন্নীয়' ভাষাৰ প্ৰাচীনতম সাহিত্যৰ নিদৰ্শন পোৱা যায়। আনহাতে কালেভালা' নামৰ মহাকাব্য' এই ভাষাৰ উল্লেখযোগ্য সাহিত্য কৰ্ম। লাপ্পীয় ভাষাৰ যথেষ্ট সংখ্যক উপভাষা আছে।

উগ্ৰীয়ৰ অন্তৰ্গত ওষ্ট্যক, ভোগুল আৰু হাংগেৰীয় বা মাজ্যাৰা ভাষাৰ ভিতৰত হাংগেৰীত বাস কৰা লোকসকলক মেগিয়াৰ বোলা হয়,গতিকে সেই ঠাইত প্ৰচলিত ভাষাৰ নামো মেগিয়াৰা। ত্ৰয়োদশ শতিকাত উগ্ৰীয়ৰ কেবল এই শাখাতেই সাহিত্যৰ নিদৰ্শন পোৱা ভাষাটি প্ৰায় বাৰ নিযুতমান লোকৰ কথিত ভাষা ৰূপে স্বীকৃত। ছাইবেৰিয়াত ওষ্ট্যক আৰু উৰাল পৰ্বতৰ সামান্য সংখ্যক মানুহৰমাজত এই ভাষা দুটিৰ প্ৰচলন আছে।

পেৰামাইন শাখাৰ অন্তৰ্গত ছাইৰেনীয় আৰু ভ্যোতকৰ ভিতৰত কেবল ছাইৰেনীয় ভাষাতহে সাহিত্য চৰ্চাৰ সন্ধেদ পোৱা যায় চতুৰ্দ্দশ শতিকাৰ পৰা। ছায়োয়েদ শাখাৰ ভাষাসমূহ শ্বেতসাগৰৰ পৰা ওহিয়েনেছী পৰ্যন্ত সিঁচৰিত হৈ আছে।

আল্টাই শাখাক টুৰ্কী, মংগোল, মঞ্চু এই তিনি ভাগত ভগোৱা হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য টুৰ্কী উপশাখাৰ টুৰ্কী, খিৱগিজ, উজবেকা, বাছকৰি, বাৰবা, ছোয়েনী, আবাকান ভাষা পোৱা যায়। প্ৰায় ত্ৰিশ নিযুতমান লোকে কোৱা টুৰ্কী ভাষাত পোনতে আৰবী-ফাৰ্ছী ভাষাৰ শব্দৰে নিজৰ শব্দৰ ভঁৰাল টনকিয়াল কৰিছিল যদিও পাছলৈ ইয়াক পৰিবাৰ কৰাৰ প্ৰচেষ্টা চলায়। ভাষা-সাহিত্যৰ উন্নতি আৰু ৰোমান লিপিৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁলোকে মোস্তাফা কামাল আটাটুকৰ নাম ল'ব বিচাৰে। খ্ৰীঃ অষ্টম শতিকাৰ শিলালিপিত এই ভাষাৰ কিছু নিদৰ্শন পোৱা গৈছিল। খিৱগিজ ভাষা কাস্পিয়ান-ভোলগাৰ পৰা আলটাই পৰ্বতলৈ; উজবেক টুৰস্কৰ পৰা চীনলৈ; বাছকৰি দক্ষিইউৰাইলত বাৰাব ইৰটিছ আৰু ওবিৰ মাজত; আবাকান বৈকাল হ্ৰদৰ কাঁষৰীয়া অঞ্চত প্ৰচলিত হৈ আছে।

মংগোল শাখাৰ অন্তৰ্গত অঘৰী জাতি কালামাগসকলৰ ভাষা কালমূক ছিংছিয়াঙৰ পৰা গোবী মৰুভূমি আলটাই পৰ্বতলৈ বিয়পি আছে। য়াকুট ভাষা ছাইবেৰীয়াৰ উত্তৰ-পূব অঞ্চলত, খালকো ভাষা গোবী মৰুভূমিৰ উত্তৰে আলটাইৰ ওচৰৰ ঠাইবোৰত, শ্বাৰা মাঞ্চুৰীয়া আৰু মংগোলীয়াৰ মধ্যৱৰ্তী অঞ্চলত প্ৰচলিত আছে। মাঞ্চু উপশাখাৰ ভিতৰত মাঞ্চু মাঞ্চুৰিয়াত আৰু ছাইবেৰীয়াত টুংগুজ ভাষা আছে।

জাপানী আৰু কোৰেয় ভাষাক বহু ভাষাবিদে উৰাল-আলটাই গোষ্ঠীৰ অন্তৰ্গত কৰিব বিচাৰে। এই ভাষাগোষ্ঠীৰ অন্তৰ্গত কিছুমান ভাষাৰ লগত জাপানী ভাষাৰ বিভেদহীন লিংগ, ধাতৰ পাচত স্বতন্ত্ৰ শব্দ লগ লগাই বচন-কাৰক-বিভক্তি-কাল বুজোৱা বিধিৰ সাদৃশ্য আছে; কিন্তু ইয়াৰ তুলনাত বৈসাদৃশ্য অধিক বাবে উপৰোক্ত মত মানি লোৱা টান। আনহাতে এই দুই ভাষাক কোনো পৰিয়ালৰ অন্তৰ্ভূক্ত নকৰি স্বতন্ত্ৰ ভাষা বুলিহে ধৰা হৈছে।

১০.৫.৭ ককেচীয়

ককেছাছ পর্বতীয়া অঞ্চলত ককেছীয় ভাষাগোষ্ঠীৰ ভাষাৰ প্রচলন আছে। এই গোষ্ঠীৰ বিভিন্ন ভাষাৰ ভিতৰত জর্জীয়, লেছঘীয় আৰু কিৰকাছীয় বিশেষভাৱে উল্লেখ কৰিবলগীয়া। মধ্যযুগৰ আৰবীয়সকলে ককেছাচ পর্বতত প্রায় সত্তৰটামান ভাষাৰ প্রচলন থকাৰ বাবে 'ভাষাৰ পর্বত' বুলি অভিহিত কৰিছিল। প্রথম অৱস্থাত এই গোষ্ঠীৰ ভাষাক শ্লিষ্ট শ্রেণীৰ অন্তর্গত বুলি ভবা হয় যদিও উপসর্গীয়-অশ্লিষ্ট, পৰিসর্গীয়-শ্লিষ্টৰ লক্ষণ থকা ভাষাৰ উপস্থিতি অনুভৱ কৰাৰ পাচত এই গোষ্ঠীক সামগ্রীকভাৱে আংশিক-অশ্লিষ্ট শ্রেণীৰ বুলিহে সিদ্ধান্ত কৰা হয়। বিভিন্ন বাক্য গঠনৰ নিয়মেৰে বিভিন্ন ভাষাৰ প্রচলন এই গোষ্ঠীত দেখা যায়। এই ভাষা পার্বত্য অঞ্চলত থকাৰ মূল কাৰণ হিচাপে দেখুৱাব বিচৰা হৈছে যে, ইউৰোপ আৰু এছিয়াৰ পৰা বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ লোকে শত্রুৰ আক্রমণৰ পৰা প্রাণ বচাই কোনোমতে ইয়াত আশ্রয় লৈছিলহি। সেইবাবেই এই গোষ্ঠীৰ মূল নির্ণয় কৰাটো টান। ককেছীয় গোষ্ঠীক দুটা ভাগত ভগাব পাৰি ঃ উত্তৰ ককেছীয় আৰু দক্ষিণ ককেছীয়। উত্তৰ ককেছীয় শাখাৰ কাবাৰডীয়, কিৰকাছীয়, উবিকিছ, লেছঘীয় আদি প্রধান ভাষাৰ লগতে আন কিছুমান উপভাষাও পোৱা যায়। দক্ষিণ ককেছীয় শাখাৰ অন্তর্গত জুর্জিয়াৰ ভাষা জর্জীয়াই উল্লেখযোগ্য। খ্রীঃ পঞ্চম শতাব্দীৰ বাইবেল অনুবাদৰ পৰাই এই ভাষাত সাহিত্য সৃষ্টিৰ নিদর্শন পোৱা গৈছে। আন ভাষাবোৰ হ'ল, মিনগ্রেলীয়, লাছীছ, ছভানীয়। ককেছীয় গোষ্ঠীৰ আন ভাষাবোৰৰ ধ্বনিগত বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ৰুছ ভাষাবিদ 'মাৰ'-এ ভাষাসমূহক শ্রেণীবদ্ধ কৰিবলৈ চেষ্টা কৰিছে।

১০.৫.৮ এস্কিমো

গ্রীণলেণ্ড, আলাস্কা, আলেউছিয়ান দ্বীপপুঞ্জ আদিত যিবোৰ ভাষাৰে দৈনন্দিন কার্য সাধিত হয় সেইবোৰ ভাষাক 'এস্কিমো ভাষাগোষ্ঠী' নাম দিয়া হৈছে। এই ভাষাসমূহক অন্য এটা গোষ্ঠী বুলি নাভাবি আমেৰিকাৰ আদিম ভাষাবোৰৰ লগত সম্পর্ক থকা ভাষা বুলিহে কোনো কোনো ভাষাবিদে মন্তব্য দিছে। আমেৰিকাৰ আদিম ভাষাৰ অন্য এটা গোষ্ঠী 'এস্কিমো-আলেউট'ৰ ভিতৰুৱা এই ভাষা পৰিয়ালটিত পদবোৰৰ পৰস্পৰ সংবদ্ধ ৰূপত বাক্য-গঠন প্রণালী লক্ষ্য কৰিব পাৰি। আনহাতে শব্দসম্ভাৰ আদিৰ ক্ষেত্রত গ্রীণলেণ্ড, আলাস্কা আদি অঞ্চলত প্রচলিত ভাষাবোৰৰ লগত আমেৰিকাৰ আদিম ভাষাৰ পার্থক্য আছে। এই ভাষাগোষ্ঠীক দুটি প্রধান ভাগত বিভক্ত কৰিছে— এস্কিমো আৰু আলেউছীয় গ্রীণলেণ্ডৰ পৰা আলাস্কা হৈ বেৰিং প্রণালী পাৰ হৈ উত্তৰ-পূব এছিয়ালৈ বিয়পি থকা শাখাটি এস্কিমো আৰু

আলেছিয়ান দ্বীপপুঞ্জত প্ৰচলিত শাখাটি আলেউছীয় ভাষা। গ্ৰীণলেণ্ডৰ অধিবাসীসকলৰ ভাষা এস্কিমো এই ভাষাগোষ্ঠীৰ ভাষাবোৰৰ ভিতৰত উল্লেখযোগ্য। শব্দীয় বাক্য গঠনৰ বৈশিষ্ট্যৰে এই ভাষা প্ৰশ্লিষ্ট শ্ৰেণীৰ অন্তৰ্গত। উদাহৰণস্বৰূপে, 'nunarssuarme' ইয়াৰ অৰ্থ হৈছে, 'ডাঙৰ দেশৰ ভিতৰত'।

'nuna' দেশ

'-ssuar ডাঙৰ

'--me' ভিতৰত



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ পৃথিৱীৰ ভাষা পৰিয়ালৰ ভিতৰত দুটি প্ৰধান ভাষা গোষ্ঠী বা পৰিয়ালৰ বিষয়ে আলোচনা আগবঢ়াওক।

(১৫০-৩০০ শব্দৰ ভিতৰত)

.....

১০.৫.৯ অন্যান্য ভাষাবৰ্গ

উপৰোক্ত প্ৰধান গোষ্ঠীৰ বাহিৰে যিবোৰ অঞ্চলৰ ভাষাৰ মাজৰ পাৰস্পৰিক সম্বন্ধ জনাৰ কোনো সুবিধানাই বিশেষকৈ আদিম অধিবাসীসকলৰ মাজত প্ৰচলিত ভাষাবোৰৰ প্ৰত্যেকৰে মাজত থকা নিৰ্দিষ্ট বংশক অন্তৰ্ভুক্ত কৰি আলোচনা কৰিব নোৱাৰি। তেনেবোৰ ভৌগলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি ভগোৱা হৈছে। সেয়া হৈছে—

আমেৰিকাৰ আদিম ভাষা ঃ আমেৰিকাৰ আদিম অধিবাসীৰ মাজত প্ৰচলিত ভাষাবোৰ বিচিত্ৰ আৰু জগতৰ আন দেশ বা অঞ্চলতকৈ পৃথক। তাৰে প্ৰায়ভাগ ভাষাৰ পুৰণি সাহিত্য নথকা হেতুকে সাম্প্ৰতিক চলিত ভাষাবোৰৰ ওপৰত ভিত্তি কৰিয়ে আলোচনা বা অধ্যয়ন কৰিবলগীয়া হয়। বিস্তৃতি অনুসৰি ইয়াৰ তিনিটা ভৌগোলিক বিভাজন কৰা হৈছে—

(১) উত্তৰ আমেৰিকা দেশীয়

(২) মেক্সীয় আৰু মধ্য আমেৰিকা দেশীয়

(৩) দক্ষিণ আমেৰিকা

এই আদিম অধিবাসীসকলৰ ভাষাৰ সংখ্যা প্ৰায় বাৰশ আৰু ইবোৰৰ মাজত বৈসাদৃশ্য যথেষ্ট পৰিলক্ষিত হয়। যাৰ বাবে প্ৰতিটোকে একোটা ভাষা পৰিয়াল বুলি অভিহিত কৰিব পাৰি। সামগ্ৰিকভাৱে এই আদিম অধিবাসীসকলৰ ভাষাবোৰক 'আমেৰিকাৰ আদিম ভাষাবৰ্গ' বুলি শ্ৰেণীবিভাগ কৰা হৈছে।

এই ভাষাবোৰ বাক্য গঠনৰ দিশৰ পৰা প্ৰশ্লিষ্ট শ্ৰেণীৰ। ১৯২৯ খ্ৰীঃত এ. শাপৰি এ এই বৈশিষ্ট্য ওপৰত ভিত্তি কৰি উত্তৰ আমেৰিকাৰ বাবাসমূহক ক্ষয়টা ভাগত ভাগ কৰিছিলঃ এস্কিমো-আলেউট, না-ডেনে, আলগোনকিন-ৰাকাশ্বান, হোকান-ছিআউয়ান, পেনুটিয়ান, আঝটেক-টানোয়ান। মেক্সিকো আৰু মধ্য আমেৰিকাৰ ভাষাসমূহক তেইশটা গোষ্ঠী বিভক্ত কৰা হৈছে। তেনেদৰে দক্ষিণ আমেৰিকাৰ ভাষাসমূহক পইসত্তৰটা গোষ্ঠীত ভগাব বিচৰা হৈছে। এই আদিম ভাষাবোৰৰ জনসংখ্যা প্ৰায় বাৰ নিযুতমান হ'ব। কোনো কোনো ভাষাবিদে আমেৰিকাৰ আদিম ভাষাক অইন ভাষাগোষ্ঠীৰ লগত ৰিজাব বিচাৰে।

উত্তৰ আমেৰিকাৰ উল্লেখযোগ্য ভাষা হৈছে, আলগোনকিন, হোকা, আঠাবাছকান, ইৰোকৱা, হাইডা, ট্ৰিংগিট, ছিওউক্স। এইএবাৰৰ নিজৰ উপভাষা আছে। প্ৰায় পঞ্চাশটা উপভাষাৰে আলগোনকিন ভাষা কানাডাত আৰু আটলান্টিক মহাসাগৰৰ উপকূল অঞ্চলত বিয়পি আছে। 'হোকা'ৰ অন্তৰ্গত ভাষাবোৰ যুক্তৰাষ্ট্ৰ আৰু কেলফৰ্নিয়াৰ প্ৰশান্ত মহাসাগৰৰ উপকূলত, 'ইৰোকৱা'ৰ অন্তৰ্গত ভাষাসমূহ নিউয়ৰ্ক, উত্তৰ কাৰোলিনা, পেন্সিলভেনিয়াত আৰু আঠাবাচকান উত্তৰ আমেৰিকা-কানাডা-মেক্সিকোত,হাইডা আৰু ট্ৰিংগিটা ভাষাসমূহ যুক্তৰাষ্ট্ৰত, ছিওউক্স প্ৰেইৰী সমতল অঞ্চলত প্ৰচলিত। মেক্সিকো আৰু মধ্য আমেৰিকাৰ প্ৰধান ভাষা 'উটোআঝটেক'ত প্ৰায় পয়ষষ্টিটা ভাষা আছে।বৰ্তমান আনুমানিক এক নিযুত লোকে ইয়াৰ অন্তৰ্গত 'আঝটেক' ভাষা কয়। দক্ষিণ আমেৰিকাৰ ভাষাসমূহ অইন ভাগবোৰতকৈ জীৱন্ত ৰূপত পোৱা যায়। এই ভাগৰ উল্লেখযোগ্য ভাষাবোৰ হ'ল কুইছুৱা, টুপি-গুৱাৰ্নি, আৰাৱাক, কাৰিব, গে, টোছোন। প্ৰতিটো ভাষাৰে উপভাষা আছে। আৰাকাৱা দক্ষিণ আমেৰিকাৰ অন্যতম উল্লেখযোগ্য ভাষা। ই কিউৱা, জেমেইকা, হাইটি, ত্ৰিনিভাত, কাৰিব, পশ্চিম ভাৰতীয় দ্বীপপুঞ্জত, কুইছুৱা পেৰুত, গে ব্ৰাজিলত, টোছোন দক্ষিণ আমেৰিকাত প্ৰচলিত হৈ আছে। পাৰাগুৱেত 'টুপি গুৱাৰ্নি' ভাষা স্পেনীয়ৰ সৈতে একেলগে প্ৰচলিত হৈ আছে।

আফ্ৰিকাৰ আদিম ভাষা ঃ আফ্ৰিকা মহাদেশৰ মধ্য, দক্ষিণ আৰু দক্ষিণ পশ্চিম ভাগত বাস কৰিথকা আদিম কাফ্ৰী বুশমান আদি জাতিয়ে চলি থকা ভাষাবোৰ কোনো এটা পৰিয়ালভুক্ত কৰিব নোৱাৰি। ভিন ভিন পণ্ডিতে তেওঁলোকৰ যুক্তিৰে গোষ্ঠী বিভাজিত কৰিব বিচাৰিলেও এই অধিবাসীসকলৰ ভাষাৰ মাজত যথেষ্ট অসামাঞ্জস্য পৰিলক্ষিত হয়। ফলত ভাষা-বংশৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি পাৰস্পৰিক সম্পৰ্কৰ ওপৰত ভিত্তি কৰি ভাষাবোৰক তিনিটা প্ৰধান বৰ্গত ভাগ কৰা হৈছে ঃ

(১) বুশমান
(২) বান্টু
(৩) ছুডানীয়

উপসর্গীয় অশ্লিষ্ট বৈশিষ্ট্যৰ দক্ষিণ আফ্রিকাৰ বিশাল ভূ খণ্ডত বান্টু ভাষাবর্গ প্রচলিত হৈ আছে। বাক্যৰ অর্থ প্রকাশ কৰিবলৈ বচন, লিংগ, কাৰক নির্দেশক পদবোৰ শব্দৰ আগত যোগ কৰা হয়। যেনে, ntu মানুহ; umuntu এজন মানুহ।

ভৌগলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি আকৌ দহটামান উপবিভাগ কৰা দেখা যায়। এইবোৰৰ ভিতৰত ঝুলু, কাফিৰ, স্বাহিলী, গাণ্ডা, ডুআলা, টোংগা উল্লেখযোগ্য। আনুমানিক দহ নিযুত মানুহে কোৱা ঝানিজবাৰত প্রচলিত ভাষা স্বাহিলী এই বিভাগৰ উল্লেখ কৰিব পৰা ভাষা। ৰোমান লিপিৰ সহায়ত সাহিত্যাদি সৃষ্টিও হৈছে।

বিশেষকৈ চুটি চাপৰ বুলি খ্যাত আফ্রিকাৰ দক্ষিণ-পশ্চিম ভাগৰ বুশমান জাতিৰ ভাষাবোৰক বুশমান আৰু হোটেনটট এই দুটি ভাগত ভগোৱা হৈছে। বুশমানৰ অন্তর্গত ভাষাৰ ভিতৰত 'আইকৱে' প্রধান। অন্য ভাষাবোৰৰ মাজৰ সম্পর্ক উলিওৱা বৰ কঠিন। এই ভাষাত ছয় প্রকাৰৰ 'click' ধ্বনি উচ্চাৰিত হয়।

ছুডানীয় ভাষাবর্গক বুল, মান-ফু, নগো-নকে, কানুৰী, নিলোতীয়, হাউচা, বান্টুইড আদি ভাগ কৰা হৈছে। এই ভাষাবোৰৰ ভিতৰত হাউচা মধ্য-আফ্রিকা, উত্তৰ আফ্রিকাৰ ডাঙৰ চহৰবোৰত কথ্য ভাষাৰূপে প্রচলিত হৈ আছে আৰু সমগ্র আফ্রিকাৰ ভাষাবোৰৰ ভিতৰত স্বহিলী হাউচা প্রায় দহ নিযুত লোকৰ ভাববিনিময়ৰ মাধ্যম ৰূপে ব্যৱহৃত হৈ আছে।

অষ্ট্রেলিয়াৰ আদিম ভাষা ঃ অষ্ট্রেলিয়াৰ বিভিন্ন দ্বীপ আৰু দ্বীপপুঞ্জৰ অঞ্চলবোৰত প্রায় পাঁচশমান আৰু কেবল অষ্ট্রেলিয়াতে এশমান বিভিন্ন ভাষাৰ প্রচলন আছে। এওঁলোকৰ আদিম অধিবাসীসকলৰ ভাষাবোৰ ইউৰোপীয় ভাষাৰ প্রভাৱত লোপ পোৱাৰ উপক্রম হৈছে। উত্তৰ অষ্ট্রেলিয়া আৰু দক্ষিণ অষ্ট্রেলিয়া এই দুটা প্রধান ভাগত ভাগ কৰা হৈছে। এই ভাষাগোষ্ঠীৰ পাপুয়া ভাষাবর্গ প্রধান বুলিব পাৰি। যোগাত্মক শ্রেণীৰ এই ভাষাসমূহৰ অন্তর্গত ভাষাৰ সঠিক সংখ্যা নিৰূপণ কৰা টান। দক্ষিণ অষ্ট্রেলিয়াৰ ভাষাসমূহৰ ভিতৰত জটিল গঠন প্রণালীৰ আৰাণ্টা, মোবং ভাষা উল্লেখযোগ্য।

উত্তৰ-পূব সীমান্তীয় ভাষা ঃ এছিয়াৰ উত্তৰ-পূব অঞ্চলত কম সংখ্যক লোকৰ মাজত প্রচলন থকা কিছুমান ভাষাক ফালা-অসাতিচি বা ৎয়পৰেৰীৰনে বুলি অভিহিত কৰা হয়। ভাষাবোৰৰ পাৰস্পৰিক সম্পর্ক নির্ণয় কৰা হয়— য়ুকাগিৰ আৰু ছুকছী। উত্তৰ-পূব এছিয়াৰ সীমান্ত অঞ্চলৰ য়াকুট নামৰ অঘৰী জাতিৰ মাজত য়ুকাগিৰৰ অন্তর্গত ভাষাবোৰৰ প্রচলন আছে।




অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৫ ঃ আফ্রিকাৰ আদিম ভাষা সম্পর্কত চমুকৈ লিখক।

(১৫০ শব্দৰ ভিতৰত)

.....





১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা বৰ্গীকৰণৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন ঠাইত প্রচলিত ভাষাসমূহক শৃংখলালৈ আনি একোটা গোষ্ঠীত যে ভগোৱা হৈছে সেয়া জানিব পাৰিলে।
- পৃথিৱীৰ প্রধান ভাষা-পৰিয়াল মুঠতে আঠটা।
- বৰ্গীকৰণ কৰিব নোৱাৰা ভাষাসমূহক আন এটি গোট কৰি অবৰ্গীকৃত ভাষা বুলি নামেৰে আলোচনাৰ মাজলৈ অনা হৈছে, তাৰ কিছু আভাস পালে।
- বৰ্গীকৰণৰ দুটি প্রধান ভাগ যোগাত্মক আৰু অযোগাত্মক শাখাৰ সৈতে আকৃতিমূলক আৰু সকলোৱে গ্রহণযোগ্য বুলি মত দিয়া ঐতিহাসিক বৰ্গীকৰণৰ সম্পর্কে যথেষ্ট জ্ঞান লাভ কৰিবলৈ সুবিধা পালে।
- ভৌগোলিক অৱস্থানৰ বাবে কৰা বৰ্গীকৰণকেইটাৰ শাখাৰে সৈতে পৰিচিত লাভ কৰিলে।
- ভাষাবিদসকলৰ গ্রহণযোগ্য বৰ্গীকৰণৰ অন্তর্গত পৃথিৱীত প্রধান ভাষা পৰিয়াল কিমান আছে আৰু সেইবোৰৰ নাম তাৰ শাখাবোৰৰ সৈতে পুংখানুপুংখভাৱে জানিবলৈ সক্ষম হ'ল।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। কৌশাম্বী, ডি. ডি (১৯৭৩) ঃ *ভাৰতৰ ইতিহাস*, অসমীয়া অনুবাদ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ

২। গোস্বামী, উপেন্দ্ৰনাথ (১৯৭০) ঃ *ভাষাবিজ্ঞান*, গুৱাহাটী

৩। ঠাকুৰ নগেন আৰু খগেন সেন ডেকা (সম্পা) (২০০০) ঃ *ভাষা-চিন্তা-বিচিত্ৰা*, গুৱাহাটী ঃ পূৰ্বৰুণ

৪। ঠাকুৰ, নগেন (১৯১৯) ঃ *পৃথিৱীৰ বিভিন্ন ভাষা*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

৫। পাঠক, ৰমেশ (২০০৮) ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*; গুৱাহাটী ঃ অশোক বুক ষ্টল

৬। পাদুন, নাহেন্দ্ৰ (সম্পা) (১৯৯৩) ঃ *ভাষাৰ তত্ত্বকথা*; আদৰণী সমিতি, অসম সাহিত্য সভাৰ ঊনষষ্ঠিতম শিৰসাগৰ অধিবেশন, শিৱাসাগৰ

৭। ফুকন পাটগিৰি, দীপ্তি (১৯৯১) ঃ *ভাষাতত্ত্ব*; গুৱাহাটী ঃ বনলতা

৮। ৰাভা হাকাচাম, উপেন (২০০০) ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা*; হাকাচাম ৰামছাদাম, ধূপধৰা, গোৱালপাৰা

বাংলাগ্ৰন্থ ঃ

৯। বিশ্বাস, সুকুমাৰ (১৯৬৮) ঃ ভাষাবিজ্ঞান পৰিচয়, কলকাতা ঃ জিজ্ঞাসা

১০। শ', ৰামেশ্বৰ (১৯৯৬) ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা; কলকাতা ঃ পুস্তক বিপনি

১১। সেন সুকুমাৰ (১৯৮৭) ঃ ভাষাৰ ইতিবৃত্তঃ কলকাতা ঃ ইষ্টার্ণ পাব্লিচার্ছ

ইংৰাজী গ্ৰন্থ ঃ

1. Taraporewalla, I.J.S — Elements of the science of Language
2. Bender, H.H. — The Home of Indo-European
3. Benedict, P.K. — Sino-Tibetan : A conspectus.
4. Chetterji, S.K — Language and Literature of Modern India



১০.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্গীকৰণৰ সংজ্ঞা দি বৰ্গীকৰণৰ বিভাগৰ উল্লেখ কৰিব। তাৰ পাচত ঐতিহাসিক বৰ্গীকৰণ সম্পৰ্কত পৰিচয় দাঙি ধৰিব। তুলনামূলক আলোচনাৰে মূলতৈ লক্ষ্য কৰি বিশ্লেষণ নকৰিলে ভাষাবোৰৰ স্বতন্ত্ৰতা বিচাৰ কৰা সম্ভৱ নহয়। গতিকে বংশানুগত বৰ্গীকৰণকে যে অধিক গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হয় সেই বিষয়েও শেষত উনুকিয়াব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পদৰ বিন্যাস অথ বা বাক্য গঠন ৰীতি বিশ্লেষণ কৰি সমষ্টিগতভাৱে ভাষাক বৰ্গীকৰণ কৰা পদ্ধতিয়েই যে প্ৰৰূপগত বা বাক্যৰীতিগত বা আকৃতিমূলকবা ৰূপতত্ত্বানুগত বৰ্গীকৰণ সেই সংজ্ঞা দি এই বৰ্গীকৰণৰ বিষয়ে বহলাই লিখক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোনোধৰণৰ বৰ্গীকৰণত অন্তৰ্ভুক্ত কৰিব নোৱাৰা অবৰ্গীকৃত ভাষাৰ পৰিচয় দাঙি ধৰি তাৰ দুটি বিভাগৰ নাম লিখক.....সেই ভাগৰ অন্তৰ্গত ভাষাবোৰৰ নাম আৰু বৰ্তমান প্ৰচলিত আছে নে নাই সেই বিষয়ে উল্লেখ কৰি চমুকৈ লিখক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীৰ প্ৰধান আঠটি ভাষা পৰিয়ালৰ ভিতৰত যিকোনো দুটি ভাষা গোষ্ঠীৰ পৰিচয় দাঙি ধৰি তাৰ ৰেখাচিত্ৰৰে সৈতে গোষ্ঠীটোৰ অন্তৰ্গত ভাষাবোৰৰ বিষয়ে চমুকৈ লিখক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি ভগোৱা আদিম অধিবাসীসকলৰ মাজত প্ৰচলিত আফ্ৰিকাৰ আদিম ভাষাৰ প্ৰধান ভাগবোৰৰ উল্লেখ কৰি.....ইয়াৰ অন্তৰ্গত ভাষাবোৰৰ নাম লগতে.....সেইবোৰৰ দুই এটি উদাহৰণ দি চমুকৈ লিখক।



১০.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাষাৰ বৰ্গীকৰণৰ সকলো দিশ সামৰি এটি প্ৰৱন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ ভাষা পৰিয়াল বুলিলে কি বুজে? পৃথিৱীৰ ভাষা পৰিয়ালসমূহক কি কি পৰিয়ালত ভাগ কৰা হৈছে বুজাই লিখক।

প্ৰশ্ন ৩ ঃ অবৰ্গীকৃত ভাষা মানে কি? অবৰ্গীকৃত ভাষা সম্পৰ্কত টোকা লিখক।

প্ৰশ্ন ৪ ঃ পৃথিৱীৰ প্ৰধান ভাষা পৰিয়ালকেইটা আৰু কি কি? যিকোনো দুটি ভাষা পৰিয়ালৰ চমু পৰিচয় প্ৰদান কৰক।

প্ৰশ্ন ৫ ঃ বৰ্গীকৰণ কাক বোলা হয়? আকৃতিমূলক বৰ্গীকৰণৰ বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৬ ঃ উৰাল-আলটাই, ককেচীয় আৰু ছেমীয়-হেমীয় ভাষা পৰিয়ালৰ একোটিকৈ চমু টোকা লিখক।

প্ৰশ্ন ৭ ঃ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি বিভাজন কৰা পৃথিৱীৰ ভাষাগোষ্ঠী কেইটিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ চমু টোকা লিখক—

লুপ্ত অবৰ্গীকৃত ভাষা, এস্কিম, ছেমীয়-হেমীয় ভাষা, আফ্ৰিকাৰ আদিম ভাষা, অযোগাত্মক ভাষা, ককেছীয় ভাষা, উৰাল-আলটাই

*** ***** ***

অধ্যায় ১১ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল ঃ এটি বিৱৰণ
১১.৩.১ নামকৰণ
১১.৩.২ আদিম বাসস্থান
১১.৩.৩ বৈশিষ্ট্যসমূহ
১১.৪ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন শাখা-প্ৰশাখা
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল সম্বন্ধে জানিব পাৰিব
- ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণৰ তাৎপৰ্যৰ বিষয়ে জানিব পাৰিব
- এই ভাষা পৰিয়ালৰ আদিম বাসস্থান আৰু বৈশিষ্ট্যৰ বিষয়েও অৱগত হ'ব
- ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ শ্ৰেণীবিভাজন কৰিবলৈ সক্ষম হ'ব আৰু ইয়াৰ অন্তৰ্গত ভাষাসমূহ কি কি আৰু কোন কোন অঞ্চলত প্ৰচলিত সেই বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰিবলৈ সক্ষম হ'ব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়ালৰ পৰিচয় লাভ কৰিলে। এই অধ্যায়টোত বিশেষভাৱে 'ইণ্ডো ইউৰোপীয় ভাষা-পৰিয়াল' সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে পৃথিৱীত নানা জাতি-উপজাতিৰ সৃষ্টি হ'ল, সমাজ সংগঠিত হ'ল, সাংস্কৃতিক-সামাজিক বাতাবৰণ গঢ় লৈ উঠিল আৰু ভাষাৰ প্ৰচলন হ'বলৈ ধৰিলে। বিভিন্ন ভৌগোলিক পৰিবেষ্টনত ব্যৱহৃত ভাষাসমূহক ধ্বনি-ৰূপ, শব্দ, বাক্য আদি দিশৰ ওপৰত ভিত্তি কৰি কিছুমান ভাষা-বংশ বা ভাষা পৰিয়ালত বিভক্ত কৰা হ'ল। পৃথিৱীৰ ভাষা পৰিয়ালসমূহৰ

ভিতৰত সর্ববৃহৎ আৰু সমৃদ্ধিশালী ভাষা পৰিয়ালটোৱেই হৈছে— ইণ্ডো ইউৰোপীয় ভাষা পৰিয়াল।

ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষা সমগ্র পৃথিৱীতে বিস্তাৰিত হৈ আছে। পৃথিৱীৰ জনসংখ্যাৰ ৫৬০ কোটি লোকৰ ভিতৰত প্রায় ২০০ কোটি লোকে এই গোষ্ঠীৰ অন্তর্গত ভাষা ব্যৱহাৰ কৰে। পৃথিৱীৰ আটাইকেইখন মহাদেশতে কম-বেছি পৰিমাণে পৰিব্যাপ্ত হৈ থকা এই ভাষা পৰিয়ালৰ প্রধান ভাষাৰ সংখ্যা প্রায় ডেৰশ মান। জনসংখ্যাৰ ফালৰ পৰা আৰু ব্যৱহৃত ভাষাৰ ফালৰ পৰা ইণ্ডো ইউৰোপীয় ভাষাৰ স্থান পৃথিৱীৰ ভিতৰতে সর্বাধিক আৰু সর্বপ্রথম।

সাহিত্যিক দৃষ্টিকোণেৰে বিচাৰ কৰিলে দেখা যায় যে এই ভাষা পৰিয়ালৰ ভাষা অত্যন্ত সমৃদ্ধিশালী। প্রাচীনতা, উৎকৃষ্টতা আৰু বৈচিত্র্যৰ মাপকাঠিৰে জুখিলে এই ভাষা পৰিয়ালৰ দৰে সাহিত্য আন কোনো ভাষাগোষ্ঠীৰ মাজত বিচাৰি পোৱা নাযায়। উদাহৰণ স্বৰূপে- আমি ঋক বেদ, ৰামায়ণ, মহাভাৰত, গীতা, ইলিয়াড, ওডিছী আদিৰ কথা ক'ব পাৰো। উল্লেখযোগ্য যে, এই গোষ্ঠীৰ লোকৰ বৌদ্ধিক উত্তৰণ ফচল হৈছে ভাষাতত্ত্ব বা ভাষা চর্চা। সভ্যতা সংস্কৃতিৰ উত্তৰণতো ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ভূমিকা অগ্রগণীয়। পৃথিৱীৰ চাৰিটা প্রধান ধর্মৰ ভিতৰত তিনিটা ধর্মই এই গোষ্ঠীৰ লোকৰ দ্বাৰা পৰিব্যাপ্ত হৈছে। যোৱা কেইবা শতিকা জুৰি হোৱা বৈজ্ঞানিক উন্নতি আৰু বৈজ্ঞানিক সাহিত্য সংৰক্ষণত এই ভাষা পৰিয়ালৰ সাহিত্য-সংৰক্ষণত এই ভাষা পৰিয়ালৰ অৱদান অপ্রতীম। উদাহৰণ স্বৰূপে আমি ইংৰাজী, ৰুছ, জার্মান, ফৰাছী আদি ভাষাৰ কথাকে ক'ব পাৰোঁ। ৰাজনৈতিকভাৱে বিশ্বত গুৰুত্ব লাভ কৰা বাৰটা ভাষাৰ আঠোটা ভাষাই এই গোষ্ঠীৰ অন্তর্গত ভাষা। এই ভাষা পৰিয়ালৰ ভাষা ইংৰাজী ভাষাই আন্তঃৰাষ্ট্রীয় ভাষাৰ মর্যাদা লাভ কৰিছে।

জনসংখ্যা, সাহিত্য, সংস্কৃতি, সভ্যতা, বৈজ্ঞানিক প্রগতি, ৰাজনৈতিক প্রতিপত্তি আদি দিশৰ পৰা ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাই পৃথিৱীৰ বুকুত বিজয়ৰ (জয়) ধ্বজা উত্তোলন কৰিবলৈ সক্ষম হৈছে। স্বাভাৱিকতেই মহত্ত্বপূর্ণ আৰু সমৃদ্ধিশালী ভাষা পৰিয়াল হিচাপে ইণ্ডো ইউৰোপীয় ভাষা পৰিয়াল পৃথিৱীৰ ভাষা পৰিয়ালসমূহৰ ভিতৰতেই অগ্রগণ্য।

১১.৩ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল ঃ এটি বিৰৰণ

১১.৩.১ নামকৰণ

পৃথিৱীৰ ভাষা পৰিয়ালসমূহৰ ভিতৰত সর্ববৃহৎ আৰু সমৃদ্ধিশালী ভাষা পৰিয়াল হিচাপে পৰিচিত ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণৰ এক দীঘলীয়া ইতিহাস আছে। কিছুমান আনুমানিক তথ্যৰ ওপৰত ভিত্তি কৰিহে ভাষাতাত্ত্বিকসকলে এই ভাষা পৰিয়ালৰ নামকৰণ সন্দর্ভত মত প্রকাশ কৰিছে।

ইণ্ডো ইউৰোপীয় নামেৰে কোনো ভাষা পৰিয়ালৰ আদিম অস্তিত্ব বিচাৰি

পোৱা নাযায়; যাৰ বাবে ই এটা অনুমিত বা কাল্পনিক ভাষা-পৰিয়াল। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত সংস্কৃত ভাষাৰ বিষয়ে হোৱা অধ্যয়ন আৰু অধ্যাপনাৰ জৰিয়তে প্ৰাচীন ভাষা যেনে- গ্ৰীক, লেটিন, গোঠীয়, পাৰছীয় আদিৰ সৈতে ধ্বনি সংস্থান, ৰূপ, শব্দভাণ্ডাৰ আৰু অর্থৰ তুলনামূলক বিচাৰ কৰা হৈছিল। ভাৰতবর্ষৰ পৰা ইউৰোপলৈকে পৰিব্যাপ্ত হৈ থকা সমগোত্রীয় ভাষাসমূহক 'ইণ্ডো-ইউৰোপীয়' নামেৰে এটা ভাষা পৰিয়ালত অন্তর্ভুক্ত কৰিছিল। প্ৰাচীন ভাষাকেইটাৰ মাজত কৰা তুলনাৰ আধাৰত ভাষা পৰিয়ালটোৰ মূল অস্তিত্বৰ পুনর্গঠন কৰা হৈছিল। উদাহৰণ স্বৰূপে—

গ্ৰীক	লেটিন	সংস্কৃত	মূল ইণ্ডো-ইউৰোপীয়
পতেৰ	পতেৰ	পিতা	প'তেৰ (Patēr)
দুও	দুও	দ্বৌ	দ্বওউ (dwōu)
হেপ্ত	সেপ্তেম	সপ্ত	সেপ্তেম (Septm)
পেকু	পেকু	পশু	পেকু (Pe k̄u)
এস্তি	এস্ত	অস্তি	এস্তি (esti)

মূল ইণ্ডো ইউৰোপীয় ভাষাৰ পৰা বিভিন্ন স্থানত ভাষাবোৰ সিঁচৰতি হৈ পৰাৰ নিদর্শন ওপৰৰ উদাহৰণৰ পৰা জানিব পাৰোঁ। ইউৰোপৰ পৰা ভাৰতবর্ষলৈকে এই ভাষা পৰিয়ালৰ ভাষা পৰিব্যাপ্ত হৈ থকা বাবেই ইয়াক ইণ্ডো ইউৰোপীয় নামেৰেও অভিহিত কৰা হয়।

অষ্টাদশ শতিকাত উইলিয়াম জোনছে সংস্কৃত ভাষাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ লগতে প্ৰাচীন ভাষা গ্ৰীক, লেটিন, প্ৰাচীন পাৰছীয়, কেলটীয় আদি ভাষাৰ লগতো মিল থকাৰ কথা উল্লেখ কৰে। জোনছৰ পৰৱর্তী কালত জার্মান পণ্ডিতসকলে পুনৰ এই ভাষাসমূহৰ মাজত সম্পর্কসূত্ৰ নির্ণয় কৰিবৰ বাবে তুলনামূলক অধ্যয়নত নিৰলসভাৱে প্ৰবৃত্ত হয় আৰু এই ভাষাবোৰৰ মূল যে 'আদিম ইণ্ডো ইউৰোপীয়' সেই কথা প্ৰতিপন্ন কৰে।

ভৌগোলিক পৰিব্যাপ্তিৰ ভিত্তিত এই ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয় বুলি অভিহিত কৰাৰ সলনি জার্মান ভাষাতাত্ত্বিকসকলে এই ভাষা পৰিয়ালক 'ইণ্ডো জার্মানিক' (Indo-Germanic) নামেৰে অভিহিত কৰিছিল। ইণ্ডো ইউৰোপীয়ই ভাষাৰ বিস্তাৰক সঠিকভাৱে বুজাব পৰা নাছিল। 'ইন্দো' (Indo) শব্দই ভাৰতবর্ষক সূচায়। কিন্তু ভাৰতবর্ষৰ বাদেও এছিয়াৰ অন্যান্য দেশ (যেনে- ইৰাণ)তো এই ভাষা পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে। যদি ভাষা বিস্তাৰৰ ওপৰত ভিত্তি কৰিয়েই নামকৰণ কৰা হয় তেনেহ'লে এই ভাষা পৰিয়ালৰ নামকৰণ 'এছিয়া-ইউৰোপীয়' বা 'ইউৰোএছীয়' (Euro Asiatic) হোৱা উচিত। ইন্দো শব্দটি সমগ্ৰ বিস্তাৰ ক্ষেত্ৰত

বুজোৱাৰ পৰিৱর্তে কেৱল তাৰ একোটা প্রান্তক বুজাবলৈহে ব্যৱহৃত হৈছে, তেনে দৃষ্টিকোণেৰে বিচাৰ কৰিলে 'ইউৰোপ' শব্দটিয়ো গ্রহণযোগ্য নহয়, কিয়নো ই সমগ্র ইউৰোপৰ বিস্তাৰক্ষেত্রকে সূচিত কৰিছে। ভাৰতবর্ষ হৈছে এছিয়াৰ দক্ষিণ পূর্বত অৱস্থিত য'ত এই পৰিয়ালৰ ভাষা বিস্তাৰিত হৈ আছে। ঠিক একেদৰে সমগ্র ইউৰোপক নধৰি তাৰ উত্তৰ-পশ্চিম প্রান্তত অৱস্থিত আইচল্যাণ্ডৰ জার্মানিক ভাষাক সামৰি এই পৰিয়ালৰ নামকৰণ 'ইন্দো জার্মানিক' হোৱাটোহে প্রয়োজনীয় বুলি জার্মান ভাষাতাত্ত্বিকে মত প্রকাশ কৰিছিল। দুই প্রান্ত অঞ্চলৰ ভাষাবিস্তাৰক এই নামকৰণ কৰাটোহে যুক্তিসংগত বুলি তেওঁলোকে ভাবিছিল, "Since the Germanic family was located farthest to the north, in the Iceland many scholars, particularly in Germany, label the family Indo Germanic."

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল এই নামকৰণো দোষমুক্ত নহয়। কিয়নো 'ইণ্ডো জার্মানিক' নামকৰণৰ ক্ষেত্রত এফালে দেশৰ নাম অনুসৰি ইণ্ডো (India) ৰখা হৈছে আৰু আনফালে ভাষাগোষ্ঠীৰ নাম অনুসৰি নামকৰণ কৰা হয়। তেনেহ'লে এই গোষ্ঠীৰ নাম হ'ব বৈদিক-জার্মানিক আৰু দেশৰ নাম অনুসৰি এই গোষ্ঠীৰ নাম হ'ব 'ভাৰত-আইচলেণ্ডিক'। আইচলেণ্ডিক অন্য ভাষা বংশৰ ভাষা, যাৰ বাবে এই ভাষা বংশৰ নাম ইণ্ডো জার্মানিকো যুক্তিপূর্ণ নহয়।

কাল প্রোথ, বপ, ৰাস্ক, প্রিকার্ড আদি জার্মান পণ্ডিতসকলে এই ভাষা পৰিয়ালক 'ইণ্ডো জার্মানীয়' নামটোকহে সমর্থন কৰিছিল। সংস্কৃতৰ সূত্র ধৰিয়েই তেওঁলোকে এই ভাষা পৰিয়ালৰ প্রাচীন ভাষাৰ তুলনামূলক অধ্যয়নত প্রবৃত্ত হৈছিল আৰু ভাৰতৰ পৰা জার্মানীলৈকে পৰিব্যাপ্ত হৈ থকাৰ বাবে ভাষা পৰিয়ালটোক 'ইণ্ডো-জার্মানীয়' নামেৰে নামকৰণ কৰিছে। এই নামকৰণ জার্মান ভাষাতাত্ত্বিকৰ স্বদেশ-স্বজাতিৰ প্রতি থকা ভাবাবেগৰ নিদর্শনো। উল্লেখ্য যে জার্মান পণ্ডিত আউগুষ্ট শ্লেইচাৰে (August Schdeicher) ১৮৬১ চনত ইণ্ডো ইউৰোপীয় ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ তুলনামূলক ব্যাকৰণ 'Compendium of the comparative Grammar of the Indo-Germanic languages' নামেৰে এখনি গ্রন্থ প্রকাশ কৰি উলিয়ায়, কার্ল ব্রুগমান (Karl Brugman) আৰু বেটেলি ডেলব্রুকৰ (Bertold Delbruk)ৰ যৌথ সহযোগিতাত 'Outline of the comparative Grammar of the Indo Germanic languages.' নামেৰে এখন তুলনামূলক ব্যাকৰণ ১৮৮৬ চনত প্রকাশিত হয়। জার্মান পণ্ডিতসকলে ইণ্ডো ইউৰোপীয়ৰ পৰিৱর্তে যে 'ইণ্ডো জার্মানিক' নামটো ব্যৱহাৰ কৰিছিল সেই কথা ওপৰত উল্লেখ কৰি অহা গ্রন্থৰ শিৰোনামৰ দ্বাৰাই প্রতিপন্ন হয়।

প্রাচ্যতত্ত্ববিদ মেক্সমূলাৰকে আদি কৰি বিভিন্ন পণ্ডিতে এই ভাষা পৰিয়ালক

'আর্য' নামেৰে নামকৰণ কৰাতো উচিত হ'ব বুলি বিবেচনা কৰিছিল। ভি. গর্ডন চিলডেলয়ে (V. Gordon Childle)য়ে 'The Aryan' গ্ৰন্থৰ পাতনিত তেওঁৰ অভিমত প্ৰকাশ কৰিছে এনেদৰে— "The word Indo-European is Clumsy, and cannot even claim to be Scientific... 'Aryan' on the other hand, the advantage of brevity and familiarity. I therefore prefer to retain it."

বিভিন্ন ভাষাতাত্ত্বিকে এই নামকৰণ সমর্থন কৰিছিল যদিও এই নাম বর্তমান অপ্রচলিত। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল আৰু এই ভাষা পৰিয়াল অন্তর্গত বিভিন্ন বিভ্রান্তিৰ সৃষ্টি হ'ব বুলি ধাৰণা কৰিয়েই এই নামকৰণ গ্ৰহণযোগ্য নহ'ল।

কোনো কোনো ভাষাতাত্ত্বিকে আকৌ পশ্চিম সীমাত কেলটীয় ভাষাই দেখা দিয়াৰ পাছত এই ভাষাগোষ্ঠীক ভাৰত-কেলটীয় নামেৰে নামকৰণ কৰিব খুজিছিল যদিও কার্যতঃ সেইয়া হৈ নুঠিল। নতুন ভাষাৰ সৃষ্টিৰ লগে লগে নতুন নামকৰণ কৰাতো সহজসাধ্য বা গ্ৰহণযোগ্য নহয় বাবেই এই নাম প্রচলিত নহ'ল।

বিভিন্ন ভাষাতাত্ত্বিক পণ্ডিতে এই ভাষা পৰিয়ালৰ নামকৰণ ক্ষেত্ৰত নিজস্ব মত আগবঢ়োৱা পৰিলক্ষিত হয়। ভাৰতবর্ষৰ পৰা ইউৰোপলৈকে প্রচলিত থকা ভাষাবোৰ একে মূলৰ বুলি ধাৰণা দৃঢ় হোৱাত এই ভাষা পৰিয়ালটোক 'ইণ্ডো ইউৰোপীয়' নামেৰে নামকৰণ কৰা হয়। থমাছ য়ুঙ নামৰ ভাষাতাত্ত্বিকগৰাকীয়ে এই নামটো উদ্ভাৱন কৰিছিল। সংস্কৃত-গ্ৰীক-লেটিন-গোঠীয়-পাৰছীয় আদি সমগোত্রীয় ভাষাক লৈ ইউৰোপৰ পৰা ভাৰতলৈকে পৰিব্যাপ্ত ভাষাগোষ্ঠী 'ইণ্ডো ইউৰোপীয়' নামেৰে পৃথিৱীৰ সর্ববৃহৎ আৰু সমৃদ্ধিশালী ভাষা পৰিয়াল ৰূপে সর্বজন পৰিচিত হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইণ্ডো-ইউৰোপীয়ক 'ইণ্ডো জার্মানিক' নামেৰে কিয় অভিহিত কৰিছিল? এই নামকৰণ গ্ৰহণযোগ্যনে? আপোনা যুক্তি দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১১.৩.২ আদিম বাসস্থান

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালে পৃথিৱীৰ অধিকাংশ ঠাই আগুৰি আছে যদিও এই ভাষা পৰিয়ালটোৰ জন্মৰ সময়, জন্মস্থান বা আদিম বাসস্থান আৰু কি মূলৰ পৰা উদ্ভৱ হৈছিল সেই বিষয়ে উপযুক্ত নিদর্শনৰ অভাৱ। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল সম্বন্ধে প্রাপ্ত মতবোৰ আনুমানিক তথ্যৰ ওপৰত নির্ভৰশীল। ভাষাতাত্ত্বিক

পণ্ডিতসকলে এই গোষ্ঠীৰ অন্তর্গত প্রাচীন ভাষা কিছুমানৰ ধ্বনিগত আৰু শব্দতত্ত্বৰ তুলনামূলক আলোচনাৰে আদিম ৰূপ এটা স্থিৰ কৰি লৈছে।

এই ভাষা পৰিয়ালৰ প্রাচীন ভাষাৰ অধ্যয়নৰ দ্বাৰা পণ্ডিতসকলে এই ভাষাগোষ্ঠীৰ লোকসকল আদিম কালত যে অঘৰী, যাযাবৰ বা অর্ধযাযাবৰ, পশুপালক বা চিকাৰীজাতীয় লোক আছিল সেই কথা অনুমান কৰিছে। ঐতিহাসিক দৃষ্টিকোণৰ পৰা এই গোষ্ঠীৰ লোকসকল প্রস্তৰ যুগৰ লোক আছিল। তেওঁলোকে ধাতু নির্মিত বা লোৰ সঁজুলি ব্যৱহাৰ কৰা নাছিল, কৃষিকর্মও কৰিব পৰা নাছিল। তাৰ সলনি তেওঁলোকে গো-ভেৰা-ঘোঁৰা আদি পশুপালন কৰিছিল। পৰৱর্তী সময়ত উন্নত সভ্যতা প্রধান অঞ্চললৈ আহি নিজকে প্রতিষ্ঠা কৰিছিল।

শীতপ্রধান অঞ্চলত এই ভাষাগোষ্ঠীৰ লোকসকলে বসতি স্থাপন কৰিছিল আৰু কালক্রমত অত্যধিক শীতৰ পৰা ৰক্ষা পাবলৈ অন্যস্থানলৈ প্রব্রজিত হৈছিল। পিতৃতান্ত্রিক সমাজ ব্যৱস্থাত বাস কৰা এইসকল লোকৰ আদিম বাসস্থান সম্বন্ধে নির্ভৰযোগ্য প্রমাণৰ অভাৱ।

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ জন্মস্থান সম্বন্ধে বিভিন্ন ভাষাতাত্ত্বিক পণ্ডিতে বিভিন্ন মত আগবঢ়োৱা পৰিলক্ষিত হয়। পণ্ডিতসকলৰ অভিমতক দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। সেইয়া হৈছে এছিয়াৰ সপক্ষে আৰু আনটো হৈছে ইউৰোপৰ সপক্ষে।

এছিয়াৰ সপক্ষে ঃ

(i) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক আর্য নামেৰে নামকৰণ কৰা মেক্সমূলাৰৰ মতে এই ভাষা পৰিয়ালৰ আদিম বাসস্থান পামিৰ মালভূমি আৰু মধ্য এছিয়া অঞ্চল আছিল।

(ii) জার্মান ভাষাতত্ত্ববিদ আগষ্ট ফ্রেডেৰিক পোট (August Friedrich Poot)ৰ মতে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান আছিল— হিন্দুকুশ পর্বতৰ নামনি অঞ্চল। প্রত্নতাত্ত্বিক আৰু ভাষাতাত্ত্বিক অনুসন্ধানে এই মতক অস্বীকাৰ কৰিছে।

(iii) বহুতো ভাৰতীয় পণ্ডিতৰ মতে, লুপ্ত হোৱা পশ্চিম এছিয়াৰ হিট্টী, মিটান্নী, কাছাইট আদি ভাষাৰ লগত বৈদিক ভাষাৰ মিল থকালৈ চাই এই ভাষাগোষ্ঠীৰ আদিম বাসস্থান ভাৰতবর্ষ আছিল। কিন্তু ভাৰতবর্ষত কোনো ভাষা পৰিয়ালৰ উদ্ভৱ হোৱাৰ বিষয়ে ঐতিহাসিক তথ্যৰ অভাৱ।

ইউৰোপৰ সপক্ষে ঃ

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষা ইউৰোপৰ বিভিন্ন অঞ্চলত ব্যাপকভাৱে পৰিব্যাপ্ত হৈ আছিল। এনে পৰিব্যাপ্তিলৈ চাই বহুতো ভাষাতাত্ত্বিকে ইউৰোপকেই ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান বুলি মত প্রকাশ কৰিছে। ইউৰোপৰ তিনিটা অঞ্চল ঘাইকৈ তেওঁলোকৰ আদিম বাসস্থান আছিল বুলি অনুমান কৰা হৈছে। সেই তিনিটা অঞ্চল ক্রমে—

ক) ডানিয়ুব উপত্যকা, বিশেষকৈ হাংগেৰীৰ সমতলভূমি

খ) দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় অঞ্চল

গ) স্কাণ্ডিনেভিয়া আৰু জার্মানীৰ উত্তৰ অঞ্চল।

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান ডানিয়ুব উপত্যকা বিশেষকৈ হাংগেৰীৰ সমতলভূমি আছিল বুলি আগবঢ়োৱা মত সমর্থনযোগ্য যদিও নিশ্চিতভাৱে প্রতিপন্ন হোৱা নাই।

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় বুলি আগবঢ়োৱা মতকেই বর্তমানলৈকে প্রাপ্ত মতৰ ভিতৰত অধিক গ্রহণযোগ্য বুলি বিবেচিত হৈছে. জার্মান ভাষাতাত্ত্বিক ওটো শ্রাডাৰে (Otto Schrader) যে 'Comparative linguistics and Pre History' গ্রন্থত ভাষাগত প্রত্নবিদ্যাৰ দ্বাৰা উৰাল পর্বতমালাৰ দক্ষিণ-পশ্চিম অঞ্চল বা উত্তৰ পশ্চিম কিৰঘিজ তৃণভূমি অঞ্চল অর্থাৎ দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় অঞ্চল এই ভাষা পৰিয়ালৰ আদিম বাসস্থান আছিল বুলি মত প্রকাশ কৰিছিল।

ইণ্ডো-ইউৰোপীয় ভাষাৰ ইতিহাসক তাৰ শব্দাৱলীৰ পৰিৱর্তনৰ প্রকৃতিৰ আধাৰত বিশ্লেষণ কৰি দুটা ভাগত ভাগ কৰিছে। ব্রাগুেনষ্টাইন নামৰ ভাষাতাত্ত্বিকে এই বিভাজন দাঙি ধৰিছে। তেওঁৰ মতে, প্রথম ভাগৰ ভাষাসমূহে ইউৰেছিয়াৰ উৰাল পর্বতৰ দক্ষিণ অংশৰ সমতলভূমিত আৰু পার্বত্য অঞ্চলত আৰু দ্বিতীয় ভাগৰ ভাষাসমূহে পূব ইউৰোপৰ আর্দ্রভূমিত বিকাশ লাভ কৰিছিল।

বহুতো ভাষাতাত্ত্বিকে স্কাণ্ডিনেভিয়াক ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান বুলি অভিহিত কৰিলেও শব্দতত্ত্বৰ তুলনামূলক আলোচনাই সেই কথাৰ সত্যতাৰ প্রমাণ নিদিয়ে। সামদ্রিক অঞ্চল স্কাণ্ডিনেভিয়াৰ সাগৰ বা সমন্ধীয় শব্দ ইণ্ডো-ইউৰোপীয় ভাষাৰ প্রাচীন ভাষাৰ মাজত উপলব্ধ নহয়।

জার্মান ভাষাতত্ত্ববিদৰ মতে জার্মানীৰ উত্তৰ অঞ্চল ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান আছিল। অৱশ্যে জার্মান পণ্ডিতৰ এই মত ভাষাতাত্ত্বিক আৰু প্রত্নতাত্ত্বিকভাৱে গ্রহণযোগ্য নহয়। প্রাগ ঐতিহাসিক কালতেই জার্মানীয় ভাষাত মূল ইণ্ডো-ইউৰোপীয় ভাষাৰ ব্যঞ্জন ধ্বনিৰ পৰিৱর্তন ঘটিছিল যাৰ দ্বাৰা জার্মানীয় লোকসকল শক্তিশালী জাতিৰ কবলত পৰিছিল বুলি ধাৰণা কৰিব পাৰি। ইউৰোপৰ উত্তৰ অংশৰ অৰণ্য আৰু জলাহ অঞ্চলত বিক্ষিপ্তভাৱে জার্মানীয় লোকে বাস কৰিছিল বুলি Tacitus-এ বিৱৰণত লিখি থৈ গৈছে। এওঁলোক আন ঠাইৰ পৰা আহি যে প্রৱেশ কৰিছিল সেই কথা জানিব পাৰি।

দুর্গম ভৌগোলিক অৱস্থানৰ বাবে লিঠুয়ানীয়াত ইণ্ডো-ইউৰোপীয় ভাষাৰ প্রাচীনত্ব ৰক্ষা হৈছে। প্রাচীনত্ব ৰক্ষা হোৱাৰ বাবেই লিঠুয়ানীয়াকেই বহুতে ভাষাতাত্ত্বিকে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান বুলি ক'ব বিচাৰে।

ইউফ্ৰেটিছ আৰু টাইগ্ৰিছ নদীৰ অৱবাহিকা অঞ্চলক ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান বুলি ক'ব বিচাৰে। হিট্ৰীয় ভাষাৰ আৱিষ্কাৰে আৰু এই ভাষাৰ শিলালিপিত বৈদিক দেৱতা/(ইন্দ্ৰ, বৰুণ, মিত্ৰ, নাসত্য)ৰ নাম থকালৈ চাই বহুতে এই মত আগবঢ়াইছিল।

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল সম্বন্ধে বিভিন্ন ভাষাতাত্ত্বিক পণ্ডিতে নিজস্ব অভিমত আগবঢ়াইছিল। ভাষাতাত্ত্বিক আৰু প্ৰত্নতাত্ত্বিক দৃষ্টিকোণেৰে এই ভাষা পৰিয়ালৰ আদিম বাসস্থান সম্বন্ধে নিশ্চিত সিদ্ধান্তত উপনীত হ'ব নোৱাৰি। আনুমানিকভাৱে এই ভাষাগোষ্ঠীৰ লোকসকলে প্ৰাগ-ঐতিহাসিক কালতে, খ্ৰীষ্টপূৰ্ব তিনি হাজাৰ মান বছৰৰ আগতে ইউৰোপৰ মধ্য বা পূবৰ সমভূমি অঞ্চলৰ কোনো ঠাইত বা দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় অঞ্চলত বসতি স্থাপন কৰিছিল। জনসংখ্যা বৃদ্ধিৰ লগে লগে এওঁলোক বিভিন্ন ঠাইলৈ প্ৰব্ৰজিত হ'ল আৰু বিভিন্ন ঠাইত সমাজ পাতি বাস কৰিবলৈ ল'লে। পৃথিৱীৰ বুকুত জয়ধ্বজা উত্তোলন কৰিবলৈ সক্ষম হোৱা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ লোকসকল পৰৱৰ্তী সময়তহে আহি উন্নত সভ্যতা সংস্কৃতিসম্পন্ন অঞ্চল মেছোপটেমিয়া, ভূমধ্য সাগৰীয় উপকূলীয় অঞ্চল, সিন্ধু নদীৰ উপত্যকা অঞ্চলত বসতি স্থাপন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনি সংস্থানৰ বিষয়ে লিখক। (২৫০টা শব্দৰ ভিতৰত)

.....

১১.৩.৩ বৈশিষ্ট্যসমূহ

আদিম ইণ্ডো-ইউৰোপীয় ভাষাৰ অস্তিত্ব বিচাৰি পোৱা নাযায়। এই ভাষা পৰিয়ালৰ পৰা সৃষ্ট প্ৰাচীন ভাষাসমূহৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি মূল ইণ্ডো-ইউৰোপীয় ভাষাৰ ভাষাতাত্ত্বিক গঠন সম্বন্ধে এটা ধাৰণা স্থিৰ কৰি লোৱা হৈছে। এই ভাষা পৰিয়ালৰ আনুমানিক পুনৰ্গঠিত ৰূপৰ জৰিয়তে ভাষাটোৰ কিছুমান সাধাৰণ বৈশিষ্ট্য নিৰূপণ কৰা হৈছে। বিভিন্ন পাৰিপাৰ্শ্বিক কাৰণৰ বাবে এই ভাষা পৰিয়াল বিভিন্ন শাখা-প্ৰশাখাত বিভক্ত হৈছিল আৰু প্ৰত্যেকটো ভাষাৰে স্বকীয় বৈশিষ্ট্যও গঢ় লৈ উঠিছিল। স্বকীয় বৈশিষ্ট্যপূৰ্ণ এই ভাষাবোৰত মূল ইণ্ডো-ইউৰোপীয়ৰ ভালেখিনি বৈশিষ্ট্য ৰক্ষিত হোৱালৈ চাই ইণ্ডো-ইউৰোপীয়ৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য স্থিৰ কৰা হৈছে। তলত সেই বিষয়ে উল্লেখ কৰা হ'ল ঃ

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

১) ইণ্ডো-ইউৰোপীয় ভাষাত প্ৰাপ্ত স্বৰধ্বনিসমূহ বৈচিত্ৰ্যপূৰ্ণ। মৌলিক স্বৰৰ সংখ্যা দহটা আৰু এই মৌলিক স্বৰৰ অন্তৰ্গত এটা অতি হ্ৰস্ব স্বৰ (১) আছিল যাক নিৰপেক্ষ স্বৰ বুলিও জনা যায়। নিৰপেক্ষ স্বৰ কোনো ভাষাত ৰক্ষিত হোৱা নাছিল। ই-কাৰ বা অ-কাৰত পৰিণত হৈছিল।

এই ভাষা পৰিয়ালত যৌগিক স্বৰৰ সংখ্যা আছিল বাৰটা আৰু অৰ্ধ ব্যঞ্জন আছিল আঠটা। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল মুঠ একত্ৰিশটো স্বৰধ্বনি আছিল। সেইসমূহ ক্ৰমে—

মৌলিক স্বৰ ঃ

হ্ৰস্ব স্বৰ - অ, ই, উ, এ, ও

দীৰ্ঘ স্বৰ - আ, ঈ, ঊ, এ, ও

অতি হ্ৰস্ব স্বৰ - অ'

যৌগিক স্বৰ ঃ

হ্ৰস্ব ঃ অই, এই, ওই, অউ, এউ, ওউ

দীঘ ঃ আই, এই, ওই, অউ, এউ, ওউ

অৰ্ধ ব্যঞ্জন ঃ

হ্ৰস্ব আৰু দীৰ্ঘ ঃ ঋ (r, r̄)

ঃ ঌ (ļ, l̄)

ঃ ন্ (ṇ, n̄)

ঃ ম্ (ṃ, m̄)

ইণ্ডো-ইউৰোপীয় ভাষাত থকা অৰ্ধ ব্যঞ্জন হ্ৰস্ব-দীৰ্ঘ ন্ আৰু ম্ কোনো শাখাৰ ভাষাতে ৰক্ষিত হোৱা নাই।

২) ইণ্ডো-ইউৰোপীয় ভাষাত ব্যঞ্জনধ্বনি স্বৰধ্বনিৰ তুলনাত কম বৈচিত্ৰ্যপূৰ্ণ। এই ভাষাত কণ্ঠ্য ধ্বনিৰ তিনিটা ৰূপ আছিল— কণ্ঠ্য বা পশ্চ কণ্ঠ্য (Velar), সন্মুক কণ্ঠ্য বা অগ্ৰ কণ্ঠ্য (Palatal) গ) কণ্ঠৌষ্ঠ্য (Labio-Velar)। কণ্ঠ্য ধ্বনিৰ উপৰিও দন্ত্য ধ্বনি, ঔষ্ঠ্য ধ্বনি, তৰল ব্যঞ্জন (কম্পিত ধ্বনি, পাৰ্শ্বিক ধ্বনি) উষ্ম ধ্বনি আৰু অৰ্ধস্বৰৰ প্ৰয়োগ ইণ্ডো-ইউৰোপীয় ভাষাৰ বৈশিষ্ট্য। দন্ত্য আৰু উষ্ম ধ্বনিয়ে প্ৰাধান্য লাভ কৰিছিল আৰু সকলো ভাষাতে ৰক্ষিত হৈছিল। মূল ইণ্ডো-ইউৰোপীয় ভাষাৰ ব্যঞ্জন ধ্বনিসমূহ তলত উল্লেখ কৰা হ'ল—

ক) কণ্ঠ বা পশ্চ কণ্ঠ্য ঃ ক̯ খ̯ গ̯ ঘ̯

সন্মুখ কণ্ঠ্য বা অগ্ৰকণ্ঠ্য ঃ ক্, খ্, গ, ঘ

কণ্ঠৌষ্ঠ্য ঃ ক্ব খ্ব গ্ব, ঘ্ব

খ) দন্ত্য ঃ ত্ থ্ দ্ ধ্ ন্

গ) ওষ্ঠ্য ঃ প্, ফ্ ব্ ভ্ ম্

ঘ) তৰল ব্যঞ্জন ঃ ১) কম্পিত ঃ ৰ্

২) পার্শ্বিক ঃ ল্

ঙ) উষ্ম ব্যঞ্জন ঃ স জ থ ধ

চ) অর্ধ স্বৰ ঃ য়, ৱ

৩) ইণ্ডো-ইউৰোপীয় ভাষা মূলতঃ সুৰ প্ৰধান ভাষা। প্ৰাচীন গ্ৰীক আৰু বৈদিক ভাষাত সুৰৰ ভূমিকা অনন্য। নির্দিষ্ট অক্ষৰত বক্ষিত সুৰৰ স্থান পৰিৱর্তন হ'লে অর্থৰো পৰিৱর্তন ঘটিছিল। পৰৱর্তী সময়ত সুৰাঘাতৰ স্থান শ্বাসাঘাতে (Stress-accent) ল'লে।

৪) ইণ্ডো-ইউৰোপীয় ভাষাৰ আন এটা ভাষাতাত্ত্বিক বৈশিষ্ট্য হ'ল— অপশ্রুতি। স্বৰধ্বনিৰ গুণগত পৰিৱর্তন বা অপশ্রুতিৰ ফলত স্বৰধ্বনি পৰিৱর্তনত ক্ৰমে সাধাৰণ বা গুণিত (Strong or normal), বর্ধিত (Lengthened) আৰু ক্ষয়িত (Weak) এই তিনিটা ক্ৰম পৰিলক্ষিত হৈছিল। প্ৰত্যয় বিভক্তিৰ দ্বাৰা সাধিত ধাতু, শব্দৰ বা প্ৰত্যয় বিভক্তিত নির্দিষ্ট ক্ৰম অনুসৰি পৰিৱর্তন হৈছিল। পৰিৱর্তনৰ আদি স্তৰত ধ্বনিবোৰ অবিকৃত আছিল, দ্বিতীয় স্তৰত দীর্ঘ হৈছিল আৰু শেষ স্তৰত লুপ্ত হৈছিল। সংস্কৃত বৈয়াকৰণিকসকলে প্ৰথম দুই ক্ৰম গুণ আৰু বৃদ্ধি আৰু তৃতীয় ক্ৰমক সম্প্ৰসাৰণ বুলি অভিহিত কৰিছিল। উদাহৰণ স্বৰূপে—

গুণিত ক্ৰম	**বর্ধিত ক্ৰম**	**ক্ষয়িত ক্ৰম**
পেদ (ped)	পেদ (pēd)	পদ > ৰূ

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

১) সমাসবদ্ধ পদৰ ব্যৱহাৰ ইণ্ডো-ইউৰোপীয় ভাষাৰ প্ৰধান বিশেষত্ব। দুই বা ততোধিক পদ একেলগ কৰি সমাসবদ্ধ পদ গঠন কৰা হয়। প্ৰাচীন ভাষা গ্ৰীক, লেটিন, সংস্কৃত, আৱেস্তীয় আদি ভাষাত সমাসবদ্ধ পদৰ বহুল প্ৰয়োগ ঘটিছিল। ইণ্ডো-ইউৰোপীয় ভাষাৰ অন্তর্গত আধুনিক ভাষাতো সমাসবদ্ধ শব্দৰ ব্যৱহাৰ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে— ইংৰাজী ভাষাত Rail Road, Armchair অসমীয়া ভাষাত ৰেলপথ, আৰামী চকী আদি।

২) ইণ্ডো-ইউৰোপীয় ভাষাত ধাতুৰ পৰা পদৰ সৃষ্টি হৈছিল। ধাতুবোৰ সাধাৰণতে একাক্ষৰী আছিল আৰু মূল ধাতুৰ লগত প্ৰত্যয় বিভক্তি যোগ কৰি নানা শব্দ গঠন কৰা হৈছিল।

৩) ইণ্ডো-ইউৰোপীয় ভাষা প্ৰত্যয়ান্বয়ী আৰু বহির্মুখী শ্লিষ্ট। ৰূপ গঠনৰ প্ৰক্ৰিয়া আৰু বাক্য গঠনৰ লক্ষণৰ পৰা ইণ্ডো-ইউৰোপীয় ভাষাত এই বৈশিষ্ট্য বিৰাজমান। মূল শব্দ

বা ধাতুৰ পিছত প্ৰত্যয় যোগ কৰি বিচিত্ৰ পদ গঠন কৰা হয় আৰু পদৰ সম্পৰ্ক নিৰ্ণয় কৰা হৈছিল। উদাহৰণ স্বৰূপে- সংস্কৃত ধাতু পদ, ইংৰাজী। act ধাতুৰ পৰা action, active, actor, acting, actual আদি পদ নিষ্পন্ন কৰিব পৰা।

৪) ইণ্ডো-ইউৰোপীয় ভাষাত তিনিটা পুৰুষ আৰু আঠটা কাৰক পোৱা গৈছিল।

৫) ইণ্ডো-ইউৰোপীয় ভাষাত তিনিটা বচন ক্ৰমে, একবচন, দ্বিবচন আৰু বহু বচনৰ প্ৰয়োগ আছিল। অৱশ্যে দ্বিবচন সীমিত ৰূপত ব্যৱহৃত হৈছিল।

৬) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ প্ৰাচীন স্তৰত তিনিটা লিংগ পোৱা গৈছিল। পুংলিংগ আৰু স্ত্ৰীলিংগৰ কোনো পাৰ্থক্য নাছিল।

৭) মূল ইণ্ডো-ইউৰোপীয় ভাষাত ক্ৰিয়াৰ কালে সময় নিৰ্দেশ কৰাৰ পৰিৱৰ্তে ক্ৰিয়াৰ প্ৰকৃতি আৰু ধৰণক নিৰ্দেশ কৰিছিল। অৱশ্যে এই পৰিয়ালৰ আধুনিক ভাষাত ক্ৰিয়াৰ কালে সময় নিৰূপণ কৰে।

৮) মূল ইণ্ডো-ইউৰোপীয় ভাষা সংশ্লেষণাত্মক আছিল যদিও আধুনিক ভাষাসমূহে বিশ্লেষণাত্মক স্তৰলৈ গতি কৰিছে। ইণ্ডো-ইউৰোপীয় ভাষাত শব্দ বা ধাতুৰ ৰূপসাধন কৰি বচন-লিংগ-কাৰক-কাল আদি সমতা ৰক্ষা কৰি বাক্যৰ অৰ্থ নিৰূপণ কৰা হৈছিল। উদাহৰণ স্বৰূপে, গ্ৰীক, লেটিন, সংস্কৃত আদি ভাষাৰ কথা উনুকিয়াব পাৰি।

শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল এটা সমৃদ্ধিশালী ভাষা পৰিয়াল। এই ভাষাত প্ৰাপ্ত শব্দই সেই কথা প্ৰমাণিত কৰে। প্ৰাচীন ভাষাত প্ৰাপ্ত শব্দৰ জৰিয়তে মূল ভাষাৰ শব্দৰূপ নিৰ্ণিত কৰাৰ প্ৰয়াস কৰা হৈছে। সমন্ধবাচক শব্দ, সংখ্যাবাচক শব্দ, দৈনন্দিন জীৱনত ব্যৱহৃত শব্দ সম্ভাৱেৰে এই ভাষা পৰিয়াল চহকী আছিল। তলত ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ শব্দ ভাণ্ডাৰৰ নিদৰ্শন দাঙি ধৰা হ'ল ঃ

সম্বন্ধবাচক শব্দ ঃ

গ্ৰীক	লেটিন	সংস্কৃত	ইণ্ডো-ইউৰোপীয়
পতেৰ্	পতেৰ্	পিতা	< প'তেৰ্
মাতেৰ্	মাতেৰ্	মাতা	< মাতেৰ্
তু	তু	ত্বম	< তু

সংখ্যাবাচক শব্দ ঃ

গ্ৰীক	লেটিন	সংস্কৃত	ইণ্ডো-ইউৰোপীয়
দুও	দুও	দ্বৌ	< দ্বোউ
হেপ্ত	সেপ্তেম	সপ্ত	< সেপ্তম
দেক	দেকেম্	দশ	< দেকম

অন্যান্য শব্দ ঃ

এস্তি (গ্রীক ঃ এস্তি, সংস্কৃত-অস্তি)
পেকু (গ্রীক ঃ পেকু, সংস্কৃত-পশু)
দ্যেউস (গ্রীক ঃ জেউস, সংস্কৃত-দ্যৌ)
অপো (গ্রীক অপো, সংস্কৃত-অপ)

ইণ্ডো-ইউৰোপীয় ভাষাত এনেবোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যই পৰিস্ফুট হৈ উঠিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান হিচাপে ইউৰোপৰ সপক্ষে থকা মত বিচাৰ কৰক। (২৫০টা শব্দৰ ভিতৰত)

.....

১১.৪ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন শাখা-প্রশাখা

বিশ্বৰ বুকুত অগ্রগামীৰ ভূমিকাৰে বিশাল আকাশৰ পৰা সমুদ্রৰ গভীৰতালৈকে বিচৰণ কৰি নিজকে প্রতিষ্ঠা কৰা ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল সাহিত্য-সম্পদেৰে অতি চহকী। পৃথিৰীজুৰি পৰিব্যাপ্ত হৈ থকা এই ভাষা পৰিয়াল দুটা শাখাত বিভক্ত। ভাষাতাত্ত্বিক এছকোলিয়ে (Ascoli) ১৮৭০ চনত এই বিভাজন দাঙি ধৰিছিল। মূল ভাষাৰ অগ্র কণ্ঠ্য ব্যঞ্জন ধ্বনিৰ বিভিন্ন শাখাত হোৱা পৰিৱর্তনক এছকোলিয়ে সূত্রসহ ব্যাখ্যা কৰিছিল। এই সূত্রক এছকোলিৰ সূত্র (Ascoli's law) নামেৰে জনা যায়। তেওঁৰ মতে, অগ্র কণ্ঠ্য ব্যঞ্জন ধ্বনি দুই প্রকাৰে পৰিৱর্তন হৈছিল। ধ্বনি পৰিৱর্তনৰ ওপৰত ভিত্তি কৰি হোৱা এই বিভাজন কেন্তুম (Centum) আৰু সতম (Satam) নামেৰে জনা যায়। ইণ্ডো-ইউৰোপীয় ভাষাৰ সতম শাখাৰ ভাষাবোৰে পশ্চিম অঞ্চলত বিকাশ লাভ কৰিছিল।


মূল ইণ্ডো-ইউৰোপীয়ৰ অগ্র-কণ্ঠ্য ক বর্গীয় ব্যঞ্জন ধ্বনি কিছুমান শাখাত কণ্ঠ্য বা পশ্চ-কণ্ঠ্য ধ্বনিৰ লগত মিলিত হৈ পৰিছিল আৰু কিছুমান শাখাত উষ্ম ধ্বনিলৈ (শ্, স্, য্) পৰিৱর্তন হৈছিল, তাক ক্রমে কেন্তুম আৰু সতম শাখাত বিভক্ত কৰা হৈছিল। এছকোলিয়ে এই প্রবৃত্তিৰ প্রতিনিধি ভাষা হিচাপে লেটিন আৰু আৱেস্তীয় (ইৰাণীয়) ভাষাত এশ (১০০) বুজোৱা শব্দক লৈ তেওঁৰ মত প্রমাণিত কৰে। মূল ইণ্ডো-ইউৰোপীয় *k̂m.tom (কম্, তোম)-(এশ) শব্দক লেটিন ভাষাত (Centum) কেন্তুম' আৰু আৱেস্তীয় (ইৰাণীয় ভাষাত) 'সতম' (Satām) নামেৰে বুজোৱা হৈছিল। এই দুই 'শত' বুজোৱা শব্দৰ ওপৰত ভিত্তি কৰিয়েই ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক 'কেন্তুম' আৰু 'সতম' নামেৰে নামকৰণ কৰা হয়। তলত সতম আৰু কেন্তুম শাখাৰ বিভিন্ন ভাষাত এই শব্দই কিদৰে ৰূপান্তৰ লাভ কৰিছিল তাক উল্লেখ কৰা হ'ল—

মূল ইণ্ডো-ইউৰোপীয়

k̂m.tom

সতম্		কেন্তুম্
আৱেস্তীয়	(সতম্ Satām)	লেটিন (কেন্তুম- Centum)
সংস্কৃত	(শতম্ S′atām)	গ্রীক ((হে)- কাতোন-he kato′n)
লিঠুৱানীয়	(শিম্তাস্ Ŝzimtas)	প্রাচীন আইৰিশ (কেত- Cēt)
প্রাচীন বুলগাৰীয়	(সুতো Sūto)	গোঠীয় (খুন্দ> হুণ্ড- hund)
ৰুছীয় (স্তো Sto)		ইংৰাজী (হাণ্ড্রেড- hundred)
		তোখাৰীয় (কন্ত-Kant)


ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক কেন্তুম আৰু সতম দুটা শাখাত বিভক্ত কৰা হৈছে, কেন্তুম আৰু সতমৰ অন্তর্গত ভাষাসমূহক আকৌ কিছুমান উপশাখাৰ বিভক্ত কৰা হৈছে। তলত এই বিভাজনক ৰেখাচিত্রৰ সহায়ত দেখুওৱা হ'ল—




তলত এই শাখাসমূহৰ চমু পৰিচয় দাঙি ধৰা হ'ল ঃ

কেলটীয় ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ কেন্তুম শাখাৰ অন্তর্গত কেলটীয় শাখাৰ ভাষাসমূহ মধ্য আৰু পশ্চিম ইউৰোপ আৰু এছিয়া মাইনৰলৈকে পৰিব্যাপ্ত হৈ আছিল। শক্তিশালী আৰু সংখ্যাৰ ফালৰ পৰা সর্বাধিক ৰূপে পৰিচিত কেলটীয় শাখাত প্রাচীন সাহিত্যিক নিদর্শনৰ অভাৱ। খ্রীঃপূর্ব পঞ্চম শতিকাৰ পৰা প্রথম শতিকালৈ উল্লেখ থকা কেলটীয় শাখাৰ ভাষা জুলিয়াছ ছিজাৰৰ সময়ত বৃটিছ দ্বীপপুঞ্জ, ফ্রান্স, ইটালী, দক্ষিণ জার্মানী, স্পেইন পর্যন্ত বিস্তৃত হৈ আছিল। পৰৱর্তী সময়ত কেলটীয় শাখাৰ পৰিসীমা সংকুচিত হৈ পৰিল; বর্তমান ইউৰোপৰ পশ্চিম অংশতহে প্রচলিত হৈ আছে।

কেলটীয় শাখাৰ অন্তর্গত ভাষাসমূহক তলত দিয়া ধৰণে বিভক্ত কৰিব পাৰি—





গৌলিশ শাখাৰ ভাষা ফ্রান্স, উত্তৰ ইটালী, মধ্য ইউৰোপ, এছিয়া মাইনৰলৈকে প্রচলন আছিল। পঞ্চম শতাব্দীলৈকে অস্তিত্ব থকা গৌলিশ ভাষাৰ নিদর্শন অনুশাসন আৰু প্রাচীন পুথিৰ মাজতহে বিচাৰি পোৱা যায়।

বৃটেনীয় উপশাখাৰ ভাষা বৃটিছ দ্বীপপুঞ্জত প্রচলিত। পঞ্চম-সপ্তম শতিকাত দক্ষিণ পশ্চিম ব্রিটেইনৰ ঔপনিবেশিকসকলে এই ভাষাক প্রতিষ্ঠিত কৰে; একাদশ শতিকাৰ পৰা ইয়াৰ সাহিত্যিক নিদর্শন পোৱা যায়। এই শাখাৰ ভাষা কোর্নিশ কোর্নৱালত প্রচলিত আছিল। পঞ্চদশ শতিকাত সাহিত্যিক নিদর্শনৰ প্রমাণ পোৱা এই ভাষা বর্তমান বিলুপ্ত। ইংৰাজী ভাষাৰ প্রসাৰে কোর্নিশ ভাষাক বিলুপ্ত কৰে। এই ভাষা কওঁতা শেষগৰাকী বক্তা (বৃদ্ধা)ৰ ১৭৭৭ চনত মৃত্যু হয়।

অষ্টম শতিকাত প্রাচীন নিদর্শন পোৱা আৰু একাদশ শতাব্দীৰ পৰা সাহিত্যিক নিদর্শন পোৱা ৱেলশ ভাষা ৱেলচ দ্বীপত এক নিযুত মান লোকৰ মাজত প্রচলিত।

ব্রেটোন ভাষা ফ্রান্সৰ উত্তৰ পশ্চিম অংশৰ অতি কম লোকৰ মাজত প্রচলিত ভাষা। এংলো চেক্সনৰ আক্রমণত বৃটেইনৰ পৰা ফ্রান্সলৈ প্রব্রজিত এই ভাষাৰ সাহিত্যিক নিদর্শন চতুর্দশ শতিকাত পোৱা যায়।


গেলীয় উপশাখাৰ ভাষা স্কটিশ আৰু মান্স্ক ক্রমে স্কটলেণ্ডৰ পার্বত্য অঞ্চল আৰু মানদ্বীপত প্রচলিত আৰু আইৰিশ ভাষাৰ আয়াৰলেণ্ডত প্রচলিত। সাহিত্য-সম্পদত চহকী আইৰিশ ভাষাৰ নিদর্শন চতুর্থ শতিকাৰ পৰা অষ্টম শতিকাৰ অনুশাসনৰ মাজত বিচাৰি পোৱা যায়। আয়াৰলেণ্ডৰ ৰাষ্ট্রীয় ভাষা হিচাপে আইৰিশ ভাষা পৰিচিত।

ইটালীয় ঃ

কেন্তুম শাখাৰ অন্তর্গত আন এটা উল্লেখযোগ্য উপশাখা হৈছে— ইটালীয়। ইণ্ডো-ইউৰোপীয়ৰ আদিম বাসস্থানৰ পৰা পশ্চিমমুৱা হৈ আল্পছ পর্বতমালা অতিক্রম কৰি আহি ইটালীয় মালভূমিত বসতি স্থাপন কৰে। ইয়াৰে কিছু সংখ্যক লোকে পশ্চিম মধ্য ইটালীৰ টাইবাৰ নদীৰ মোহনাস্থিত লাটিউমত বসতি স্থাপন কৰিছিল। এই অঞ্চলৰ ভাষাই কালক্রমত লেটিন বা লাটিন নামেৰে পৰিচয় লাভ কৰে। ওছকান ভাষা আৰু উমব্রিয়ান ভাষা ক্রমে দক্ষিণ পূব ইটালীত আৰু উত্তৰ-পূব ইটালীত বাস কৰা লোকৰ ভাষা।

ইটালীয় শাখাৰ ভাষাৰ ভিতৰত লেটিন ভাষা সবাতোকৈ উল্লেখযোগ্য ভাষা। এই ভাষা সম্বন্ধে লিখিত নিদর্শনৰ অভাৱ। খ্রীঃপূর্ব পঞ্চম শতাব্দীত এই ভাষা প্রতিষ্ঠিত হৈছিল আৰু খ্রীষ্টিয় তৃতীয় শতিকালৈকে বিশেষ মর্যদাপন্ন ভাষা হিচাপে বর্তি আছিল। এই ভাষা ইউৰোপৰ পৰা আফ্রিকা মহাদেশৰ মৰাক্কা, লিবিয়া, আলজেৰিয়া পর্যন্ত পৰিব্যাপ্ত হৈ আছিল।

ইটালীয় শাখাৰ ভাষাক তলত দিয়া ধৰণে শ্রেণীভুক্ত কৰিব পাৰি—



সংখ্যাগত দিশৰ লেটিন ভাষীৰ সংখ্যা আদিতে যথেষ্ট নাছিল যদিও তেওঁলোক উন্নত সংস্কৃতিসম্পন্ন আৰু যুঁজাৰু জাতি আছিল। এওঁলোকে এত্রুস্কান, গল আৰু ওছকানসকলক পৰাস্ত কৰি ৰোমত নিজৰ শক্তি প্রতিষ্ঠা কৰে আৰু সমগ্র ইটালীতে আধিপত্য বিস্তাৰ কৰে। ৰোমান সাম্রাজ্যৰ বিস্তাৰৰ লগে লগে লেটিন ভাষাৰো প্রসাৰ ঘটিল আৰু ইয়াৰ পৰিসীমা বৃটিছ দ্বীপপুঞ্জৰ পৰা উত্তৰ আফ্রিকা পর্যন্ত ব্যাপ্ত হ'ল। লেটিন ভাষাই সমগ্র ইউৰোপৰ সংস্কৃতিক প্রতিনিধিত্ব কৰিছিল। ৰোমান সাম্রাজ্যৰ বিপর্য্যয়ৰ লগে লগে লেটিন ভাষাৰ প্রসাৰো কমি আহিল। বিভিন্ন ৰাজনৈতিক আৰু অভ্যন্তৰীণ কাৰকৰ বাবে ভাষাতাত্ত্বিক বৈশিষ্ট্যৰো পৰিৱর্তন হ'ল আৰু খ্রীষ্টিয় পঞ্চম শতাব্দীত লেটিনৰ কথ্য ৰূপৰ জন্ম হ'ল। এই কথা ৰূপৰ লগত জার্মানীয় শব্দসম্ভাৰ আৰু ব্যাকৰণৰ সংমিশ্রণ ঘটিল আৰু মিশ্র ভাষাৰ সৃষ্টি হ'ল যাক Vulger বা নব্য লেটিন নামেৰে জনা গৈছিল। এই আঞ্চলিক ৰূপবোৰে নিজস্ব বৈশিষ্ট্যসম্পন্ন ভাষা হিচাপে নৱম শতাব্দীত আত্মপ্রকাশ কৰিলে। বিশেষ বিশেষ নামেৰে গঢ়ি উঠা ভাষাবর্গক 'ৰোমান্স ভাষাবর্গ' নামেৰে পৰিচিত হ'ল। ইয়াৰ অন্তর্গত ভাষাৰ ভিতৰত ইটালীয়, স্পেনীয়, পর্তুগীজ ফৰাছী, ৰুমানীয়, কাটালীয় প্রোভেনকেল উল্লেখযোগ্য, এই ভাষাসমূহৰ মাজত লেটিন পৰা উদ্ভৱ হোৱাৰ উমৈহতীয়া লক্ষণ সুস্পষ্ট।


ইটালীয় ভাষা ইটালীত প্রচলিত। স্পেনীয় ভাষা স্পেইনৰ উপৰিও দক্ষিণ আৰু মধ্য আমেৰিকা, মেক্সিকো, কিউবা, ফিলিপাইন, আফ্রিকা মহাদেশতো প্রচলিত। পতুর্গীজ ভাষা পর্তুগাল, মোঝামবিক, দক্ষিণ আমেৰিকাৰ ব্রাজিলত প্রচলিত। ফ্রান্স, বেলজিয়াম, হাইটি, চুইজাৰলেণ্ডত ফৰাছী ভাষাৰ প্রচলন আছে। ৰুমানীয়াত প্রচলিত ৰুমানীয় ভাষাত স্লাবীয় ভাষাৰ প্রভাৱ বিদ্যমান। প্রোভেনকেল ভাষা ফ্রান্সৰ দক্ষিণ অংশত প্রচলিত আৰু ই সাধাৰণ আঞ্চলিক ভাষা হিচাপেহে বর্তমান প্রচলিত। কাটালীয় ভাষা স্পেইনৰ সীমান্তৱর্তী অঞ্চল আৰু ফ্রান্সৰ কিছু অংশত প্রচলিত। ৰেটোৰোমেক ভাষা চুইজাৰলেণ্ডৰ চতুর্থ জাতীয় ভাষা।

ইটালীয় শাখাৰ এই ভাষাবোৰৰ মাজতো প্রাচীন সাহিত্যিক নিদর্শন বিচাৰি পোৱা যায়। বর্তমান সময়ত ওছকান আৰু উমব্রিয়ান ভাষা লুপ্ত ভাষা। ৰোমত লেটিন ভাষীসকল শক্তিশালী হৈ উঠাৰ ফলতেই এই ভাষাৰ অমৃত্যু ঘটে।

জার্মানীয় ঃ

জার্মানীয় শাখা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্যতম উপশাখা। জার্মানীৰ লোকসকল অতি প্ৰাচীন কালৰে পৰা পৰিচিত আছিল যদিও তেওঁলোকৰ ভাষাৰ লিখিত নিদৰ্শন মধ্যযুগ পৰ্যন্ত বিচাৰি পোৱা নগৈছিল। প্ৰত্ন জার্মানীয় শাখা ইণ্ডো-ইউৰোপীয়ৰ পৰা কেনেদৰে বিচ্ছিন্ন হ'ল সেই বিষয়ে উপযুক্ত তথ্যৰ অভাৱ। নৰৰে আৰু ডেনমার্কৰ প্ৰত্নলিপিত ভগ্নাৱশেষত খ্ৰীষ্ট্ৰীয় তৃতীয় শতিকাত ইয়াৰ প্ৰাচীনতম নিদৰ্শন উদ্ধাৰ হৈছিল যদিও খ্ৰীষ্ট্ৰীয় চতুৰ্থ শতিকাত বিশ্বপ উলফিলাছে গোঠীয় ভাষাত অনুবাদ কৰা বাইবেলে জার্মানীয় শাখাৰ প্ৰাচীনতম নিদৰ্শনৰ স্বাক্ষৰ বহন কৰে।

এই ভাষাগোষ্ঠীৰ লোকসকলে আদিতে ইউৰোপৰ উত্তৰ অংশত বসতি স্থাপন কৰিছিল। মূল ইণ্ডো-ইউৰোপীয়ৰ পৰা ফালৰি কাটি আহি পৰৱৰ্তী সময়ত এই গোষ্ঠীৰ লোকসকলে স্কাণ্ডিনেভিয়াৰ দক্ষিণ অঞ্চল আৰু জার্মানীৰ উত্তৰ অঞ্চলত বাস কৰে। পৰৱৰ্তী সময়ত এই গোষ্ঠীৰ লোকৰ সংখ্যা বৃদ্ধি হোৱাত ইউৰোপৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ পৰে। এওঁলোক অতি পৰাক্ৰমী লোক আছিল আৰু কালক্ৰমত স্পেইন, ইটালী, ফ্ৰান্স, উত্তৰ আফ্ৰিকা, বৃটিছ দ্বীপপুঞ্জত আদি অঞ্চলত বসবাস কৰি নিজস্ব ভাষা-সংস্কৃতিৰ বিকাশ কৰিছিল। জার্মানীয় শাখাক তলত দিয়াৰ দৰে দেখুৱাব পাৰি—



পশ্চিম জার্মানীয় উপশাখাৰ পার্বত্য জার্মানৰ পৰা আধুনিক জার্মান ভাষাৰ বিকাশ হৈছে। এই ভাষা জার্মানীৰ উপৰিও চুইজাৰলেণ্ড, পোলেণ্ড, অষ্ট্ৰিয়া, হাংগেৰী আদি দেশত প্ৰচলিত। মার্টিন লুথাৰৰ দ্বাৰা অনূদিত বাইবেলৰ পৰাই এই ভাষাৰ সূচনা হয়।

সমতল জার্মানৰ বিকাশ হৈছিল জার্মানীৰ উত্তৰ অংশৰ সমতল ভূমিত চেক্সনসকলৰ দ্বাৰা। চেক্সন ভাষাৰ 'Heliand' অতি উচ্চস্তৰীয় সাহিত্যৰ নিদৰ্শন।

ফ্ৰেংকসকলৰ দ্বাৰা নেডাৰলেণ্ডত ফ্ৰেংকোনীয় ভাষাৰ বিকাশ হয়। ইয়াৰ পৰা আধুনিক ডাচ বা ওলন্দাজ ভাষা আৰু ফ্লেমিছ ভাষাৰ উদ্ভৱ হৈছে। ডাচ ভাষা হলেণ্ডত আৰু ফ্লেমিছ বেলজিয়ামত প্ৰচলিত।

এংলোফিচীয় শাখা 'এংলো' আৰু ফ্ৰিচীয় ভাষাৰ সংমিশ্ৰণ। ইয়াৰ পৰাই প্ৰাচীন ইংৰাজী আৰু প্ৰাচীন ফ্ৰিচীয় ভাষাৰ সৃষ্টি হৈছে। ইংৰাজী ভাষাৰ প্ৰাচীন ৰূপৰ লগত ফ্ৰিচীয় ভাষাৰ মিল আছে। এংলোসকলে খ্ৰীষ্ট্ৰিয় পঞ্চম শতিকাত বৃটেইনত প্ৰৱেশ কৰি কেল্টসকলক পৰাস্ত কৰে।

এংলো চেক্সন আৰু জুটসকলে সম্মিলিতভাৱে বৃটেইনত বসবাস কৰিছিল আৰু 'ইংলিচ' নামেৰে জনাজাত হৈছিল। বৃটেইনত পূৰ্বৰ কেল্টসকলৰ ভাষাৰ ঠাইত প্ৰাচীন ইংৰাজী ভাষা বা এংলো চেক্সন প্ৰতিষ্ঠিত হয়। সপ্তম শতিকাত প্ৰাচীন নিদৰ্শন প্ৰাপ্ত এই ভাষা পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ বিয়পি পৰে। বৰ্তমান ইংৰাজী ভাষা আন্তৰ্জাতিক ভাষা ৰূপে প্ৰতিষ্ঠিত। আমেৰিকা, নিউজিলেণ্ড, কানাডা, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকাত এই ভাষা সু-প্ৰতিষ্ঠিত হোৱাৰ লগতে জাপান, ভাৰত, চীন আদিতো বৰ্তমান বহুলভাৱে প্ৰচলিত ভাষা।


উত্তৰ জাৰ্মানীয় উপশাখাৰ অন্তৰ্গত ভাষাসমূহ হ'ল— নোৰৱেজীয়, চুইডিছ, ডেনিছ, আইছলেণ্ডীয়। এই ভাষাসমূহ স্কাণ্ডিনেভীয় ভাষাবৰ্গ ৰূপে পৰিচিত।

জাৰ্মানীয় শাখাৰ সৰ্বপ্ৰাচীন নিদৰ্শন সন্নিৱিষ্ট গোঠীয় ভাষা পূব জাৰ্মানীয় উপশাখাৰ অন্তৰ্গত। এই শাখাৰ ভাষা ভাণ্ডাল আৰু বুৰগুণ্ডীয় বৰ্তমান লুপ্ত। বৰ্তমান এই ভাষাৰ অস্তিত্ব বিচাৰি পোৱা নাযায়।

গ্ৰীক ঃ

গ্ৰীক শাখাৰ ভাষাবোৰ প্ৰাচীন গ্ৰীছ আৰু তাৰ চুবুৰীয়া দ্বীপ, এছিয়া মাইনৰ, ইজিপ্তৰ অংশ বিশেষ, স্পেইনৰ পৰা কৃষ্ণসাগৰৰ উপকূললৈকে বিস্তৃত হৈ আছিল। গ্ৰীক ভাষা অতি প্ৰাচীন ভাষা। খ্ৰীঃপূৰ্ব ৩য়-৪র্থ শতিকাতে এই ভাষাই সমগ্ৰ ইউৰোপতে প্ৰথম স্থানত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। লেটিন, জাৰ্মানীয় বা স্লাৱীয় ভাষাত লিখনৰীতিৰ প্ৰচলন নৌহওঁতেই গ্ৰীক ভাষাই স্বয়ং সম্পূৰ্ণ ভাষা হিচাপে নিজস্ব লিপিৰে আৰু বিভিন্ন বিজ্ঞান-সাহিত্য সম্ভাৰেৰে পৰিপুষ্ট হৈ উঠিছিল। গ্ৰীক বৰ্ণমালাৰ আদৰ্শতে পৰৱৰ্তী সময়ত ৰোমান আৰু অন্যান্য ইউৰোপীয় ভাষাত বৰ্ণমালাই গঢ় লৈ উঠিছিল।

বৰ্তমান গ্ৰীক শাখাৰ ভাষাসমূহ গ্ৰীছ, ছাইপ্ৰাছ, ক্ৰীট, তুৰস্ক, আলবেনীয়া এজীয় দ্বীপপুঞ্জ যুগোশ্লাভিয়াৰ দক্ষিণ অংশ আৰু বুলগেৰিয়াৰ দক্ষিণ-পশ্চিম অংশত প্ৰচলিত। গ্ৰীক শাখাৰ ভাষাৰ বিস্তৃতি তলত দিয়া ধৰণৰ—



গ্রীক শাখাৰ ভাষাৰ ভিতৰত আট্টীয় ভাষা বিশেষভাৱে উল্লেখযোগ্য। আট্টীয়ৰ পৰা আধুনিক গ্রীক ভাষাৰ সৃষ্টি হয়। ভৌগোলিকভাৱে গ্রীছদেশ পর্বতেৰে বিভাজিত হোৱাত আৰু ৰাজনৈতিকভাৱে বিভক্ত হোৱাত প্রাচীন গ্রীকৰ উপভাষাবোৰ স্বকীয় বৈশিষ্ট্যসম্পন্ন ভাষা।

প্রাচীন গ্রীক ভাষা স্তৰক হোমাৰীয় গ্রীক বুলিও জনা যায়। হোমাৰৰ বিশ্ববিখ্যাত মহাকাব্য ইলিয়াড আৰু ওডিছীয়ে গ্রীক ভাষাৰ প্রাচীনতম নিৰ্দশন; যি খ্রীঃপূর্ব নৱম-দশম শতিকাত ৰচিত। এই দুই মহাকাব্য ইওনীয় ভাষাত ৰচিত হৈছিল।

আট্টীয় ভাষা গ্রীক শাখাৰ প্রধান ভাষা; ই খ্রীষ্টপূর্ব পঞ্চম শতিকাৰ পৰা ক্রমবিকশিত হয়। এই ভাষাই মান্য ৰূপ লাভ কৰিছে। শিক্ষিত লোক আৰু ৰাজনৈতিক পৃষ্ঠপোষকতাই এই ভাষাক মান্যৰূপ দিছে। আট্টীয় ভাষাৰ মান্য ৰূপক কেন্দ্র কৰি 'কোইনে' ভাষাই গঢ় লৈছিল যাৰ পৰা আধুনিক গ্রীক ভাষাৰ জন্ম হয়।

গ্রীছ দেশত ৰাষ্ট্রীয় ভাষা ৰূপে স্বীকৃতি প্রাপ্ত গ্রীক ভাষাক ৰোমায়িক (Romaic) নামেৰে জনা যায়। ৰোমায়িক ভাষাৰ সাহিত্যিক ৰূপক 'katharevusa' আৰু দৈনন্দিন জীৱনত ব্যৱহৃত ৰূপক 'Demotike' বুলি কোৱা হয়।

গ্রীক শাখাৰ আন এটা ভাষা ডোৰীয় এজিয়ান ক্রীট আদি অঞ্চলত প্রচলিত আছিল। এই ভাষাৰ বিভিন্ন আঞ্চলিক ৰূপ আছিল লাকোনীয়, কৰিন্থীয়, ক্রেটান ৰোডীয়, মেছানীয় আদি। লাকোনীয়ৰ পৰা আধুনিক যাকোনীয় ভাষাৰ সৃষ্টি হৈছিল।

বিশ্বৰ ইতিহাসত প্রাচীন গ্রীক ভাষাৰ মর্যাদা একক আৰু অতুলনীয়। আধুনিক গ্রীকৰ প্রসাৰ আৰু পৰিব্যাপ্তি যথেষ্ট নহ'লেও অতীত গৌৰৱ ইয়াৰ মাজত অক্ষুণ্ণ আছে। গ্রীক ভাষাৰ সাহিত্য আৰু আদর্শই সমগ্র ইউৰোপীয় সাহিত্যকে প্রভাৱিত কৰিছিল। হোমাৰ এছকাইলাছ, ছফোক্লিছ, ইউৰোপিদাছ, ছক্রেটিছ, এৰিষ্টটল, প্লেটো, গ্রীক ভাষাৰে সাধক আছিল। তেওঁলোকৰ কর্মৰাজি সমগ্র বিশ্ববন্দিত। এথেন্সৰ গৌৰৱময় কালৰ অৱসনে গ্রীক ভাষাকো স্তিমিত কৰিছিল যদিও বর্তমান পুনৰুত্থানৰ পথত আগবাঢ়িছে।

টোখাৰীয় ঃ

কুৰি শতিকাৰ আৰম্ভণিতে টোখাৰীয় ভাষাৰ আৱিষ্কাৰ হৈছিল। মধ্য-এছিয়াৰ অন্তর্গত চীনীয় তুর্কীস্তানত পশ্চিমীয়া ভাষাতাত্ত্বিকসকলৰ যত্নত উদ্ধাৰ হোৱা প্রত্নলিপি আৰু বহুসংখ্যক পুথিৰ মাজৰ পৰা এই বিষয়ে জানিব পৰা গৈছে। বৌদ্ধ শাস্ত্র আৰু চিকিৎসা শাস্ত্র সম্পর্কীয় এই পুথিবোৰ ভাৰতীয় ব্রাহ্মী আৰু খৰোষ্ঠী লিপিত লিখিত হৈছিল। আনুমানিকভাৱে টোখাৰীয় ভাষা টোখাৰ জাতিৰ ভাষা আছিল, যাৰ বাবে এই ভাষাক টোখাৰীয় নামেৰে নামকৰণ কৰা হৈছিল।

খ্রীঃপূর্ব দ্বিতীয় শতিকাত টোখাৰসকলে ৰাজ্য স্থাপন কৰিছিল আৰু খ্রীষ্ট্রিয় সপ্তম শতিকালৈকে টোখাৰ সাম্রাজ্য মধ্য এছিয়াত পৰিব্যাপ্ত হৈ আছিল। হুনসকলৰ আক্রমণৰ ফলত টোখাৰ সাম্রাজ্য ধ্বংসপ্রাপ্ত হৈছিল। খ্রীষ্টিয় সপ্তম শতিকাত এই ভাষা লুপ্তপ্রায় হৈছিল। টোখাৰীয় ভাষাৰ উপভাষা দুটা ক্রমে— পূব টোখাৰীয় বা আগ্নেয় আৰু পশ্চিম টোখাৰীয় বা কুছেয়।

টোখাৰীয় ভাষা সম্বন্ধে পর্যাপ্ত তথ্যৰ অভাৱ যাৰ বাবে এই ভাষা কোন অঞ্চলৰ ভাষা আছিল আৰু কেনেদৰে লুপ্ত হ'ল, সেই কথা গম পোৱা নাযায়। পশ্চিম টোখাৰীয় ভাষা কুছা অঞ্চলত প্রচলিত আছিল বাবেই কুছীয় ভাষা বুলি পৰিচিত আছিল।

টোখাৰীয় ভাষাৰ অস্তিত্ব এছিয়াত উদ্ধাৰ হৈছে আৰু ই বহুতো স্বতন্ত্র উপাদান সংৰক্ষণ কৰিছে। তুলনামূলক অধ্যয়নত টোখাৰীয় ভাষাৰ অৱদান অপৰিসীম কিয়নো ইণ্ডো-ইউৰোপীয় অপ্রচলিত বৈশিষ্ট্যও ইয়াতে সংৰক্ষিত হৈছে। টোখাৰীয় ভাষা বর্তমান লুপ্ত আৰু ইয়াৰ স্থান উইগুৰ তুৰ্কীয়ে লাভ কৰিছে। টোখাৰীয় ভাষাতো অগ্র-কণ্ঠ্য ব্যঞ্জন ধ্বনিৰ প্রচলন আছে বাবে ই কেন্তুম শাখাৰ অন্তর্গত।

আলবেনীয় ঃ

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ সতম শাখাৰ অন্তর্গত আলবেনীয় শাখাৰ ভাষা উত্তৰ গ্রীচৰ আর্দ্রিয়াটিক সাগৰৰ পূব উপকূল অঞ্চল আৰু যুগোশ্লাবিয়াত প্রচলিত। ইল্লেৰীয়সকলৰ বংশধৰ আলবেনীয়সকল শ্লাভসকলৰ দ্বাৰা বিতাড়িত হ'ব লগা হৈছিল। এই শাখাক ইল্লিৰিয়ান নামেৰেও জনা যায়। ১৪৬২ চনত খ্রীষ্টধর্মৰ ক্রিয়া পদ্ধতিমূলক গ্রন্থ ইয়াৰ লিখিত নিদর্শন পোৱা গৈছিল যদিও সপ্তদশ শতিকাৰ শেষভাগৰ পৰাহে প্রকৃততে লিখিত নির্দশন পোৱা গৈছিল। এই শাখাৰ উপশাখা দুটা ক্রমে— আলবেনীয়াৰ উত্তৰে প্রচলিত ঘেগ আৰু দক্ষিণে প্রচলিত টোস্ক। আলেবেনীয় শাখাৰ ভাষাৰ শব্দ সম্ভাৰত লেটিন, গ্রীক, স্লাবীয়, তুৰ্কী আদি ভাষাৰ শব্দৰ পয়োভৰ ঘটিছে। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাৰ ভিতৰত সবাতোকৈ বেছি বিদেশী ভাষাৰ প্রভাৱপুষ্ট ভাষাই হৈছে আলবেনীয় ভাষা।

আর্মেনীয় ঃ

আর্মেনীয় শাখাৰ ভাষাসমূহ এছিয়া মাইনৰৰ আর্মেনীয় অঞ্চলত প্রচলিত। অক্কাডীয় আৰু গ্রীকসকলৰ বিৱৰণৰ পৰা খ্রীঃপূর্ব সপ্তম-অষ্টম শতিকাত এই অঞ্চলত আর্মেনীয় ভাষাৰ প্রচলন থকাৰ কথা জানিব পাৰি। খ্রীষ্টিয় পঞ্চম শতিকাত আর্মেনীয় ভাষালৈ অনূদিত বাইবেলকেই আর্মেনীয় ভাষাৰ প্রাচীন নিদর্শন হিচাপে গ্রহণ কৰা হয়। প্রাচীন আর্মেনীয় ভাষাত গ্রীক ভাষাৰ ধর্ম আৰু দর্শন বিষয়ক গ্রন্থও অনূদিত হৈছিল। প্রাচীন আর্মেনীয় ভাষা ঊনবিংশ শতিকালৈকে প্রচলন আছিল। বর্তমান এই ভাষা পুৰোহিত শ্রেণীৰ মাজত প্রচলিত।

আধুনিক আর্মেনীয় ভাষাক দুটা শাখাত বিভক্ত কৰা হৈছে— ক) পূব শাখা আৰু খ) পশ্চিম শাখা। পূব শাখাৰ ভাষা আর্মেনীয় আৰু ই�ৰাণত আৰু পশ্চিম শাখাৰ ভাষা-ষ্টাম্বুল (Stambul) বিশেষভাৱে উল্লেখযোগ্য ভাষা। এই ভাষা কৃষ্ণ সাগৰৰ উপকূল অঞ্চল আৰু কনষ্টাণ্টিনোপলৰ প্রধান কথিত ভাষা।


আর্মেনীয়সকল উন্নত সভ্যতাসম্পন্ন অঞ্চলৰ লোক আছিল। বর্তমান আর্মেনীয় ভাষী লোকৰ সংখ্যা চাৰি নিযুততকৈ কম। অৱশ্যে গ্রীক, লেটিন আদি ভাষাৰ গ্রন্থই আর্মেনীয় ভাষা সম্বন্ধে নানান তথ্যৰ সন্ধান দিছে। আর্মেনীয় ভাষাতো অন্য ভাষাৰ প্রভাৱ অত্যন্ত ব্যাপক। এই ভাষাত ইৰাণীয় ভাষাৰ প্রভাৱ অত্যধিক হোৱালৈ চাই ইয়াক ইৰাণীয়ৰ উপশাখা বুলি গণ্য কৰা

হৈছিল যদিও বিভিন্ন ভাষাতাত্ত্বিক তথ্যই আৰ্মেনীয়ক এটা স্বতন্ত্ৰ শাখা ৰূপে প্ৰতিষ্ঠা কৰিছে।

বাল্টোস্লাবীয় ঃ

এই শাখাৰ ভাষাসমূহ লিঠুয়ানিয়া, যুগোশ্লাভিয়া, বুলগেৰিয়া, ছেকোশ্লাভিয়া, লাটভিয়া, প্ৰুছিয়া, পোলেণ্ড, সংযুক্ত ৰাছিয়া, এড্ৰিয়াৰ উপকূল অঞ্চলত প্ৰচলিত। বিশ্বৰ প্ৰায় ৩০ কোটি জনগণে এই শাখাৰ ভাষা ব্যৱহাৰ কৰে।

বাল্টীয় আৰু স্লাবীয়ক পৃথক শাখা বুলি কোনো কোনো ভাষাতাত্ত্বিকে অভিহিত কৰিলেও এইয়া পৃথক শাখা নহয়; ববং একেটা মূল শাখাৰে ভিন্ন ৰূপহে। ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক সাদৃশ্যৰ ভিত্তিত দুয়োটা শাখাকে 'বাল্টো-স্লাবীয়' নামকৰণ কৰা হৈছে। তলত এই শাখাৰ উপশাখাসমূহ দাঙি ধৰা হ'ল—



বাল্টীয় উপশাখাৰ ভাষাৰ সংখ্যা স্লাবীয়ত কম। বাল্টীয় উপশাখাৰ ভাষা প্ৰাচীন প্ৰুচীয় সপ্তদশ শতিকাতে লুপ্ত হৈ পৰিল। লিঠুয়ানীয়া ভাষাত ই ইউৰোপীয়ৰ প্ৰাচীন ৰূপৰ নিদৰ্শন সংৰক্ষিত হোৱাৰ প্ৰমাণ পোৱা যায়। লেত্তীশ বা লেট ভাষা লটভিয়াৰ প্ৰধান ভাষা।

স্লাবীয় উপশাখাৰ অন্তৰ্গত দক্ষিণ স্লাবীয়ৰ ভাষা ছেৰ্বো-ক্ৰোৱেচীয় ভাষা যুগোশ্লাভিয়াত, স্লোৱেনীয় ভাষা এড্ৰিয়াটিক উপকূল অঞ্চলত বুলগেৰীয় ভাষা বুলগেৰীয়তা প্ৰচলিত। বুলগেৰীয় ভাষা স্লাবীয় ভাষাৰ ভিতৰত বিশেষ সম্পন্ন ভাষা; য'ত স্লাবীয় ভাষাৰ প্ৰাচীনতম নিদৰ্শন সংৰক্ষিত হৈ আছে। এই ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা আঠ নিযুতৰো অধিক।

পূব স্লাবীয় শাখাৰ বৃহৎ ৰুছীয় বা গ্ৰেট ৰুছীয় ৰাছিয়াৰ মান্য ভাষা। ৰুছ ভাষাই গ্ৰেট ৰুছীয়াক বুজায়। এই ভাষা পৃথিৱীৰ ভিতৰতে সমৃদ্ধিশালী ভাষাবোৰৰ ভিতৰত অন্যতম যাৰ নিদৰ্শন একাদশ শতিকাৰ পৰা পোৱা যায়।


শ্বেত ৰুছিয়াৰ ভাষা পশ্চিম ৰাছিয়াত প্ৰচলিত আৰু ক্ষুদ্ৰ ৰুছীয় বা উক্ৰেনীয় ভাষা দক্ষিণ ৰাছিয়াত প্ৰচলিত। ক্ষুদ্ৰ বৃহৎ আৰু শ্বেত- এই তিনিওটা শাখাৰ ভাষাই ৰুছীয় ভাষা গঢ়ি উঠাত সহায় কৰিছে।

পশ্চিম স্লাবীয়ৰ অন্তৰ্গত চেক ভাষাক ছেকোশ্লাভিয়াত প্ৰচলিত। পোলিছ বা পোল ভাষা পোলেণ্ডত আৰু ৰেণ্ডিছ ভাষা প্ৰুছিয়াকে ধৰি বিভিন্ন অঞ্চলত সিঁচৰতি হৈ আছে। স্লোৱাক ভষাৰ লগত চেক ভাষাৰ সাদৃশ্য আছে। ই স্লাবসকলৰ মাজত প্ৰচলিত ভাষা।

ইণ্ডো ইৰাণীয় ঃ

সতম শাখাৰ অন্তৰ্গত এটা উল্লেখযোগ্য উপশাখা হ'ল— ইণ্ডো-ইৰাণীয়। এই শাখাৰ ভাষা ঘাইকৈ ভাৰতবৰ্ষ, ইৰাণ, পাকিস্তান, আফগানিস্তান, শ্ৰীলংকা, বাংলাদেশ আদিত প্ৰচলিত হৈ আছে। এই ভাষা খ্ৰীঃপূৰ্ব দুহেজাৰ বছৰৰ আগতে মূলৰ পৰা পৃথক হৈ প্ৰতিষ্ঠিত হোৱাৰ নিদৰ্শন পোৱা যায়। মেছোপটেমিয়া বোঘাজ-কাই নামৰ ঠাইত আৱিষ্কৃত হিট্টীয় প্ৰত্নলিপিৰ মাজত আৰ্য দেৱতাৰ নাম উল্লেখ থকাই এই কথা প্ৰতিপন্ন কৰে। এই শাখাক আৰ্য নামেৰেও জনা যায়।

খ্ৰীষ্টপূৰ্ব ২৫০০-২০০০ বছৰৰ ভিতৰত ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ এটা ঠাল আহি মেছোপটেমিয়াত উপস্থিত হৈছিলহি। তেওঁলোকে দক্ষিণ পূব ৰাছিয়া, কাজাকস্থান, ককেছাছ পৰ্বতমালা অতিক্ৰম কৰিছিল। পৰৱৰ্তী সময়ত এইসকল লোকে বিশেষকৈ উত্তৰ মেছোপটেমিয়াত প্ৰৱেশ কৰা দলটোৱে আচ্ছিৰীয় আৰু বেবিলনীয় সভ্যতা সংস্পৰ্শলৈ আহি তেওঁলোকৰ সৈতে সম্মিলিত হৈ পৰিছিল। কিন্তু পূব মেছোপটেমিয়াত প্ৰৱেশ কৰা দলটোৱে স্বাতন্ত্ৰ্য ৰক্ষা কৰিছিল আৰু পিছলৈ ইৰাণত প্ৰৱেশ কৰি কিচুমান সৰু সৰু ফৈদত বিভক্ত হৈ পৰিছিল। তেওঁলোক বিভক্ত হোৱাৰ মূলতে আছিল ইৰাণৰ প্ৰাচীন অধিবাসীসকলৰ লগত হোৱা সামাজিক আৰু ধৰ্মীয় বিৰোধ। দলীয় শক্তি প্ৰদৰ্শনৰ চেষ্টা, গৃহকন্দল আৰু আন আন অভ্যন্তৰীণ সমস্যা আদিৰে ভাৰাক্ৰান্ত হৈ সৰু সুৰা ফৈদত বিভক্ত এইসকল লোকে বেলুছিস্তান, আফগানিস্তান আৰু ভাৰতবৰ্ষত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে ভাৰতবৰ্ষলৈ অহা আৰু ইৰাণত থকা সকলৰ মাজত থকা মিলৰ ভিত্তিত এই দুই দলক 'ইণ্ডো ইৰাণীয়' নামেৰে নামকৰণ কৰা হৈছে। ইণ্ডো ইৰাণীয় শাখাৰ ভাষাক তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি—



ইৰাণীয় আৰ্যৰ ভাষা ইৰাণ অঞ্চলত প্ৰচলিত। এই শাখাৰ ভাষাক আৱেস্তীয় আৰু প্ৰাচীন পাৰছীয় দুই প্ৰধান ভাগত ভগাব পাৰি। ইৰাণৰ উত্তৰ-পূব অঞ্চলৰ কথিত ভাষাৰ সাহিত্যিক ৰূপ আৱেস্তীয় ভাষা ধৰ্মগুৰু জৰথুস্ত্ৰৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ আধাৰত ৰচিত সাহিত্যক 'অৱেস্তা' নামৰ গ্ৰন্থত সন্নিৱিষ্ট কৰা হৈছিল আৰু তাত প্ৰাপ্ত ভাষিক ৰূপেই হ'ল 'আৱেস্তীয়'। ভাৰতৰ বৈদিক ভাষাৰ লগত এই ভাষাৰ মিল আছে।

প্ৰাচীন পাৰছীয় ইৰাণৰ দক্ষিণ-পশ্চিম অঞ্চল অৰ্থাৎ পাৰস্যৰ ভাষাৰ ভিত্তিত গঢ়ি উঠিছিল আৰু বৰ্তমান ইৰাণৰ ৰাষ্ট্ৰভাষা। প্ৰাচীন পাৰছীয়ৰ পৰৱৰ্তী স্তৰ মধ্য পাৰছীয় অন্তৰ্গত ভাষাৰ ভিতৰত শক বা খোটানী উল্লেখযোগ্য। আধুনিক ভাষাৰ ভিতৰত পাৰ্ছী, আফগান, বেলুছি আৰু কুদীয় ভাষা অন্যতম। আফগান বা পসতো বা পখতো ভাষা আফগানিস্তানৰ ভাষা, বেলুছী ভাষা বেলুছিস্তানৰ ভাষা।

দৰদীয় আৰ্য ঃ

ইৰাণ আৰু ভাৰতৰ মধ্যৱৰ্তী অঞ্চলৰ ভাষা দৰদীয় আৰ্য। এই ভাষা ভাৰতৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চল, হিন্দুকুশ, কাশ্মীৰ পামিৰ মালভূমিৰ পাৰ্বত্য অঞ্চলত প্ৰচলিত। সংস্কৃতত এওঁলোকক 'দৰদ' বা 'দাৰদ' নামেৰে অভিহিত কৰা হৈছিল। পশ্বই, কাফিৰ, টিৰাহী, কলছ গৰৰ বটি, খোৱাৰ, ছিত্ৰালী, কোহিস্তানী, শ্বীনা, কাশ্মিৰী আদি এই শাখাৰ উল্লেখযোগ্য ভাষা। দৰদীয় শাখাৰ ভাষাৰ ভিতৰত কাশ্মিৰী ভাষা সাহিত্য সম্পদত চহকী।

ভাৰতীয় আৰ্য ভাষা ঃ

ইৰাণৰ পৰা খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকাত বিভিন্ন ফৈদ আহি ভাৰতবৰ্ষত প্ৰৱেশ কৰে। পূব আফগানিস্তান, পশ্চিম পাঞ্জাৰ আদি অঞ্চলত উপৰিষ্ট হৈ পিছলৈ পূব-পাঞ্জাৰ, মধ্যদেশ আদিলৈকো নিজৰ সীমা বিস্তৃত কৰে। অষ্ট্ৰিক, দ্ৰাবিড় আদি গোষ্ঠীৰ লোকক বিতাড়িত কৰি আৰ্য সভ্যতা আৰু সংস্কৃতিৰে আলোকিত কৰে আৰু দেশৰ বিভিন্ন প্ৰান্ততো বসতি স্থাপন কৰে। ভাৰতলৈ অহা আৰ্যসকলৰ ভাষা ভাৰতীয় আৰ্য নামেৰে পৰিচিত হ'ল আৰু এই আৰ্য ভাষাই কালক্ৰমত পৰিব্যাপ্তি লাভ কৰিছে। ভাৰতীয় আৰ্য ভাষাৰ ইতিহাসক সমৃদ্ধ কৰা ভাষাসমূহৰ স্তৰ অনুসৰি তলত উল্লেখ কৰা হ'ল—

১) প্ৰাচীন ভাৰতীয় আৰ্য ভাষা — বৈদিক সংস্কৃত ভাষা

২) মধ্য ভাৰতীয় আৰ্য ভাষা — পালি, প্ৰাকৃত, অপভ্ৰংশ

৩) আধুনিক ভাৰতীয় আৰ্য ভাষা — হিন্দী, বাংলা, সিন্ধী, পঞ্জাৰী, মাৰাঠী, গুজৰাটী, অসমীয়া, ওড়িআ আদি।

ভাৰতীয় আৰ্য ভাষাৰ বিভিন্ন স্তৰৰ ভাষাত সাহিত্যিক নিদৰ্শন সংৰক্ষিত হৈ আছে আৰু এই শাখাৰ ভাষাই সাহিত্য-সম্পদত চহকী ভাষা হিচাপে প্ৰতিষ্ঠিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ইণ্ডো-ইউৰোপীয় ভাষাৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৫ ঃ 'বাল্টোস্লাবীয়' কোনটো শাখাৰ অন্তৰ্গত? এই শাখাৰ ভাষাৰ বিষয়ে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত)

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিষয়ে সবিশেষ জানিব পাৰিলে।
- ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল পৃথিৱীৰ সর্ববৃহৎ আৰু সমৃদ্ধিশালী ভাষা পৰিয়াল।
- ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণ কৰে থমাছ য়ুঙ নামৰ ভাষাতাত্ত্বিক পণ্ডিতে।
- এই ভাষা পৰিয়ালৰ আদিম বাসস্থান সম্বন্ধে পোৱা মত দুটা— এছিয়াৰ সপক্ষে আৰু ইউৰোপৰ সপক্ষে।
- ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে অৱগত হ'ব পাৰিলে।
- এছকোলিয়ে এই ভাষা পৰিয়ালক কেন্তুম আৰু সতম নামেৰে দুটা ভাগত শ্রেণীবিভাগ কৰিছিল, তেওঁৰ বিভাজনৰ ভিত্তি আছিল অগ্র-কণ্ঠ্য ধ্বনিৰ দুই ধৰণৰ পৰিৱর্তন।
- ইণ্ডো-ইউৰোপীয় ভাষাৰ শ্রেণীবিভাজন আৰু ইয়াৰ বিভিন্ন শাখা-উপশাখা সম্বন্ধে বিস্তৃতভাৱে জানিব পাৰিলে।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (২০০৪) ঃ ভাষাবিজ্ঞান; গুৱাহাটী।

২) ঠাকুৰ, নগেন (২০০৩) ঃ পৃথিৱীৰ বিভিন্ন ভাষা; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) পাঠক, ৰমেশ (২০০৮) ঃ ভাষাবিজ্ঞানৰ ভূমিকা; গুৱাহাটী ঃ অশোক বুক ষ্টল।

৪) ফুকন পাটগিৰি, দীপ্তি (২০০২) ঃ ভাষাতত্ত্ব; গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

৫) বিশ্বাস সুকুমার (১৯৬৮) ঃ ভাষাবিজ্ঞান পরিচয়; কলকাতা ঃ জিজ্ঞাসা।

৬) শ' রামেশ্বর (১৯৯৬) ঃ সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা; কলকাতা ঃ পুস্তক বিপনি।

৭) সেন সুকুমার (১৯৮৭) ঃ ভাষার ইতিবৃত্ত; কলকাতা ঃ ইষ্টার্ণ পাব্লিচার্ছ।

ইংৰাজী গ্রন্থ ঃ

1. Taraporewalla, I. J. S : Elements of the Science of Language.
2. Bender H.H. : the Home of Indo-European.
3. Benedict P.K. : Sino Tibetan : A conspectus.
4. Chetterji S.K : Language and Literature of Modern India.



১১.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ প্রথমে ইণ্ডো-ইউৰোপীয়ৰ নামকৰণৰ বিষয়ে লিখিব আৰু বিভিন্ন ভাষাতাত্ত্বিকৰ মত আগবঢ়াব। এই মত আগবঢ়াই সাম্প্রতিক সময়ত গ্রহণযোগ্য নামকৰণ কিদৰে হ'ল সেই বিষয়ে লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা আগবঢ়াব।

৩নং প্রশ্নৰ উত্তৰ ঃ ইউৰোপৰ কোন কোন বিশেষ অঞ্চলক এই ভাষা পৰিয়ালৰ আদিম বাসস্থান বুলি অনুমান কৰা হয় সেই বিষয়ে উল্লেখ কৰিব আৰু ব্যাখ্যা দাঙি ধৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ প্রথমে শ্রেণীবিভাজনে কোনে, কিহৰ ভিত্তিত কৰিছিল উল্লেখ কৰিব। তাৰ পিছত বিভাজন দাঙি ধৰি তাৰ অন্তর্গত শাখা আৰু উপশাখাৰ বিষয়ে আলোচনা কৰিব।

৫নং প্রশ্নৰ উত্তৰ ঃ ইণ্ডো-ইউৰোপীয়ৰ কোনটো শাখাৰ অন্তর্গত সেই বিষয়ে উল্লেখ কৰিব। বাল্টোস্লাবীয়ৰ চমু পৰিচয় দাঙি ধৰি তাৰ অন্তর্গত উপশাখাৰ ভাষাৰ বিষয়ে চমুকৈ বিশ্লেষণ আগবঢ়াব।



১১.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ পৃথিৱীৰ ভিতৰত সর্ববৃহৎ আৰু সমৃদ্ধিশালী ভাষা পৰিয়ালটোৰ চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণ সন্দর্ভত এটি আলোচনা যুগুত কৰক।

প্রশ্ন ৩ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান ক'ত আছিল? এই বিষয়ে প্রাপ্ত মত আধাৰত বিশ্লেষণ কৰক।

প্রশ্ন ৪ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰক।

প্রশ্ন ৫ ঃ এছকোলিয়ে কিমান চনত, কিহৰ ভিত্তিত ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ শ্রেণীবিভাজন কৰিছিল? এই বিষয়ে এটি আলোচনা প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ সতম শাখাৰ ভাষাবোৰ কি কি? চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ৭ ঃ চমুটোকা লিখক ঃ

কেলটীয়, গ্রীক, বাল্টোস্লাবীয়, আর্মেনীয়, ইণ্ডো-ইৰাণীয়, জার্মানীয়

প্রশ্ন ৮ ঃ ইণ্ডো-ইৰাণীয় শাখাৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১২ ঃ ভাৰতীয় আর্য ভাষাৰ চমু পৰিচয়

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ভাৰতীয় আর্য ভাষা ঃ এটি পৰিচয়
১২.৩.১ প্ৰাচীন ভাৰতীয় আর্য ভাষা
১২.৩.২ মধ্য ভাৰতীয় আর্য ভাষা
১২.৩.৩ নব্য ভাৰতীয় আর্য ভাষা
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য


এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় আর্য ভাষাৰ পৰিচয় লাভৰ লগতে ভাৰতীয় আর্য ভাষাৰ স্তৰভেদ সম্বন্ধে জানিব পাৰিব।
- প্ৰাচীন ভাৰতীয় আর্য ভাষাৰ স্তৰ আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে আলোকপাত কৰিব পাৰিব।
- বৈদিক আৰু বৈদিক ভাষাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব।
- মধ্য ভাৰতীয় আর্য ভাষাৰ পৰিচয়, বিভিন্ন স্তৰ, সিবোৰৰ প্ৰাচীন নিদর্শন আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে বিৱৰণ দিবলৈ সক্ষম হ'ব।
- আধুনিক ভাৰতীয় ভাষাসমূহৰ উৎস সম্বন্ধে জনাৰ লগতে ভাষাবোৰৰ সৈতে পৰিচয় হোৱাৰ সুবিধা পাব।
- নব্য ভাৰতীয় আর্য ভাষাৰ বর্গীকৰণ আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব।
- ভাৰতীয় আর্য ভাষাৰ ভাষিক বৈশিষ্ট্য সম্বন্ধেও অধ্যয়ন কৰাৰ সুবিধা পাব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্য-বিষয় 'ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়'ৰ এইটো দ্বাদশ অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'ভাৰতীয় আর্য ভাষাৰ চমু পৰিচয়'। ইয়াত ভাৰতীয় আর্য ভাষাৰ সম্যক পৰিচয় আগবঢ়োৱা

হৈছে। পৃথিৱীত প্ৰচলিত একেটা মূলৰ পৰা উদ্ভৱ হোৱা, একে বৈশিষ্ট্যসূচক ভাষা-সমষ্টিক ভাষাতত্ত্ববিদসকলে একোটাহঁত ভাষা-পৰিয়ালৰ অন্তৰ্ভুক্ত কৰিছে। ইণ্ডো-ইউৰোপীয়, চেমীয়-হেমীয়, অষ্ট্ৰিক, দ্ৰাবিড়, চীন-তিব্বতীয় আদি তেনে কেতবোৰ ভাষা-পৰিয়াল। এই ভাষা-পৰিয়ালবোৰৰ ভিতৰত সৰ্ববৃহৎ আৰু উল্লেখযোগ্য ভাষা-পৰিয়ালটো হৈছে 'ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়াল'। ইউৰোপৰ পৰা ভাৰতবৰ্ষ পৰ্যন্ত পৰিব্যাপ্ত এই ভাষা-পৰিয়ালৰ ভাষাবোৰ কালক্ৰমত বিভিন্ন শাখা-প্ৰশাখাত বিভক্ত হৈ পৃথিৱীৰ প্ৰায় সৰ্বত্ৰ সিঁচৰতি হৈ পৰে। এই ভাষা-পৰিয়ালটোক পৰৱৰ্তী সময়ত এছকোলি নামৰ পণ্ডিত এগৰাকীয়ে 'কেন্তুম্' আৰু 'সতম্'—এই দুটা বৰ্গত ভাগ কৰে। ইয়াৰে সতম্ বৰ্গৰ অন্তৰ্গত ইণ্ডো-ইৰাণীয় উপশাখাৰ এটা ঠাল হৈছে ভাৰতীয় আৰ্য ভাষা। এই ঠালটোৰ ক্ৰমবিকাশৰ গতিচিত্ৰ তলত দিয়া ধৰণৰ ঃ



১২.৩ ভাৰতীয় আৰ্য ভাষা ঃ এটি পৰিচয়

ভাৰতীয় আৰ্য ভাষা বৰ্তমান ভাৰতবৰ্ষৰ অধিকাংশ ভাষাৰে জননী আৰু এই ভাষাৰ ভাষিক অৱস্থিতিয়ে সময়ৰ লগে লগে বিভিন্ন শাখা-প্ৰশাখাৰে দ্ৰুতগতি লাভ কৰিবলৈ সমৰ্থ হৈছে। আমি ইতিমধ্যে অৱগত হৈছোঁ যে, ভাৰতীয় আৰ্য ভাষা ইণ্ডো-ইৰানীয়ৰ এটা ঠাল। ইৰান বা প্ৰাচীন পাৰস্যৰ পৰা বিভিন্ন দল-উপদলত বিভক্ত হৈ আৰ্যসকল আনুমানিক খ্ৰীঃ পূঃ পঞ্চদশ শতিকাত ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। এওঁলোকে হিন্দুকুশ পৰ্বত পাৰ হৈ আফগানিস্তানৰ মাজেৰে আহি উত্তৰ-পশ্চিম গিৰিসংকটেৰে ভাৰতবৰ্ষত উপস্থিত হৈছিল। প্ৰথম অৱস্থাত এওঁলোকে আফগানিস্তান আৰু পশ্চিম পঞ্জাৱত বসতি স্থাপন কৰিছিল। পাছলৈ পূব-পঞ্জাৱ আৰু মধ্যদেশ পৰ্যন্ত পৰিব্যাপ্ত হৈ পৰিছিল। আৰ্যসকলে পূৰ্বৰে পৰা ভাৰতত বসতি স্থাপন কৰা অষ্ট্ৰিক আৰু দ্ৰাবিড়সকলক বিতাড়িত কৰি সেইবোৰ অঞ্চল নিজৰ অধীনলৈ আনি তাত নিজৰ সভ্যতা-সংস্কৃতি প্ৰসাৰ কৰে। কেতিয়াবা শান্তিপূৰ্ণ আৰু কেতিয়াবা সংঘৰ্ষৰ মাজেৰে এওঁলোকে নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হয়। সময়ৰ অগ্ৰগতিৰ লগে লগে স্থানীয় লোকসকলৰ লগত এওঁলোকৰ সামাজিক-সাংস্কৃতিক-ধৰ্মীয়-ভাষিক সমন্বয়-সমাহৰণ সংঘটিত হয়।


ভাৰতত বসবাস কৰা আৰ্যসকলৰ ভাষা আৰ্য ভাষাই প্ৰৱেশ কালৰে পৰা বৰ্তমানলৈকে বিভিন্ন

স্তৰ অতিক্রম কৰিব লগা হৈছে। এই ভাষাৰ খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰা বর্তমানলৈকে প্রায় চাৰে তিনি হাজাৰ বছৰীয়া দীঘলীয়া ইতিহাসক ভাষাটোৰ ক্রম বিকাশ তথা সময়ে সময়ে হোৱা পৰিৱর্তনৰ আধাৰত ভাষাতত্ত্ববিদ পণ্ডিতসকলে তিনিটা প্রধান স্তৰত ভাগ কৰিছে। সেই স্তৰকেইটা হ'ল ক্রমে—

(১) প্রাচীন ভাৰতীয় আর্য ভাষা (Old Indo Aryan), চমুকৈ O.I.A, (বৈদিক-সংস্কৃত), খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকালৈকে;

(২) মধ্য ভাৰতীয় আর্য ভাষা (Middle Indo Aryan), চমুকৈ M.I.A (পালি, প্রাকৃত, অপভ্রংশ), খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা দশম শতিকা পর্যন্ত;

(৩) নব্য ভাৰতীয় আর্য ভাষা (New Indo Aryan), চমুকৈ N.I.A (অসমীয়া, বাংলা, ওড়িআ, ৰাজস্থানী. গুজৰাটী, পাঞ্জাৰী, হিন্দী আদি), খ্ৰীঃ পূঃ দশম শতিকাৰ পৰা বর্তমান পর্যন্ত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতীয় আর্য ভাষাৰ বিষয়ে পৰিচয়মূলক টোকা যুগুত কৰক।

.....

১২.৩.১ প্রাচীন ভাৰতীয় আর্য ভাষা

প্রাচীন ভাৰতীয় আর্য ভাষাক (Old Indo Aryan) দুটা ভাগত ভগোৱা হৈছে— বৈদিক আৰু লৌকিক বা ধ্রুপদী সংস্কৃত। আর্যসকল আছিল গভীৰ ভাব প্রকাশক শক্তিশালী ভাষা-সম্পদৰ অধিকাৰী। ভাৰতবর্ষলৈ অহাৰ সময়ত তেওঁলোকৰ মাজত আধ্যাত্মিক ভাবসম্পন্ন কেতবোৰ সূক্তবা স্তুতিগীত মৌখিকভাৱে প্রৱাহিত হৈ আহিছিল। পৰৱর্তী সময়ত সেইবোৰ ঋগ্বেদ নামে পৰিচিত হয়। আর্যসকলৰ মূল সাহিত্য বেদ আৰু এই বেদেই হ'ল ভাৰতীয় আর্য সমাজৰ মূল ভেঁটি স্বৰূপ। বেদ মুঠতে চাৰিখন— ঋক, সাম, যজুঃ আৰু অথর্ব । ঋক, সাম আৰু যজুর্বেদক যজ্ঞীয়বেদ আৰু অথর্ববেদক অযজ্ঞীয়বেদ বোলা হয়। ঋগ্বেদ আৰু সামবেদ পদ্যত, আনহাতে যজুর্বেদ আৰু অথর্ববেদ পদ্য-গদ্য উভয়-ৰীতিৰে ৰচিত হৈছিল। প্রতিখন বেদৰে আকৌ চাৰিটাকৈ ভাগ— সংহিতা, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ। সংহিতাত মন্ত্রবোৰ, ব্রাহ্মণত সিবোৰৰ প্রয়োগ, আৰণ্যকত অৰণ্যবাসী ঋষি-মুনিৰ জ্ঞান আৰু উপনিষদত বেদৰ অন্তিম ধাৰণা বিধৃত হৈছে। বেদসমূহ আছিল শ্রুতি। ই এক পুৰুষৰ পৰা আন এক পুৰুষলৈ মৌখিকভাৱে প্রৱাহিত হৈছিল। মুঠতে এই সকলো মিলাই বৈদিক সাহিত্য। সংহিতাৰ তুলনাত ব্রাহ্মণ আৰু উপনিষদৰ ভাষা ভালেখিনি সৰল আৰু ই খ্ৰীঃ পূঃ ষষ্ঠ শতিকামানত গঢ় লোৱা বৈয়াকৰণ-নির্দিষ্ট সংস্কৃত ভাষাৰ যথেষ্ট ওচৰ-চপা।

ঋগ্বেদৰ কবিতাসমূহ আনুমানিক ১২০০ খ্ৰীঃ পূর্বাব্দত ৰচিত আৰু ইয়াক

ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ সকলো ভাষাৰ ভিতৰত প্ৰাচীনতম বুলি ঠাৱৰ কৰা হৈছে। অৱশ্যে কোনো কোনো ভাষাতাত্ত্বিকৰ মতে, বৈদিক ভাষাক গ্ৰীক ভাষাৰ পিছতহে ইণ্ডো-ইউৰোপীয়ৰ প্ৰাচীনতম নিদৰ্শন হিচাপে স্থান দিব লাগে।

বৈদিক সাহিত্যৰ ভাষাক প্ৰাচীন আৰু অৰ্বাচীন এই দুটা স্তৰত ভাগ কৰিব পাৰি। ভাষাৰ প্ৰসংগত ঋগ্বেদৰ ভাষাই প্ৰাচীন বৈদিক স্তৰৰ আৰু বাকীকেইখন বেদ তথা ব্ৰাহ্মণ-উপনিষদ-আৰণ্যকৰ ভাষাই অৰ্বাচীন বৈদিক স্তৰৰ প্ৰতিনিধিত্ব কৰে। প্ৰথমাৱস্থাত উত্তৰ-পশ্চিম ভাৰতৰ সপ্তসিন্ধু অঞ্চলত বসবাস কৰা আৰ্যসকলৰ বৈদিক ভাষা-সাহিত্যইপৰৱৰ্তী সময়ত আফগানিস্তান, পঞ্জাৱ, সিন্ধু প্ৰদেশ, ৰাজপুতনাৰ অংশ বিশেষ, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, কাশ্মীৰ, সৰযু, গংগা, ব্ৰহ্মপুত্ৰ অৱবাহিকা পৰ্যন্ত বিস্তাৰ লাভ কৰিছিল। সময়ত ই মধ্য ভাৰতলৈকো প্ৰসাৰিত হৈছিল।

বৈদিক ভাষা ঘাইকৈ পুৰোহিত শ্ৰেণীয়ে ব্যৱহাৰ কৰা সাহিত্যিক বা ছন্দোবদ্ধ ভাষা। আনহাতে, তেওঁলোকৰ দৈনন্দিন জীৱনত ব্যৱহৃত কথিত ভাষাৰূপ এটাও আছিল। সেই ভাষাৰূপ কেনে আছিল জনা নাযায়। ভাৰতত অতীতৰে পৰা বসবাস কৰা অষ্ট্ৰিক, দ্ৰাবিড় আদি ভাষাৰ প্ৰভাৱত এই লৌকিক বা কথ্য ভাষাৰ ধ্বনিগত, শব্দগত আৰু ৰূপগত দিশৰ অনেক পৰিৱৰ্তন ঘটিছিল। আন কথাত আৰ্যসকলৰ সভ্যতাৰ বিস্তাৰৰ লগে লগে কথিত ভাষাৰূপটোৱো মানুহৰ মুখ বাগৰি পৰিৱৰ্তিত হৈছিল। কিন্তু ভাষাৰ ক্ষেত্ৰত আৰ্যসকল আছিল অতিশয় ৰক্ষণশীল। তেওঁলোকে অপৌৰুষেয় আৰু অপৰিৱৰ্তনীয় বুলি ধাৰণা কৰা বেদৰ ভাষা আৰু তাৰ মূল পাঠ অক্ষুণ্ণ ৰখাৰ বাবে ভাষাৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰে। ষড় বেদাংগৰ চাৰিটা প্ৰধান অংগ— শিক্ষা, ছন্দ, নিৰুক্ত আৰু ব্যাকৰণ ভাষা-চিন্তাৰ সৈতে সম্পৰ্কিত হোৱাটোৱেই তাৰ প্ৰমাণ। প্ৰথমে সংহিতাৰ পদপাঠ, প্ৰাতিশাখ্য আদিৰ জৰিয়তে বেদৰ ভাষাটোক অবিকল ৰূপত ৰাখিবৰ চেষ্টা কৰা হৈছিল। অৱশেষত আনুমানিক খ্ৰীঃ পূঃ পঞ্চম শতিকাৰ আশে-পাশে লৌকিক ভাষাটোৰ সংস্কাৰ সাধন কৰি তাৰ এটি সাধু ৰূপ বা সাহিত্যিক ৰূপৰ সৃষ্টি কৰা হয় আৰু ইয়েই হ'ল ধ্ৰুপদী সংস্কৃত বা লৌকিক সংস্কৃত। এই ক্ষেত্ৰত মহৰ্ষি পাণিনিৰ ভূমিকা সবাতো উল্লেখযোগ্য। তেওঁৰ পূৰ্বেও কৈয়ট, ইন্দ্ৰগোমী, ব্যাড়ী, শাকটায়ন আদি ব্যাকৰণকাৰে বৈদিক ভাষাৰ আলোচনা কৰিছিল যদিও পাণিনিয়ে 'শব্দানুশাসনম্' বা নামান্তৰে 'অষ্টাধ্যায়ী' নামৰ ব্যাকৰণ এখন ৰচনা কৰি ভাঙোনমুখী বৈদিক ভাষাটোক পুনৰুজ্জীৱিত কৰি তোলাৰ উপৰি ভাৰতীয় ভাষা-চিন্তাক বিজ্ঞানসন্মত ভেঁটি প্ৰদান কৰে। কোৱা বাহুল্য যে, ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত বৈয়াকৰণসকলে নিৰ্দিষ্ট কৰি দিয়া বৈদিক ভাষাৰ শিষ্ট ৰূপটোৰ নামেই সংস্কৃত বা ধ্ৰুপদী সংস্কৃত (classical Sanskrit)। এই ভাষাত ৰামায়ণ, মহাভাৰত, পুৰাণ, বিভিন্ন কাব্য, নাটক, পঞ্চতন্ত্ৰ, হিতোপদেশ আদি বিবিধ প্ৰকাৰৰ সাহিত্য ৰচিত হৈছিল। সুকুমাৰ সেনৰ মতে, 'It (classical Sanskrit) is a literary language based on the speech of the educated men (Sista) of midland. (Madhyadesa). At the same time it contains features

which really belonged to the dialect of North West (Udicya), the mother tongue of Panini, the condifier of classical Sanskrit." পাণিনিৰ দ্বাৰা সংস্কাৰীভূত 'সংস্কৃত' ভাষা আছিল ঘাইকৈ শিক্ষিত তথা অভিজাত শ্ৰেণীৰ ভাষা। তদুপৰি, ই আছিল ব্যাকৰণ-নিৰ্দিষ্ট সাহিত্যিক ভাষা। এনে কৰেণতে এই ভাষাৰ পৰৱৰ্তী বিকাশ সম্ভৱ নহ'ল। কালক্ৰমত ই মৃত ভাষালৈ পৰ্যবসিত হ'ল। সেয়ে হ'লেও, মধ্যযুগৰ ভাৰতৰ ঐক্য বন্ধনৰ সেতু হিচাপে সংস্কৃত ভাষা সৰ্বজন পৰিচিত আছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত "প্ৰাচীন ভা ৰতেৰ শোচনীয় আত্মবিচ্ছেদ ও বহিৰ্বিপ্লবেৰ সময়ে ভাৰতবৰ্ষে একমাত্ৰ ঐক্যৰ মহাকৰ্ষ শক্তি ছিল সে তাৰ সংস্কৃত ভাষা।" কালিদাস, ভবভূতি, বাণভট্ট, ৰাজশেখৰ, মাঘ, ভাৰবি, বিশাখদত্ত, শূদ্ৰক আদি সাহিত্যিকৰ সাহিত্য কৰ্মই সংস্কৃত ভাষাক জীৱন্ত ৰূপ দিছিল।

ওপৰৰ আলোচনাৰ পৰা আপুনি জানিব পাৰিলে যে, বৈদিক যুগৰ পৰা পাণিনিৰ আবিৰ্ভাৱলৈকে প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ দুটা ৰূপ পোৱা গৈছে, এটা বৈদিক আৰু আনটো ধ্ৰুপদী সংস্কৃত। কালগত বিচাৰত সংস্কৃত ভাষা মধ্য ভাৰতীয় আৰ্য ভাষাৰ সমকালৰ যদিও গঠন আৰু বৈশিষ্ট্যৰ ফালৰ পৰা ই বৈদিক ভাষাৰ উত্তৰাধিকাৰী। বৈদিক আৰু সংস্কৃত মিলিয়েই প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ স্তৰ। স্বৰধ্বনি, ব্যঞ্জনধ্বনিৰ ব্যৱহাৰ, সন্ধি, যুক্ত ব্যঞ্জনৰ ব্যৱহাৰ, স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণ, প্ৰত্যয়ৰ সংযোগৰ জৰিয়তে বিবিধ অৰ্থসুচক শব্দৰ সাধন, সমাসবদ্ধ পদৰ ব্যৱহাৰ, তিনিটা বচন, তিনিটা লিংগ, সম্বোধন পদ সহ আঠোটা কাৰক, আত্মনেপদী আৰু পৰস্মৈপদী ধাতুৰ প্ৰয়োগ, অক্ষৰমূলক ছন্দৰীতি আদি বৈশিষ্ট্য সংস্কৃত আৰু বৈদিক উভয়তে বিদ্যমান। অৱশ্যে কালগত ব্যৱধান, শ্ৰেণীগত বিচ্ছিন্নতা, আঞ্চলিক ভেদৰ বাবে এই দুই ভাষাৰ মাজত ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত কিছু পাৰ্থক্যও বিৰাজমান। বৈদিক আৰু সংস্কৃত উভয় ভাষাৰ সমূহীয়া বৈশিষ্ট্যৰ ভিত্তিত প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ নিম্নোক্ত ধৰণে চিনাক্ত কৰিব পাৰি—

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) বৈদিক ভাষাত ঋ, ৠ, ঌ, ঌ̄, এ, ঐ আদি আটাইবোৰ স্বৰধ্বনি আৰু শ, ষ, স সহ সকলোবোৰ ব্যঞ্জন ধ্বনিৰ প্ৰচলন আছিল। বৈদিকৰ পৰৱৰ্তী স্তৰত ইয়াৰে কিছুমান ধ্বনিৰ পৰিৱৰ্তন ঘটিছে বা লোপ পাইছে।

(২) বৈদিক ভাষা আছিল সুৰাঘাত-প্ৰধান। সুৰাঘাতৰ স্থান-পৰিৱৰ্তনৰ ফলত শব্দৰ অন্তৰ্গত স্বৰধ্বনিসমূহৰো ক্ৰম অনুসৰি গুণগত পৰিৱৰ্তন হৈছিল। স্বৰধ্বনিৰ এই পৰিৱৰ্তন গুণ, বৃদ্ধি আৰু সম্প্ৰসাৰণ হিচাপে জনা যায়। স্বৰধ্বনি অবিকৃত হৈ থাকিলে তাক গুণ, দীৰ্ঘ হ'লে বৃদ্ধি আৰু ক্ষয় হৈ লুপ্ত হ'লে তাক সম্প্ৰসাৰণ বা ক্ষয়িত ক্ৰম বুলি কোৱা হয়। উদাহৰণস্বৰূপে— √স্বপ্ ধাতুৰ পৰা উৎপন্ন স্বপ্ন, স্বাপ আৰু সুপ্ত ক্ৰমে স্বৰধ্বনিৰ গুণ, বৃদ্ধি আৰু ক্ষয়িতৰ কথা উল্লেখ কৰিব পাৰি।

O.I.A– Old Indo Arian
(প্রাচীন ভাৰতীয় আর্য)

(৩) সন্নিহিত দুটা ধ্বনিৰ মাজত য'তেই সম্ভৱ ত'তেই অপৰিহার্যভাৱে সন্ধি হোৱাটো আৰু সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ প্রাচীন ভাৰতীয় আর্য ভাষাৰ অন্যতম উল্লেখনীয় বৈশিষ্ট্য।

(৪) বৈদিক স্তৰত ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত মূর্ধন্য ধ্বনিৰ ব্যৱহাৰ সংস্কৃততকৈ কম আছিল। 'ল' ধ্বনিতকৈ 'ৰ' ধ্বনিয়ে অধিক প্রাধান্য লাভ কৰিছিল।

(৫) বিভিন্ন যুক্তব্যঞ্জনৰ ব্যৱহাৰ প্রাচীন ভাৰতীয় আর্য ভাষাৰ প্রধান বৈশিষ্ট্য। উদাহৰণ স্বৰূপে— ক্র, ক্ল, ক্ত, ক্তৃ, ক্ষা, র্ম, র্ষ্ক, র্দ্ধ, ষ্ট, ৎস্ন আদিলৈ আঙুলিয়াব পাৰি।

(৬) সুৰাঘাত (Pitch accent) বৈদিক স্তৰৰ আর্য ভাষাৰ বিশেষ বৈশিষ্ট্য। শব্দৰ অন্তর্গত বিশেষ ধ্বনিৰ ওপৰত স্বৰতন্ত্রীৰ কম্পনজাত সুৰৰ তীব্রতা অনুসৰি জোৰ দিয়াৰ ফলত শব্দৰ অর্থৰ পৰিৱর্তন ঘটিছিল। বৈদিক ভাষাত তিনি প্রকাৰৰ সুৰ আছিল— উদাত্ত, অনুদাত্ত আৰু স্বৰিত। সুৰৰ অৱস্থান অনুসৰি শব্দৰ অর্থ আৰু ব্যাকৰণগত দিশ নির্ণীত হৈছিল। অৱশ্যে সংস্কৃত স্তৰত সুৰাঘাতৰ সলনি শ্বাসাঘাতে (Stress accent) দেখা দিছিল।

(খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) প্রাচীন ভাৰতীয় আর্য ভাষাত বচন আছিল তিনিটা— একবচন, দ্বিবচন আৰু বহুবচন। দুটা বস্তু বুজাবলৈ দ্বিবচনৰ ব্যৱহাৰ হোৱাৰ সলনি প্রকৃতি-নির্দিষ্ট স্বাভাৱিক বা সহজাত যোৰ বুজাবলৈহে দ্বিবচনৰ প্রয়োগ হৈছিল। উদাহৰণ স্বৰূপে— পিতা-মাতা আদি। বচনভেদে শব্দৰূপ আৰু ধাতুৰূপৰ পার্থক্য সূচিত হৈছিল।

(২) প্রাচীন ভাৰতীয় আর্য ভাষাত তিনি প্রকাৰৰ লিংগ আছিল— পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ। এই লিংগ-পদ্ধতি শব্দৰ অর্থৰ ওপৰত নির্ভৰশীল নাছিল। ই আছিল ব্যাকৰণগত (Grammatical)।

(৩) প্রাচীন ভাৰতীয় আর্য ভাষাত আঠ প্রকাৰৰ কাৰকৰ প্রচলন আছিল— কর্তা, কর্ম, কৰণ, সম্প্রদান, অপাদান, সম্বন্ধ পদ, অধিকৰণ আৰু সম্বোধন পদ।

(৪) প্রাচীন ভাৰতীয় আর্য ভাষাৰ শব্দৰূপ কিছু জটিল আৰু বৈচিত্র্যময় আছিল। স্বৰান্ত শব্দৰ বৈচিত্র্য ব্যঞ্জনান্ত শব্দতকৈ অধিক আছিল। মূল শব্দৰ অন্ত্যস্বৰ পৃথক হ'লে শব্দৰূপো পৃথক হৈছিল।

(৫) প্রাচীন ভাৰতীয় আর্য ভাষাত ক্রিয়াৰ ভাব আছিল পাঁচটা, সেইকেইটা ক্রমে— নির্দেশক, অনুজ্ঞা, সম্ভাৱক, অভিপ্রায় আৰু নির্বন্ধ।

(৬) প্রাচীন ভাৰতীয় আর্য ভাষাত দুই প্রকাৰৰ ক্রিয়া-বিভক্তিৰ প্রচলন আছিল— পৰস্মৈপদ আৰু আত্মনেপদ। ধাতুও তিনিটা ভাগত বিভক্ত আছিল— আত্মনেপদী পৰস্মৈপদী আৰু উভয়পদী।

(৭) প্রাচীন ভাৰতীয় আর্য ভাষাত ক্রিয়াৰ কাল আছিল কাল— লট্, লঙ্, লৃ ট্, লিট্ আৰু লুঙ্। ইয়াৰ লট্, লঙ্ আৰু লিট্ অতীত কালৰ ক্রিয়া নির্দেশক। এই স্তৰত ক্রিয়াৰ

কালে সময় বুজোৱাৰ সলনি ক্ৰিয়া সম্পাদনৰ ধৰণ বা প্ৰকৃতিহে নিৰ্দেশ কৰিছিল।

(৮) প্ৰত্যয়ৰ সংযোগৰ জৰিয়তে নতুন নতুন শব্দ গঠন কৰাটো বা এক শ্ৰেণীৰ শব্দক আন এক শ্ৰেণীলৈ নিয়াটো প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অন্যতম বিশেষত্ব। এনে প্ৰত্যয় দুই প্ৰকাৰৰ— কৃৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়। ধাতুৰ সৈতে যুক্ত প্ৰত্যয়ক কৃৎ প্ৰত্যয় আৰু শব্দ বা প্ৰাতিপদিকৰ সৈতে যুক্ত প্ৰত্যয়ক তদ্ধিত প্ৰত্যয় বোলা হয়।

(৯) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ধাতুৰ সৈতে শতৃ, শানচ আদি প্ৰত্যয় যোগ কৰি বহু বিচিত্ৰ ক্ৰিয়াজাত বিশেষণ শব্দৰ সৃষ্টি কৰা হয়। যেনে— √ কৃ + শানচ = ক্ৰিয়ামাণ, √ হু + শতৃ = নহবৎ আদি।

(১০) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত পুৰুষ অনুসৰি তিনিওটা বচনতে ক্ৰিয়াৰূপ পৃথক হয়। পুৰুষ তিনিটা— উত্তৰ পুৰুষ, মধ্যম পুৰুষ আৰু প্ৰথম পুৰুষ।

(১১) প্ৰাচীন ভাৰতীয় আৰ্যৰ স্তৰত উপসৰ্গ আছিল কুৰিটা— প্ৰ, পৰা, অপ, সম, নি, অৱ, অনু, নিৰ, দুৰ, বি, অধি, সু, উৎ, পৰি, প্ৰতি, অভি, অপি, অতি, উপ আৰু আ। এই উপসৰ্গসমূহ ধাতুৰ আগত ব্যৱহৃত হৈ ক্ৰিয়াৰ অৰ্থৰ পৰিৱৰ্তন ঘটায়। কেতিয়াবা স্বাধীন পদ ৰূপেও স্বতন্ত্ৰভাৱে ব্যৱহৃত হয়।

(১২) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ স্তৰত ত্বা, -ত্বায় আদি প্ৰত্যয় যোগ কৰি বহুতো অসমাপিকা ক্ৰিয়াপদ গঠন কৰা হৈছিল, যেনে— √ পা + ত্বা = পীত্বা, √ দৃশ + ত্বায় = দৃষ্টায়।

(১৩) সমাসৰ বিচিত্ৰ আৰু বহুল প্ৰয়োগ প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অন্যতম বিশেষত্ব। বৈদিক স্তৰত দুটি পদেৰে গঠিত সমাসৰ প্ৰচলন আছিল। বহুপদেৰে গঠিত সমাস ঘাইকৈ সংস্কৃত স্তৰতহে দেখা দিয়ে।

(১৪) প্ৰাচীন ভাৰতীয় স্তৰত দুই প্ৰকাৰৰ বাচ্য, যথা— কৰ্তৃবাচ্য আৰু কৰ্ম-ভাববাচ্য অনুসৰি ক্ৰিয়াৰ ৰূপ পৃথক পৃথক হোৱা দেখা যায়।

(গ) বাক্য-গঠনৰ বৈশিষ্ট্য ঃ

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কাৰক আৰু ক্ৰিয়া-বিভক্তিৰ চিহ্নবোৰ সুনিৰ্দিষ্ট। বাক্যৰ মাজত য'তেই নবহক কিয় কৰ্তা, কৰ্ম, ক্ৰিয়া আদি অতি সহজ চিনাক্ত কৰিব পৰা যায়। ফলত বাক্যত পদৰ স্থান সলনি হ'লেও সাধাৰণতেবাক্যৰ অৰ্থৰ পৰিৱৰ্তন নঘটে।

(২) ভাষাতাত্ত্বিকসকলে বৈদিক ভাষাৰ পদ-বিন্যাসৰ ৰীতি উদ্‌ঘাটন কৰিছে আৰু তাৰ লগে লগে বাক্য-গঠনৰ সাধাৰণ সূত্ৰও নিৰ্দেশ কৰিছে। "The general rule is that, the subject begins the sentence and the verb ends it, the remaining members coming between....The verb occasionally moves to the begining of the sentence when it is strongly emphasized... As regards the cases the acc. is placed immediately before the verb. বাক্য-গঠনৰ এই ৰীতি নব্য-ভাৰতীয় আৰ্যভাষাইউত্তৰাধিকাৰীসূত্ৰে


লাভ কৰিছে।

(৩) প্রাচীন ভাৰতীয় আর্য ভাষাৰ ছন্দৰীতি অক্ষৰমূলক। অক্ষৰৰ সংখ্যা আৰু লঘু-গুৰুৰ ওপৰত ভিত্তি কৰি ছন্দ নিৰূপণ কৰা হয়।

(৪) প্রাচীন ভাৰতীয় আর্য ভাষাৰ বা আন কথাতবৈদিক ভাষাৰ নিদর্শন হিচাপে তলত ঋগ্বেদৰ পৰা এফাঁকি মন্ত্র উদ্ধৃত কৰা হ'ল—

"অগ্নিমীলে পুৰোহিতং
যজ্ঞস্য দেবমৃত্বিজম্,
হোতাৰং ৰত্নধাতমম।"

(কল্যাণসাধনকাৰী যজ্ঞৰ ঋত্বিক ৰূপ হোমসাধনকাৰী ৰত্নদাতা সেই অগ্নি দেৱক মই প্রণাম কৰোঁ।)




অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ প্রাচীন ভাৰতীয় আর্য ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে আলোচনা কৰক (১৫০টা শব্দৰ ভিতৰত)।

.....

১২.৩.২ মধ্য ভাৰতীয় আর্য ভাষা

ভাৰতীয় আর্য ভাষাৰ বিৱর্তনৰ দ্বিতীয় স্তৰটোক মধ্য ভাৰতীয় আর্য ভাষা আখ্যা দিয়া হৈছে। এই স্তৰক প্রাকৃত ভাষাৰ স্তৰ বুলিও কোৱা হয়। বৈদিক কথিত ৰূপটোক ব্যাকৰণৰ নিয়মেৰে শৃংখলিত কৰি শিষ্টজনৰ সাহিত্যিক ভাষাৰূপে 'সংস্কৃত'ৰ সৃষ্টি কৰিলেও, ভাষাৰ যি স্বাভাৱিক পৰিৱর্তন সেয়া মানুহৰ দৈনন্দিন বাগ্-ব্যৱহাৰত অব্যাহত গতিৰে চলি থাকিল আৰু ধ্বনিগত আৰু সময়ত সি ব্যাকৰণগত পৰিৱর্তন লাভ কৰি বৈদিক-সংস্কৃততকৈ পৃথক এক সুকীয়া ভাষাৰূপে পৰিচিত হ'ল। আন কথাত বৈদিক কথ্য ৰূপৰ পৰাই এফালে সংস্কৃত আৰু আনফালে স্বাভাৱিক পৰিৱর্তনৰ মাজেৰে সৃষ্টি হ'ল প্রাকৃত ভাষা। তলত বৃক্ষচিত্রাকৰে তাৰ উল্লেখ কৰা হৈছে—



প্ৰাকৃত বা মধ্য ভাৰতীয় আৰ্য ভাষাৰ সময়ছোৱা ভাৰতীয় সমাজ-বিৱৰ্তনৰ ইতিহাসৰ অতিশয় গুৰুত্বপূৰ্ণ আছিল। ব্ৰাহ্মণ্যবাদৰ ক্ৰমাগত প্ৰসাৰ, যাগ-যজ্ঞৰ বহুল ক্ৰিয়া-কাণ্ডই ধৰ্মীয় চেতনাক মুষ্টিমেয় লোকৰ মাজত আবদ্ধ কৰি ৰাখিছিল আৰু জাতি-ধৰ্মৰ বিভাজনে মানুহৰ মনত সংকীৰ্ণতা আৰু ঘৃণা-ভাবৰ সৃষ্টি কৰিছিল। এনে এক জটিল সন্ধিক্ষণত গৌতম বুদ্ধৰ নেতৃত্বত আৰু ঋষভ-পাৰ্শ্বনাথ-মহাবীৰকে ধৰি ২৪ জন তীৰ্থাংকৰৰ নেতৃত্বত ধৰ্মৰ দিশত উদাৰনৈতিক আৰু স্বকীয় ভাবনাই প্ৰাণ পাই উঠিছিল। সাধাৰণ মানুহৰ জীৱনৰ ভিত্তিত গঢ় লৈ উঠা নতুন ধৰ্মীয় নীতিয়ে সমসাময়িক কথিত ভাষাকো মৰ্যাদাসম্পন্ন কৰি তুলিছিল। উল্লেখনীয় যে বুদ্ধদেৱ আৰু জৈনাচাৰ্যসকলে তেওঁলোকৰ উদ্দেশ্য আৰু চিন্তাক কথিত ভাষাৰ মাধ্যমেৰে জনসাধাৰণৰ মাজত ৰিলাই দিছিল। জনসাধাৰণৰ কথ্য ভাষা ক্ৰমাগতভাৱে ধৰ্মৰ গণ্ডীতে আবদ্ধ হৈ নাথাকি ই সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰলৈকো সম্প্ৰসাৰিত হ'ল। নগেন ঠাকুৰৰ মতে, "সংস্কৃত ভাষা যদি ব্ৰাহ্মণ্য ধৰ্মৰ ধাৰক আৰু বাহক হয়, তেন্তে প্ৰাকৃত ভাষা বৌদ্ধ আৰু জৈন ধৰ্মৰ ধাৰক আৰু বাহক। আকৌ পাণিনি যদি প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ নিৰ্দিষ্ট মানবিশিষ্ট সংস্কৃত ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাতা প্ৰধান ব্যক্তি হয় তেন্তে বুদ্ধদেৱ আৰু তেওঁৰ সমসাময়িক মহাবীৰ প্ৰাকৃত ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ দুই প্ৰধান ব্যক্তি।"

খ্ৰীঃ পূঃ ষষ্ঠ শতিকামানত আত্মপ্ৰকাশ কৰা কৰা বৈদিক ভাষাৰ পৰিৱৰ্তিত কথ্য ৰূপটো সময়ত ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ পৰা পূৰ্বাঞ্চললৈকে পৰিব্যাপ্ত হৈছিল। খ্ৰীঃ পূঃ তৃতীয় শতিকামানত ইয়াৰ পাঁচটা আঞ্চলিক ৰূপ পোৱা গৈছিল। সেইকেইটা হ'ল— উত্তৰ-পশ্চিমা বা গান্ধাৰ উদীচ্য, পশ্চিমা বা সৌৰাষ্ট্ৰ প্ৰাতীচ্য, দক্ষিণী, মধ্যদেশীয় বা প্ৰাচ্য-মধ্যা আৰু প্ৰাচ্যা। অশোকৰ অনুশাসনসমূহত এই আঞ্চলিক ঔপভাষিক ৰূপবোৰৰ নিদৰ্শন ৰক্ষিত হৈছে।

'প্ৰাকৃত' শব্দটো আহিছে 'প্ৰকৃতি' অভিধাৰ পৰা। ইয়াৰ অৰ্থ 'মূল' বা 'জনসাধাৰণ'। প্ৰাকৃত ব্যাকৰণকাৰসকলে মূল বা উৎস অৰ্থতে শব্দটো ব্যৱহাৰ কৰিছে। প্ৰাকৃত বৈয়াকৰণ হেমচন্দ্ৰৰ মতে, "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভৱং বা তত আগতং প্ৰাকৃতম্"। অৰ্থাৎ, সংস্কৃত হ'ল প্ৰকৃতি বা মূল আৰু মূলৰ পৰা যি আহিছে বা উৎপত্তি হৈছে সিয়েই প্ৰাকৃত। হেমচচন্দ্ৰ, পুৰুষোত্তম, মাৰ্কণ্ডেয়, কবীন্দ্ৰ, দণ্ডী আদি বৈয়াকৰণ তথা আলংকাৰিকেও এই মতকে পোষণ কৰিছে। সংস্কৃত ভাষা বুলিলে পাণিনিৰ দ্বাৰা সংস্কাৰীভূত ভাষাকহে বুজা যায়। এই ফালৰ পৰা শিষ্ট-শিক্ষিত লোকৰ ব্যাকৰণ-অনুশাসিত ভাষা 'সংস্কৃত' আৰু তাৰ বিপৰীতে সাধাৰণজনৰ মুখৰ সংস্কাৰবিহীন তথা স্বাভাৱিক সহজ-সৰল বচনভংগীয়েই প্ৰকৃতি আৰু তাৰ পৰা উদ্ভৱ হোৱা ভাষাই প্ৰাকৃত মুখৰ যি স্বাভাৱিক ভাষা সেয়াই 'প্ৰাকৃত'—এনে অৰ্থহে গ্ৰহণীয় যেন লগে।

'প্ৰকৃতি'ৰ অৰ্থ 'নিসৰ্গ' বা 'স্বাভাৱিক'। "প্ৰাকৃত জনানাং ভাষা প্ৰাকৃতম", কথাযাৰে জনসাধাৰণৰ জীৱনৰ স্বাভাৱিক ভাষাই যে প্ৰাকৃত ভাষা, তাকেই বুজাইছে।

অর্থাৎ সাধাৰণ লোকৰ স্বচ্ছন্দ ভাষাৰীতিয়েই হৈছে প্রাকৃত ভাষা। আকৌ আন এচামৰ মতে— 'প্রাক-কৃত' অর্থাৎ, প্রাকৃত হৈছে সংস্কৃতৰ আগৰ। প্রাকৃত শব্দটোৰ ব্যুৎপত্তি সম্বন্ধে এনেবোৰ মতদ্বৈধ থাকিলেও, এই কথা নিশ্চিত যে, লৌকিক বা কথিত বৈদিক ভাষাই পাণিনি প্রভৃতি বৈয়াকৰণৰ হাতত পৰিমার্জিত বা সুগঠিত হৈ সংস্কৃত নামেৰে খ্যাত হ'ল আৰু আনফালে বৈদিক কথিত ভাষাৰ স্বাভাৱিক পৰিৱর্তনৰ ফলত প্রাকৃত ভাষাৰ উদ্ভৱ হ'ল।

'প্রাকৃত' শব্দটিৰ সর্বপ্রথম উল্লেখ পোৱা যায় খ্রীঃ দ্বিতীয় শতিকাৰ ভৰতৰ 'নাট্যশাস্ত্র'ত। খ্রীঃ সপ্তম শতিকাত আচার্য দণ্ডীয়ে 'কাব্যাদর্শ'ত সাহিত্যিক ভাষাৰূপে প্রাকৃতক স্বতন্ত্র মর্যাদা দিয়ে। প্রাকৃত ভাষাক জনগণৰ মুখৰ ভাষা বুলি কোৱা হৈছে যদিও, পৰৱর্তী সময়ত এই ভাষাৰ যি ৰূপ সাহিত্যত ব্যৱহৃত হৈছিল, সি আছিল জনগণৰ কথ্য ভাষাৰ পৰিমার্জিত ৰূপ। সংস্কৃতৰ আদর্শত গঢ় লোৱা বাবে আৰু কিছু পৰিমাণে কৃত্রিম ৰূপেৰে সাহিত্যত ব্যৱহৃত হোৱা বাবে ইয়াক 'সাহিত্যিক প্রাকৃত' আখ্যা দিয়া হৈছে।

আনুমানিক খ্রীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ দশম শতিকালৈকে পৰিব্যাপ্ত এই প্রাকৃত বা মধ্য ভাৰতীয় আর্যভাষাৰ ঐতিহাসিক বিৱর্তনক ভাষাতত্ত্ববিদ পণ্ডিতসকলে নিম্নোক্ত তিনিটা স্তৰত ভাগ কৰিছে—

(ক) আদি স্তৰ বা প্রাচীন প্রাকৃত (খ্রীঃ পূঃ ষষ্ঠ শতিকা— খ্রীঃ প্রথম শতিকা)।

(খ) মধ্য স্তৰ বা মধ্য প্রাকৃত (খ্রীঃ প্রথম শতিকা— খ্রীঃ ষষ্ঠ শতিকা)।

(গ) অন্ত্য স্তৰ বা অন্ত্য প্রাকৃত (খ্রীঃ ষষ্ঠ শতিকা— খ্রীঃ দশম শতিকা)।

মধ্য এছিয়াত প্রাপ্ত খৰোষ্ঠী ধম্মপদ বা 'খোটানী ধম্মপদ' (খ্রীঃ পূঃ ১০০— খ্রীঃ ১০০) আৰু 'নিয়া প্রাকৃত'ৰ (খ্রীঃ ৩য় শতিকা) উদ্ধাৰে ভাৰতীয় আর্য ভাষাৰ ইতিহাসত এটা দোমোজাৰ স্তৰে ভুমুকি মাৰে। ফলত ভাৰতীয় আর্য ভাষাৰ ক্রমবিৱর্তনৰ ইতিহাসত আন এটি স্তৰৰ সংযোগ ঘটে। ভাষাতত্ত্ববিদসকলে এই স্তৰটোক 'ক্রান্তি স্তৰ' আখ্যা দিছে। এই স্তৰৰ বিস্তৃতি খ্রীঃ পূঃ প্রথম শতিকাৰ পৰা খ্রীঃ তৃতীয় শতিকা।

পৰিৱর্তিত ভাষাৰূপৰ সৈতে সংগতি ৰাখি প্রাকৃত বা মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰভেদে বিভিন্ন প্রকাৰৰ সাহিত্যৰ সৃষ্টি হয় আৰু পালি, সাহিত্যিক প্রাকৃত, অপভ্রংশ আৰু অবহট্‌ঠ ভাষাত ৰচিত সাহিত্যৰ মাজেৰে এই স্তৰ সুসমৃদ্ধ হয়। এনেদৰে মধ্য ভাৰতীয় আর্য ভাষাত সৃষ্টি হোৱা বিবিধ সাহিত্যৰ মাজেৰে পালি, প্রাকৃত আৰু অপভ্রংশ— এই তিনিটা ৰূপ স্পষ্টতৰ হৈ উঠা হেতুকে এই স্তৰটোক 'পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্যৰ যুগ' বুলিও কোৱা হয়।

আদি স্তৰৰ প্রাকৃতৰ নিদর্শন ঃ

খ্রীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ প্রথম শতিকাৰ সময়ছোৱাক আদি প্রাকৃতৰ স্তৰ বোলা হৈছে। এই স্তৰৰ ভাষাৰ নিদর্শন অশোকৰ অনুশাসনসমূহ, মধ্য ভাৰতৰ জোগীমৰা গুহাৰ শিলালিপি, ওড়িশাৰ হাথিগুম্ফাত কলিংগৰাজ খাৰৱেলাৰ দ্বাৰা খোদিত

শিলালিপি, গোয়ালিয়ৰৰ বেছ নগৰৰ গৰুড় স্তম্ভলিপি, বৌদ্ধ হীনযান সম্প্রদায়ৰ পালি সাহিত্য আৰু মহাযান সম্প্রদায়ৰ 'মিশ্র প্রাকৃত' বা বৌদ্ধ-সংস্কৃত আদিৰ মাজত পোৱা গৈছে।।

ক্রান্তি স্তৰৰ প্রাকৃতৰ নিদর্শন ঃ

এই স্তৰৰ সময়সীমা হৈছে খ্রীঃ পূঃ প্রথম শতিকাৰ পৰা খ্রীঃ তৃতীয় শতিকা। মধ্য এচিয়াৰ এচিয়া মাইনৰৰ খোটান অঞ্চলত প্রাপ্ত, খৰোষ্ঠী লিপিত লিখিত 'খোটানী ধম্মপদ' আৰু প্রাচীন শ্বান শ্বান ৰাজ্যৰ নিয়া নামৰ অঞ্চলত উদ্ধাৰ হোৱা খৰোষ্ঠী লিপিত লিখিত বস্তু বেচা-কিনা কৰা দলিল-পত্রৰ ভাষা 'নিয়া প্রাকৃত'ৰ মাজত এই স্তৰৰ ভাষাৰ নিদর্শন আৱিষ্কৃত হৈছে ।

মধ্য স্তৰৰ প্রাকৃতৰ নিদর্শন ঃ

এই স্তৰটোক সাহিত্যিক প্রাকৃতৰ স্তৰ বোলা হৈছে। এইছোৱা সময়ত মাহাৰাষ্ট্রী, শৌৰসেনী, মাগধী, অর্ধ মাগধী আৰু পৈশাচী—এই পাঁচটা সাহিত্যিক প্রাকৃতৰ ব্যৱহাৰ আছিল। মধ্য স্তৰৰ প্রাকৃতৰ নিদর্শনসমূহ হ'ল— অশ্বঘোষৰ প্রাচীন সংস্কৃত নাটক 'সাৰিপুত্র প্রকৰণ'ৰ প্রাকৃতাংশ, ভৰতৰ নাট্যশাস্ত্রত উল্লিখিত ধ্রুৱা গীত , ভাস-কালিদাস আৰু পৰৱর্তী নাট্যকাৰৰ নাটকৰ প্রাকৃতাংশ, অর্ধ মাগধীত ৰচিত জৈন শাস্ত্র, মাহাৰাষ্ট্রী প্রাকৃতত ৰচিত বিভিন্ন কাব্য, কবিতা আৰু গীত ।

অন্ত্য স্তৰৰ প্রাকৃতৰ নিদর্শন ঃ

অপভ্রংশ আৰু তাৰ অন্তিম ৰূপ অবহট্ঠ এই স্তৰৰ ভাষা। আব্দুৰ ৰহমানৰ সন্দেশ ৰাসক, বিদ্যাপতিৰ কীর্তিলতা আৰু কীর্তিপতাকা কাব্য অপভ্রংশ তথা অবহট্ঠ সাহিত্যৰ প্রকৃষ্ট উদাহৰণ। জৈনসকলৰ পৃষ্ঠপোষকতাত সৃষ্ট অপভ্রংশ সাহিত্যৰ মাজত, জৈন, শিৱ, নাথ আৰু বৌদ্ধ সহজযানী-ব্রজযানীসকলে অৱহট্ঠত ৰচনা কৰা ধর্মীয় গীত-মাত আৰু ধর্মবহির্ভূত সাহিত্যৰ মাজতো এই ভাষাৰ নিদর্শন পোৱা যায়।

প্রাকৃত ভাষাৰ আদি স্তৰৰ নিদর্শনৰ মাজত কিছুমান আঞ্চলিক ভেদ আৰু সেই অনুসাৰে সুকীয়া ভাষিক বৈশিষ্ট্য ফুটি উঠা পৰিলক্ষিত হয়। অশোকৰ অনুশাসনসমূহত তাৰ সুন্দৰ নিদর্শন ৰক্ষিত হৈছে। পালি ভাষাক প্রাকৃত স্তৰৰ প্রথম সাহিত্যিক নিদর্শন বোলা হৈছে। "পালি হ'ল প্রাচীন প্রাকৃতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বৌদ্ধধর্ম সাহিত্যৰ ভাষা। প্রকৃততে পালিক ক'ব পাৰি বৌদ্ধ প্রাকৃত।" এই ভাষাত বুদ্ধ-বচন সংকলিত হৈছে।

পালি ভাষা ভাৰতৰ কোনো অঞ্চলৰ কথিত ভাষা নাছিল, ই আছিল বৌদ্ধধর্ম সাহিত্যৰ ভাষা, যাৰ বাবে ইয়াৰ নামকৰণ আৰু উদ্ভৱ স্থান সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন মত দাঙি ধৰিছে। 'পাঠ পালন কৰা' বা 'পাঠ সংৰক্ষণ কৰা' অথবা 'পংক্তি' আদিৰ পৰা পালি নামৰ উদ্ভৱ হৈছে বুলি ভাষাতাত্ত্বিকসকলে মত আগবঢ়াইছে। ইয়াৰ উপৰি পাটলিপুত্রৰ 'পাটলি' বুদ্ধবাণীৰ বিকল্প শব্দ 'পর্যায়, পালিৰ মূল সংস্কৃত ৰূপ 'পৰিভাষা'

আৰু 'পল্লী'ৰ পৰাও পালিৰ উৎপত্তি হ'ব পাৰে বুলি আন কেতবোৰ মত পোৱা যায়। এই সকলোবোৰ মত চালি-জাৰি চাই 'পাঠৰ পালন' বা 'পংক্তি'ৰ পৰাই 'পালি' শব্দৰ উৎপত্তি হোৱা বুলি পণ্ডিসকল প্রায় ঐকমত্যত উপনীত হৈছে।

বুদ্ধদেৱৰ মহাপৰিনির্বাণৰ (খ্রীঃ পূঃ ৪৮৪) অব্যৱহিত পৰৱর্তী কালত চাৰিখন মহাসংগীতি অনুষ্ঠিত হৈছিল। ইয়াৰে ৰাজগীৰ বা ৰাজগৃহত বহা প্রথম মহামেলত 'বুদ্ধ-বচন' সংকলিত হৈছিল আৰু তাৰ এশ বছৰৰ পাছত বৈশালীত বহা দ্বিতীয় মহামেলত সেইবোৰৰ পাঠ পৰীক্ষা কৰি গ্রহণ কৰা হৈছিল। পাছত ই 'ত্রিপিটক'ৰূপে জনাজাত হয়। বহুতৰ মাতে ত্রিপিটকৰ ভাষাই পালি ভাষা। ভাষিক বৈশিষ্ট্য আৰু সাহিত্যিক নিদর্শনৰ ভিত্তিতপালি ভাষাৰ ক্রম বিকাশক পাঁচটা ভাগত ভগো ৰা হৈছে—

১) প্রথম স্তৰ ঃ গাথা সাহিত্যৰ যুগ,

২) দ্বিতীয় স্তৰ ঃ গদ্য মিশ্রিত গাথা সাহিত্যৰ যুগ,

৩) তৃতীয় স্তৰ ঃ ত্রিপিটক সাহিত্যৰ যুগ,

৪) **চতুর্থ স্তৰ ঃ** সংস্কৃত প্রভাৱিত গদ্যৰ যুগ (নিদর্শন ঃ মিলিন্দ পঞ্হ),

৫) পঞ্চম স্তৰ ঃ টীকা ভাষ্যৰ যুগ ঃ (নিদর্শন ঃ বুদ্ধঘোষ, বুদ্ধদত্ত আৰু ধর্মপালৰ টীকা গ্রন্থ)।

মধ্য ভাৰতীয় আর্যভাষাৰ প্রায় আটাইবোৰ বৈশিষ্ট্য পালি ভাষাতো বিদ্যমান যদিও, প্রাচীন স্তৰৰ হোৱা বাবে অন্যান্য প্রাকৃততকৈ ইয়াৰ ভাষা কিছু ভিন্ন।

মধ্য ভাৰতীয় আর্যভাষাক বুজাবলৈ 'প্রাকৃত' শব্দৰ প্রয়োগ হ'লেও, প্রাকৃত বুলিলে সাধাৰণতে সাহিত্যিক প্রাকৃতকহে বুজা যায়। R. Pischel-ৰ মতে, "The Indian always understood by the term Pakrit, the literary languages. খ্রীষ্টীয় তৃতীয় শতিকামানত ভাৰতৰ বিভিন্ন অঞ্চলত প্রচলিত আর্য ভাষাৰ পৰিৱর্তিত ৰূপবোৰে আঞ্চলিক বৈশিষ্ট্যেৰে সমুজ্জ্বল হৈ দেখা দিয়ে। এইবোৰ ভাষাৰ মাধ্যমেৰে সাহিত্যও সৃষ্টি হ'বলৈ লয় আৰু সাহিত্য সৃষ্টি হোৱাৰ বাবে ই সময়ত 'সাহিত্যিক প্রাকৃত' নামেৰে পৰিচিত হয়। এই সাহিত্যিক প্রাকৃত পাঁচ প্রকাৰৰ— মাহাৰাষ্ট্রী, শৌৰসেনী, মাগধী, অর্ধ-মাগধী আৰু পৈশাচী।

সাহিত্যিক প্রাকৃত ভাষাবোৰৰ ভিতৰত **মহাৰাষ্ট্রী প্রাকৃতক** শ্রেষ্ঠ আৰু আদর্শ আদর্শ প্রাকৃত হিচাপে গণ্য কৰা হৈছিল। সংস্কৃত আলংকাৰিক আচার্য দণ্ডীয়ে 'কাব্যাদর্শ' গ্রন্থত লিখিছে— "মহাৰাষ্ট্রাশ্রয়াং ভাষাং প্রকৃষ্টং প্রাকৃতং বিদুঃ।" A. C. Woolner-এ তেওঁৰ Introduction to Prakrit গ্রন্থত অনুৰূপ মন্তব্য কৰি কৈছে— "Maharastri was regarded as the Prakrit per excellence."গোদাবৰী নদী-কূলৰ নগৰসমূহৰ পৰা, অর্থাৎ দাক্ষিণাত্যৰ উত্তৰাংশৰ পৰা মহাৰাষ্ট্র-ৰাজস্থান পর্যন্ত একালত দক্ষিণ-পশ্চিম ভাৰতৰ বিশাল ভূখণ্ডৰ এক সংগীতময় ভাষা আছিল— মাহাৰাষ্ট্রী প্রাকৃত। কাশ্মীৰৰাজ দ্বিতীয় প্রবৰসেনৰ সেতুবন্ধ বা ৰাৱণবহো বা দহমুহবহো,

বাক্‌পতিৰাজৰ (বপ্পইৰাঅ) গৌউড়বহো, নৃপতি হাল সংকলিত গাহাসত্তসঈ, জয়বল্লভৰ (জয়বল্লহ) বজ্জালগ্ন আদি মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত উৎকৃষ্ট কাব্যৰ নিদর্শন। ব্যঞ্জন ধ্বনিৰ সীমিত প্ৰয়োগৰ হেতু এই ভাষা আছিল শুৱলা আৰু কোমল। সেই বাবে সংস্কৃত নাটৰ গীতাংশত মহাৰাষ্ট্ৰী প্ৰাকৃতৰ প্ৰয়োগ হৈছিল। আধুনিক মাৰাঠী ভাষাৰ জন্ম মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা হোৱা বুলি ধাৰণা কৰা হৈছে।

শৌৰসেনী প্ৰাকৃত প্ৰাচীন শূৰসেন দেশৰ পশ্চিম ভাৰতৰ মধ্যাঞ্চালত প্ৰচলিত আছিল। এই প্ৰাকৃত বহু পৰিমাণে ৰক্ষণশীল আৰু প্ৰাচীনধর্মী তথা বৈদিক-সংস্কৃতৰ কিছু ওচৰ-চপা। বংগাৰু, বুন্দেলী, কনৌজী, হিন্দুস্থানী, ব্ৰজভাষা আদি ভাষা শৌৰসেনী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে। সংস্কৃত নাটকত নাৰী, বিদুষক, মন্ত্ৰী, সেনাপতি, ৰাজ-বিষয়া আদি মধ্যম শ্ৰেণীৰ নাট্য চৰিত্ৰৰ মুখত শৌৰাসেনী ভাষাৰ সংলাপ দিয়া হৈছিল।

ভাৰতৰ পূব অঞ্চলৰ প্ৰচলিত প্ৰাকৃত আছিল **মাগধী**। প্ৰাচীন মগধক কেন্দ্ৰ কৰি বিকাশ লাভ কৰিছিল বাবে এই প্ৰাকৃতৰ নাম মাগধী হৈছে।। এই প্ৰাকৃতৰ প্ৰাচীনতম নিদর্শন পোৱা যায় জোগীমৰা গুহাত খোদিত শুতনুকা প্ৰত্নলিপি আৰু অশ্বঘোষৰ সাৰিপুত্ৰ প্ৰকৰণত। সংস্কৃত নাটকত মাছমৰীয়া, কমাৰ, চমাৰ, আৰক্ষী আদি অশিক্ষিত আৰু অনভিজাত চৰিত্ৰৰ মুখৰ সংলাপ হিচাপে মাগধী প্ৰাকৃত ব্যৱহাৰ কৰা হৈছিল। কালিদাস, শূদ্ৰক, বিশাখদত্তৰ নাটত মাগধী প্ৰাকৃতৰ এনে প্ৰয়োগ লক্ষ্য কৰিব পাৰি। শূদ্ৰকৰ মৃচ্ছকটিকম্‌ নাটকত এনেকি ৰাজশ্যালক শকাৰৰ মুখতো মাগধী প্ৰাকৃত দিয়া হৈছে। আপোনাৰ অৱগতিৰ অর্থে কৈ থওঁ, এই মাগধী প্ৰাকৃতৰ পৰাই ভাৰতৰ পূর্বাঞ্চলত প্ৰচলিত আধুনিক মগধীয় ভাষা গুচ্ছ— অসমীয়া, বাংলা, ওড়িআ, ভোজপুৰী, মৈথিলী আৰু মগহীৰ উদ্ভৱ হৈছিল।

প্ৰাচীন শূৰসেন আৰু মগধৰ মধ্যৱর্তী প্ৰাচীন কোশল অঞ্চলৰ কথ্য-প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি **অর্ধ মাগধী** নামৰ সাহিত্যিক প্ৰাকৃতৰ জন্ম হৈছিল। জৈন ধর্ম সাহিত্যৰ বাহক অর্ধ মাগধী জৈন প্ৰাকৃত নামেৰেও জনাজাত। অশ্বঘোষৰ সাৰিপুত্ত প্ৰকৰণৰ কোনো কোনো অংশত অর্ধ-মাগধীৰ নিদর্শন পৰিস্ফুট হৈছে বুলি কোনো কোনো পণ্ডিতে মত প্ৰকাশ কৰিছে। অর্ধ মাগধীৰ পৰা আধুনিক ভাৰতীয় ভাষা অৱধী, বঘেলী আৰু ছত্তিশগড়ীৰ উদ্ভৱ হৈছে।

পৈশাচী প্ৰাকৃতৰ উদ্ভৱ স্থল প্ৰাচীন ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল (বর্তমান পাকিস্তানৰ অন্তর্গত) বুলি ঠাৱৰ কৰা হৈছে। পণ্ডিতসকলে এই অঞ্চলৰ শাহবাঝগঢ়ী আৰু মানছেহৰাত উদ্ধাৰ হোৱা অশোকৰ অনুশাসনত প্ৰয়োগ হোৱা প্ৰাকৃতৰ আঞ্চলিক ৰূপ উত্তৰা-পশ্চিমা উপভাষাকে **পৈশাচী প্ৰাকৃতৰ** মূল বুলি সিদ্ধান্ত কৰিছে। পৈশাচী প্ৰাকৃতৰ কোনো লিখিত নিদর্শন পাবলৈ নাই। এই প্ৰাকৃতত আনুমানিক খ্ৰীষ্টীয় দ্বিতীয় শতিকাত গুণাঢ্যই বড্ডকহা (বৃহৎকথা) নামৰ কাহিনীমূলক গদ্যধর্মী গ্ৰন্থ এখন ৰচনা কৰিছিল বুলি ব্যাকৰণকাৰসকলৰ দ্বাৰা উদ্ধৃত দুই এটা শ্লোক আৰু ক্ষেমেন্দ্ৰৰ

বৃহৎকথামঞ্জৰী, আর্যক্ষেমীশ্বৰৰ বৃহৎকথাশ্লোকসংগ্রহ, সোমদেৱৰ কথাসৰিৎসাগৰ আদি পৰৱর্তী সংস্কৃত সাহিত্যৰ পৰা জানিব পৰা যায়।

মধ্য ভাৰতীয় আর্য ভাষাৰ শেষ স্তৱটোৰ নাম **অপভ্রংশ স্তৰ**। এই স্তৰ খ্রীষ্টীয় ষষ্ঠ শতিকাৰ পৰা দশম শতাব্দী পর্যন্ত পৰিব্যাপ্ত। এই স্তৰত ভাৰতীয় আর্য ভাষাই অধিক সৰলতৰ ৰূপ লাভ কৰে। জর্জ গ্রীয়ের্ছন প্রমুখ্যে প্রায়ভাগ ভাষাতত্ত্ববিদে প্রতিটো সাহিত্যিক প্রাকৃত আৰু নব্য ভাৰতীয় আর্যভাষাৰ মধ্যৱর্তী একোটাকৈ অপভ্রংশ অৱস্থা কল্পনা কৰি লৈছিল। কাৰণ শৌৰসেনীৰ বাহিৰে বাকীবোৰ প্রাকৃতৰ অপভ্রংশ স্তৰৰ কোনো নিদর্শন পাবলৈ নাই।

অপভ্রংশ শব্দটো পোনতে ব্যৱহাৰ কৰিছিল মহাভাষ্যৰ ৰচক খ্রীঃ প্রথম শতিকাৰ বৈয়াকৰণ পতঞ্জলিয়ে। তেওঁৰ মতে 'সংস্কৃত শাস্ত্রজ্ঞানৰ ভাষা আৰু অপভ্রংশ শাস্ত্রহীনৰ ভাষা'। ইয়াৰ দ্বাৰা তেওঁ মুখ্যতঃ মধ্য ভাৰতীয় আর্যভাষাকে বুজাইছিল। আচার্য দণ্ডীয়ে কিন্তু প্রাকৃত আৰু অপভ্রংশ দুয়োটাকে সুকীয়াৰূপে দেখুৱাইছে। প্রাকৃত ব্যাকৰণকাৰসকলৰ মতে আকৌ অপভ্রংশ প্রাকৃতৰে প্রকাৰভেদ মাত্র। 'কাব্যালংকাৰ'ৰ টীকাকাৰ নমিসাধুৰ মতে "প্রাকৃতমেৱাপভ্রংশঃ"; অর্থাৎ অপভ্রংশ মাগধী-শৌৰসেনী আদিৰ দৰেই প্রাকৃতৰ এক প্রকাৰভেদ মাত্র।

অপভ্রংশৰ দুটা স্তৰ— প্রাচীন অপভ্রংশ আৰু অর্বাচীন অপভ্রংশ বা অবহট্‌ঠ। ভাষাতত্ত্ববিদ সুকুমাৰ সেনৰ মতে মধ্য ভাৰতীয় আর্যভাষাৰ যিটো সার্বজনীন ৰূপ লোকসাহিত্যৰ বাহক হৈ উঠিছিল সেয়াই প্রাচীন অপভ্রংশ আৰু এই প্রাচীন অপভ্রংশৰ যিটো ৰূপ নব্য ভাৰতীয় আর্য ভাষাসমূহৰ অব্যৱহিত পূর্বৰূপ, তাৰ নামেই অর্বাচীন অপভ্রংশ বা অবহট্‌ঠ। প্রাকৃত ব্যাকৰণত এই দুয়োটা ৰূপৰে উল্লেখ পোৱা যায়। জসহৰচৰিউ, কৰকণ্ডচৰিউ, নেমিনাহচৰিউ, ভৱিসয়ত্তকহা অপভ্রংশৰ আৰু বিদ্যাপতিৰ কীর্তিলতা আৰু কীর্তিপতাকা, আব্দুৰ ৰহমানৰ সন্দেশ ৰাসক অৱহট্‌ঠৰ নিদর্শন। জৈন আৰু বৌদ্ধধর্মীয় সাহিত্যও অপভ্রংশত ৰচিত হৈছিল। খ্রীষ্টিয় ৯ম— ১৪ শতিকালৈকে লোক-সাহিত্যৰ পৰিচায়ক অর্বাচীন অপভ্রংশৰ উত্তৰ ভাৰতত সণ্ঢালনিকৈ প্রচলন আছিল। মধ্য ভাৰতীয় আর্যভাষা এনে ক্রম বিৱর্তনৰ পৰিণতি স্বৰূপে পৰৱর্তী সময়ত নব্য ভাৰতীয় আর্য ভাষাসমূহৰ উদ্ভৱ হয়।

মধ্য ভাৰতীয় আর্য ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) প্রাচীন ভাৰতীয় আর্য ভাষাৰ চৈধ্যটা স্বৰধ্বনিৰ ভিতৰত মধ্য ভাৰতীয় স্তৰত আঠোটা স্বৰধ্বনি ৰক্ষিত হৈছে। সেইকেইটা হ'ল— অ, আ, ই, ঈ, উ, ঊ, এ, ও। মধ্য ভাৰতীয় স্তৰত বৈদিক-সংস্কৃতৰ ঋ, ৠ, ঌ, ঌ^{৩} ধ্বনি সমূলি লোপ পায়। ঌ-কাৰৰ প্রয়োগ সংস্কৃততে কম। প্রাকৃতত ই বিলুপ্ত হয়।

ঋ ধ্বনি অ, ই, উ, এ বা স্বৰযুক্ত ৰ ধ্বনিলৈ পৰিৱর্তিত হ'ল, যেনে—

ঋ > অ — মৃগ > মগ, কৃত > কত (পালি), কট (প্রাকৃত);

ঋ > ই — হৃদয় > হিঅঅ, ঋষি > ইসি;

ঋ > উ — ঋজু > উজু, ঋষভ > উসহ, বৃদ্ধ > বুড্ঢ;

ঋ > এ — বৃন্ত > বেণ্ট, গৃহ >গেহ:

ঋ > ৰ — বৃক্ষ > ৰুক্খ, ৰ্ছা, অক্ষি অক্খি > অচ্ছি।

(২) বৈদিক-সংস্কৃতৰ দ্বিস্বৰ ধ্বনি 'ঐ' আৰু 'ঔ' প্রাকৃতত অসংযুক্ত ব্যঞ্জনৰ আগত থাকিলে ক্রমে এ আৰু ও, সংযুক্ত ব্যঞ্জনৰ আগত থাকিলে ক্রমে ই আৰু উ-লৈ পৰিৱর্তিত হয়। কেতিয়াবা ঐ > অই আৰু ঔ > অউ হোৱাও দেখা যায়, যেনে—

(ক) ঐ > এ আৰু ঔ > ও ঃ

ঐ > এ ঃ তৈল > তেল্ল, বৈৰ >বেৰ;

ঔ > ও ঃ ঔষধ > ওসধ, যৌৱন > জোব্বণ।

(খ) ঐ > ই আৰু ঔ > উ ঃ

ঐ > ই ঃ সৈন্ধৱ > সিন্ধৱ;

ঔ > উ ঃ মৌক্তিকম্ > মুত্তিঅং।

(গ) ঐ > অই আৰু ঔ > অউ ঃ

ঐ > অই ঃ কৈতৱ > কইঅৱ;

ঔ > অউ ঃ যৌৱন ঃ জউঅণ।

(৩) বৈদিক-সংস্কৃতৰ দ্ব্যক্ষৰ ধ্বনি 'অয়' আৰু 'অৱ' প্রাকৃতত ক্রমে 'এ' আৰু 'ও'-লৈ ৰূপান্তৰিত হৈছে, যেনে—

অয় > এ ঃ পূজয়তি > পূজেতি, পূজেদি, পূজেই;

অব > ও — লৱণম্ > লোণং;

ভবতি > ভোদি, হোদি, হোই।

(৪) প্রাচীন ভাৰতীয় আর্যভাষাৰ অনাদি, অসংযুক্ত স্বৰ মধ্যৱর্তী ক, গ, চ, জ, ত, দ, প, ব মধ্য ভাৰতীয় আর্যৰ স্তৰত লোপ পালে, অথবা বর্গৰ প্রথম বর্ণৰ ঠাইত তৃতীয় বর্ণ হ'ল; যেনে—কপি > কই, লোক > লোঅ, লতা > লআ, লদা, গত > গদ ইত্যাদি।

(৫) বৈদিক-সংস্কৃতৰ অসংযুক্ত মহাপ্রাণ ধ্বনি মধ্য ভাৰতীয় স্তৰত প্রায়ে 'হ'-লৈ ৰূপান্তৰিত হৈছে, যেনে— মুখ > মুহ, মেঘ > মেহ ইত্যাদি।

(৬) উষ্ম ধ্বনি শ, ষ, স মাগধীত শ আৰু পালি তথা অন্যান্য প্রাকৃতত স হৈছে; যেনে— শব্দ > সদ্দ, শিষ্য > সিস্স, সূচ্যতে > সূইজ্জই, পুৰুষ > পুলিশ (মাগধী)।

(৭) মধ্য ভাৰতীয় আর্যৰ স্তৰত য, জ ৰ ঠাইত 'জ' ধ্বনিৰ ব্যৱহাৰ অধিক ৰূপত পোৱা যায়। তেনেদৰে ন, ণ-ৰ ঠাইত প্রায়ে ণ হোৱা দেখা যায়।

(৮) প্রাচীন ভাৰতীয় আর্যভাষাৰ ঋ, ৰ, ষ ধ্বনিৰ পৰৱর্তী দন্ত্য ত, থ, দ, ধ, ন মূর্ধন্য মধ্য ভাৰতীয় আর্যৰ স্তৰত ট, ঠ, ড, ঢ, ণ-লৈ পৰিৱর্তিত হৈছে, যেনে— কৃত > কট।

(৯) প্রাচীন ভাৰতীয় আর্য ভাষাৰ পদান্তত থকা ম্-কাৰৰ ঠাইত মধ্য ভাৰতীয় আর্যৰ স্তৰত অনুস্বাৰ (ম > ং) হ'ল, যেনে— লৱণম্ > লোণং। অন্য পদান্ত ব্যঞ্জন লোপ পালে আৰু প্রায় সকলো শব্দ স্বৰান্ত হ'ল; যেনে— যাৱৎ > জাৱ, নৱাৎ > নৱা।

(১০) মধ্য ভাৰতীয় আর্যৰ স্তৰত পদান্তস্থিত অনুস্বাৰৰ পূর্বৱর্তী দীর্ঘ স্বৰ হ্রস্ব স্বৰত পৰিণত হৈছে; যেনে— কান্তাম্ > কন্তং, দীর্ঘ > দিগ্ঘ। পদ মধ্যস্থ অনুস্বাৰ লোপৰ ফলত আকৌ হ্রস্বস্বৰ দীর্ঘ হোৱাও দেখা যায়; যেনে— ত্রিংশত > তীসা, বিংশত > বীসা ইত্যাদি।

(১১) মধ্য ভাৰতীয় আর্য ভাষাত পদৰ শেষত থকা বিসর্গযুক্ত অ-কাৰ ঠাইত ও-কাৰ হৈছে। মাগধী প্রাকৃততে এ-কাৰ হৈছে। অন্য ক্ষেত্রত বিসর্গ লোপ পাইছে, যেনে—

জনঃ > জনো, এষঃ > এশে (মাগধী)।

(১২) মধ্য ভাৰতীয় আর্যৰ স্তৰত সংযুক্ত ব্যঞ্জনবোৰ ধ্বনি পৰিৱর্তনৰ বিবিধ প্রক্রিয়াৰে পৰিৱর্তন ঘটি অধিক সৰলীকৃত হৈছে। পদৰ আদি স্থানত অৱস্থিত সংযুক্ত ব্যঞ্জনবোৰ একক ব্যঞ্জনত পৰিণত হৈছে অথবা স্বৰাগম হৈ সৰলীকৃত ৰূপ লৈছে। মধ্যস্থানত অৱস্থিত সংযুক্ত ব্যঞ্জনবোৰ সৰহভাগ ক্ষেত্রত সমীভৱন আৰু স্বৰভক্তিৰ দ্বাৰা সৰলীকৃত হৈছে; যেনে—ত্রীণি > তিন্নি, স্নেহ > ণেহ (আদি ব্যঞ্জনৰ লোপ), স্ত্রী > ইত্থী (আদি স্বৰাগম), অগ্নি > অগ্গি, কর্ম > কম্ম, অগ্র > অগ্গ (সমীভৱন) ইত্যাদি।

(১৩) মধ্য ভাৰতীয় আর্যৰ স্তৰত প্রাচীন ভাৰতীয় আর্য ভাষাৰ 'ক্ষ' (ক+য) ধ্বনি মাহাৰাষ্ট্রী প্রাকৃতত চ্ছ বা ছ, শৌৰসেনীত ক্খ আৰু মাগধীত শ্ক হৈছে, যথা— অক্ষি > অচ্ছি (মাহাৰাষ্ট্রী), চক্ষু >চক্খু (শৌৰসেনী), প্রেক্ষতে > পেশ্কদি (মাগধী)।

(১৪) প্রাচীন ভাৰতীয় আর্যভাষাত য'তেই সম্ভৱ ত'তেই সন্ধি হৈছিল। মধ্য ভাৰতীয় আর্যৰ স্তৰত তেনে প্রৱণতা দেখা নাযায়। এই স্তৰৰ সন্ধি সৰল আৰু স্বাভাৰিক।

(১৫) প্রাচীন ভাৰতীয় আর্যভাষাৰ ছন্দ অক্ষৰমূলক হোৱা হেতুকে অক্ষৰৰ ওপৰত ভিত্তি কৰি ছন্দ নির্ণয় কৰা হৈছিল। মধ্য ভাৰতীয় আর্য ভাষাৰ ছন্দ মাত্রামূলক, অর্থাৎ ইয়াত অক্ষৰবোৰ উচ্চাৰণৰ কাল বা মাত্রাৰ ওপৰত নির্ভৰ কৰে।

(১৬) মধ্য ভাৰতীয় আর্য ভাষাত বিষমমাত্রিক আৰু সমমাত্রিক দুয়ো প্রকাৰৰ ছন্দেৰে কবিতা ৰচনা কৰা হৈছিল।

(১৭) মধ্য ভাৰতীয় আর্যৰ স্তৰত অন্ত্যানুপ্রাসে বিশেষ ভূমিকা গ্রহণ কৰা দেখা যায়। কিন্তু প্রাচীন স্তৰৰ কাব্য ৰচনাত অন্ত্যানুপ্রাস বা অন্ত্যমিলৰ প্রয়োগাধিক্য নাছিল।

(খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) মধ্য ভাৰতীয় আর্য ভাষাত বচন দুই প্রকাৰৰ— একবচন আৰু বহুবচন। বৈদিক-সংস্কৃতৰ দ্বিবচন এই স্তৰত লুপ্ত হৈছে আৰু তাৰ ঠাইত বহুবচনৰ প্রয়োগ হৈছে।

(২) প্রাচীন ভাৰতীয় আর্য ভাষাত বহুবচন বুজাবলৈ প্রথম পুৰুষ আৰু দ্বিতীয় পুৰুষত স্বৰান্ত শব্দৰ পুংলিংগৰ যি ভিন্ন ৰূপ ব্যৱহাৰ হৈছিল, মধ্য ভাৰতীয় আর্য ভাষাত

সেয়া লোপ পাইছে, যথা—

প্রাঃ ভাঃ আঃ ঃ নৰ নৰাঃ (প্রথম পুৰুষ)
নৰান্ (দ্বিতীয় পুৰুষ)

মঃ ভাঃ আঃ ঃ নৰ নৰা (প্রথম, দ্বিতীয় পুৰুষ)

(৩) মধ্য ভাৰতীয় আৰ্য ভাষাতধাতু, ক্রিয়া-বিভক্তি আৰু ক্রিয়াৰূপৰ জটিলতা হ্রাস পাইছে। প্রাচীন ভাৰতীয় আৰ্য ভাষাত ধাতুবোৰক মুঠ দহোটা গণত(শ্রেণীত) ভাগ কৰা হৈছিল। ভ্বাদি, দিবাদি, স্বাদি চুড়াদি, জুহোত্যাদি তেনে কেইটামান গণ। মধ্য ভাৰতীয় আৰ্য ভাষাৰ পালি স্তৰত সাতোটা আৰু সাহিত্যিক প্রাকৃতৰ স্তৰত মাত্র তিনিটা গণ ৰক্ষিত হৈছে। এই স্তৰত সকলো ধাতু ভ্বাদিগণীয়ৰ দৰে ৰূপ হ'বলৈ ল'লে।

MIA– Mid Indo Arian
(মধ্য ভাৰতীয় আৰ্য)

(৪) বৈদিক-সংস্কৃতৰ আত্মনেপদ আৰু পৰস্মৈপদ— এই দুই ক্রিয়াৰূপৰ ভিতৰত মধ্য ভাৰতীয় আৰ্য ভাষাত অকল পৰস্মৈপদ থাকিল। আদি স্তৰৰ অশোকৰ অনুশাসন আৰু পালি ভাষাত আত্মনেপদ কদাচিৎ ব্যৱহাৰ হ'লেও, সাহিত্যিক প্রাকৃতৰ স্তৰত তাৰ প্রয়োগ সমূলি নোহোৱা হ'ল।

(৫) শব্দৰূপৰ দৰে ক্রিয়াৰূপতো মধ্য ভাৰতীয় আৰ্যত দ্বিবচন লোপ পালে আৰু তাৰ ঠাই ল'লে বহুবচনে।

(৬) বৈদিক-সংস্কৃতত ক্রিয়াৰ কাল আৰু ভাব বুজোৱা দহোটা ল-কাৰৰ প্রয়োগ আছিল। প্রাকৃতত পাঁচটা ভাব— নির্দেশক, অনুজ্ঞা বা লোট, অভিপ্রায়, নির্বন্ধ, সম্ভ্যবক বা বিধিলিঙৰ সলনি সংস্কৃতৰ দৰে নির্দেশক, অনুজ্ঞা আৰু সম্ভ্যবক— এই তিনিটা ভাবৰ প্রচলন থাকিল।

(৭) প্রাচীন ভাৰতীয় আৰ্য ভাষাত অতীত কাল বুজাবলৈ তিনিটা ক্রিয়াৰূপৰ প্রচলন আছিল। সেই কেইটা হ'ল— লঙ্, লুঙ্ আৰু লিট্। মধ্য ভাৰতীয় আৰ্যৰ স্তৰত লিট্ লুপ্ত হ'ল আৰু লঙ্ আৰু লুঙ একাকাৰ হ'ল।

(৮) প্রাচীন ভাৰতীয় আৰ্য ভাষাত -ত্বা, -ত্বায় প্রত্যয় যোগ দি অসমাপিকা ক্রিয়া গঠন কৰা হৈছিল। মধ্য ভাৰতীয় আৰ্য ভাষাত এই ক্রিয়াৰ এনে বিচিত্রতা লোপ পালে।

(৯) বৈদিক-সংস্কৃতত -ক্ত, -ক্তবতু যোগ কৰি অতীত কালৰ সমাপিকা ক্রিয়াৰূপ নির্ণয় কৰা নিয়ম মধ্য ভাৰতীয় আৰ্যৰ স্তৰত ব্যাপকভাৱে প্রচলিত হ'ল।

(১০) শব্দৰূপৰ ক্ষেত্রতো মধ্য ভাৰতীয় আৰ্য ভাষা প্রাচীন ভাৰতীয় আৰ্য ভাষাৰ তুলনাত যথেষ্ট সৰল হ'ল। বৈদিক-সংস্কৃতত পদান্তস্থিত ধ্বনিৰ পার্থক্য অনুসৰি শব্দৰূপ ভিন ভিন হৈছিল। মধ্য ভাৰতীয় আৰ্যৰ স্তৰত কিন্তু আ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত শব্দৰ বাহিৰে আন সকলো শব্দৰে ৰূপ অ-কাৰান্তৰ দৰে হ'ল।

(১১) বৈদিক-সংস্কৃতৰ বিশেষ্য আৰু সর্বনাম শব্দৰূপৰ পার্থক্য আছিল। মধ্য ভাৰতীয় আৰ্য ভাষাত কিন্তু এই পার্থক্য বহুলাংশে হ্রাস পালে আৰু বিশেষ্যৰ শব্দৰূপো সর্বনাম শব্দৰূপৰ দৰে হ'বলৈ ল'লে। পঞ্চমী আৰু সপ্তমীৰ একবচনত আৰু ষষ্ঠীৰ বহু

বচনত সর্বনামৰ বিভক্তি বিশেষ্যৰ ৰূপতো ব্যৱহাৰ হ'ল।

(১২) প্রাচীন ভাৰতীয় আর্য ভাষাৰ তৃতীয়াৰ বহুবচনৰ চিন '-ভিস্' (ভিং) মধ্য ভাৰতীয় আর্যত ধ্বনি-পৰিৱর্তনৰ ফলত '-হি'-লৈ পৰিৱর্তিত হ'ল। তদুপৰি ই পঞ্চমী বিভক্তিৰ চিন হিচাপেও ব্যৱহাৰ হ'বলৈ ল'লে। চতুর্থী বিভক্তি সম্বন্ধ পদৰ লগত একাকাৰ হ'ল।

(১৩) মধ্য ভাৰতীয় আর্য ভাষাত কাৰকৰ ক্ষেত্রত বিভক্তি লোপ হোৱাৰ ফলত বিভক্তিৰ স্থানত অনুসর্গ বা অনুসর্গজাত প্রত্যয়ৰ প্রয়োগ হ'বলৈ ল'লে।

(গ) শব্দগত আৰু বাক্য গঠনগত বৈশিষ্ট্য ঃ

(১) মধ্য ভাৰতীয় আর্য ভাষাৰ শব্দ-সম্ভাৰৰ ঘাই উৎস বৈদিক-সংস্কৃত হ'লেও, এই স্তৰত দেশী-বিদেশী ভালেমান নতুন শব্দৰ ব্যৱহাৰো পোৱা গ'ল। এনে কেতবোৰ শব্দৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল ঃ

(ক) **দেশী শব্দ** ঃ উঅ (পশ্য), মডহ (অল্প), দুলি (কচ্ছপ), মহই (ইচ্ছতি), টঙ্ক (উচ্চস্থান), ছইল্ল (বিদগ্ধ), খুত্ত (নিমগ্ন), ছল্লী (বল্কলম্), চক্খই (আস্বাদয়তি), ছজ্জন্তি (দীপ্যন্তি), ঘড় (ঘট) ইত্যাদি।

(খ) **বিদেশী শব্দ** ঃ


(অ) ইৰানীয় (প্রাচীন পাৰ্সিক) ঃ মুদ্দ (মুদ্রা), কাহাবন (কার্ষাপণ), হজাৰো, দোক্কানদাৰ, পেয়াজ, সুলতান, মোজা, তুৰুক, তুলুক, তুর্ক, ইত্যাদি।

(আ) আৰবী-ফার্ছী ঃ তবেল্লা, সৰাফে, কিতেবা, গুলামো, মখদুম ইত্যাদি।

(ই) গ্রীক শব্দ ঃ হোৰা, সুৰঙ্গ, সমিত, সমিতা, দম্ম ইত্যাদি।

(২) মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰত বিভক্তিৰ চিহ্নসমূহৰ কিছুমান লুপ্ত হোৱাত বাক্যত পদ-বিন্যাসৰ নিয়মৰ গুৰুত্ব বৃদ্ধি পালে। স্বতন্ত্র শব্দ আৰু প্রত্যয়ৰ লগতে অনুসর্গৰ প্রচলনে বাক্য গঠনত বিশেষ ভূমিকা ল'লে।

মধ্য ভাৰতীয় আর্য ভাষাৰ বৈশিষ্ট্যসমূহ একে সময়তে গঢ় লৈ উঠা নাই। ই জনসাধাৰণৰ বাগ্‌ভংগীত ক্রমাগতভাৱে বিকশিত হৈ এটা সময়ত নির্দিষ্ট ৰূপ লাভ কৰে আৰু পাছত এক নিয়মিত আৰু শৃংখলিত ৰূপ পায়। মধ্য ভাৰতীয় আর্যভাষাৰ পৰা খ্রীষ্টীয় দশম-দ্বাদশ শতিকাৰ সময়ছোৱাত নব্য ভাৰতীয় আর্য ভাষাবোৰৰ উদ্ভৱ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰ কেইটা কি কি? এই স্তৰৰ নিদর্শনৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

১২.৩.৩ নব্য ভাৰতীয় আর্য ভাষা

ভাৰতীয় আর্য ভাষাৰ ক্রম বিকাশৰ তৃতীয় স্তৰটো হৈছে— নব্য ভাৰতীয় বা আধুনিক ভাৰতীয় আর্য ভাষা। প্রাচীন ভাৰতীয় আর্য ভাষাৰ পৰা মধ্য ভাৰতীয় আর্য ভাষাৰ মাজেদি বিৱর্তন লাভ কৰি ক্রমে সৰলৰ পৰা সৰলতৰ হৈ খ্রীষ্টীয় দশম-দ্বাদশ শতিকামানত ভাৰতৰ বিভিন্ন প্রান্তত উদ্ভৱ হোৱা প্রাদেশিক ভাষাৰূপবোৰকে নব্য ভাৰতীয় আর্য ভাষা বোলা হৈছে। ভাষাতাত্ত্বিক পণ্ডিতসকলে এই ভাষাবোৰ যি বর্গীকৰণ কৰিছে তাৰ ভিতৰত তলত উল্লেখ কৰা তিনিটা শ্রেণী বিশেষভাৱে উল্লেখযোগ্য—

(ক) অন্ত�ৰঙ্গ-বহি�ৰঙ্গ বর্গীকৰণ

(খ) ভৌগোলিক বা স্থানগত বর্গীকৰণ

(গ) উৎসগত বা ঐতিহাসিক বর্গীকৰণ

(ক) অন্তৰঙ্গ-বহিৰঙ্গ বর্গীকৰণ ঃ

জার্মান ভাষাতত্ত্ববিদ অগষ্ট আৰ. এফ. হর্ণলিয়ে (August Rudolof Friedrich Hornele) ভাৰতবর্ষত আর্যসকলে দুটা দলত বিভক্ত হৈ প্রৱেশ কৰাৰ কথা অনুমান কৰিছিল। প্রথম দলটি আহি উত্তৰ-পশ্চিম ভাৰতৰ মধ্যদেশত বসতি স্থাপন কৰিছিল। পৰৱর্তী সময়ত দ্বিতীয় দলটো আহি প্রথম দলটোক সৰস্বতী নদীৰ দক্ষিণৰ পৰা প্রাচীন অযোধ্যা অঞ্চলৰ সৰযু নদী পর্যন্ত খেদি পঠিয়ায়। জর্জ আব্রাহাম গ্রীয়ের্ছনে হর্ণলি চাহাবৰ মত অনুসৰণ কৰি নব্য ভাৰতীয় আর্য ভাষাৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ বিভাজন দাঙি ধৰিছিল। তেওঁৰ মতে, পাছত অহা দ্বিতীয় দলটোৱে খেদি পঠিওৱা তথা ভাৰতত প্রথমে প্রৱেশ কৰা দলটো হ'ল বহিৰঙ্গ আর্য (Outer Aryan) আৰু পাছত প্রৱেশ কৰি প্রথম দলটোক খেদি পঠিয়াই মধ্যদেশত সমাজ পাতি বসবাস কৰিবলৈ লোৱা দলটো হ'ল অন্তৰঙ্গ আর্য (Inner Aryan)। বহিৰঙ্গ আৰু অন্তৰঙ্গ ঠালৰ পৰা যি নব্য ভাৰতীয় আর্য ভাষাৰ সৃষ্টি হৈছিল তাক ক্রমে বহিৰঙ্গ আৰু অন্তৰঙ্গ নব্য ভাৰতীয় আর্য ভাষা আখ্যা দিয়া হৈছিল। বহিৰঙ্গ আর্য ভাষাৰ নিদর্শন হৈছে— কাশ্মীৰী, সিন্ধি, বাংলা, ওড়িআ, অসমীয়া, মাৰাঠী, সিংহলী, যাযাবৰী, জিপ্‌সী আদি। আনহাতে অন্তৰঙ্গ আর্য শাখাৰ ভাষাবোৰ হৈছে— পশ্চিমা হিন্দী, পাঞ্জাৰী আদি। গ্রীয়ের্ছনে এই দুয়োটা শাখাৰ ভাষাবোৰৰ কেতবোৰ পার্থক্যও নির্ণয় কৰি দেখুৱাইছে।

উল্লেখনীয় যে হর্ণলি তথা গ্রীয়ের্ছনৰ এই তত্ত্ব পৰৱর্তী সময়ৰ ভাষাতাত্ত্বিকসকলে অগ্রাহ্য কৰিছে। কাৰণ বহিৰঙ্গ শাখাৰ অন্তর্ভুক্ত ভাষাৰ প্রায়বোৰ সাধাৰণ বৈশিষ্ট্য অন্তৰঙ্গ শাখাৰ মাজতো বিচাৰি পোৱা যায়। অর্থাৎ অন্তৰঙ্গ আৰু বহিৰঙ্গ দুয়োটা শাখাৰ ভাষাবোৰৰ মাজত পাৰস্পৰিক সাদৃশ্য বিদ্যমান। বর্তমান এই বর্গীকৰণ অপ্রচলিত।

(খ) ভৌগোলিক বা স্থানগত বর্গীকৰণ ঃ

নব্য ভাৰতীয় আর্য ভাষাসসমূহৰ বর্তমানৰ ভৌগোলিক অৱস্থানৰ ভিত্তিত কৰা বর্গীকৰণৰ নাম ভৌগোলিক বা স্থানগতবর্গীকৰণ। সুনীতিকুমাৰ চেটার্জীয়ে এই বিভাজন এনেদৰে দাঙি ধৰিছে—

(১) উত্তৰ-পশ্চিমা (উদীচ্য) — সিন্ধী আৰু পাঞ্জাৰী।

(২) মধ্যদেশীয় — পশ্চিমা হিন্দী (কথ্য হিন্দুস্তানী, ব্রজভাষা, বুন্দলী, বঙ্গাৰু, কনৌজী), পূর্বী পাঞ্জাৰী, ৰাজস্থানী আৰু গুজৰাটী।

(৩) প্রাচ্য — বাংলা, ওড়িআ, অসমীয়া, মৈথিলী, মগহী আৰু ভোজপুৰী।

(৪) দক্ষিণী — মাৰাঠী আৰু কোংকনী

৫) প্রাচ্য-মধ্যা — অৱধী, বঘেলী আৰু ছত্তিশগড়ী

৬) উত্তৰা বা হিমালয়ী — নেপালী, কুমায়ুনী আৰু গাড়োৱালী।

(গ) উৎসগত বা ঐতিহাসিক বর্গীকৰণ ঃ

ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ ইণ্ডো-ইৰাণীয় শাখাৰ ভাৰতীয় আর্য ঠালৰ শেষ স্তৰৰ ভাষা নব্য ভাৰতীয় আর্য ভাষা। প্রাচীন ভাৰতীয় আর্য স্তৰৰ পৰা মধ্য ভাৰতীয় আর্য ভাষাৰ মাজেৰে ক্রম বিৱর্তিত হৈ নব্য ভাৰতীয় আর্য ভাষাসনূহৰ উদ্ভৱ হৈছে। পূর্বেই উল্লেখ কৰা হৈছে যে মধ্য ভাৰতীয় আর্য ভাষাৰ তিনিটা স্তৰ ঃ আদি, মধ্য আৰু অন্ত্য। হয়াৰে অন্ত্য স্তৰটোৰ নাম অপভ্রংশ আৰু তাৰ শেহতীয়া ৰূপ অর্বাচীন অপভ্রংশ বা অৱহট্‌ঠ। নব্য ভাৰতীয় আর্য ভাষাসমূহ এই অর্বাচীন অপভ্রংশ বা অৱহট্‌ঠৰ পৰাই সৃষ্টি হৈছে আৰু এইবোৰ ভাৰতৰ, বিশেষকৈ উত্তৰ ভাৰতৰ বিভিন্ন প্রান্ততত বিয়পি আছে। জন্মৰ উৎসৰ আধাৰত কৰা এই বিভাজনকে ঐতিহাসিক বা উৎসগত বর্গীকৰণ বোলা হয়। ঐতিহাসিক বিৱর্তনৰ ফলত মধ্য ভাৰতীয় স্তৰত একোটাহঁত নতুন ভাষা-শ্রেণীৰ উদ্ভৱ হৈছে। সেইবোৰৰ ভিতৰত পৈশাচী, মহাৰাষ্ট্রী শৌৰসেনী, অর্ধ মাগধী, মাগধী, দর্দীয় ইৰানীয় আৰু সিংহলী আৰু জিপ্‌সী ভাষা-শ্রেণী বিশেষভাৱে উল্লেখযোগ্য। মধ্য ভাৰতীয় স্তৰৰ এনে ভাষা-শ্রেণীসমূহ হ'ল—

পৈশাচী গোষ্ঠী — সিন্ধী, পূর্বী পাঞ্জাৰী আৰু পশ্চিমা পাঞ্জাৰী।

মহাৰাষ্ট্রী গোষ্ঠী — মাৰাঠী আৰু কোঙ্কনী।

শৌৰসেনী গোষ্ঠী — (ক) পাহাৰী শাখা ঃ নেপালী, কুমায়নী, গাড়োৱালী

(খ) মধ্যদেশীয় শাখা ঃ কথ্য হিন্দুস্থানী, কনৌজী, বুন্দেলী আৰু বঙ্গাৰু।

(গ) পশ্চিমা শাখা ঃ গুজৰাটী, ৰাজস্থানী

অর্ধমাগধী গোষ্ঠী — অৱধী, বঘেলী আৰু ছত্তিশগড়ী

মাগধী গোষ্ঠী — (ক) পশ্চিমা শাখা ঃ মৈথিলী, মগহী আৰু ভোজপুৰী

(খ) পূর্বী শাখা ঃ অসমীয়া, বাংলা আৰু ওড়িআ


দৰ্দীয় গোষ্ঠী — কাশ্মীৰী

ইৰানীয় গোষ্ঠী — আফগান বা পখ্তো আৰু বেলুচী

সিংহলী আৰু জিপ্সী — সিংহলী আৰু জিপসী

উল্লেখনীয় যে ইয়াৰে দৰ্দীয় গোষ্ঠী হৈছে ইৰানীয় আৰু ভাৰতীয় আৰ্যৰ মধ্যৱৰ্তী শাখা। ইৰানীয় গোষ্ঠী আৰ্য ভাষাৰ অন্তৰ্গত হ'লেও ই ভাৰতৰ বাহিৰত প্ৰচলিত। ভাৰতীয় আৰ্য ভাষা সম্ভূত আন দুটা ভাষা সিংহলী আৰু জিপ্সীও ভাৰতৰ বাহিৰত প্ৰচলিত।

নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত ভাষাবোৰক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—



পাঞ্জাৰী ভাষা দুটা ভাগত বিভক্ত— পশ্চিম-পাঞ্জাৰী আৰু পূব-পাঞ্জাৰী। পশ্চিম-পাঞ্জাৰী বা লহন্দা পৈশাচী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে। আনহাতে পূব-পাঞ্জাৰী বা হিন্দকীৰ মূল হৈছে শৌৰসেনী প্ৰাকৃত। পশ্চিম-পাঞ্জাৰীত দৰ্দীয় শাখাৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। এই ভাষাত শাৰদা লিপিৰ পৰা উদ্ভৱ হোৱা লণ্ডা লিপি ব্যৱহাৰ কৰা হয়। ই পাকিস্তানৰ কথিত ভাষা। পূব-পাঞ্জাৰী ভাৰতৰ পঞ্জাৱ প্ৰদেশৰ ভাষা। এই ভাষা পাঞ্জাৰী নামেৰে পৰিচিত । শিখ ধৰ্মৰ মূল ধৰ্ম-গ্ৰন্থ গ্ৰন্থ চাহেব বা আদি গ্ৰন্থ পূব-

পাঞ্জাৰীত ৰচিত। পূব-পাঞ্জাৰী গুৰুমুখী লিপিত লিখা হয়।

সিন্ধী ভাষা সিন্ধু প্ৰদেশ আৰু কচ্ছ অঞ্চলৰ ভাষা। ইয়াত ভাৰতীয় আৰ্যৰ প্ৰাচীন বৈশিষ্ট্য ৰক্ষিত হৈছে। এই ভাষা আৰবী-ফাৰ্ছী আৰু লহন্দা লিপিত লিখা হৈছিল। সপ্তদশ শতিকাৰ পৰা সিন্ধী সাহিত্যই বিকাশ লাভ কৰে।

মাহাৰাষ্ট্ৰী অপভ্ৰংশৰ পৰা দুটা নব্য ভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱ হৈছিল। সেই দুটা হ'ল— মাৰাঠী আৰু কোঙ্কনী। মাৰাঠী ভাষা মহাৰাষ্ট্ৰৰ উপৰি বেৰাৰ, হায়দৰাবাদ আৰু মধ্য প্ৰদেশত প্ৰচলিত। বালবোধ লিপিত এই ভাষা লিখা হয়। জ্ঞানদেৱৰ 'ভাবাৰ্থ দীপিকা' আৰু 'জ্ঞানেশ্বৰী' এই ভাষাৰ প্ৰাচীন সম্পদ। কোঙ্কনীক মাৰাঠীৰ উপভাষা বুলি ক'লেও ই স্বকীয় বৈশিষ্ট্যপূৰ্ণ ভাষা। খ্ৰীষ্টীয় ষোড়শ শতাব্দীত খ্ৰীষ্টান মিছনেৰীসকলে এই ভাষাত লিখা কিছু সামগ্ৰী পোৱা গৈছে।

মধ্য শাখাৰ ভাষা পশ্চিমা হিন্দীৰ অন্তৰ্গত ভাষাকেইটা হৈছে— বংগাৰু, বুন্দেলী, ব্ৰজভাষা, কনৌজী আৰু হিন্দুস্থানী। এইবোৰ শৌৰসেনী অপভ্ৰংশৰ পৰা বিকশিত ভাষা। বংগাৰু বা হাৰিয়ানী ভাষা দিল্লী, ৰোহটক, পাতিআলা আদি অঞ্চলত প্ৰচলিত। বুন্দেলখণ্ডৰ নাম অনুসৰি নামাংকিত বুন্দেলী ভাষা ঝাঁছী, গোৱালিয়ৰ, ভূপাল অঞ্চলৰ কথিত ভাষা। ব্ৰজভাষা মথুৰা, বৃন্দাবন, বেৰেলী, নাইনিতালৰ ভাষা। এই ভাষা সাহিত্য-সম্পদত প্ৰাচীন কালৰে পৰাই চহকী। প্ৰাচীন কনৌজৰ নামেৰে নামাংকিত কনৌজী ভাষা ইটাৱা, ফাৰাক্কাবাদ, ছাজাহাবাদ আদি অঞ্চলত প্ৰচলিত। 'কথ্য হিন্দুস্থানী' বা খড়িবোলী ভাষা দিল্লী, মিৰাট, মোৰাদাবাদ, ছাহৰানপুৰ আদি অঞ্চলত প্ৰচলিত। হিন্দী আৰু উৰ্দু ভাষা কথ্য হিন্দুস্থানীৰ পৰা ক্ৰমে হিন্দুস্থানী ৰীতি মুছলমানী ৰীতিৰে গঢ় লোৱা ভাষা। এই ভাষা পৰিমাৰ্জিত ৰূপেৰে দেৱনাগৰী আৰু আৰবী-ফাৰ্ছী লিপিত লিখা হয়। দাক্ষিণাত্যৰ মুছলমানসকলে হিন্দী ভাষাত যি অনুশীলন কৰিছিল তাক দখনী নামেৰে জনা যায়। দখনীৰে এটা ৰূপ উৰ্দু ভাষা। বৰ্তমান সময়ত হিন্দী ভাষাই ব্যাপক প্ৰসাৰ লাভ কৰিছে আৰু ভাৰতৰ ৰাষ্ট্ৰভাষা ৰূপে গৃহীত হৈছে।

মধ্য শাখাৰ গুজৰাটী-ৰাজস্থানীৰ অন্তৰ্গত গুজৰাটী ভাষা শৌৰসেনী অপভ্ৰংশৰ পৰা বিকশিত আৰু ই গুজৰাটৰ প্ৰধান ভাষা। মাৰবাৰ, মেৰাৰ, মালৱ, জয়পুৰ অঞ্চলত প্ৰচলিত মাৰৱাৰী, মেৱাৰী, মালৱী, মেটাবী আৰু জয়পুৰী ভাষা ৰাজস্থানীৰ অন্তৰ্গত। এই উপশাখাৰ ভিতৰত মাৰোৱাৰীৰ নাম প্ৰথমেই উল্লেখযোগ্য।

মধ্য পূৰ্বী শাখাৰ ভাষা অৱধী, বঘেলী আৰু ছত্তিশগড়ীক পূৰ্ব হিন্দী বা কোশলী বুলি কোৱা হয়। অৰ্ধ-মাগধীৰ পৰা সৃষ্ট এই ভাষাকেইটা ক্ৰমে অযোধ্যা, বঘেলা, মধ্যপ্ৰদেশ আৰু ছত্তিশগড়ত প্ৰচলিত। ভাৰতবৰ্ষৰ মধ্য প্ৰদেশৰ দক্ষিণ-পশ্চিম আৰু পূব অঞ্চল আৰু উত্তৰ প্ৰদেশৰ একাংশ অঞ্চলত এই ভাষা পৰিব্যাপ্ত হৈ আছে। সাহিত্য-সম্পদত চহকী অৱধী ভাষাত তুলসীদাসৰ 'ৰামচৰিত মানস' আৰু মালিক মহম্মদ জায়সীৰ 'পদ্মাৱতী' ৰচিত হৈছিল। বৰ্তমান এই ভাষাসমূহৰ

স্থান হিন্দী ভাষাই দখল কৰিছে।

নব্য ভাৰতীয় আৰ্য ভাষাৰ পূৰ্বী শাখাৰ ভাষাৰ ভিতৰত অসমীয়া, বাংলা, ওড়িআ, মৈথিলী, মগহী আৰু ভোজপুৰী ভাষা বিশেষভাৱে উল্লেখযোগ্য। 'মগধীয় ভাষাগুচ্ছ' নামেৰে পৰিচিত এই ভাষা মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে। মাগধী অপভ্ৰংশৰ প্ৰাচ্য শাখাৰ অসমীয়া ভাষা ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ ব্ৰহ্মপুত্ৰ উপত্যকাত, বাংলা ভাষা পশ্চিমবংগ আৰু বাংলাদেশত আৰু ওড়িআ ভাষা ওড়িশা প্ৰদেশত প্ৰচলিত। সাহিত্য-সম্পদত এই তিনিওটা ভাষাই চহকী। চতুৰ্দশ শতিকাতে সাহিত্যিক ৰূপ পোৱা অসমীয়া ভাষা এটা সমৃদ্ধিশালী ভাষা। পঞ্চদশ শতিকাৰ শেষত প্ৰতিষ্ঠা লাভ কৰা বাংলা ভাষাত বৰ্তমান উচ্চস্তৰীয় সাহিত্যৰ সৃষ্টি হৈছে আৰু ই এক উন্নত সাহিত্যসম্পন্ন ভাষা, ওড়িআ ভাষাৰ সাহিত্যিক নিদৰ্শনো চতুৰ্দশ শতিকাৰ পৰা পোৱা যায়।

মৈথিলী, মগহী আৰু ভোজপুৰীক একেলগে বিহাৰী শাখা বোলা হয়। মৈথিলী, মগহী ভাষা মাগধী অপভ্ৰংশৰ মধ্য শাখাৰ ভাষা। মৈথিলী ভাষা মূলতঃ মিথিলাৰ ভাষা। অৱশ্যে ই মজঃফৰপুৰ, পূৰ্ণিয়া, মুংগেৰ আৰু বাগপুৰতো প্ৰচলিত। বিদ্যাপতি, উমাপতি উপাধ্যায়, জ্যোতিৰীশ্ব ঠাকুৰ আদি সাহিত্যিকৰ সাহিত্য-সম্পদেৰে মৈথিলী ভাষা অতিশয় সমৃদ্ধ। মগহী মগধ অঞ্চলৰ উপৰি ভাষা পাটনা, গয়া আৰু ছোটনাগপুৰতো প্ৰচলিত। এই ভাষা বিশেষ সমৃদ্ধিশালী নহয়।

মাগধী অপভ্ৰংশৰ পশ্চিমা শাখাৰ ভাষা ভোজপুৰী কাশী, আৰা, মোতিহাৰী পেৰা, বালিয়া আদি বিহাৰৰ বিভিন্ন অঞ্চলৰ উপৰি উত্তৰ প্ৰদেশৰ গোৰক্ষপুৰ, মিৰ্জাপুৰ, আজমগঞ্জ আদি অঞ্চলতো প্ৰচলিত। ভোজপুৰী ভাষা বিশেষ সমৃদ্ধিশালী ভাষা নহয়। এই ভাষা এক বিস্তৃত অঞ্চলত প্ৰচলিত যদিও, সাহিত্য সৃষ্টিত পিছপৰা। ভোজপুৰীৰ উপভাষা নাগপুৰীয়া— ৰাঁছী, পালমৌ, ওড়িশাৰ সুন্দৰপুৰ, গাংপুৰ আদিত প্ৰচলিত।

পাহাৰী শাখাৰ ভাষাৰ ভিতৰত নেপালী ভাষা বিশেষভাৱে উল্লেখযোগ্য, ই নেপালৰ ৰাজভাষা। এই ভাষা হিমালয় পৰ্বতৰ দক্ষিণৰ দাঁতি কাষৰীয়া অঞ্চলত প্ৰচলিত। নেপালী, গাড়োৱালী, কুমায়নী, ছমেআলী, মাণ্ডআলী, কুলুই আদি ভাষা হিমালয়ী ভাষা নামেৰে পৰিচিত।

ভাৰতীয় আৰ্যৰ লগত সম্পৰ্কিত কেইটামান ভাষাৰ ভাৰতৰ বাহিৰতো প্ৰচলন আছে। ভাৰতীয় আৰ্যৰ পূৰ্ব প্ৰাকৃতৰ এটা শাখাই খ্ৰীঃ পূঃ ৪০০ শতিকাত শ্ৰীলঙ্কাত প্ৰৱেশ কৰে আৰু তেওঁলোকৰ ভাষা সিংহলী নামেৰে পৰিচিত হয়। সিংহলীৰ প্ৰাচীনতম ৰূপ হ'ল 'এলু'। খ্ৰীঃ দশম শতিকাৰ মাজভাগৰ পৰা এই ভাষাৰ নিদৰ্শন পোৱা গৈছে।

আনুমানিক খ্ৰীঃ পূঃ তৃতীয়ৰ পৰা পঞ্চম শতিকাৰ ভিতৰত উত্তৰ-পশ্চিম ভাৰতৰ পৰা এটা আৰ্যভাষী ঠাল ভাৰতৰ বাহিৰলৈ প্ৰব্ৰজিত হয়। এই ঠালৰ ভাষা 'জিপ্‌সী' বা যাযাবৰী ভাষা নামেৰে জনা যায়। ইউৰোপ আৰু এছিয়াৰ বিভিন্ন প্ৰান্তত

এই ভাষা প্রচলিত।

ভাৰতবর্ষৰ সংবিধানস্বীকৃত ভাষাবোৰৰ অধিকাংশই নব্য ভাৰতীয় আর্যৰ অন্তর্গত। সেইবোৰ হ'ল— হিন্দী, সিন্ধী, পাঞ্জাৰী, মাৰাঠী, গুজৰাটী, ৰাজস্থানী, নেপালী, কোঙ্কনী, উর্দু, অসমীয়া, বাংলা, ওড়িআ আৰু নেপালী। তলত নব্য ভাৰতীয় আর্য ভাষাৰ বৈশিষ্ট্য সম্বন্ধে আলোকপাত কৰা হ'ল—

নব্য ভাৰতীয় আর্য ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) নব্য ভাৰতীয় আর্য ভাষাত পদান্তত থকা স্বৰধ্বনি লুপ্ত হৈছে বা বিকৃত হৈছে, যেনে— অগ্নি > আগ (হিন্দী), দধি > দহী (হিন্দী)।

(২) পদমধ্যস্থিত দ্বিস্বৰধ্বনিৰ (ইঅ, ঈআ, উঅ, ঊআ আদিৰ) শেষত থকা 'অ' অথবা 'আ' লুপ্ত হৈছে; যেনে— মৃত্তিকা > মট্টিআ > মাটি, ঘৃত > ঘিঅ > ঘী।

(৩) পদমধ্যস্থিত সংযুক্ত ব্যঞ্জন একক ব্যঞ্জনলৈ পৰিণত হৈছে আৰু কিছুমান শব্দত ক্ষতিপূৰণমূলক দীর্ঘীকৰণৰ হেতু পূর্বৱর্তী হ্রস্বস্বৰ দীর্ঘ স্বৰত পৰিণত হৈছে; যেনে— ধর্ম > ধম্ম > ধাম, কর্ম > কম্ম > কাম, নৃত্য > নচ্চ > নাচ, হস্ত > হত্থ > হাত ইত্যাদি। অৱশ্যে পাঞ্জাৰী আৰু পশ্চিমা হিন্দীৰ কেইটামান উপভাষাত পূর্বৱর্তী হ্রস্বস্বৰৰ পৰিৱর্তন হোৱা দেখা নাযায়।

(৪) সংযুক্ত ব্যঞ্জনৰ প্রথম ধ্বনি নাসিক্য ধ্বনি (ঙ, ঞ, ণ, ন, ম) হ'লে সেই সংযুক্ত ব্যঞ্জনৰ নাসিক্য ব্যঞ্জন লোপ পায় আৰু তাৰ পূর্বৱর্তী স্বৰধ্বনি অনুনাসিক হয়; যেনে—দন্ত > দাঁত, কণ্টক > কাঁটা, কাঁইট, অঞ্চল > আঁচল, গ্রাম > গাঁও, কাংস > কাঁহ ইত্যাদি। পাঞ্জাৰী আৰু সিন্ধীত নাসিক্য ব্যঞ্জন ৰক্ষিত হোৱা দেখা যায়।

(৫) নব্য ভাৰতীয় আর্য ভাষাত প্রাচীন ভাৰতীয় আর্য ভাষাৰ মধ্যৱর্তী একক অল্পপ্রাণ স্পর্শ ব্যঞ্জনৰ সৈতে সংশ্লিষ্ট স্বৰৰ নানান পৰিৱর্তন ঘটা দেখা যায়, যেনে—

(ক) কেতিয়ায়াবা উদ্বৃত্ত স্বৰ লোপ পায়, যেনে— ঘৃত > ঘিঅ > ঘী, মৌক্তিক > মোত্তিঅ > মোতী

(খ) কেতিয়াবা পার্শ্বৱর্তী স্বৰৰ সৈতে উদ্বৃত্ত স্বৰৰ সন্ধি হয, যেনে—গত + ইল্ল > গেল (গত > গঅ + ইল < ইল্ল)।

(গ) কেতিয়াবা আকৌ উদ্বৃত্ত স্বৰটো পার্শ্বৱর্তী স্বৰৰ সৈতে মিলি দ্বিস্বৰত পৰিণত হৈছে; যেনে—বধূ > বহূ > বউ > বৌ, মধু > মহু > মউ > মৌ ইত্যাদি।

(খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) নব্য ভাৰতীয় আর্য ভাষাত প্রাচীন ভাৰতীয় আর্য ভাষাৰ লিঙ্গ-পদ্ধতিৰ আমূল পৰিৱর্তন ঘটা দেখা গৈছে। মাৰাঠী আৰু গুজৰাটীৰ বাহিৰে আন ভাষাত ক্লীৱলিংগ লোপ পাইছে। কোনো কোনো ক্ষেত্রত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গ শব্দ স্ত্রীলিঙ্গলৈ ৰূপান্তৰিত হোৱাও দেখা যায়। সিংহলী ভাষাত নতুনকৈ দুটা লিংগৰ সৃষ্টি হৈছে—

সপ্রাণ আৰু অপ্রাণ। প্রায়বোৰ নব্য ভাৰতীয় ভাষাত শব্দৰ অর্থ অনুসৰি লিংগ নিৰূপণ কৰা নিয়ম হ'ল। হিন্দী ভাষাৰ লিংগ-পদ্ধতি সংস্কৃতৰ দৰে ব্যাকৰণগত; আনহাতে অসমীয়া, বাংলা আদি ভাষাৰ লিংগ ব্যাকৰণগত নহয়, বৰং অর্থগতহে। নতুন স্ত্রীলিংগবাচক শব্দৰ সৃষ্টি এই স্তৰৰ আন এক বিশেষত্ব। একেটা শব্দ পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ উভয়ৰূপত ব্যৱহাৰ হোৱাটোও এই স্তৰৰ ভাষাত লক্ষ্য কৰা যায়, যেনে—দধি > দহী শব্দ হিন্দীত পুংলিঙ্গ, পাঞ্জাৱী আৰু সিন্ধীত স্ত্রীলিঙ্গ।

(২) নব্য ভাৰতীয় আর্য ভাষাত বচন দুই প্রকাৰৰ— একবচন আৰু বহুবচন। সংস্কৃতৰ দ্বিবচন এই স্তৰত লুপ্ত হৈছে। বহুবচন বুজোৱা নতুন নতুন প্রত্যয় আৰু সমষ্টিবাচক শব্দৰ ব্যৱহাৰেৰে একবচনসূচক শব্দক বহুবচনলৈ নিয়াৰ নিয়ম প্রচলিত হ'ল। হিন্দী আদি কেইটামান ভাষাৰ বচন সংস্কৃতৰ দৰে ব্যাকৰণগত। আনহাতে অসমীয়াকে ধৰি আন কেতবোৰ ভাষাত ব্যাকৰণসিদ্ধ লিঙ্গ পোৱা নাযায়।

(৩) বৈদিক-সংস্কৃতৰ শব্দৰূপ নব্য ভাৰতীয় আর্য ভাষাত সম্পূর্ণ ভিন্ন হৈছে। প্রাচীন বিভক্তিৰ ভিতৰত কর্তা কাৰকৰ ই, উ, এ; কৰণ কাৰকত এ. এঁ; অধিকৰণত ই, এ ৰক্ষিত হ'ল। স্থানবাচক আৰু অংগবাচক শব্দবোৰ নতুন বিভক্তিৰ উৎস হৈ পৰিল, যেনে— অধিকৰণৰ সপ্তমী বিভক্তি হিচাপে অন্ত > ত (অসমীয়া, বাংলা); কৰণ কাৰকৰ তৃতীয়া বিভক্তি হিচাপে নে < কর্ণ, পর্ণ (হিন্দী, গুজৰাটী) ইত্যাদি। বিভক্তিৰ উপৰি অনুপদৰ ব্যৱহাৰেৰেও কাৰক বুজোৱা নতুন নিয়মৰ প্রচলন হ'ল। কেতবোৰ ভাষাত নতুন কাৰকৰো উদ্ভৱ হ'ল।

(৪) ধাতুৰূপ বৈদিক-সংস্কৃততকৈ বহু পৰিমাণে সৰল হ'ল। বৈদিক-সংস্কৃতৰ ক্রিয়াৰ পাঁচটা কাল আৰু পাঁচটা ভাব অনুসৰি পৃথকে পৃথকে যি ৰূপ-সাধন হৈছিল নব্য স্তৰত সেয়া লোপ পালে। এই স্তৰত কর্মবাচ্য আৰু কর্মভাববাচ্যৰ ভিত্তিত ভৱিষ্যত কাল নিৰূপিত হ'ল। নিষ্ঠান্ত অথবা শতৃ প্রত্যয়ৰ যোগত অতীত কাল আৰু ভৱিষ্যত কাল নিৰূপণ কৰা হ'ল। কেতিয়াবা তব্য প্রত্যয়ৰ যোগতো ভৱিষ্যত কালৰ পদ গঠন কৰা হ'ল; যেনে— √চল্ + ক্ত = 'চলিত'ৰ অনুসৰণত √চল + ইল্ল - চলল, চলিল (বাংলা, অসমীয়া, ওড়িআ); চলল (ভোজপুৰী ইয়াত ক্ত/ইল্ল-নিষ্ঠা প্রত্যয়); √চল + অব = চলব (ভোজপুৰী); চলিব (অসমীয়া) ইত্যাদি। ইয়াত শতৃপ্রত্যয় তব্য > অব/ইব।

(৫) এই স্তৰত একাধিক ধাতুৰ সংযোগত যৌগিক কালৰ ক্রিয়াৰূপ গঠন কৰিব পৰা নিয়ম হ'ল; যেনে—গত + √ভূ (√অস) > গয়া হেয় (হিন্দী)

গত + √অস (< আছে) > গৈ আছে (অসমীয়া)।

(৬) নব্য ভাৰতীয় আর্য ভাষাত য় আৰু ৱ শ্রুতিধ্বনিৰ প্রয়োগ লক্ষ্য কৰিব পাৰি—

য় ঃ হৰি + এ = হৰিয়ে (অসমীয়া),

ৱ ঃ শো + আ = শোৱা (অসমীয়া), যা + আ = যোৱা, (অসমীয়া)।

(৭) শব্দৰূপৰ ক্ষেত্রত নব্য ভাৰতীয় আর্য ভাষাত দুটা কাৰক পোৱা যায়— মুখ্য

কাৰক বা কর্তা কাৰক আৰু গৌণ বা তির্যক কাৰক। মুখ্য কাৰক হ'ল কর্তা কাৰক আৰু আনহাতে কৰণ, সম্প্রদান, অধিকৰণ আৰু সম্বন্ধ পদক গৌণ বা তির্যক কাৰক বোলা হয়। কর্মকাৰক সৰহভাগ ক্ষেত্রতে কর্তা কাৰকৰ ৰ লগত একাকাৰ হৈছে।

(গ) বাক্য গঠনৰ বৈশিষ্ট্য ঃ


(১) নব্য ভাৰতীয় আর্য ভাষাত কর্মবাচ্য আৰু ভাববাচ্যৰ বাক্যৰ গঠনগত পার্থক্য আছে। এই স্তৰৰ ভাষাত কর্মবাচ্যৰ বাক্যৰ ব্যৱহাৰ কিছু সীমিত।

(২) বাক্যৰ অন্তর্গত বিভিন্ন পদৰ স্বতন্ত্র বিভক্তি-চিহ্ন নব্য ভাৰতীয় আর্যৰ স্তৰত লোপ পাইছে। কোনো কোনো নব্য ভাৰতীয় আর্য ভাষাৰ বাক্যত পদৰ স্থান নিকপকপীয়া, আনহাতে কিছুমানত শিথিল। উদাহৰণস্বৰূপে অসমীয়া বাক্য-বিন্যাসত পদৰ ক্রম যথেষ্ট শিথিলধর্মী।

(৩) নব্য ভাৰতীয় আর্য ভাষাৰ ছন্দ-পদ্ধতি মাত্রামূলক, সমমাত্রিক আৰু অক্ষৰমূলক। অন্ত্যানুপ্রাসৰ বহুল ব্যৱহাৰ এই স্তৰৰ ভাষাৰ আন এক বিশেষত্ব।

(৪) বর্তমান সময়ত নব্য ভাৰতীয় আর্য স্তৰৰ ভাষাত গদ্যছন্দ বহুলভাৰে ব্যৱহাৰ হোৱা বাবে সমমাত্রিক অনুপ্রাসযুক্ত ছন্দৰীতিৰ ব্যৱহাৰ সীমিত হৈছে।

(৫) নব্য ভাৰতীয় আর্য ভাষাৰ শব্দ-ভাণ্ডাৰ অষ্ট্রিক, দ্রাবিড়, তিব্বত-বর্মী, আৰবী, ফার্ছী, তুর্কী, পতুগীজ, ইংৰাজী আদি দেশী-বিদেশী শব্দই পৰিপুষ্ট কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ নব্য ভাৰতীয় আর্য ভাষাৰ শ্রেণীবিভাজনৰ বিষয়ে বিস্তৃতভাৰে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় আর্য ভাষা যে ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ সতম্ বর্গৰ অন্তর্গত ইণ্ডো-ইৰানীয় উপশাখাৰ ভাষা, সেই বিষয়ে জানিব পাৰিলোঁ।
- ভাৰতীয় আর্য ভাষাৰ পৰিচয়, ইয়াৰ ঐতিহাসিক বিৱর্তন আৰু সেই বিৱর্তনৰ বিভিন্ন স্তৰ তথা সময়সীমাৰ বিষয়ে সম্যকভাৰে জ্ঞাত হ'লোঁ।
- প্রাচীন ভাৰতীয় আর্য ভাষাৰ পৰিচয় আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে জ্ঞাত হ'লোঁ।
- ভাৰতীয় আর্য ভাষাৰ মধ্য স্তৰৰ পৰিচয় আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে জানিব

পাৰিলোঁ। এই ভাষাৰূপৰ ঐতিহাসিক বিৱৰ্তনৰ প্ৰতিটো স্তৰৰ সম্যক পৰিচয় লাভ কৰিলোঁ।

- আধুনিক ভাৰতীয় ভাষাসমূহৰ মূল উৎসৰ সৈতে পৰিচিত হ'লো।
- ভাৰতবৰ্ষত প্ৰচলিত আৰ্যমূলীয় ভাষা সম্বন্ধে বিস্তৃত তথ্য লাভ কৰিলোঁ।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গোস্বামী, উপেন্দ্ৰ নাথ, ২০০৪ ঃ *ভাষাবিজ্ঞান*। মণি-মাণিক প্ৰকাশ, গুৱাহাটী।

২। ঠাকুৰ, নগেন, ১৯৮৯, ২০০৩ ঃ *ভাৰতীয় ভাষাৰ পৰিচয়*। ষ্টুডেণ্টচ্ ষ্ট'ৰছ, গুৱাহাটী।

৩। - - - ২০০২ ঃ *পালি-প্ৰাকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য*। কে. এম. পাব্লিছিং, গুৱাহাটী।

৪। - - - ২০০৩ ঃ *পৃথিৱীৰ বিভিন্ন ভাষা*। জ্যোতি প্ৰকাশন, গুৱাহাটী।

৫। ফুকন পাটগিৰি, দীপ্তি, ২০০২ ঃ *ভাষাতত্ত্ব*। বনলতা, ডিব্ৰুগড়।

৭। বৰুৱা, ভীমকান্ত, ২০১০ ঃ *অসমৰ ভাষা*। বনলতা, ডিব্ৰুগড়।

৮। শইকীয়া বৰা, লীলাৱতী, ২০০২ ঃ *সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*। বনলতা, গুৱাহাটী।

বাংলা গ্ৰন্থ ঃ

৯। চট্টোপাধ্যায়, তপনকুমাৰ, ২০১২ ঃ *ভাষাৰ ইতিহাস ঃ ভাষাতত্ত্ব*। প্ৰজ্ঞা বিকাশ, কলকাতা।

১০। চৌধুৰী কামিল্যা, মিহিৰ, ২০১২ ঃ *ভাষাতত্ত্ব ঃ বাংলা ভাষাৰ ইতিহাস*। বৰ্ধমান।

১১। বিশ্বাস, সুকুমাৰ, ১৯৬৮ ঃ *ভাষাবিজ্ঞান পৰিচয়*। জিজ্ঞাসা, কলিকাতা।

১২। বিশ্বাস সুখেন, ২০০২ ঃ *প্ৰসঙ্গ ঃ বাংলা ভাষা*। প্ৰত্যয় প্ৰকাশনী, কলকাতা।

১৩। ভট্টাচাৰ্য, সুভাষ, ২০১২ ঃ *ভাষাৰ তত্ত্ব ও বাংলা ভাষা*। বঙ্গীয় সাহিত্য সংসদ। কলকাতা।

১৫। মজুমদাৰ, পৰেশ চন্দ্ৰ, ২০০৬ ঃ *আধুনিক ভাৰতীয় ভাষা প্ৰসঙ্গে*। দে'জ পাবলিশিং, কলকাতা।

১৬। শ', ৰামেশ্বৰ, ১৪১৯ শক ঃ *সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা*। পুস্তক বিপনি, কলকাতা।

১৭। সেন, সুকুমাৰ (১৯৮৭) ঃ *ভাষাৰ ইতিবৃত্ত*। ইষ্টাৰ্ণ পাব্লিচাৰ্ছ, কলকাতা।

ইংৰাজী গ্ৰন্থ ঃ

1. Chetterji, S. K. *Language and literature of Modern India*.
2. Kakati, B. K. 1941 : *Assamese, its Formation and Development*.

3. Childe V. G. *The Aryans*.
4. Taraporewalla I.J.S., 1978 (4th edn.) *: Elements of the Science of Language. Calcutta University.*



১২.৬ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় আৰ্য ভাষাৰ উৎস সম্বন্ধে উল্লেখ কৰিব। এই ভাষাৰ স্তৰসমূহৰ বিষয়ে নিদৰ্শন সহ চমুকৈ আলোচনা কৰিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক আদি ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ একাদিক্ৰমে ফঁহিয়াই আলোচনা কৰিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ তিনিটাৰ সময়সীমা উল্লেখ কৰি প্ৰতিটো স্তৰৰে নিদৰ্শন সহ সুকীয়া সুকীয়া বিশ্লেষণ আগবঢ়াব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ এই বিষয়ে আলোচনা কৰোঁতে ভাষাতাত্ত্বিকসকলে দেখুওৱা তিনি প্ৰকাৰৰ শ্ৰেণী-বিভাজনৰ চমু পৰিচয় দি ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰিব।



১২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'ভাৰতীয় আৰ্য ভাষা' বুলিলে কি বুজায়? এই ভাষাৰ স্তৰ কেইটা আৰু কি কি? সেইবোৰৰ প্ৰতিটোৰে চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ নিদৰ্শন ক'ত পোৱা যায়? বহলাই বুজাই লিখক।

প্ৰশ্ন ৩ ঃ মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰ কেইটা আৰু কি কি? মধ্য ভাৰতীয় আৰ্য ভাষাৰ উমৈহতীয়া বৈশিষ্ট্যবোৰ তন্ন তন্নকৈ ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰাচীন ভাৰতীয় আৰ্য ভাষা আৰু মধ্য ভাৰতীয় আৰ্য ভাষাৰ মাজত থকা ভাষাতাত্ত্বিক পাৰ্থক্যসমূহ বিশ্লেষণ কৰি এটা আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ প্ৰাকৃত ভাষা বুলিলে কি বুজায়? এই ভাষাৰ নিদৰ্শন ক'ত পোৱা যায়। বহলাই বুজাই লিখক।

প্ৰশ্ন ৬ ঃ নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত বিভিন্ন ভাষাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৭ ঃ নব্য ভাৰতীয় আৰ্য ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ মধ্য ভাৰতীয় আৰ্য ভাষাক আৰু কি নামেৰে জনা যায়? সাহিত্যিক প্ৰাকৃতৰ বিষয়ে খৰচি মাৰি আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ ভাৰতীয় আর্যভিন্ন ভাষাৰ চমু পৰিচয়

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ভাৰতৰ আর্যভিন্ন ভাষাঃ সাধাৰণ আলোচনা
১৩.৩.১ তিব্বত-বর্মীয় ভাষা
১৩.৩.২ অষ্ট্রিক ভাষা
১৩.৩.৩ দ্রাবিড় ভাষা
১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৫ অধিক জানিবলৈ
১৩.৬ অগ্রগতিৰ খতিয়ান (কৈৰল ৰূপৰেখা)
১৩.৭ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবর্ষত প্রচলিত আর্যভিন্ন ভাষাসমূহৰ সাধাৰণ পৰিচয় লাভ কৰিব
- ভাৰতবর্ষত প্রচলিত প্রধান আর্যভিন্ন ভাষাগোষ্ঠী অষ্ট্রিক শাখাৰ আদিম বাসস্থান, প্রচলিত স্থান আৰু শাখা ভাষাসমূহৰ থুলমূল আভাস লাভ কৰিব
- দ্রাবিড়ীয় ভাষাগোষ্ঠীৰ বিভিন্ন শাখাৰ ভাষা, এই ভাষাবোৰৰ সাধাৰণ বৈশিষ্ট্যৰ লগতে ভাৰতবর্ষৰ কোন কোন অঞ্চলত প্রচলিত ইত্যাদি ভাষা গোষ্ঠীটোৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- তিব্বত বর্মীয় ভাষাবোৰৰ চমু আলোচনাৰ লগতে এই শাখাৰ ভাষাবোৰৰ উৎপত্তি, বিকাশ আদিৰ বিষয়ে ধাৰণা লাভ কৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন প্রথম পাঠ্যবিষয়ৰ এইটো ত্রয়োদশ অধ্যায়। অধ্যায়টোৰ শিৰোনাম ‘ভাৰতীয় আর্যভিন্ন ভাষাৰ চমু পৰিচয়’। এই বিশেষ পাঠ্যবিষয়ৰ যোগেদি শিক্ষার্থীক ভাৰতত প্রচলিত অর্যভিন্ন ভাষা চমু পৰিচয়ৰ লগতে সেই আর্যভিন্ন ভাষাসমূহৰ আদিম বাসস্থান উৎপত্তি স্থল, জনসংখ্যা, তেওঁলোকৰ বিকাশ ইত্যাদিৰ লগত পৰিচিত হ’ব।

১৩.৩ ভাৰতৰ আৰ্যভিন্ন ভাষা ঃ সাধাৰণ আলোচনা

ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ। এই দেশত ভিন্ন জাতি-ধৰ্মী-ভাষী লোকে বসবাস কৰে। ভাৰতত প্ৰাচীন কালৰ পৰাই ভিন্ন ভাষা পৰিয়ালৰ লোকৰ আগমন ঘটে। কোনোৱে (ব্যপাৰ) ব্যৱসায় কৰাৰ উদ্দেশ্যে, কোনোৱে নিজ ফৈদৰ লগত যুদ্ধ বিগ্ৰহ কৰি, আন কিছুমানে আকৌ পেটৰ তাড়নাত এই ঠাইলৈ পৰ্দাপণ কৰে। ভাৰতবৰ্ষত প্ৰচলিত আৰ্য ভাষাৰ বাহিৰে আন ভাষাবোৰক আৰ্যভিন্ন ভাষা বা অনাৰ্য ভাষা বোলে। জগতৰ কিছুমান ভাষা পৰিয়াল একোটা বিশেষ ভৌগোলিক পৰিসীমাৰ মাজত আৱদ্ধ হৈ থাকে। কিছুমান ভাষা পৰিয়াল আকৌ জগতৰ সকলো ঠাইতে সিঁচৰিত হৈ থকা দেখা যায়। ভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণে ভাৰতীয় সংস্কৃতি বৈচিত্ৰময় কৰি তোলাৰ দৰে ভিন্ন ভাষা-পৰিয়ালৰ সংমিশ্ৰণে ভাৰতবৰ্ষৰ ভাষাৰ ক্ষেত্ৰখনো বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে।

ভাৰতবৰ্ষত প্ৰধানকৈ চাৰিটা ভাষা পৰিয়ালৰ লোকে বসবাস কৰে। সেইকেইটা হ'ল—

(ক) অষ্ট্ৰিক ভাষা পৰিয়াল

(খ) দ্ৰাবিড় ভাষা পৰিয়াল

(গ) চীন তিব্বতীয় বা তিব্বত চীনীয় আৰু

(ঘ) ইণ্ডো-ইউৰোপীয়।

ওপৰত উল্লিখিত ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ পৃথিৱীৰ ভিতৰত বৃহৎ ভাষা পৰিয়াল। এই ইণ্ডো ইউৰোপীয় ভাষা- গোষ্ঠীৰ এক উল্লেখযোগ্য প্ৰধান শাখা হ'ল ইণ্ডো ইৰাণীয় বা আৰ্য।

ভাৰতবৰ্ষত প্ৰচলিত ইণ্ডো ইৰাণীয় বা আৰ্য শাখা বাদ দি অষ্ট্ৰিক, দ্ৰাবিড় আৰু চীন তিব্বতীয় ভাষা পৰিয়ালৰ ভাষাবোৰক আৰ্যভিন্ন ভাষা বোলে। অষ্ট্ৰিক ভাষা পৰিয়ালৰ ভাষা কোৱা লোকসকল ভাৰতবৰ্ষৰ পশ্চিমবংগ, উৰিষ্যা, মধ্যপ্ৰদেশ আদিত বিয়পি আছে। অসমত চাহ উদ্যোগ প্ৰতিষ্ঠাৰ পাছত মধ্য ভাৰতৰ বিভিন্ন ঠাইৰ পৰা শ্ৰমিকসকলৰ অধিকাংশই কোল উপ-শাখাৰ বিভিন্ন ভাষা কোৱা লোক আছিল। এই শাখাৰ নিকোবৰী ভাষা নিকোবৰ দ্বীপপুঞ্জ, খাচী, জয়ন্তীয়া ভাষা মেঘালয়ত প্ৰচলিত।

দ্ৰাবিড় ভাষা পৰিয়ালৰ লোকসকল প্ৰধানকৈ ভাৰতবৰ্ষৰ দক্ষিণ অঞ্চলত প্ৰচলিত। ভাৰতবৰ্ষৰ দাক্ষিণাংশ এই গোষ্ঠীৰ বিভিন্ন ভাষাৰ কেন্দ্ৰভূমি। তামিল, মালায়ালম, কানাড়ী, তেলেগু এই চাৰিটা প্ৰধান ভাষাৰ উপৰিও টুলু টোড কোটা, গোণ্ড, কুই আদি এই গোষ্ঠীৰ অন্তৰ্গত নানা ভাষা ভাৰতবৰ্ষত প্ৰচলিত হৈ আছে।

ভাৰতবৰ্ষত চীন তিব্বতীয় ভাষা গোষ্ঠীৰ তিব্বত বৰ্মী শাখাৰ ভাষা কোৱা লোকৰ সংখ্যা অধিক। নেপাল, ভূটান, চিকিম, আদিত হিমালয়ী উপ-শাখাৰ ভাষাসমূহ প্ৰচলিত আছে। ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত তিব্বত-বৰ্মী শাখাৰ উত্তৰ অসম আৰু অসম বৰ্মী শাখাৰ ভাষা কোৱা লোকৰ বসতি লক্ষণীয়। অসমৰ প্ৰধানকৈ যোৰহাট, শিৱসাগৰ, লখিমপুৰ, ডিব্ৰুগড়,


দৰং, শোণিতপুৰ আদি জিলাত এওঁলোকৰ বসতি বুলি ক'ব পাৰি।

এই ভাষাগোষ্ঠীৰে অসম বৰ্মী শাখাৰ বড়ো-নাগা ভাষী লোকসকল অসম, উত্তৰ বংগ, পূব বংগ, ত্রিপুৰা, নাগালেণ্ড পৰ্যন্ত পৰিব্যাপ্ত।

অসমৰ কাছাৰ, উত্তৰ কাছাৰ জিলাত ডিমাছা ভাষা কেন্দ্রীভূত হয়। দেউৰী-চুটিয়াসকল অসমৰ প্রধানতঃ ডিব্রুগড়, শিৰসাগৰ, লখিমপুৰ আৰু দৰঙৰ কোনো কোনো অংশত সিচঁৰিত হৈ আছে। চীন তিব্বতীয় ভাষাগোষ্ঠীৰ তিব্বত বৰ্মী শাখাৰ প্রায়ভাগ ভাষা ভাৰতবর্ষত সিচঁৰতি হৈ থকা দেখা গ'লেও অসমত অধিক পৰিমাণে বসতি স্থাপন কৰা দেখা যায়।

১৩.৩.১ তিব্বত-বর্মীয় ভাষা

তিব্বত চীনীয় বা চীন তিব্বতীয় ভাষাগোষ্ঠীৰ এটা প্রধান শাখা হ'ল তিব্বত বর্মীয় শাখা। এই শাখাৰ মূল তিব্বত চীনীয় বা চীন তিব্বতীয়। এই ভাষাগোষ্ঠীৰ আদিম বাসস্থান চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ইয়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থল বুলি অনুমান কৰে। তিব্বত বর্মী ভাষাগোষ্ঠীক এনেদৰে তালিকাভুক্ত কৰিব পাৰি—



এই ভাষা প্ৰধানভাৱে ভাৰতবৰ্ষৰ হিমালয়ৰ দাঁতিকাষৰীয়া অঞ্চল আৰু উত্তৰ-পূব ভাৰতৰ প্ৰচলিত। তিব্বত বৰ্মী শাখাটো ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি স্থলৰ পৰা তিনিটা প্ৰধান ভাগত ভাগ হৈ পৰিছে, তাৰ এটা শাখা উত্তৰ-পশ্চিম কোণৰ তিব্বতৰ ফালে, এটা শাখা বহ্মপুত্ৰ নদীয়েদি অসমলৈ আৰু আনটি শাখা ইৰাৱতী, চিন্দুইন নদীৰে ব্ৰহ্মদেশ পৰ্যন্ত।

ইয়াৰ প্ৰধান উপশাখাকেইটা হ'ল— হিমালয়ী, উত্তৰ অসম, অসম বৰ্মী আৰু তিব্বতী।

হিমালয়ী উপশাখাৰ ভাষাসমূহ হিমালয়ৰ দাঁতিকাষৰীয়া অঞ্চল, নেপাল, চিকিম, ভূটান আদিত প্ৰচলিত। এই উপশাখাৰ অন্তৰ্গত ভাষাবোৰ হৈছে— নেৱাৰি, লেপচা, কিৰাত, মুৰ্খী, মাগাৰ, ধিমাল আদি। ইয়াৰ ভিতৰত নেপালৰ নেৱাৰসকলৰ ভাষাই প্ৰধান। চিকিমৰ ৰংগ ভাষাৰ নাম, নেৱাৰি ভাষাৰ পিছতেই ল'ব পাৰি। পিছলৈ এই ভাষাগোষ্ঠীৰ লোকৰ সৈতে অষ্ট্ৰিক ভাষাগোষ্ঠীৰ সংমিশ্ৰণ ঘটি পৰিৱৰ্তন হয় বুলি অনুমান কৰা হৈছে।

তিব্বত বৰ্মী শাখাৰ ভিতৰত তিব্বতী শাখাটোও অন্যতম। এই শাখাৰ ভাষাসমূহ হিমালয়ৰ পশ্চিম অঞ্চলত প্ৰচলিত। এই শাখাৰ প্ৰধান ভাষা দুটা হ'ল বাল্টি আৰু লাডাখ। এই ভাষাত যথেষ্ট সাহিত্য পোৱা যায়। তিব্বত বৰ্মী শাখাৰ অন্যতম ভাষাবৰ্গ হ'ল উত্তৰ অসম। অসমৰ উত্তৰ প্ৰান্তৰ পৰ্বতীয়া অঞ্চলত এই শাখাৰ ভাষাৰ প্ৰচলন আছে। আদি, মিছিং, ডফলা, মিছিমি ইত্যাদি এই শাখাৰ অন্যতম ভাষা। মিছিংসকলক পৰ্বতীয়া আৰু ভৈয়ামীয়া এনেদৰে দুভাগত ভাগ কৰিব পাৰি। মিছিমিসকলৰ ইদু টাৰাও, কামান নামেৰে যি তিনিটা প্ৰধান ফৈদ আছে, তাৰ ভিতৰত ইদু আৰু টাৰাওসকলৰ ভাষাৰ মাজত পৰস্পৰ সাদৃশ্য বিদ্যমান, এই শাখাৰ ভাষা কোৱা লোকসকলৰ অসমৰ যোৰহাট, শিৱসাগৰ, লখিমপুৰ, ডিব্ৰুগড়, দৰং, শোণিতপুৰ জিলাতে বসতি।

তিব্বত-বৰ্মী শাখাৰ আটাইতকৈ উল্লেখযোগ্য শাখা হ'ল অসম-বৰ্মী। এই উপশাখাৰ অন্তৰ্গত ভাষাসমূহক বড়ো, নাগা, কুকিছীন আৰু বৰ্মী এই তিনিটা ভাগত ভাগ কৰিব পাৰি। বড়ো-নাগা শাখাটো উত্তৰ আৰু পূব পথেৰে ব্ৰহ্মপুত্ৰ নদীৰ তীৰৱৰ্তী অঞ্চলত বিয়পি পৰে, এই শাখাৰ ভাষা ভাৰতবৰ্ষৰ অসম অঞ্চলৰ গোৱালপাৰা, বিজনী, সৰভোগ, গোৰেশ্বৰ, তামুলপুৰ আদি অঞ্চলত প্ৰচলিত। বড়ো ভাষা মৌখিক সাহিত্যত অতি চহকী। গাৰোপাহাৰ, ত্ৰিপুৰা, কোচবিহাৰ আদিতো এই শাখাৰ ভাষা কোৱা লোকৰ বসতি পোৱা যায়। বড়ো উপশাখাৰ ভিতৰত বৰো, ডিমাছা, গাৰো, ৰাভা, চুটিয়া, লালুং বা টিৱা, হাজং, টিপৰা আদি উল্লেখযোগ্য। বড়োসকল কামৰূপ, গোৱালপাৰা, দৰং, জিলাত বড়োসকলৰ মাজত প্ৰচলিত বড়ো ভাষাই শ্ৰেষ্ঠ। এই ভাষাৰ গঠন-প্ৰণালী সম্পৰ্কে বিজ্ঞানসন্মতভাৱে আলোচনা হৈছে।

বড়ো শাখাৰ এটা অন্যতম ভাষা হৈছে— ডিমাছা। ডিমাছাসকল ধনশ্রী নৈৰ পাৰৰ পৰা উত্তৰ কাছাৰ জিলাত বাসস্থান। তিৰা ভাষাও বড়ো উপশাখাৰ এটা ভাষা। চুটিয়া ভাষী লোকসকলো ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বাস কৰে। বড়ো শাখাৰ এটা অন্যতম ভাষা হ'ল ৰাভা। অসমৰ কামৰূপ, গোৱালপাৰা, দৰং, শোণিতপুৰ মেঘালয়ৰ গাৰো পাহাৰত ৰাভা ভাষীসকলে বসবাস কৰি আছে। বড়ো শাখাৰ লালুং, হাজং, কোচ আদিও অন্যতম। এই ভাষী লোকসকলো অসমৰ বিভিন্ন ঠাইত সিচঁৰতি হৈ থকা দেখা যায়। অসমৰ ক্রমে নগাঁও, কামৰূপৰ দক্ষিণ পূব, শিৱসাগৰ, গোৱালপাৰা আদি অঞ্চলত বসবাস কৰে।

নাগা উপশাখাৰ অন্তর্গত ভাষাসমূহ নগাসকলৰ মাজত প্রচলিত আছে। নাগালেণ্ড, মণিপুৰ, উত্তৰ কাছাৰ আদিতো এই ভাষাৰ বসতি আছে। নগা শাখাৰ ভাষাবোৰক নাগা-বড়ো, পশ্চিম নাগা, মধ্য নাগা, পূব নাগা, নাগা কুকি এনেদৰে ভাগ কৰা হৈছে। নাগালেণ্ডত বসতি কৰি বিভিন্ন ফৈদবিলাকৰ ভিতৰত আও, লোঠা, আংগামী, ছেমা, মাও, জেলিয়াং, ৰেংমা, ফোম, চাং আদি উল্লেখযোগ্য। মণিপুৰত বাস কৰি থকা নাগা ফৈদৰ ভিতৰত কাবুই, টাংখুল, মাও প্রধান।

কার্বি ভাষা কার্বি আংলঙ জিলাত প্রচলিত। অসমৰ নগাঁও, শিৱসাগৰ, উত্তৰ কাছাৰ আদি ঠাইতো কার্বি ভাষা কোৱা লোক আছে।

১৩.৩.২ অষ্ট্রিক ভাষা

ভাৰতবৰ্ষত প্রচলিত আন ভাষা পৰিয়ালৰ ভিতৰত অষ্ট্রিক গোষ্ঠীৰ ভাষাই প্রাচীন। তেওঁলোকে কেতিয়াৰ পৰা ভাৰতলৈ আহিছিল সেই বিষয়ে কোনো স্পষ্ট মত পোৱা নাযায়। এই জাতিটোৰ আদিম বাসস্থান সম্পর্কেও বিভিন্ন পণ্ডিতে বিভিন্ন মত দিছে। কোনো কোনো পণ্ডিতৰ মতে ইণ্ডো-চীনেই হ'ল অষ্ট্রিকসকলৰ আদিম বাসস্থান, তাৰ পৰাই তেওঁলোকে চৌদিশে বিয়পি পৰে। কোনো কোনো পণ্ডিতৰ মতে আকৌ পশ্চিম এছিয়াৰ পৰা ভাৰতলৈ অহা প্রটঁ- অষ্ট্রলয়দ জাতিৰ লোক এদলৰ লগত পূর্বৱর্তী নিগ্রোজাতিৰ লোকৰ সংমিশ্রণৰ ফলত অষ্ট্রিক জাতিৰ সৃষ্টি হয়। এই ভাষা পৰিয়ালৰ লোকসকল পশ্চিমবংগ, মধ্যপ্রদেশ, বিহাৰ, উৰিষ্যা, অন্ধ্রপ্রদেশ, অসম আদিত বিয়পি আছে। এই ভাষা পৰিয়ালৰ লোকৰ জনসংখ্যা বৰ বেছি নহয়।

ভাৰতৰ বিভিন্ন সাংস্কৃতিক দিশত অষ্ট্রিকসকলৰ অৱদান সিচঁৰতি হৈ আছে। তেওঁলোকে প্রথম ভাৰতত সভ্যতা-সংস্কৃতিৰ সূচনা কৰে বুলি ক'ব পাৰি। এসময়ত অষ্ট্রিকসকলে উত্তৰ ভাৰতত প্রচুৰ প্রতিপত্তি লাভ কৰিছিল বুলি অনুমান কৰিব পাৰি। পিছলৈ দ্রাবিড় গোষ্ঠী আৰু আর্য গোষ্ঠীৰ লোকসকলৰ হেঁচাত তেওঁলোক উত্তৰ ভাৰতৰ পৰা আঁতৰি বেলেগ ঠাইলৈ গমন কৰে। অষ্ট্রিকসকল ভাৰতৰ প্রাচীন


অধিবাসী যদিও তেওঁলোক সাহিত্য-ভাষা নিদৰ্শন ইমান প্ৰাচীন নহয়। ঊনবিংশ শতাব্দীত ভাৰতলৈ অহা খ্ৰীষ্টান মিছনেৰীসকলৰ যত্নতহে তেওঁলোকে প্ৰথম খাচী, চাওতালী, মুণ্ডাৰী আদি ভাষাত সাহিত্য ৰচনা কৰে।

অষ্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটা হ'ল —

(ক) অষ্ট্ৰ এছীয়

(খ) অষ্ট্ৰ নেছীয়

ভাৰতবৰ্ষত কেৱল অষ্ট্ৰিক ভাষাৰ এছীয় শাখাৰ লোকহে আছে। তলত এই ভাষাগোষ্ঠীক এনেদৰে তালিকাভুক্ত কৰা হ'ল—



অষ্ট্ৰ এছীয় শাখাৰ তিনিটা প্ৰধান শাখা হ'ল— কোল মুণ্ডা, খাচী-নিকোবৰী আৰু মোনখমেৰ। কোল-মুণ্ডাৰে আকৌ দুটা উপশাখা এটা পূব আনটো পশ্চিম। পূব শাখা অন্তৰ্গত ভাষাকেইটা হ'ল— চাওতালী, মুণ্ডাৰী, হো, ভূমিজ, কোডা, কোৰোয়া আদি। পশ্চিম শাখাৰ ভিতৰত পৰে শবৰ, খৰীয়া কুৰ্কু, জুয়াং আদি। খাচী-নিকোবৰী শাখাৰ ভিতৰত খাচী আৰু নিকোবৰী ভাষা পৰে। কোনো কোনো খাচী-নিকোবৰী শাখাক মোনখমেৰ শাখাৰে অন্তৰ্গত বুলি কৈছে। মোনখামেৰ শাখাৰ সকলো ভাষা ভাৰতত নাই।

কোল-মুণ্ডা শাখাৰ ভাষা কোৰা লোক মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, পশ্চিমবঙ্গ, বিহাৰ, উৰিষ্যা আৰু অসমত আছে। অসমৰ চাহ বাগানবোৰত কাম কৰাৰ নিমিত্তে ব্ৰিটিছে এই পৰিয়ালৰ লোকসকললৈ আনিছিল। অসমলৈ আহি তেওঁলোকে শিক্ষা-দিক্ষাৰ ক্ষেত্ৰত অসমীয়া ভাষাকে গ্ৰহণ কৰে যদিও তেওঁলোকৰ মাজত কোল-মুণ্ডা শাখাৰ ভাষাৰ প্ৰচলন থকা দেখা যায়। খাচী আৰু মেঘালয়ৰ খাচীয়া-জয়ন্তীয়া পাহাৰত প্ৰচলিত। খাচী ভাষাই ৰোমান বৰ্ণলিপি গ্ৰহণ কৰে। বৰ্তমান খাচী ভাষাত ভিন্ন গ্ৰন্থ ৰচিত হৈছে। নিকোবৰী ভাষা নিকোবৰ দ্বীপপুঞ্জত প্ৰচলিত।

১৩.৩.৩ দ্রাবিড় ভাষা


ভাৰতবৰ্ষত প্ৰচলিত আন অনাৰ্য ভাষাবোৰৰ ভিতৰত দ্রাবিড় ভাষাৰ পৰিয়ালৰ ভাষা কোৱা লোকৰ কথা প্ৰথম স্থান অধিকাৰ কৰিছে। এই পৰিয়ালৰ প্ৰধান ভাষা কোৱা লোক ভাৰতৰ দক্ষিণ অঞ্চলত প্ৰচলিত। এওঁলোক অষ্ট্ৰিকসকলৰ পিছতেই ভাৰতলৈ অহা বুলি বহুতো পণ্ডিতে উল্লেখ কৰিছে। মুঠতে ক'ব পাৰি যে আৰ্যসকল অহা বহু আগতেই এওঁলোক ভাৰতলৈ আহে। প্ৰথম অৱস্থাত দ্রাবিড়সকল ভাৰতৰ উত্তৰ দিশত প্ৰভাৱ বিস্তাৰ কৰিছিল যদিও পিছলৈ তেওঁলোক আৰ্যসকলৰ দ্বাৰা বিতাড়িত হৈ দক্ষিণ ভাৰত স্থায়িত্ব লাভ কৰে। ভাৰতীয় বিশাল সাংস্কৃতিৰ ক্ষেত্ৰত দ্রাবিড়সকলৰ স্থান অনন্য। প্ৰাচীন ধ্বংসাৱশেষসমূহৰ পৰা দ্রাবিড়সকল সু-সভ্য জাতি হিচাপে পৰিচিত হৈছে। এওঁলোক ভাৰতলৈ কেতিয়া ক'ৰ পৰা আহিছে এই সম্পৰ্কেও বিভিন্ন মতবাদ থকা দেখা যায়। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে ভূমধ্য সাগৰীয় অঞ্চল দ্রাবিড়সকলৰ আদিম বাসস্থান বুলি উল্লেখ কৰিছে। ভাষাবিদ স্মিড্‌টে দ্রাবিড়সকলক অষ্ট্ৰেলিয়াৰ আদিম অধিবাসী বুলি অভিহিত কৰিছিল। আন বহুতো পণ্ডিতে খৃঃ পূঃ তিনি হাজাৰমান বছৰৰ পূৰ্বে পূব ভূমধ্য সাগৰীয় অঞ্চলৰ পৰা দ্রাবিড়সকল ইৰান, ইৰাক, বেলুচিস্তান পাবলৈ সিন্ধু নদীৰ উপত্যকাত প্ৰথমে অৱতীৰ্ণ হয়হি বুলি মত প্ৰদান কৰে। এই গোষ্ঠীৰ প্ৰধান ভাষাবোৰ ভাৰতৰ দক্ষিণ অঞ্চলত প্ৰচলিত। ভাৰতৰ মধ্য উত্তৰ, উত্তৰ-পশ্চিম আৰু পূব ভাৰততো এই শাখাৰ ভাষা কোৱা লোক আছে। দ্রাবিড় ভাষা পৰিয়ালৰ প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি—

(ক) দ্রাবিড় শাখা

(খ) অন্ধ্ৰ শাখা

(গ) উত্তৰ-পশ্চিম শাখা ব্ৰাইহ

তলৰ তালিকাৰ জৰিয়তে এনেদৰে দেখুওৱা হ'ল—



দক্ষিণ ভাৰতত কথিত দ্রাবিড়ীয় ভাষা প্রধানতঃ চাৰিটা— তামিল, তেলেগু, মালায়ালম আৰু কানাড়ী। এইকেইটা দ্রাবিড়ীয় ভাষা পৰিয়ালৰ দ্রাবিড় শাখাৰ অন্তর্গত। অন্ধ্র শাখাৰ কোলামী আৰু তেলেগু ভাষাৰ উদ্ভৱ হৈছে। উত্তৰ-পশ্চিম শাখাৰ পৰা কেৱল বেলুচিস্তানত ব্রাইহ ভাষাৰ সৃষ্টি হৈছে।

তামিল ভাষাই দক্ষিণ ভাৰতৰ সমগ্র দ্রাবিড় ভাষাৰ ভিতৰত শ্রেষ্ঠতা দাবী কৰিব পাৰে। তামিল ভাষাৰ পিছতে মালায়ালম ভাষাৰ নাম উল্লেখ কৰিব পাৰি। এই ভাষা ভাৰতৰ কেৱল প্রদেশত প্রচলিত। কানাড়ী ভাষা দ্রাবিড় শাখাৰ তৃতীয় প্রধান শাখা। দ্রাবিড় শাখাৰ অন্যান্য ভাষাকেইটা হ'ল টুলু, টোডা, বড়্গ, কুৰগু, গোণ্ডী, কুই আদি।

মধ্য প্রদেশ, বিহাৰ, উৰিষ্যা ইত্যাদি অঞ্চলত দ্রাবিড় শাখাৰ ভাষাৰ প্রচলন আছে। বিহাৰ আৰু উৰিষ্যাত প্রচলিত দ্রাবিড় ভাষাটো হ'ল— 'কুৰুম' ভাষা। মধ্যপ্রদেশ আৰু অন্ধ্র প্রদেশৰ অঞ্চল বিশেষে থকা 'গোণ্ডী' ভাষাটো অন্যতম দ্রাবিড় ভাষা। উৰিষ্যাৰ অৰণ্য অঞ্চলত 'কুই' আৰু ৰুজমহল পাহাৰত মালতো ভাষাৰ প্রচলন আছে।

অন্ধ্র শাখাৰ ভাষা হ'ল তেলুগু আৰু কোলামী। তেলুগু ভাষাই অন্ধ্র শাখাৰ প্রধান ভাষা। ই প্রধানকৈ অন্ধ্রপ্রদেশৰ ভাষা যদিও মহাৰাষ্ট্র আৰু মধ্যপ্রদেশতো এই ভাষাৰ প্রচলন আছে। অন্ধ্র শাখাৰ দ্বিতীয় ভাষাটি হ'ল কোলামী ভাষা। এই ভাষা বেৰাৰ অঞ্চলত প্রচলিত।

দ্রাবিড় ভাষা অশ্লিষ্ট, অন্ত্যযোগাত্মক। এই ভাষাত প্রত্যয়, বিভক্তি আদি প্রকৃতিৰ লগত অঙ্গাঙ্গিভাৱে যুক্ত হৈ নাথাকে। স্বৰ-সংগতি আৰু মূর্দ্ধন্য 'ট' বর্গৰ প্রাধান্য এই ভাষাৰ বিশেষ বৈশিষ্ট্য। দ্রাবিড় ভাষাত বচন দুবিধ- একবচন আৰু বহুবচন। লিংগ তিনিবিধ- পুলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ। দ্রাবিড় ভাষাত প্রাণীত্ব আৰু অপ্রাণীত্বৰ ভিত্তিত লিংগ নির্ণয় কৰা হয়। অপ্রাণীবাচক ক্লীৱলিংগৰ কেৱল একবচনতহে ব্যৱহাৰ আছে।



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ মাজেদি ভাৰতবর্ষত প্রচলিত ভাষা পৰিয়ালৰ ভিতৰত আর্য আৰু আর্যভিন্ন ভাষাৰ পৰিচয় লাভ কৰাত সহায় কৰিলে। ভাৰতবর্ষত প্রচলিত ইণ্ডো-ইউৰোপীয়ক বাদ দি অষ্ট্রিক, দ্রাবিড় আৰু তিব্বত-বর্মীয় ভাষা পৰিয়াল অনার্য বা আর্যভিন্ন ভাষা পৰিয়াল।

- অষ্ট্রিক ভাষা পৰিয়াল ভাৰতবৰ্ষৰ প্ৰাচীন ভাষা পৰিয়াল। পিছলৈ এই ভাষা পৰিয়ালৰ লোকসকলে আৰ্যসকলৰ সংস্পৰ্শলৈ আহি বিশেষকৈ অসমৰ ক্ষেত্ৰত অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গণ্য কৰা দেখা যায়।
- অষ্ট্রিকসকলৰ প্ৰায়ভাগ ভাষা ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত প্ৰচলিত।
- দ্ৰাবিড়ীয় ভাষাগোষ্ঠীৰ অধিকাংশ ভাৰতবৰ্ষৰ দক্ষিণাংশত বিৰাজমান। এইবিধ ভাষাগোষ্ঠী সাহিত্যৰ দিশেৰে অধিক চহকী।
- দ্ৰাবিড়ীয় ভাষা অশ্লিষ্ট আৰু অন্ত্য যোগাত্মক। এই শাখাৰ ভাষাসমূহ হ'ল— কোল, মুণ্ডা, চাওতাল, মোনখ্মেৰ, টোডা আদি।
- তিব্বত বৰ্মী ভাষাটো চীন দেশৰ মাজেদি মেনাং, মৈনাম, ইৰাৱতী, ছান্দুইন আৰু ব্ৰহ্মপুত্ৰৰ গতি অনুসৰণ কৰি থাইলেণ্ড, বাৰ্মা আৰু ভাৰতত বিস্তাৰিত হৈ পৰে।
- মূল চীন-তিব্বতীয়ৰ অন্তৰ্গত তিব্বত বৰ্মীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত কেইটামান বিশেষ ভাষা হ'ল - বৰো, ৰাভা, কাৰ্বি, মিছিং, ডিমাছা, অকা, ডফলা আদি।



১৩.৫ অধিক জানিবলৈ

১। গোস্বামী, উপেন্দ্ৰনাথ (২০০৪) *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ।
২। ঠাকুৰ, নগেন (২০০৭) *পৃথিৱীৰ বিভিন্ন ভাষা*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৩। ফুকন পাটগিৰি, দীপ্তি (২০০৬) *ভাষাতত্ত্ব*, ডিব্ৰুগড ঃ বনলতা প্ৰকাশন।
৪। বৰুৱা, ভীমকান্ত (২০১০) *অসমৰ ভাষা*, ডিব্ৰুগড় ঃ বনলতা প্ৰকাশন।
৫। ভট্টাচাৰ্য, বসন্ত কুমাৰ (২০১৫) *ভাষা বিজ্ঞানৰ প্ৰৱেশ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশন।
৬। ৰাভা হাকাচাম, উপেন (২০০৭) *অসমীয়া আৰু অসমৰ তিব্বত বৰ্মীয় ভাষা*, হাকাচাম কাওছাদাম ধূপধৰা, গোৱালপাৰা
৭। ৰাভা হাকাচাম, উপেন (২০০৯) *অসমীয়া আৰু অসমৰ ভাষা উপভাষা*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৩.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্ন উত্তৰ ঃ তিব্বত বৰ্মীয় ভাষাগোষ্ঠীৰ লোকসকল ভাৰতৰ কোন অঞ্চলত অধিক প্ৰচলিত? এই ভাষাগোষ্ঠীটোৰ ভাগবোৰৰ এটি টোকা যুগুত কৰক? (১৫০টা শব্দৰ ভিতৰত)

- তিব্বত বর্মীয় ভাষাগোষ্ঠীত লোকসকলৰ ভাৰতৰ উত্তৰ-পূবত অধিক প্রচলিত। অসম প্রদেশত এই গোষ্ঠীৰ ভাষা কোৱা লোক অধিক।
- তিব্বত বর্মীয় ভাষাগোষ্ঠীক প্রধানকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে- হিমালয়ী, উত্তৰ অসম, অসম বর্মী আৰু তিব্বতী।
- উক্ত প্রতিটো ভাগৰ বিষয়ে বহলাই লিখিব.....।



১৩.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতবর্ষৰ আর্যভিন্ন ভাষাৰ চমু পৰিচয় আগবঢ়াওক।

প্রশ্ন ২ ঃ ভাৰতৰ আদিম ভাষাগোষ্ঠীটোৰ নাম কি? সেই ভাষাগোষ্ঠীটোৰ শাখা ভাষাসমূহৰ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ তিব্বত বর্মীয় ভাষাসমূহৰ মূল কি? এই বিশেষ ভাষাগোষ্ঠীৰ চমু পৰিচয় আগবঢ়াওক।

প্রশ্ন ৪ ঃ দ্রাবিড়ীয় ভাষাগোষ্ঠীৰ ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৫ ঃ দ্রাবিড়ীয় ভাষাগোষ্ঠীৰ ভাষাসমূহ ভাৰতবর্ষৰ কোন কোন অঞ্চলত প্রচলিত? উক্ত বিষয়টো চমুকৈ আলোচনা কৰক।

প্রশ্ন ৬ ঃ অষ্ট্রিক ভাষাগোষ্ঠীৰ কোনটো শাখাৰ ভাষা ভাৰতত প্রচলিত বহলাই লিখক।

প্রশ্ন ৭ ঃ দ্রাবিড়ীয় ভাষাগোষ্ঠীৰ প্রধান শাখাকেইটা আৰু কি কি? প্রধান শাখা ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অসমৰ ভাষা পৰিয়াল

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অসমৰ ভাষা পৰিয়াল ঃ সাধাৰণ আলোচনা
    ১৪.৩.১ তিব্বত-বর্মীৰ ভাষা
    ১৪.৩.২ অষ্ট্রিক ভাষা
    ১৪.৩.৩ দ্রাবিড় ভাষা
    ১৪.৩.৪ আর্য ভাষা
    ১৪.৩.৫ টাইমূলীয় ভাষা
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসম প্রদেশত প্রচলিত ভাষা পৰিয়ালৰ বিষয়ে এটি ধাৰণা লাভ কৰিব পাৰিব
- তিব্বত বর্মীয় ভাষা গোষ্ঠীৰ বিষয়ে সম্যক আলোচনা আগবঢ়াব পাৰিব
- অষ্ট্রিক আৰু দ্রাবিড় ভাষা পৰিয়ালৰ বিষয়ে পৰিচয় লাভ কৰিব
- আর্য ভাষাৰ উদ্ভৱ, বিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা প্রথম পাঠ্যবিষয় 'ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়'ৰ এইটো চতুদর্শ অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম 'অসমৰ ভাষা পৰিয়াল'।

এই অধ্যায়টিত আপুনি অসমৰ ভাষা পৰিয়ালৰ বিষয়ে আভাস লাভ কৰিব। তিব্বত বর্মী, দ্রাবিড়, অষ্ট্রিক আৰু আর্য ভাষাৰ সময়, আদিম বাসস্থান আৰু ভাৰতৰ তথা অসমৰ ভিন্ন অঞ্চলত প্রচলিত এই ভাষাবোৰৰ বিষয়ে জানিব পাৰিব। আর্য ভাষা ক্রম বিকাশৰ স্তৰ আৰু ভাগবোৰৰ বিষয়ে এই অধ্যায়টিত পৰিচিত হ'ব পাৰিব। আন তিনিওটা ভাষা পৰিয়ালৰ বিষয়ে আপোনালোকে ত্রয়োদশ অধ্যায়টিতো কিছু তথ্য লাভ কৰিবলৈ সক্ষম হৈছে।

১৪.৩ অসমৰ ভাষা পৰিয়াল ঃ সাধাৰণ আলোচনা

প্ৰাচীন কালৰ পৰা অসমত বিভিন্ন ভাষা পৰিয়ালৰ লোকে বসবাস কৰি আহিছে। এই ভাষা পৰিয়ালৰ বিভিন্ন লোক একত্ৰিত হৈ অসমৰ ভাষা আৰু সংস্কৃতিক জীৱন্ত কৰি তুলিছে। অসম অঞ্চলৰ প্ৰধান ভাষা হ'ল অসমীয়া ভাষা। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত শতম গোটৰ ভাৰত ইৰাণীয় শাখাৰ ভাৰতীয় আৰ্য উপশাখাৰ অন্তৰ্গত এটা নব্য ভাৰতীয় আৰ্য ভাষা হ'ল— অসমীয়া ভাষা। অসমীয়া ভাষা আৰ্যমূলীয় হ'লেও অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশত আৰ্যভিন্ন উপাদানে বিশেষ অৰিহণা যোগাই আহিছে। অসমত ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন ভাষা কোৱা লোকে বসবাস কৰা দেখা যায়। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ উপৰিও চীন তিব্বতীয়, অষ্ট্ৰিক, দ্ৰাবিড় ভাষা পৰিয়ালৰ লোকে অতিজৰে পৰা অসমত বসবাস কৰি আহিছে।

ইণ্ডো-ইউৰোপীয় শাখাৰ ভাৰতীয় আৰ্য উপশাখাৰ অসমীয়া, বঙালী, উড়িয়া, হিন্দী আদি ভাষা কোৱা লোক অসমত কৰা দেখা যায়।

চীন তিব্বতীয় ভাষা পৰিয়ালৰ বড়ো, ৰাভা, মিচিং আদি ভাষা কোৱা লোকৰ সংখ্যাও কম নহয়।

অসমত দ্ৰাবিড় গোষ্ঠীৰ ভাষা কোৱা লোকও কম পৰিমাণে হ'লেও থকা দেখা যায়।

অষ্ট্ৰিক ভাষা পৰিয়ালৰ কোল, মুণ্ডা, খাচী ভাষা কোৱা লোক থকা দেখা যায় ।

অসমত বাস কৰা ভাষা পৰিয়ালৰ ভাষাগোষ্ঠীসমূহৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।


১৪.৩.১ তিব্বত বর্মীয় ভাষা

পৃথিৱীত ব্যৱহৃত ভাষাসমূহত প্ৰবাহিত পাৰস্পৰিক সম্পৰ্ক সূত্ৰক কেন্দ্ৰ কৰি ভাষা বিজ্ঞানীসকলে যি কেইটা ভাষা পৰিয়াল নিশ্চয় কৰিছে, তাৰ ভিতৰত চীন-তিব্বতীয় ভাষা পৰিয়াল বিশেষভাৱে উল্লেখযোগ্য। প্ৰধানভাৱে ভাৰতবৰ্ষৰ হিমালয়ৰ দাঁতি-কাষৰীয়া অঞ্চল, উত্তৰ-পূব ভাৰত আদিত প্ৰচলিত এই ভাষাগোষ্ঠীৰ আদিম বাসস্থান চীন দেশৰ হোৱাংহো আৰু ইয়াং চিকিয়াং নদীৰ উৎপত্তিস্থলৰ মাজত অৰ্থাৎ উত্তৰ-পশ্চিম চীন বুলি ভাষা বিজ্ঞানীসকলে অনুমান কৰে। পৰৱৰ্তী কালত আনুমানিক খৃঃপূঃ এহেজাৰ বছৰৰ পূৰ্বে চীনদেশৰ মাজেদি ব্ৰহ্মপুত্ৰ, ছিন্দউইন, ইৰাৱতী, মেকং, মৈনাম আদি নদীয়েদি শ্যাম দেশ, ব্ৰহ্মদেশ আৰু ভাৰতবৰ্ষত এই ভাষাগোষ্ঠীৰ প্ৰৱেশ ঘটে। সাম্প্ৰতিক কালত এই ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষাসমূহে শ্যাম চীন আৰু তিব্বত বর্মী এই দুই মুখ্য শাখাত বিভক্ত হৈ ভাৰতবৰ্ষৰ লগতে জগতৰ অন্যান্য প্ৰান্ততো প্ৰসিদ্ধি লাভ কৰিছে। এইখিনিতে উল্লেখ কৰা ভাল যে

জনপ্রিয়তাৰ দিশৰ পৰা চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ স্থান ইণ্ডো-ইউৰোপীয়ৰ পিছতেই পৰে।

চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত অসমত বিশেষভাৱে প্রচলিত শাখাটি হ'ল তিব্বত বর্মী ভাষাগোষ্ঠী। এই ভাষাগোষ্ঠীৰ লোকসকল মূলৰ পৰা ব্রহ্মপুত্র নদীৰ উৎপত্তি স্থলেদি তিনিটা শাখাত বিভক্ত হৈ পৰে আৰু প্রথমটো তিব্বতলৈ, দ্বিতীয় অসমলৈ আৰু তৃতীয়টো ব্রহ্মদেশলৈ গতি কৰে। সাম্প্রতিক কালত জর্জ আব্রাহাম গ্রীয়ার্ছন, সুনীত কুমাৰ চট্টোপাধ্যায়, তাৰাপৰোৱালা, সত্যেন নাৰায়ণ গোস্বামী প্রভুতি ভাষাবিদে তিব্বত-বর্মী ভাষা সম্পর্কত গৱেষণা চলাই নতুন নতুন তথ্য মুকলি কৰিছে।

ভাষাতাত্ত্বিক পণ্ডিত গ্রীয়ার্ছনে মূলতঃ ভৌগোলিক অৱস্থান অনুসৰি তিব্বত-বর্মী ভাষাৰ শ্রেণীবিভাগ কৰিছে এনেদৰে—



তিব্বত-বর্মী ভাষাগোষ্ঠীৰ শ্রেণীবিভাগৰ ক্ষেত্রত পণ্ডিতসকলৰ মাজত মতভেদ প্রকাশ থকা দেখা যায়। গ্রীয়াৰছন, চট্টোপাধ্যায়, ছেফাৰ, বেনেডিক্ট প্রভৃতি ভাষাবিজ্ঞানীসকলে দাঙি ধৰা তিব্বত- বর্মী ভাষাত এনে মূলগত শ্রেণীবিভাজনকে উপেন্দ্রনাথ গোস্বামী, ভীমকান্ত বৰুৱা, নগেন ঠাকুৰ আদি ভাষাবিজ্ঞানীয়ে পৰৱর্তী কালত সমর্থন কৰিছে। সময়ৰ প্রবাহত ভাষাৰ পৰিৱর্তনৰ সুঁতিলৈ লক্ষ্য ৰাখি নতুন নতুন তথ্যৰ সন্ধানেৰে উপযুক্ত গৱেষণা আৰু অধ্যায়ৰ দ্বাৰাহে তিব্বত-বর্মী ভাষাসমূহৰ শ্রেণীবিভাজন আৰু নামকৰণ সম্ভব হ'ব বুলি আশা কৰিব পাৰি।

তিব্বত-বর্মী ভাষা কোনো স্বতন্ত্র ভাষা নহয়, অনেক উপভাষাৰ অর্থবহ সমষ্টিহে তিব্বত-বর্মী ভাষা। তিব্বতী, হিমালয়ী, উত্তৰ অসম আৰু অসম-বর্মী আদি শাখাত বিভক্ত তিব্বত-বর্মী ভাষা পৰিয়ালক বিশেষকৈ অসমক আৱৰি আছে মিছিং, অকা, ডফলা, ডিমাছা, কার্বি, হাজং, বড়ো, ৰাভা, মিজো আদি প্রভৃতি বিভিন্ন

উপভাষাসমূহে। অসমৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ শাখাটো হ'ল বড়ো-নাগা শাখা। বড়ো উপশাখাৰ ডিমাছাসকলে নিজকে স্বতন্ত্ৰ বুলি ভাবে আৰু ১৯৭২ চনত চৰকাৰেও সেই মতে ডিমাছা ভাষাক স্বীকৃতি দিছে। বড়োসকল অসমৰ আদিম অধিবাসীসকলৰ অন্যতম। এই ভাষা কোৱা লোকৰ সংখ্যা অসমত অধিক। তেওঁলোকে অসমীয়া ভাষাক প্ৰথম ভাষাৰ দৰে কথা পাতিলেও নিজৰ মাজত বড়ো ভাষা ব্যৱহাৰ কৰা দেখা যায়। বড়ো-কছাৰী ৰজাসকলে অসমৰ বহুকেইজন কবি-সাহিত্যিকৰ পৃষ্ঠপোষকো হৈছিল। বড়ো ভাষীলোকৰ সংখ্যা অসমৰ নামনি অঞ্চলত প্ৰচুৰ। মিছিং ভাষা কোৱা লোক সদ্যহতে উজনি অসমত দেখা যায়। লখিমপুৰ, ধেমাজী, মাজুলী আদি অঞ্চলত এই ভাষা কোৱা লোকৰ বসতি আছে। অসমৰ দক্ষিণ-কামৰূপত ৰাভা ভাষা কোৱা লোকৰ সংখ্যা অধিক হোৱাৰ লগতে নাগা ভাষা কোৱা লোকৰো বসতি লক্ষণীয়। অসমৰ কোকৰাঝাৰ, কাৰ্বি আংলং, মুছলপুৰ আদি অঞ্চলত তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ লোকৰ সংখ্যা প্ৰচুৰ।

অতীজৰে পৰা যুগ যুগ ধৰি একে ভৌগোলিক পৰিবেষ্টনত লালিত-পালিত হৈ একে সমাজ-সংস্কৃতিক তথা ৰাজনৈতিক ক্ষেত্ৰত বিকাশ লাভ কৰি আৰ্যমূলীয় অসমীয়া আৰু আৰ্য ভিন্ন তিব্বত-বৰ্মী ভাষা ক্ৰমাগতভাৱে প্ৰভাৱন্বিত হৈ পৰিপুষ্ট হৈছে। তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ বিভিন্ন শাখা-উপশাখাৰ বিষয়ে এই পাঠ্যবিষয়ৰ ত্ৰয়োদশ অধ্যায়টোত ইতিমধ্যে আপুনি পঢ়িলে।

১৪.৩.২ অষ্ট্ৰিক ভাষা

ভাৰতীয় আৰ্যভাষী লোকসকল অসমত প্ৰৱেশ কৰাৰ আগেয়ে বসতি কৰি থকা অধিবাসীসকল হ'ল— প্ৰট'অষ্ট্ৰলয়ড প্ৰজাতিৰ অষ্ট্ৰিক ভাষীসকল। এওঁলোকেই অসমৰ প্ৰাচীনতম অধিবাসী। অষ্ট্ৰিক ভাষাও স্বতন্ত্ৰ ভাষা নহয়। এই গোষ্ঠীৰ শাখা ভাষাবোৰ লগ লাগি অষ্ট্ৰিক ভাষা। এই গোষ্ঠীৰ লোকৰ সংখ্যা বিশেষ উল্লেখযোগ্য নহ'লেও, ইয়াৰ শাখা প্ৰশাখাই এক বিস্তৃত অঞ্চল বিয়পি আছে। ভাৰত, ব্ৰহ্মদেশ, ইণ্ডোনেছিয়াক ধৰি টাহিটি, ফিজি, হাৱাই প্ৰভৃতি প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জলৈকে এই গোষ্ঠীৰ ভাষাবোৰ পৰিব্যাপ্ত। বহুতো ভাষাবিদে ভাৰতত প্ৰচলিত কোল বা মুণ্ডা ভাষাসমূহ এই গোষ্ঠীৰ অন্তৰ্গত নহয় বুলি মত প্ৰকাশ কৰে। তেওঁলোকে এই গোষ্ঠীক 'মালয় পালিনেছীয়' বুলি অভিহিত কৰিছিল; ইণ্ডোনেছিয়া, ব্ৰহ্মদেশ আদিত প্ৰচলিত মোনখোমেৰ ভাষাসমূহ এই গোষ্ঠীৰ নহয় বুলি মত প্ৰকাশ কৰে। ভাষাবিদ আৰু নৃতাত্ত্বিক পণ্ডিত পাটেৰ স্মিডটে মালয় পলিনেছীয়াকে ধৰি কোল-মুণ্ডা, মোনখোমেৰ ভাষাবোৰক সুপ্ৰণালীবদ্ধভাৱে আলোচনা কৰি; এই ভাষাবোৰক একেটা অষ্ট্ৰিক ভাষাগোষ্ঠীৰ ভিতৰুৱা বুলি অভিহিত কৰিছে। তেওঁ মালয়-পলিনেছীয় বুলি

অভিহিত কৰা গোষ্ঠীৰ ভিতৰুৱা ইণ্ডোনেছীয়, মেলানেছীয় আদিৰ লগত মোনখোমেৰ আৰু কোল-মুণ্ডা শাখাৰ ভাষাবোৰৰ সাদৃশ্যৰ ওপৰত লক্ষ্য ৰাখি এই মত দাঙি ধৰিছিল।

ভাষা বিজ্ঞানীসকলে অষ্ট্ৰিক গোষ্ঠীৰ ভাষাক দুটা শাখাত ভগাইছে— অষ্ট্ৰএছিয়াটিক আৰু অষ্ট্ৰোনেছিয়ান। ভাৰতত অষ্ট্ৰোএচীয় শাখাৰ ভাষা চলে। এই গোষ্ঠীৰ কোল-মুণ্ডা ভাষা-ভাষী লোকসকল অসমত আছে।

অষ্ট্ৰিকসকল উত্তৰ ইণ্ডোনেছিয়াৰ পৰা আহি উত্তৰ-পূব ফালেদি ভাৰতত সোমাই আৰু অসমৰ মাজেদিহে ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰব্ৰজিত হয় বুলি কোনো কোনো পণ্ডিতে মত পোষণ কৰে। আন একাংশ পণ্ডিতৰ মতে পশ্চিম এছিয়াৰ অষ্ট্ৰিক ভাষীসকলৰ আদিম বাসস্থান আৰু তাৰ পৰাই ভাৰতলৈ আহে, পাছত ব্ৰহ্মদেশ, মালয়, ফিজি আদি প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জত বিয়পি পৰে। ভাৰতবৰ্ষৰ উত্তৰ-পূব ফালৰ দেশবোৰত এই ভাষাগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন ভাষা ব্যাপকতা লক্ষ্য কৰি, পশ্চিমৰ পৰা ভাৰতৰ মাজেদি পূবলৈ যোৱা বুলি অনুমান কৰাতকৈ পূবৰ পৰাহে কোনো দল ভাৰতত প্ৰৱেশ কৰে বুলিহে অনুমান কৰিব পাৰি। ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে অষ্ট্ৰিক লোকসকলৰ ভাৰতলৈ কেতিয়া আগমন হয় সেই বিষয়ে কোনো নিশ্চিত মত দিব পৰা নাযায়। খ্ৰীষ্ট জন্মৰ আঢ়ৈ হাজাৰ বছৰ মানৰ পূৰ্বতে এই ভাষাগোষ্ঠীৰ বিভিন্ন ফৈদবোৰ এই দেশত সোমাই বুলি অনুমান কৰা হৈছে। এছ লেভীয়ে বায়ু-পুৰাণৰ উদ্ধৃতি দি কৈছে যে কোলসকল পূব ভাৰতৰ প্ৰাগজ্যোতিষ আৰু তিৰহুৱ মাজৰ অধিবাসী আছিল। অসমত বাস কৰা প্ৰথম চাম অষ্ট্ৰিক লোক সম্ভৱতঃ আৰ্য সংস্কৃতি গ্ৰহণ কৰি অসমৰ মূল সূঁতিৰ লগত বিলীন হৈ গ'ল। বৰ্তমান অসমত বাস কৰা কোল মুণ্ডাৰী, চাওতালী, ভূমিজ আদি লোকসকল অসমত চাহ বাগিচা খোলাৰ পিছত অহা। সম্প্ৰতি অসমত কোল মুণ্ডা, চাওতাল, ওৰাং আদি অষ্ট্ৰিক মূলীয় লোকসকলে সাদৰি নামেৰে পৰিচিত এবিধ ভাষা চলতি কৰিছে। হিন্দী, বাংলা আৰু অসমীয়াৰ সৈতে সাদৰি ভাষাৰ সাদৃশ্য থকা দেখা যায়।

ফাকি+ইয়াল ঃ পশ্চাৎ গঠন ফাকি দিয়াত সিদ্ধহস্ত অৰ্থসূচক।

অষ্ট্ৰ-এছীয়া শাখাৰ কোল মুণ্ডা উপশাখাৰে অন্তৰ্গত বিভিন্ন ভাষাসমূহ হ'ল— ছাওতালী, মুণ্ডাৰী, ভূমিজ, হো, খৰীয়া, জুয়াং, শবৰ, কুৰ্কু, ইত্যাদি। অসমত চাহ উদ্যোগ প্ৰতিষ্ঠাৰ পাছত মধ্য ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা শ্ৰমিকসকলৰ অধিক সংখ্যাকেই এই কোল উপশাখাৰ বিভিন্ন ভাষা কোৱা লোক আছিল। এওঁলোকৰ অধিকাংশই অসমীয়া ভাষীসকলৰ লগত সঘন মিশ্ৰণৰ ফলত আৰু শিক্ষা-দীক্ষাও অসমীয়া ভাষাৰ মাধ্যমেৰে গ্ৰহণ কৰাৰ ফলত অসমীয়া ভাষী হৈ পৰিছে।

মোনখোমেৰ উপশাখাৰ নিকোবৰী ভাষা, খাছী আৰু জয়ন্তীয়া ভাষা ক্ৰমে নিকোবৰ দীপপুঞ্জ আৰু মেঘালয় ৰাজ্যত প্ৰচলিত। এই উপশাখাৰ মোন, পালোঙ, ৰা, খমেৰ, স্তিয়েঙ, বাহানাৰ, আৰু ছাকায় আদি উল্লেখযোগ্য ভাষা।

অষ্ট্রিক ভাষাগোষ্ঠীৰ অষ্ট্রনেছীয় শাখাৰ অন্তর্গত ভাষাবোৰক ইণ্ডোনেছীয়, মেলোনেছীয়, পালিনেছীয়, মেক্রোনেছীয় এনেদৰে বিভিন্ন উপশাখাত ভাগ কৰিব পাৰি। এই ভাগসমূহ ঘাইকৈ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি কৰা হৈছিল।

১৪.৩.৩ টাইমূলীয় ভাষা

অসমৰ ভাষাৰ আলোচনাত অন্যান্য ভাষা পৰিচালকৰ ভাষাৰ নিচিনাকৈ টাইমূলীয় ভাষাসমূহেও অৰিহণা যোগোৱা কথাটো যথেষ্ট তাৎপর্যপূর্ণ। এই টাইমূলীয় ভাষাৰ অন্তর্গত টাই-খামতি, টাই-ফাকে, টাই-আইতন, টাই-তুৰুং, টাই-খামি-য়াং আৰু টাই-আহোম ভাষাৰ অৱদান মন কৰিবলগীয়া। আহবকচোন, টাইমূলীয় এই ভাষাসমূহৰ পৰিচয় লাভ কৰো— টাই-খামতি চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত টাই-চীনীয় বা শ্যাম-চীনীয় (Sianese-Chinese) শাখাৰ অন্যতম প্রধান ভাষা হ'ল টাই খামতি ভাষা। তিববত-বর্মীয় ভাষাৰ গৱেষক পণ্ডিত, আলোচক উপেন ৰাভা হাকাচামে তেওঁৰ গ্রন্থ *'অসমীয়া আৰু অসমৰ ভাষা-উপভাষা'ত* টাইমূলীয় ভাষাৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে। তেওঁৰ সেই আলোচনাকে টাইমূলীয় ভাষা বিষয়ক আলোচনাকে টাইমূলীয় ভাষা বিষয়ক আলোচনাসমূহৰ ভিতৰত বিশেষ তথ্যপূর্ণ আলোচনাৰ শাৰীত থ'ব পাৰি। নিজৰ সেই আলোচনাত তেওঁ টাই-খামতি ভাষাৰ আলোচনা কৰি কৈছে যে খামতি ভাষা-ভাষী লোকসকল অসমৰ লখিমপুৰ জিলাৰ কেইখনমান গাঁৱৰ লগতে অৰুণাচল প্রদেশৰ লোহিত আৰু টিৰাপ জিলাত অৱস্থান কৰি আছে। প্রণিধানযোগ্য যে অসমত এনে কিছুমান অঞ্চল আছে যাৰ নামৰ লগত খামতি শব্দ জড়িত। সম্প্রতি সেই অঞ্চলসমূহত খামতি লোকৰ অস্তিত্ব নাই যদিও এইটো ধাৰণা কৰা হয় যে অতীতৰ কোনোবা সময়ত সেই বিশেষ অঞ্চলসমূহত খামতি লোকৰ অস্তিত্ব আছিল।



জানি থোৱা ভাল

- লখিমপুৰ জিলাৰ বৰ খামতি, শ্রীভূঞা, গোসাঁইবাৰী, বৰপথাৰ, দেওতোলা, টিপলিং আৰু টুলীজান গাঁৱত খামতি লোকৰ বসবাস আছে।
- 'খামতি' শব্দৰ অর্থ হ'ল সোণৰ ঠাই (খাম = সোণ, তি = ঠাই)।

খামতিসকলে বৌদ্ধধর্ম অনুসৰণ কৰে। তেওঁলোক বৌদ্ধ হীনমান পন্থাৰ থেৰবাদী দর্শনত বিশ্বাসী। অসম আৰু অৰুণাচলত থকা টাই-খামতিসকলে পৰস্পৰাগতভাৱে তুলাপাতৰ পুথিত সংৰক্ষণ কৰি ৰখা বৌদ্ধধর্মৰ আচাৰ-গীতসমূহ পালন কৰি আহিছে। অৱশ্যে টাই-খামতি ভাষাৰ ব্যৱহাৰিক দিশৰ কথা বিচাৰ কৰিলে দেখা যায় যে সেই ভাষা কোৱা লোকৰ মাজত টাই-খামতি ভাষাৰ শিক্ষা-দীক্ষাৰ প্রসাৰ যি হাৰত হ'ব

লাগিছিল তেনে হাৰত হোৱা নাই। অৱশ্যে বর্তমান অৰুণাচল প্রদেশৰ চৰকাৰে বিদ্যালয়সমূহত অষ্টম শ্রেণীলৈকে টাই-খামতি ভাষাটো প্রৱর্তন কৰিছে। মূলতঃ টাই-খামতি ভাষা সুৰীয়া আৰু একাক্ষৰী। ইয়াক টাই লিপিত লিখা হয়।

টাই-ফাকে ঃ ভাষাবিদ, গৱেষক উপেন ৰাভা হাকাচামে মতামত ব্যক্ত কৰি কৈছে যে টাইমূলীয় ভাষাৰ অন্তর্গত টাই-ফাকে ভাষী লোকসকলে অষ্টাদশ শতিকাৰ শেষার্দ্ধত অসমত প্রৱেশ কৰিছিল। তেওঁলোকক সাধাৰণতে ফাকিয়াল বুলিও জনা যায়। এই লোকসকলৰ বাসস্থান ডিব্রুগড় জিলাত। বুৰঞ্জীত প্রাপ্ত তথ্য মতে অতীত কালত তেওঁলোকে Mongpong Tat নামৰ ঠাইত বসবাস কৰিছিল। তেওঁলোকে নিজকে ফাকে অর্থাৎ ৰাজবিষয়া বুলি চিনাকি দি ভাল পায়। টাই-ফাকেসকল প্রধানকৈ দ্বিভাষী, তেওঁলোকে ফাকে বা অন্য টাই ভাষী লোকৰ লগত টাই ভাষাতেই ভাবৰ আদান-প্রদান কৰে। অৱশ্যে অন্যান্য মানুহৰ লগত কথা-বতৰা পাতোতে অসমীয়া ভাষাকে ব্যৱহাৰ কৰে।

টাই-আইতন ঃ টাই-আইতন ভাষা লোকসকলক আইতনীয়া বুলিও জনা যায়। আইতনীয়াসকল বিশেষকৈ গোলাঘাট জিলাৰ বৰহোলা, টেঙ্গনি, দুবৰণি, বৰগাঁও আৰু কার্বি আংলং জিলাৰ চকীহোলা, ভিতৰ কালিয়নী, বালিপথাৰ, আহোমনী আইতন গাঁও ইত্যাদি ঠাইত সিঁচৰতি হৈ আছে। এওঁলোকো বৌদ্ধধর্মী লোক।

আইতনসকল সাধাৰণতে দ্বিভাষী। তেওঁলোকে টাই ভাষী লোকসকলৰ সৈতে আইতনীয়া আৰু অন্যান্য লোকসকলৰ সৈতে অসমীয়া ভাষাতে কথা পাতে. তেওঁলোকৰ সামাজিক আদান-প্রদানত অসমীয়া ভাষাৰ বহুল প্রচলনৰ বাবে তেওঁলোকৰ টাই-আইতন ভাষাত অসমীয়া ভাষাৰ প্রভূত প্রভাৱ পৰিছে।

টাই-তুৰুং ঃ অসমত পোৱা টাই-চীনীয় গোষ্ঠীৰ অন্যতম ভাষা হৈছে টাই-তুৰুং। নগা পাহাৰৰ দাঁতিয়লীয়া বিভিন্ন অঞ্চলত বসবাস কৰা প্রায় ছখন গাঁৱৰ মানুহে এই ভাষা কয়। ইয়াৰ উপৰি যোৰহাট, গোলাঘাট আৰু কার্বি আংলং জিলাৰ কিছু সংখ্যক লোকে তুৰুং ভাষা কয়। মন কৰিবলগীয়া যে তুৰুং আৰু খামায়াংসকল প্রায় ওচৰা-উচৰিকৈ বাস কৰি আহিছে। এই লোকসকল প্রধানকৈ দ্বিভাষী। তেওঁলোকে ঘৰুৱা জীৱনত তুৰুং ভাষা প্রয়োগ কৰে আৰু আন মানুহৰ সৈতে কথা পাতিবলৈ অসমীয়া ভাষাকে ব্যৱহাৰ কৰে। তুৰুং ভাষাৰ সৈতে তিব্বত-বর্মীয় চিংফৌ (কাচিন), মেইতেই (মণিপুৰী) আদি ভাষাৰ শব্দগত মিল দেখা যায়। দৰাচলতে তুৰুং বা টাইৰুং ভাষা চিংফৌ ভাষাৰ এটা সানমিহলি ৰূপ বুলি গৱেষক, ভাষাবিদ উপেন ৰাভা হাকাচামে কৈছে।

টাই-আহোম ঃ উজনি অসমৰ টাইমূলীয় লোকসকলৰ ভিতৰত টাই-আহোম ভাষী লোক বিশেষভাৱে উল্লেখযোগ্য। টাইসকলৰ শাসকগোষ্ঠীৰ এটা ঠালক এই নামেৰে

বুজোৱা হৈছিল। এই ভাষা কোৱা লোকসকলৰ বাসস্থান সম্পৰ্কে কওঁতে ভাষা হাকাচামে অসমৰ কেইবাখনো জিলাক চিহ্নিত কৰিছে। সেই জিলাকেইখনতে সংখ্যাধিক টাই-আহোম ভাষী লোকৰ বসতি। জিলাকেইখন হৈছে ক্রমে শিৱসাগৰ, যোৰহাট, গোলাঘাট, ডিব্রুগড় আদি। টাই-আহোম লোকসকলে বর্তমান অসমীয়া ভাষা গ্রহণ কৰিছে যদিও আহোম পুৰোহিত শ্রেণীৰ (দেওধাই) মোহন, বাইলুং) মাজত এতিয়াও এই ভাষাৰ প্রচলন আছে। পুৰোহিতসকল অর্থাৎ বাইলুংসকলে দেওধাক আৰাধনা কৰোঁতে সলসলীয়াকৈ এই ভাষা এতিয়াও প্রয়োগ কৰে। অন্যান্য টাই ভাষাৰ সৈতে ইয়াৰ সাদৃশ্যতা পূর্ণমাত্রে বিদ্যমান। সেয়েহে আহোম ভাষাক মৃতপ্রায় ভাষা বুলি ক'ব নোৱাৰি। অতীজত আহোম ভাষাত বুৰঞ্জী, পূজা-পার্বণৰ বিধি, মংগলাদি চোৱা পুথি আদি লিখা হৈছিল।

১৪.৩.৪ আর্য ভাষা

ভাৰতবর্ষৰ আটাইতকৈ উল্লেখযোগ্য ভাষা পৰিয়ালটো হ'ল ভাৰতীয় আর্যভাষা পৰিয়াল। এই ভাষা পৃথিৱীৰ সর্ববৃহৎ ভাষাগোষ্ঠী ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ পৰা উদ্ভৱ হৈছে। আর্যসকল ভাৰততে শেহতীয়াকৈ প্রৱেশ কৰিছিল। ইণ্ডো-ইউৰোপীয়ৰ সতম শাখাৰ এক উপশাখা হ'ল ইণ্ডো ইৰাণীয়। এই ইণ্ডো-ইৰাণীয় প্রধান ভাগ তিনিটা হ'ল ইৰাণীয়, দর্দীয় আৰু ভাৰতীয় আর্য্য। আনুমানিক খৃঃপূঃ পঞ্চদশ শতিকাত ইণ্ডো-ইৰাণীয় শাখাৰ এটা বা একাধিক দল ইৰান পাৰ হৈ ভাৰতৰ অভিমুখে ধাবিত হয়। প্রথমে পূব আফগানিস্তান, পশ্চিম-পাঞ্জাৱ আদি অঞ্চলত থিতাপি লয় যদিও ক্রমে পূব পাঞ্জাৱ আৰু মধ্যদেশ পর্যন্ত বিস্তৃত হৈ পৰে। অষ্ট্রিক, দ্রাবিড়সকলক আঁতৰাই ঠাইবোৰ নিজৰ দখললৈ আনি আর্য সভ্যতা আৰু সংস্কৃতি প্রতিষ্ঠা কৰে। আর্য সভ্যতা সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ এক বিশাল অংশ। ক্রমে সমগ্র উত্তৰ ভাৰত আৰু অংগ-বংগ কলিংগ কামৰূপ পর্যন্ত আর্য সংস্কৃতি তথা ধর্ম আৰু ভাষা সুপ্রতিস্থিত হয়।

ভাৰতলৈ অহা আর্যসকলৰ মুখৰ ভাষাই ভাৰতীয় আর্য ভাষা। খৃঃ পূর্ব পঞ্চদশৰ পৰা আর্যসকলে সিন্ধু উপত্যকাত ভাষা-ধর্ম সাহিত্যৰ বীজ ৰোপন কৰি ভাৰতীয় সভ্যতাক এক উন্নত ৰূপে পৰিচিতি কৰিলে। সমগ্র পৃথিৱীতে এই ভাষা সাহিত্যই বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

ভাৰতীয় আর্য ভাষাক গঠন আৰু ক্রমবিকাশৰ ইতিহাসক তিনিটা প্রধান স্তৰত বিভক্ত কৰা হৈছে—

১। প্রাচীন ভাৰতীয় আর্য ভাষা

২। মধ্য ভাৰতীয় আর্য ভাষা

৩। আধুনিক বা নব্য ভাৰতীয় আর্য ভাষা

প্রাচীন ভাৰতীয় আর্য ভাষা ঃ খীষ্ট পূর্ব পঞ্চদশ শতিকাৰ পৰা খ্রীষ্টপূর্ব ষষ্ঠ

শতিকা পর্যন্ত এই ভাষা প্রচলিত। বৈদিক আৰু সংস্কৃত উভয়ে মিলি প্রাচীন ভাৰতীয় আর্য ভাষাৰ স্তৰ। ভাষাৰ নিদর্শন স্বৰূপে বৈদিক ৰচনাৱলী, মহাকাব্য সমূহ, পাণিনি, পতঞ্জলি আদিৰ সংস্কৃত ৰচনা সমগ্র অন্তর্ভূক্ত হৈছে।

বৈদিক ভাষাৰ সাহিত্যিক ৰূপক কেইবাটাও ভাগত ভাগ কৰিব পাৰি—

(ক) বেদ বা সংহিতা

(খ) ব্রাহ্মণ

(গ) আৰণ্যক-উপনিষদ

প্রাঃ ভাঃ আঃ ভাষাৰ দ্বিতীয় স্তৰৰ ভাষা হ'ল পাণিনি অনুনাসিত সংস্কৃত ভাষা। বৈদিক যুগৰ অন্তত এই ভাষাতে সাহিত্য ৰচিত হৈছিল। পাণিনিৰ *'অষ্টাধ্যায়ী'* ব্যাকৰণখনৰ ভাষাই আদর্শ ৰূপে গৃহীত হৈছে। প্রাচীন ভাৰতীয় আর্য ভাষা অতি জটিল আৰু বৈচিত্র্যপূর্ণ ভাষা।

মধ্য ভাৰতীয় আর্য ভাষা খৃঃপূঃ ষষ্ঠ শতিকাৰ পৰা খৃঃ দশম শতিকালৈকে, এই স্তৰৰ ভাষা প্রচলিত। সংস্কৃত ভাষাৰ পৰা সৰলিকৰণ হৈ মধ্য ভাৰতীয় আর্য ভষাৰ জন্ম হয়। বৈদিক সংস্কৃতৰ জটিলতা হ্রাস কৰি এই স্তৰৰ ভাষাৰ জন্ম হ'লেও সকলো বৈশিষ্ট্য নুই কৰিব নোৱাৰিলে। আর্যসকলৰ সভ্যতা সংস্কৃতিত হিন্দু ধর্মই প্রধান ভূমিকা গ্রহণ কৰিছিল ক্রমান্বয়ে বৌদ্ধ ধর্ম, জৈনধর্ম আদিৰ অভ্যুত্থানে আর্য ভাষাৰ বিকাশত এক বিশেষ প্রাধান্য লাভ কৰে। মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰক সাহিত্যৰ ধাৰা অনুসৰি আকৌ তিনিটা স্তৰত বিভক্ত কৰা হৈছে—

(ক) পালি বা আদি প্রাকৃত

(খ) প্রাকৃত বা মধ্য প্রাকৃত

(গ) অপভ্রংস বা অন্তা প্রাকৃত

অশোকৰ অনুশাসনৰাজি, হীনযানী বৌদ্ধৰ ধর্মৰ গ্রন্থ আদি পালি ভাষাৰ নিদর্শন। বিভিন্ন সাহিত্যিক প্রাকৃত আৰু অন্যান্য নাটকীয় প্রাকৃত আদি প্রাকৃতিৰ উদাহৰণ আৰু অপভ্রংশ সাহিত্যৰাজি অপভ্রংশ বা অন্ত্য প্রাকৃতৰ নিদর্শন।

অশোকৰ অনুশাসন ৰাজিক চাৰিটা ভাগত ভাগ কৰা হৈছে—উত্তৰ পশ্চিমা, দক্ষিণ পশ্চিমা, প্রাচ্যমধ্যা আৰু প্রাচ্যা। সাহিত্যিক প্রাকৃতবোৰ হ'ল— মহাৰাষ্ট্রী প্রাকৃত শৌৰসেনী প্রাকৃত, অর্দ্ধমাগধী, মাগধী আৰু পৈশাচী প্রাকৃত। প্রত্যেকৰে নিজা নিজা বৈশিষ্ট্য লক্ষণীয়। অপভ্রংশ ভাষাই প্রাচীন ভাৰতীয় আর্য ভাষাৰ জটিলতা প্রায় নাইকীয়া কৰে। নব্য ভাৰতীয় আর্য ভাষাৰ প্রাক্ স্তৰ হিচাপে এই ভাষাৰ বৈশিষ্ট্য মনকৰিবলগীয়া। পালি, প্রাকৃত, অপভ্রংশ এই তিনিওটা ভাষাৰে প্রত্যেকৰে ভাষাগত বৈশিষ্ট্যৰ মাজত পার্থক্য বিৰাজমান যদিও উমৈহতীয়া বৈশিষ্ট্যও লক্ষণীয়।

নব্য ভাৰতীয় আর্যভাষা ঃ খৃঃ দশম শতিকাৰ পৰা বর্তমান পর্যন্ত নব্য ভাৰতীয় আর্যভাষাৰ স্তৰ। খৃঃ দশম শতিকা আধুনিক ভাৰতীয় আর্য ভাষাৰ আৰম্ভণি বুলি কোৱা হয় যদিও অপভ্রংশ আৰু এই স্তৰৰ ভাষাৰ সময়ত নির্দ্ধাৰণ কৰা সহজ

নহয়। অনুমান কৰিব পাৰি যে খৃঃ দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ভাৰতীয় আর্য ভাষাই আধুনিক ৰূপ পৰিগ্রহণ কৰি অঞ্চল ভেদে স্বকীয় ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰে। অর্বাচীন অপভ্রংশ বা অৱহট্ঠ ভাষাৰ পৰাই প্রায় সমসাময়িক ভাবেই স্থানগত বিবিধ বৈশিষ্ট্যৰে অসমীয়া, বাংলা, ওড়িয়া, মাৰাঠী, পাঞ্জাৰী আদি আধুনিক ভাৰতীয় ভাষাবোৰৰ উদ্ভৱ হয়। ভৌগোলিক অৱস্থান আৰু পাৰস্পৰিক সমন্ধৰ ওপৰত ভিত্তি কৰি তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি।

(ক) উত্তৰ-পশ্চিম শাখা
(খ) দক্ষিণী শাখা
(গ) মধ্য শাখা
(ঘ) মধ্য-পূর্বী শাখা
(ঙ) পূর্বী শাখা
(চ) হিমালয়ী শাখা
(ছ) বিদেশী শাখা

(ক) উত্তৰ পশ্চিম শাখা ঃ এই শাখাৰ ভিতৰত পৰে পশ্চিম পাঞ্জাৰী বা লহন্দা পূর্ব পাঞ্জাৰী বা হিন্দকী আৰু সিন্ধীৰ পৰা লহন্দা আৰু হিন্দকী ভাষা পৈশাচী প্রাকৃত বা কেকয়ী অপভ্রংশৰ পৰা উদ্ভৱ হয়। ষোড়শ শতিকাৰ মাজভাগত ৰচিত জনম সাকী) এই ভাষাৰ উল্লেখযোগ্য সম্পদ।

(খ) দক্ষিণ শাখা ঃ মাৰাঠী আৰু কোঙ্কনী এই শাখাৰ অন্তর্গত। মাৰাঠী ভাষা মহাৰাষ্ট্র, বেৰাৰ, হাইদৰাবাদ, মধ্যপ্রদেশ আদি অঞ্চলত প্রচলিত এক প্রধান ভাষা। মাৰাঠী মূল মহাৰাষ্ট্রী প্রাকৃত। কোঙ্কনী ভাষা গোৱা অঞ্চলৰ খ্রীষ্টান পাদুৰীসকলে ব্যৱহাৰ কৰে। কোঙ্কনী ভাষাক বহুতে মাৰাঠীৰ উপভাষা বুলি ক'ব খোজে।

(গ) মধ্য শাখা ঃ কথ্য হিন্দুস্তানী, ৰংগাৰু, ব্রজভাষা, কনৌজী , বন্দেলী, গুজৰাটী, ৰাজস্থানী, বীনী আদি মধ্য শাখাৰ অন্তর্গত ভাষা। এই ভাষাসমূহক দুটা প্রধান উপভাষাত ভাগ কৰিব পাৰি। পশ্চিমা হিন্দী, গুজৰাটী ৰাজস্থানী, পশ্চিমা হিন্দীৰ ভিতৰত ৰংগাৰু, বুন্দেলী, ব্রজভাষা কনৌজী, হিন্দুস্থানী এই পাঁচটা ভাষা আকৌ গুজৰাটী, মাৰোৱাৰী, জয়পুৰী, মেৰাৰী মেয়ৰী-পীলী আদি গুজৰাটী ৰাজস্থানীৰ অন্তর্গত। শৌৰসেনী অপভ্রংশৰ গুজৰ ৰূপৰ পৰা গুজৰাটী ভাষা হয়।

(ঘ) মধ্য পুর্বী ঃ অৱধী, বঘেলী আৰু ছত্তিশগড়ীৰ এই শাখাৰ ভাষ্যসমূহৰ ভিতৰত প্রধান। অর্ধ মাগধী অপভ্রংশৰ পৰা এই শাখাৰ ভাষাৰ জন্ম হয়। এই ভাষাকেইটাক একেলগে পূর্বে হিন্দী বা কোশলী বুলি কোৱা হয়।

(ঙ) পূর্বী শাখা ঃ এই শাখাৰ ভিতৰত অসমীয়া, বাংলা, ওড়িআ, মেথিলী, মগহী, আৰু ভোজপুৰী প্রধান। মাগধী প্রাকৃতিৰ অপভ্রংশৰ পৰা পূর্ব ভাৰতৰ এই ভাগকেইটাৰ উদ্ভৱ আৰু বিকাশ হয়। সেইকাৰণে এই ভাষাকেইটাকো একেলগে মাগধীয় ভাষাগুচ্ছ বুলি অভিহিত কৰা হয়।

অসমীয়া বাংলা-ওড়িআ এই ভাষাকেইটাৰ প্ৰাচীন সাহিত্য দ্বাদশ শতিকা পৰ্যন্ত একে অক্ষৰযুক্ত বুলি ক'ব পাৰি। পিছত চতুদৰ্শ শতিকা মানৰ পৰা অঞ্চল বিশেষে নিজস্ব সাহিত্যৰ ধাৰাৰে সুপ্ৰতিষ্ঠিত হয়।

পাহাৰী শাখা ঃ হিমালয়ৰ দক্ষিণ অঞ্চল, পাঞ্জাৱৰ পূৰ্বাঞ্চলৰ পৰা ভূটান পৰ্যন্ত কেইটামান আৰ্য ভাষাৰ ভিতৰুৱা ভাষাৰ প্ৰচলন আছে, নেপালী, কুমায়ণী, ছমেয়ালী, মন্দোয়ালী, কুলুই আদি এই শাখাৰ অন্তৰ্গত ভাষা। এই ভাষাসমূহৰ ভিতৰত নেপালী ভাষাই প্ৰধান।

বিদেশী শাখা ঃ ভাতৰবৰ্ষৰ বাহিৰতো কোনো কোনো ঠাইত আৰ্য ভাষাৰ প্ৰচলন আছে। শ্ৰীলংকাত প্ৰচলিত 'সিংহলী' ভাষাই প্ৰধান। খ্ৰীষ্ট পূৰ্ব চতুৰ্থ শতিকাত যিসকল আৰ্য প্ৰাচীন মগধ অঞ্চল পাৰ হৈ সিংহল দ্বীপত উপনিবিষ্ট হৈছিল তেওঁলোকৰ জৰিয়তে সিংহলত আৰ্য ভাষাৰ বিস্তাৰ ঘটে বুলি অনুমান কৰিব পাৰি। 'সিংহলী'ৰ প্ৰাচীন নাম 'এলু'। দশম শতিকাৰ মাজভাগৰ পৰা এই ভাষাৰ প্ৰাচীন নিদৰ্শন পোৱা গৈছে।

ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠীৰ প্ৰধান শাখা ইণ্ডো ইৰানীয় ভাষাক আৰ্য ভাষা বুলি কোৱা হয়। এই ইণ্ডো ইৰানীয় বা আৰ্য ভাষাৰ ভাৰতীয় আৰ্য ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত প্ৰচলিত। বৰ্তমান নব্য ভাৰতীয় আৰ্য ভাষাৰ পূৰ্বী শাখাৰ প্ৰায়বোৰ ভাষা যেনে অসমীয়া, বাংলা, ওড়িআ, ভোজপুৰী ভাষাৰ অসমত প্ৰচলিত। পাহাৰী শাখাৰ নেপালী ভাষাও অসমত প্ৰচলিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তিব্বত বৰ্মী ভাষাগোষ্ঠীৰ আদিম বাসস্থান আৰু শ্ৰেণীবিভাগ সম্পৰ্কে আলোচনা কৰক?

(১০০ শব্দৰ ভিতৰত)

.....

প্ৰশ্ন ২ ঃ মূল ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ পৰা কেনেদৰে অসমীয়া ভাষাৰ উদ্ভৱ হ'ল বহলাই লিখক। (১৫০ শব্দৰ ভিতৰত)

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা গ'ম পালো যে অসমত অতীজৰে পৰা বিভিন্ন আৰ্য - আৰ্যভিন্ন লোকে বসবাস কৰি আহিছে।

- পৃথিৱীৰ চাৰিটা প্ৰধান ভাষা পৰিয়ালৰ লোকে অসমত বসবাস কৰে। যদিও দ্ৰাবিড় ভাষা পৰিয়ালৰ আগমন সন্দেহজনক বুলি কোনো কোনোৱে কয়।
- অসমৰ প্ৰধান ভাষা অসমীয়া। মূল ইণ্ডো-ইউৰোপীয়ৰ ইণ্ডো ইৰানীয় শাখাৰ ভাৰতীয় আৰ্য উপ শাখাৰ এটা নব্য ভাৰতীয় আৰ্য ভাষা হ'ল অসমীয়া ভাষা।
- নব্য ভাৰতীয় আৰ্য ভাষাৰ কেৱল অসমীয়া ভাষাৰ যে অসমত প্ৰচলন আছে এনে নহয়। বাংলা, হিন্দী, ভোজপুৰী, নেপালী ভাষী লোক কিছুমানে অসমত বসতি কৰা দেখা যায়।
- ভাৰতীয় আৰ্যভাষাৰ প্ৰতিটো স্তৰৰ বিষয়ে এই অধ্যয়টিত জানিবলৈ সমৰ্থ হ'ল।
- তিব্বতবৰ্মী ভাষা গোষ্ঠীৰ চাৰিটা শাখাৰ উত্তৰ অসম বৰ্মী শাখাৰ প্ৰায় ভাগ ভাষা অসমত প্ৰচলিত।
- অষ্ট্ৰিক ভাষাৰ প্ৰধান ভাগ দুটা। অষ্ট্ৰএছীয় শাখাৰ ভাষাবহে ভাৰত তথা অসমত প্ৰচলন আছে।
- অষ্ট্ৰিকসকল অসমৰ প্ৰাচীন অধিবাসী
- টাইমূলীয় ভাষাৰ অন্যতম আহোম ভাষী লোকসকলৰ মাজত বৰ্তমান এই ভাষাৰ ব্যৱহাৰ নাথাকিলেও অসম আৰু অৰুণাচল বা নাগালেণ্ডৰ সীমামূলীয়া অঞ্চলত মান-টাইভাষীৰ মাজত এই ভাষা পূৰ্ণৰূপে সুৰক্ষিত।
- আৰ্যসকল অসমত শেষ পৰ্যায়ত আহিলেও পিছলৈ তেওঁলোকৰ প্ৰতিপত্তি চৌদিশে বিয়পি পৰে।
- ভাষা সাহিত্য সংস্কৃতি প্ৰতিটো দিশতে আৰ্যসকল শ্ৰেষ্ঠ।



১৪.৫ অধিক জানিবলৈ

১। গোস্বামী, উপেন্দ্ৰ নাথ (২০০৮) *ভাষাবিজ্ঞান*, গুৱাহাটী ঃ মণি মানিক প্ৰকাশন।

২। ঠাকুৰ, নগেন (২০০৭) *পৃথিৱীৰ বিভিন্ন ভাষা*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

৩। ফুকন পাটগিৰি, দীপ্তি (২০০৬) *ভাষাতত্ত্ব*, ডিব্ৰুগড় ঃ বনলতা প্ৰকাশন।

৪। বৰুৱা, ভীমকান্ত (২০১০) *অসমৰ ভাষা*, ডিব্ৰুগড় ঃ বনলতা প্ৰকাশন।

৫। ভট্টাচাৰ্য, বসন্ত কুমাৰ (২০১৫) *ভাষাবিজ্ঞানৰ প্ৰৱেশ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশন।

৬। ৰাভা, হাকাচাম উপেন (২০০৩) *ৰাভা ভাষা আৰু সাহিত্য*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৭। ৰাভা হাকাচাম, উপেন (২০০৭) *অসমীয়া আৰু অসমৰ তিব্বত বৰ্মীয় ভাষা*, হাকাচাম কাওছাদাম, ধূপধৰা, গোৱালপাৰা

৮। ৰাভা হাকাচাম, উপেন (২০০৯) *অসমীয়া আৰু অসমৰ ভাষা উপভাষা*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।



১৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

- চীন-তিব্বতীয় ভাষা পৰিয়ালৰ প্রধান শাখা দুটা তিব্বত বর্মী আৰু শ্যাম চীনীয়। ইয়াৰ তিব্বত বর্মী ভাষাগোষ্ঠীৰ আদিম বাসস্থান লিখিব লাগিব। বিভিন্ন জন ভাষাবিজ্ঞানী এই ভাষাগোষ্ঠীৰ শ্রেণীবিভাগ কৰা দেখা যায়। তাৰ ভিতৰতৰ গ্রীয়াৰছনৰ শ্রেণীবিভাগটো লিখিব লাগিব। ভাগবোৰৰ বিষয়ে চমুকৈ লিখিব। আগৰ অধ্যায়টোৰ (ভাৰতীয় আর্যভিন্ন ভাষাৰ' চমু পৰিচয়) শীর্ষক অধ্যায়টিৰ পৰাও সহায় ল'ব পাৰিব।
- ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ইণ্ডো-ইৰাণীয় শাখাৰ ভাৰতীয় আর্য ভাষাৰ পৰা উদ্ভৱ হোৱা এটা নব্য ভাৰতীয় আর্য্য ভাষা হ'ল অসমীয়া ভাষা। উক্ত বাক্যশাৰীৰ ভিত্তিত প্রাচীন ভাৰতীয় আর্য, মধ্য ভাৰতীয় আৰু নব্য ভাৰতীয় আর্য ভাষাৰ বিষয়ে লিখিব লাগিব।



১৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমত প্রধানকৈ কেইটা ভাষা পৰিয়ালৰ লোকে বসবাস কৰে? যিকোনো এটি ভাষা পৰিয়ালৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ দ্রাবিড় ভাষাগোষ্ঠীৰ প্রধান শাখা কেইটা আৰু কি কি? প্রধান শাখাৰ ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ দ্রাবিড় ভাষাগোষ্ঠীৰ ভাষাসমূহ ভাৰতৰ কোন কোন ঠাইত প্রচলিত?

প্রশ্ন ৪ ঃ অসমত তিব্বত ভাষাগোষ্ঠীৰ কোনটো শাখাৰ ভাষা কোৱা লোকৰ সংখ্যা অধিক? উক্ত শাখাটোৰ বিষয়ে বহলাই আলোচনা কৰক?

প্রশ্ন ৫ ঃ অষ্ট্রিক ভাষাগোষ্ঠীক কেইটা ভাগত ভাগ কৰিব পাৰি? কোনটো শাখাৰ ভাষা অসমত প্রচলিত চমুকৈ লিখক।

প্রশ্ন ৬ ঃ ভাৰতীয় আর্য ভাষাগোষ্ঠীৰ বিভিন্ন স্তৰৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৭ ঃ চমুটোকা লিখক—

(ক) দ্রাবিড় ভাষা, (খ) আর্য ভাষা

(গ)অষ্ট্র' এছীয় (ঘ) নব্য ভাৰতীয় আর্য

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) কোঁৱৰ, অর্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্রমণিকা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৭০); *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) ঠাকুৰ, নগেন (১৯৯৭); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) ঠাকুৰ, নগেন আৰু ডেকা, খগেশসেন (সম্পাঃ) (২০০২); *ভাষা -চিন্তা-বিচিত্রা;* গুৱাহাটী ঃ পূৰেৰুণ।

৫) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৬) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৭) দেৱী, প্রণীতা (২০০৭); *ভাষাবিজ্ঞানৰ জিলিকনি;* নলবাৰী।

৮) পাদুন, নাহেন্দ্র (সম্পাঃ) (১৯৯৬-৯৭); *চিন্তা-প্রৱাহ;* শিৱসাগৰ ঃ শিৱসাগৰ কলেজ।

৯) পাদুন, নাহেন্দ্র (সম্পাঃ) (১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১০) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১১) পাঠক, ৰমেশ (২০০৮); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১২) ফুকন পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১৩) পাটগিৰি, দীপ্তি ফুকন (২০০৯); *ভাষা-সাহিত্য-জিজ্ঞাসা;* পূর্বাঞ্চল প্রকাশ, গুৱাহাটী।

১৪) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

১৫) মহন্ত, বিপুল কুমাৰ (১৯৯২); *ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্রুগড় ঃ বনলতা।

১৬) ৰাভা হাকাচাম, উপেন (২০১০); *অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ*

১৭) শইকীয়া বৰা, লীলাৱতী, ফুকন পাটগিৰি, দীপ্তি (২০০৩) (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

১৮) হাজৰিকা, লক্ষী (২০০৬); *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিত;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

বাংলা গ্রন্থ ঃ

১) শ', রামেশ্বর (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা;* কলকাতা ঃ পুস্তক বিপনী।

২) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত ;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

৩) বিশ্বাস সুকুমার (১৯৬৮) ঃ ভাষাবিজ্ঞান পরিচয়; কলকাতা ঃ জিজ্ঞাসা।

ইংৰাজী গ্রন্থ ঃ

1. Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu : Tashiwa Network Ltd..
2. Bloomfield, L. (1994). *Language*. Delhi : Motilal Banarasidass.
3. Bender H.H. : the Home of Indo-European.
4. Benedict P.K. : Sino Tibetan : A conspectus.
5. Bally, C. & Sechehaye, A. (ed.)(1959). *Course in General Linguistics.* New York : Philosophical Library.
6. Chetterji S.K : Language and Literature of Modern India.
7. Crystal, David (1997). *The Encyclopedia of Language*; Cambridge : CUP.
8. Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi : Oxford & IBH Publishing Co. Pvt. Ltd..
9. Hudson, R. A. (1996). *Sociolinguistics*. Cambridge : CUP.
10. Taraporewalla, I. J. S : Elements of the Science of Language.
11. Yule, G. (1996). *The study of Language*. Cambridge: CUP.